মহাত্মা গান্ধীৰ জীৱন কথা

সু-প্ৰসিদ্ধ আমেৰিকান লিখকৰ দ্বাৰা লিখিত
গান্ধীৰ জীৱন গাঁথা

মূল গ্ৰন্থকাৰ
লুই ফিচাৰ

হিন্দী অনুবাদ
চন্দ্ৰগুপ্ত ৱাৰ্ষ্ণেয়

সম্পাদক
যশপাল জৈন

অসমীয়া অনুবাদ
ৰূপা বৰা

GOVT. OF ASSAM
DIRECTORATE OF LIBRARY SERVICES
Call No.....................

জাগৰণ

জাগৰণ সাহিত্য প্ৰকাশন

মহাত্মা গান্ধীৰ জীৱন কথা

অসমীয়া অনুবাদ

ৰূপা বৰা

প্ৰকাশক
জাগৰণ সাহিত্য প্ৰকাশন
মুখ্য কাৰ্যালয় ঃ খিং, নগাঁও
মহানগৰ কাৰ্যালয় ঃ গুৱাহাটী-৩
ফোন ঃ ৯৯৫৪৩-২৫২৯০

প্ৰথম প্ৰকাশ
২০০৯
দ্বিতীয় প্ৰকাশ
২০১০

প্ৰচ্ছদ
মনজিৎ ৰাজখোৱা

স্বত্ব
ভাৰতীয় ভাষালৈ প্ৰকাশ কৰা সকলো
অধিকাৰ সস্তা সাহিত্য মণ্ডলৰ হাতত সুৰক্ষিত

অক্ষৰ বিন্যাস
কুঞ্জমণি ডেকা

মুদ্ৰক
জাগৰণ প্ৰেছ
পূব শৰণীয়া ৰ'ড, গুৱাহাটী - ৭৮১ ০০৭
ফোন ঃ ৯৯৫৪৩-২৫২৯০

মূল্য ঃ
১৫০.০০ টকা

অনুবাদকৰ দু-আষাৰ

২০০৮ চনৰ আৰম্ভণিতে কোনোবা এটা দিনত মই ডিব্ৰুগড়ৰ চৌকিডিঙিত থকা শ্ৰদ্ধেয় ৺গোলাপ দত্তৰ ঘৰলৈ যাওঁতে তেখেতৰ সু-পুত্ৰ শ্ৰীমান মিটু আৰু বোৱাৰীয়ে দেউতাকৰ পুৰণা কিতাপৰ বাকচটো মোক চাবলৈ দিলে। মই বাকচৰ কিতাপবোৰৰ মাজৰ পৰা আমেৰিকান লিখক লুই ফিছাৰে মহাত্মা গান্ধীৰ বিষয়ে ইংৰাজীত লিখা কিতাপখনৰ হিন্দীলৈ অনুদিত 'গান্ধী কী কহানী' নামৰ কিতাপখন ঘৰলৈ আনি উৰাই-ঘূৰাই পঢ়িলো।

কিতাপখন পঢ়ি মোৰ এনে ভাব হ'ল যে এনে এখন কিতাপ অসমীয়া ভাষাত প্ৰকাশ হৈ ওলালে বৰ্তমান আৰু ভৱিষ্যতে উঠি অহা ল'ৰা-ছোৱালীবোৰে মহাত্মা গান্ধীক ভালদৰে বুজি পোৱাত সুবিধা হ'ব। এই কথাটোকে ভাবি-চিন্তি মোৰ হিন্দী ভাষাৰ সীমিত জ্ঞানেৰেই অসমীয়া ভাষালৈ অনুবাদ কৰাৰ কাম হাতত ল'লো। অন্যান্য কামৰ মাজতে থাপমাৰি মাৰি প্ৰায় ছমাহ মানৰ মূৰতহে কামটো সমাধা কৰা হ'ল।

কিতাপখন অনুবাদৰ কাম হ'লেও যেই কোনো ভাষাত প্ৰকাশ কৰাৰ বাবে গান্ধী সাহিত্য প্ৰকাশ কৰা অনুষ্ঠান 'সস্তা সাহিত্য মণ্ডল প্ৰকাশন'ৰ পৰা অনুমতি আনিব লাগে। গতিকে অসমীয়া ভাষাত প্ৰকাশৰ বাবেও অনুমতি পত্ৰ আনিবলৈ প্ৰায় দুমাহমান উক্ত অনুষ্ঠানৰ লগত চিঠি-পত্ৰ, টেলিফোন, ফেক্স আদিৰে সময়ৰ প্ৰয়োজন হ'ল। এই যোগাযোগৰ কামবিলাকত শ্ৰীমতী ৰুনু গগৈ সোণোৱাল, শ্ৰীমতী মনীষা শইকীয়া, ভাতৃ প্ৰতীম শ্ৰী বিনয় কুমাৰ নাথ আৰু মোৰ নাতি শ্ৰীমান ধ্ৰুৱজ্যোতি বৰাই অশেষ সহায় কৰাৰ বাবে এওঁলোক সকলোৰে প্ৰতি মোৰ কৃতজ্ঞতা থাকিল।

কিতাপখনত ৰৈ যোৱা ভুল-ত্ৰুটিখিনিত মোৰ জোঁৱাই শ্ৰীমান কনক বৈশ্যই চকু ফুৰাই দি ছপাশালত দিয়াৰ উপযোগী কৰি দিয়াৰ বাবে তেওঁলৈও মোৰ কৃতজ্ঞতা থাকিল।

ইমানদূৰ কাম আগবঢ়াৰ পাছতো ছপাশাললৈ আগবঢ়াবলৈ মোৰ সাহস হোৱা নাছিল। মোৰ জীয়ৰী শ্ৰীমতী জ্যোতি বৰা বৈশ্যৰ লগতে কেইবাজনো বন্ধু-বান্ধৱীৰ উদগনিয়ে কিতাপখন ছপাশাললৈ আগবঢ়াই দিবলৈ মোক সাহস যোগালে। এই সকললৈও মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

শেষত এই সামান্য কিতাপখনি অসমৰ পঢ়ুৱৈ সমাজৰ হাতত তুলি দিবলৈ আগবাঢ়িলো। কিতাপখনৰ ভুল-ত্ৰুটি মাৰ্জনা কৰি পঢ়ুৱৈ সমাজে গ্ৰহণ কৰিলে নথৈ কৃতাৰ্থ হ'ম।

ৰূপা বৰা

তিনিচুকীয়া

তাৰিখ - ১৭/১০/২০০৯

লেখকৰ দু-আষাৰ

"অন্যান্য দেশবোৰত সাধাৰণতে যাত্ৰা কৰোতে মই যিমান বেছি ধৰণে অনুভৱ কৰিছো, সিমানেই মোৰ বিশ্বাস গভীৰ হৈ যাবলৈ ধৰিছে যে আমেৰিকা, ইউৰোপ, এছিয়া (য'ত ভাৰতো সোমাই আছে) তেনে আন দেশবিলাকৰ পথ প্ৰদৰ্শক, আধ্যাত্মিক অৱলম্বন তেনে মহত্বপূৰ্ণ কাৰ্য্যৰ তুলনাৰ বাবে গান্ধীৰ ফালে ঘূৰি চোৱাৰ আৱশ্যক। তেওঁৰ জীৱনে মানৱতাৰ বহুতো সমস্যাবোৰৰ সমাধান দিয়ে। সেইবাবে আমি কেৱল সেইটোহে কৰিব লাগে যিটো তেওঁ কৰিছিল।

লুই ফিচাৰ

৩০৩ লেকিনচ্ গ্‌তন এভিনিউ
নিউয়র্ক
১৫ আগষ্ট ১৯৫৪ চন

প্ৰকাশকীয়

গান্ধীজীৰ জীৱন কালত আৰু তেখেতৰ মৃত্যুৰ পিছত ভাৰতীয় তথা বিদেশী ভাষাবোৰতো তেখেতৰ বা তেখেতৰ লগত সম্বন্ধিত বহুতো সাহিত্য প্ৰকাশিত হয়। তেখেতৰ আত্মকথা বিশ্বৰ ভিতৰতেসকলোতকৈ লোকপ্ৰিয় কিতাপবোৰৰ মাজৰ এখন। সংসাৰৰ সম্ভৱ যিকোনো বিকশিত ভাষাতেই তেখেতৰ এইখন কিতাপৰ অনুবাদ নোলোৱাকৈ থকা নাই। তেখেতৰ কোনোবা একোখন অন্য কিতাপেও দেশ-বিদেশৰ পাঠকৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। গান্ধীজীৰ মৃত্যুৰ পাছত তেখেতৰ বিষয়ে যিবোৰ সাহিত্য ওলাইছে, তাৰ ভিতৰত সুবিখ্যাত আমেৰিকান লিখক আৰু সাংবাদিক লুই ফিচাৰৰ 'দি লাইফ অব মহাত্মা গান্ধী' নিজা ধাৰণাৰে যোৰ পাব নোৱাৰা কিতাপ। সেই খনৰে অনুবাদ হিন্দী ভাষী পাঠক পাঠিকাৰ সুবিধাৰ বাবে প্ৰকাশ কৰে। উক্ত হিন্দী সংস্কৰণৰ অসমীয়া ভাষালৈ অনুবাদ কৰি অসমীয়া ভাষী পাঠক পাঠিকাৰ হাতলৈ আগবঢ়াবৰ প্ৰয়াসেৰে 'মহাত্মা গান্ধীৰ জীৱন কথা' নামেৰে প্ৰকাশৰ প্ৰচেষ্টা কৰা হৈছে। মূল পুস্তকৰ ভালেখিনি বিৱৰণ গান্ধীজীৰ আত্মকথা তথা অন্যান্য কিতাপৰ পৰা লোৱা হৈছিল আৰু হিন্দীৰ সৰহ সংখ্যক পাঠকেই তেখেতৰে সৈতে ভালদৰে পৰিচিত আছিল। সেয়ে এইবোৰ চমু কৰা হ'ল। কিন্তু লিখকৰ মূল ভাৱটোৰে সৈতে ক'তো হীনদেড়ী হোৱা নাই।

গান্ধীজীৰ জীৱন নিজতেই অথবা পৰিয়ালৰ মাজতেই সীমিত নাছিল। তেখেতে দেশৰ আৰু দেশতকৈও আগবাঢ়ি মানৱতাৰ বাবে নিজকে নিজেই সমৰ্পিত কৰিছিল। এইটোৱেই কাৰণ যে এই কাহিনীয়ে কেৱল গান্ধীজীৰ কথাকে নকয় তাৰোপৰি সেইখন ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু মানৱতাৰ প্ৰতি তেখেতৰ মনোভাব তথা সেইবোৰৰ বাবে কৰা কামবোৰৰো উল্লেখ আহি পৰে।

লুই ফিচাৰ এজন সিদ্ধহস্ত সাংবাদিক। তেখেতেসকলো বিষয়কে ইমান মনোগ্ৰাহী কৰি সজাইছে যে সেইবোৰ পঢ়িলে উপন্যাস পঢ়াৰ দৰে আনন্দ অনুভৱ হয়। কিছুমান বিষয়তো ইমান সজীৱ যে সেইটোৰ হুবহু চিত্ৰ চকুৰ আগলৈ আহি পৰে।

গান্ধীজী সম্বন্ধীয় যিমানবোৰ সামগ্ৰী পাবপৰা সম্ভৱ হৈছিল, সেইবোৰ গোটাই পিটাই লৈ লেখকে নিৰিবিলি ঠাইত বহিললে আৰু আনসকলো কাম এৰি দুবছৰ কাল কঠোৰ পৰিশ্ৰম কৰি তেখেতে এই পুস্তকখন সম্পূৰ্ণ কৰে। পাণ্ডুলিপি তৈয়াৰ হোৱাত পাঁচ মাহ ধৰি সেইখন পুনৰ চকু ফুৰায়। এনেদৰে দুবছৰ পাঁচমাহ একাগ্ৰহৈ নিষ্ঠাৰে এই মহান যজ্ঞ সম্পন্ন কৰে। পুস্তকৰ উপৰিও তেখেতে আৰু অনেক আৱশ্যকীয় সামগ্ৰী সেইজন ব্যক্তিৰ পৰা পালে, যিজনে দীৰ্ঘদিন ধৰি গান্ধীজীৰ ওচৰত থাকি কাম কৰাৰ দুৰ্লভ সুবিধা পাইছিল। ইমানেই নহয় লিখকে কেইবাবাৰো গান্ধীজীক লগ ধৰিছে। আৰু তেখেতৰ মৰমৰ পাত্ৰও হৈছিল। এইটোৱেই কাৰণ যে বহুতো বস্তু আনত পোৱাত নেযায়। কেতিয়াবা কেতিয়াবা গান্ধীজীৰ লগত আলোচনা কৰোতে অনেক মহত্বপূৰ্ণ বিষয়তো তেখেতে অনেক বিচাৰ ব্যক্ত কৰাই লৈছিল আৰু এই পুস্তকত সেইবোৰৰ সমাবেশ কৰি লেখকে কিতাপ খনৰ সৌন্দৰ্য্য বঢ়াইছিল। 'গান্ধীজীৰ লগত এক সপ্তাহ' আৰু 'গান্ধীজীৰ সৈতে দ্বিতীয় বাৰ লগালগি' এনেকুৱা অধ্যায়, যিবোৰৰ কথা আৰু ক'তো পোৱা নেযায়।

পুস্তকখনৰ আৰম্ভণি বৰ নাটকীয় কিন্তু সজীৱ প্ৰকাৰে হৈছে আৰু সামৰণি অতি মাৰ্মিক ৰূপে। মাজৰ কাহিনীবোৰ গান্ধীজীৰ জীৱন তথা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ক্ৰমবিকাশৰ কাহিনী। এই সৰু পুস্তক খনত স্বাধীনতা যুঁজৰ বিস্তৃত ইতিহাসতো আহিবই নোৱাৰে, তথাপিও লেখকে যত্ন কৰিছে যেন একো মহত্বপূৰ্ণ ঘটনা যাতে বাদ পৰি নেযায়।

পুস্তকখন তিনিটা ভাগত ভাগ হৈছে। প্ৰথম ভাগত 'শেষ আৰু আৰম্ভ' য'ত গান্ধীজীৰ মৃত্যুৰে আৰম্ভ কৰি পাছৰবোৰ অধ্যায়ত তেখেতৰ জীৱন দৰ্শন দেখা পোৱা হৈছে। দক্ষিণ আফ্ৰিকাৰ পৰা বিজয় হৈও ভটাৰ প্ৰসংগলৈ আহি এইটো ভদা সমাপ্ত হৈছে। দ্বিতীয় ভদা 'গান্ধীজী ভাৰতত। এইটো ভাগত গান্ধীজীৰ এখন দেশত কামৰ আৰম্ভণিৰে স্বাধীনতাৰ আগৰ সময় পৰ্যন্ত ঘটনাবোৰ আছে। শেষ বা অন্তিম ভাগ 'দুখন ৰাষ্ট্ৰৰ উদয়'ত ভাৰত বিভাজনৰ দুখদায়ক কাহিনী আছে। বিভাজনৰ পৰা উৎপন্ন হোৱা অনেক সমস্যাৰ ওপৰত ইয়াত পোহৰ পেলোৱা হৈছে। এইটো ভাগৰ অন্তিম পৃষ্ঠাত গান্ধীজীৰ নোৱাখালি যাত্ৰা তথা অন্তিম দিনবোৰৰ বৰ হৃদয় পৰশা বিৱৰণ আছে।

"বিশ্ববিখ্যাত বিজ্ঞানী আইনষ্টাইনে গান্ধীজীৰ ৭৫ বছৰীয়া জন্মদিনৰ সময়ত কৈছিল যে ভৱিষ্যতে আহিব লগা বংশধৰসকলে কোনোমতেহে বিশ্বাস কৰিব যে তেখেতৰ দৰে হাড়-মাংসৰ পুতলাই এই পৃথিৱীত জন্ম লৈছিল। কথাটো ষোল অনাই সঁচা। গান্ধীজীৰ জীৱন ইমান উদাস আৰু মানৱতাৰ সুখ দুখৰ লগত ইমান ওতপ্ৰোত আছিল যে তেখেত কোনোবা এখন দেশৰ নহয়, বৰং সমগ্ৰ বিশ্বৰে আত্মীয় হৈ পৰিছিল। সেই বাবেই তেখেতৰ মৃত্যুত ৰাষ্ট্ৰসংঘৰ লগে লগে 'মানৱতা'ই নিজৰ পতাকা তললৈ নমাই দিছিল। 'সকলো দেশতে কোটি কোটি লোকে এনে শোক পালন কৰিলে যেন তেওঁলোকৰ ব্যক্তি এজনহে গ'ল।'

গান্ধীজীৰ বিস্তৃত জীৱনী এতিয়ালৈকে প্ৰকাশিত হোৱা নাই। ইংৰাজীত 'দি মহাত্মা' ৮ খন জিন্দৰে ওলাইছে। নিজৰ ভাৱনাৰে অতি উপযোগী কিতাপ। কিন্তু সেইখন তেখেতৰ সম্পূৰ্ণ জীৱনী নহয়। এনে জীৱনী তৈয়াৰ কৰা, য'ত গান্ধীজীৰ সম্পূৰ্ণ জীৱন, মহান প্ৰয়োগ, তেখেতৰ বিদেশী চৰকাৰৰে সৈতে দীঘলীয়া দিনৰ সংঘৰ্ষ, ভাৰতৰ গুপ্ত জীৱনত প্ৰাণৰ সঞ্চাৰ কৰিব পৰা মানসিক শক্তি আৰু মানৱতাক উদ্দাত্ত কৰি তোলা কাম, ভালদৰে প্ৰভাৱ পেলাব পৰা সহজ নহয়। সেইবোৰ বছৰ বছৰ ধৰি কৰি থাকিব লগা কাম আৰু সেইবোৰ সম্পূৰ্ণ কৰিবলৈ মহান সাধনাৰ আৱশ্যাক। কিন্তু আমাৰ বিশ্বাস যে প্ৰস্তুত জীৱনীয়ে কিছু অংশলৈকে সেই অভাৱ পূৰণ কৰিব।

ভাৰতীয় ভাষাবোৰলৈ এইখন কিতাপৰ অনুবাদ আৰু প্ৰকাশ কৰাৰ অধিকাৰ 'মণ্ডল'ৰ হাতত। সেয়ে যেই কোনো ভাষালৈ যদি কোনো সৎলোক বা অনুষ্ঠানে অনুবাদ আৰু প্ৰকাশ কৰিব খোজে তেন্তে তাৰ অনুমতি 'মণ্ডল'ৰ পৰা প্ৰাপ্ত কৰি কৃতাৰ্থ কৰে যেন।

মাৰ্তণ্ড উপাধ্যায়
— মন্ত্ৰী, সস্তা সাহিত্যমণ্ডল
নতুন দিল্লী

বিষয় সূচী

প্ৰথম ভাগ

১। প্ৰাৰ্থনাৰ আগে আগে মৃত্যু
২। গান্ধীজীৰ জীৱন দৰ্শন
৩। পুত্ৰলৈ পত্ৰ
৪। টলষ্টয় আৰু গান্ধী
৫। ভৱিষ্যতৰ আগজাননী
৬। বিজয়

দ্বিতীয় ভাগ
মহাত্মা গান্ধী ভাৰতত

১। ঘৰলৈ উভটিল
২। "গান্ধী বহি থাকা"
৩। হৰিজন
৪। নীল
৫। প্ৰথম উপবাস
৬। ছাগলীৰ গাখীৰ
৭। গান্ধীজী ৰাজনীতিত
৮। অপাৰেচন আৰু উপবাস
৯। ধন আৰু গহনা
১০। মৌনতাৰ বছৰটো
১১। ভাগৱত লেবেজান
১২। সত্যাগ্ৰহৰ বাবে সাজু
১৩। সমুদ্ৰৰ পাৰৰ ৰঙ্গভূমি
১৪। বিদ্ৰোহীৰ লগত মন্ত্ৰণা
১৫। ওভতনি যাত্ৰা
১৬। অগ্নি পৰীক্ষা
১৭। ৰাজনীতিৰ পৰা বেলেগ
১৮। মহাযুদ্ধৰ আৰম্ভণি
১৯। চাৰ্চিল বনাম গান্ধী
২০। গান্ধীজীৰ লগত এক সপ্তাহ
২১। অদম্য ইচ্ছা শক্তি
২২। জিন্না আৰু গান্ধী

তৃতীয় ভাগ
দুখন ৰাষ্ট্ৰৰ উদয়

১। স্বাধীনতাৰ দুৱাৰ দলিত
২। ভাৰত দোধোৰ মোধোৰত
৩। গান্ধীজীৰে সৈতে দ্বিতীয়বাৰ লগালগি
৪। নোৱাখালিৰ মহান যাত্ৰা
৫। পশ্চিমলৈ এচিয়াৰ সংবাদ
৬। দুখান্ত বিজয়
৭। বেদনাৰ চৰম সীমা
৮। ভাৰতৰ ভৱিষ্যত
৯। অন্তিম উপবাস
১০। অন্তিম অধ্যায়

সাদৰ সমৰ্পণ

মৰমৰ নাতি

অংকুৰ, কল্যাণ, ধ্ৰুৱ, চন্দন

আৰু নাতিনী পান্নাৰ হাতত

—আইতা

মহাত্মা গান্ধীৰ জীৱন কথা

প্ৰথম ভাগ

শেষ আৰু আৰম্ভ

প্ৰাৰ্থনাৰ আগে আগে মৃত্যু

সন্ধিয়া ৪-৩০ বজাত আভাই ভোজন সামগ্ৰী লৈ আহিল। এয়ে এওঁৰ অন্তিম ভোজন হ'ব লগা আছিল। এই ভোজনত ছাগলীৰ গাখীৰ সিজোৱা আৰু কেঁচা শাক-পাচলি, সুমথিৰা, আদা মিলোৱা চালকুঁৱৰীৰ ৰস, নেমুৰ ৰস আৰু ঘিউ দিয়া কাঢ়া এয়ে আছিল। নতুন দিল্লীৰ বিৰলা ভৱনৰ পিছফালে মাটিত বহি গান্ধীজীয়ে খাই থাকোতে স্বতন্ত্ৰ ভাৰতৰ নতুন চৰকাৰৰ উপ প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলৰ লগত কথা বতৰাও পাতি আছিল। চৰ্দাৰ পেটেলৰ জীয়েক আৰু তেওঁ মন্ত্ৰী মণিবহনো তাত আছিল। আলোচনা মহত্বপূৰ্ণ আছিল। আনবিলাক সমস্যাৰ দৰে পেটেল আৰু প্ৰধানমন্ত্ৰী নেহেৰুৰ মাজত মতভেদৰ উৰা বাতৰি আছিল। আনবিলাক সমস্যাৰ দৰে এইটো সমস্যাও মহাত্মাজীৰ তুলাচনীত দিয়া হৈছিল।

গান্ধী, চৰ্দাৰ পেটেল আৰু মণিবহন আদিৰ ওচৰত অকলে বহি থকা আভাই মাজতে কথা ক'বলৈ সংকোচ কৰি আছিল তথাপি সময় পালনৰ বিষয়ত গান্ধীজীৰ আগ্ৰহৰ বিষয়ে তেওঁ জানিছিল। সেই বাবে শেষত তেওঁ মহাত্মাক নিকেলৰ ঘড়ীটো তুলি লৈ দেখুৱালে। গান্ধীজীয়ে কৈ উঠিল "মই এতিয়াই যাব লাগিব" এনেকৈ কৈয়ে তেওঁ উঠিল আৰু ওচৰতে থকা বাথৰুমলৈ গৈ আহিল। তেওঁ ভৱনটোৰ বাওঁফালে থকা ডাঙৰ পাৰ্কখনত হব লগা প্ৰাৰ্থনাৰ ঠাইলৈ আগবাঢ়ি গ'ল। মহাত্মাজীৰ খুড়াকৰ পুত্ৰ ভায়েকৰ নাতিনীয়েক মনুও লগতে গ'ল। তেওঁ মনুৰ কান্ধত নিজৰ বাউসীৰে সহায় ল'লে। তেওঁ মনুক নিজৰ 'ভ্ৰমণৰ লাখুটি' বুলি কৈছিল।

প্ৰাৰ্থনাৰ স্থানলৈ যোৱা পথটোত ৰঙা ৰঙৰ শিলৰ খুটাৰে দীঘল গেলেৰী আছিল। এই ফালেদি প্ৰতিদিনে দুই মিনিটৰ বাট পাৰ হৈ যাওঁতে লেহেম কৰিছিল আৰু ধেমেলীয়া কথা কৈছিল। সেই সময়ত তেওঁ পুৱাতে আভাই খাবলৈ দিয়া গাজৰৰ ৰসৰ কথা কৈছিল। তেওঁ কৈছিল "বাৰু তুমি মোক জন্তুৰ খাদ্য খাবলৈ দিয়া" আৰু হাঁহিলে। আভাই ক'লে " 'বা' ই এইবোৰক ঘোঁৰাৰ খাদ্য বুলিহে কৈছিল" গান্ধীজীয়ে ধেমালী কৰি ক'লে "কিয় মোৰ

কাৰণে এইটো গৌৰবৰ কথা নহয় জানো। যিটোক কোনেও নিবিচাৰে মই সেইটোকে পচন্দ কৰোঁ।"

আভাই ক'বলৈ ধৰিলে " বাপু আপোনাৰ ঘড়ীয়ে নিজকে বহুত উপেক্ষিত বুলি অনুভৱ কৰি থাকিব পায়। আজি আপুনি তাৰ ফালে কেৰাহিকৈয়ো চোৱা নাই।"

গান্ধীজীয়ে তুৰন্তে ব্যংগ কৰি ক'লে "তুমি যেতিয়া মোৰ সময় পালিকা হৈ আছাই তেতিয়া মোৰ এইবোৰ কথাৰ আৱশ্যকতাইবা ক'ত।"

মনুৱে ক'লে "আপুনিতো সময় পালিকালৈকো নেচায়।" গান্ধীজীয়ে পুনৰ হাঁহিলে।

ইমান পৰে তেওঁলোকে প্ৰাৰ্থনা ঠাইৰ দুবৰিৰ ওপৰেদি গৈ আছিল। প্ৰতিদিনৰ দৰে সন্ধিয়াৰ প্ৰাৰ্থনা সভাত প্ৰায় পাঁচশ লোক একত্ৰিত হৈছিল। গান্ধীজীয়ে ভোৰ ভোৰাই ক'লে "মোৰ দহ মিনিট পলম হৈ গ'ল। পলম হোৱাটো মই বেয়া পাওঁ। মই ইয়াত ঠিক পাঁচ বজাত আহি পাব লাগিছিল।"

প্ৰাৰ্থনাৰ ঠাইৰ মাটিত গৈ পাব লগা পাঁচটা সৰু চিড়ি তেওঁ বেগাই পাৰ হ'ল। প্ৰাৰ্থনাৰ সময়ত তেওঁ যিখন খাটত বহে সেইখন পাবলৈ কেই গজ মাত্ৰ দূৰ আছিল। সৰহ ভাগ মানুহ উঠি থিয় হ'ল। যিসকল ওচৰত আছিল সেইসকলে হাউলী তেওঁৰ ভৰি চুই প্ৰণাম জনালে। গান্ধীজীয়ে আভা আৰু মনুৰ কান্ধৰ পৰা হাত দুখন ডাঙি হাতযোৰ কৰি প্ৰণাম কৰিলে। ঠিক তেনে সময়তে এজন লোক ভিৰ ফালি মাজবাটলৈ ওলাই আহিল। এনে লাগিছিল যেন তেওঁ হাউলী ভক্তৰ দৰে প্ৰণামহে কৰিব খুজিছে। কিন্তু দেৰি হোৱাৰ বাবে তেওঁক বাধা দিবৰ বাবে মনুৱে তেওঁৰ হাত খনত ধৰিলে। মানুহটোৱে আভাক এনেদৰে গটিয়াই দিলে যে আভা পৰি গ'ল। গান্ধীজীৰ পৰা দুফুট দূৰত থিয় হৈ মানুহজনে সৰু পিষ্টল এটাৰে তিনিটা গুলি মাৰিলে।

যেতিয়াই প্ৰথম গুলিটো লাগিল গান্ধীজীৰ ওপৰলৈ উঠা ভৰিটো তললৈ নামি পৰিল। কিন্তু তেওঁ থিয় হৈয়ে আছিল। দ্বিতীয়টো গুলি লাগিলত তেওঁৰ বগা কাপোৰত তেজৰ বিৰিঙনী জিলিকিবলৈ ধৰিলে। তেওঁৰ মুখখন শেতা পৰি গ'ল। তেওঁৰ হাতযোৰ কৰি থকা হাত দুখন লাহে লাহে তললৈ নামি গ'ল আৰু বাহু অলপ সময়ৰ কাৰণে আভাৰ গলধনত লাগি থাকিল।

গান্ধীজীৰ মুখৰ পৰা শব্দ ওলাল "হে ৰাম"। তৃতীয়টো গুলিৰ শব্দ হ'ল। শিথিল শৰীৰ পৃথিৱীত পৰি গ'ল। চচ্‌মা গৈ মাটিত পৰিল। পাদুকা তেওঁৰ ভৰিৰ পৰা নামি গ'ল।

. আভা আৰু মনুৱে গান্ধীজীৰ মূৰটো হাতত তুলি ধৰিলে। কোমল হাতেৰে তেওঁক মাটিৰ পৰা উঠাই পুনৰ বিৰলা ভৱনৰ তেওঁৰ কোঠালৈ লৈ গ'ল। চকু আধা মেলা হৈ আছিল আৰু জীৱিত থকাৰ লক্ষণ দেখা পোৱা গৈছিল। চৰ্দাৰ পেটেল যিজনে এই মাত্ৰ মহাত্মাজীক এৰি থৈ গৈছিল, তেওঁৰ ওচৰলৈ ঘূৰি আহিল। তেওঁ নাড়ী পৰীক্ষা কৰিলে আৰু তেওঁৰ

এনে লাগিল যেন ধীমি গতিত নাড়ী চলি আছে। কোনোবাই লৰালৰিকৈ দৰৱৰ বাকচত এড্ৰিনেলিন বিচাৰিলে কিন্তু সেইটো নেপালে।

এজন তৎপৰ দৰ্শকে ডাঃ দ্বাৰকা প্ৰসাদ ভাৰ্গৱক লৈ আহিল। তেওঁ গুলি লগাৰ দহ মিনিটৰ পিছতে আহি পালে। ডাঃ ভাৰ্গৱৰ কোৱা মতে "সংসাৰৰ কোনো বস্তুৱেই তেওঁক বচাব নোৱাৰে। তেওঁ ঢুকুৱা দহ মিনিট হৈ গ'ল।"

প্ৰথমটো গুলি শৰীৰৰ মাজত থকা ৰেখাৰ চাৰে তিনি ইঞ্চি সোঁফালে, নাভিৰ পৰা আঢ়ৈ ইঞ্চি ওপৰত সোমাই পিঠিয়েদি বাহিৰলৈ ওলাই গ'ল। দ্বিতীয়টো গুলি এই মধ্য ৰেখাৰ এক ইঞ্চি সোঁফালে আৰু কামিহাড়ৰ ভিতৰেদি পাৰ হৈ প্ৰথম গুলিটোৰ দৰেই পিঠিয়েদি পাৰ হৈ ওলাই গ'ল। তৃতীয়টো গুলি সোঁফালে এক ইঞ্চি ওপৰত মধ্যৰেখা চাৰি ইঞ্চি সোঁফালে লাগি তাতে হাওঁফাওঁত সোমাই থাকিল।

ডাঃ ভাৰ্গৱৰ কোৱা মতে এটা গুলি সম্ভৱ কলিজাত লাগি ওলাই গ'ল, দ্বিতীয় গুলিটোৱে কোনোবা ডাঙৰ সিৰ কাটি পেলালে। তেওঁ ক'লে পাকস্থলীটো আঘাত পাইছিল, কিয়নো দ্বিতীয় দিনা পেটটো উখহি থকা দেখা গৈছিল।

গান্ধীজীৰ লগত অনবৰতে লাগি চোৱা চিতা কৰি থকা যুৱক আৰু যুৱতীসকল শৱটোৰ কাষত বহি গ'ল আৰু উচুপিবলৈ ধৰিলে। ডাঃ জীৱৰাজ মেহতাও আহি পালে আৰু তেওঁ নিশ্চিত কৰিলে যে গান্ধীজীৰ মৃত্যু হৈছে। সেই সময়ত তাত উপস্থিতসকলোৰে মনত সুৰসুৰণি উঠিল। জৱাহৰলাল নেহেৰু কাৰ্য্যালয়ৰ পৰা দৌৰ মাৰি আহিল। গান্ধীজীৰ ওচৰত আঁঠু কাঢ়ি বহি লৈ নিজৰ মুখখন তেজ লগা কাপোৰ খনেৰে ঢাকি কান্দিবলৈ ধৰিলে। ইয়াৰ পিছত গান্ধীজীৰ সৰু পুত্ৰ দেৱদাস আৰু মৌলানা আজাদ আহে। এইসকলৰ পাছতে অন্যান্য মুখ্য ব্যক্তিসকল আহে।

দেৱদাসে নিজৰ দেউতাকৰ শৰীৰটো স্পৰ্শ কৰিলে আৰু তেওঁৰ বাউসীত লাহেকৈ পিটিকিলে। শৰীৰত তেতিয়ালৈকে উত্তাপ আছিল। মূৰটো তেতিয়ালৈকে আভাৰ কোলাত আছিল। গান্ধীজীৰ মুখখনত শান্ত হাঁহি আছিল। তেওঁক শুই থকা যেনহে লাগিছিল। দেৱদাসে পাছত লিখিছিল "সেইদিনা আমি গোটেই ৰাতি সাৰে আছিলো, মুখখন ইমান সৌম্য আছিল আৰু শৰীৰটোক কেউফালে আবৃত কৰি থকা দৈৱী প্ৰকাশ ইমান কমনীয় আছিল যে শোক কৰা মানে যেন সেই পৱিত্ৰতাক ভ্ৰষ্ট কৰা।"

বিদেশী কূটনৈতিক বিভাগৰ মানুহ শোক প্ৰদৰ্শনৰ বাবে আহিল আৰু কোনোৱে কান্দিয়ে পেলালে।

বাহিৰত গোটেই ভিৰ লাগি গৈছিল আৰু মানুহবিলাকে মহাত্মাজীৰ অন্তিম দৰ্শন পাবলৈ বিচাৰিছিল। সেইবোবে শৱটোক বিৰিলা ভৱনৰ ছটৰ ওপৰত থোৱা হৈছিল আৰু তাত পোহৰ পৰাৰ ব্যৱস্থা কৰা হৈছিল। হাজাৰ হাজাৰ মানুহে হাত মোহাৰি মোহাৰি কান্দি

কান্দি পাৰ হৈ গৈছিল।

প্ৰায় মাজৰাতি শৱটো তললৈ নমাই অনা হ'ল। শোকগ্ৰস্ত লোকসকলে গোটেই ৰাতি কোঠাতে বহি আছিল আৰু উচুপি উচুপি গীতা পাঠ বা অন্য মন্ত্ৰ আদি পাঠ কৰি আছিল।

দেৱদাসৰ শব্দত "পোহৰ হোৱাৰ লগে লগে আমাৰসকলোৰে বাবে অতি দুখৰ ক্ষণ আহি পৰিল।" এতিয়া সেই উনৰ দুডলীয়া আৰু সূতাৰ চাদৰ দুখন আঁতৰাব লগা হ'ল। যি কেইখন গুলী লগাৰ সময়ত মহাত্মাজীয়ে জাৰৰ পৰা ৰক্ষা পাবৰ বাবে গাত লৈ আছিল। এই নিৰ্মল শুভ্ৰ কাপোৰত তেজৰ দাগ আৰু চেকা দেখা গৈছিল। যেতিয়া দুডলীয়া কাপোৰখন গুচাই দিয়া হ'ল এটা খালি কাৰ্টুজ ওলাই পৰি গ'ল।

এতিয়া গান্ধীজীসকলোৰে আগত কেৱল আঁঠুত পৰা বগা চুৰিয়াখন পিন্ধি পৰি আছে। সমস্ত পৃথিৱীৰ লোকে তেওঁক এনেকৈ চুৰিয়া পিন্ধি থকাত দেখাৰ অভ্যাস আছিল। উপস্থিতসকলৰ বহুতৰে ধৈৰ্য্য হেৰাই গ'ল আৰু চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। এনে দৃশ্য দেখি মানুহ বিলাকে পৰামৰ্শ দিলে যে মচলা সানি শৱটোক কিছুদিন ৰখা যাওঁক কিয়নো নতুন দিল্লীতকৈও দূৰৰ মিত্ৰ, লগৰীয়া আৰু সম্বন্ধীয় লোকসকলেও যাতে তেওঁৰ দৰ্শন পায়। কিন্তু দেৱদাস, গান্ধীজীৰ ব্যক্তিগত সচিব প্যাৰেলাল নায়াৰ তথা আন বহুতে সেইটোৰ বিৰোধ কৰিলে। সেই কথা হিন্দু ধাৰ্মিক ভাৱনাৰ প্ৰতিকূল আছিল আৰু সেইবাবে "বাপুৱে আমাক কেতিয়াও ক্ষমা নকৰে।" তাৰোপৰি তেওঁলোকে গান্ধীজীৰ ভৌতিক অৱশেষখিনি সুৰক্ষিত কৰি ৰখাৰ কোনো প্ৰস্তাৱকে প্ৰোৎসাহন দিব খোজা নাছিল। সেইবাবে শৱটো দ্বিতীয় দিনাই জ্বলাই দিয়াৰ সিদ্ধান্ত লোৱা হ'ল।

ৰাতি পুৱাৰ লগে লগে গান্ধীজী অনুগামীসকলে শৱটোক স্নান কৰালে আৰু ডিঙিত হাতে কটা খাদীৰ সূতা এনেচা মালা পিন্ধাই দিলে। মূৰ, বুকু আৰু বাউসীক বাদ দি বাকী শৰীৰটো এখন খাদী চাদৰেৰে ঢাকি দিলে আৰু তাৰ ওপৰত গোলাপ ফুল আৰু পাহিবিলাক চটিয়াই দিলে। দেৱদাসে ক'লে "বুকুভাগ উদঙাই থব লাগে। বাপুৰ বুকুতকৈ সুন্দৰ বুকু কোনো চিপাহীৰো নহ'ব।" শৱৰ ওচৰত ধূপদানী জ্বলি আছিল।

জনতাৰ দৰ্শনৰ সুবিধাৰ বাবে ৰাতি পুনৰ শৱটো ছটৰ ওপৰত থোৱা হ'ল।

গান্ধীজীৰ তৃতীয় পুত্ৰ ৰামদাস ১১ বজাত হাৱাই জাহাজেৰে নাগপুৰৰ পৰা আহিল। দাহ সংস্কাৰৰ কাম তেওঁৰ বাবেই ৰাখি থোৱা হৈছিল। শৱ তললৈ নমাই অনা হ'ল আৰু বাহিৰৰ বাৰাণ্ডালৈ নিয়া হ'ল। গান্ধীজীৰ মূৰতো এনেচা সূতা মেৰিয়াই দিয়া হৈছিল। চেহেৰা শান্ত কিন্তু বৰ বিষাদপূৰ্ণ দেখা গৈছিল। শৱদেহৰ (?) ওপৰত ভাৰতৰ ত্ৰিৰংগ পতাকা মেলি দিয়া হৈছিল।

ৰাতিটোৰ ভিতৰতে ১৫ হেজাৰ ভল্টৰ সৈনিক হাথীয়াৰ গাড়ীৰ ইঞ্জিনযুক্ত ফ্ৰেমত এটা নতুন সাঁচ থিয় কৰি দিয়া হৈছিল। যাতে মুকলি হৈ থকা চাঙিৰ ওপৰত থোৱা

শৱসকলো দৰ্শকে দেখিবলৈ পায়। ভাৰতীয় স্থলসেনা, জলসেনা আৰু বায়ুসেনাৰ দুশ জোৱানে চাৰি ডাল শকত ৰচীৰে গাড়ীখন টানি নি আছিল। এজন সৰু অফিচাৰ মটৰৰ চকাত বহিল। নেহেৰু, পেটেল, কিছু অন্য নেতা তথা গান্ধীজীৰ কিছু যুৱক সংগী এই বাহনতে গৈছিল।

নতুন দিল্লীৰ অলবুকৰ্ক পথত বিৰলা ভৱনৰ পৰা দুমাইল দীঘল শোভাযাত্ৰা পৌনে বাৰ বজাত ৰাওনা হ'ল। মানুহৰ অপাৰ ভীৰৰ মাজেৰে এক এক ইঞ্চি কৰি আগবাঢ়ি গৈ ৪-২০ বজাত চাৰে পাঁচ মাইলৰ দূৰত্বৰ যমুনাৰ দাঁতি পালেগৈ। ১৫ লাখ জনতা শোভাযাত্ৰাত আছিল আৰু দহলাখ দৰ্শক। নতুন দিল্লীৰ বাটৰ দাঁতিত ছাঁ দিবৰ বাবে থকা গছবোৰৰ ডালবোৰ সেইসকলৰ ভৰত হাউলী পৰিছিল যিসকলে শোভাযাত্ৰাটো ভালদৰে দেখা পোৱাৰ আশাৰে গছবোৰত উঠিছিল।

বাদশ্বাহ্ পঞ্চম জৰ্জৰ সুউচ্চ মূৰ্তিৰ ভেটি যিটো এটা পুখুৰীৰ মাজত সজা হৈছিল সেইটো হাজাৰ হাজাৰ জনতাৰ ভিৰে ঢাকি পেলাইছিল। তেওঁলোকে পানীয়েদি গৈ সেইখিনি পাইছিল। কেতিয়াবা কেতিয়াবা হিন্দু, মুছলমান, পাৰসী, শিখ আৰু এংলো ইণ্ডিয়ানসকলোৰে একেশ্বৰে মিলাই "মহাত্মা গান্ধীজী জয়"ৰ ধ্বনিক অতি উচ্চ স্বৰলৈ তুলিছিল। মাজে মাজে ভীৰৰ মাজত মন্ত্ৰও উচ্চাৰিত হৈছিল। তিনিখন ডাকোটা বিমান শোভাযাত্ৰাৰ ওপৰেদি উৰি আছিল। সেই কেইখনে অভিবাদন জনাবৰ বাবে অলপ থমকি থমকি গোলাপৰ অসংখ্য পাহি সিচি আছিল।

চাৰি হেজাৰ সৈনিক, এহেজাৰ বায়ুসেনা, এহেজাৰ পুলিচৰ চিপাহীয়ে বিভিন্ন ধৰণৰ ৰং বিৰঙৰ ইউনিফৰ্ম আৰু টুপী পিন্ধি শৱৰ আগে আগে সামৰিক কায়দাৰে গৈ আছিল। গভৰ্ণৰ জেনেৰেল লৰ্ড মাউন্টবেটেনৰ অংগ ৰক্ষক যাঠি লোৱা যাত্ৰী যি ৰঙা আৰু বগা পতাকা উচ্চ কৰি ধৰি আছিল সেইবোৰ লেখত লবলগীয়া আছিল। ব্যৱস্থা সুচাৰুৰূপে চলাই নিবৰ বাবে গাড়ীবিলাক, পুলিচ আৰু সৈনিক সাজু আছিল। শৱ যাত্ৰাৰ সঞ্চালক আছিল মেজৰ জেনেৰেল ৰায় বুচৰ। তেওঁ ইংৰাজ আছিল, যিজনক ভাৰত চৰকাৰে নিজা সেনাৰ প্ৰথম প্ৰধান সেনাপতি হিচাবে নিযুক্ত কৰিছিল।

যমুনা নদীৰ পৱিত্ৰ ধাৰাৰ কাষত প্ৰায় দহ্ লাখ নৰ-নাৰী পুৱাৰে পৰা থিয় দি বা বহি থাকি অৰ্থী আহি পোৱালৈ অপেক্ষা কৰি আছিল। বগা ৰঙৰ পোচাকেই জিলিকি উঠিছিলসকলোতকৈ বেছি। মহিলাসকলৰ বগা শাৰী আৰু পুৰুষসকলৰ বগা বস্ত্ৰ, টুপী আৰু পাগুৰি।

নৈ খনৰ পৰা কেইশ ফুট মান দূৰতে শিল, ইটা আৰু মাটিৰে নিৰ্মিত বেদী সাজু আছিল। এইটো প্ৰায় দুফুট ওখ আৰু ৮ ফুট দীঘল বহল আছিল। ইয়াত ধূপ চটিয়াই চন্দন কাঠৰ পাতল খৰি থোৱা আছিল। গান্ধীজীৰ শৰীৰটো উত্তৰ ফালে মূৰ আৰু দক্ষিণৰ ফালে

ভৰি কৰি চিতাৰ ওপৰত শুৱাই দিয়া হ'ল। এনে অৱস্থাৰেই বৃদ্ধইও প্ৰাণ ত্যাগ কৰিছিল।

পৌনে পাঁচ বজাত ৰামদাসে নিজৰ পিতাকৰ চিতাত জুই জ্বলাই দিলে। খৰিবিলাকত জুই জ্বলিবলৈ ধৰিলে অপাৰ ভিৰৰ মাজৰ পৰা 'আহ' এই ধ্বনি ওলাই আহিল। ভীৰ বাঢ়নী পানীৰ দৰে চিতাৰ ফাললৈ আগবাঢ়িল আৰু তেওঁলোকে সেনাৰ বেষ্টনী ভাঙি দিলে। কিন্তু সেই সময়তে তেওঁলোকৰ জ্ঞান আহিল যে তেওঁলোকে কি কৰিবলৈ ধৰিছে। তেওঁলোকে শুদা ভৰিৰ আঙুলিবোৰেৰে মাটিত খোপনি পুতি ধৰিহে দুৰ্ঘটনাৰ পৰা বাচি থাকিল।

খৰিবিলাক জ্বলিবলৈ ধৰিলে আৰু জুইৰ প্ৰকোপ বেছি হৈ আহিল। জুইৰ শিখাবিলাক লগ লাগি একুৰা বিশাল জুইত পৰিণত হ'ল। এই সময়ত নীৰৱতাহে আছিল। গান্ধীজীৰ শৰীৰ ভষ্মিভূত হৈ যাবলৈ ধৰিলে। চিতা চৈধ্য ঘন্টালৈকে জ্বলি আছিল। গোটেই সময়খিনি ভজন গোৱা আৰু গীতা পাঠ চলি আছিল। সাতাইশ ঘন্টাৰ অন্তত চিতাৰ শেষ এঙাৰ খিনিও চেঁচা হৈ পৰিল। তেতিয়া পণ্ডিতসকল, চৰকাৰী পদধিকাৰীসকল, মিত্ৰ আৰু পৰিয়ালৰ লোকসকলে চিতাৰ চাৰিও ফালে বেৰা দি থোৱা তাঁৰৰ বেৰাৰ ভিতৰত বিশেষভাৱে প্ৰাৰ্থনা কৰিলে আৰু ভষ্ম আৰু অস্থিৰ যিবিলাক অংশ পুৰিবলৈ শেষ থাকি গ'ল সেইবিলাক গোটালে। ছাইবিলাক অতি মৰমেৰে সৈতে হাতেৰে হাতেকটা সূতাৰে তৈয়াৰী মোনাত ভৰাই দিয়া হ'ল। ছাইৰ মাজত এটা গুলি ওলাল। অস্থিবিলাকত যমুনাৰ পানী ছটিয়াই সেইবোৰ এটা তামৰ কলহত ভৰাই বন্ধ কৰি দিয়া হ'ল। ৰামদাসে কলহটোৰ ডিঙিত এধাৰ সুগন্ধিত ফুলৰ মালা পিন্ধালে। সেইটোক গোলাপৰ পাহিৰে ভৰি থকা এটা খৰাহীত ভৰাই লৈ বুকুত সাবটি বিৰলা ভৱনলৈ লৈ গ'ল।

গান্ধীজীৰ কোনোবা এজন ঘনিষ্ঠ আত্মীয়ই এচিকতা ভষ্ম খোজাত দি দিয়া হৈছিল। এজেনে নিজেই অকণমান ভষ্ম সোণৰ আঙঠিত ভৰাই লৈছিল। অনুগামী আৰু পৰিয়ালৰ লোকসকলে ছটা মহাদ্বীপৰ পৰা ভষ্ম বিচাৰি কৰা আবেদন অস্বীকাৰ কৰাৰ সিদ্ধান্ত ল'লে। গান্ধীজীৰ কিছু ভষ্ম তিব্বত, শ্ৰীলংকা আৰু মালয়লৈ পঠোৱা হ'ল। কিন্তু সৰহভাগ ভষ্ম হিন্দু ধৰ্মৰ নিয়ম অনুযায়ী মৃত্যুৰ ঠিক চৌধ্য দিনৰ পাছত ভাৰতৰ নদীবিলাকত উতুৱাই বিসৰ্জন দিয়া হ'ল।

ভষ্ম প্ৰদেশৰ মুখ্য মন্ত্ৰী তথা অন্য উচ্চ বিষয়াসকলৰ হাতত দিয়া হ'ল। প্ৰদেশ ৰাজধানীবিলাকে নিজৰ নিজৰ ভাগৰ ভষ্ম চহৰৰ সৰু সৰু কেন্দ্ৰবিলাকত বিলাই দিলে। ভষ্ম সমূহীয়া প্ৰদৰ্শন প্ৰত্যেক ঠাইতে বিৰাট তীৰ্থযাত্ৰা হৈ পৰিল আৰু নদীবিলাকত বা বোম্বাইৰ দৰে ঠাইৰ সাগৰত ভষ্মৰ অন্তিম বিসৰ্জনো সেই দৰেই হ'ল।

অস্থি বিসৰ্জনৰ মুখ্য সংস্কাৰ এলাহাবাদৰ গংগা, যমুনা আৰু সৰস্বতীৰ পূণ্য মংগল স্থলত হ'ল। ১১ ফেব্ৰুৱাৰীৰ ৰাতিপুৱা ৫ টা বজাতে পাঁচটা ডবাৰ এখন তৃতীয় শ্ৰেণীৰ স্পেচিয়েল ট্ৰেইনে দিল্লীৰ পৰা যাত্ৰা কৰিছিল। টেইনখনৰ মধ্য ডবাটো য'ত অস্থি আৰু

ভস্মৰ ঘট ৰখা হৈছিল তাৰ ওপৰৰ চাল পৰ্যন্ত ফুলেৰে ভৰি আছিল আৰু আভা, মনু, প্যাৰেলাল নায়াৰ, শুশীলা নায়াৰ, প্ৰভাৱতী নাৰায়ণ আৰু গান্ধীজীৰ আন লগৰীয়াসকলে প্ৰতিদিনে ঘটবিলাক চোৱাচিতা কৰি আছিল। পথত ৰেলগাড়ীখন ১১ ঠাইত ৰৈছিল। প্ৰতি ঠাইতে লাখ লাখ নৰ-নাৰীয়ে শ্ৰদ্ধাত মূৰ দোঁৱাইছিল, প্ৰাৰ্থনা কৰিছিল আৰু গাড়ীত ফুলৰ মালা, ফুলৰ থোপা আদি আগ বঢ়াইছিল।

১২ তাৰিখে এই ঘট এখন সৰু খাটৰ ওপৰত থোৱা হ'ল আৰু পাছত সৰু ট্ৰাকত ভৰাই চহৰ আৰু আশে পাশে থকা গাঁওবিলাকত ১৫ লাখ জন সমুদায়ত ছুটিয়াই আগবাঢ়ি গ'ল। শুদ্ধ বগা বস্ত্ৰ পিন্ধা নৰ নাৰীয়ে ট্ৰাকৰ আগে আগে ভজন গাই গাই গৈ আছিল। এজন গায়কে পুৰণি কলিয়া বাদ্যও বজাইছিল। ট্ৰাকখন গোলাপৰ এখন চলন্ত বাগিছা যেনহে দেখা গৈছিল। উত্তৰ প্ৰদেশৰ ৰাজ্যপাল শ্ৰীমতী সৰোজিনী নাইডু, আজাদ, ৰামদাস আৰু পেটেল আদি তাত উঠি আছিল। হাত দুখন মুঠি মাৰি মূৰটো বুকুলৈকে দোঁৱাই নেহেৰুৱে খোজকাঢ়ি গৈ আছিল।

লাহে লাহে ট্ৰাকখনে নদীৰ কাষ পালে য'ত শুদ্ধ বগা ৰঙৰ এখন আমেৰিকান সৈনিকৰ ডেকত অস্থি থোৱা হ'ল। অন্য ডেক আৰু নাৱো নদীৰ ভটিয়নী পানীত চলিবলৈ ধৰিলে। গান্ধীজীৰ অস্থিৰ ওচৰ চাপিবলৈ লাখ লাখ মানুহে একাত্ম হৈ পানীলৈকে গৈ থাকিল। যেতিয়াই ঘট উবুৰিয়াই দিয়া হ'ল তাত থকা অস্থি আৰু ভস্ম নদীত পৰিল তেতিয়া এলাহাবাদৰ কিল্লাৰ পৰা বৰটোপৰ গুলিৰে সম্ভাষণ জনালে। ভস্ম পানীত বিয়পি পৰিল। অস্থিৰ টুকুৰাবোৰেও বেগাই সমুদ্ৰলৈ গতি কৰিলে।

গান্ধীজীৰ হত্যাৰ ঘটনাটোৱে গোটেই ভাৰততে ব্যাকুলতা আৰু বেদনাৰ ঢৌ বিয়পি পৰিছিল। এনেকুৱা লাগিছিল যেন যি তিনিটা গুলি গান্ধীজীৰ শৰীৰত লাগিছিল সেইকেইটা যেন কোটি কোটি লোকৰ পেটতহে সোমাইছিল। যিজন শান্তিদূতে নিজৰ শত্ৰুৰ লগতো মৰমেৰেহে ব্যৱহাৰ কৰিছিল আনহে নেলাগে পোক পৰুৱাও নেমাৰিছিল তেওঁৰেই এজন দেশবাসীয়ে তথা সহধৰ্মী লোকে তেওঁক গুলিয়াই মাৰিলে এনে আকস্মিক খবৰটোৱে ৰাষ্ট্ৰক চকিত, স্তম্ভিত আৰু মৰ্মাহত কৰি পেলালে। আধুনিক ইতিহাসত কোনো লোকৰ বাবে ইমান গভীৰ আৰু ইমান ব্যাপক শোক আজিলৈকে ক'তো কোনেও মনোৱা নাই।

৩০ জানুৱাৰী ১৯৪৮ চনৰ শুকুৰবাৰ যিদিনা মহাত্মাজীৰ মৃত্যু হৈছিল সেইদিনা তেওঁ তাতেই আছিল অৰ্থাৎ এজন সাধাৰণ নাগৰিক যাৰ লগত ধন নে সম্পত্তি আছিল, নে চৰকাৰী উপাধি, নে চৰকাৰী পদ, নাই কোনো বিশেষ প্ৰশিক্ষণৰ যোগ্যতা নাই বৈজ্ঞানিক যোগ্যতা আৰু নাছিল কলাত্মক প্ৰতিভা। তথাপিও এইসকললোকে যাৰ পিছত চৰকাৰ আৰু সেনা আছিল সেইসকলে এই ৭৮ বছৰীয়া লেঙটী বস্ত্ৰধাৰী সৰু লোক জনক শ্ৰদ্ধাঞ্জলি জনালে। ভাৰতৰ অধিকাৰীলৈ বিদেশৰ পৰা সমবেদনাৰ ৩৪৪১ টা বাৰ্ত্তা আহি পালে।

যিবিলাক নোখোজাকৈয়ে আহিছিল, কিয়নো গান্ধীজী এজন নীতি নিষ্ঠ লোক আছিল আৰু যেতিয়া গুলিয়ে তেওঁৰ প্ৰাণ ল'লে, সেই সভ্যতাই যাৰ ওচৰত নৈতিকতাৰ অধিক অনুভৱ নাছিল তেওঁলোকে নিজকে আৰু অধিক দীন যেন অনুভৱ কৰিলে। আমেৰিকা যুক্তৰাজ্যৰ ৰাজ্য সচিব জেনেৰেল জৰ্জ মাৰ্শ্বালে কৈছিল "মহাত্মা গান্ধী সমস্ত মানৱ জাতিৰ অন্তৰাত্মাৰ প্ৰবক্তা আছিল।"

পোপ পায়ল, তিব্বতৰ দালাই লামা, কেণ্টৰবৰীৰ আৰ্চ বিচপ, ইংলেণ্ডৰ মুখ্য মন্ত্ৰী ইংলেণ্ডৰ বাদশ্বাহ, ৰাষ্ট্ৰপতি ট্ৰুমেন, শ্যাংকাই চেক, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি আৰু বাস্তৱতে প্ৰায়সকলো মহত্বপূৰ্ণ দেশবিলাকৰ তথা সৰহ সংখ্যক সৰু সৰু দেশবিলাকৰ ৰাজনৈতিক নেতাসকলে গান্ধীজীৰ মৃত্যুত সামূহিক ভাৱে শোক প্ৰদৰ্শন কৰিলে।

ফ্ৰান্সৰ সমাজবাদী লিও ব্ৰোমে এনেদৰে লিখিছিল যিটো কথা লাখ লাখ মানুহে অনুভৱ কৰিছিল। ব্ৰমে লিখিছিল "মই গান্ধীক কেতিয়াও দেখা নাই। মই তেওঁৰ ভাষাও নেজানো। মই সেই জনৰ দেশত কোনো দিনে ভৰি দিয়া নাই। কিন্তু তথাপিও মোৰ এনে শোক লাগিছে যেন মই কোনোবা এজন আপোন আৰু মৰমৰ লোককহে হেৰুৱালো। এই অসাধাৰণ মানুহজনৰ মৃত্যুত গোটেই সংসাৰ শোকত ডুব গৈছে।"

প্ৰফেচাৰ এলবাৰ্ট আইনষ্টাইনে দৃঢ়তাৰে ক'লে "গান্ধীয়ে প্ৰমাণ কৰি দিলে যে কেৱল প্ৰচলিত ৰাজনৈতিক চালবাজিৰে আৰু ফাঁকি ফুকাৰে কপটেৰে ভৰা খেলাৰ দ্বাৰাই নহয় বৰং জীৱনৰ নৈতিকতাপূৰ্ণ শ্ৰেষ্ঠত্বৰ আচৰণৰ প্ৰবল উদাহৰণৰ দ্বাৰাও মানুহৰ এক কলাকুশলী অনুগামী দল একত্ৰিও কৰিব পাৰি।"

সংযুক্ত ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদেও নিজৰ কাৰ্যকৰী সভা স্থগিত ৰাখিলে কিয়নো যাতে তেওঁলোকৰ সদস্যসকলেও দিবংগত আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিব পাৰে। ব্ৰিটিছ প্ৰতিনিধি ফিলিপ নোপল বেকাৰে গান্ধীজীক প্ৰশংসা কৰি ক'লে "সকলোতকৈ দুখীয়া,সকলোতকৈ বেলেগ আৰু পথভ্ৰষ্টসকলৰো তেওঁ হিত চিন্তক।" সুৰক্ষা পৰিষদৰ অন্যান্য সদস্যসকলে গান্ধীজীৰ আধ্যাত্মিক গুণ সমূহৰ বৰ প্ৰসংশা কৰিলে লগতে অহিংসাৰ প্ৰতি থকা তেওঁৰ নিষ্ঠাৰ শলাগ ল'লে।

সংযুক্ত ৰাষ্ট্ৰ সংঘই নিজা পতাকা অৱনমিত কৰিলে। মানৱতাই নিজৰ ধ্বজা তললৈ নমালে। গান্ধীজীৰ মৃত্যুত সংসাৰ ব্যাপি হোৱা প্ৰতিক্ৰিয়া নিজেই এটা মহত্বপূৰ্ণ তথ্য আছিল। সেইটোৱে এটা ব্যাপক মনঃস্থিতি আৰু আৱশ্যকতাক দেখুৱাই দিলে। নিউয়কৰ 'পি. এম.' নামৰ বাতৰি কাকত খনত এলবাৰ্ট ড্যুৎচে বক্তব্য দিলে "যিখন সংসাৰত গান্ধীজীৰ মৃত্যুৰ এনেকুৱা প্ৰতিক্ৰিয়া হ'ল তাৰ বাবে এতিয়াও কিছু আশা বাকী থাকিল।

উপন্যাস লেখিকা পাৰ্ল এচ বাকে গান্ধীজীৰ মৃত্যুক "যীশুৰ শূল"ৰ সমান বুলি ক'লে। জাপানৰ মিত্ৰ ৰাষ্ট্ৰৰ সৰ্ব্বোচ্চ সেনাপতি জেনেৰেল ডোগলাচ্ মেক আৰ্থাৰে ক'লে

“সভ্যতাৰ বিকাশত জীয়াই থাকিবলৈ হ'লেসকলো মানুহে গান্ধীৰ এই বিশ্বাস মানি চলিবই লাগিব যে বিবাদাস্পদ পৰিস্থিতিৰ সমাধান কৰিবলৈ বল প্ৰয়োগৰ সামূহিক প্ৰক্ৰিয়া আচলতে কেৱল ভুল বৰং তাত আত্মবিশ্বাসৰ বীজ বিদ্যমান হৈ থাকিব লাগিব।

নিউয়ৰ্কত এজনী ১২ বছৰীয়া ছোৱালীয়ে চাহ জলপানৰ বাবে পাকঘৰলৈ গৈছিল, তেতিয়াই ৰেডিঅ'ত গান্ধীজীৰ গাত গুলি লগাৰ খবৰটো শুনিবলৈ পালে। ছোৱালীজনীয়ে চাকৰনী আৰু মালী জনক লগত লৈ পাকঘৰতে কান্দি কান্দি প্ৰাৰ্থনা কৰিবলৈ ল'লে। এনেকৈয়েসকলো দেশতে কোটি কোটি লোকে গান্ধীজীৰ মৃত্যুত শোক পালন কৰিলে, যেন তেওঁলোকৰ নিজৰ কোনোবাহে ঢুকাইছে।

চাৰ ষ্টেফৰ্ড ক্ৰিস্পে লিখিছিল “ মই কোনো কালে প্ৰকৃততে আধুনিক ইতিহাসৰ এনে কোনো আন ব্যক্তি নেজানো, যিজনে ভৌতিক বস্তুত আত্মাৰ শক্তিক ইমান শক্তিশালী আৰু বিশ্বাসপূৰ্ণ উপায়েৰে প্ৰমাণিত কৰিলে।

গান্ধীজীৰ বাবে শোক কৰোতা লোকসকলৰ এইটোৱেই অনুভৱ হ'ল যে তেওঁৰ মৃত্যুৰ আকস্মিক ধুমুহা জাকে অনন্ত অন্ধকাৰ সৃষ্টি কৰিলে। তেওঁৰ সময়ৰ কোনো জীৱিত ব্যক্তিয়েই বলশালী বিৰোধী পক্ষৰ বিপক্ষে দীঘলীয়া আৰু কঠিন সংঘৰ্ষত সত্য, দয়া, আত্ম ত্যাগ, বিনয়, সেৱা আৰু অহিংসাৰে জীৱন ধাৰণ কৰাৰ ইমান কঠোৰ যত্ন কৰা নাছিল, তাকো ইমান সফলতাৰে সৈতে। তেওঁ নিজৰ দেশত ব্ৰিটিছ শাসনৰ বিৰুদ্ধে আৰু নিজৰ দেশবাসীৰো বেয়াবোৰৰ বিৰুদ্ধে তীব্ৰ গতিত একেৰাহে যুঁজিলে, কিন্তু যুঁজৰ মাজেদিয়ে তেওঁ নিজৰ দৃঢ়তাত চেকা লাগিবলৈ নিদিলে। তেওঁ কাৰো প্ৰতি হিংসাভাব, কপট বা দ্বেষভাৱ নোলোৱাকৈ যুঁজ কৰি গ'ল। ❑❑

গান্ধীজীৰ জীৱন দৰ্শন

গান্ধীজীৰ নাম মোহনদাস আৰু পিতাকৰ নাম কৰমচাঁদ গান্ধী আছিল।

মোহনদাস গান্ধী তেওঁৰ পিতাকৰ চতুৰ্থ আৰু অন্তিম বিবাহৰো চতুৰ্থ আৰু অন্তিম সন্তান আছিল। তেওঁৰ জন্ম ১৮৬৯ চনৰ ২ অক্টোবৰত পোৰবন্দৰত হৈছিল। সেই বছৰতে চুৱেজ খালৰ মুকলি হৈছিল। টমাচ্ এ এডিচনে তেওঁ নিজা আৱিষ্কাৰ লাভ কৰিছিল। ফ্ৰান্সে নেপোলিয়ন বোনাপাৰ্টৰ জন্ম শতাব্দী মনালে আৰু চাৰ্চ ডব্লিউ ইলিয়ট হাৰবাৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যক্ষ হয়। কাৰ্ল মাৰ্ক্সৰ কেপিটেল তেতিয়াই প্ৰকাশ পাইছিল বিছমাৰ্কে ফ্ৰান্স-জাৰ্মান যুদ্ধ আৰম্ভ কৰিব খুজিছিল আৰু ভিক্টোৰিয়াই ইংলেণ্ড তথা ভাৰতত ৰাজত্ব কৰিছিল।

মোহনদাসৰ জন্ম নগৰৰ দাতিত থকা এটা সাধাৰণ তিনিমহলীয়া ঘৰৰ ১১ ফুট বহল ১১ ফুট দীঘল আৰু ১০.৫ ফুট উচ্চতাৰ অন্ধকাৰ কোঠাৰ সোঁফালৰ চুকত হৈছিল। এই ঘৰটো বৰ্তমানো সুৰক্ষিত হৈ আছে।

গান্ধীজীৰ ডাঙৰ ককায়েক লক্ষীদাসে ৰাজকোটত ওকালতি কৰিছিল আৰু পাছলৈ পোৰবন্দৰ চৰকাৰৰ ট্ৰেজাৰীৰ এজন হাকিম হৈছিল। তেওঁ অতি খোলা হাতেৰে ধন খৰচ কৰিছিল আৰু তেওঁৰ ছোৱালীবোৰৰ বিয়া সৰু সৰু ভাৰতীয় ৰজাসকলৰ দৰেই ধুম ধামেৰেই পাতিছিল। দ্বিতীয় জন ককায়েক কৰণদাস পোৰবন্দৰত পুলিচ ইন্সপেক্টৰ হৈছিল। গান্ধীজীৰ জীৱন কালতে দুয়োজন ককায়েকৰ মৃত্যু হৈছিল। বায়েক ৰলিয়াত বাঈ যিগৰাকী তেওঁতকৈ চাৰি বছৰৰ ডাঙৰ আছিল তেওঁৰ মৃত্যুৰ পিছলৈকে জীয়াই আছিল। তেওঁ ৰাজকোটত বাস কৰিছিল।

যেতিয়া মোহনদাস ১২ বছৰ বয়সীয়া আছিল আৰু ৰাজকোটৰ আলফ্ৰেড্ হাইস্কুলত নাম লগাইছিল তেতিয়া মিষ্টাৰ গাইলচ্ নামৰ এজন বিদ্যালয় উপপৰিদৰ্শকে বিদ্যালয় পৰিদৰ্শনৰ বাবে আহি ছাত্ৰসকলক পাঁচটা ইংৰাজী শব্দৰ বানান লিখাইছিল। গান্ধীজীয়ে 'কেটল' (কেট্‌লী) শব্দটো শুদ্ধকৈ লিখা নাছিল। ডেস্কবিলাকৰ মাজে মাজে ইফালৰ পৰা

সিফাললৈ অহা-যোৱা কৰি থকা শিক্ষকজনে ভুলটো দেখা পাই মোহনদাসক ইংগিত দিলে ওচৰৰ ছাত্ৰজনৰ চিলেটখন চাই শুদ্ধ কৰি লিখিবলৈ। মোহনদাস মান্তি নহ'ল। পিছত এনে মুৰ্খামিৰ বাবে শিক্ষকে খং কৰিলে কিয়নো শ্ৰেণীটোৰ বদনাম হ'ল। বাকী ছাত্ৰসকলে শুদ্ধ বানানটো লিখিছিল।

যেতিয়া মোহনদাসৰ বিয়া হৈছিল তেতিয়া তেওঁ হাইস্কুলৰ ছাত্ৰ আছিল আৰু তেওঁৰ বয়স আছিল মাত্ৰ ১৬ বছৰ। বোৱাৰীৰ নাম আছিল কস্তুৰী বাঈ। তেওঁ পোৰবন্দৰৰ গোকুলদাস মাকন্‌জী নামৰ ব্যৱসায়ী এজনৰ কন্যা আছিল।

১৮৮৫ চনত পিতাক কৰমচাঁদৰ মৃত্যু হোৱাত মোহনদাসৰ মাক পুতলী বায়ে ঘৰুৱা সমস্যাবোৰত বেন্‌চৰজী স্বামী নামৰ এজন জৈন সাধুৰ লগত আলোচনা-বিলোচনা কৰিহে কাম কৰিছিল। এই জৈন সাধুজনেই গান্ধীজীক ইংলেণ্ডলৈ যোৱাতো সহায় কৰিছিল মাজৰ সন্দেহ হ'ল ডেকা পুতেক জানো ইংলেণ্ডত সদাচাৰী হৈ থাকিব পাৰিব। এনে পৰিস্থিতিত বেনচৰজী স্বামীয়ে পথ উলিয়ালে। তেওঁ মোহনদাসক শপত খুৱালে আৰু মোহনদাসে তিনিটা প্ৰতিজ্ঞা কৰিলে মদ, মাংস আৰু মাইকী নোচোওঁ। এইটোত পুতলী বাঈ পঠাবলৈ মান্তি হ'ল।

মোহনদাসে ১৮৮৮ চনৰ জুন মাহত নিজৰ ককায়েকৰ লগত বোম্বেলৈ যাত্ৰা কৰিলে। বোম্বেৰ পৰা ৪ ছেপ্টেম্বৰত জাহাজেৰে ইংলণ্ডলৈ বুলি যাত্ৰা কৰিলে। তেতিয়া তেওঁৰ বয়স ১৮ বছৰেই হোৱা নাই। কেইমাহ মানৰ আগতেহে কস্তুৰীবায়ে এটি ল'ৰা জন্ম দিছিল। ল'ৰাটিৰ নাম হৰিলাল ৰাখিছিল।

১৮৮৮ চনৰ ৬ নৱেম্বৰত গান্ধীজীক ইংলণ্ডৰ ইনাৰ টেম্পলৰ ছাত্ৰ হিচাবে ভৰ্তি কৰিলে। ১৮৯০ চনৰ জুন মাহত তেওঁ লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা মেট্ৰিক পাছ কৰে। তেওঁ ফৰাচী আৰু লেটিন ভাষাও শিকিছিল। তেওঁ ভৌতিক বিজ্ঞান, সাধাৰণ আইন তথা ৰোমান আইনৰ অধ্যয়ন কৰে।

শেষ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ তেওঁ বিশেষ কষ্ট হোৱা নাছিল। ১৮৯১ চনৰ ১০ জুনত তেওঁ আদালতত ওকালতি কৰাৰ অনুমতি লাভ কৰে। ১১ জুনত তেওঁক উচ্চ ন্যায়লয়ত প্ৰৱেশ কৰে আৰু ১২ জুনত ভাৰতলৈ যাত্ৰা কৰে। তেওঁ ইংলণ্ডত এদিনো বেছিকৈ থাকিবলৈ নিবিচাৰিলে।

আৰম্ভণিতে মোহনদাসে ভাবিছিল তেওঁ ইংৰাজেই হ'ব পাৰিব। সেইবাবে ইংৰাজ হ'ব পৰা বস্ত্ৰ-বেহানি, সাজ-পোচাক, নাচ, বক্তা হোৱাৰ কলা আদি শিকাৰ পাঠবোৰ বৰ ব্যগ্ৰভাৱে অভ্যাস কৰিছিল। পাছত তেওঁ বুজি পালে ইংৰাজ হোৱাৰ দেৱালখন কিমান ওখ। তেওঁ ভালকৈ বুজি পালে যে তেওঁ ভাৰতীয় হৈয়ে থাকিব লাগিব আৰু সেয়ে তেওঁ ভাৰতীয় হৈয়েই থাকিল।

ইংলেণ্ডত গান্ধীজীয়ে দুবছৰ আৰু আঠমাহ আছিল। এইটোৰ পৰা তেওঁৰ ব্যক্তিত্ব নিৰ্মাণ অৱশ্যে হ'ব পাৰে কিন্তু তাৰ প্ৰভাৱ বোধকৰোঁ সিমান নপৰিল সাধাৰণতে যিমানখিনি পৰিব লাগিছিল। কিয়নো গান্ধীজী ছাত্ৰৰ দৰে নাছিল। তেওঁৰ আৱশ্যকীয় কথাবিলাক অধ্যয়নৰ পৰা শিকা নাছিল। তেওঁ এজন কৰ্মী আছিল কৰ্মৰ দ্বাৰাহে বিকাশ আৰু জ্ঞান প্ৰাপ্ত কৰিছিল। কিতাপ, মানুহ আৰু পৰিস্থিতিৰ তেওঁৰ ওপৰত প্ৰভাৱ পৰিছিল। কিন্তু বিদ্যালয়ৰ শিক্ষা তথা অধ্যয়ন কৰি থকা বছৰবোৰত আচল গান্ধীৰ, ইতিহাসৰ গান্ধীৰ প্ৰাদুৰ্ভাৱ নাছিল আনকি সেইবোৰৰ অস্তিত্বৰো সংকেত পোৱা নগৈছিল।

গান্ধীজীয়ে কৰ্মৰ দ্বাৰাহে মহানতাৰ ফালে আগবাঢ়ে। সেইবাবে গীতা গান্ধীৰ ধৰ্মপুথি হৈ পৰিল, কিয়নো তাত কৰ্মৰ মহিমাহে গোৱা হয়।

ইয়ং ইণ্ডিয়াৰ ১৯২৫ চনৰ ৬ আগষ্ট সংখ্যাত গান্ধীজীয়ে লিখিছিল— "যেতিয়াই মোক সন্দেহে বেৰি ধৰে, নিৰাশাই মোৰ ওচৰত আহি ঠিয় দিয়েহি আৰু মই আশাৰ কিৰণ লেশ মানো দেখা নেপাওঁ তেতিয়াই মই ভগৱদ্ গীতাৰ আশ্ৰয় লওঁ আৰু তাতে মনক শান্তি দিব পৰা শ্লোক পাই যাওঁ। অতি বেজাৰৰ মাজতো তৎক্ষণাত হাঁহি পেলাওঁ। মোৰ জীৱনৰ বাহিৰখন দুখজনক ঘটনাৰে পৰিপূৰ্ণ আছিল আৰু যদি সেইবোৰৰ মোৰ ওপৰত প্ৰকাশ্যে বা অপ্ৰকাশিত প্ৰভাৱ পৰিছিলো তাৰবাবে মই ভগৱদ্ গীতাৰ উপদেশৰ ওচৰত ধৰুৱা।

লণ্ডনত গান্ধীজীয়ে 'লেৱেটিক্স' আৰু নম্বৰ্স (বাইবেলৰ প্ৰকৰণ) অ'ল্ড টেষ্টামেণ্টৰ প্ৰথম চোৱাতেই তেওঁৰ আমনি লাগিল। নিউ টেষ্টামেণ্ট তেওঁৰ বেছি ভাল লাগিল আৰু যীচুৰ 'গিৰি প্ৰৱচন' পোনে পোনে হৃদয়ত সোমাই ল'লে। ইয়াৰ আৰু গীতাৰ মাজত তেওঁ সাদৃশ্য দেখা পালে। এজন বন্ধুৰ উপদেশ মতে তেওঁ হজৰত মহম্মদৰ ওপৰত টেম্চ কাৰলাইনৰ প্ৰবন্ধ পঢ়ে। গান্ধীজীৰ ধৰ্ম সম্পৰ্কীয় অধ্যয়ন আকস্মিক আৰু খাপ নোখোৱা ধৰণৰ আছিল। তথাপি এইবোৰ অধ্যয়নৰ পৰা প্ৰকৃততে তেওঁৰ এক ডাঙৰ আৱশ্যকতা পূৰণ হ'ল।

১৮৯১ চনৰ গৰমৰ দিনত গান্ধীজীয়ে পুনৰ ভাৰতলৈ আহে। বোম্বাইত জাহাজৰ পৰা নামোতেই ককায়েকে মাক পুতলী বাঈ মৃত্যুৰ বতৰাটো দিলে। এই খবৰটো প্ৰথমতে তেওঁৰ পৰা লুকুৱাই ৰখা হৈছিল কিয়নো পৰিয়ালৰ লোকসকলে জানিছিল তেওঁ মাকৰ প্ৰতি কিমান ভক্তি আছিল। গান্ধীয়ে খবৰটো পাই বৰ আঘাত পালে। পিতাকৰ মৃত্যুৰ শোকতকৈও শোক অধিক আছিল যদিও বাহিৰত সেইভাৱে প্ৰকাশ নাপালে।

ককায়েক লক্ষ্মীদাসে ভায়েকৰ ওপৰত বহুত আশা পুহি ৰাখিছিল। কিন্তু কি ৰাজকোটত কি বোম্বাইত মোহনদাস ওকালতিত অসফল প্ৰমাণিত হ'ল। কিয়নো বোম্বাইৰ আদালতত এটা সৰু মোকৰ্দমাতে মুখেৰে এটা শব্দও মাতিব নোৱাৰিলে।

এনে সময়ত পোৰবন্দৰৰ এজন মুছলমান বেপাৰীৰ খবৰ পালে যে তেওঁ গান্ধীজীক

নিজা উকীল কৰি এবছৰৰ বাবে দক্ষিণ আফ্ৰিকালৈ পঠাব খোজে। নতুন দেশ চোৱা আৰু নতুন অনুভৱ প্ৰাপ্ত কৰাৰ এনে সুযোগ তেওঁ এৰি নিদিলে। এনেকৈয়ে নিজৰ দেশত প্ৰায় দুবছৰ কাল সফলতা লাভ কৰিব নোৱাৰি তেওঁৰেই ভাবী নেতা জিঞ্জিবাৰ মোজাম্বিক আৰু তেওঁ নেটাললৈ বুলি জাহাজত উঠিল। পত্নী আৰু দুটা ল'ৰাক তেওঁ ইয়াতে এৰিলে। ১৮৯২ চনৰ ২৮ অক্টোবৰত মণিলাল নামে দ্বিতীয় পুত্ৰৰ জন্ম হৈছিল।

যেতিয়া ১৮৯৩ চনৰ মে' মাহত গান্ধীজী ডাৰবানত জাহাজৰ পৰা নামে তেতিয়া তেওঁৰ উদ্দেশ্য মাত্ৰ এটাই আছিল যে এটা মোকৰ্দমাত জিকা, কিছু টকা পইচা উপাৰ্জন কৰা আৰু শেষত বোধকৰোঁ নিজৰ জীৱিকা আৰম্ভ কৰা। যি সময়ত তেওঁ নিজৰ মালিক দাদা আব্দুল্লা শেঠক লগ পাবলৈ নাৱৰ পৰা নামে সেই সময়ত তেওঁ ফেচনযুক্ত ফ্ৰক কোট, ইস্ত্ৰি কৰা লংপেণ্ট, চিক্‌চিকিয়া জোতা আৰু মূৰত পাগুৰি মাৰি আছিল।

মোকৰ্দমাৰ বাবে গান্ধীৰ প্ৰিটোৰিয়ালৈ যোৱাটো জৰুৰী আছিল। ডাৰবানত তেওঁৰ বাবে প্ৰথম শ্ৰেণীৰ ৰে'লগাড়ীৰ টিকট কিনা হৈছিল আৰু তেওঁ গাড়ীত উঠিছিল। ট্ৰান্সভালৰ ৰাজধানী মেৰিংচবাৰ্গত এজন বগা চাহাব গাড়ীত উঠে আৰু ক'লা মানুহক গাড়ীত বহি থকা দেখি দুজন ৰে'লৰে কৰ্মচাৰীক মাতি আনিলে। তেওঁলোকে গান্ধীক তৃতীয় শ্ৰেণীৰ ডবালৈ যাবলৈ ক'লে। গান্ধীজীয়ে গাড়ীৰ পৰা নামিবলৈ অস্বীকাৰ কৰিলে। তাৰ পাছত সেইসকলে পুলিচৰ চিপাহী লগাই বয়-বস্তুৰে সৈতে তেওঁক বাহিৰলৈ উলিয়াই দিলে। গান্ধীজীয়ে ইচ্ছা কৰা হ'লে তৃতীয় শ্ৰেণীৰ ডবাত উঠিব পাৰিলেহেঁতেন কিন্তু তেওঁ জিৰণী কক্ষত পৰি থকাকে পচন্দ কৰিলে। সেইখন পাহাৰীয়া প্ৰদেশত বৰ জাৰ পৰিছিল। গোটেই ৰাতিটো গান্ধীয়ে জাৰতে কঁপি বহি থাকি চিন্তা কৰিবলৈ ধৰিলে।

মেৰিংচ্‌বাৰ্গৰ সেই হাড়কঁপোৱা জাৰৰ ৰাতিটোতে গান্ধীজীৰ হৃদয়ত সামাজিক প্ৰতিৰোধৰ গঁজালিয়ে দেখা দিলে কিন্তু তেওঁ একো নকৰিলে। তেওঁ নিজৰ কামৰ বাবে প্ৰিটোৰিয়ালৈ গুচি গ'ল।

প্ৰিটোৰিয়া গৈ পোৱাৰ এসপ্তাহৰ ভিতৰতে গান্ধীজীয়ে তাত থকাসকলো ভাৰতীয়সকলক লৈ এখন সভা আহ্বান কৰিলে। শ্ৰোতাসকল মুছলমান বেপাৰী আছিল। তাৰ মাজে মাজে দুই এজন হিন্দুও বহি আছিল। গান্ধীজীয়ে চাৰিটা কথাৰ ওপৰত গুৰুত্ব দিলে। বেপাৰ ক্ষেত্ৰতো সঁচা কথা কওক, অতি চাফ-চিকুণকৈ থকাৰ অভ্যাস কৰক আৰু ধৰ্মৰ ভেদ-ভাববোৰৰ কথা পাহৰি ইংৰাজী শিকক।

ইয়াৰ পিছত আৰু কেইবাখনো সভা হ'ল আৰু অতি সোনকালেই গান্ধীজীৰ প্ৰিটোৰিয়াত থকাসকলো ভাৰতীয়ৰ লগত পৰিচিত হ'ল। প্ৰিটোৰিয়াবাসী ভাৰতীয়সকলে নিজৰ এটা স্থায়ী সংগঠন তৈয়াৰ কৰিলে।

মোকৰ্দমা নিশ্চিন্ত হোৱাৰ পাছত গান্ধীজী ডাৰবানলৈ ঘূৰি আহে আৰু ভাৰতলৈ

আহিবলৈ সাজু হ'বলৈ ধৰিলে। ৰাওনা হোৱাৰ আগতে লগৰীয়াবিলাকে তেওঁৰ বিদায় উপলক্ষে এটা পার্টি দিলে। সমাৰোহৰ মাজতে কোনোবাই সেইদিনাৰ 'নেটাল মাকাৰী' নামৰ পত্ৰিকাখন দিলে; যিখনত তেওঁ এটা বাতৰি পঢ়িবলৈ পালে যে নেটাল চৰকাৰ বিধান মণ্ডলৰ সদস্য নির্বাচনৰ অধিকাৰৰ পৰা ভাৰতীয়সকলক বঞ্চিত কৰাৰ বাবে এখন বিল উৎথাপিত কৰিবলৈ বিচাৰিছে। গান্ধীজীয়ে এইটো খোজত বাধা দিয়াৰ আৱশ্যকতাৰ ওপৰত জোৰ দিলে। তেওঁৰ মিত্ৰসকলো এইটো কামৰ বাবে ৰাজী হ'ল কিন্তু ক'বলৈ ধৰিলে যে আপুনি নেথাকিলে আমি একো কৰিব নোৱাৰিম। গান্ধীজী এমাহ থাকি যাবৰ বাবে ৰাজী হ'ল। ভাৰতীয়সকলৰ অধিকাৰৰ বাবে যুঁজিবলৈ তেওঁ তাত ২০ বছৰ থাকিল। তেওঁ বিজয়ী হ'ল।

দক্ষিণ আফ্ৰিকাত তিনি বছৰতে গান্ধীজী এজন সম্পন্ন উকীল আৰু এজন মুখ্য ভাৰতীয় নেতা হৈ পৰিল। তেওঁ গিৰমিটিয়া মজদুৰসকলৰ সহায়ক হিচাবে বিখ্যাত হৈ পৰিছিল।

দক্ষিণ আফ্ৰিকাত গান্ধীজীৰ সংঘৰ্ষৰ উদ্দেশ্য এইটো নাছিল যে তাত থকা ভাৰতীয়সকলৰ লগত বগা চাহাবৰ দৰে ব্যৱহাৰ কৰা যায়। তেওঁ মাত্ৰ এটা সিদ্ধান্তক স্থাপিত কৰিব খুজিছিল যে ভাৰতীয়সকলো ব্ৰিটিছ সাম্ৰাজ্যৰ নাগৰিক আৰু সেয়ে তেওঁলোকৰ আইনৰ তলত ভাৰতীয়সকলৰো তেনে সমানতাৰ অধিকাৰ আছে।

কিয়নো এতিয়ালৈকে তেওঁক ইতিহাসৰ মহান গান্ধীজনৰ কেৱল অকণমান সংক্ষিপ্ত ৰূপেহে দেখিবলৈ পোৱা হৈছিল, কিন্তু তেওঁ নিজকে এজন প্ৰভাৱশালী নেতা আৰু সৰ্বোত্তম সংগঠনকৰ্তা বুলি প্ৰমাণ কৰি দিলে। তেওঁৰ সহযোগী ভাৰতীয় কাৰ্যকৰ্তাসকলে অতি সোনকালেই সেইটো অনুভৱ কৰিছিল আনকি তেওঁৰ নিজা দৃষ্টিটো। এইটো লুকাই থকা নাছিল যে তেওঁৰ অবৰ্তমানত ভাৰতীয়সকলৰ অধিকাৰৰ সংঘৰ্ষ একেবাৰে নাইকিয়া হৈ যাব বা কমপক্ষেও দুৰ্বল হৈ পৰিব। সেইবাবে তেওঁ ছমাহৰ ছুটী ল'লে আৰু নিজৰ পৰিয়ালটোক লৈ যাবলৈ ভাৰতলৈ আহিল।

১৮৯৩ চনৰ মাজ ভাগত তেওঁ নিজৰ জন্মভূমি আহি পালে। ২৭ বছৰ বয়সীয়া সেই মানুহজন যিজনে এটা মহান কাম পূৰা কৰাৰ দৃঢ়তা লৈছিল আৰু বিশেষভাৱে লৰাঢপৰাও কৰিছিল। ৰাজকোটত গান্ধীজীয়ে নিজৰ পৰিয়ালৰ লগত থকা এমাহ কালতে দক্ষিণ আফ্ৰিকাত ভাৰতীয়সকলৰ আপত্তিৰ বিষয়ে এখন কিতাপ লিখাৰ কামত ব্যস্ত থাকিল। সেইখনৰ ১০,০০০ কপি ছপা কৰি উলিয়ালে আৰু বাতৰি কাকত তথা মুখ্য মুখ্য ভাৰতীয়সকললৈকো পঠালে।

ৰাজকোটৰ পৰা গান্ধীজী বোম্বাইলৈ গ'ল আৰু তাত দক্ষিণ আফ্ৰিকাৰ বিষয়ে এখন সভাৰ আয়োজন কৰিলে। সভা আয়োজন কৰাসকলৰ নাম আৰু চৰ্চাৰ বিষয় এনে আছিল

যে বোম্বাইত হোৱা এই সভাখনৰ সফলতাত সেইবাবেই লেখত ল'বলগীয়া আছিল।

পুনাত গান্ধীজীয়ে ভাৰতৰ দুজন মহাপুৰুষক লগ পাই কথা-বতৰা হ'ল। এজন ভাৰত সেৱা সমিতিৰ সভাপতি গোপাল কৃষ্ণ গোখলে আৰু আনজন অসাধাৰণ মেধাবী তথা উচ্চ খাপৰ ৰাজনৈতিক নেতা লোকমান্য তিলক।

গান্ধীজীয়ে কলিকতাতো বোম্বে, পুনা আৰু মাদ্ৰাজৰ দৰে সভাৰ আয়োজন কৰাৰ কথা ভাবিছিল কিন্তু এটা সমস্যাৰ সমাধাৰ বাবে তেওঁক টেলিগ্ৰাম যোগে নেটাললৈ মাতি পঠালে। সেইবাবে তেওঁ বোম্বাইলৈ বেগাই আহিল আৰু পত্নী, দুই পুত্ৰৰ লগতে বিধৱা বায়েকৰ একমাত্ৰ পুতেকৰ সৈতে জাহাজেৰে দক্ষিণ আফ্ৰিকালৈ বুলি যাত্ৰা কৰিলে।

ডাৰবান গৈ পোৱাত গান্ধীজী আৰু তেওঁৰ লগৰীয়াসকলক বগা চাহাবসকলে জাহাজৰ পৰা নামিবলৈ নিদিলে। তেওঁলোকে গান্ধীক ভাৰতলৈ ওভোতাই পঠাবলৈ বিচাৰিলে।

১৮৯৭ চনৰ ১৩ জানুৱাৰীত জাহাজৰ ডেক'ত কৰ দিয়া হ'ল কিন্তু নেটাল চৰকাৰৰ এটৰ্নী জেনেৰেল মিষ্টাৰ হেৰি এচকম্বে গান্ধীজীলৈ বতৰা পঠালে যে কাজিয়াৰ পৰা ৰক্ষা পাবলৈ তেওঁ সেইদিনা মনে মনে জাহাজৰ পৰা নামক। দাদা আব্দুল্লাৰ আইনী পৰামৰ্শদাতা মিষ্টাৰ লাটনে সেইটোৰ বিৰুদ্ধেহে পৰামৰ্শ দিলে আৰু গান্ধীজীয়েও লুকাই চুৰকৈ চহৰলৈ যাবলৈ বিচৰা নাছিল। শ্ৰীমতী গান্ধী আৰু ল'ৰা দুটা স্বাভাৱিকভাৱেই যাবলৈ বিচৰা নাছিল। শ্ৰীমতী গান্ধী আৰু ল'ৰা দুটা স্বাভাৱিকভাৱেই জাহাজৰ পৰা নামিল আৰু তেওঁলোকক ৰুস্তমজীৰ ঘৰ পোৱাই দিলে। গান্ধীজী আৰু লাটনে খোজ কাঢ়িয়েই যাবলৈ ধৰিলে। চিঞৰ-বাখৰ কৰা ভিৰো লাহে লাহে কমি আহিছিল কিন্তু দুটা সৰু ল'ৰাই গান্ধীজীক চিনি পালে আৰু নাম কাঢ়ি মাতিবলৈ ধৰিলে। এইটো শুনি কেইজনমান বগা চাহাব ওচৰ চাপি আহিল। যিমানে গান্ধীজী আৰু লাটন আগলৈ যাবলৈ ধৰিলে সিমানে ভিৰো বাঢ়ি আহিল লগতে আক্ৰমণ কৰিবলৈও উদ্যত হৈ পৰিল। মানুহবোৰে তেওঁৰ ওপৰত ইটা, শিলগুটি আৰু পতাকাবিলাকো দলিয়াবলৈ ধৰিলে। শেষত তেওঁলোকে গান্ধীজীৰ পাগুৰিটোও কাঢ়ি ল'লে আৰু মাৰপিট কৰিবলৈ ধৰিলে।

এজন ভাৰতীয় ল'ৰাই গৈ পুলিচ মাতি আনিলে। গান্ধীজীয়ে পুলিচ থানাত আশ্ৰয় লোৱা কথাত মান্তি নহ'ল। অৱশ্যে এইটো কথাত মান্তি হ'ল যে যদি পুলিচে তেওঁক নি ৰুস্তমজীৰ ঘৰত থয়গৈ। নগৰৰ লোকসকলে যেতিয়া তেওঁৰ থকা ঠাইৰ কথা গম পালে বগা চাহাববোৰে জাকে জাকে আহি ৰুস্তমজীৰ ঘৰ ঘেৰি পেলালে আৰু চিঞৰিবলৈ ধৰিলে যে গান্ধীক তেওঁলোকক চমজাই দিয়ক। ৰাতিলৈ পুলিচ চুপাৰিণ্টেডেণ্ট আলেকজেণ্ডাৰে গান্ধীজীলৈ গুপ্ত বাৰ্তা পঠালে যে তেওঁ বেশ বদলি কৰি ওলাই যাওক। গান্ধীয়েও সেইটোকে কৰি পুলিচ থানা পালেগৈ। তাত তেওঁ তিনি দিন থাকিল।

অক্সফৰ্ডৰ প্ৰফেচাৰ এডৱাৰ্ড টমচনে লিখিছে— "গান্ধীয়ে ভবাহেঁতেন গোটেই জীৱন বগা চাহাবৰ বিৰোধ কৰিব পাৰিলেহেঁতেন"। কিন্তু গান্ধীজীয়ে ডাৰবানৰ সেই বগা চাহাবসকলক ক্ষমা কৰি দিলে যিসকলে তেওঁক জীয়াই জীয়াই পুৰি মাৰিবৰ বাবে একত্ৰিত হৈছিল আৰু সেইসকলকো ক্ষমা কৰি দিলে যিসকলে তেওঁক মাৰপিট ঘাইলো কৰিছিল।

দক্ষিণ আফ্ৰিকাত ১৮৯৯ চনৰ পৰা ১৯০২ চনলৈকে হোৱা বুঅ'ৰ যুদ্ধত গান্ধীৰ ব্যক্তিগত সহানুভূতি বুঅ'ৰসকলৰ প্ৰতিহে আছিল; তথাপিতো তেওঁ ব্ৰিটিছসকলৰ প্ৰতিহে সেৱা আগবঢ়াইছিল। গান্ধীয়ে ভাবিছিল যে বুঅ'ৰ যুদ্ধত ইংৰাজক সমৰ্থন কৰি ব্ৰিটিছ সাম্ৰাজ্যত ভাৰতীয়সকলৰ অৱস্থা উন্নত কৰাৰ এইটো এটা সোণালী সুযোগ।

গান্ধীজীয়ে যুদ্ধত আঘাতপ্ৰাপ্তসকলৰ শুশ্ৰূষাৰ বাবে এটা দল গঠন কৰিলে। যিটোত ৩০০ স্বতন্ত্ৰ ভাৰতীয় আৰু ৮০০ গিৰমিটিয়া বনুৱা আছিল। জনতা আৰু সেনাসকলেও গান্ধীৰ দলৰ সহনশীলতা আৰু শক্তিক শলাগিলে।

'প্ৰিটোৰিয়া নিউজ'ৰ ইংৰাজ সম্পাদক মিষ্টাৰ বিয়ৰ ষ্টেণ্টে জোহান্সবাৰ্গৰ 'ইলষ্টেটেড ষ্টাৰ'ৰ ১৯১১ চনৰ জুলাইৰ সংখ্যাত স্পিয়াকোপৰ যুদ্ধৰ চলন্ত বিৱৰণী লিখিছিল। তেওঁ কৈছিল— "গোটেই ৰাতিটো কাম কৰাৰ অন্তত ভাগৰত হৃষ্টপুষ্ট ইংৰাজসকলৰ হাড়-মূৰ ঢিলা হৈ গৈছিল; তেতিয়াও মই ৰাতিপুৱা গান্ধীক পথৰ দাঁতিত বহি থকা দেখা পাইছিলো। বুলৰৰ দলৰসকলো মানুহ এলেহুৱা আৰু নিৰুৎসাহী আছিল আৰুসকলো বস্তুৰে প্ৰতি লালায়িত হৈ পৰিছিল কিন্তু গান্ধী নিজৰ ব্যৱহাৰত উদাসীনৰ দৰে আৰু কথাত মিঠামুখীয়া আছিল। নিঃসংকোচ আছিল আৰু চাৱনিত দয়াৰ ভাব দেখা গৈছিল। নেটাল অভিযানৰ কিমান ৰণক্ষেত্ৰত যে মই এই মানুহজনক দেখিলো আৰু তেওঁৰ দ্বাৰা গঠিত সৰু সৰু দলবোৰো দেখিলো, য'তেই কিবা আৱশ্যক হয় ত'তেই তেওঁলোক গৈ পায়"।

১৯০০ চনত ভাৰতীয় এম্বুলেন্স দল ভাঙি দিয়া হ'ল। গান্ধীজী আৰু তেওঁৰ কেইজনমান সংগীয়ে পুৰস্কাৰো পালে আৰু দলটোৰ বিষয়ে ভালদৰে চৰ্চা হ'ল।

১৯০১ চনত গান্ধীজীয়ে ভাৰতলৈ ঘূৰি আহিবলৈ মন কৰিলে। সপৰিয়ালে বিদায় লোৱাৰ আগদিনা সন্ধিয়া ভাৰতীয়সকলে কৃতজ্ঞতাৰ মূৰ্ত প্ৰদৰ্শন কৰিলে। গান্ধীজীক সোণ আৰু ৰূপৰ বস্তুৰ উপৰিও হীৰাৰ বাখৰ খটোৱা অলংকাৰো উপহাৰ দিলে। কস্তুৰীবাঈৰ বাবে এডাল সোণৰ দামী নেকলেচ আছিল।

১৮৯৬ চনত ভাৰতলৈ অহাৰ সময়তো গান্ধীজীয়ে উপহাৰ পাইছিল কিন্তু সেইবিলাক এনে ধৰণৰ নাছিল। এতিয়া এই উপহাৰবোৰ ৰাখিম নে নেৰাখিম এই চিন্তাতে গান্ধীজীৰ ৰাতি টোপনিয়েই নাহিল। ৰাতিপুৱাই সেইবোৰ ঘূৰাই দিয়াৰ কথাই ঠিক কৰিলে। কস্তুৰীবাঈক এই কথাটো তেওঁ বৰ কষ্টৰেহে মান্তি কৰাব লগাত পৰিছিল।

শেষত গান্ধীজীয়ে ঘোষণা কৰিলে যে ১৮৯৬ চনত আৰু ১৯০৯ চনত

পোৱাসকলো উপহাৰ সামগ্ৰী ট্ৰাষ্টক দি দিয়া যাব। শেষত এইটোৱে হ'ল। এইখিনিৰ পৰা যি পুঁজি হ'ল তাৰে দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয়সকলৰ পাচত বহুত দিনলৈ কাম চলিল।

ভাৰতলৈ ঘূৰি আহি গান্ধীজীয়ে বোম্বাইৰ থকা ঘৰ আৰু ওকালতিৰ বাবে কোঠা ভাড়ালৈ ল'লে। তেওঁ বোম্বাইত থাকিবলৈ লৈছিল কিন্তু ১৯০২ চনত তেওঁক পুনৰ দক্ষিণ আফ্ৰিকালৈ মাতি পঠালে। এইবাৰ তেওঁ বুজিব পাৰিলে যে এতিয়া তেওঁ দক্ষিণ আফ্ৰিকাত বহুত দিন থাকিব লাগিব। সেয়ে তেওঁ পত্নী আৰু তিনিজন পুতেকক তালৈ মাতি নিলে। আটাইতকৈ ডাঙৰ পুতেক হৰিলাল ভাৰততে থাকি গ'ল। গান্ধীজীয়ে জোহান্সবাৰ্গত অধিক উপাৰ্জন কৰিব পৰা ওকালতি আৰম্ভ কৰি দিলে।

এদিন সন্ধিয়া নিজৰ প্ৰিয় নিৰামিষ আহাৰৰ মালিকনী এগৰাকীৰ 'এট্ হোম'লৈ গ'ল। তাতে তেওঁ লগ পাই কথা-বতৰা হ'ল এচ্ এল্ পোলক নামৰ এজন যুৱকক।

কেইমাহ মানৰ আগতে ১৯০৩ চনত গান্ধীজীয়ে 'ইণ্ডিয়ান অপিনিয়ন' নামৰ সাপ্তাহিক বাতৰি এখন চলাবলৈ আৰম্ভ কৰিছিল। বাতৰিখনত কেতিয়াবা কিবা এটা সমস্যা আহিলে তাৰ সমাধান কৰিবলৈ গান্ধীজী ডাৰবানলৈ যাব লগা হৈছিল; য'ৰ পৰা বাতৰিখন প্ৰকাশ হৈছিল। এবাৰ তেওঁক পোলকে ৰে'লৱে ষ্টেচনত আগবঢ়াই থ'বলৈ আহি দীঘলীয়া যাত্ৰাত পঢ়িবৰ বাবে এখন কিতাপ দিলে। সেইখনেই আছিল জন ৰাস্কিনৰ 'আন টু দিছ্ লাষ্ট'।

তেতিয়ালৈকে গান্ধীজীয়ে ৰাস্কিনৰ কোনো ৰচনাৱলী পঢ়া নাছিল। তেওঁ জোহান্সবাৰ্গৰ পৰা গাড়ী চলিবলৈ আৰম্ভ কৰাৰ লগে লগে কিতাপখনো পঢ়িবলৈ আৰম্ভ কৰিলে আৰু গোটেই ৰাতিটো পঢ়িয়ে থাকিল। ১৯৪৬ চনৰ অক্টোবৰ মাহত গান্ধীজীয়ে ক'লে— "এইখন কিতাপে মোৰ জীৱনৰ গতিয়েই সলনি কৰি দিলে"। তেওঁ কৈছিল যে এইখন কিতাপ তেজ আৰু চকুৰ পানীৰে লিখা হৈছে। কিতাপখনৰ আদৰ্শ অনুযায়ী নিজৰ জীৱনটোকে তৈয়াৰ কৰাৰ সিদ্ধান্ত ল'লে। তেওঁ ভাবি ল'লে যে নিজৰ পৰিয়াল আৰু সহযোগী লোকসকলক লৈ এখন ফাৰ্মত গৈ থাকিবলৈ ল'ম।

ডাৰবানৰ পৰা ১৪ মাইল দূৰৰ ফিনিক্স নগৰৰ ওচৰত গান্ধীজীয়ে এখন ফাৰ্ম কিনিলে। অতি সোনকালেই 'ইণ্ডিনিয়ান অপিনিয়ন'ৰ ছপাশালটো আৰু কাৰ্যালয়টোও ফাৰ্মলৈ লৈ আহিল। এই পত্ৰিকাখন সেই ঠাইত মণিলাল গান্ধীৰ দ্বাৰা এতিয়ালৈকে প্ৰকাশিত হৈ আছে।

বাসনা জয় কৰাৰ বাবে ১৯০৬ চনটো গান্ধীজীৰ জীৱন পৰিৱৰ্তনৰ কাল হিচাবে উল্লেখযোগ্য। তেতিয়াই তেওঁ ব্ৰহ্মাচৰ্য ব্ৰত লৈ ল'লে। যেতিয়া তেওঁৰ বয়স ৩৬ বছৰ আছিল সেই ১৯০৬ চনৰ পৰা ১৯৪৮ চন পৰ্যন্ত গান্ধীজীয়ে ব্ৰহ্মাচৰ্য পালন কৰিছিল।

১৯০৩ চনৰ ১১ ডিচেম্বৰ। জোহান্সবাৰ্গৰ ইম্পিৰিয়েল নাট্যশালাত প্ৰায় ৩০ হোজৰ লোকৰ সমাবেশৰ ভিৰ আছিল। এই সভাখন গান্ধীজীয়ে আহ্বান কৰিছিল। ১৯০৬ চনৰ ২২ আগষ্টত 'ট্ৰেন্সভাল গৱৰ্ণমেণ্ট বাজেটত এক অধ্যাদেশৰ আঁচনি ছপা হ'ল, যিটো বিধান সভাত দাঙি ধৰাৰ কথা আছিল। গান্ধীজীয়ে ভাবিলে যদি এইটো স্বীকৃত হয়; তেন্তে দক্ষিণ আফ্ৰিকাত ভাৰতীয়সকলৰ সৰ্বনাশ হ'ব। এই প্ৰস্তাৱিত অধ্যাদেশ অনুযায়ীসকলো ভাৰতীয় পুৰুষ, মহিলা আৰু আঠ বছৰৰ ল'ৰা-ছোৱালীসকলৰ বাবে আৱশ্যক হ'ব যে তেওঁলোকে অধিকাৰীসকলৰ ৰেজিষ্টাৰত টিপ চহী দিব আৰু একোখন প্ৰমাণ পত্ৰ পাব, যিখনতসকলো সময়তে লগত ৰাখিব লাগিব।

সভাপতিৰ দ্বাৰা কাৰ্যসূচী আৰম্ভ কৰাৰ আগতেই থিয়েটাৰ হলৰ আৰ্কেষ্ট্ৰা কক্ষ, বেলকনী আৰু গেলেৰী থেপাথেপিকৈ ভৰি পৰিল। চাৰিটা ভাষাৰে ক্ৰোধ ভৰা ভাষণৰ দ্বাৰা শ্ৰোতাসকলক আৱেগেৰে ভীষণভাৱে কঁপাই তুলিলে। তেতিয়া শেখহাজী হাবাবে গান্ধীজীৰ সহায়ত তৈয়াৰ হোৱা প্ৰস্তাৱ পাঠ কৰিলে, যাৰ দ্বাৰা বিচৰা হৈছিল যে ৰেজিষ্টাৰত টিপ চহী দি নাম ভৰ্তি কৰা আইনক অৱজ্ঞা কৰা হওক। ইয়াৰ পাছত গান্ধীজীয়ে ক'লে। প্ৰথমতেই তেওঁসকলোকে সাৱধান কৰি দিলে আৰু তেওঁলোকক উৎসাহিত কৰাৰ যত্ন কৰিলে। তেওঁ ক'লে— "চৰকাৰে ভালে ভালে কৰিব পৰাসকলো বুদ্ধিকে তিলাঞ্জলি দিলে কিন্তু মই সাহস আৰু নিশ্চয়তাৰে ঘোষণা কৰিছো যে যেতিয়ালৈকে নিজৰ প্ৰতিজ্ঞাত দৃঢ় হৈ থকা এমুঠি লোকো থাকে তেতিয়ালৈকে সংঘৰ্ষৰ এটা শেষ হ'ব পাৰে সেয়ে হৈছে বিজয়"।

সভাপতিৰ সংযত কথাৰ পাছত মতামত লোৱা হ'ল সকলো উপস্থিত লোকেই থিয় হৈ হাত দাঙিলে আৰু ঈশ্বৰৰ নাম শপত খালে যে যদি প্ৰস্তাৱিত ভাৰতীয় বিৰোধী অধ্যাদেশ আইনত পৰিণত হয় তেন্তে সেইটো মানি লোৱা নহ'ব।

দ্বিতীয় দিনা ২২ ডিচেম্বৰত ইম্পিৰিয়েল হল জুই লাগি ছাঁই হৈ গ'ল। বহুত ভাৰতীয় লোকে এইটোকে অমংগল বুলি ভাবিলে আৰু অধ্যাদেশৰে এই গতি হ'ব বুলি ক'বলৈ ধৰিলে। গান্ধীজীৰ বাবে এইটো এটা সুযোগহে আছিল। তেওঁৰ এনে অমংগলীয়া বোলা কথাবোৰত বিশ্বাস নাছিল। নিয়তিয়ে গান্ধীজীক এনে মুক সংকেতেৰে আহ্বান কৰা নাছিল। তেওঁ অন্তৰাত্মাত নিয়তিয়ে তেওঁৰ হিমালয় সদৃশ আত্মবিশ্বাসৰ দ্বাৰাহে কৈছিল যিটো তেওঁ সভাত ডাঙি ধৰিছিল। তেওঁ বুজি পাইছিল যে এইটোত তেওঁ অকলেই যুঁজিব লাগিব। ইম্পিৰিয়েল থিয়েটাৰত লোৱা সমূহীয়া প্ৰতিজ্ঞাৰ পাছত গান্ধীজীয়ে চৰকাৰী অনুচিত কামৰ প্ৰতি এনে নতুন ধৰণৰ সামূহিক হ'লেও ব্যক্তিগতভাৱে ভাল নাম কৰা লোকক উপহাৰ দিয়াৰ কথা ঘোষণা কৰিলে।

১০ ফেব্ৰুৱাৰীত গান্ধীজীয়ে নিজৰ নাম ৰেজিষ্টাৰত লিখিতিভাৱে তোলাৰ কথা

ভাবিলে। যেতিয়া তেওঁ অফিচৰ ফালে যাবলৈ ধৰিলে পাঠান জুমে তেওঁৰ পিছ ল'লে। অফিচ পোৱাৰ আগে আগে মীৰ আলম নাম পাঠানজনে তেওঁৰ আগলৈ আহি সুধিলে— "তুমি কোনফালে যোৱা"

মই ভাবিছো— "ৰেজিষ্টাৰ চাৰ্টিফিকেটখন লৈ যাওঁ"। গান্ধীজীয়ে উত্তৰ দিলে। গান্ধীজীৰ কথাষাৰ শেষ হ'বলৈকে নাপালে নেপালে। তেওঁৰ মূৰত এটা প্ৰচণ্ড মাৰ পৰিল।পিছত গান্ধীজীয়ে লিখিছে— "মোৰ মুখৰ পৰা 'হে ৰাম' শব্দটো ওলোৱাৰ পাছতে মই বেহুচ হৈপৰি গ'লো"। ১৯৪৮ চনৰ ৩০ জানুৱাৰীৰ সন্ধিয়াও তেওঁৰ মুখত সেইটোৱেই অন্তিম শব্দ আছিল।

যেতিয়াই মাটিত পৰি গ'ল তেওঁৰ ওপৰত তেতিয়া আৰু মাৰ পৰিবলৈ ধৰিলে। পাঠানসকলে গুৰিয়াবলৈ নেৰিলে।

তেওঁক তুলি এটা অফিচ কোঠালৈ লৈ যোৱা হ'ল। চেতনা ঘূৰি অহাত তেওঁ সুধিলে— "মীৰ আলম ক'লৈ গ'ল"। তেওঁক বেলেগ পাঠানৰ লগত গ্ৰেপ্তাৰ ক'ৰা হ'ল বুলি কোৱাত "তেওঁক এৰি দিব লাগে। মই তেওঁৰ ওপৰত মোকৰ্দমা চলাব নোখোজো" বুলি লাহে লাহে ক'লে।

সুস্থ হোৱাৰ পাছত গান্ধীজীয়ে একেৰাহে প্ৰচাৰ কৰিবলৈ ধৰিলে যে ৰেজিষ্ট্ৰীৰ বিষয়টোত তেওঁ যি বুজাবুজিলৈ আহিব খুজিছে সেইটোত সততাৰে ভাল হোৱা উচিত। সেইবাবে স্মট্ছে 'ক'লা আইন'ক ঠাই লোৱাৰ কথা মানি ল'ব নুখুজিলে সেয়ে তেতিয়া গান্ধীজীৰ কিমান যে হাৰাশাস্তি হৈছিল চাগে।

১৯০৮ চনৰ ১৩ আগষ্টত জোহান্সবাৰ্গৰ হমীদিয়া মছজিদত এখন সভা আহ্বান কৰে। তাত চাৰিটা খুঁটিৰ ওপৰত এখন ডাঙৰ কেৰাহীসকলোৰে চকুত পৰাকৈ ওখ ঠাইত থোৱা হ'ল। ভাষণ সমাপ্ত হোৱাৰ লগে লগে দৰ্শকসকলৰ পৰা একত্ৰিত কৰা দুহেজাৰতকৈও অধিক ৰেজিষ্ট্ৰী চাৰ্টিফিকেট কেৰাহীখনত পেলাই দিলে আৰু কেৰাচিন তেল ঢালি সেইবোৰ জ্বলাই দিলে। ভিৰৰ মাজত হৰ্ষ ধ্বনি হ'ল।

ট্ৰান্সভালৰ চৰকাৰৰ লগত হ'বলগীয়া সংঘৰ্ষৰ বাবে গান্ধীয়ে নিজৰ শক্তি গোটোৱা আৰম্ভ কৰি দিলে। গান্ধীৰ সমস্ত বগা বা ক'লা সহযোগীসকলৰ ভিতৰত আটাইতকৈ ঘনিষ্ঠ আছিল হেনৰি এচ্ এল্ পোলক, জোহান্সবাৰ্গৰ অতি ধনী শিল্পকাৰ হৰ্মন ফেলেনবেক্ আৰু স্কটলেণ্ডৰ পৰা অহা সোন্দা শ্লেচিন।

গ্ৰেপ্তাৰ হ'ব বাবে অনুমতি বিচৰা লোকসকলে গান্ধীজীক বেৰি ধৰিলে। গান্ধীজীও গ্ৰেপ্তাৰ হ'ল আৰু বোক্ষস্ৰষ্ট জেলত ৰাখিলে। তেওঁৰ জেল কাৰ্ডখন এতিয়াও মণিলালৰ হাতত সুৰক্ষিত হৈ আছে। সেইখন মুগা ৰঙৰ আৰু তাৰ আকাৰ ২ ৩ ইঞ্চিৰ। সেইখনত ভুলতে তেওঁৰ নাম এম্ এচ্ গান্ধী বুলি দিয়া আছে। ব্যৱসায়— 'সালিসিটৰ'। দণ্ড-২৫

পাউণ্ড জৰিমনা অন্যথাই দুমাহৰ জেল। তাৰিখ ১৩ ডিচেম্বৰ ১৯০৮ চনত। কাৰ্ডখন পিছফালে "জেল অপৰাধৰ" ঘৰত লিখিব লগা ঠাই খালী। তেওঁ এজন আদৰ্শ কয়দী।

সাধাৰণতে এনেদৰে কোৱা হয় যে সত্যাগ্ৰহৰ কল্পনা গান্ধীজীয়ে থঁাৰোৰ পৰা লৈছিল কিন্তু ১৯৩৫ চনৰ ১০ ডিচেম্বৰত শ্ৰী কোদণ্ড ৰাওলৈ লিখা চিঠিত গান্ধীজীয়ে সেই কথা অস্বীকাৰ কৰিছে। তেওঁ লিখিছিল "মই কওঁ যে মই সবিনয় অৱজ্ঞাৰ কল্প থঁাৰোৰ পৰা পোৱা সেইটো ভুল। সবিনয় অৱজ্ঞাৰ বিষয়ে থঁাৰোৱে লিখা প্ৰবন্ধ মোৰ হাতত পৰাৰ আগতেই দক্ষিণ আফ্ৰিকাত অধিকাৰৰ বিৰুদ্ধে প্ৰতিৰোধত বহুত আগবাঢ়ি গৈছিলো কিন্তু সেই সময়ত এই আন্দোলন 'নিষ্ক্ৰিয় প্ৰতিৰোধ' নামেৰে প্ৰসিদ্ধ আছিল যিহেতু সেই শব্দটো অপূৰ্ণ আছিল। সেইবাবে গুজৰাটী পাঠৰ বাবে মই 'সত্যাগ্ৰহ' কৰিলো। যেতিয়া মই থঁাৰোৰ মহান প্ৰবন্ধটোৰ শিৰোনামা দেখিলো তেতিয়া ইংৰাজ পাঠকসকলক নিজৰ সংঘৰ্ষৰ ব্যাখ্যা কৰিবলৈ সেইটো শব্দ প্ৰয়োগ কৰিলো। কিন্তু মোৰ এনে লাগিল যেন "সবিনয় অৱজ্ঞা"ত সংঘৰ্ষৰ পুৰা অৰ্থ ওলোৱা নাই। সেয়ে মই "নিষ্ক্ৰিয় প্ৰতিৰোধ" কৰিলো।

গান্ধীজীৰ দ্বিতীয় বাৰৰ শাস্তি ১৯০৮ চনৰ ১৩ ডিচেম্বৰত পুৰা হ'ল কিন্তু "আবাস প্ৰতিবন্ধ"ৰ বিৰুদ্ধে সবিনয় অৱজ্ঞা চলি থাকিল। সেইবাবে গান্ধীজীয়ে তৃতীয় বাৰ তিনিমাহ জেলৰ শাস্তি পাই ১৯০৯ চনৰ ২৫ ফেব্ৰুৱাৰীত পুনৰ জেলত সোমাল। পাঁচ দিনৰ পিছত তেওঁক প্ৰিটোৰিয়াৰ জেললৈ পঠালে।❑❑

পুত্ৰলৈ পত্ৰ

গান্ধীজীৰ দ্বিতীয়বাৰ জেলত থকা সময়ৰ শেষ হয় ১৩ ডিচেম্বৰ তাৰিখে। কিন্তু আবাস প্ৰতিবন্ধৰ বিৰুদ্ধে নিষ্ক্ৰিয় প্ৰতিৰোধ চলি আছিল। তেওঁ পুনৰ তৃতীয়বাৰ জেলৰ শাস্তি ভোগ কৰিব লগা হ'ল। ১৯০৯ চনৰ ২৫ ফেব্ৰুৱাৰীত পুনৰ বোক্সৰ্স্ট জেললৈ ঘূৰাই আনে। পাঁচদিনৰ পাছত কিছু বস্তু মূৰৰ ওপৰত বোজা দি ঘোৰ বাৰিষাৰ দিনত তেওঁক ৰে'লগাড়ীত তুলি প্ৰিটোৰিয়াত থ'বলৈ আনিলে য'ত তেওঁ নৱনিৰ্মিত প্ৰায়শ্চিত্তশালাত দিনবোৰ পাৰ কৰি দিছিল। সেই ঠাই পোৱাত জেলৰ ৱাৰ্ডেনে সুধিলে— "কি তুমি গান্ধীৰ পুত্ৰ নেকি?" সেই সময়ত গান্ধীক দেখিবলৈ ইমান ডেকা যেন লাগিছিল যে অফিচাৰজনে ভুলতে তেওঁক পুতেক মণিলাল বুলিহে ভাবিলে। মণিলালেও সেইসময়ত বোক্সৰ্স্টত ৬ মাহ দিন জেলত থাকিছিল। তেতিয়া গান্ধীজী ৪০ বছৰীয়া আছিল।

গান্ধীজীয়ে জেলৰ পৰা মণিলাললৈ এখন চিঠি লিখিছিল যিখন মণিলালে আজিও সুৰক্ষিত কৰি ৰাখিছে। এই চিঠিখন জেলৰ মুগা বৰণীয়া ফুলস্কেপ কাগজৰ ৫ খিলাৰ দুয়োপিঠিত কপি পেঞ্চিলেৰে হাতেৰে ইংৰাজীত লিখা। সাধাৰণতে গান্ধীজীয়ে মণিলাললৈ গুজৰাটী ভাষাতে লিখে। কিন্তু প্ৰত্যেক পৃষ্ঠাৰে বাওঁফালে পটিটোত ইংৰাজী ডচ্ আদি ভাষাত নিৰ্দেশ ছপা হৈছিল। যাতে পত্ৰ ব্যৱহাৰ ইংৰাজী, ডচ্, জাৰ্মান বেলেগ ভাষাৰে কৰিব পাৰি। চিঠিত ২৫ মাৰ্চ ১৯০৯ ৰ তাৰিখ আছে। গান্ধীজীৰ কয়দী নম্বৰ ৭৭৭ আছিল। চেন্সৰ ব'ৰ্ডে দুদিনৰ পাছত নামাংকিত কৰিলে।

তেতিয়া মণিলালৰ বয়স ১৭ বছৰ আছিল যেহেতু তেওঁৰ বাবে কাৰো চিন্তা নাছিল। সেইবাবে তেওঁ নিজেই চিন্তাত পৰি আছিল। তেওঁৰ পঢ়াশলীয়া শিক্ষা একেবাৰে নোহোৱাৰ দৰেই হৈ আছিল। সেই সময়ত তেওঁ ফাৰ্মত আৰু 'ইণ্ডিয়ান অপিনিয়ন'ৰ কামতে পিতাকৰ কেৰাণী আছিল আৰু সম্ভৱ বিৰক্তিত ভোগা ডেকা আছিল।

গান্ধীজীয়ে লিখিছিল

মৰমৰ পুত্ৰ,

মোৰ প্ৰতিমাহে এখনকৈ চিঠি লিখাৰ আৰু পোৱাৰ অধিকাৰ আছে। মোৰ সন্মুখত এইটো প্ৰশ্ন আহি পৰিছে যে মই কালৈ লিখো? মিষ্টাৰ ৰিছ (ইণ্ডিয়ান অপিনিয়নৰ সম্পাদক) মিষ্টাৰ পোলক আৰু তোমাৰ কথাই মনলৈ আহিছে। মই তোমাক বাছি লৈছো। কিয়নো মোৰসকলোতকৈ অধিক ওচৰ সম্পৰ্কীয় তুমিহে।

যিমানখিনি মোৰ সম্বন্ধ আছে মই অধিক ক'ব নেলাগে আৰু অধিক কোৱাৰ অনুমতিও নাই। মই একেবাৰে নিশ্চিন্ত হৈ আছো আৰু মোৰ বাবে কাৰো চিন্তিত হোৱাৰো আৱশ্যক নাই।

মই আশা কৰিছো তোমাৰ মাৰাৰ স্বাস্থ্য এতিয়া সম্পূৰ্ণ ভালে আছে। মই জানিব পাৰিছো যে মোলৈ তোমাৰ কেইখন মান চিঠি আহিছে কিন্তু মোক দিয়া নাই। ডেপুটী গৱৰ্ণৰে ভাল ভাবেৰেই মোক ক'লে যে তেওঁ ভালে ভালেই আছে। কি তেওঁ ভালদৰে চলা-ফুৰা কৰিব পাৰিছেনে?

মই আশা কৰিছো তেওঁ আৰু তোমালোকসকলোৱে ৰাতিপুৱা চাগু আৰু গাখীৰ খাবা আৰু চাচীৰ খবৰ কেনে? তেওঁক ক'বা যে মোৰ তেওঁলৈ সদায় মনত পৰে। তেওঁৰ গাৰ গোটেই ঘা-ফোঁহাবোৰ শুকাব পায়। তেওঁ আৰু ৰামীও ভালে ভালেই থাকিব পায়! আশা কৰিছো ৰামদাস আৰু দেৱদাসো ভালে আছে। নিজৰ নিজৰ পঢ়া-শুনাও কৰিছে হ'বলা? আৰু একো অসুবিধা হোৱা নাই হ'বলা। ৰামদাসৰ কাঁহটো গৈছেনে?

মই আশা কৰা মতে যেতিয়া ৱিলী তোমালোকৰ লগত আছিল তেওঁক ভাল ব্যৱহাৰেই কৰিছিলা। মই ভাবিছিলো যে মিষ্টাৰ কাৰ্ডেজে যিবিলাক খোৱা বস্তু এৰি গৈছিল সেইখিনি তেওঁক ঘূৰাই দিব লাগিছিল।

এতিয়া তোমাৰ কথালৈ আহোঁ। তুমি কেনে আছা? যদিও মোৰ ধাৰণা যে মই তোমাৰ কান্ধত এৰি থৈ অহাসকলো বোজাৰ ভাৰ সঠিকভাৱে চম্ভালিব পাৰিছা আৰু সেইবোৰ আনন্দ মনেৰেই সহ্য কৰি গৈছা তথাপি কেতিয়াবা কেতিয়াবা এনে লাগে যেন মই ব্যক্তিগতভাৱে তোমাক যিখিনি পথ দেখুৱাই দিছিলো তাতোকৈ অধিক তোমাৰ বাবে আৱশ্যক আছিল। মই এইটোও জানো যে কেতিয়াবা কেতিয়াবা তুমি ভাবা তোমাৰ শিক্ষাৰ ক্ষেত্ৰত অৱহেলা কৰা হৈছে। জেলত মই বহুতো পঢ়িলো। ইমৰ্চন, ৰাস্কিন আৰু মেজিনিৰ লিখনিবিলাক পঢ়ি আছো। মই উপনিষদো পঢ়িলো সকলোৱে এইটো মতকে পোষণ কৰিছে যে শিক্ষা মানে অকল আক্ষৰিক জ্ঞানেই নহয় চৰিত্ৰ নিৰ্মাণহে। ইয়াৰ অৰ্থ হ'ল কৰ্তব্য জ্ঞান। যদি এই মতামত সত্য হয় মোৰো মত এয়ে। সেয়ে তোমাৰ ভাল শিক্ষা প্ৰাপ্ত হৈছে।

ইয়াতকৈ ভাল শিক্ষা আৰু কি হ'ব পাৰে যে তুমি মাৰাৰ পৰিচৰ্যা কৰা আৰু তেওঁৰ কৰ্কশ স্বভাৱক সহ্য কৰাৰ সুবিধা পাইচা বা তুমি চাঁচীৰ চোৱা চিতা কৰিছা, তেওঁৰ আৱশ্যকতাবোৰ ভালদৰে বুজি পাইছা আৰু তেওঁৰ লগত এনে ব্যৱহাৰ কৰিছা যেন তেওঁৰ হৰিলালৰ অনুপস্থিতিৰ কথা অনুভৱ নহয়। আনকি তুমি ৰামদাস আৰু দেৱদাসৰ

অভিভাৱকো নহয় জানো? যদি তুমি এইসকলোবোৰ কাম ভালদৰে কৰাত সফল হ'ব পৰা তেন্তে তোমাৰ আধাতকৈও বেছি শিক্ষা পূৰা কৰা হ'ব।

নাথুৰামজীৰ উপনিষদৰ প্ৰস্তাৱনাৰ এটা অংশই মোৰ হৃদয় স্পৰ্শ কৰিলে। তাত আছে ব্ৰহ্মচৰ্য আশ্ৰম অৰ্থাৎ প্ৰথম ঢাপ, শেষ ঢাপ অৰ্থাৎ সন্যাস আশ্ৰম। এইটো সঁচা কথা। খেলা-ধূলা অবুজন বয়সতহে হয়। অৰ্থাৎ কেৱল ১২ বছৰ বয়সলৈকেহে হ'ব পাৰে। বুজি বাজি পোৱাৰ বয়স হ'লেও ল'ৰাক নিজৰ দায়িত্ববোধৰ কথা অনুভৱ কৰিবলৈ শিকোৱা হয়। এইটো বয়সৰ পাছতসকলো ল'ৰাই মন আৰু কামত সংযমৰ অভ্যাস কৰিব লাগে। তেওঁৰ কাৰণে এইটো শিকা আৰু অভ্যাস কৰা জঞ্জাল যেন হ'ব নেলাগে। বৰং স্বাভাৱিকহে হ'ব লাগে। ৰাজকোটৰ এনেকুৱা কেইজনমান ল'ৰাৰ কথা মোৰ মনত পৰে। মই তোমাক কৈছো যে মই যেতিয়া তোমাতকৈও সৰু আছিলো তেতিয়াসকলো কামতকৈ ভাল পাইছিলো পিতাৰ সেৱা-শুশ্ৰূষা কৰা কামটো। ১২ বছৰ বয়সৰ পাছতো খেলা-ধূলাৰ লগত সমন্ধই নোহোৱা হৈ পৰিল। মতি তুমি তিনিটা গুণ পালন কৰা, যদি এইকেইটা জীৱনৰ অংগ হৈ পৰে তেতিয়া হ'লে মোৰ বিশ্বাস যে তুমি নিজৰ শিক্ষা, নিজৰ ট্ৰেইনিং পূৰা কৰি ল'বা। মই তোমাক বিশ্বাস দিয়াইছো যে এইখিনি হাথীয়াৰকে লৈ তুমি সংসাৰত য'তে ত'তে হ'লেও নিজৰ ভাতমুঠি উলিয়াব পাৰিবা আৰু আত্মাৰ, নিজা তথা পৰমাত্মাৰ আচল জ্ঞানপ্ৰাপ্ত কৰাৰ পথ সুগম কৰিব পাৰিবা। ইয়াৰ অৰ্থ এইটো নহয় যে তুমি লিখা-পঢ়া নিশিকিবা। এইটো তুমি কৰিব লাগিব আৰু কৰিও আছা। কিন্তু এইটো এনে কথা যে যিটোত তুমি বিৰক্তিবোধ কৰিব নেলাগিব। এইবাৰৰ বাবে তোমাৰ ওচৰত বহুত সময় পৰি আছে আৰু শেষলৈকে তুমি এই শিক্ষাপ্ৰাপ্ত কৰিবই লাগিব। যাতে তোমাৰ প্ৰশিক্ষণে আনৰো কামত আহিব পাৰে।

মনত ৰাখিবা যে আজিৰ পৰাই তোমাৰ ভাগ্যত দুখীয়া হোৱাটো লিখা আছে। যিমানেই বেছিকৈ মই এইটো কথা ভাবো। সিমানেই বেছিকৈ মোৰ ভাব হয় যেন চহকী হোৱাতকৈ দুখীয়া হোৱাতহে অধিক সুখ। দুখীয়াৰ ব্যৱহাৰ চহকীৰ ব্যৱহাৰতকৈ অধিক সোৱাদলগা।

(ইয়াৰ পাছত ফিনিস্ক আশ্ৰমৰ লোকসকললৈ আদেশ, উপদেশ, অভিবাদন খা-খবৰ বোৰ ১০৫ শাৰী আছে পুনৰ লিখিছে) আৰু এতিয়া তোমাৰ বিষয়ে খেতি-বাতিত নিজে কোৰ মৰা, খন্তি চলোৱা আদি কাম খুব কৰিবা। ভৱিষ্যতলৈ আমি এইবোৰৰ ওপৰতে নিৰ্ভৰ কৰি চলিব লাগিব। আৰু তুমি পৰিয়ালৰ পাৰ্গত খেতিয়ক হ'ব লাগিব। নিজৰ দা-কোৰ আদি সঁজুলিবোৰ নিৰ্দ্ধাৰিত ঠাইত বঢ়িয়াকৈ চাফ-চিকুণ কৰি ৰাখিবা। নিজৰ পঢ়াত গণিত আৰু সংস্কৃতত বেছিকৈ জোৰ দিয়া আৱশ্যক। সংস্কৃতটো তোমাৰ বাবে আটাইতকৈ লাগতিয়াল। এই দুটা বিষয়ৰ অধ্যয়ন বেছি বয়সত কৰা অসুবিধা হয়। সংগীত বিষয়টোতো অৱহেলা নকৰিবা। তুমি পঢ়া কিতাপবিলাকৰ পৰা বাছি বাছিসকলো উত্তম অংশবোৰ ভজন আৰু পদ্য

লাগে সেইবোৰ ইংৰাজীত বা গুজৰাটীয়েই হওক হাতেৰে এখন বহীত ধুনীয়া আখৰেৰে লিখি পেলাব লাগে। বছেৰেকৰ মূৰত এইবোৰ বহুমূলীয়া সংগ্ৰহ হৈ পৰিব। তুমি যদি বুদ্ধি খটুৱাই কৰা তেন্তে এইবোৰ সহজেই কৰিব পাৰিবা। উদ্বিগ্ন কেতিয়াও নহ'বা। নাভাবিবা তোমাৰ বাবে কিবা অসাধ্য হ'ব। প্ৰথমতে কোনটো কৰিবা চিন্তা কৰি লৈহে কৰিবা। যদি তুমি ধৈৰ্যৰে আৰু সময়ৰ প্ৰত্যেক ক্ষণৰ প্ৰতি মনোযোগ দিয়া তেতিয়া নিজেই বুজিবা কোনটো কাম আগতে কৰা দৰকাৰ। মই আশা কৰিছো ঘৰুৱা খৰচ-পাতিৰো তুমি ভালদৰে হিচাপ ৰাখিছা। ঠিক যেনেদৰে ৰখাৰ আৱশ্যক। মগনলাল ভাইক ক'বা যে মই তেওঁক ইমৰ্চনৰ লেখাবিলাক পঢ়িবলৈ পৰামৰ্শ দিছো। ডৰহমত এইখন কিতাপ ৯ পেন্সত পোৱা যাব পাৰে। সেইবিলাক নিবন্ধ অধ্যয়নৰ যোগ্য। তেওঁ সেইবোৰ পঢ়ি গুৰুত্বপূৰ্ণ অংশবোৰত চিন দি যাব আৰু শেষত সেইবোৰ এখন বহীত তুলি পেলাব। মোৰ বোধেৰে এইবিলাক নিবন্ধত এজন পশ্চিমীয়া গুৰুৰ দ্বাৰা ভাৰতীয় অনুভৱ জ্ঞানৰ শিক্ষা আছে। কেতিয়াবা নিজৰ বস্তুক এনেদৰে বেলেগ সাঁচত ঢলা দেখিলে কৌতূহল হয়। তেওঁক টলষ্টয়ৰ 'প্ৰভুৰ সাম্ৰাজ্য তোমাৰ হৃদয়'ত (কিংডম অৱ্ গড্ ইজ ৱিদিন ইউ)খনো পঢ়িবলৈ যত্ন কৰিব লাগে। এইখন অতি তৰ্কযুক্ত কিতাপ। অনুবাদ কৰা ইংৰাজী বৰ সহজ সকলোতকৈ ডাঙৰ কথা এইটোৱেই যে টলষ্টয়ে যি উপদেশ দিয়ে তাক কৰিও দেখুৱায়।

শেষত গান্ধীজীয়ে লিখিছে 'বীজ গণিত'ৰ এখন কিতাপ পঠাই দিবা। যিকোনো সংস্কৰণ হ'লেও কামত আহিব।'

'তোমাৰ পিতা'

চিঠি লিখোতাজনৰ চিন্তাই চিঠি পঢ়োঁতাজনকো কেতিয়াবা বিৰক্তি দিয়ে। মণিলালক নিজৰ সাঁচত গঢ়িবৰ বাবে গান্ধীজীৰ আন্তৰিক আৰু স্নেহপূৰ্ণ উৎকণ্ঠাই মণিলালৰ বোধকৰোঁ ধৰ্মোপদেশ দিয়া যেনহে লাগিছিল। যাৰ মাজে মাজে অলেখ ঘৰুৱা কামৰ কথাবোৰ তেলৰ টোপালৰ দৰে আছিল। গান্ধীজীৰ নিস্বাৰ্থ আদেশ পুত্ৰৰ ভালৰ বাবেই আছিল যদিও ব্ৰহ্মাচৰ্য পালন কৰা, দুখীয়া হৈ থকা আৰু কঠোৰ পৰিশ্ৰমৰ সম্ভাৱনাৰে জীৱনক উচ্চ শিখৰলৈ লৈ যাব পৰাকৈ এজন ডেকাক পুলকিত কৰাৰ কোনো কথাই চিঠিখনত নাছিল।

গান্ধীজীয়ে যেতিয়া সেই পৰ্যায় পাইছিলগৈ। তেওঁৰ দৃষ্টি এটা অতি দূৰৰ ভব্য লক্ষ্যত ৰৈ আছিল। সেইবাবে তেওঁ কেতিয়াবা তেওঁৰ অতি নিকটতমজনকো দেখা পোৱা নাছিল; তেওঁলোকৰ পৰা এইটোকে আশা কৰিছিল। যেনে কঠোৰ মৰ্যাদাপূৰ্ণ কয়দীৰ শিকলি তেওঁ নিজৰ হাতত আনন্দেৰে লগাই লৈছিল। আৰু সেইটোকে আনেও কৰক বুলি ভাবিছিল। সেই বুলি তেওঁ নিষ্ঠুৰো নাছিল। খুব সম্ভৱ তেওঁৰ এইটো কল্পনাও নাছিল যে তেওঁৰ চিঠিত গভীৰ ভালপোৱা তথা পিতাতুল্য খবৰদাৰীৰ বাহিৰে আন কিবা ভাব আছে।❑❑

টলষ্টয় আৰু গান্ধী

মধ্য ৰাছিয়াত এটা ক্লাবে সেই ডাঙৰ লোকসকলে আধ্যাত্মিক সমস্যাৰ ওপৰত যুঁজ দি আছিল, যিটোত দক্ষিণ আফ্রিকাত থকা হিন্দু উকীলজনৰো ধ্যান আকৰ্ষণ হ'বলৈ ধৰিলে। মহাদ্বীপৰ সিটো পাৰৰ পৰা কাউণ্ট লিও টলষ্টয়ে মোহনদাস কৰমচাঁদ গান্ধীৰ পথ প্ৰদৰ্শন কৰি আছিল আৰু তেওঁৰ সংঘৰ্ষত শান্তি প্ৰাপ্ত কৰিছিল।

টলষ্টয়ৰে সৈতে গান্ধীজীৰ পৰিচয় টলষ্টয়ৰ কিতাপ 'দি কিংডম অব্ গড় বিডিন যু'ৰ জৰিয়তে হয়।

গান্ধীজীয়ে টলষ্টয়ৰে সৈতে প্ৰথম ব্যক্তিগত সম্পৰ্ক এখন দীঘলীয়া পত্ৰৰ দ্বাৰাই কৰে। এই পত্ৰ ইংৰাজীতে ৱেষ্টমিনপ্তৰ পেলেচ হোটেল, ৪ ভিক্টোৰিয়া ষ্ট্ৰীট্, এচ, ডব্লিউ, লণ্ডনৰ পৰা ১৯০৯ চনৰ ১ অক্টোবৰত লিখিছিল আৰু ইয়াৰ পৰা মধ্য ৰাচিয়ালৈ শাসনীয়া পোল্যানাক টলষ্টয়ৰ ওচৰলৈ পঠোৱা হৈছিল। এইখন পত্ৰতে গান্ধীজীয়ে সেই ৰুচ উপন্যাস কাৰক ট্ৰান্সভালৰ সবিনয় অৱজ্ঞা আন্দোলনৰ বিষয়ে অৱগত কৰাইছিল।

টলষ্টয়ে নিজৰ ডায়েৰীৰ ১৯০৯ চনৰ ২৪ ডিচেম্বৰ বিৱৰণত লিখিছিল (সেই সময় ৰাচিয়াৰ তাৰিখ পশ্চিমৰ তাখিতকৈ তেৰ দিন পিছুৱাই চলিছিল) "ট্ৰান্সভালৰ এজন হিন্দুৰ পৰা মনোহাৰী পত্ৰ পাইছো।" চাৰি দিনৰ পাছত টলষ্টয়ে এজন ঘনিষ্ঠ বন্ধু ব্লাডিমীৰ জী, চৰ্টকাফক যিজন পিছত তেওঁৰ সংগৃহীত ৰচনাৱলীৰ সম্পাদন কৰে। পত্ৰত লিখিছিল "ট্ৰান্সভাল হিন্দুৰ পত্ৰই মোৰ হৃদয় স্পৰ্শ কৰিলে।"

য়াস্নায়া পোল্যানাৰ পৰা ১৯০৯ চনৰ ৭ অক্টোবৰৰ (২০ অক্টোবৰ) পত্ৰত টলষ্টয় ৰাচিয়ান ভাষাৰে গান্ধীজীলৈ উত্তৰ পঠালে। টলষ্টয়ৰ জীয়েক তাচিয়ানাই সেইখন ইংৰাজীলৈ অনুবাদ কৰি গান্ধীজীলৈ পঠালে। টলষ্টয়ে লিখিছিল " মই এতিয়া আপোনাৰ বৰ হৃদয় পৰশা পত্ৰ পালো। যিখন পঢ়ি মই বৰ আনন্দ পালো। ট্ৰান্সভালৰ আমাৰ ভাইসকল তথা সহকৰ্মীসকলক ভগৱানে সহায় কৰক। কঠোৰতাৰ বিৰুদ্ধে কোমলতাৰ আৰু

অহংকাৰ তথা হিংসাৰ বিৰুদ্ধে বিনয় তথা প্ৰেমৰ এই সংঘৰ্ষই আমাৰ ইয়াত প্ৰতি বছৰে নিজৰ অধিকতকৈ অধিক চাপ পেলাই আছে। মই বন্ধুত্বৰ ভাবনাৰে আপোনাক অভিবাদন জনাইছো আৰু আপোনাৰ লগত সম্পৰ্ক হোৱাত মই সুখী হৈছো।

টলষ্টয়লৈ গান্ধীজীৰ দ্বিতীয় পত্ৰ জোহান্সবাৰ্গৰ পৰা ১৯১০ চনৰ ৪ এপ্ৰিলত লিখিছিল আৰু তাৰ লগতে গান্ধীজীৰ সৰু পুস্তিকা 'ইণ্ডিয়ান হোমৰোল' (হিন্দ স্বৰাজ্য) পঠোৱা হৈছিল। এই পত্ৰত গান্ধীজীয়ে লিখিছিল "আপোনাৰ এজন নম্ৰ অনুগামী হোৱাৰ সম্বন্ধতে আপোনালৈ নিজে লিখা এখনি পুস্তিকা পঠাইছো। এইখন মোৰেই গুজৰাটীতে ৰচনা কৰা। মই নিজেই কৰা ইংৰাজী অনুবাদ। মই আপোনাক অলপো অসুবিধা দিব নোখোজো তথাপি যদি আপোনাৰ স্বাস্থ্যই সন্মতি দিয়ে আৰু যদি আপোনাৰ এই পুস্তিকাখনি পঢ়িবলৈ সময় ওলায় তেন্তে একো কোৱাৰে আৱশ্যক নাই যে পুস্তিকাখনৰ ওপৰত আপুনি আগবঢ়োৱা আলোচনাৰ মই বহুত সন্মান জনাম।

১৯১০ চনৰ ১৯ এপ্ৰিলত টলষ্টয়ে নিজৰ ডায়েৰীত লিখে "আজি ৰাতিপুৱা দুজন জাপানীলোক আহিছিল। ইউৰোপীয় সভ্যতাৰ ওপৰত বলিয়াৰ দৰে উত্তেজিত লোক। আনফালৰ পৰা হিন্দুৰ পত্ৰ আৰু পুস্তকত ইউৰোপীয় সভ্যতাৰ সমস্ত কমজোৰী আৰু সেইটোৰ সম্পৰ্ণ অপূৰ্ণতাৰো বোধ দেখা পোৱা হৈছে।

দ্বিতীয় দিনাৰ টলষ্টয়ৰ ডায়েৰীত আকৌ উল্লেখ আছে "কালি মই সভ্যতাৰ বিষয়ত গান্ধীৰ বিচাৰ পঢ়িলো। অতি উত্তম।" পুনৰ পিছদিনা "গান্ধীৰ বিষয়ে এখন কিতাপ পঢ়িলো বহুত মহত্বপূৰ্ণ। মই তেওঁলৈ লিখা দৰকাৰ।" গান্ধীজীৰ বিষয়ে কিতাপখন আছিল জে., জে. ডাঁকে লিখা 'বায়োগ্ৰাফী অব্ গান্ধী' যিখন তেওঁ টলষ্টয়লৈ পঠাইছিল।

এদিন পাছত টলষ্টয়ে নিজৰ বন্ধু চৰ্ত্তকাফলৈ পত্ৰ লিখে যিখনত তেওঁ গান্ধীজীক আমাৰ, তোমাৰ, বহুত ওচৰৰ মানুহ বুলি কৈছে।

টলষ্টয়ে ১৯১০ চনৰ ২৫ এপ্ৰিলত (৮ মে') য়াস্নায়া পোল্যায়াৰপৰা পত্ৰ পঠায়। তেওঁ লিখে

প্ৰিয় মিত্ৰ,

মই আপোনাৰ পত্ৰ আৰু আপোনাৰ পুস্তক 'ইণ্ডিয়ান হোম ৰোল' পালো। যি কথা আৰু প্ৰশ্নৰ আপুনি নিজৰ পুস্তকত বিবেচনা কৰিছে সেইবোৰৰ কাৰণে মই সেইখন বৰ মনোযোগেৰে পঢ়িলো। নিষ্ক্ৰিয় প্ৰতিৰোধ কেৱল ভাৰতৰ বাবেই নহয় বৰং সমস্ত মানৱতাৰ বাবেই মহত্বপূৰ্ণ প্ৰশ্ন। মই আপোনাৰ আগৰ পত্ৰ বিচাৰিব নোৱাৰিলো কিন্তু জে, ডচে লিখা (এইখিনিতে টলষ্টয়ে ভুল কৰে) আপোনাৰ জীৱন চৰিত্ৰ মই চাবলৈ পাইছো। এইখনেও মোক বৰকৈ আকৰ্ষিত কৰে আৰু আপোনাৰ পত্ৰক বুজিবলৈ আৰু জানিবলৈ

সম্ভৱ কৰিলে। এই কেইদিন মোৰ স্বাস্থ্য ভাল নহয় সেয়ে আপোনাৰ পুস্তক আৰু আপোনাৰ কামৰ সম্বন্ধে যিটোক মই প্ৰশংসা কৰিছো মই যি ক'ব লগা আছিল সেইখিনি লিখিবলৈ মই বৈ যাব লগা হৈছে। কিন্তু স্বাস্থ্য ভালৰ ফালে আহিলেই লিখিম।

আপোনাৰ মিত্ৰ আৰু ভাই

এল, টলষ্টয়ে

এইটো হৈছে হিন্দীলৈ ৰূপান্তৰ যিটো টলষ্টয়ৰ উৎকৃষ্ট ৰুচ ভাষাৰ ইংৰাজী অনুবাদ যিখন গান্ধীজীলৈ পঠোৱা হৈছিল।

গান্ধীজীৰ তৃতীয়খন পত্ৰ ১৯১০ চনৰ ১৫ আগষ্টত ২১-২৪ কৰ্ট চেম্বাৰ, কৰ্ণাৰ ৰিচিক এণ্ড এণ্ডাৰচন ষ্ট্ৰীটচ্, জোহান্সবাৰ্গৰ পৰা পঠোৱা। এইখনত গান্ধীজীয়ে ১৯১০ চনৰ ১৮ মে'ৰ পত্ৰ ধন্যবাদেৰে প্ৰাপ্তি স্বীকাৰ কৰে আৰু লিখে "পুস্তকৰ যি বিৱৰণৰ আলোচনা কৰাৰ বিষয়ে কৃপাপূৰ্বক আপোনাৰ পত্ৰত কথা দিছে তাৰ বাবে মই প্ৰতীক্ষা কৰিম।" গান্ধীজীয়ে টলষ্টয়ক টলষ্টয় ফাৰ্মৰ বিষয়েও জনালে যিখন কেলেন বেক আৰু তেওঁ স্থাপিত কৰিছিল। তেওঁ ক'লে যে মই কেলেনবেকে তেওঁলৈ (টলষ্টয়) বেলেগে পত্ৰ লিখিব। গান্ধীজী আৰু কেলেনবেকৰ পত্ৰই যাৰ লগত ইণ্ডিয়ান অপিনিয়নৰ কেইটামান সংখ্যাও পঠোৱা হৈছিল সেইবোৰৰ পৰা গান্ধীজীৰ প্ৰতি টলষ্টয়ৰ আগ্ৰহ বহুত বাঢ়ি গ'ল। ৩ (১৯) ডিচেম্বৰত নিজৰ ডায়েৰীত টলষ্টয়ে লিখিছিল "নিস্ক্ৰিয় প্ৰতিৰোধ উপনিবেশৰ বিষয়ে ট্ৰান্সভালৰ পৰা হৰ্ষদায়ক খবৰ।" সেই সময়ত গভীৰভাৱে আধ্যাত্মিক নিৰাশ অৱস্থা আৰু শাৰিৰীকভাৱে অসুস্থ আছিল। তথাপি তেওঁ গান্ধীজীৰ পত্ৰৰ উত্তৰ লগে লগেই দিলে। টলষ্টয়েও ৫ বা ৬ (১৮ বা ১৯ ত টলষ্টয়ে পত্ৰৰ ভুল শুধৰণি কৰিলে আৰু ৰাচিয়ান ভাষাতে সেইখন চৰ্ত্তকাফলৈ ইংৰাজীলৈ ভাঙনিৰ বাবে পঠালে। টলষ্টয়ৰ এই পত্ৰখন গান্ধীজীলৈ চৰ্তকাফে পঠাইছিল। এই পত্ৰখনৰ লগতে চৰ্তকাফেও নিজে এখন পত্ৰ দিলে। যিখনত তেওঁ লিখিছিল "মোৰ বন্ধু লিও টয়ষ্টয়ে মোক অনুৰোধ কৰে যে আপোনাৰ ১৫ আগষ্টৰ পত্ৰৰ প্ৰাপ্তি স্বীকাৰ কৰোঁ আৰু আপোনাৰ নামত তেখেতৰ ৭ ডিচেম্বৰত লিখা ৰাচিয়ান ভাষাৰ চিঠিখনৰ ইংৰাজীলৈ ভাঙনি কৰি দিওঁ।

"মিষ্টাৰ কেথেলবেকৰ বিষয়ে যিখিনি আপুনি লিখিছে সেইখিনিত টলষ্টয় বৰ সন্তোষিত হৈছে আৰু তেখেতে মোক কৈছে যে তেওঁৰ হৈ যাতে ময়ে কেথেলবেকলৈ উত্তৰ দিওঁ। আপোনাৰ লগতে আপোনাৰ সহকাৰীসকললৈকো টলষ্টয়ে আন্তৰিক অভিবাদন তথা আপোনাৰ কামৰ সফলতাৰ বাবে আন্তৰিক শুভকামনা পঠাইছে আপোনাৰ কামৰ টলষ্টয়ে যেনে প্ৰশংসা কৰিছে সেইটোৰ অনুমান আপুনি লগত থকা ভাঙনি কৰি পঠোৱা পত্ৰখনৰ পৰাই পাব। ইংৰাজী ভাঙনিত বৈ যোৱা ভুলৰ বাবে মই ক্ষমা বিচাৰিছোঁ। কিন্তু

ৰাচিয়াৰ গাঁৱত থকাৰ বাবে মই নিজৰ ভুলবোধ শুধৰাই ল'বলৈ কোনোবা ইংৰাজৰ সহায় লাভ কৰিব পৰা নাই।

"টলষ্টয়ৰ অনুমতিত তেওঁৰ আপোনাৰ নামৰ এই পত্ৰখন এখন সৰু পত্ৰিকাত যিখন লণ্ডনৰ আমাৰ কেইজনমান বন্ধুৱে উলিয়াইছে তাত প্ৰকাশ কৰা হ'ব। পত্ৰিকাখনৰ এটা কপি পত্ৰৰ লগতে আপোনালৈ পঠোৱা হ'ব আৰু 'ফ্ৰি এজ্ প্ৰেছ'ৰ দ্বাৰা প্ৰকাশিত টলষ্টয়ৰ ৰচনাৱলীৰ কিছু ইংৰাজী প্ৰকাশনো লগত পঠোৱা হ'ব।

"যেহেতু মোৰ এইটো অত্যন্ত বাঞ্ছা হৈছে যে আপোনাৰ আন্দোলনৰ বিষয়ে ইংৰাজীত বেছিকৈ জানিবলৈ পাওক। মই নিজৰ আৰু টলষ্টয়ৰ এজন ডাঙৰ বন্ধু, প্লাচগোৰ মিচেচ্ মেয়োলৈ পৰামৰ্শ দিছো যে তেওঁ আপোনাৰ লগত চিঠি পত্ৰৰ ব্যৱহাৰ কৰক।"

চৰ্তকাফে মিষ্টাৰ কেথেলবেকলৈ বেলেগে পত্ৰ পঠাইছে।

গান্ধীজীলৈ টলষ্টয়ৰ এইখন পত্ৰ আনসকলো পত্ৰতকৈ দীঘলীয়া আছিল। ৭ (২০ ছেপ্টেম্বৰ) তাৰিখৰ আৰু চৰ্তকাফৰ দ্বাৰা ইংৰাজীলৈ ভাঙনি কৰা এই পত্ৰখন গান্ধীজীলৈ পঠাবৰ বাবে ইংলেণ্ডলৈ এজন মধ্যস্থতাত থকা ব্যক্তিলৈ পঠোৱা হৈছিল সেইজন লোক সেই সময়ত অসুস্থ হৈ থকাৰ বাবে ১ নৱেম্বৰত ডাকত দিয়া হ'ল। সেইবাবে ট্ৰান্সভালত গান্ধীজীয়ে কাউণ্ট টলষ্টয়ৰ মৃত্যুৰ কেইদিনমান পাছতহে পালে।

টলষ্টয়ে লিখিছিল "যিমানেই মোৰ বয়স আগবাঢ়ি গৈ আছে আৰু বিশেষকৈ মৃত্যুৰ ওচৰ চাপি অহাটো স্পষ্টভাৱে অনুভৱ কৰিব পাৰিছো মইসকলোকে সেই কথা ক'বলৈ বিচাৰিছো মই অত্যন্ত স্পষ্টভাৱে অনুভৱ কৰিছো আৰু যিটো মোৰ বিচাৰত বৰ মহত্বপূৰ্ণ কথা মানে এই নিস্ক্ৰিয় প্ৰতিৰোধ যাক বোলে। কিন্তু যিটো বাস্তৱতে মিছা ব্যাখাৰে অভ্ৰষ্ট প্ৰেমৰ শিক্ষাৰ বাদে আন একো নহয়।

"সেই প্ৰেম সৰ্বোচ্চ তথা মানৱ জীৱনৰ একমাত্ৰ নিয়ম আৰু নিজৰ আত্মাৰ গভীৰতাত প্ৰতিটো মানৱ জীৱই (যিটো আমি বালকৰ মাজত একেবাৰে স্পষ্ট দেখা পাওঁ) এইটো অনুভৱ কৰে আৰু জানে; তেওঁলোকে এইটো যেতিয়ালৈকে সংসাৰৰ মিছা শিক্ষাত ব্যস্ত হৈ নপৰে তেতিয়ালৈকে বুজিব পাৰে। এইটো সিদ্ধান্তৰ ঘোষণা সংসাৰৰ ভাৰতীয় তথা চীনা, হিব্ৰু, য়ুনানী, ৰোমান আদিসকলোবিলাক ঋষিয়েই কয়।

"বাস্তৱতে যেতিয়াই প্ৰেমত বলৰ প্ৰবেশ হ'ল, জীৱনৰ সিদ্ধান্তৰ ৰূপত প্ৰেম বাকী নেথাকিল, সেইবাবে একো সিদ্ধান্তও বাকী নৰ'ল, হিংসাৰ বাবে অৰ্থাৎ বেলবত্তম্ৰ শক্তিৰ। ইসাই নামৰ মানুহ জাতিটোও উনৈশ শতাব্দীৰ পৰাই এনেকৈয়ে জীয়াই আছে।"

"মৃত্যুৰ দুৱাৰ দলিত থিয় দি থকা বহুত বুঢ়া লোক এজনে এজন নৱযুৱকলৈ এনেদৰে লিখিছিল। গান্ধীজী ডেকা আছিল আফ্ৰিক দিশত নিজৰ বয়সতকৈ পচিশ বছৰৰ

কম বুঢ়া আছিল। টলষ্টয়ৰ গভীৰ আন্তৰিক বিষাদ আছিল। 'ৱাৰ এণ্ড পিচ্'ৰ আন্তৰিক দৃষ্টি থকা যিকোনো লোকেই যিজনে এইটো অনুভৱ কৰে যে ইসাৰ উপদেশসমূহত উপলব্ধি হোৱা আনন্দৰ ছাবি-কাঠি কামত খটাবলৈ মানৱতাই বাদ দিছে বা অসমৰ্থতা দেখুৱাইছে। তেনেলোক দুখী নোহোৱাকৈ থাকিব নোৱাৰে। কিন্তু গান্ধীজীৰ বিশ্বাস আছিল যে তেওঁ নিজৰ আৰু আনৰো শুধৰণি কৰিব পাৰে। তেওঁ এনে কৰিছিলেও। এইবোৰ কামে তেওঁক আনন্দ দিছিল।

ৱাৰ এণ্ড পিচ্ (War and Peace) টলষ্টয়ৰ সুপ্ৰসিদ্ধ উপন্যাস। ❑❑

ভৱিষ্যতৰ আগজাননী

গান্ধীজীয়ে বেয়াতকৈও বেয়া লোকৰ বিষয়তো হতাশ হোৱা নাছিল। দক্ষিণ আফ্রিকাত সত্যাগ্রহৰ কামত লাগি থাকোতে তেওঁ গম পালে যে তেওঁৰ ওচৰ সম্পৰ্কীয় ভাৰতীয় সহযোগী চৰকাৰী উচ্চ পদস্থ। পিছত এই লোকজনে গান্ধীজীৰ দেখাদেখিকৈ বিৰোধ কৰে। কিন্তু তেওঁ বেমাৰত পৰিল আৰু খৰচৰ অভাৱত পৰিল তেতিয়া গান্ধীজী তেওঁৰ ওচৰলৈ গ'ল আৰু ধন দি সহায় কৰিলে। সময়ত সেই বেয়া মানুহজনেও নিজৰ ভুলৰ বাবে অনুশোচনা কৰিলে।

সোনকালেই এটা নতুন বিপদৰ কথা চকুত পৰিল। দক্ষিণ আফ্রিকাৰ সংযুক্ত ৰাষ্ট্ৰৰ নক্সা তৈয়াৰ হ'বলৈ ধৰিছিল। সম্ভাৱনা আছিল যে এইখনেও ট্ৰান্সভালৰ দৰে ভাৰত বিৰোধী আইন তৈয়াৰ কৰিব পাৰে। গান্ধীজীয়ে লণ্ডনত পাৰ্লিয়ামেণ্টৰ সদস্যক বুজোৱাৰ কথা বিচাৰ কৰিলে। জেনেৰেল বোথা আৰু জেনেৰেল স্মাট্‌চ তাত আগতেই গৈ পাইছিল আৰু সংঘৰ নিৰ্মাণৰ ব্যৱস্থা কৰি আছিল।

গান্ধীজীৰ দৃষ্টি সদায় উৰ্ধমুখী আছিল। এইবাৰ তেওঁ মাদ্ৰাজৰ ভূতপূৰ্ব গভৰ্ণৰ আৰু ১৯০৮ ত ভাৰতৰ ভাইচৰয় লৰ্ড এম্পট্‌হিলৰ ক্ৰিয়াত্মক সহযোগ প্ৰাপ্ত কৰি ল'লে। ১৯১৯ চনৰ ১০ জুলাইত ইংলেণ্ড গৈ পাই দক্ষিণ আফ্রিকালৈ উলটি অহালৈকে গান্ধীজীয়ে সম্পাদকসকল, পাৰ্লিয়ামেণ্টৰ সদস্যসকল, চৰকাৰী অফিচাৰসকল তথাসকলো জাতিৰ নাগৰিকসকলক লগ কৰে তেওঁৰ উৎকৰ্ষতাই বহুতকে মোহিত আৰু প্ৰভাৱিত কৰে।

এইবোৰৰ উপৰিও আৰু প্ৰচাৰৰ বিষয়ত প্ৰথমবাৰ গান্ধীজীয়ে লণ্ডন নিবাসত ভাৰতৰ স্বাধীনতাৰ সমস্যাৰ লগত নিজৰ সম্বন্ধ যোগ কৰিবলৈ আৰম্ভ কৰে। ইংলেণ্ডত তেওঁসকলো ধৰণৰ ৰাজনৈতিক বিচাৰৰ ভাৰতীয়সকলক ধৰিলে— ৰাষ্ট্ৰবাদী, হোমৰোলবাদী আৰু হত্যাৰ সমৰ্থন কৰোতাসকলক। এফালেদি তেওঁ সেইসকলৰ লগত ৰাতি ৰাতি তৰ্ক কৰিছিল আনফালেদি তেওঁৰ নিজৰ ৰাজনৈতিক বিচাৰ আৰু দৰ্শনৰ ৰূপ গ্ৰহণ কৰিছিল। ১৯০৯ চনৰ ১ অক্টোবৰত ৱেষ্ট মিনিষ্টাৰ পেলেচ্‌ হোটেলত লৰ্ড এম্পট্‌হিলৰ নামত

পঠোৱা পত্ৰত গান্ধীজীয়ে সেইবোৰ তত্ব প্ৰথমবাৰ অভিব্যক্ত হয় যিটো পিছলৈ তেওঁৰ সিদ্ধান্তৰ তাঁৰ স্বৰূপ হৈ পৰে।

নিজক নিজে ভাৰতক স্বাধীন কৰোৱা নেতা বা কাৰণ বুলি দাবী কৰাৰ কথা বহুত দিনৰ আগতেই গান্ধীজীয়ে জানিছিল যে তেওঁৰ লক্ষ্য কেৱল এইটোৱেই নহয় যে বৃটিছ শাসনৰ ঠাইত ভাৰতীয় শাসন হ'ব লাগে। ইয়াৰ সংকেত তেওঁ এম্পট্হিললৈ লিখা এই পত্ৰখনতো কৰিছিল। তেওঁৰ আগ্ৰহ চৰকাৰত নহয় বৰং সাধন আৰু সাধ্যহে আছিল। এইটোও নিবিচাৰিছিল যে গাদীৰ অধিকাৰত কোনোবা বিলিয়মক চন্দ্ৰ, বৰং এইটোও আছিল যে কাৰ ক্ৰিয়াকলাপ অধিক সভ্যতাপূৰ্ণ।

অক্টোবৰ ১৯১২ ত ইংৰাজী তথা অৰ্থশাস্ত্ৰৰ প্ৰফেচাৰ আৰু ভাৰত সেৱক সমিতিৰ অধ্যক্ষ গোপাল কৃষ্ণ গোখলে এমাহৰ বাবে দক্ষিণ আফ্ৰিকালৈ আহে। তেওঁ অহাৰ উদ্দেশ্য আছিল ভাৰতীয়সকলৰ অৱস্থাৰ অনুমান লোৱা আৰু সেইবোৰৰ শুধৰণিৰ কামত গান্ধীজীক সহায় কৰা।

বহুতবোৰ ভাষণ দিয়াৰ পাছত আৰু বহুত ভাৰতীয় তথা বগা চাহাবসকলৰ লগত কথা বতৰা হোৱাৰ পাছত গোখলেই জেনেৰেল বোথা আৰু জেনেৰেল স্মট্চৰ লগত দুঘণ্টা সময় কথাবতৰা হয়।

যেতিয়া গোখলে কথা-বতৰা পাতি ঘূৰি আহিল তেতিয়া তেওঁ এইটো জনাই দিলে যে আবাসী আইনৰ জাতীৰ প্ৰতিবন্ধ একেবাৰে উঠাই দিয়া যাব আৰু গিৰমিট্ সমাপ্ত হোৱাৰ পাছত দক্ষিণ আফ্ৰিকাত বসবাস কৰি থকা গিৰমিটিয়া মজদুৰৰ পৰা লৈ থকা তিনি পাউণ্ডৰ কৰ উঠাই লোৱা হ'ব।

গান্ধীজীয়ে কটাক্ষ কৰি ক'লে, "মোৰ এইটোও বহুত সন্দেহ আছে। আপুনি মন্ত্ৰীসকলক সিমান নেজানে যিমান মই জানো।" ❑❑

বিজয়

স্মট্‌চে এচেম্বলী ভৱনত এইটো ঘোষণা কৰিলে যে নেটালৰ ইউৰোপীয় লোকসকলে পূৰ্বৰ গিৰমিটিয়াৰ পৰা তিনি পাউণ্ডকৈ বাৰ্ষিক কৰ উঠাই ল'বলৈ ৰাজী নহয়, অন্তিম সংঘৰ্ষ ওচৰ চাপি আহিল। সবিনয় অৱজ্ঞাৰ দ্বিতীয়বাৰ আৰম্ভ কৰাৰ সংকেত আছিল। গিৰমিটিয়া মজদুৰ আৰু গিৰমিট সমাপ্ত হোৱা মজদুৰসকলেও এইটো গোলেক দিয়া কথাটো নমনা বুলি ধৰিলে। তেওঁলোকে সামূহিকভাৱে সত্যাগ্ৰহৰ বাবে আগবাঢ়ি আহিবলৈ ধৰিলে।

নতুন অভিযানৰ প্ৰথম খোজ এনে আছিল যে স্বয়ং সেৱিকাসকলৰ এটা দলে ট্ৰান্সভাল পাৰ হৈ নেটাললৈ গৈ গ্ৰেপ্তাৰ বৰণ কৰাৰ কথা। এই নেটালী ভনীসকলক গ্ৰেপ্তাৰ কৰি জেলত ভৰোৱা হ'ল। এইটোত ৰোষ বিয়পিবলৈ ধৰিলে আৰু নতুন নতুন সত্যাগ্ৰহী আগবাঢ়ি আহিল। ট্ৰান্সভালী ভনীসকলক গ্ৰেপ্তাৰ কৰা নাছিল। সেইসকল নিউকাচল গৈ পালে তাত তেওঁলোকে ভাৰতীয় মজদুৰসকলক হাথিয়াৰ পেলাই দিবলৈ ৰাজী কৰিলে। তেতিয়া চৰকাৰে তেওঁলোককো গ্ৰেপ্তাৰ কৰিলে। ফলাফল এয়ে খনিত কামকৰাসকলৰ ধৰ্মঘট বিয়পি পৰিল।

গান্ধীজীয়ে ফিনিক্সৰপৰা নিউকাচললৈ দৌৰি গ'ল। তেওঁ ধৰ্মঘটকাৰীসকলক উপদেশ দিলে যে মিষ্টাৰ আৰু মিচেচ্‌ ভী, এম, লজাৰসৰ ঘৰৰ বাহিৰত কেম্প পাওক। কেইদিনমানৰ ভিতৰতে লজাৰচৰ ঘৰৰ ওচৰত পাঁচ হেজাৰ ধৰ্মঘটকাৰী গোট খালে।

নিউকাচলৰ পৰা ৰাওনা হোৱাৰ দিন ৩১ অক্টোবৰ ধাৰ্য কৰা হ'ল সকলো লোক একো অসুবিধাত নপৰাকৈ চাৰ্লচ্‌টাউন গৈ পালে। চৰকাৰে চাৰ্লচটাউনত তেওঁলোকক গ্ৰেপ্তাৰ নকৰিলে তিনি পাউণ্ডৰ কৰো নুতুলিলে। তেতিয়া গান্ধীজীয়ে প্ৰতিদিনে ২০ মাইল বাটলৈ খোজ কাঢ়ি গৈ ৮ আঠ দিনত টলষ্টয় ফাৰ্ম গৈ পোৱাৰ কথা ভাবিলে।

গান্ধীজীৰ নিজৰ সেনাৰ হিচাপ কৰিলে তাত ২০৩৭ জন পুৰুষ, ১২৭ গৰাকী মহিলা আৰু ৫৭ জন ল'ৰা ছোৱালী আছিল। গান্ধীজীয়ে লিখা "১৯১৩ চনৰ ৬ নৱেম্বৰৰ ৰাতিপুৱা

৬-৩০ বজাত প্ৰাৰ্থনা কৰো আৰু ভগৱানৰ নাম লৈ কিবাকিবি কৰিলোঁ।"

প্ৰথম যাত্ৰাৰ গৈ ৰোৱা ঠাই পামফোৰ্ডত পেলোৱা হ'ল। গান্ধীজীয়ে শুবৰ বাবে সাজু হৈছিল তেনে সময়তে পুলিচৰ চিপাহীক হাৰিকেন লেম্পলৈ নিজৰ ফালে অহা দেখা পালে।

পুলিচ অফিচাৰে ক'লে "মোৰ হাতত আপোনাৰ গ্ৰেপ্তাৰ কৰাৰ পৰোৱানা আছে মই আপোনাক গ্ৰেপ্তাৰ কৰিব বিচাৰিছোঁ।"

গ্ৰেপ্তাৰ কৰি গান্ধীজীক বোল্কচ্ৰষ্টলৈ লৈ গ'ল আৰু তাত আদালতত তেওঁৰ ওপৰত মোকৰ্দমা চলোৱা হ'ল। ন্যায়াধীশে গান্ধীজীক জামিনত মুক্তি দিয়ে। কেলেনবেকে তেওঁক মটৰত তুলি পুনৰ ভাৰতীয় সেনাৰ লগলৈ নিলে।

দ্বিতীয় দিনা ভাৰতীয়সকলে ষ্টেণ্ডৰ্টনত পড়াব পেলালে। যেতিয়া তাত গান্ধীজী ৰুটী আৰু মুৰব্বা বিলাই আছিল তেতিয়া এজন মেজিষ্ট্ৰেট আহি ক'লে— "আপুনি মোৰ কয়দী।"

"এনেকুৱা লাগিছে যেন মোৰ প্ৰমোচন হৈছে"— গান্ধীজীয়ে হাঁহি হাঁহি ধেমালি কৰিলে। "কেৱল পুলিচ অফিচাৰৰ ঠাইত এইবাৰ মেজিষ্ট্ৰেটে মোক ধৰিবৰ বাবে কষ্ট কৰিব লগাত পৰিছে।"

এইবাৰো গান্ধীজীক পুনৰ জামিনত মুক্তি দিয়া হ'ল। তেওঁৰ লগত পাঁচজনক জেললৈ পঠালে।

দুদিনৰ পাছত ১ নৱেম্বৰত যেতিয়া গান্ধীজী আৰু পোলক ভাৰতীয়সকলৰ দীঘলীয়া শাৰী আগে আগে গৈ আছিল এজন অফিচাৰে গান্ধীজীক পুনৰ গ্ৰেপ্তাৰ কৰিলে।

এনেকৈ চাৰি দিনত গান্ধীজীক তিনিবাৰ গ্ৰেপ্তাৰ কৰা হয়।

১০ নৱেম্বৰত বালফোৰতসকলো সত্যাগ্ৰহীয়ে পোলককেৰে সৈতে গ্ৰেপ্তাৰ কৰিলে। পোলকৰ বোল্কচ্ৰষ্টত জেললৈ পঠালে য'ত কেলেনবোক প্ৰথমৰ পৰাই আছিল।

১৪ নৱেম্বৰত বোল্কচ্ৰষ্টত গান্ধীজীক আদালতত হাজিৰ কৰালে। তেওঁ নিজৰ দোষ স্বীকাৰ কৰিলে। কিন্তু আদালতে এজন কয়দীৰ কেৱল দোষ স্বীকাৰ কৰাৰ বাবেই শাস্তি বিহিবলৈ সাজু নহ'ল। সেইবাবে তেওঁ গান্ধীজীক ক'লে যে নিজৰ বিৰুদ্ধে সাক্ষী দিয়ক। গান্ধীজীয়েও সেইটোকে কৰিলে। কেলেনবেক তথা পোলকক তেওঁৰ বিৰোধী সাক্ষী কৰিলে।

২৪ ঘণ্টাৰ পাছতে গান্ধীজীয়ে কেলেনবেকৰ বিৰুদ্ধে সাক্ষী দিলে আৰু তাৰ দুদিনৰ পাছত গান্ধীজী আৰু কেলেনবেকে পোলকৰ বিৰুদ্ধে জ'নবন্দী দিলে। সেইবাবে ন্যায়াধীশে অনিচ্ছা সত্বেও তিনিওজনকে তিনিমাহৰ সশ্ৰম কাৰাদণ্ড বিহিলে আৰু বোল্কচ্ৰষ্ট জেলত থ'লে।

ধৰ্মঘটকাৰী খনিৰ শ্ৰমিকসকলৰ অৱস্থা বেয়া হৈ পৰিল। তেওঁলোকক ৰে'লগাড়ীত ভৰাই ভৰাই পুনৰ খনিলৈ পঠিয়াই দিলে। কিন্তু চাবুক লাঠী আৰু গোৰ খাইও তেওঁলোকে কয়লা খনিলৈ যাবলৈ অমান্তি হ'ল।

প্ৰতিৰোধৰ ঢৌ দিনে দিনে বাঢ়ি যাবলৈ ধৰিলে। প্ৰায় পঁচাচ হাজাৰ গিৰমিটিয়া মজদুৰ ধৰ্মঘটত আছিল, কেইবা হাজাৰো স্বতন্ত্ৰ ভাৰতীয় জেলবিলাকত আছিল। ভাৰতৰ পৰা ধনৰ নদী বৈ আহিছিল। ভাইচৰয়ৰ দফ্তৰ তথা লণ্ডনৰ মাজত আৰু লণ্ডন আৰু দক্ষিণ আফ্ৰিকাৰ মাজত দীঘল দীঘল চৰকাৰী সংবাদৰ টেলিগ্ৰাম খট্‌খটাই আছিল।

১৯১৩ চনৰ ১৮ ছেপ্টেম্বৰত চৰকাৰে অকস্মাতে গান্ধীজী, কেলেনবেক আৰু পোলকক এৰি দিলে।

ভাইচৰয় তথা হোৱাইট হাউচৰ ব্ৰিটিছ অধিকাৰীসকলৰ ফালৰপৰা হেঁচা পৰা দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয়সকলৰ অপৰাধ পৰীক্ষা কৰিবৰ বাবে এটা কমিছন নিযুক্ত কৰিলে।

কিন্তু জেলৰ পৰা ৰেহাই পাই গান্ধীজীয়ে এটা ৰাজহুৱা ভাষণত ক'লে যে সেই কমিছনটো এটা পক্ষৰ প্ৰতিনিধিৰে ভৰি আছে আৰু ইয়াৰ পাছত ইংলেণ্ড তথা ভাৰত দুয়োটা চৰকাৰৰে চকুত ধূলি দিয়াৰ মনোভাবহে আছে।

স্মাট্‌চে কমিছনত ভাৰতীয়ক বা ভাৰতীয় সমৰ্থকক ল'বলৈ গান্ধীজীয়ে ৰখা প্ৰস্তাৱক প্ৰত্যাখ্যান কৰিলে।

সেই অনুসৰি গান্ধীজীয়ে ঘোষণা কৰিলে যে ১৯১৪ চনৰ ১ জানুৱাৰীত তেওঁ এটা ভাৰতীয় দলৰ লগত গ্ৰেপ্তাৰ হ'বলৈ ডাৰবানত কিবা এটা কৰিব।

যি সময়ত ভাৰতীয়সকলৰ সমূহীয়া কিবা এটা কৰাত হাৰাশাস্তি কৰাৰ বিপদ মূৰত ওলমি আছিল সেই সময়তে দক্ষিণ আফ্ৰিকাৰ ৰে'লৰসকলো বগা চাহাব কৰ্মচাৰীয়ে ধৰ্মঘট আৰম্ভ কৰি দিলে। গান্ধীজীয়ে নিজে যোৱাসকলো কাৰ্যক্ৰম তৎক্ষণাত বন্ধ কৰি দিলে। তেওঁ ক'লে যে প্ৰতিদ্বন্দ্বীক নষ্ট কৰা, আঘাত দিয়া, তলখাপৰ যেন দেখুওৱা, খং উঠোৱা বা তেওঁলোকক দুৰ্বল কৰি নিজৰ জয় হোৱা এইবোৰ সত্যাগ্ৰহৰ কাৰ্যপ্ৰণালীৰ অংগ নহয়।

যদিও স্মাট্‌চে ৰে'লৰে হৰতালত ব্যস্ত আছিল, তথাপি তেওঁ গান্ধীজীক কথা-বতৰা হ'বৰ বাবে মাতিলে। এটাৰ পাছত আনটো কথা-বতৰা চলি আছিল। শেষত চৰকাৰে মিট্‌মাত কৰাৰ সিদ্ধান্ত স্বীকাৰ কৰিলে।

স্মাট্‌চ আৰু গান্ধীজীয়ে নিজৰ নিজৰ কথা আৰু উপায় আগত দাঙি ধৰিলে। কেইবা সপ্তাহ পৰ্যন্ত প্ৰত্যেক শব্দৰ জোখ-মাপ কৰা হ'ল, প্ৰতিটো বাক্যকে যথাৰ্থতা দৃষ্টিৰে চকলিয়াই বখলিয়াই পেলোৱা হ'ল। ১৯১৪ চনৰ ৩০ জুন তাৰিখে দুইপক্ষৰ সুক্ষ্মভাবে বিচাৰ কৰোঁতা, মিতমাত কৰোঁতাসকলে সম্পূৰ্ণ মিটমাতৰ স্বৰ্তক পকা কৰা পত্ৰৰ আদান -প্ৰদান কৰিলে।

যুদ্ধত জিকি গান্ধীজীয়ে ১৯১৪ চনৰ ১৮ জুলাইত শ্ৰীমতী গান্ধী আৰু কেথেলবেকৰ লগত ইংলণ্ডলৈ ৰাওনা কৰিলে।

দক্ষিণ আফ্ৰিকাক চিৰদিনৰ বাবে এৰি যোৱাৰ আগতে গান্ধীজীয়ে মিচ্ স্লচিন আৰু মিষ্টাৰ পোলকক এজোৰ চেন্দেল দিলে যিযোৰ তেওঁ জেলত থাকোতে তৈয়াৰ কৰিছিল, তেওঁলোকক দিলে আৰু ক'লে এইযোৰ জেনেৰেল স্মট্‌চক উপহাৰ হিচাপে দিব লাগে। চেনেৰেল স্মট্‌চে নিজৰ ফাৰ্মত প্ৰতিবছৰে গৰমৰ দিনত সেইযোৰ ব্যৱহাৰ কৰে। পিছত 'গান্ধী অভিনন্দন গ্ৰন্থ'ৰ নিজা এটা লেখাত জেনেৰেল স্মট্‌চে নিজকে এক পুৰুষৰ আগৰ গান্ধীৰ প্ৰতিদ্বন্দ্বী বুলি ক'লে। "মহাত্মাৰ দৰে লোকে আমাক মায়ুশী আৰু নিষ্ফলতাৰ ভাৱনাৰ পৰা ৰক্ষা কৰে আৰু ভাল কাম কৰাত কেতিয়াও ভাগৰি নপৰাৰ প্ৰেৰণা দিয়ে।

"দক্ষিণ আফ্ৰিকাত ইউনিয়ন গঠনৰ আৰম্ভণিৰ দিনবিলাকত আমাৰ সংঘৰ্ষৰ কাহিনী স্বয়ং গান্ধীয়েই কৈছিল আৰু সেইবোৰসকলোৱে জানে। এজন এনে ব্যক্তিৰ বিৰোধ কৰাটো মোৰ ভাগ্যতে লেখা আছিল। যিটোৰ বাবে সেই সময়তো মোৰ মনত অত্যধিক মান আছিল। তেওঁ কেতিয়াও মানবীয়তাক নেপাহৰে, নে কেতিয়াবা ক্ৰুদ্ধ হয়, নে ঘৃণাৰ বশীভূত হয় আৰু আটাইতকৈ কঠিন পৰিস্থিতিটো তেওঁৰ ধেমালি ভাব মুখত লাগি আছিল। বৰ্তমানৰ আমাৰ যুগত যি নিৰ্দয়তা আৰু বৰ্বৰতা দেখিবলৈ পাইছো সেইবোৰত তেওঁৰ স্বভাৱ আৰু ভাবনা সেই সময়তো সদায় বেলেগ আছিল আৰু শেষলৈকে থাকিল।

"মই স্পষ্টকৈ স্বীকাৰ কৰা আৱশ্যক" —স্মট্‌চে পুনৰ লিখিলে যে সেই সময়ৰ তেওঁৰ প্ৰকৃতি মোৰ বাবে অতি বিৰক্তিকৰ আছিল। ...গান্ধীৰ এটা নতুন কলা আছিল। তেওঁৰ পদ্ধতি জানি বুজি আইন ভংগ কৰা আৰু নিজৰ অনুগামীসকলক এটা জন আন্দোলনৰ ৰূপত সংগঠিত কৰা। দুয়োখন প্ৰদেশতে এটা ভয়ংকৰ আৰু এটা অশান্তিময় হাহাকাৰ উৎপন্ন হ'ল। বহুত বেছি সংখ্যক ভাৰতীয় আইনবিৰোধী ব্যৱহাৰৰ বাবে গ্ৰেপ্তাৰ কৰে। গান্ধীজীয়েও জেলত আৰাম আৰু শান্তিৰ সময় পালে যিটো নিঃসন্দেহে তেওঁ বিচাৰিছিল। তেওঁৰ বাবেসকলোবোৰ যোজনাবদ্ধভাৱেই হ'ল। কিন্তু মোৰ বাবে য'ত আইন আৰু ব্যৱস্থাৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব আছিল সেয়ে প্ৰতিদিনৰ দৰে মূৰ কামোৰণি হ'ল। আইনৰ গধূৰ দায়িত্ব পালন কৰালে সেইখন আইনৰ যিখনে বেছি সংখ্যকৰ মতামত পোৱা নাছিল। শেষত যেতিয়া আইন উঠাই ল'ব লগা হ'ল। ১৯৩১ চনৰ গান্ধীজীৰ ৭০ বছৰীয়া জন্ম দিনত স্মট্‌চে মিত্ৰতাৰ প্ৰতীকৰূপে সেই চেণ্ডেলযোৰ গান্ধীজীক ঘূৰাই দিলে।

গান্ধীজীৰ এই উপহাৰৰ বিষয়ে চৰ্চা কৰি স্মট্‌চে লিখিছিল ঃ "তেতিয়াৰ পৰা মই বহুতবোৰ গৰমৰ দিনত এই চেণ্ডেলযোৰ পিন্ধিলো যদিও মই অনুভৱ কৰি আহিছো যে মই এনে এজন মহাপুৰুষৰ জোতাত থিয় হোৱাৰো যোগ্য নহওঁ।

এনে বিনোদপ্ৰিয়তা আৰু উদাৰতাই এইটো প্ৰমাণ কৰি দিলে যে তেওঁ গান্ধীৰ লগত ফেৰ মৰাৰ যোগ্য পাত্ৰ আছিল।

গান্ধীজীৰ বহুতখিনি প্ৰভাৱশালীতা ইয়াতে আছিল যে তেওঁ নিজৰ প্ৰতিদ্বন্দ্বীৰ হৃদয়ত উচ্চতম গান্ধীবাদী প্ৰেৰণা জাগ্ৰত কৰি দিছিল।

গান্ধীজীৰ উপায়সমূহৰ শুদ্ধতাৰ বাবে স্মট্চৰ কাৰণে তেওঁৰ বিৰোধ কৰা কঠিন হৈ পৰিছিল। গান্ধীজীয়ে এই কাৰণে বিজয় প্ৰাপ্ত কৰা নাছিল যে স্মট্চৰ তেওঁৰ লগত যুঁজাৰ শক্তি নাছিল। বৰং এইবাবেই বিজয়প্ৰাপ্ত হৈছিল যে স্মট্চৰ হৃদয়ে তেওঁৰে সৈতে যুঁজিবলৈ বিচৰাই নাছিল।

অক্সফোৰ্ডৰ প্ৰফেচাৰ গিলবাৰ্ট মৰে লিখিছিল ঃ "এইজন লোকৰ লগত ব্যৱহাৰ কৰোঁতে সাৱধানে কৰিবা। কিয়নো এওঁ ভোগৰ বাবে অকণো লালসা নকৰে, শাৰীৰিক সুখ বা প্ৰশংসা বা কাৰোবাৰ বৃদ্ধিতো নচলে বৰং তেওঁ এনে কাম কৰিবলৈ উঠি পৰি লাগে যিটোক তেওঁ ভাল বুলি ভাবে। তেওঁ এজন ভয় কৰিবলগীয়া আৰু অশান্তি দিয়া শত্ৰু হিচাপে তেওঁৰ শৰীৰটোক যেতিয়া হ'লেও জিকিব পাৰিব। তেওঁৰ আত্মাক অকণো স্পৰ্শলৈ আহিবলৈ নিদিয়ে"।

সেইজনেই আছিল গান্ধী— যিজনৰ গাত নেতৃত্বৰ গুণ আছিল।❑❑

গান্ধীজী ভাৰতত ঘৰলৈ উভটিল

"মই নিজৰ কথাৰ বিৰোধ কৰোঁ নেকি" —গান্ধীজীয়ে সুধিলে। "অপৰিৱৰ্তনশীলতাতো ভূত।" গান্ধীজী কোনো মতবাদৰ লগত বান্ধ খাই থকা নাছিল। তেওঁৰ বিচাৰ বা কামৰ সঞ্চালন। কোনো বদ্ধমূল সিদ্ধান্ত অনুসৰিও হোৱা নাছিল। তেওঁ কিবা বিচাৰধাৰাৰ অনুৰূপে নিজকে কাটি-কুটিও তৈয়াৰ কৰা নাছিল। নিজক নিজেও কিবা কামৰ বিৰুদ্ধে যোৱাৰ অধিকাৰ সুৰক্ষিতভাৱে ৰাখিছিল।

গান্ধীজীয়ে কৈছিল তেওঁৰ জীৱনটোৱেই অনন্ত প্ৰয়োগ আছিল। সত্তৰ বছৰ বয়সতো তেওঁ প্ৰয়োগেই কৰি আছিল। তেওঁ বিচাৰত আধাকৈঁচেলুৱা নাছিল। তেওঁ গোৰাৰ হিন্দু বা ৰাষ্ট্ৰীয়তাবাদী অথবা শান্তিবাদী নাছিল।

তেওঁ স্বাধীনচিতীয়া, বন্ধনমুক্ত আছিল আৰু তেওঁৰ বিষয়ে একো ভৱিষ্যত বাণীও কৰিব পৰা নহৈছিল। সেইবাবে মানুহে তেওঁৰ পৰা আমনি পাইছিল আৰু সহজে তেওঁৰ কথাৰ পাৰ নাপাইছিল। তেওঁৰ লগত কথা-বতৰা পতা মানে যেন কিবা এটা অনুসন্ধানৰ বাবে কৰা যাত্ৰাৰ দৰেহে আছিল। তাৰো কাৰো পৰা একো সহায় নোলোৱাকৈয়ে য'লৈকে মন যায় তালৈকে যাবলৈ সাহস কৰিছিল।

যেতিয়া তেওঁৰ ওপৰত আক্ৰমণ হয় তেতিয়া কেতিয়াবাহে হয়তো নিজক বচাবৰ চেষ্টা কৰিছিল। ভাৰতৰ লগত তেওঁ এক আছিল আৰু কেতিয়াও কাকো নিন্দা নকৰিছিল। তেওঁ নম্ৰ আৰু সাধাৰণ লোক আছিল আৰু নিজৰ গৌৰব কৰি ওফন্দি ফুৰাৰ আৱশ্যক নাছিল। এনেদৰে উৎপাদনহীন মানসিক ভ্ৰমৰ পৰা আঁতৰি থাকি ক্ৰিয়াত্মক কাৰ্যৰ বাবে আগবাঢ়ি গৈছিল। কেবল নিজৰ অনুগামীসকলক সন্তুষ্ট কৰিবলৈ বা লোকপ্ৰিয়তা প্ৰাপ্ত কৰিবলৈ তেওঁ কেতিয়াও কোনো কাম কৰা নাছিল বা একো কোৱাও নাছিল। তেওঁ সাধাৰণতে যেই কোনো কথাকে এটা নতুন দিশ দি দিছিল। নিজৰ কাম সম্পূৰ্ণ কৰাৰ

আন্তৰিক আৱশ্যকতাক মুখ্য স্থান দিছিল। লাগে সেইটোৰ প্ৰভাৱ তেওঁৰ অনুগামীসকলৰ ওপৰত যি ভাবেই নপৰক।

গান্ধীজী, শ্ৰীমতী গান্ধী আৰু কেলেনবেক দক্ষিণ আফ্ৰিকাৰ পৰা গৈ ইংলণ্ড পালে। তাৰ দুদিনৰ পাছতেই প্ৰথম মহাযুদ্ধ আৰম্ভ হ'ল। গান্ধীজীয়ে অনুভৱ কৰিলে যে ভাৰতীয়সকলেও ব্ৰিটেইনক কিছু ই সহায় কৰা আৱশ্যক। সেই অনুসৰি তেওঁ নিজৰ নেতৃত্বত ঘায়লসকলক পৰিচৰ্যা কৰিবৰ বাবে এটা দল গঠন কৰাৰ সিদ্ধান্ত ল'লে।

গান্ধীজীৰ দ্বাৰা যুদ্ধৰ সমৰ্থন ব্যক্তিগতৰূপে দুখদায়ক আৰু ৰাজনৈতিক দৃষ্টিৰে হানিকাৰক আছিল, কিন্তু তেওঁ আৰামতকৈ সত্যক শ্ৰেষ্ঠ বুলি মানিছিল।

যি সময়ত গান্ধীজীয়ে যুদ্ধক সমৰ্থন কৰাৰ কাৰণে এটা সৰু সুৰা ধুমুহা তেওঁৰ মূৰৰ ওপৰত ঘূৰিবলৈ ধৰে। তেওঁৰ হাওঁফাওঁৰ প্ৰদাহ (প্লুৰিচি) বেমাৰৰ বাবে যিটো উপবাস কৰাৰ বাবে বাঢ়ি গৈ গম্ভীৰ ৰূপ ধাৰণ কৰিলে। ডাক্তৰে তেওঁক আদেশ দিলে যে তেওঁ ভাৰতলৈ গুচি যাওঁক। সেই অনুসৰি ১৯১৫ চনৰ ৯ জানুৱাৰীত কস্তুৰবাৰে সৈতে আহি বোম্বাই পালেহি। জাৰ্মান হোৱাৰ বাবে কেলেনবেকক ভাৰতলৈ আহিবলৈ অনুমতি নিদিয়াত তেওঁ পুনৰ দক্ষিণ আফ্ৰিকালৈ ঘূৰি গ'ল।

গান্ধীজীয়ে ফিনিক্স ফাৰ্মৰ পৰা বিদায় লোৱাৰ লগে লগে তেওঁ পৰিয়ালৰ লোকসকলো আন পৰিয়ালবিলাকৰ লগত দক্ষিণ আফ্ৰিকাৰ পৰা ভাৰতলৈ আহিল। এইসকলৰ বাবে অস্থায়ীভাৱে থকা ঠাই হিচাপে ৰবীন্দ্ৰনাথ ঠাকুৰৰ শান্তি নিকেতনকেসকলোতকৈ ভাল ঠাই বুলি পচন্দ কৰিলে।

গান্ধীজী আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ সম-সাময়িক আছিল আৰু ভাৰতৰ বিংশ শতাব্দীৰ পুনৰ জীৱনৰ মুখ্য হেতু ৰূপে দুয়ো অতি ওচৰ সম্পৰ্কীয় আছিল। কিন্তু গান্ধীজী যেনিবা ঘেঁহুৰ পথাৰ আৰু ৰবীন্দ্ৰনাথ গোলাপৰ বাগিচা। গান্ধীজী কাম কৰোঁতা হাত আৰু ঠাকুৰ গাঁওতাৰ ধ্বনি। গান্ধীজী সেনাপতি আছিল আৰু ঠাকুৰ আছিল অগ্ৰগামী দূত; গান্ধীজী টকলা মূৰেৰে খীন চেহেৰাৰ তপস্বী আছিল আৰু ঠাকুৰ বিশালকায়, দীঘল বগা চুলি আৰু ডাঢ়িৰে ধনী-তপস্বী, যিজনৰ চেহেৰাত উচ্চ কোটিৰ পিতৃতুল্য সৌন্দৰ্য আছিল। গান্ধীজী শুদ্ধ ত্যাগৰ উদাহৰণ আছিল, ঠাকুৰে স্বতন্ত্ৰতাৰ আলিংগনক আহ্লাদৰ সহস্ৰ বন্ধনত অনুভৱ কৰিছিল। কিন্তু ভাৰত আৰু মানৱতাৰ বাবে প্ৰেমৰ কাৰণে দুয়োজনৰে ভাব একে আছিল। ঠাকুৰে ভাৰতক আনৰ জাবৰ পেলোৱা পাচিৰ পৰা ফটাকাণি বুটলা দেখি চকুৰ পানী টুকিছিল আৰু সমস্ত মানৱ জাতিৰ সুন্দৰ সমৰসত্তাৰ বাবে প্ৰাৰ্থনা কৰিছিল।

বিংশ শতাব্দীৰ আৰম্ভণিতে এই দুজন মহানতম ভাৰতীয়, গান্ধীজী আৰু ঠাকুৰ এই দুয়োজনে এজনে আনজনক বহুত সন্মান কৰিছিল। অনুমান হয় নে গান্ধীজীক 'মহাত্মা' উপাধি ঠাকুৰহে দিছিল। গান্ধীজীয়ে ঠাকুৰক 'গুৰুদেৱ' বুলি কৈছিল। মনৰ ভাব বেলেগ

নোহোৱা তথা শেষলৈকে আত্মীয়ভাৱে থাকোঁতেও দুয়োৰে মাজত শব্দৰ যুদ্ধ চলি থাকিছিল কিয়নো দুয়ো বেলেগে বেলেগে আছিল। গান্ধীজীৰ মুখ অতীতমুৱা হৈ আছিল। আৰু তেওঁ তাৰ পৰাই ভাবি ইতিহাস নিৰ্মাণ কৰিছিল। ধৰ্ম, জাতি তথা হিন্দু পৌৰাণিক কাহিনী তেওঁৰ নোমে নোমে ব্যাপ্ত হৈ আছিল। ঠাকুৰে যন্ত্ৰ সম্বন্ধীয় জ্ঞান তথা পশ্চিমীয়া সংস্কৃতিত বিশ্বাস ৰখা বৰ্তমানক অংগীকাৰ কৰিছিল তথাপি এইবিলাকৰ উপৰিও পূবৰ কবিতা ৰচিছিল। যেহেতু ভাৰতত প্ৰান্তীয় মূলক মহত্ব দিয়া হয়। সেয়ে বোধকৰোঁ এনে ভেদ বেলেগ গুজৰাট তথা উদাৰমান বেংগলৰ আছিল। গান্ধীজী মিতব্যয়ী আছিল আৰু ঠাকুৰ অপব্যয়ী গান্ধীজীয়ে ঠাকুৰলৈ লিখিছিল "আপত্তিগ্ৰস্ত জনসমূহে কেৱল শক্তিদায়ক ভোজনকহে কবিতা হিচাপে বিচাৰে"। ঠাকুৰে তেওঁলোকক সংগীত দিছিল। শান্তি নিকেতন ঠাকুৰৰ ছাত্ৰই নাছিল আৰু গাইছিল, মালা গাঁঠিছিল আৰু জীৱনক মধুৰ তথা সুন্দৰ কৰি তৈয়াৰ কৰিছিল।

ভাৰতলৈ উভতি অহাৰ কিছু দিনৰ পাছত গান্ধীজীয়ে তাত এইটোকে চাবলৈ গৈছিল যে তেওঁৰ ফিনিক্স ফাৰ্মৰ পৰা অহা ল'ৰাইঁতৰ অৱস্থা কেনে, তেওঁলোকে তাৰ চেহেৰাই বদলি কৰি পেলালে। দক্ষিণ আফ্ৰিকাৰ নিজৰ বন্ধু চাৰ্লচ্ ফ্ৰিঅ'ৰ এণ্ড্ৰুজ তথা বিলিয়ম ডব্লু পীয়ৰ্চনৰ সহায়ত তেওঁলোকে ১২৫ জন ল'ৰা আৰু তেওঁলোকৰ শিক্ষকসকলকসকলোকে বুজাই বঢ়াই ৰান্ধনি ঘৰৰ যা-যোগাৰ কৰা, জাবৰ-জোঁথৰ পেলোৱা, পাইখানা চাফা কৰা, চোতাল ঘৰ আদি সৰা কামত লগালে। সংগীত ত্যাগ কৰি ভিক্ষু হোৱাৰ তৈয়াৰী কৰিলে। ঠাকুৰেও সহনশীলতাৰে সন্মত হ'ল আৰু ক'লে— "এই প্ৰয়োগত স্বৰাজৰ ছাবিকাঠি আছে"। কিন্তু কঠোৰ তপস্যা তেওঁৰ প্ৰতিকূল আছিল, সেইবাবে যেতিয়া গান্ধীজী গোখলেৰ অন্তিম সংস্কাৰত যোগ দিবলৈ গুচি গ'ল তেতিয়া এই প্ৰয়োগো বন্ধ হৈ পৰিল।

কিন্তু গান্ধীজীয়ে নিজাকৈ আশ্ৰমৰ বিচাৰ খোচাৰ কৰি আছিল, তেওঁৰ পৰিয়াল আৰু মিত্ৰগণে ত্যাগ আৰু সেৱাৰ আবহাৱাৰ মাজত নিজাকৈ স্থায়ী ঘৰ কৰিব পাৰে। গান্ধীজীৰ জীৱনত এতিয়া নিজা ওকালতি অথবা পত্নী, পুত্ৰৰ লগত ঘৰুৱা সমন্ধৰ বাবে স্থানেই নাছিল। এজন বিদেশীয়ে এবাৰ গান্ধীজীক সুধিছিল— "আপোনাৰ সম্বন্ধীয়সকলৰ খবৰ কেনে?"

গান্ধীজীয়ে উত্তৰ দিয়ে— "সমস্ত ভাৰতেই মোৰ সম্বন্ধীয়"।

এনেদৰে উৎসৰ্গ কৰি গান্ধীজীয়ে প্ৰথমে কোচৰৱত আৰু শেষত স্থায়ীভাৱে সৱৰমতীত সত্যাগ্ৰহ আশ্ৰমৰ ভেটি স্থাপন কৰে।❑❑

গান্ধী, বহি থাকা

১৯১৫ চনৰ ছেপ্টেম্বৰত এগৰাকী বিদুষী মহিলা শ্ৰীমতী এনি বেচান্তে 'হোমৰোল লীগ' স্থাপন কৰাৰ কথা ঘোষণা কৰে আৰু বয়োজ্যেষ্ঠ দাদাভাইক তাৰ অধ্যক্ষ হ'বলৈ মান্তি কৰালে।

১৮৯২ চনতে শ্ৰীমতী বেচান্তে বেনাৰসত এখন স্কুল আৰম্ভ কৰে আৰু ১৯১৩ চনত এই অনুষ্ঠানটোৱে মালব্যজীৰ পথ প্ৰদৰ্শনত বাঢ়ি বাঢ়ি গৈ হিন্দু বিশ্ববিদ্যালয় চেণ্ট্ৰেল কলেজৰ প্ৰতিষ্ঠা দিৱসৰ সমাৰোহত অনেক উল্লেখযোগ্য তথা সুবিখ্যাত ব্যক্তিয়ে ভাগ ল'লে। ভাইচৰয় তাত উপস্থিত আৰু অনেক ৰত্ন আভূষণেৰে আভূষিত ৰজা মহাৰজা, ৰাণীসকল আৰু উচ্চ পদবীৰ বিষয়াসকল নিজৰ জাকজমক পোচাকেৰে উপস্থিত আছিল।

৪ ফেব্ৰুৱাৰীৰ দিনা গান্ধীজীয়ে সেইখন সভাত ভাষণ দিছিল। তেওঁৰ ভাষণ সমাপ্ত হোৱাৰ আগতেই সভা ভংগ হৈছিল।

ভাৰতে এনে স্পষ্টবাদী আৰু আগ-গুৰি নোহোৱা বক্তৃতা আগতে কেতিয়াও শুনা নাছিল। গান্ধীজীয়ে কাকো ক্ষমা কৰা নাছিল। সভাত উপস্থিতসকলতো আটাইতকৈ কম। গান্ধীজীয়ে কৈছিল— "আমাৰ কালিৰ মন্ত্ৰণাত সভাপতিত্ব কৰা মহাৰাজাই ভাৰতৰ দুখীয়া অৱস্থাৰ উল্লেখ কৰিছিল। আনসকল বক্তাইও সেই বিষয়টোৰ ওপৰত জোৰ দিয়ে। কিন্তু যিখন মঞ্চত ভাইচৰয়ে (লৰ্ড হাৰ্ডিংজ) শিলান্যাস সংস্কাৰ সম্পন্ন কৰে তাত আমি কি দেখিলো? নিশ্চয় সেইটো এটা ডাক্তৰ আৰু ভয়ংকৰ গালত মৰা চৰ আৰু ৰত্ন আভূষণৰ এখন প্ৰদৰ্শনী আছিল, যিখন পেৰিচৰ পৰা কষ্ট কৰি অহা ডাঙৰ ডাঙৰ সোণাৰীৰ চকুত পৰিলেও তৃপ্তিৰ ভব্য দৃশ্য হৈছিল। বহুমূলীয়া বস্ত্ৰ আভূষণেৰে সজা সজোৱা এই ধনীসকলৰ লগত মই কোটি কোটি গৰীবসকলৰ তুলনা কৰোঁ। মোৰ এই ধনীসকলক কোৱাৰ আন্তৰিক ইচ্ছা হয়। "যেতিয়ালৈকে আপোনাসকলে এই আভূষণবোৰ সম্পূৰ্ণ খহাই নেপেলায় আৰু এইবোৰ ভাৰতৰ নিজা দেশবাসীৰ বাবে বন্ধকত থোৱাৰ দৰে থ'ব নোৱাৰে তেতিয়ালৈকে ভাৰতৰ নিস্তাৰ নাই"।

শ্ৰোতাৰ ফালৰ পৰা ছাত্ৰসকলে ক'বলৈ ধৰিলে। "ৱাহ্ ৱাহ্"। বহুতে অ-সহমত দেখুৱালে। কিছুমান ৰজাতো উঠি গুচিয়ে গ'ল।

এইবোৰ হোৱাতো গান্ধীজীয়ে ক'বলৈ নেৰিলে। তেওঁ কৈ গ'ল "যেতিয়া মই ভাৰতৰ কোনোবা ডাঙৰ চহৰত, লাগে সেইখন বৃটিছ ভাৰততেই হওক, লাগে সেইখন কোনোবা ডাঙৰ ৰজাৰ দ্বাৰা শাসিত ভাৰতেই হওক তাক কোনোবা বিশাল মহল নিৰ্মাণৰ খবৰ শুনিবলৈ পাওঁ, তেতিয়া মোৰ ঈৰ্ষা হ'বলৈ ধৰে আৰু মই ক'বলৈ ধৰো "হায়, এইবোৰ সেইবোৰেই টকা যিবোৰ খেতিয়কৰ পৰা প্ৰাপ্ত হৈছে।" যদি আমি খেতিয়কসকলৰ শ্ৰমৰ সমূদায় ফল তেওঁলোকৰ পৰা কাঢ়ি লওঁ বা আনক কাঢ়ি ল'বলৈ দিওঁ তেতিয়া হ'লে আমাৰ আশে পাশে স্বৰাজৰ কিবা অধিক ভাৱনাক মানি ল'ব পৰা নাযাব। আমাৰ নিস্তাৰ খেতিয়কসকলৰ দ্বাৰাইহে হ'ব পাৰিব। সেইখিনি প্ৰাপ্ত কৰাওঁতা নে উকীল হ'ব পাৰে নাইবা ডাক্তৰ বা ধনী জমিদাৰসকল।"

গান্ধীজীয়ে নিজৰ নিশান ভাৰতৰ শক্তিশালী লোকসকলৰ ওচৰত উৰুৱাইছিল। এই নিশান দীনহীনসকলৰ আছিল।

ছাত্ৰ সমাজক সম্বোধন কৰি গান্ধীজীয়ে পুনৰ ক'লে "যদি আপোনাসকল ছাত্ৰ জগতৰ লোক হয় তেন্তে আজিৰ ভাষণ যাৰ বাবে মই দিব খুজিছো, এটামান ক্ষণৰ বাবেও যদি বুজিব পাৰে আধ্যাত্মিক জীৱনৰ বিষয়ে, যাৰ বাবে এইখন দেশ বিখ্যাত আৰু য'ত এই দেশৰ তুলনা আনৰ লগত নহয়। মৌখিক শব্দৰ দ্বাৰাই কিবা কৈ দিব পাৰিলেও অনুগ্ৰহ কৰি বিশ্বাস কৰক যে আপুনি ভুল কৰিছে। কেৱল মুখৰ কথাৰে আপোনালোকে সেই খবৰ কেতিয়াও পঠাব নোৱাৰে, যিটো মই আশা কৰিছো যে ভাৰতে এদিন সমস্ত সংসাৰলৈ পঠাব। মই আপোনাসকলক ক'বলৈ সাহস কৰিছো যে ভাষণত এতিয়া নিজা সাধনৰ শেষ সীমাত গৈ উপনীত হৈছো। এইটোৱেই যথেষ্ঠ নহয় যে আমাৰ কাণৰ তৃপ্তি হওক বা আমাৰ চকুৰ তৃপ্তি হওক বৰং আৱশ্যকতা এইটো কথাৰহে যে আমাৰ হৃদয় ঝংকৃত হৈ উঠে আৰু আমাৰ হাত ভৰিত গতি উৎপন্ন হয়।

গান্ধীজীয়ে পুনৰ ক'লে "আমাৰ বাবে এইটো এৰি অপমান আৰু লাজৰ কথা যে আজি মই এই মহান কলেজখনৰ ছায়াত আৰু এই পূণ্যশীল নগৰত নিজৰ দেশবাসীক এনেকুৱা ভাষাৰে সম্বোধিত কৰিব লগা হৈছে, যিটো মোৰ বাবে বিদেশী।"

গান্ধীজীয়ে আকৌ ক'লে "কল্পনা কৰক যে যোৱা পঞ্চাচ বছৰত আমাক নিজা নিজা মাতৃ ভাষাত যদি শিক্ষা দিলেহেঁতেন। এনে অৱস্থাত আমি কি হ'লোহেঁতেন? আজি আমাৰ দেশ স্বাধীন হোৱাহেঁতেন আমাৰেই দেশৰ শিক্ষিত লোকসকল নিজৰ দেশতে বিদেশীৰ দৰে নহ'লহেঁতেন বৰং ৰাষ্ট্ৰৰ হৃদয়ৰ সৈতে কথা বতৰা হ'ব জানিলেহেঁতেন। তেওঁলোকে দীনতকৈও দীনসকলৰ লগত কাম কৰা দেখিবলৈ পোৱা গ'লহেঁতেন আৰু যোৱা পঞ্চাচ বছৰত তেওঁলোকে যিখিনি প্ৰাপ্ত কৰিলেহেঁতেন সেয়া ৰাষ্ট্ৰৰ সম্পত্তি হ'লহেঁতেন।"

এইটো শুনাৰ লগে লগে সৰু সুৰা হৰ্ষধ্বনি হ'ল।

নিজৰ দৰ্শনৰ তত্ত্ব ক'বলৈ লৈ আৰু একত্ৰিত হোৱা ধনীসকলক স্তব্ধ কৰিব পৰা শব্দ প্ৰয়োগ কৰে গান্ধীজীয়ে ক'লে "কোনো মগজুৰ লেখাই আমাক কেতিয়াও স্বৰাজ আনি দিব নোৱাৰে। যিমানেই বক্তৃতা নুশুনো সেইবোৰেও আমাক স্বৰাজ যোগ্য কৰি তুলিব নোৱাৰে। কেৱল আমাৰ আচৰণৰ দ্বাৰাইহে আমাৰ তাৰবাবে যোগ্য কৰি তুলিব। আৰু আমি নিজৰ ওপৰত শাসন কৰাৰ কি যত্ন কৰিছো? আৰু আপোনাসকলৰ যদি এনেকুৱা লাগে যে মই আজি কোনো বাক্ সংযম নেৰাখি কথা কৈছো তেনেহ'লে দয়া কৰি এইটো বুজাৰ চেষ্টা কৰক যে আপোনাসকলেও সেই বিচাৰৰ অংশীদাৰ হ'বলৈ ধৰিছে যিটোৱে নিজৰ হৃদয়ৰ কথাবোৰ শুনোৱাৰ স্বাধীনতা পাইছে। যদি আপোনাসকলে ভাবিছে যে মই শিষ্টাচাৰসম্পন্ন মৰ্যাদাৰ উলঙঘা কৰিছো তেনেহ'লে মই অনধিকাৰৰ চেষ্টা কৰিছো তাৰ বাবে মোক ক্ষমা কৰক। কালি সন্ধিয়া মই বিশ্বনাথৰ মন্দিৰলৈ গৈছিলো আৰু মই যেতিয়া সেই সৰু পথ বোৰেদি খোজ কাঢ়িছিলো তেতিয়া এনেবোৰ বিচাৰে মোৰ হৃদয়ক স্পৰ্শ কৰে। কি এইটো উচিত নে যে আমাৰ পৱিত্ৰ মন্দিৰবিলাকৰ পথবিলাক ইমান লেতেৰানে? গলিবোৰ ওখোৰা মোখোৰা আৰু বেঁকা-বেঁকি। যদি আমাৰ মন্দিৰেই পৱিত্ৰতা আৰু চাফ-চিকুণতাৰ চানেকী নহয় তেনেহ'লে আমাৰ স্বাৰাজ্য কেনেকুৱা হ'ব পাৰে। কি ইংৰাজসকলে ভাৰত এৰি যোৱাৰ লগে লগেই আমাৰ মন্দিৰবিলাকত ধাৰ্মিক পৱিত্ৰতা, চাফচিকুণতা আৰু শান্তিৰ আলয় হৈ পৰিব?"

গান্ধীজীয়ে পৃথিৱীৰ ওচৰত থাকিছিল। কোমলতকৈ কোমল কাণেৰেও জীৱনৰ তথ্যবোৰ শুনিব লাগে। তেওঁ ক'লে— "এইটো কথা কিবা সুখদায়ক নহয় যে বোম্বাই বজাৰবোৰত ঘূৰি ফুৰা লোকসকলৰো এইটো ভয় থাকে যে ওখ ওখ ঘৰবোৰত থকা কোনোবাই কেতিয়াবা তেওঁৰ গাত থু পেলাই দিব নেকি। বহুত ভাৰতীয়ৰ সেই কথা শুনি খং উঠি গ'ল। কি ইংৰাজসকলৰ উপস্থিতিতে এনেদৰে কোৱা উচিত আছিলনে? আৰু বেনৰস বিশ্ববিদ্যালয় বা স্বতন্ত্ৰতাৰ লগত থু পেলোৱাৰ কি সম্বন্ধ থাকিব পাৰে?

গান্ধীজীয়ে শ্ৰোতাসকলৰ বিৰোধ ভাবনা ধৰিব পাৰিলে তথাপি তেওঁ ঢিলাই নিদিলে।

অৰুচিকৰ বিচাৰৰ সেই দিনাৰ ক'ব লগাখিনি পূৰা হোৱা নাছিল। এতিয়া নক'বলগীয়া কথাহে বাকী থাকিল। গান্ধীজীয়ে জোৰ দি গ'ল।

মোৰ কৰ্তব্যই বাধ্য কৰে সেইবোৰক চৰ্চা কৰিবৰ বাবে যিবোৰে যোৱা দুই তিনি দিনৰ পৰা মোৰ মগজত অশান্তি দি আছে। যেতিয়া ভাইচৰয়ে বেনাৰসৰ বজাৰলৈ ওলাই গৈছিল তেতিয়া আমাৰসকলোৰে বাবে কিমান চিন্তাপূৰ্ণ সময় পাৰ হৈছিল। অনেক ঠাইত চোৰাংচোৱা নিয়োগ হৈ আছিল।

এইটোত নিমন্ত্ৰিতসকলৰ মাজত হাহাকাৰ লাগি গৈছিল। এইটো কথা ৰাজহুৱাভাৱে কোৱা কথা নাছিল। গান্ধীজীয়ে ক'লে— "মই কঁপি উঠিলো। মই মনতে নিজকে সুধিলো এই অবিশ্বাস কিয়? কিয় এইটো বেছি ভাল নহ'বনে যে লৰ্ড হাৰ্ডিংগ্‌জ মৰি থাকক। জীৱিত অৱস্থাতে মৃত্যুৰ দৰে থকাতকৈ মৃত্যুৰ জীৱন পাৰ কৰে। কিন্তু এজন শক্তিশালী সম্ৰাটৰ প্ৰতিনিধিয়ে এনে কৰিব নোৱাৰে। তেওঁৰ বাবে হয়তো জীৱিত মৃত্যুৰ জীৱনো আৱশ্যক হ'ব পাৰে। কিন্তু এই চোৰাংচোৱাসকলক আমাৰ ওপৰত বলেৰে জাপি দিয়াৰ কি আৱশ্যক আছিল?"

গান্ধীজীয়ে এই ভাল নলগা প্ৰশ্নটো সোধাই নহয় সেইটোৰ আৰু ভাল নলগা উত্তৰ দিলে। ভাৰতবাসীসকলৰ প্ৰতি চোৰাংচোৱাৰ প্ৰতিক্ৰিয়াৰ বিষয়েও গান্ধীজীয়ে ক'লে— "যদিও আমাৰ খং উঠে, আমি দোষ কৰোঁ, কিন্তু আমি পাহৰি যাব নালাগে যে আজিৰ ভাৰতে অধীৰ হৈ বিপ্লৱকাৰীসকলৰ এটা সেনাৰ দল তৈয়াৰ কৰি দিছে। মই নিজেও বিপ্লৱবাদী, কিন্তু বেলেগ ধৰণৰ। তেওঁলোকৰ বিপ্লৱবাদ ভয়ৰ চিন। যদি আমি ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখো আৰু তেওঁলৈ ভয় কৰোঁ তেন্তে আমি কালৈকো ভয় কৰাৰ আৱশ্যক নাই, নে মহাৰজাসকললৈ নে ভাইচৰয়লৈ, নে চোৰাংচোৱালৈ আনকি বাদছাহ জৰ্জ পৰ্যন্ত।

শ্ৰোতাসকলৰ ধৈৰ্য হেৰাই গৈ আছিল আৰু সভাত ঠায়ে ঠায়ে কাজিয়াও হৈছিল। গান্ধীজীয়ে কেইটামান বাক্যহে কওঁতেই শ্ৰীমতী এনি বেচান্তে যিগৰাকী অধ্যক্ষা পদত উপবিষ্ট হৈ আছিল, তেওঁ চিঞৰি ক'লে— "কৃপা কৰি এইবোৰ বন্ধ কৰক"।

গান্ধীজীয়ে তেওঁৰ মুখলৈ চাই ক'লে— "মই আপোনাৰ আজ্ঞাৰ বাবে অপেক্ষা কৰি আছো। যদি আপুনি ভাবিছে যে মই কোৱাৰ বাবে দেশ আৰু সাম্ৰাজ্যৰ হিত সাধন নাই হোৱা তেতিয়া মই অৱশ্যে বন্ধ কৰি দিম।"

শ্ৰীমতী বেচান্তে দুটা মাতেৰে ক'লে— "কৃপা কৰি আপোনাৰ উদ্দেশ্য কওঁক"।

গান্ধীজীয়ে ক'লে— "মই নিজৰ উদ্দেশ্য ক'ব খুজিছো। মই কেৱল...।"

এইখিনিতে হুলস্থুল ইমান বাঢ়ি গ'ল যে তেওঁৰ মাত নুশুনা হৈ পৰিল।

কোনোবাই চিঞৰি ক'লে— "কৈ যাওঁক"।

আন কোনোবাই চিঞৰিলে— "গান্ধী, বহি থাকা"।

চিঞৰ-বাখৰ বন্ধ হোৱাত গান্ধীজীয়ে শ্ৰীমতী বেচান্তৰ ৰক্ষাৰ বাবে ক'লে— "ইয়াৰ কাৰণ সেইটো আছিল"। গান্ধীজীয়ে ক'লে— "তেওঁ ভাৰতক বৰ ভাল পায় আৰু তেওঁৰ বিচাৰমতে আফুনি যুৱকসকলৰ আগত নিজৰ বিচাৰ ডাঙি ধৰি মই ভুল কৰিছো"। কিন্তু তথাপি নিজৰ কথা পৰিষ্কাৰকৈ কোৱাটো পচন্দ কৰিলে। তেওঁ ক'লে— "মই পোহৰ নিজৰ মানুহখিনিৰ ফালেই দিছো। কেতিয়াবা কেতিয়াবা নিজৰ দোষ নিজৰ ওপৰত লোৱাই ভাল হয়।

এনে কিছু বিশেষ ব্যক্তি মঞ্চৰ পৰা ওলাই যাবলৈ ধৰিলে। হুলস্থুল বাঢ়ি গ'ল। আৰু গান্ধীয়ে বক্তৃতা দিয়া বন্ধ কৰিব লগা হ'ল। শ্ৰীমতী বেচান্তে সভা স্থগিত কৰি দিলে।

বেনাৰসৰ পৰা গান্ধীজী সবৰমতীলৈ গ'লগৈ।

ভাৰতত এঠাইৰ পৰা আনঠাইলৈ দূৰ হয় আৰু যাতায়তৰ ব্যৱস্থাও ভাল নহয়। কমসংখ্যক লোকেহে লিখা-পঢ়া জানে আৰু বহুত কম মানুহৰ ওচৰতহে ৰেডিঅ' আছে। সেইবাবে ভাৰতৰ বৰ দীঘল আৰু গ্ৰহণশীল। ১৯১৩ চনত সেই কাণত এজন ব্যক্তিৰ স্বৰ শুনা গ'ল, যিজন সাহসী আছিল কিন্তু বিবেকশীল নহয়, সাধাৰণ ব্যক্তি, যিজনে দুখীয়াৰ দৰে জীৱন-যাপন কৰে, ধনীসকলৰ প্ৰতিদ্বন্দ্বিতাত দুখীয়াসকলক ৰক্ষা কৰিছিল। আশ্ৰমত সেইজন এজন পবিত্ৰ পুৰুষ আছিল।

গান্ধীজী তেতিয়ালৈকে ৰাষ্ট্ৰীয় বিভূতি হোৱা নাছিল। কোটি কোটি লোকে তেওঁক চিনি পোৱা নাছিল। কিন্তু নতুন মহাত্মাৰ খ্যাতি বিয়পি পৰিছিল। ভাৰত শক্তি আৰু ধনৰ ভয়ৰ হাঁতোৰাত ফঁচিছিল কিন্তু তেওঁলোকে দুখীয়াৰ বিনম্ৰ সেৱকক ভাল পায়। ধন, দৌলত, হাতী, ঘোঁৰা, হীৰা মুকুতা, পল্টন, মহল আদিয়ে ভাৰতৰ আদৰ পায়, বলিদান আৰু ত্যাগত ভাৰতৰ হৃদয় পোৱা যায়।

মেকলে লিখিছে— "পূবে-পশ্চিমৰ ওচৰত মূৰ দোঁৱাইছে ধৈৰ্য আৰু গভীৰ ঘৃণাৰে"।

আৰু তেওঁলোকেও সেই ঘৃণাৰেই পূবৰ ওচৰত নত হয় যিবোৰ ধন আৰু শক্তিৰ লোভী। সেইবাবে ভাৰতে ত্যাগৰ মহিমা ভালদৰে জানে আৰু মানে। ভাৰতত বহুত সাধুসন্ত আছে, কিন্তু গান্ধীজীৰ ত্যাগৰ প্ৰতিধ্বনি বেছি হ'ল। কিয়নো তেওঁৰ বিশুদ্ধ ত্যাগৰ বাবে কৰা ত্যাগৰ বিৰোধ কৰিলে। এখন চিঠিত তেওঁ লিখে— "মাকে প্ৰসন্ন মনেৰে তিতা বিছনাত নোশোৱে, কিন্তু পুত্ৰৰ বাবে শুকান বিছনাৰ ঠাইকণত পুতেকক শুৱাই নিজে তিতা বিছনাতে আনন্দ মনেৰে শুই থাকে।

গান্ধীজীয়ে সেৱাৰ বাবে ত্যাগ কৰিলে।❑❑

হৰিজন

এটা অস্পৃশ্য পৰিয়ালে সবৰমতী আশ্ৰমত স্থায়ীভাৱে থকাৰ ইচ্ছা প্ৰকাশ কৰিলে। গান্ধীজীয়ে তেওঁলোকক আশ্ৰমত ৰাখি ল'লে।

এইটো কথাত ধুমুহা আহিল।

আশ্ৰমৰ মহিলাসকলে অস্পৃশ্য মহিলাগৰাকীক তাত ৰখাত বিৰোধ কৰিলে। কস্তুৰবাকতো এইটো কথাতে ঘিণ লাগিল যে দানীবহনে ৰন্ধা-বঢ়া কৰিব কাঁহী-বাটি ধুব। গান্ধীজীয়ে বুজাই-বঢ়াই তেওঁক মান্তি কৰালে।

কেইদিনমানৰ পাছতে গান্ধীজীয়ে ঘোষণা কৰিলে যে অস্পৃশ্য কন্যা লক্ষ্মীক নিজৰ কন্যা বুলি ধৰিলে। এইদৰেই কস্তুৰীবাঈও এটি অস্পৃশ্য কন্যাৰ মাতৃ হৈ পৰিল।

গান্ধীজীয়ে জোৰ দিলে যে অস্পৃশ্যতা হিন্দু ধৰ্মৰ আৰম্ভণিৰ অংগ নহয়। প্ৰকৃততে অস্পৃশ্যতাৰ বিৰুদ্ধে তেওঁৰ সংঘৰ্ষ হিন্দু ধৰ্মৰ নামতে হয়। তেওঁ লিখিছে— "মই পুনৰ জনম ল'বলৈ নিবিচাৰোঁ; যদি ল'ব লগা হয় তেন্তে মই অস্পৃশ্যৰূপে জনম ল'ব খুজিম, যিটোৰ পৰা মই তেওঁলোকৰ বেদনাবোৰ, কষ্টবোৰ আৰু তেওঁলোকৰ লগত কৰা দুৰ্ব্যৱহাৰবিলাকৰ ভাগ ল'ব পাৰো আৰু যাৰ দ্বাৰাই মই নিজক আৰু তেওঁলোককো দুখৰ অৱস্থাৰ পৰা মুক্ত কৰিব পাৰো।"

কিন্তু অহা জন্মত অস্পৃশ্য হৈ জন্ম লোৱাৰ আগতেই এই জন্মতে অস্পৃশ্যৰ দৰে থাকিবলৈ ল'লে। তেওঁ আশ্ৰমত পায়খানা চাফা কৰিবলৈ ল'লে। তেওঁৰ লগৰীয়াসকলেও লগত সহায় কৰিলে। এতিয়া অস্পৃশ্য কোনো নেথাকিল। কিয়নো চোৱা নোচোৱাৰ ভাব নেৰাখিসকলোৱে অস্পৃশ্যসকলৰ কাম কৰিছিল।

তল শ্ৰেণীৰ জাতিক অস্পৃশ্য বুলিছিল। গান্ধীজীয়ে তেওঁলোকৰ মনোবিজ্ঞান বুজিছিল আৰু নিজকে 'হৰিজন' বুলি ক'বলৈ আৰম্ভ কৰে। পিছতে তেওঁৰ নিজা সাপ্তাহিক পত্ৰিকাখনৰ নাম 'হৰিজন' ৰাখে। লাহে লাহে হৰিজন শব্দ ব্যৱহাৰ কৰোঁতে কৰোঁতে গৌৰৱশালী হৈ পৰিল।

গোড়া হিন্দুসকলে অস্পৃশ্যসকলক ভাল পোৱাৰ বাবে গান্ধীজীক কেতিয়াও ক্ষমা নকৰিলে। নিজৰ জীৱনত গান্ধীজীয়ে যি ৰাজনৈতিক বাধাৰ সন্মুখীন হ'ব লগা হ'ল সেইবোৰ বহুতৰ বাবে গোড়া হিন্দুসকলেই দায়ী আছিল। কিন্তু বহুসংখ্যক লোকৰ বাবে মহাত্মা আছিল। তেওঁলোকে গান্ধীৰ পৰা আশীৰ্বাদ বিচাৰিছিল, আনন্দ মনেৰে তেওঁৰ ভৰিত স্পৰ্শ কৰিছিল। সেইবাবেই হয়তো তেওঁলোকে এইবোৰ কথা গুৰুত্ব নিদিছিল বা পাহৰি গৈছিল যে তেওঁ অস্পৃশ্যৰ দৰে কলুষিত, কিয়নো তেওঁ চাফাইৰ কাম কৰে আৰু অস্পৃশ্যসকলৰ লগতে থাকে আৰু তেওঁৰ লগত এজনী অস্পৃশ্য ছোৱালী থাকে। বহুত বছৰ লাখ লাখ উচ্চ বৰ্ণৰ হিন্দুৱে গান্ধীজীৰ আশ্ৰমলৈ তেওঁক লগ পাবলৈ, তেওঁৰ লগত খোৱা-বোৱা আৰু ফুৰা-চকা কৰিবলৈ আহিছিল। তাৰ ভিতৰৰে কিছু লোকে পাছত নিজকে শুদ্ধ কৰি ল'লে, কিন্তু অধিকাংশ লোক ইমান সাহ নথকা বিধৰ নাছিল। অস্পৃশ্যতাৰ অভিশাপ অলপ অচৰপ আঁতৰ হ'ল। গান্ধীৰ বিচাৰধাৰাৰ বাবেই মানুহে অস্পৃশ্যসকলকো নিজৰ ঘঁৰত ৰাখিবলৈ ল'লে। গান্ধীজীয়ে নিজৰ উদাহৰণেৰে শিক্ষা দিলে।

চহৰীয়া জীৱন আৰু উদ্যোগীকৰণৰ বাবে হৰিজনসকলৰ প্ৰতি অত্যাচাৰো কমি আহে। গাঁৱত মানুহে ইজনে সিজনক চিনি পায়। কিন্তু অস্পৃশ্য আন বেলেগ ধৰণৰ যেনতো নেলাগে। ৰেল মটৰত উচ্চ বৰ্ণৰ হিন্দুও তেওঁলোকৰ লগত ওচৰা ওচৰিকৈ বহে। সেইটো তেওঁলোকে ধৰিবই নোৱাৰে। এনেকৈয়ে অনিবাৰ্য সম্পৰ্কৰ দ্বাৰাও উচ্চ হিন্দুৱে হৰিজনৰ লগত মিলি জুলি থাকিবলৈ বাধ্য হ'ব লগাত পৰে।

তথাপি হৰিজনসকল দুখীয়া হৈয়ে থাকিল আৰু তেওঁলোকৰ বাবে দিয়া গান্ধীজীৰ প্ৰাৰম্ভিক কাম কাজ, সংকেত আৰু বক্তব্যৰে চুৰা দূৰ নহ'ল। সেইবাবে গান্ধীজীয়ে নিজৰ প্ৰযত্ন নিৰন্তৰ চলাই থাকিব লগা হ'ল।

গান্ধীজীৰ ওপৰতে সেই ভাৰ কিয় আহি পৰিল তেওঁ হৰিজনোদ্ধাৰৰ আন্দোলন চলাইছিল? আন বেলেগ মানুহ কিয় নহ'ল?

দক্ষিণ আফ্ৰিকাত বহুতো গিৰমিটিয়া মজদুৰ অস্পৃশ্য আছিল আৰু ১৯১৪ চনৰ সবিনয় অৱজ্ঞা আন্দোলনৰ শেষৰ সময়ত তেওঁ বীৰ পুৰুষ আছিল। সেইটোৰ উপৰিও গান্ধীজীৰ দক্ষিণ আফ্ৰিকাৰ ১২ বছৰীয়া সংঘৰ্ষ এটা বেয়াৰ আতৰ কৰিবৰ বাবেই আছিল যাৰ গুৰিতে আৰ্থিক প্ৰশ্নৰ লগতে বৰ্ণভেদৰ কথাও আছিল। সমানভাৱে নিদিয়া দৈৱী দিয়া নিদিয়াক লৈয়েই মানুহৰ জন্ম হয় কিন্তু তেওঁলোকৰ অধিকাৰ সমান হয়। সমাজৰ কৰ্তব্য এইটো যে তেওঁলোকৰ নিজৰ যোগ্যতাৰ বিকাশ তথা স্বাধীনভাৱে থাকিবৰ বাবে সমান অথবা কমেও মুক্ত অৱসৰ প্ৰদান কৰে। সেই সময়ত গান্ধীজী যিজনে দক্ষিণ আফ্ৰিকাত ভাৰতীয়সকলৰ সমানতাৰ বাবে যুঁজি সজীৱতালৈ ঘূৰি আহিছিল, নিজৰ দেশতেই দেশবাসীসকলৰ দ্বাৰাই দেশবাসীৰ ওপৰতে বলেৰে জাপি দিয়া ক্ৰুৰ ব্যৱহাৰৰ অসমানতাক কেনেকৈ সহ্য কৰে?

যদি কোনো ব্যক্তিয়ে নিজৰ ধৰ্ম, বিশ্বাস অথবা নিজৰ পূৰ্ব পুৰুষৰ বা সম্বন্ধীয়ৰ কাৰ্য, নাকৰ চেহেৰা, চালৰ ৰং, নাম বোধ অথবা নিজৰ জন্ম স্থানৰ কাৰণে সমান অধিকাৰৰ পৰা বঞ্চিত কৰা হয়, তাত স্বাধীনতাৰ ভেটি ফোপোলা হৈ পৰে।

ভাৰতৰ বাবে গান্ধীজীৰ স্বৰাজৰ কল্পনাত হিন্দু অনৈতিকতা তথা বৃটিছৰ শাসকসকলৰ বাবে একো স্থান নাছিল। তেওঁ ১৯২১ চনৰ ২৫ মে'ৰ 'ইয়ং ইণ্ডিয়া'ত লিখে "যদি আমি ভাৰতৰ পঞ্চম অংগক সততে গোলামীতে ৰাখো তেন্তে স্বৰাজ অৰ্থহীন। যদি আমি নিজেই অমানৱীয়ভাৱে থাকো তেন্তে ভগৱানৰ দৰবাৰত আমি আনে কৰা অমানৱীয়তাৰ বাবে প্ৰাৰ্থনা কৰিব পাৰিম।"

অস্পৃশ্যসকলৰ প্ৰতি গান্ধীজীৰ মনোভাৱ পৰিষ্কাৰ আছিল আৰু সেইটো এয়ে আছিল যে তেওঁ অস্পৃশ্যতাক সহ্য কৰিব নোৱাৰিছিল। সঁচা কথা এয়ে যে মানুহৰ এনে অমানৱীয় বহিষ্কাৰৰ কথাত তেওঁ ইমান ব্যথিত আছিল যে তেওঁ কৈছিল "যদি মোৰ ওচৰত এইটো সিদ্ধ হৈ যায় যে অস্পৃশ্যতা হিন্দু ধৰ্মৰ আৱশ্যকীয় অংগ তেতিয়া মই নিজকে এনে ধৰ্মৰ প্ৰতি বিদ্ৰোহী বুলি ঘোষণা কৰি দিম। লোকপ্ৰিয়তাৰ বা ইচ্ছুক যি কোনো ব্যক্তিয়ে এনে সাৰ্বজনীন বক্তব্য দিব নোৱাৰে। বিশেষকৈ এনে এখন দেশত য'ত গোড়া হিন্দুৰ বহুমত আছিল। কিন্তু তেওঁ ক'লে যে এনেকুৱা এজন হিন্দু হিচাপে নিজৰ ধৰ্মটো পৰিষ্কাৰ কৰিবৰ বাবে কৈছো। তেওঁৰ দৃষ্টিত অস্পৃশ্যতা এটা মহান আউল লগা কথা।

ধৰ্মভীৰু হিন্দুৱে হৰিজনসকল বেলেগে থকা দেখি সন্তুষ্ট হৈ আছিল। তথাপিও পৃথকতাত একতা সাধন ভাৰতীয় আদৰ্শ আছিলেই আৰু সেইটোক জোৰা লগোৱা তিনিটা কথা আছে সংস্কৃতিৰ অখণ্ড ৰেখা, যিটো ধুঁৱলী-কুঁৱলী অতীতৰ পৰা আজিলৈকে চলি আহিছে। ইতিহাসৰ শৃংখলা আৰু তেজ তথা ধৰ্মৰ বন্ধন।

তেজে হিন্দু, মুছলমান আৰু শিখক এক কৰে। ধৰ্মই এই সম্বন্ধক দুৰ্বল কৰে। ভূগোলে যোগ কৰে, যাতায়তৰ সাধনে বিভাজন কৰি দিয়ে। ভাষাৰ বিবিধতাইও তেওঁলোকক বেলেগ কৰে।

এইসকলোবোৰ তত্বৰ মাজেৰে গান্ধীজী আৰু তেওঁৰ বংশধৰসকলে এখন ৰাষ্ট্ৰ নিৰ্মাণ কৰিব লগা আছিল। ❑❑

নীল

যেতিয়া মই ১৯৪২ চনত সেৱাগ্ৰাম আশ্ৰমত গান্ধীজীক প্ৰথম বাৰ লগ পাওঁ তেতিয়া তেওঁ মোক ক'লে " মই তোমাক ক'ম যে সেইটো কেনে ঘটনা আছিল, যিটোৰ কাৰণে মই ইংৰাজসকলে ভাৰত এৰাৰ কথাত জোৰ দিয়াৰ সিদ্ধান্ত ল'লো।" এই ঘটনা ১৯১৭ চনৰ কথা।

গান্ধীজী কংগ্ৰেছৰ ১৯১৬ চনৰ ডিচেম্বৰত লক্ষ্ণৌ অধিৱেশনত সন্মিলিত হ'বলৈ গৈছিল। গান্ধীজীয়ে লিখিছিল "যেতিয়া কংগ্ৰেছৰ কাৰ্যকাৰিণীৰ বৈঠক চলি আছিল, এজন কৃষকে, ভাৰতৰ আন খেতিয়কসকলৰ দৰে দুখীয়া আৰু দেখাত ক্ষীণ-মীন যেন লগা মোৰ ওচৰলৈ আহিল আৰু ক'লে 'মই ৰাজকুমাৰ শুক্ল হওঁ। মই চম্পাৰণৰ পৰা আহিছো আৰু মই বিচাৰিছো যে আপুনি মোৰ জিলালৈ আহক। গান্ধীজীয়ে চম্পাৰণৰ নাম আগতে কেতিয়াও শুনা নাছিল।

বহুত দিনৰ পৰা চলি অহা প্ৰথা অনুসৰি চম্পাৰণৰ কৃষকসকল 'তিনি কঠিয়া' আছিল। ৰাজকুমাৰ শুক্লও তেনে খেতিয়কৰ ভিতৰৰে এজন আছিল। তেওঁ কংগ্ৰেছ অধিৱেশনত চম্পাৰণৰ এই জমিদাৰী প্ৰথাৰ বিৰুদ্ধে আপত্তি কৰিবলৈ আহিছিল আৰু সম্ভৱ কোনোবাই তেওঁক পৰামৰ্শও দিছিল যে গান্ধীজীৰ লগত কথা পাতিবা।

গান্ধীজীয়ে এই খেতিয়কজনৰ দৃঢ়তা আৰু বিৱৰণত প্ৰভাৱিত হ'ল আৰু ক'লে "মই অমুক তাৰিখত কলিকতাত থাকিম তাতেই মোক দেখা কৰিবা আৰু মোক লৈ যাবা।

শুক্লাই গান্ধীজীক কলিকতাত লগ কৰিলে আৰু দুয়ো ৰেলত উঠি পাটনা পালেগৈ। শুক্লই তেওঁক ৰাজেন্দ্ৰ প্ৰসাদৰ ঘৰলৈ লৈ গ'ল। ৰাজেন্দ্ৰ প্ৰসাদ ঘৰৰ বাহিৰলৈ গৈছিল। তেওঁৰ চাকৰে গান্ধীজীক কুঁৱাৰ পৰা পানী তুলিবলৈ নিদিলে।

গান্ধীজীয়ে প্ৰথমতে চম্পাৰণৰ পথতে পৰা মজফৰপুৰলৈ যোৱাৰ সিদ্ধান্ত কৰিলে। তেওঁ মজফৰপুৰৰ আৰ্টচ্ কলেজৰ প্ৰফেচাৰ জে, বি, কৃপা লনি লৈ টেলিগ্ৰাম কৰিলে।

১৯১৭ চনৰ ২৫ এপ্ৰিলৰ ৰাতি বাৰটা বজাত গাড়ী গৈ মজফৰপুৰ পালে। ষ্টেচনত কৃপাননিক লগ পালে আৰু গান্ধীজীক প্ৰফেচাৰ মলকানিৰ ঘৰত ৰাখিলে।

গান্ধীজী অহাৰ খবৰ আৰু তেওঁৰ যাত্ৰাৰ উদ্দেশ্য মজফৰপুৰ আৰু চম্পাৰণত অতি সোনকালেই বিয়পি পৰিল। চম্পাৰণৰ পৰা 'তিনি কঠিয়া' খেতিয়ক তেওঁক লগ কৰিবলৈ আহিবলৈ ধৰিলে।

কিছুদিনৰ আগতে জাৰ্মানসকলে নকলী নীল তৈয়াৰ কৰি লৈছিল আৰু নীলহে গোৰোৱা এই কথা গম পাইছিল। সেইবাবে তেওঁ খেতিয়কসকলৰ পৰা চুক্তিপত্ৰ লিখাই লৈছিল যাতে 'তিনি কঠিয়া' ব্যৱস্থাৰ পৰা মুক্তি পাবৰ বাবে তেওঁলোকে ক্ষতিপূৰণ দিব। যেতিয়া এই কৃষকসকলে নকলী নীলৰ খবৰ শুনিলে তেতিয়া তেওঁলোকে বিচাৰিলে যে ক্ষতিপূৰণৰ মূল্য তেওঁলোকক ঘূৰাই দিব লাগে।

গান্ধীজী চম্পাৰণ আহি পালে আৰু তাত প্ৰথমতে নীলহে গোৰোৰ এছোচিয়েছনৰ মন্ত্ৰীক লগ কৰিলে। তেওঁৰ এজন বাহিৰৰ লোকক কোনো কথা জনাবলৈ মান্তি নহ'ল।

তেতিয়া গান্ধীজীয়ে তিৰহুত ডিভিজনৰ ইংৰাজ কমিছনাৰক লগ কৰিলে। তেওঁ গান্ধীজীক খিলা বুলিহে ক'লে আৰু তুৰন্তে তিৰহুত এৰিবলৈ পৰামৰ্শ দিলে।

গান্ধীজীয়ে তিৰহুত এলেকা নেৰিলে আৰু মতিহাৰী গৈ পালে। ইয়াত তেওঁ চৰকাৰী আজ্ঞা পালে যে চম্পাৰণ এৰি গুচি যাওক। গান্ধীজীয়ে আজ্ঞা প্ৰাপ্তিৰ ৰচিদখনত লিখি দিলে যে তেওঁ এইটোক অৱজ্ঞা কৰিব। এইটোৰ বাবে তেওঁলৈ আদালতত হাজিৰ হ'বলৈ চমন আহিল।

গান্ধীজীৰ গোটেই ৰাতি টোপনি নাহিল তেওঁ ৰাজেন্দ্ৰ বাবুলৈ টেলিগ্ৰাম দিলে যে প্ৰভাৱশালী মিত্ৰৰ লগত আহি যাওক। আশ্ৰমলৈও তেওঁ নিৰ্দেশ পঠিয়ালে আৰু ভাইচৰয়লৈ সম্পূৰ্ণ বিৱৰণেৰে টেলিগ্ৰাম পঠালে।

ৰাতিপুৱা গোটেই মতিহাৰী কৃষকসকলেৰে ভৰি ভৰিল। গান্ধীজীৰ ভিৰ চম্ভালিবলৈ অধিকাৰীসকলক সহায় কৰে। চৰকাৰ চিন্তাত পৰি গ'ল। চৰকাৰী উকীলে আদালতৰ ফালৰ পৰা প্ৰাৰ্থনা জনালে যে মোকৰ্দমা স্থগিত কৰিব লাগে।

গান্ধীজীয়ে এইদৰে কৰা পলমৰ বিৰোধ কৰিলে। তেওঁ আদালতৰ ওচৰত নিজৰ দোষ স্বীকাৰ কৰিলে।

মেজিষ্ট্ৰেতে ক'লে যে নিৰ্ণয় দুঘণ্টাৰ পাছত শুনোৱা হ'ব আৰু ইমান সময়ৰ বাবে গান্ধীক জামিনত দিব লাগে। গান্ধীজী মান্তি নহ'ল। তেতিয়া মেজিষ্টেতে তেওঁক বিনা জামিনেৰে এৰি দিলে।

দুঘণ্টাৰ পাছত যেতিয়া পুনৰ আদালত বহিল তেতিয়া মেজিষ্ট্ৰেতে ক'লে যে নিৰ্ণয় কেইদিনমানৰ পাছত শুনোৱা হ'ব।

ৰাজেন্দ্ৰ বাবু, ব্ৰজকিশোৰ বাবু, মৌলানা মজহৰুল হক আদি কেইবাজনো মুখিয়াল উকীল আহি পালে। গান্ধীজীয়ে সুধিলে যে যদি মই জেললৈ গুচি যাওঁ তেতিয়া আপোনালোকে কি কৰিব? তেওঁলোকে উত্তৰ দিলে যে পুনৰ ঘূৰি যামগৈ।

গান্ধীজীয়ে সুধিলে "তেতিয়া খেতিয়কসকলৰ ওপৰত যি অন্যায় চলি আছে তাৰ কি হ'ব।" উকীলসকলে নিজৰ ভিতৰতে আলোচনা কৰি উত্তৰ দিলে তেওঁলোকেও তেওঁৰ লগতে জেললৈ যাবলৈ সাজু। গান্ধীজীয়ে ক'লে "চম্পাৰণৰ যুদ্ধ জয় হ'ল।"

জুন মাহত গান্ধীজীক বিহাৰৰ লেফ্‌টেনেণ্ট গৱৰ্ণৰ চাৰ এডৱাৰ্ড চোটিৰ পৰা নিমন্ত্ৰণ আহে। গভৰ্ণৰৰ লগত হোৱা কথা বতৰাৰ ফলস্বৰূপে 'তিনি কঠিয়া' খেতিয়কসকলৰ অৱস্থাৰ অনুসন্ধানৰ বাবে এটা কমিছন নিযুক্ত কৰা হ'ল।

চৰকাৰী অনুসন্ধানত নীলহে গোৰোৰ বিৰুদ্ধে সাক্ষীৰ পাহাৰ জমা হৈ গ'ল। ইয়াকে দেখি কমিছনে এইটো সিদ্ধান্ত মানি ল'লে যে খেতিয়কসকলৰ ক্ষতিপূৰণৰ টকা ঘূৰাই দিয়া হওক।

নীলহে গোৰোহে ২৫ শতাংশ ঘূৰাই দিয়াৰ প্ৰস্তাৱ ৰাখিলে। গান্ধীজীয়ে এইটো মানি ল'লে আৰু আউল ভাগিল।

কেইবছৰমানৰ ভিতৰতে নীলহে গোৰোৱে নিজ জমিদাৰী এৰি দিলে আৰু তেওঁ খেতিয়কৰ লগত মিলি গ'ল। 'তিনি কঠিয়া' প্ৰথাৰো অন্ত পৰিল।

গান্ধীজীয়ে কেতিয়াবা ডাঙৰ ৰাজনীতিক বা আৰ্থিক সমাধানক সন্তোষ বুলি মানি লোৱা নাছিল। তেওঁ দেখিলে যে চম্পাৰণৰ গাঁও সাংস্কৃতিক আৰু সামাজিক দৃষ্টিত পিছ পৰা। তেওঁৰ ইচ্ছা হ'ল যে তাত সোনকালেই কিবা এটা কৰিব লাগে। তেওঁ অধ্যাপকসকলৰ বাবে নিবেদন কৰিলে। ছখন গাঁৱত প্ৰাইমেৰী স্কুল খোলা হ'ল।

চাফ চিকুণতাৰ অৱস্থাতো বহুতেই বেয়া আছিল। গান্ধীজীয়ে ছমাহলৈকে সেৱা শুশ্ৰূষা কৰিবৰ বাবে এজন ডাক্তৰ তৈয়াৰ কৰিলে। তাত কেৱল তিনিবিধ ঔষধহে পোৱা যায়। এৰা গুটিৰ তেল, কুইনাইন আৰু গন্ধকৰ মলম। যাৰ জিভাখন লেতেৰা হৈ থাকে তেওঁ এৰা গুটিৰ তেল দিয়া হয়। মেলেৰিয়াত কুইনাইন আৰু এৰা গুটিৰ তেল আৰু খজুৱতিৰ বাবে গন্ধকৰ মলম আৰু এৰা গুটিৰ তেল।

চম্পাৰণত গান্ধীজী ভালেমান দিন থাকে। কিন্তু তেওঁৰ দৃষ্টি দূৰৰ পৰাই আশ্ৰমতে আছিল। তেওঁ ডাক যোগে অনবৰতে আদেশ পঠাই আছিল আৰু হিচাপ খুজি পঠাইছিল। এবাৰ তেওঁ আশ্ৰমবাসীসকললৈ লিখিলে যে পুৰণি পাইখানাৰ গাঁতবিলাক পুৰাই ঢাকি দিবা নতুন গাঁত খান্দিবৰ সময় আহি পৰিছে নহ'লে পুৰণা পাইখানাবোৰৰ পৰা দুৰ্গন্ধ ওলোৱা আৰম্ভ হ'ব।

চম্পাৰণৰ ঘটনাই গান্ধীজীৰ জীৱনৰ ধাৰাই বদলি কৰি দিলে। তেওঁ ক'লে "যিবোৰ মই কৰিলো সেইবোৰ অতি সামান্য কথা। মই ঘোষণা কৰি দিলো যে মোৰেই দেশত ইংৰাজসকলে মোৰ ওপৰত হুকুম চলাব নোৱাৰে।

চম্পাৰণৰ সমস্যা কিবা প্ৰতিৰোধৰ কামৰ দৰে নেলাগিল। সেইটো বহুতো দুখীয়া খেতিয়কৰ কষ্ট নিবাৰণৰ যত্নৰ দ্বাৰা হ'ল। এইটো সম্পূৰ্ণ গান্ধী নমুনা আছিল। তেওঁৰ ৰাজনীতি ব্যৱহাৰিক আৰু লাখ লাখ লোকৰ দৈনিক সমস্যাবিলাকৰে সৈতে মুক্ত হৈ আছিল। তেওঁ একো তত্ত্বৰে বান্ধ খাই নাছিল। তেওঁৰ বফাদাৰী জীৱিত প্ৰাণীৰ প্ৰতি আছিল।

গান্ধীজীয়ে যিবোৰ কৰিলে, সেইবোৰাৰ দ্বাৰা নতুন স্বাধীন ভাৰতৰ নিৰ্মাণ কৰিলে। যিজনে নিজৰ ভৰিৰ ওপৰত ব্যয় হ'ব পাৰে আৰু এনেদৰে দেশখনকো স্বাধীন কৰিব পাৰে।

চম্পাৰণৰ যুদ্ধৰ আৰম্ভণিতে গান্ধীজীৰ আন অনুগামী এণ্ডয়ুজ ফিজিলৈ যোৱাৰ আগতে গান্ধীজীক লগ পাবলৈ তালৈ আহে। গান্ধীজীৰ উকীল বন্ধুসকলে ভাবিলে যে এণ্ডয়ুজ তাতে থাকি তেওঁলোকক সহায় কৰে যদি বৰ ভাল হ'ব। যদি গান্ধীজীয়ে অনুমতি দিলে তেওঁ থাকিবলৈ সাজু আছিল। কিন্তু গান্ধীজীয়ে আৰু ঘোৰ বিৰোধ কৰিলে। তেওঁ ক'লে "আপুনি হয়তো ভাবিছে যে এই অসমানে সংঘৰ্ষত যদি এজন ইংৰাজো আমাৰ পক্ষত থাকে তেতিয়া আমাৰ সহায় হ'ব। এইটোৰ পৰা আপোনাৰ হৃদয়ৰ দুৰ্বলতা বুজা যায়। পক্ষ ন্যায়-সংগত আৰু যুদ্ধত জিকিবলৈ আপুনি নিজৰ ভৰিৰ ওপৰত থিয় হ'ব লাগিব। আপোনাসকলে এণ্ডয়ুজৰ সহায় এই কাৰণেই ল'ব নেলাগে কিয়নো তেওঁ এজন ইংৰাজ।❑❑

প্ৰথম উপবাস

চম্পাৰণৰ কৃষকসকলৰ অৱস্থাৰ শুধৰণিৰ বাবে গান্ধীজী কিছুদিন আৰু তাত থাকিলেহেঁতেন, কিন্তু আহমদাবাদৰ কাপোৰৰ মিলৰ বনুৱাসকলৰ অসন্তোষ বাঢ়ি যোৱাৰ কাৰণে তেওঁ আহমদাবাদলৈ ঘূৰি আহিব লগা হ'ল। তাৰ মিলৰ বনুৱাসকলে পইচা কম পাইছিল আৰু কাম বেছি কৰিব লগা হৈছিল।

বনুৱাসকলৰ অৱস্থাৰ অধ্যয়ন কৰাৰ পাছত গান্ধীজীয়ে মিলৰ মালিকসকলক কাজিয়াৰ পঞ্চায়তযোগে মীমাংসা কৰাবলৈ ক'লে। তেওঁলোকে এই প্ৰস্তাৱ অস্বীকাৰ কৰে।

গান্ধীজীয়ে মজদূৰসকলৰ লগত কথা বান্ধি ল'লে যে যেতিয়ালৈকে মালিকে তেওঁলোকে বিচৰাতো মানি নলয় বা পঞ্চায়তৰদ্বাৰা সমাধানৰ বাবে ৰাজী নহয়, তেতিয়ালৈকে তেওঁলোকে কামলৈ যাব নেলাগে। প্ৰতিদিনে তেওঁ সবৰমতীৰ কাষৰ বড় গছৰ তলত মজদূৰসকলক লগ কৰিছিল আৰু হাজাৰ হাজাৰ লোকে তেওঁৰ ভাষণ শুনি গৈছিল। তেওঁ মজদূৰসকলক শান্তি ৰক্ষা কৰিবলৈ আৰু প্ৰতিজ্ঞা পালনৰ কথা কৈছিল। ইয়াৰ মাজত গান্ধীজী মালিকসকলৰ সম্পৰ্ক আহে। কিয় তেওঁলোকে পঞ্চায়তৰ সিদ্ধান্তৰ বাবে সাজু হ'বনে? তেওঁলোকে পুনৰ অস্বীকাৰ কৰি দিলে।

ধৰ্মঘট টনাটনিভাৱে চলি থাকিল। মজদূৰসকলৰ মন ঢিলা হ'বলৈ ধৰিলে। কিছুমান মিলত ধৰ্মঘট ভংগৰ কামো কৰিবলৈ লাগিছিল। গান্ধীজীৰ ভয় হৈছিল জানোচা ক'ৰবাত মাৰমিট হয়। তেওঁৰ এইটোও ভয় হৈছিল জানোচা প্ৰতিজ্ঞাবদ্ধ হোৱা সত্বেও মজদূৰে ক'ৰবাত কাম কৰিবলৈ গুচি যায়।

গান্ধীজী দোধোৰ মোধোৰত পৰিল। এদিন ৰাতিপুৱাই বড় গছৰ তলত ধৰ্মঘটকাৰীৰ সভাত গান্ধীজীৰ মুখৰ পৰা ওলাই গ'ল। "যেতিয়ালৈক সমাধান হৈ নেযায় যদিহে মজদূৰসকলে ধৰ্মঘট নচলায় তেন্তে মই উপবাস কৰিম"।

গান্ধীজীৰ কোনো ভাবনা নাছিল যে উপবাসৰ ঘোষণা কৰিব। একো নভবা নিচিন্তাকৈয়ে কথাষাৰ মুখৰ পৰা ওলাই গ'ল। তেওঁৰ শ্ৰোতাসকল যিমান আচৰিত হ'ল

সিমানেই তেঁৱো হ'ল। বহুতেতো চিঞঁৰি উঠিল— "আপোনাৰ লগত আমিও উপবাস কৰিম" —কিছু মজদুৰে ক'লে।

"নহয়" গান্ধীজীয়ে ক'লে— "আপোনালোকে কেৱল ধৰ্মঘট কৰি যাওক"।

কিবা ধাৰ্মিক বা নিজা কিবা কাৰণত গান্ধীজীয়ে আগতেও উপবাস কৰিছিল, কিন্তু সামূহিক হিতৰ বাবে এইটো তেওঁৰ প্ৰথম উপবাস আছিল।

গান্ধীজীয়ে দেখিলে যে তেওঁৰ উপবাসে তেওঁক অসামাঞ্জস্যত পেলাই দিলে এই উপবাস মজদূৰসকলৰ নিজৰ প্ৰতিজ্ঞাত দৃঢ় হৈ থাকিবৰ বাবেহে কৰা হৈছিল কিন্তু এইটোৰ পৰা মিল মালিকৰ ওপৰত দবাও পৰিল। গান্ধীজীয়ে তেওঁলোকক কৈও দিছিল যে তেওঁ উপবাসত প্ৰভাৱিত হ'ব নেলাগে। এইটো তেওঁলোকৰ বিৰুদ্ধে নহয়। তেওঁ ক'লে— "মই এজন ধৰ্মঘটকাৰী আৰু ধৰ্মঘটকাৰীসকলৰ প্ৰতিনিধিহে হওঁ আৰু এইটো মানি মোৰ লগত ব্যৱহাৰ হ'ব লাগে"। কিন্তু তেওঁলোকৰ কাৰণে সেইজন মহাত্মা গান্ধী আছিল। উপবাস আৰম্ভ কৰাৰ তিনিদিনৰ পাছত মিল মালিকসকলে পঞ্চায়তৰ নিৰ্ণয় কথা মানি ল'লে আৰু এঁকৈশ দিনৰ ধৰ্মঘট সমাপ্ত হ'ল।

গান্ধীজীয়ে ভাবিলে যে তেওঁ উপবাস ধৰ্মঘটকাৰীসকলক দৃঢ়ভাৱে থাকিবলৈ কৰিছিল। যদি ধৰ্মঘট অসফল হ'লহেঁতেন সেইটোৰ পৰা তেওঁ তথা বেলে মজদূৰৰ ভিতৰত দুৰ্বলতা আহিলহেঁতেন আৰু গান্ধীজীয়ে সাহ নথকা লোকক অপচন্দ কৰিছিল। তেওঁৰ সহানুভূতি দুখীয়া আৰু পদদলিতসকলৰ বাবেহে আছিল, যিটোত তেওঁ গৌৰৱশালী আৰু শান্তিপূৰ্ণ প্ৰতিৰোধৰ ভাবনা জাগ্ৰত কৰিবলৈ বিচাৰিছিল। যদি বনুৱাসকলে পঞ্চায়তৰ ৰায়ৰ কথাৰ বিৰোধ কৰিলেহেঁতেন তেওঁ সেইসকলৰ বিৰুদ্ধে উপবাস কৰিলেহেঁতেন। তেওৰ দৰ্শন শাস্ত্ৰত পঞ্চায়তৰ ৰায়ৰ সিদ্ধান্তৰ আৱশ্যক। কিয়নো তাৰদ্বাৰা হিংসা তথা হেঁচা দূৰ হয়, যিটো শান্তিপূৰ্ণ সংঘৰ্ষবিলাকতো পাব পাৰি। এইটোৰ পৰা মানুহে ধৈৰ্য আৰু বুজা-পৰাৰ শিক্ষা লাভ কৰে। গান্ধীজীয়ে উপবাস কোনোবা ব্যক্তিৰ বাবে বা কাৰোবাৰ বিৰুদ্ধে কৰা নাছিল। বৰং এটা ক্ৰিয়াত্মক বিচাৰৰ বাবেহে কৰিছিল।

"নিজৰ লাভৰ বাবে উপবাস কৰা মানে ধমকী দিয়াৰ সমান" বুলি গান্ধীজীয়ে ক'লে। আচলতে এই উপবাসৰ পৰা গান্ধীজীৰ নিজাকৈ কি লাভনো হ'ব লগা আছিল। মিল মালিকসকলে এইটো কথা জানিছিল। তথাপি তেওঁলোকে বোধকৰোঁ সেইটোলৈ ভয় কৰিছিল। তেওঁলোকে গান্ধীজীৰ মৃত্যুৰ কাৰণ হ'বলৈ বিচৰা নাছিল। যদি বোম্বাইৰ গভৰ্ণৰে উপবাস কৰিলেহেঁতেন তেওঁলোকে ক'লেহেঁতেন "মৰি যাবলৈ দিয়া"। গান্ধীজীয়ে পিছত এটা সুবিধা বুজি ক'লে— "যিবোৰে মোক ভাল পায় তেওঁলোকক শুধৰাবৰ বাবেই মই এই উপবাস কৰিছিলো। আপুনি কোনোবা অত্যাচাৰীৰ বিৰুদ্ধে উপবাস কৰিব নোৱাৰে"।

মিল মালিকসকলে ভয় খালে কিয়নো গান্ধীজীৰ প্ৰতি তেওঁলোকৰ হৃদয়ত অগাধ স্নেহ আছিল আৰু যেতিয়া তেওঁলোকে তেওঁৰ নিঃস্বাৰ্থ ত্যাগ দেখা পালে তেতিয়া নিজৰ স্বাৰ্থপৰতাত লজ্জিত হৈ পৰিল। নিজৰ স্বাৰ্থৰ বাবে কৰা উপবাসৰ পৰা এনে ভাবৰ উদয় হ'ব নোৱাৰে।

"মই মোৰ পিতাৰ দোষ দূৰ কৰাৰ বাবে তেওঁৰ বিৰুদ্ধে উপবাস কৰিব পাৰোঁ" — —গান্ধীজীয়ে বুজাই ক'লে। কিন্তু তেওঁৰ পৰা পৈতৃক সম্পত্তি ল'বৰ বাবে নহয়। আচলতে এই উপবাসৰ পৰা পঞ্চায়তৰ ৰায়ৰ পদ্ধতিত ভেটি তৈয়াৰ হ'ল। যেতিয়া মই ১৯৪৮ চনত আহমদাবাদলৈ গ'লো, মই গম পালো যে পুঁজিবাদী আৰু ট্ৰেড ইউনিয়ন দুয়ো এই পদ্ধতিৰ আৱশ্যকতাক স্বীকাৰ কৰে।❑❑

ছাগলীৰ গাখীৰ

খেৰাৰ খেতিয়কসকলৰ খাজানাৰ ৰেহাই কৰাবৰ বাবে গান্ধীজীয়ে ১৯১৮ চনত তাত সত্যাগ্ৰহৰ সঞ্চালন কৰে। এই সবিনয় অৱজ্ঞা আন্দোলন আংশিকভাৱে সফল হ'ল।

এই বছৰেৰে জুলাই মাহত গান্ধীজীয়ে খেৰা জিলাত যুদ্ধৰ বাবে নতুন চিপাহীও ভৰ্তি কৰিবলৈ যায়। খেতিয়কসকলে নিজৰ গৰু গাড়ী তেওঁক ভাড়ালৈ নিদিলে আৰু তেওঁক তথা তেওঁৰ লগৰীয়া সৰু দলটোক খাবলৈ দিবলৈও অমান্তি হ'ল।

গান্ধীজীৰ এইবাৰৰ যত্নত অসফল হ'ল। অ' তেওঁ ভয়ংকৰ ৰূপে বেমাৰ পৰাত জৰুল সফল হ'ল। তেওঁ শুৰি কৰা বাদাম আৰু নেমুৰ ওপৰতে খোৱাৰ নিৰ্ভৰ কৰি আছিল। এনে আধাপেটীয়াকৈ খোৱা আৰু পৰিশ্ৰমৰ বাবে আৰু লগতে অসফলতাৰে হতাশাৰ কাৰণে তেওঁৰ পেট কাৰোৰণিৰ শাও পৰা আৰম্ভ হ'ল।

তেখেতে উপবাস কৰিলে। ঔষধ খোৱাত আপত্তি কৰিলে। বেজী ল'বলৈও মান্তি নহ'ল।

তেখেতৰ জীৱনত প্ৰথমবাৰ এনে বেমাৰ আছিল। তেখেতৰ শৰীৰ দুৰ্বল হৈ যাবলৈ ধৰিলে। শক্তিও কমি আহিবলৈ ধৰিলে। তেখেতে বুজি পালে যে মৃত্যু ওচৰ চাপি আহিছে।

ডাক্তৰে গাখীৰ খাবলৈ পৰামৰ্শ দিলে। গৰু-ম'হৰ পোৱালি টানি নিৰ্দয়ভাৱে গাখীৰ খিৰোৱাৰ কাৰণে গান্ধীজীয়ে গোটেই জীৱনত গাখীৰ নেখাও বুলি প্ৰতিজ্ঞা লৈছিল। সেইবাবে তেখেতে গাখীৰ খাবলৈও আপত্তি কৰিলে।

কস্তুৰবাঈ অলপ কঠোৰ ভাবেই কৈ উঠিল— "কিন্তু ছাগলীৰ গাখীৰ খোৱাত আপোনাৰ একো আপত্তি হ'ব নেলাগে"।

গান্ধীজীয়ে জীয়াই থাকিব খুজিছিল। তেখেতে স্বীকাৰ কৰিলে যে তেখেতে 'সেৱাৰ মোহ' এৰিব নোৱাৰে।

পিছত গান্ধীজীয়ে লিখিছিল যে গাখীৰ খোৱা 'প্ৰতিজ্ঞা ভংগ' আছিল। এই কথাই তেখেতক অশান্তি দি আছিল। এইটোৱে দুৰ্বলতা প্ৰকাশ কৰিব লগা আছিল। তথাপি নিজৰ অন্তিম ভোজন পৰ্যন্ত তেওঁ ছাগলীৰ গাখীৰ খাওঁতা হৈ থাকিল।

প্ৰতিজ্ঞা এৰাৰ বাবে তৈয়াৰ হোৱাৰ ছাবিকাঠি সম্ভৱ কস্তুৰবাৰ ইসৰাৰত আছিল। গান্ধীজীয়ে নে মানুহলৈ ভয় কৰে, নে চৰকাৰলৈ নে জেললৈ বা দুখীয়া হ'বলৈ আনকি মৃত্যুলৈও। কিন্তু নিজৰ পত্নীলৈ নিশ্চয় ভয় কৰিছিল।

জী, ৰামচন্দ্ৰনে গান্ধীজীৰ জীৱনৰ বিষয়ে বহুতবোৰ ঘটনা লিখিছে, যিবোৰৰ সত্যতা ৰাজা গোপালচাৰীয়েও প্ৰমাণিত কৰিছে। ৰামচন্দ্ৰৰ সবৰমতী আশ্ৰমত এবছৰ থাকিছিল। তেওঁ কৈছিল ঃ এদিন যেতিয়া দুপৰীয়াৰ ভোজনৰ অন্তত পাক ঘৰ চাফ-চিকুণ কৰি আজৰি হৈ 'বা'ই অলপ চকু মুদি বিছনাত পৰিম বুলি পাক ঘৰৰ ওচৰতে থকা কোঠাটোলৈ গৈছিল, তেনে সময়তে গান্ধীজীৰ পাকঘৰলৈ আহি 'বা'ৰ সহকাৰী গ্ৰাকীক অতি সৰু সৰুকৈ ক'লে যে এঘণ্টাৰ ভিতৰতে কিছু আলহী আহি পাব, যিসকলক ভোজন কৰাব লাগিব। 'বা'ৰ কোঠাৰ ফালে জুমি চাই তেখেতে ওঁঠত আঙুলি দিলে আৰু সহকাৰী ল'ৰাজনক নিৰ্দেশ দি ক'লে— "বাক নজগাবা তেওঁক তেতিয়াহে মাতিবা যেতিয়া আৱশ্যক হ'ব। আৰু মনত ৰাখিবা যাতে তেওঁ নাৰাজ নহয়। যদি তেওঁ মোৰ ওপৰত অসন্তুষ্ট নহয় তেন্তে তোমাক পুৰস্কাৰ দিয়া যাব।"

ৰামচন্দ্ৰনে লিখিছে— "গান্ধীজীৰ অলপ আকুলতা আহিছিল জানোচা 'বা' এবাৰ সাৰপাই যাব আৰু তেওঁৰ ওপৰত খং জাৰিব"। সেইবাৰ পাকঘৰৰ পৰা মনে মনে আঁতৰি গ'ল। কিন্তু যেতিয়া তেওঁৰ গাত লাগি এখন পিতলৰ কাঁহী পৰি জনজনাই উঠিল, তেতিয়া পাকঘৰৰ এই অপৰাধৰ পৰা মনে মনে সাৰি যোৱাৰ আশা থানবান হৈ পৰিল। সন্ধিয়াৰ প্ৰাৰ্থনাৰ পাছত 'বা'ই দুয়োখন হাত কিনাৰত হেঁচা মাৰি ধৰি তেখেতৰ সমুখত থিয় দিলেহি। তেওঁৰ স্বভাৱ বৰ উগ্ৰ আছিল।

"আপুনি মোক কিয় জগোৱা নাছিল।"

গান্ধীজীয়ে ক্ষমা বিচাৰি ক'লে— " 'বা' এনে ঘটনাবোৰত মোৰ তোমালৈ ভয় লাগে"।

'বা'ই অবিশ্বাসেৰে সৈতে হাঁহি দিলে— "আপুনি মোলৈ ভয় কৰে"।

ৰামচন্দনে বিচাৰ ব্যক্ত কৰিলে যে এইটো কথা সঁচা আছিল।

ব্ৰিটিছ সেনাৰ বাবে নতুন সেনা ভৰ্তি কৰাৰ তৎপৰতা গান্ধীজীৰ দ্বিতীয় দুৰ্বলতা আছিল। ১৯৪২ চনত মই এই বিষয়ে তেখেতক সুধিছিলো। তেখেতে স্পষ্টকৈ ক'লে— "মই সেই সময়ত দক্ষিণ আফ্ৰিকাৰ পৰা ঘূৰি আহিছিলো আৰু তেতিয়ালৈকে জানিব পৰা নাছিলো যে মই ক'ত ঠিয় হৈ আছো"। সেইটো ৰাষ্ট্ৰীয়তা আৰু শান্তিবাদৰ অসৈতুবন্ধৰ খাৱৈৰ দাঁতিত আছিল আৰু বুজিব পৰা নাছিলো যে কি কৰিব লাগে।

সেই সৰল পথ ল'ব পাৰিলেহেঁতেন আৰু যুদ্ধক সমৰ্থন কৰা না কৰিব পাৰিলেহেঁতেন। সৰহ সংখ্যক ৰাষ্ট্ৰবাদীয়ে এনেকুৱাই কৰিছিলে। তেওঁলোকে কৈছিল যে

ভাৰত স্বাধীন নহয়, সেইবাবে আমি যুদ্ধ নকৰোঁ। কিন্তু এইটো নঙঠা ৰাষ্ট্ৰবাদ আছিল, যিটো শান্তিবাদৰ ফিৰফিৰিয়া ঘুৰিত লুকাই আছিল। এইটোৰ অৰ্থ এয়ে আছিল যে যদি ভাৰতে স্বৰাজ পালেহেঁতেন আমি সেনাবাহিনীত ভৰ্তি হৈ শত্ৰুক মাৰিলোহেঁতেন।

গান্ধীজীৰ সমুখত যিটো মুদ্দা আছিল সেইটো সৰ্বসত্বাসম্পন্ন আৰু চিৰস্থায়ী আছিল। যেতিয়া দেশৰ ওপৰত আক্ৰমণ তেতিয়া কোনোবা নাগৰিকে কি কৰে? নিজৰ অন্তৰাত্মাৰ সন্তুষ্টিৰ বাবে নিজৰ শৰীৰক কষ্ট দি কোনোবা শান্তিবাদীয়ে জেললৈ যায়, বা তেওঁ যুদ্ধলৈ পঠোৱা আৰু অন্য সৈনিক কাৰ্যবাহীৰ সাহসেৰে বিৰোধ কৰে। মানুহক শিক্ষা দিয়াৰ দৃষ্টিৰে এইটো এটা মূল্যবান প্ৰদৰ্শন হ'ব পাৰে। কিন্তু মানি লওক সমস্ত ৰাষ্ট্ৰই তেওঁৰ উদাহৰণৰক অনুকৰণ কৰি যুদ্ধ কৰিবলৈ অমান্তি হয়? (কল্পনা কৰকচোন যে ১৯৪০ চনত ইংৰাজসকলে যুদ্ধ কৰিবলৈ অমান্তি হোৱা হ'লে?

১৯১৮ চনত ভাৰতীয়সকলৰ বাবে দুটা পথ সম্ভৱ আছিল।

শত প্ৰতিশত শান্তিবাদী যুদ্ধৰ পৰা আঁতৰি থাকিলহেঁতেন আৰু চিৰদিনৰ বাবে ভাৰতৰ উপনিৱে শিক পথকে পচন্দ কৰিলেহেঁতেন, কিয়নো উপনিবেশত থাকিলে ভাৰতে নিজক গোলাম তৈয়াৰ কৰা দেশক যুদ্ধকালীন সহায়তা দিবলৈ অমান্তি হ'ব পাৰিলেহেঁতেন। এইটোৰ বিপৰীতে যদি ভাৰত ৰাষ্ট্ৰ হ'লহেঁতেন তেন্তে যুদ্ধৰ বাবে তৈয়াৰ হ'ব লাগিলেহেঁতেন বা বিনাশৰ মুখামুখি হ'ব লাগিলহেঁতেন।

গান্ধীজীয়ে এনে মনোভাব ল'ব নোৱাৰিলেহেঁতেন, কিয়নো তেওঁ স্বাধীন ভাৰত ৰাষ্ট্ৰ বিচাৰিছিল।

এশ শতাংশ ৰাষ্ট্ৰবাদীয়ে প্ৰথম মহাযুদ্ধৰ পৰাই এনেদৰে কৈ বেলেগে আছিল যে এইখন ব্ৰিটেইনৰ যুদ্ধ, কিন্তু ভাৰতক স্বাধীন কৰাবৰ বাবে তেওঁলোকে ব্ৰিটেইনৰ লগত যুদ্ধ কৰিবলৈ সাজু হৈ পৰিল।

গান্ধীজীয়ে এইটো ভাবি ল'ব নোৱাৰিছিল। কিয়নো তেওঁৰ এতিয়ালৈকে আশা আছিল যে ভাৰতৰ ভৱিষ্যতৰ বিষয়ে ব্ৰিটেইনৰ লগত শান্তিপূৰ্ণ বুজাবুজি হৈ যাব।

সেইবাবে ১৯১৮ চনত গান্ধীজীয়ে সাম্ৰাজ্যক মানি লয় আৰু লাহে লাহে শান্তিপূৰ্ণ উপায়েৰে স্বাধীনতা লাভ কৰাৰ আশাৰে নিজৰ ৰাষ্ট্ৰবাদক সংকটত পেলালে। এনে হোৱাৰ পাছত তেওঁৰ প্ৰেৰণাত্মক সততাই তেওঁক নিজা শান্তিবাদক সংকটত পেলাই লগতে যুদ্ধৰ বাবে নতুনকৈ সৈনিক ভৰ্তি কৰিবৰ বাবে বাধ্য কৰিলে।

এনেকৈয়ে ৰাজনীতিক গান্ধী ৰাষ্ট্ৰবাদ আৰু শান্তিবাদৰ এনে সংঘৰ্ষত সোমাই পৰিল। যাৰ শিপা উঘলা অসম্ভৱ আছিল। ধাৰ্মিক গান্ধীয়ে অহিংসা তথা বিশ্বভাতৃত্বৰ প্ৰচাৰ কৰি আৰু এইবোৰ আচৰণ কৰি এইবোৰ সমাধান কৰাৰ যত্ন কৰিলে।

এই দুয়োটাতে গান্ধীজীৰ জীৱন নাটকৰ দুখময় ঘটনাবোৰ নিহিত আছিল।❑❑

গান্ধীজী ৰাজনীতিত

১৯১৪ চনত তিলক (মাওলে জেলৰ পৰা) মুক্ত হৈ আহিল আৰু তেখেতে ৰাজভক্তিৰ কথা দিলে। গান্ধীজী ১৯১৫ চনত লণ্ডন হৈ ভাৰতলৈ উভতি আহে আৰু বৃটিছ সেনাৰ বাবে সৈনিকৰ নাম ভৰ্ত্তি কৰে। কিন্তু নিষ্ক্ৰিয়তা আৰু আলস্যই ১৯১৬ চনৰ নিজা বিদ্ৰোহে তিলকৰ প্ৰচণ্ড স্বভাৱে সহ্য কৰিব নোৱাৰিলে আৰু তেওঁ হোমৰোলৰ পক্ষত এটা ক্ৰোধভৰা বৃটিছ বিৰোধী আন্দোলনৰ বাবে জাণ্ডুৰ খাই উঠিল। তেওঁৰ সহযোগী আন্দোলনকাৰিণী আছিল শ্ৰীমতী এনি বেচান্ত যিগৰাকীয়ে আন একো নকৰিলেও বক্তৃতা আৰু গালি-গালাজৰ ভাষাৰে তেওঁতকৈও আগবঢ়া বিধৰ আছিল। তেখেতৰ শক্তিশালী সহায়কৰ ভিতৰত চাৰ চি, পি, ৰামস্বামী আৰু মহম্মদ আলি জিন্না আছিল।

ভাৰতৰ মাটি ভিতৰৰ জ্বালামুখীৰ শব্দৰে গড়গড়াই উঠিল। কেৱল ৰাজনৈতিক লোকেই নহয়। বৰং সেনাবাহিনীৰ চিপাহী আৰু খেতিয়কলৈকে অনুভৱ কৰিবলৈ ধৰিলে যে ব্ৰিটেইনৰ যুদ্ধত তেওঁলোকে যি তেজ বোৱাইছিল তাৰ প্ৰতিদান পাব লাগে। সেয়ে ১৯১৭ চনৰ ২০ আগষ্টত ভাৰতৰ ৰাজ্য সচিব এড্‌ৱিন এচ্, মাণ্টেগুৱে কমন সভাত ঘোষণা কৰিলে যে বৃটিছ নীতিয়ে এইটোলৈ দৃষ্টি ৰাখে যে কেৱল প্ৰশাসনৰসকলো বিভাগতে ভাৰতীয়সকলৰ উত্তৰোত্তৰ অধিক সম্পৰ্ক হওক, বৰং স্ব-শাসিত অনুষ্ঠান আদিও প্ৰদান কৰা হওক যাতে বৃটিছ সামাজ্যৰ অন্তিম অংগভাৱে থাকি ভাৰতক ক্ৰমোন্নতিৰ উত্তৰদায়ী চৰকাৰ প্ৰাপ্ত হয়। এইটোক উপনিৱেশ পৰ্যায়ৰ প্ৰতিজ্ঞাভংগ বুলি বুজি লোৱা হ'ল।

তিলকৰ বিচাৰ আছিল যে কেতিয়াবা কেতিয়াবা ৰাজ্যৰ যন্ত্ৰত অধিকাৰৰ পদ গ্ৰহণ কৰাও বাঞ্চনীয় চেক পঠিয়াই চৰ্ত্ত ৰাখিছিল যে যদি তেওঁ ভাইচৰয়ৰ পৰা এইটো বচন ল'ব পাৰে যে সেনা বাহিনীত ভৰ্ত্তি হোৱাসকলৰ ভিতৰত কিছু লোকক অফিচাৰৰ পদ দি দিয়া যাব তেওঁ বৃটিছ সেনাৰ বাবে পাঁচ হেজাৰ মাৰাঠীক ভৰ্তি কৰিব পাৰে। গান্ধীজীয়ে চেক্ ঘূৰাই দিলে। চৰ্ত্ত লগোৱা তেখেতৰ পচন্দ নাছিল। তেওঁ অনুভৱ কৰিছিল যে যদি কোনো

মানুহে কিবা কাম কৰে তেনেহ'লে সেইটো এইবাবেই কৰে যে সেইটোত তেওঁৰ বিশ্বাস আছে, এইবাবেই নহয় যে তাৰ পৰা তেওঁ কিবা পাব।

১৯১৮ চনৰ নৱেম্বৰত বিজয়পূৰ্বক যুদ্ধ সমাপ্ত হৈ গ'ল। অশান্তি বেছি প্ৰতীক্ষা কৰিব লগা নহ'ল। সেইটো ১৯১৯ চনৰ আৰম্ভণিতেই জন্ম লাভ কৰিলে।

১৯১৮ চনৰ আগষ্টত তিলকক দ্বিতীয়বাৰ নজৰবন্দী কৰা হ'ল। শ্ৰীমতী এনি বেচান্তে গ্ৰেপ্তাৰ হৈ আছিল। চৌকত আলি আৰু মহম আলিক যুদ্ধৰ অৱধিতে বন্দী কৰি থোৱা হ'ল। গুপ্ত আদালতবিলাকে ভাৰতৰ বহু অংশত মানুহক শাস্তি দি আছিল। যুদ্ধকালীন চেঞ্চৰৰ বাধা-বিঘিনিবিলাকৰ পৰা অনেক বাতৰি কাকতৰো মুখ বন্ধ কৰি দিয়া হৈছিল। এইবোৰৰ পৰা বহুত কটুতা উৎপন্ন হৈছিল। কিন্তু যুদ্ধৰ শেষ হোৱাত দেশে আশা কৰিছিলে যে নাগৰিক স্বতন্ত্ৰতা পুনৰ স্থাপন কৰি দিয়া যাব।

কিন্তু তাৰ বিপৰীতে চাৰ চিড্‌লে হোলটৰ অধ্যক্ষতাত এখন কমিটীয়ে ১৯১৮ চনৰ ১৯ জুলাই এটা ৰিপৰ্টে প্ৰকাশ কৰিলে, য'ত আচলতে যুদ্ধকালীন কঠোৰতাক বাহাল ৰখাৰ প্ৰশংসা কৰা হৈছিল। ৰৌলটৰ সিদ্ধান্তক কংগ্ৰেছে বৰ উগ্ৰতাৰে ভৎৰ্সনা কৰিলে। কিন্তু তথাপি চৰকাৰে এই প্ৰশংসাৰ অনুৰূপে ১৯১৯ চনৰ ফেব্ৰুৱাৰীত এখন বিধেয়ক ইম্পিৰিয়েল লেজিচ্‌লেটিভ কাউন্সিলত দাখিল কৰিলে।

গান্ধীজী এতিয়া পেটৰ গ্ৰহণী ৰোগৰ পৰা উঠিছিলহে মাত্ৰ। এইটো বিশ্বাস ৰাখি যে বিধেয়ক আইন তৈয়াৰ হৈ যাব, তেখেতে দক্ষিণ আফ্ৰিকাত নিজৰ বিজয়পূৰ্ণ যত্নৰ নমুনাৰ সবিনয় অৱজ্ঞাৰ তৈয়াৰী আৰম্ভ কৰি দিলে। শাৰীৰিক দুৰ্বলতা থকা স্বত্বেও তেখেতে বহুত কেইখন চহৰৰ যাত্ৰা কৰিলে আৰু চৰকাৰৰ ওচৰত এই দমন কৰি আইনখনক ঘূৰাই ল'বৰ বাবে হেঁচা দিয়াৰ উদ্দেশ্যৰে এটা বিশাল ৰাষ্ট্ৰবাদী সত্যাগ্ৰহ আন্দোলনৰ বাবে মাটি চহাবলৈ ধৰিলে।

১৯১৯ চনৰ ১৮ মাৰ্চত ৰৌলট আইন প্ৰচাৰ হ'ল। কি এইটোৱেই উপনিবেশিক পৰ্যায়ৰ আৰম্ভণি নেকি?

মহাত্মা গান্ধী, যিজন সেই সময়ত মাদ্ৰাজত আছিল। দ্বিতীয় দিনা ৰাজা গোপালাচাৰীক ক'লে "ৰাতি মোৰ সপোনতে বিচাৰ আহিলে যে আমি গোটেই দেশকে ধৰ্মঘটৰ বাবে ক'ব লাগে।"

ধৰ্মঘটৰ এই বিচাৰ গোটেই ভাৰততে বিয়পি পৰিল। সত্যাগ্ৰহৰ ভূমিকাৰ ৰূপত এই ধৰ্মঘট দিল্লীত ৩০ মাৰ্চত আৰু বোম্বাই তথা অন্য চহৰবিলাকৰ লগতে গাঁওবিলাকতো ৬ এপ্ৰিলত পালন কৰা হ'ল।

কিন্তু ধৰ্মঘটৰ বাবে দিল্লীত হিংসাত্মক কাৰ্যও হৈ গ'ল। পঞ্জাৱত কাজিয়া পেচাল আৰু গুলিও চলিল। নেতাসকলে গান্ধীজীক তুৰন্তে দিল্লী আৰু পঞ্জাবলৈ যাবলৈ অনুৰোধ

জনালে। চৰকাৰে তেখেতক ৯ এপ্ৰিলত পঞ্জাবৰ সীমাতে বাধা দিলে আৰু বোম্বাইলৈ লৈ গৈ এৰি দিলে।

১১ এপ্ৰিলত বোম্বাইত গান্ধীজীয়ে এখন সভাত ভাষণ দিলে আৰু হিংসাত্মক কাৰ্যৰ নিন্দা কৰিলে।

বোম্বাইৰ পৰা গান্ধীজী সবৰমতী আশ্ৰমলৈ গ'ল। তাতো তেখেতে ১৪ এপ্ৰিলত নখন বিশাল সভাত ভাষণ দিলে। আহমদাবাদৰ লোকসকলেও হিংসাত্মক কাৰ্য কৰিছিল। তাৰ প্ৰায়শ্চিত্ত হিচাপে গান্ধীজীয়ে বাসত্তৰ ঘণ্টা উপবাসৰ ঘোষণা কৰে।

সবৰমতীৰ পৰা গান্ধীজী পোনে পোনে নদিয়াদলৈ গ'ল। তাত তেওঁ গম পালে যে সৰু সৰু নগৰবিলাকতো হিংসাপূৰ্ণ কাৰ্যবিলাক বিয়পি পৰিছিল। উদাস হৈ গান্ধীজীয়ে নদিয়াদৰ নিবাসীসকলক ক'লে যে সত্যাগ্ৰহৰ আন্দোলন "মোৰ হিমালয়ৰ সমান ভুল আছিল।" ১৮ এপ্ৰিলত তেখেতে আন্দোলন উঠাই ল'লে।

বহুতে তেওঁক উপলুঙা কৰিলে। তেওঁক ব্যংগ কৰি ক'লে "হিমালয়ৰ সমান ডাঙৰ ভুল কৰিলে" কিন্তু গান্ধীজীয়ে নিজৰ দোষ স্বীকাৰ কৰি কেতিয়াও পস্তোৱা নাছিল।

এনে অৱস্থাত পঞ্জাব ৰাজ্য উতলি পৰিছিল। ইয়াত যিবোৰ ঘটনা ঘটি আছিল, তাৰ ফল ১৯১৯ চনৰ ১৩ এপ্ৰিলত দেখা পোৱা হ'ল, যিটোক চাৰ বৈলণ্টাইন চিৰোলে ' বৃটিছ ভাৰতৰ ইতিহাস বৃত্তত ক'লা দিন' বুলিছিল। গান্ধীজীৰ বাবে এইটো এটা মোড় আছিল। ভাৰতবাসীয়ে এইটো কেতিয়াও নেপাহৰে।

চৰকাৰৰদ্বাৰা নিযুক্ত অনুসন্ধান কমিছনে, যিটোৰ অধ্যক্ষ লৰ্ড হণ্টৰ আছিল, পঞ্জাবৰ কাজিয়াবোৰৰ কেইবা মাহলৈকে চালি জাৰি চাই নিজৰ ৰিৰ্পোট প্ৰকাশ কৰিলে।

হণ্টৰ ৰিৰ্পোটত ১৩ এপ্ৰিলৰ হত্যাকাণ্ডৰ বিৱৰণ দিয়া হ'ল। তাত কোৱা হ'ল "জেনেৰেল ডায়েৰে ১ বজাত শুনিলে যে মানুহবিলাকে ৪ বজাত এখন ডাঙৰ সভা পাতিব খুজিছে। যেতিয়া তেওঁক সোধা হ'ল যে সেইখন সভাক বাধা দিবৰ বাবে কিবা উপায় কিয় কৰা হোৱা নাই তেতিয়া তেওঁ উত্তৰ দিলে যে মই যিমান পাৰো সোনকালে তালৈ গৈ পালো।

জালিৱানৱালাবাগত সভা হ'ল। ডায়েৰে সভা ভংগৰ জাননী নিদিয়াকৈয়ে নিজৰ সৈন্যবাহিনীক গুলি চলাবলৈ আজ্ঞা দিলে। দহ মিনিটলৈকে গুলি চলি থাকিল। যেতিয়াই গুলি চলা আৰম্ভ হ'ল ভিৰৰ মাজত চেদেলি-ভেদেলি হ'বলৈ ধৰিলে। সৰ্বমুঠ মিলাই ১৩৫০বাৰ সেনাই গুলি চলালে। ১৫১৩ জন মানুহ মৰিল।

হণ্টাৰ কমিছনৰ আগত জেৰাত ডায়েৰে ক'লে যে তেওঁৰ মগজুত কি কথা আছিল আৰু তেওঁৰ কি ভাবিছিল।

প্ৰশ্ন ঃ আপুনি গুলি চলোৱাৰ দিশ বাৰে বাৰে সলনি কৰি থাকিল আৰু যিফালেই আটাইতকৈ বেছি ভিৰ আছিল সেইফালেই গুলি চলাইছিল?

উত্তৰ ঃ হয় মহাশয়।

প্ৰশ্ন ঃ যদি দুৱাৰখন ডাঙৰ হ'লহেঁতেন আৰু সেইফালেদি যদি অস্ত্ৰসজ্জিত মটৰবোৰ ভিতৰলৈ আহিলেহেঁতেন আপুনি মেচিনগান চলোৱালেহেঁতেন?

উত্তৰ ঃ মই ভাবিছো, বোধকৰো জৰুৰ চলালোহেঁতেন।

ইণ্টাৰ ৰিৰ্পোটত লিখিলে "আমাৰ সমুখত যেতিয়া পৰীক্ষা হ'ল তেতিয়া ডায়ৰে ক'লে যে যেতিয়া তেওঁ নিজৰ গাড়ীত উঠি আহে তেওঁৰ সিদ্ধান্ত পকা হৈ গ'ল যে যদি তেওঁৰ আজ্ঞা পালন কৰা নহয় তেন্তে তেওঁ তৎকালেই গুলি চলোৱাব "মোৰ পকা সিদ্ধান্ত আছিল যেসকলো মানুহকে মৃত্যুৰ মুখলৈ ঠেলি দিম।"

ইণ্টাৰ কমিছ্নৰ নিৰ্ণয় আছিল "এইটো দুৰ্ভাগ্যৰ কথা যে ডায়ৰে নিজা কৰ্তব্যৰ ভুল কল্পনা কৰিলে। আমি অনুভৱ কৰিছো যে ইমান দীঘলীয়া সময় গুলি চলোৱাই জেনেৰেল ডায়ৰে বৰ ডাঙৰ ভুল কৰিলে।"

ভাৰতৰ ইংৰাজ ৰাজ্য-সচিব এড্ৱিন এচ্ মাণ্টেগুৱে ভাইচৰয় লৰ্ড চেম্পফোৰ্ডৰ ১৯২০ চনৰ ২৬ মে'ত চৰকাৰী খাতাত লিখিছিল "জালিৱানৱালাবাগত ব্ৰিগেডিয়াৰ জেনেৰেল ডায়ৰে যিটো সিদ্ধান্তক নিজৰ কাৰ্যবাহীৰ আধাৰ কৰিলে সেইটোক সম্ৰাটৰ চৰকাৰে শক্তিশালী শব্দৰে অস্বীকাৰ কৰিছে।

ডায়ৰক সেনাৰ পৰা ত্যাগ পত্ৰ দিবলৈ কোৱা হ'ল। নিজৰ জীৱনৰ শেষৰ দিনত তেওঁ 'ৰেঞ্জ ফাইগুৰ' বায়ু যানৰ অনুসন্ধান কৰোতাৰ আৱিষ্কাৰ কৰে। ১৯২৭ চনৰ ২৩ জুলাইত ব্ৰিষ্টলত তেওঁৰ মৃত্যু হয়।

জালিৱানৱালাবাগে ভাৰতৰ ৰাজনৈতিক জীৱনত তোলপাৰ লগালে আৰু গান্ধীজীক ৰাজনীতিলৈ টানি নিলে।

যিটো পথেৰে গান্ধীজীয়ে ৰাজনৈতিক জগতৰ কেন্দ্ৰলৈ গৈ পালেগৈ সেইটো বৰ একা বেকা আছিল। সেইটোৰ আৰম্ভণি জালিৱানৱালাবাগৰ পৰাই হয়। হত্যাকাণ্ডৰ পাছত গান্ধীজীয়ে পঞ্জাৱলৈ যোৱাৰ অনুমতি বিচাৰে। তেখেতক তিৰস্কাৰহে কৰিলে। তেখেতে নিজৰ বিচৰাটোত অনুৰোধ কৰি থাকিল। শেষত ভাইচৰয়ে তেখেতলৈ টেলিগ্ৰাম পঠালে যে ১৯১৯ চনৰ ১৭ অক্টোবৰৰ পাছত তালৈ যাব পাৰিব।

পঞ্জাৱত গান্ধীজীয়ে মতিলাল নেহেৰু আদি ভাৰতীয় নেতাসকলক জালিৱানৱালাবাগৰ হত্যাকাণ্ডৰ স্বতন্ত্ৰ অনুসন্ধান কৰাত সহায় কৰে। ৰিপোৰ্টৰ খচৰা গান্ধীজীয়েই তৈয়াৰ কৰিলে।

১৯১৯ চনৰ নৱেম্বৰত গান্ধীজীয়ে দিল্লীত হ'ব লগা মুছলিম কনফাৰেন্সৰ নিমন্ত্ৰণ পালে। এই সভা খিলাফতৰ বাবে আহ্বান কৰা হৈছিল। তাত অনেক হিন্দুও উপস্থিত আছিল। সেইটো সময় হিন্দু মুছলিম্ ৰাজনৈতিক মিত্ৰতাৰ বিয়াৰ প্ৰথম ৰাতিৰ দৰে আছিল।

কনফাৰেন্সত তৰ্ক বিতৰ্ক হ'ল যে কি কৰা যায়। তুৰ্কীৰ প্ৰতি ইংৰাজৰ নিষ্ঠুৰতাৰ নিন্দাৰ প্ৰস্তাৱ বেছি নাছিল। বৃটিছৰ কাপোৰৰ বহিষ্কাৰৰ পৰামৰ্শ ৰখা হ'ল।

গান্ধীজীয়ে মঞ্চত বহি নিজৰ মনতে কাম-কাজৰ নক্সা ভাবিবলৈ ধৰিলে। তেখেতে এটা কাৰ্যক্ৰমৰ অনুসন্ধানত আছিল আৰু পুনৰ এনে শব্দও অনুসন্ধান কৰি আছিল যিটো নাৰাও হ'ব আৰু সেই কাৰ্যক্ৰমসকলো সাৰমৰ্মও ব্যক্ত কৰি দিয়ে। শেষত তেখেতে এই বস্তুটো পালে আৰু যেতিয়া তেখেতে ক'বলৈ থিয় হ'ল তেতিয়া তেখেতে ক'লে 'অসহযোগ'।

এই 'অসহযোগ' ভাৰত তথা গান্ধীজীৰ জীৱনত এটা নতুন যুগৰ দ্যোতক হৈ পৰিল।

১৯১৯ চনৰ অন্তিম সপ্তাহত অমৃতসৰত কংগ্ৰেছৰ বাৰ্ষিক অধিৱেশন হয়। চৰকাৰে এই অধিৱেশন জালিৱানৱালাবাগৰ ওচৰতে হ'বলৈ দিলে আৰু এই অৱসৰতে অলীবন্ধুসকলক মুক্ত কৰি দিলে। এই কথাই গান্ধীজীৰ সহজ আশাবাদক বল যোগালে।

জানি বুজিয়েই হওক বা সংযোগ মতেই হওক এই অধিৱেশনৰ এদিন আগতে বাদছাহ সম্ৰাটে মণ্টেগু শুধৰণিৰ ঘোষণা কৰিলে, যিটোৰ বিষয়ে বহুত প্ৰচাৰ কৰা হৈছিল। এইটো ঘোষণাসকলোৰে বাবে অসন্তোষজনক আছিল। তথাপি গান্ধীজীয়ে এইটো মানি লোৱাৰ পক্ষত আছিল।

এই মণ্টেগু শুধৰণি যোজনা ১৯১৯ চনৰ ৯ ফেব্ৰুৱাৰীত 'গৱৰ্ণমেণ্ট অৱ ইণ্ডিয়া এক্ট'ৰ ৰূপত ভাৰতৰ নতুন সংবিধান তৈয়াৰ কৰা হ'ল।

তিলকে এই মণ্টেগু শুধৰণিক এইটো দৃষ্টিৰেহে মানি লোৱাৰ পক্ষত আছিল যে এইটোৱেই পৰ্যাপ্ত নহয় বুলি প্ৰমাণ কৰি দিব লাগে।

গান্ধীজীয়ে এইটো দৃষ্টিকোণক ভাল বুলি ভবা নাছিল। প্ৰতিনিধিসকল গান্ধীজীৰ সমৰ্থক আছিল। কিন্তু গান্ধীজীয়ে তিলকক পৰাজিত কৰিবলৈ বিচৰা নাছিল। নাটকীয়ভাৱে গান্ধীজীয়ে বগা খাদৰৰ টুপী পিন্ধি আছিল যিটো পিছলৈ 'গান্ধীটুপী' নামেৰে বিখ্যাত হয়। তেখেতে নিজৰ টুপীটো তিলকৰ ভৰিত পেলাই দিলে আৰু বুজাবুজিলৈ আহিবৰ বাবে অনুনয় কৰিলে। তিলকো গলি গ'ল।

অমৃতসৰ অধিৱেশনৰ গান্ধীজীৰ সাৱধানতাৰ কেৱল অস্থায়ী সফলতা আছিল। দেশৰ মনোভাৱ স্পষ্টভাৱে অসহযোগৰ ফালে আছিল। ঘটনাবিলাক বেগাই ঘটি গৈ আছিল। ১৯২০ চনৰ এপ্ৰিলত গান্ধীজী হোম ৰুল লীগৰ অধ্যক্ষ নিৰ্বাচিত হ'ল। ৩০ জুনত গান্ধীজীৰ পথ প্ৰদৰ্শনত খিলাফত আন্দোলনে অসহযোগৰ নীতি স্বীকাৰ কৰিলে।

গান্ধীজীয়ে ভাইচৰয়লৈ পত্ৰ লিখিলে। ভাইচৰয়ে উত্তৰ দিলে যে অসহযোগ "সকলো সুখতাপূৰ্ণ আৰ্টনিবোৰৰ ভিতৰতে সৰ্বাধিক সুখতাপূৰ্ণ।" কিন্তু জেম্‌চফোৰ্ডৰসকলো শক্তিয়ে সেইটোক বাধা দিয়াত অসফল হ'ল। গান্ধীজীয়ে ঘোষণা কৰিলে যে ১৯২০ চনৰ ১ আগষ্টত অসহযোগ আৰম্ভ হ'ব আৰু তাৰ আগতে ৩১ জুলাইত উপবাস আৰু প্ৰাৰ্থনাৰ দিন হ'ব। সেইদিনাই যাতে ১ আগষ্টত তিলকৰ মৃত্যু হ'ল।

তিলকৰ পাছত গান্ধীজী নিৰ্বিবাদে কংগ্ৰেছৰ নেতা হৈ পৰিল। ১৯২১ চনৰ ডিচেম্বৰত গান্ধীজীয়ে খাদী আৰু সাধাৰণ জীৱন ধাৰণৰ বাবে নিজা আগ্ৰহক শক্তি দিবলৈ টুপী, জেকেট, দীঘল চুৰিয়াক ঢিলা পাইজামা চিৰদিনলৈ এৰি ..... বাৰণ কৰিলে।

চৰকাৰে ৰাজনৈতিক নেতাসকলক আৰু তেওঁলোকৰ অনুগামীসকলক গ্ৰেপ্তাৰ কৰিবলৈ আৰম্ভ কৰি দিলে। চিত্তৰঞ্জন দাস, মতিলাল নেহেৰু, লাজপতৰায় আদি শ শ জন মুখ্য কংগ্ৰেছী লোকক গ্ৰেপ্তাৰ কৰিলে। ১৯২১ চনৰ ডিচেম্বৰত যেতিয়া আহমদাবাদত কংগ্ৰেছৰ অধিৱেশন হয় তেতিয়া সেই সময়লৈকে বিশ হাজাৰ ভাৰতবাসীক সবিনয় অৱজ্ঞা তথা ৰাজদ্ৰোহৰ অপৰাধত জেললৈ পঠোৱা হৈছিল।

১৯২১ ৰ ডিচেম্বৰ আৰু ১৯২২ জানুৱাৰীত আৰু দহ হাজাৰ ভাৰতবাসীক জেলত ভৰাই দিলে। কেইবাখনো প্ৰদেশত খেতিয়কসকলে নিজে নিজে খাজানা বন্ধ কৰা আন্দোলন আৰম্ভ কৰি দিলে। চৰকাৰী চাকৰিয়ালসকলে চাকৰি এৰি দিলে।

১৯২১ চনৰ ২ এপ্ৰিলত নতুন ভাইচৰয় লৰ্ড ৰিডিং ভাৰতলৈ আহি পালে। সেনা আৰু পুলিচৰ ওপৰত তেওঁৰ পুৰা অধিকাৰ পাইছিল। কংগ্ৰেছে গান্ধীজীক নিজৰ ডিক্টেতৰ পাতি দিছিল। মহাত্মাৰ মুখৰ পৰা মুখৰপৰা ওলোৱা একোটা শব্দই এনে শক্তিশালী বা মৰলীৰ তৈয়াৰ কৰিব পাৰিছিল যে যিটোৰ তুলনাত ১৮৫৭ ৰ বিদ্ৰোহ সৰু ঘটনাৰ দৰেহে লাগিছিল।

নতুন দিল্লীত নিজৰ পদবী চম্ভালিবলৈ লোৱাৰ অলপ দিনৰ পাছতে লৰ্ড ৰিডিঙে গান্ধীজীৰ লগত কথা বতৰা পতাৰ ইচ্ছা প্ৰকাশ কৰিলে।

গান্ধীজীয়ে নিমন্ত্ৰণ স্বীকাৰ কৰিলে। বহুত ভাৰতবাসীয়ে এইটোত বিৰোধ কৰিলে।

লৰ্ড ৰিডিঙৰ গান্ধীজীৰ লগ হোৱাৰ উৎসুকতা ভালেখিনি পুৰা হ'ল। মে'ৰ শেষত লৰ্ড ৰিডিঙে নিজৰ পুতেকলৈ এখন চিঠিত লিখিছিল যে গান্ধীজীৰ তেওঁৰ লগত ৬ বাৰ কথা-বতৰা হয় "প্ৰথমবাৰ চাৰে চাৰি ঘণ্টাৰ দ্বিতীয়বাৰ তিনি ঘণ্টাৰ, তৃতীয়বাৰ ডেৰ ঘণ্টা চতুৰ্থবাৰ ডেৰ ঘণ্টা, পঞ্চমবাৰ ডেৰ ঘণ্টা আৰু ষষ্ঠবাৰ পৌনে ঘণ্টাৰ।"

তেৰ ঘণ্টা কথা বতৰা পতাৰ পাছত ৰিডিঙৰ গান্ধীজীৰ বিষয়ে কেনে বিচাৰ আছিল? তেওঁ নিজৰ পুত্ৰলৈ লিখিছিল "তেওঁৰ চেহেৰা পাতিত একো বেলেগ ধৰণৰ কথা নাই। কিন্তু যেতিয়া কথা পাতে তেতিয়া বেলেগ ধৰণৰ চাপ পৰে। তেওঁ স্পষ্টবাদী, আৰু বৰ

বঢ়িয়া ইংৰাজীৰে নিজৰ বিচাৰ ব্যক্ত কৰে। যি শব্দ তেওঁ কয় তাৰ মহত্ত্বক বৰ নিয়াৰিকৈ বুজে। তাত কোনো সংকোচ নাই আৰু যেতিয়া তেওঁ কোনো ৰাজনৈতিক প্ৰশ্নৰ ওপৰত চৰ্চা কৰে সেই সময়ক বাদ দিলে যি কথা তেওঁ কয় তাত নিষ্কপতাৰ ধ্বনি হয়।

যদি লৰ্ড ৰিডিঙে গান্ধীজীৰ ৰাজনীতিৰ ভাষা বুজিব নোৱাৰিলে তাত আচৰিত হ'ব লগা নাই। ১৯২১ চনৰ ৪ নৱেম্বৰত দিল্লীত কংগ্ৰেছ মহাসমিতিয়ে অহিংসাত্মক সবিনয় অৱজ্ঞাৰ পক্ষত প্ৰস্তাৱ পাছ কৰি দিলে। কিন্তু গান্ধীজীয়েসকলো নেতাৰ পৰা কথা ল'লে যে তেখেতৰ অনুমতিবিহনে আগলৈ এখোজো আগ নবঢ়ায়।

গান্ধীজীয়ে এখন ঠাইত সামূহিক সবিনয় অৱজ্ঞাৰ প্ৰয়োগ কৰিবলৈ বিচাৰিছিল আৰু তাৰ বাবে তেখেতে বাৰডোলিত নিৰ্বাচন কৰিছিল, য'ত তেখেতে নিজে নিজৰ দেখা শুনা অৱস্থাত প্ৰয়োগ কৰিব পাৰে। ১৯২২ চনৰ ১ ফেব্ৰুৱাৰীত গান্ধীজীয়ে ভাইচৰয়ক নিজৰ এই সিদ্ধান্ত জনাই দিলে।

কিন্তু ৫ ফেব্ৰুৱাৰীত চৌৰিচৌৰাত কিছু বেলেগ কথাহে হ'ল। এই সৰু নগৰ খনত ভিৰৰ অৱস্থাতে পুলিচৰ চিপাহীক হত্যা কৰিলে।

৮ ফেব্ৰুৱাৰীত বাৰডোলিক গান্ধীজীৰ ওচৰত এই অত্যাচাৰৰ খবৰ গৈ পালে। তেখেত বেমাৰ আৰু উদাস হৈ পৰিল। এইটো অমংগল আছিল।

সেইবাবে গান্ধীজীয়ে বাৰডোলিৰ আন্দোলন স্থগিত কৰি দিলে। আৰু ভাৰতৰসকলো ঠাইতে চৰকাৰ বিৰোধী আন্দোলন স্থগিত কৰি দিলে।

বোম্বাই আৰু মাদ্ৰাজৰ গৱৰ্ণৰসকলোৱে সৈতে পৰামৰ্শ কৰাৰ পাছত লৰ্ড ৰিডিঙে ১ মাৰ্চত গান্ধীজীক গ্ৰেপ্তাৰৰ হুকুম দি দিলে আৰু ১৯২২ চনৰ ১০ মাৰ্চ শুকুৰবাৰে ৰাতি চাৰে দহ বজাত তেখেতক গ্ৰেপ্তাৰ কৰা হ'ল।

গ্ৰেপ্তাৰৰ দ্বিতীয় দিনা গান্ধীজীয়ে অনুমানিক হিচাপে নিজৰ বয়স ত্ৰেপন্ন বছৰ বুলি ক'লে। ব্যৱসায় তাঁতী আৰু খেতিয়ক অপৰাধ মানি ল'লে। তেখেতৰ ওপৰত 'ইয়ং ইণ্ডিয়াত' তিনিটা ৰাজদ্ৰোহাত্মক লেখনি লেখাৰ অভিযোগ লগোৱা হ'ল। পত্ৰৰ মুদ্ৰক শংকৰলাল বেংকৰৰ ওপৰতো গান্ধীজীৰ লগতে মোকৰ্দমা চলোৱা হ'ল।

এইটো 'ঐতিহাসিক মোকৰ্দমা' আহমদাবাদৰ চৰকাৰী চাৰ্কিত হাউচত মিষ্টাৰ ব্ৰুচফিল্ড ডিষ্ট্ৰিক্ট আৰু চেচন জজৰ আদালতত ১৯২২ চনৰ ১৮ মাৰ্চত দাখিল কৰা হ'ল। বোম্বাইৰ এড্‌ভোকেট জেনেৰেল চাৰ জে, টি, ষ্ট্ৰংমেনে চৰকাৰৰ তৰফৰ পৰা অভিযোগ দাঙি ধৰিলে। গান্ধীজী আৰু বেংকাৰে কোনো উকীল ধৰা নাছিল। আদালত ভৱন আৰু ওচৰ পাজৰৰ বাট পথবোৰত সেনাৰ দলবিলাকৰ শক্তিশালী পহৰা আছিল। আদালতৰ সৰু কোঠালীটোত বৰ ভিৰ আছিল।

যেতিয়া অভিযোগ শুনাই দিয়া হ'ল আৰু এড্‌ভোকেট জেনেৰেলে গান্ধীজীৰ বিৰুদ্ধে মোকৰ্দমা দাখিল কৰিলে তেতিয়া জজে মহাত্মাজীক সুধিলে যে তেখেতে কিবা বক্তব্য দিবলৈ বিচাৰিছে নে নাই। গান্ধীজীৰ লগত লিখিত বক্তব্য সাজু আছিল।

গান্ধীজীয়ে তৈয়াৰ কৰি থোৱা জবানবন্দী পঢ়িলে, য'ত তেখেতে কৈছিল যে "কিয় মই এজন গোড়া ৰাজভক্ত আৰু সহযোগীৰ পৰা এজন অটল ৰাজদ্ৰোহী আৰু অসহযোগী হৈ পৰিলো।"

শেষত গান্ধীজীয়ে ক'লে যে তেখেতক 'কঠোৰতকৈও কঠোৰ' শাস্তি দিব লাগে।

গান্ধীজী যেতিয়া বহিলে মিষ্টাৰ ব্ৰুমফিল্ডে তেখেতক নমস্কাৰ কৰিলে আৰু শাস্তি শুনালে। জজে ক'লে "ন্যায়োচিত শাস্তিৰ নিশ্চয় কৰা ইমান কঠিন প্ৰশ্ন যিমান এই দেশৰ কোনোবা জজৰ সমুখলৈ সম্ভৱ কেতিয়াবাহে আহিছে। আইনে ব্যক্তিলৈ ভয় নকৰে। তথাপি এই কথা মানি নোলোৱা অসম্ভৱ যে যিমানবোৰ মানুহৰ মোকৰ্দমা মোৰ আজিলৈকে কৰিব লগা হ'ল সেইসকলোবোৰতকৈ আপোনাৰ স্থান বেলেগ। এইটো তথ্যও মানি নোলোৱাকৈ নোৱাৰি যে নিজৰ কোটি কোটি দেশবাসীৰ দৃষ্টিত আপুনি এজন মহান দেশভক্ত আৰু মহান নেতা। যিসকল লোকে ৰাজনীতিত আপোনাৰ লগত মতভেদ কৰি আছে সেইসকলেও আপোনাৰ জীৱনক উচ্চ আদৰ্শবান আৰু সজ চৰিত্ৰৰ আৰু ঋষিতুল্য বুলি মানে।"

ইয়াৰ পিছতে জজে ঘোষণা কৰিলে যে গান্ধীজীয়ে ছবছৰ জেল খাটিব লাগিব। আৰু লগতে ক'লে যে যদি চৰকাৰে পাছত এই শাস্তিৰ ম্যাদ কমাব খোজে তেন্তে "মোতকৈ অধিক কোনো প্ৰসন্ন নহ'ব।"

আদালত ভংগ হোৱাত বহুত দৰ্শকে গান্ধীজীৰ চৰণত ধৰিলে। বহুতে কান্দিবলৈ ধৰিলে। গান্ধীজীক জেললৈ লৈ যাওঁতে তেখেতৰ মুখত মধুৰ হাঁহি আছিল।

স্বাধীনতাপ্ৰাপ্ত কৰাৰ বাবে ৰাষ্ট্ৰক জাগৃত কৰাৰ নিমিত্তে জেললৈ যোৱাৰ আৱশ্যক আছিল।

বৃটিছ চৰকাৰে গান্ধীজীক কেইবাবাৰো জেললৈ পঠাই তেখেতৰ এই কথা মানি লৈছিল, কিন্তু তেখেতৰ ওপৰত মোকৰ্দমা চলোৱাৰ এইটোৱেই অন্তিম অৱসৰ আছিল। ❑❑

অপাৰেচন আৰু উপবাস

১৯২২ চনৰ ২০ মাৰ্চত গান্ধীজীক যিখন য়াৰবেদা জেলত ৰখা হৈছিল তাৰ পৰা ১৯২৪ চনৰ ১২ জানুৱাৰীত তেখেতক লৰালৰিকৈ পুনাৰ চৈচুন হস্পিতেললৈ লৈ যোৱা হ'ল। তেখেতৰ আন্ত্ৰশোথ (এপেণ্ডিচাইটিচ্চ) ৰ তীক্ষ্ণ বিষ উঠিছিল। চৰকাৰে বোম্বাইৰ পৰা ভাৰতীয় ডাক্তৰ অহালৈকে ৰ'বলৈ সাজু আছিল। কিন্তু আধা ৰাতিৰ অলপ আগতেই ইংৰাজ চাৰ্জন কৰ্ণেল মেণ্ডকে গান্ধীজীক জনালে যে তেখেতক অতি সোনকালে অপাৰেচন কৰিব লাগিব। গান্ধীজীও মান্তি হ'ল।

যি সময়ত অপাৰেচনৰ বা তৈয়াৰী হৈ আছিল, গান্ধীজীয়ে কোৱা বাবে ভাৰতসেৱক সমিতিৰ অধ্যক্ষ শ্ৰী শ্ৰীনিবাস শাস্ত্ৰী আৰু মহাত্মাজীৰ মিত্ৰ ডাঃ পাঠকক মতা হ'ল। এই দুয়োজনে মিলি এটা সাৰ্বজনীক বক্তব্য তৈয়াৰ কৰিলে, যিটোত কোৱা হ'ল যে গান্ধীজী অপাৰেচন কৰাবলৈ মান্তি হ'ল, ডাক্তৰসকলে তেখেতৰ ভালদৰে চিকিৎসা আৰু লাগে যিয়েই নহওক চৰকাৰ বিৰোধী কোনো হুলস্থুল হ'ব নেলাগে। হস্পিতেলৰ অধিকাৰী আৰু গান্ধীজীয়ে জানিছিল যে যদি অপাৰেচন সফল নহয় তেন্তে গোটেই ভাৰততে জুই জলি উঠিব।

যেতিয়া বক্তব্য তৈয়াৰ হৈ গ'ল তেতিয়া গান্ধীজীয়ে আঁঠু কাঢ়ি কুচি মুচি সেইটোত চহী কৰিলে। "দেখিছানে, মোৰ হাত কেনেকৈ কঁপিছে"। কৰ্ণেল মেণ্ডকক হাঁহি হাঁহি তেখেতে ক'লে "এইখন তুমি ঠিক কৰিব লাগিব।"

অৰ্জুনে উত্তৰ দিলে "অ'হ আমি এইখনত টন হিচাপে শক্তি ভৰাই দিম।"

গান্ধীজীক ক্লোৰোফৰ্ম সুঙাই দিয়া হ'ল আৰু ফটো লোৱা হ'ল। অপাৰেচনৰ মাজতে ধুমুহা বতাহ অহাত বিজুলী লাইটৰ পোহৰ বন্ধ হৈ পৰিল। ইয়াৰ পাছত নাৰ্চে যিটো টৰ্চ লাইটেৰে পোহৰ দেখুৱাই আছিল সেইটোও নুমাই থাকিল আৰু লেমৰ পোহৰত অপাৰেচন সম্পন্ন কৰা হ'ল।

অপাৰেচনতো সফল হ'ল কিন্তু কটা ঠাই ডোখৰত পূজ ওলাবলৈ ধৰিলে আৰু গান্ধীজীল ভাল হ'বলৈ দেৰি লাগিবলৈ ধৰিলে। এনে পৰিস্থিতিত চৰকাৰে বুদ্ধিমতা বা উদাৰতাৰে ৫ ফেব্ৰুৱাৰীত গান্ধীজীক এৰি দিলে।

গান্ধীজীয়ে এবাৰ মিচ্ স্লেড (মীৰা বহন)লৈ লিখিছিল "নিজৰ শল্য চিকিৎসা সম্বন্ধীয় আবিষ্কাৰ তথা এই দিশত সৰ্বতোমুখী প্ৰগতিৰ বাবে পশ্চিমৰ সদায় প্ৰশংসক হৈ আছো।"

তথাপি ডাক্তৰৰ প্ৰতি নিজৰ ......ক গান্ধীজীয়ে পূৰাকৈ দূৰ কৰিব পৰা নাছিল। এবাৰ তেখেতে পেনিচিলিনৰ বেজী ল'বলৈ পুৰা-পুৰি অমান্তি হ'ল।

ডাক্তৰে কৈছিল "যদি মই পেনিচিলিনৰ বেজী দিওঁ তেন্তে আপুনি তিনি দিনতে ভাল হৈ উঠিব, নহ'লে তিনি সপ্তাহ লাগিব।"

গান্ধীজীয়ে উত্তৰ দিলে "থাকিবলৈ দিয়ক মোৰ একো লৰালৰি নাই।

ডাক্তৰে ক'লে "আপোনাৰ পৰা বেলেগৰ গালৈ বাগৰিব পাৰে।"

গান্ধীজীয়ে পৰামৰ্শ দিলে "তেন্তে সেইজনকে পেনিচিলিন দি দিয়ক।"

সেইজন ডাক্তৰে এবাৰ গান্ধীজীক অসাৱধানবশতঃ ক'লে যে যদিসকলো ৰোগীয়ে কেৱল বিছনাতে আৰাম কৰিবলৈ লয় তেন্তে ভাল হ'ব।

গান্ধীজীয়ে সাৱধান কৰি দিলে "এইটো কথা যদি কোনোবাই শুনে, তেন্তে আপুনি সমস্ত ৰোগীৰ পৰাই হাত ধুই বহিব লাগিব।"

জেলৰ পৰা ৰেহাই পাই গান্ধীজীয়ে স্বাস্থ্য লাভৰ বাবে জুহুলৈ যায় আৰু তাত শান্তি কুমাৰ মোৰাৰজীৰ বঙলাত থাকে। তালৈ চিত্তৰঞ্জন দাস আৰু মতিলাল নেহৰু তেখেতৰ লগতে সেই পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবলৈ আহে, যিটো গান্ধীজীৰ জেল যাত্ৰাৰ বাইশ মাহত উদ্ভৱ হৈছিল।

প্ৰথমবাৰতো এনে হ'ল যে হিন্দু মুছলিম মৈত্ৰীৰ যি শিলাখণ্ডত গান্ধীজীয়ে সংযুক্ত, স্বতন্ত্ৰ ভাৰতৰ ভৱন থিয় কৰিব খুজিছিল, সেইটো দুয়োটা জাতিৰে পৰস্পৰ বৈৰী ভাৱৰ ভয়ংকৰ জোৱাৰত ডুব গৈছিল। খিলাফত আন্দোলন মৰি গৈছিল। বৃটেনে মৰা নাছিল বৰং এইটোক মাৰোতা আছিল কামাল পাছা (আতাতুৰ্ক)। কামালে নিজা অধিকাংশ ভাৰতীয় সহধৰ্মীসকলক অধিক বুদ্ধিমতা দেখুৱাই এক ধৰ্ম নিৰপেক্ষ প্ৰজাতন্ত্ৰ স্থাপন কৰি দিলে, আৰবী চিকস্তৰ ঠাইত লেটিন লিপি চলালে ফেজ টুপী আৰু বেলেগ সাজ-পাৰতো নিয়ন্ত্ৰণ লগালে আৰু খলিফাক গাদীৰ পৰা নমাই ১৯২২ চনৰ নৱেম্বৰত তেওঁক এখন ইংৰাজ সেনাৰ জাহাজত মাল্টালৈ পলাই যাবলৈ দিলে।

দ্বিতীয় কথা, এইটো হ'ল যে অসহযোগ আন্দোলন চে ! পৰি থাকিল। মতিলাল নেহৰু, চিত্তৰঞ্জন দাস আৰু তেখেতসকলৰ বহুতো লগৰীয়া মিউনিচিপেলিট, আৰ্দেশিক আৰু ৰাষ্ট্ৰীয় বিধান পৰিষদলৈ ঘূৰি যোৱাৰ পক্ষত হৈ গ'ল।

নিজৰ কাৰ্যক্ৰম পূৰা কৰিবৰ বাবে দাস আৰু নেহৰু (মতিলাল)ৰে ১৯২২ চনৰ শেষত "স্বৰাজ্য পাৰ্টি'ৰ স্থাপন কৰিলে, যিটোৰ তৎকালিক লক্ষ আছিল সাম্ৰাজ্যৰ ভিতৰতে ঔপনিৱেশিক স্বৰাজ্যৰ প্ৰাপ্তি।

গান্ধীজী এতিয়ালৈকে অসহযোগী আছিল, এতিয়ালৈকে সবিনয় অৱজ্ঞাৰ সমৰ্থক আৰু এই চৰকাৰক অবিশ্বাস কৰোতা আছিল। সেইবাবে এনে আদালত, স্কুল, চৰকাৰী পদবী আৰু উপাধীবোৰ বহিষ্কাৰৰ ওপৰত জোৰ দিছিল। এই বহিষ্কাৰত শক্তিশালী ব্যক্তিগত ত্যাগৰ আৱশ্যকতা আছিল। যিটোক বহুত কম মানুহেহে সহ্য কৰিব পাৰিছিল। আনফালেদি স্বৰাজ্য পাটিৰ নীতি আকৰ্ষণীয় আছিল। সেইবাবে গান্ধীজীয়ে কেইবছৰমানৰ বাবে ৰাজনীতিৰ পৰা আঁতৰি গ'ল।

ৰাজনীতিৰ পৰা আঁতৰি থকা এই সময়ছোৱাত গান্ধীজীৰ উদ্দেশ্য আছিল ভাৰতবাসীৰ ভিতৰত মানৱ ভাতৃত্বৰ ভাৱনাক পোষণ কৰা। চাৰিওফালে চকু ফুৰাই চাই তেখেতৰ এইটো স্পষ্ট হ'ল যে দেশৰ আগত তৎক্ষণাত সমাধান কৰিব লগা প্ৰশ্ন হিন্দু মুছলিম প্ৰশ্ন আছে। সেইবাবে ১৯২৪ চনৰ ১৮ ছেপ্টেম্বৰত গান্ধীজীয়ে হিন্দু মুছলিম একতাৰ বাবে ২১ দিনৰ উপবাস আৰম্ভ কৰি দিলে।

একেৰাহে হোৱা হিন্দু মুছলমানৰ কাজিয়াবিলাকৰ বাতৰিবোৰ ক্ৰমবোৰ আৰু যুঁজবাগৰ, মনোমালিন্য তথা নিৰাশাৰ বাতাৱৰণে গান্ধীজীৰ শৰীৰ আৰু মনত বৰ বোজা দিছিল। তেখেতে জানিছিল যে একৈশ দিনৰ উপবাসে ঘাতকো হ'ব পাৰে। তেখেতে মৰিব খোজা নাছিল। এতিয়ালৈকে বহুত কাম আধা হৈ পৰি আছে। তেখেতে জীৱনত আনন্দ অনুভৱ কৰিছিল। আত্মহত্যা তেখেতৰ ধাৰ্মিক, শাৰীৰিক দৃষ্টিৰে ৰুচিকৰ নাছিল। উপবাস মৃত্যুৰে সৈতে অবিচাৰ নাছিল। উপবাস সৰ্বোচ্চ হিত সাৰ্বভৌম মানৱ ভ্ৰাতৃত্বৰ প্ৰতি কৰ্তব্যৰ প্ৰেৰণা আছিল।

গান্ধীজীৰ দৃষ্টি সদায় লক্ষ্যত থাকিছিল আৰু যেতিয়া তেখেতে লক্ষ্য দেখা নেপাইছিল তেতিয়া তেখেতে দৃষ্টি এনে ঠাইত ৰাখিছিল, য'ত লক্ষ ওলাই থকা অনুভৱ হৈছিল। তেখেতে নাটকীয় ঢঙৰ মহত্বও বুজি পাইছিল। সেইবাবেই তেখেতে নিজৰ উপবাস মৌলানা মহম্মদ আলিৰ ঘৰত আৰম্ভ কৰে।

এই উপাবাস সত্যতাৰ এক বিপদযুক্ত প্ৰয়োগ আছিল। ইয়াত এজন ব্যক্তিৰ জীৱনক বাজি লগোৱা হৈছিল আৰু দাবী আছিল ৰাষ্ট্ৰৰ স্বাধীনতা। যদি ভাৰতবাসীসকল ভাই-ককাইৰ দৰে এক হৈ পৰে তেন্তে কোনো বিদেশীয়ে তেওঁলোকৰ ওপৰত বেছি সময়লৈকে প্ৰভূত্ব কৰিব নোৱাৰিব।

উপবাসৰ দ্বিতীয় দিনা গান্ধীজীয়ে ইয়ং ইণ্ডিয়াৰ বাবে এক পৃষ্ঠাৰ লেখা 'বিৱিধতাত একতা'ৰ বিষয়ত লিখে।

কিছুদিনৰ দিনা তেখেতে এটা প্ৰাৰ্থনা লিখোৱালে।

"মই শান্তিৰ পৃথিৱীৰ পৰা কাজিয়া-পেচালৰ পৃথিৱীত প্ৰবেশ কৰোতা হওঁ। যিমানেই বেছিকৈ এইটো চিন্তা কৰিছো সিমানেই অধিক অসহায় অনুভৱ কৰিছো। মই জানো যে মই একো কৰিব নোৱাৰো। হে ভগৱান, মোক নিজৰ নিমিত্ত কৰা আৰু নিজৰ ইচ্ছা অনুসৰি মোক ব্যৱহাৰ কৰা। মানুহৰ কি বিশ্বাস আছে! নেপোলিয়নে ইমান হাত ভৰি মেলিলে আৰু শেষত চেণ্ট হেলেনাৰ কাৰাগাৰত বন্দী হ'ল। শক্তিশালী কেশৰে ইউৰোপত ৰাজ কৰিবলৈ বিচাৰিছিল আৰু সাধাৰণ মানুহ হৈয়ে থাকিল। ভগৱানৰ এনেকুৱাই ইচ্ছা। এনে দৃষ্টান্তবোৰৰ ওপৰত আমি চিন্তা কৰিব লাগে আৰু নম্ৰ হ'ব লাগে।

এগুৰুজে লিখিছে যে "একৈশ দিনৰ দিনা ৰাতিপুৱা চাৰি বজাত মোক প্ৰাতঃকালীন প্ৰাৰ্থনাৰ বাবে মাতিলে। আকাশত জোন নাছিল আৰু বৰ আন্ধাৰ ৰাতি আছিল। পূব ফালৰ পৰা ঠাণ্ডা বতাহ মাৰি আছিল। বাপুৱে ডাঠ ৰঙৰ এখন দুড়লীয়া কাপোৰ লৈ আছিল। মই সুধিলো ভাল টোপনী হ'লনে? তেখেতে উত্তৰ দিলে "হয় বৰ ভাল। তৎক্ষণাত এইটো দেখি আনন্দ লাগিল যে তেখেতৰ মাতটো কালি ৰাতিপুৱাতকৈ দুৰ্বল হোৱাৰ বিপৰীতে দৃঢ় আছিল।

প্ৰায় দহ বজাত এগুৰুজে লিখে "মহাত্মাজীয়ে মোক মাতিলে আৰু ক'লে "কি তোমাৰ মোৰ প্ৰিয় ইসাই ভজনৰ শব্দ মনত আছেনে?"

মই ক'লো "হয় মনত আছে। এতিয়া আপোনাক গাই শুনাওঁ নেকি?"

তেখেতে উত্তৰ দিলে "এতিয়া নহয়। কিন্তু মোৰ বিচাৰ যে যেতিয়া মই নিজা উপবাস ভাঙিম তেতিয়া আমি ধাৰ্মিক একতা ব্যক্ত কৰিব পৰা সৰু ৰীতি মনাব খোজো। মই আশা কৰিছো ইমাম চাহাবে কোৰাণৰ সুৰ-ফতেহা পঢ়ক। পুনৰ মই আশা কৰিছো আপুনি ইসাই ভজন গাওক। আৰু শেষত মই আশা কৰিছো যে বিনোবাই উপনিষদ পাঠ কৰিব আৰু বালকৃষ্ণই বৈষ্ণৱজনৰ ভজন গাব।"

শেষত দুপৰীয়া সময় হ'ল যেতিয়া নেকি উপবাস সমাপ্ত হ'ব লগা আছিল। ডাক্তৰসকল গান্ধীজীৰ কোঠালৈ গ'ল। আলীবন্ধু, মৌলানা আবুল কালাম আজাদ, মতিলাল নেহৰু, চিত্তৰঞ্জন দাস আৰু বহুতো অন্য মানুহ বিছনাৰ ওচৰতে মাটিত বহি আছিল। উপবাস ভংগৰ আগতে গান্ধীজীয়ে ক'লে আৰু তেখেতেসকলোকে অনুৰোধ কৰিলে যে একতাৰ বাবে আৱশ্যক হ'লে নিজৰ জীৱনো উৎসৰ্গা কৰিব লাগিব। মুছলিম নেতাসকলে নিজৰ কথা দোহাৰিলে। পুনৰ ভজন গোৱা হ'ল। ডাঃ আনচাৰীয়ে কমলাৰ ৰস আৰু গান্ধীজীয়ে সেইখিনি খালে। এনেকৈয়ে উপবাস সমাপ্ত হ'ল। ❑❑

ধন আৰু গহনা

১৯২৪ চনৰ উত্তৰাৰ্দ্ধত সংসাৰত যুদ্ধোত্তৰ সামান্য স্থিতি আৰু শান্তি উৎপন্ন হ'বলৈ ধৰিলে।

ভাৰতেও আৰাম কৰিছিল আৰু অকলশৰীয়া আৰু নিষ্ক্ৰিয়তাৰ সোৱাদ লৈছিল। যুদ্ধবিৰতি আৰু অমৃতসৰৰ পাছৰ সময়ৰ যোচ ঠাণ্ডা হৈ পৰিছিল। বিশ্বাস আৰু সংঘৰ্ষৰ ভাৱনাৰ স্থান শংকা আৰু নিৰাশাই লৈ লৈছিল। সম্ভৱ গান্ধীজীৰ অহিংসাই উগ্ৰ ৰাষ্ট্ৰীয়তাৰ উৎসাহ কম কৰি পেলাইছিল। তেখেতৰ একৈশ দিনৰ উপবাস অসফল হৈ পৰিছিল। এইটোৱে বহুতক প্ৰভাৱিত কৰিছিল আৰু কিছুলোকৰ মনোভাৱ সলনি কৰিলে কিন্তু হিন্দু-মুছলিমৰ উত্তেজনা সেইদৰেই আছিল।

গান্ধীজীয়ে এইটো সময়ক বৃটিছৰ লগত যুঁজাৰ উপযুক্ত সময় বুলি ভবা নাছিল। এইটো সময় ঘৰৰ সুঁতাবোৰ মেৰামতি কৰাৰহে সময় আছিল। তেখেতৰ কাৰ্যক্ৰম আছিল আহিবলগা ৰাজনৈতিক সময়ৰ বাবে নৈতিক তৈয়াৰী, বিশেষভাৱে হিন্দু-মুছলিম একতা, অস্পৃশ্যতা নিবাৰণ আৰু খাদীৰ প্ৰচাৰ।

বুধিয়ক মানুহে এতিয়ালৈকে তেখেতৰ কথাবোৰক মহত্ব দিয়া নাছিল। গান্ধীজীয়ে কোৱা কথা আছিল শিক্ষিত ভাৰতবাসী দলবোৰত বিভক্ত হৈ যাবলৈ ধৰিছিল "তেওঁলোকৰ পদ্ধতি মোৰ পদ্ধতি নহয়" তেখেতে সাৱধান বাণী কৰিছিল যে যদি তেওঁলোকে তেখেতৰ খাদী নীতিৰ সমৰ্থন নকৰে তেন্তে "শিক্ষিত ভাৰত এইটো একমাত্ৰ প্ৰত্যক্ষ তথা বাস্তৱিক বন্ধনৰ পৰা কাট খাই বেলেগ হৈ পৰিব, যিটোৱে তেওঁলোকক জনতাৰ লগত বান্ধ খুৱাই ৰাখিছে।"

শিক্ষিতসকলক মহত্ব দিয়াবলৈ অসমৰ্থ হোৱাত গান্ধীজীয়ে কৈছিল "মই শিক্ষিত ভাৰতবাসীসকলৰ দ্বাৰা কংগ্ৰেছৰ উন্নতি আৰু পথ প্ৰদৰ্শনৰ বাটত বিঘিনি হ'বলৈ বিচৰা নাই আৰু মই পচন্দ কৰিম যে সেইসকলে এই কাম কৰক মোৰ দৰে মানুহৰ সলনি, যিজনে নিজৰ ভাগ্য সম্পূৰ্ণৰূপে জনতাৰ লগত সাঙুৰি দিছে আৰু যাৰ শিক্ষিত ভাৰতৰ সামূহিক মানসিকতাৰ লগত মৌলিক মতভেদ আছে।"

এজন আমেৰিকান পাদ্ৰীয়ে এবাৰ গান্ধীজীক সুধিছিল যে তেখেতকসকলোতকৈ অধিক অশান্তি ভোগোৱা বস্তু কি? তেখেতে উত্তৰ দিলে "শিক্ষিত বৰ্গৰ হৃদয়ৰ কঠোৰতা।"

তেখেতে স্বীকাৰ কৰিছিল যে তেখেতে বুদ্ধিমানসকলৰ ওপৰত তথাপি প্ৰভাৱ পেলাব খোজে। "কিন্তু কংগ্ৰেছৰ নেতৃত্ব লৈ নহয়, বৰং তেওঁলোকৰ হৃদয়ত লাহে লাহে প্ৰবেশ কৰি।" কংগ্ৰেছৰ ৰাজনৈতিক নেতৃত্বলৈ টানি নিয়াত তে ৰ দুখ হৈছিল। এতিয়া তেখেত তাৰ পৰা আঁতৰ হৈ গৈছে।

১৯২৪ চনত জেলৰ পৰা মুক্তি পোৱাৰ পাছত যেতিয়া তেখেতে নিজা এই মনোভাৱ ব্যক্ত কৰিলে তেতিয়া ভাৰতৰ বায়ুমণ্ডল বিৰোধৰ উচ্চ শব্দৰে ভৰি পৰিল। এইটোৰ উত্তৰত তেখেতে ক'লে "মই পচন্দ নকৰো নে কেতিয়াবা মই পচন্দ কৰিছো যেসকলো কথাৰ বাবে মোৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। ৰাষ্ট্ৰীয় কাম-কাজ চলোৱাৰ এইটো একেবাৰে নিকৃষ্ট উপায়। কংগ্ৰেছ এজন মানুহৰ তামাচা হৈ পৰিব নেলাগে যেনেকৈ সেইজন হোৱাত বিপদ আছে লাগে সেইজন যিমানেই ভাল আৰু মহান নহওক।"

এনে স্বতেও তেখেতক ১৯২৫ চনৰ কংগ্ৰেছ অধিৱেশনৰ অধ্যক্ষতাৰ বাবে মান্তি কৰোৱা হ'ল। তেখেতৰ বন্ধুসকলে যুক্তি দৰ্শালে যে তেখেত আঁতৰি থাকিলে কংগ্ৰেছ দুভাগ হৈ যাব। এফালে তেখেতৰ ৰচনাত্মক কাৰ্য্যক্ৰমক মানোতাসকল আনফালে স্বৰাজ্য পাটি, যিটো গোটেত ৰাজনৈতিক কাৰ্যৰ সমৰ্থন আছিল। তেখেতে এইটোৰ মূল্য উচল কৰিলে, কংগ্ৰেছ সদস্যৰ বাবে খাদী পিন্ধাতো কাৰা চৰ্ত্ত লগায়।

কোনোৱে ক'লে যে ৰাজনীতিৰ পৰা আঁতৰি গ'লে তেখেতে নিজৰ নৈতিক প্ৰভূত্ব হেৰুৱাব লাগিব। ইয়াৰ একেবাৰে স্পষ্ট উত্তৰ আছিল "নৈতিক প্ৰভূত্ব তেখেতৰ লগত লিপিত খাই থকাৰ যত্নেৰে কেতিয়াও তৈয়াৰ নহয়। সেইটো নভবাকৈয়ে আহে আৰু যত্ন নকৰাকৈয়ে হৈ থাকে।"

সচা কথা এয়ে যে তেখেতৰ নৈতিক প্ৰভূত্ব বাঢ়ি গৈ আছিল। সেইটোৰ সন্মান বিচাৰ নকৰাকৈয়ে তেখেতে কি কৰি আছিল আৰু কি নকৰাকৈ আছিল। ভাৰতৰ মাটি আৰু ভাৰতীয় মনোবৃত্তি তেখেতক পালন পোষণ কৰিছিল। ১৯২৫ চনৰ গোটেই বছৰটো তেখেতে ভাৰতৰ ইমুৰৰ পৰা সিমুৰলৈ যাত্ৰা কৰে।

য'লৈকে তেখেত যায়, ভিৰে তেখেতক বেঢ়ি ধৰে। দেৱতা বুলি মনা আৰম্ভ কৰি দিলে। এঠাইত তেখেতক কোৱা হ'ল যেসকলো গোন্ধ জাতিৰ লোকেই তেখেতৰ পূজা কৰিবলৈ লাগিছে। বহুত লোকে তেখেতক বুদ্ধ আৰু কৃষ্ণৰ দৰে অৱতাৰী পুৰুষ বুলি মানিবলৈ ধৰিলে। দূৰ-দূৰণিৰ পৰা মানুহে তেখেতক দৰ্শন কৰিবলৈ আহিবলৈ ধৰিলে।

ঢাকাত সত্তৰ বছৰীয়া এজন বৃদ্ধক তেখেতৰ ওচৰলৈ অনা হ'ল। তেওঁ গান্ধীজীৰ ফটো ডিঙিত ওলোমাই লৈছিল আৰু কান্দিছিল। গান্ধীজীৰ ওচৰলৈ অহাৰ লগে লগে তেওঁ

গান্ধীজীৰ ভৰিত পৰিলে। আৰু প'লিঅৰদৰে বেমাৰৰ পুৰণা অৱস্থাতো চিকিৎসা হোৱাৰ বাবে তেখেতক ধন্যবাদ জনালে সেই বেচেৰাই ক'লে "যেতিয়াসকলো চিকিৎসাই কাম নকৰিলে তেতিয়া মই গান্ধীজীৰ নাম জপ কৰিবলৈ আৰম্ভ কৰি দিলো আৰু এদিন মই সম্পূৰ্ণ সুস্থ হৈ পৰিলো।"

গান্ধীজীয়ে তেওঁক টানকৈয়ে ক'লে "তোমাক মই নহয়, বৰং ভগৱানেহে সুস্থ কৰিলে। অনুগ্ৰহ কৰি মোৰ ফটোখন ডিঙিৰ পৰা আঁতৰাই থোৱা।

লিখা-পঢ়া বুদ্ধিবাদী মানুহো এই বিষয়ত কম নাছিল। এবাৰ যিখন গাড়ীত গান্ধীজীয়ে যাত্ৰা কৰিছিল সেই খন হঠাৎ জোকাৰ মাৰি ৰৈ গ'ল। কোনোবাই শিকলি টানি দিছিল। গম পোৱা গ'ল যে কোনোবা এজন উকীল মূৰটো তললৈ দি গাড়ীৰ পৰা পৰি গৈছিল। যেতিয়া তুলি অনা হ'ল তেওঁ ক'তো দুখ পোৱা নাছিল। দুখ নোপোৱাৰ কাৰণটো তেওঁ ক'লে, তেওঁ গান্ধীজীৰ লগত যাত্ৰা কৰিছিল। গান্ধীজীয়ে হাঁহি মাৰি ক'লে "তেতিয়াহ'লেতো আপুনি গাড়ীৰ পৰা পৰিবই নেলাগিছিল।" কিন্তু এই ধেমেলীয়া কথাষাৰ সেইজন ভক্তই বুজি নেপালে।

যেতিয়া মহিলাসকলে উৰণি লৈ গান্ধীজীৰ ওচৰলৈ আহিছিল তেখেতে কৈছিল "নিজৰ ককায়েকৰ ওচৰত কিহৰ ওৰণি!" আৰু তেতিয়া তেওঁলোকে তৎক্ষণাত ওৰণি গুচাই পেলাইছিল।

টকা-পইচা জমা কৰা বিষয়টোত কাকো খং কৰা নাছিল আৰু কোনেও তেখেতক মানি নোলোৱাকৈ থকা নাছিল। মহিলাসকলৰ অলংকাৰ খোলোৱাত তেখেতে বিশেষ পাইছিল। এবাৰ মোৰ এজন আমেৰিকান বন্ধুৱে তেখেতৰ এখন ফটো আনিবলৈ ক'লে যিখনত তেখেতৰ হাতেৰে কিবা লিখাও আছিল। মই গান্ধীজীক অনুৰোধ কৰিলো যে তেখেতে তাত হস্তাক্ষৰ কৰি দিয়ক "কৰি দিম, যদি তুমি হৰিজন কোষৰ বাবে ২৫ টকা দিয়া তেহে" তেখেতে মিচিকিয়াই হাঁহি ক'লে। মই ক'লো "দহ দিম।" তেখেতে হস্তাক্ষৰ কৰি দিলে।

গান্ধীজী কিছু সংখ্যক মিত্ৰই খাদীক আৱশ্যকতকৈও অধিক মহত্ব দিয়া বুলি দোষ দিছিল। তেওঁলোকৰ কোৱা কথা আছিল এইটো মেচিনৰ যুগ আৰু গান্ধীজীৰ সমস্ত শক্তি, বুদ্ধিমত্তা তথা সাধুতাও সময়ক পিছলৈ লৈ যোৱাত সফল হ'ব নোৱাৰিব।

বহুত লিখা পঢ়া জনা লোকে খাদীক ইতিকিংহে কৰিছিল। তেওঁলোকে ইয়াক মোটা আৰু খহটা বুলি কৈছিল।

গান্ধীজীয়ে বিচাৰ শক্তি আৰু শাৰীৰিক শক্তিক লগ লগাব খুজিছিল, চহৰ আৰু গাঁৱক এক কৰিবলৈ বিচাৰিছিল ধনী আৰু দুখীয়াক পৰস্পৰে বান্ধিবলৈ বিচাৰিছিল।

এই কামে গান্ধীজীক একেবাৰে ভাগৰুৱা কৰি পেলালে। একো একোটা দিনত

সভাবোৰৰ বাবে তিনি চাৰি ঠাইত ৰ'ব লগা, ৰাতি বেলেগ ঠাইত থকা, তেখতৰ চিঠি পত্ৰৰ যোগাযোগ, যিটোও তেখেতে কেতিয়াও এৰি চলা নাছিল, লেখিব নোৱাৰা ব্যক্তিগত কথা বতৰা, যিবিলাকত পুৰুষ আৰু মহিলা ডাঙৰতকৈও ডাঙৰ ৰাজনৈতিক সমস্যাবোৰত তথা সৰুতকৈও সৰু ব্যক্তিগত অভাৱ অভিযোগবোৰত তেখেতৰ পৰামৰ্শ বিচাৰিছিল। এইসকলোৱে তেখেতক দুৰ্বল কৰি পেলাইছিল। সেইবাবে ১৯২৫ চনৰ নৱেম্বৰত তেখেতে সাত দিনৰ উপবাস কৰিলে।

ভাৰত তেখেতৰ বাবে চিন্তা হৈ পৰিল। উপবাস কিয়? গান্ধীজীয়ে ক'লে জনতাই মোৰ উপবাসবোৰলৈ মন-কাণ নিদিয়া হ'ব লাগিব আৰু সেইবোৰৰ চিন্তাও এৰি দিব লাগিব। এইবোৰ মোৰ জীৱনৰে অংগ। যদি মই চকু নোহোৱাকৈ কাম কৰিব পাৰো তেন্তে উপবাস নকৰাকৈও থাকিব পাৰো। বাহিৰৰ জগতখনৰ বাবে চকুৰ যিমান আৱশ্যক অন্তৰ্জগতৰ বাবে উপবাসৰ সম্ভৱ মই সম্পূৰ্ণ ভুল কাম কৰিছো। সেই অৱস্থাত পৃথিৱীয়ে মোৰ চিতাত এইটো বাক্য লিখিব পাৰিব "হে'ৰা মূৰ্খ, তুমি এইটোৰহে উপযুক্ত আছিলা।"

গান্ধীজীৰ উপবাসৰ ফলস্বৰূপে উপবাসৰ বিষয়ে তেখেতৰ বিচাৰ জানিবৰ বাবে অনুৰোধৰ সোঁত ব'বলৈ ধৰিলে। এইবোৰৰ উত্তৰ তেখেতে ইয়ং ইণ্ডিয়াত এটা লেখাৰদ্বাৰা দিলে। তেখেতে লিখিলে "নিজৰ ডাক্তৰ বন্ধুসকলৰ ওচৰত ক্ষমা বিচাৰি, কিন্তু নিজৰ তথা নিজৰ লগৰীয়াসকলৰ সম্পূৰ্ণ অনুভৱৰ আধাৰত মই সংকোচহীনভাৱে কৈছো উপবাস কৰক (১) যদি আপোনাৰ শৌচ খোলোচা নহয় (২) যদি আপোনাৰ শৰীৰত তেজ কম আছে (৩) যদি আপোনাৰ জ্বৰ উঠিছে (৪) যদি আপোনাৰ বদহজম হয় (৫) যদি আপোনাৰ মূৰৰ বিষ আছে (৬) যদি আপোনাৰ বাত বেমাৰ আছে (৭) যদি আপোনাৰ গাঁঠি বিষ আছে (৮) যদি আপুনি জকজকাই উঠে আৰু খং কৰে (৯) যদি আপোনাৰ মন বিষাদেৰে ভৰা হয় (১০) যদি আপোনাৰ অধিক আনন্দ লাগে। তেন্তে আপোনাক একো ব্যৱস্থা পত্ৰৰ আৱশ্যক হ'ব বা বজাৰৰ ঔষধৰো আৱশ্যক ন'হ্ব।

তেখেতৰসকলো ৰোগৰ বাবে এটাই পেটেণ্ট ঔষধ আছিল— উপবাসৰ বাবে তেখেতে লিখিছিল "যেতিয়া ভোক লাগে তেতিয়াহে খাবা তাকো যেতিয়া তুমি খোৱাখিনিৰ বাবে পৰিশ্ৰম কৰিব পাৰিবা।"

তেখেতৰ লিখনিত উপবাস কৰাৰ বা নটা নিয়মো দিছে " ১। আৰম্ভণিতেই নিজৰ শাৰীৰিক আৰু মানসিক শক্তি সঞ্চয় কৰক। ২। উপবাসৰ দিনা খোৱাৰ বিষয়ে ভাবিবলৈকে এৰি দিয়ক। ৩। যিমান খাব পাৰে ঠাণ্ডা পানী খাওক। ৪। সদায় গৰম পানীৰে গাটো মুচিব। ৫। নিয়মিত মতে এনিমা লওক। ৬। মুকলি বতাহত যিমান সময় শুব পাৰে শোৱক ৭। ৰাতিপুৱা বতাহ ঠাণ্ডা হৈ থাকোতেই গা ধোৱক। ৮। উপবাসৰ বিষয়ে ভাবিবলৈ সমূলি এৰি দিয়ক। ৯। তোমাৰ উপবাস লাগে যি অভিপ্ৰায়তেই হওক এই অমূল্য সময়ত সৃষ্টিকৰ্তাৰ

ধ্যান কৰক আৰু আপোনাৰ এনেকুৱা অনুভৱ যে যিটো আপুনি সপোনতো হয়তো আশা কৰা নাছিল।”

গান্ধীজীৰ কংগ্ৰেছ অধ্যক্ষতাৰ বৰ্ষ এতিয়া সমাপ্ত হৈ গৈছিল আৰু ১৯২৫ চনৰ ডিচেম্বৰত কানপুৰত তেখেতে নিজৰ গাদী সৰোজিনী নাইডুক অৰ্পণ কৰিলে। তেতিয়া তেখেতে এবছৰৰ বাবে “ৰাজনৈতিক মৌন” ব্ৰত ল'লে।

গান্ধীজীয়ে দেখিলে যে ৰাজনৈতিক ভাৰত ছিন ভিন তথা সাহসহীন হ'বলৈ ধৰিছে। সেইবাবে মৌনতাৰ বাবে এইটোৱেই ভাল সময়। ❑❑

মৌনতাৰ বছৰটো

মৌন বৰ্ষত বাৰম্বাৰ মৌন সোমবাৰ আছিল, যেতিয়া গান্ধীয়ে একেবাৰেই কথা নকৈছিল। মৌন সোমবাৰৰ দিনা তেখেতে সাক্ষাৎকাৰৰ বাবে অহা লোকসকলৰ কথাবোৰ শুনিছিল আৰু কেতিয়াবা কেতিয়াবা কাগজৰ টুকুৰা এটা ফালি তাতে পেঞ্চিলেৰে কিছু উত্তৰ লিখি দিছিল।

১৯৪২ চনত মই গান্ধীজীক মৌন লোৱাৰ অভিপ্ৰায় সুধিলো।

তেখেতে ক'লে— "এইটো তেতিয়া হ'ল, যেতিয়া মই টুকুৰা টুকুৰ হৈ গৈছিলো, মই কঠোৰ পৰিশ্ৰম কৰিছিলো, অতিপাত গৰমতো ৰে'ল গাড়ীবোৰত যাত্ৰা কৰিছিলো, অনেক সভাত একেৰাহে কথা কৈছিলো, ৰে'লত বা আন ঠাইত হেজাৰ হেজাৰ মানুহ মোৰ ওচৰলৈ আহিছিল আৰু অনেক মানুহ মোৰ ওচৰলৈ আহিছিল আৰু অনেক প্ৰশ্ন সুধিছিল, অনুনয় বিনয় কৰিছিল আৰু মোৰ লগতে প্ৰাৰ্থনা কৰিবলৈ বিচাৰিছিল। মই সপ্তাহত এদিন জিৰণি ল'ব খুজিছিলো। সেই বাবেই মই মৌনতাৰ দিন আৰম্ভ কৰিছিলো। এইটোও সত্য যে পিছত মই ইয়াক তৰহ তৰহৰ গুণেৰে ঢাকি দিলো আৰু আধ্যাত্মিকতাৰ চোলা পিন্ধাই দিলো। কিন্তু বাস্তৱত এইটো নিয়ম কেৱল একেবাৰেই আছিল যে মই এটা দিনৰ ছুটী বিচাৰিছিলো।"

কিন্তু বাৰম্বাৰ সোমবাৰৰ বাদে এই 'মৌন' বৰ্ষ আন একো অৰ্থত নাছিল। তেখেতে যাত্ৰা কৰা নাছিল, ৰাজহুৱা সভাত ভাষণ দিয়া নাছিল, কিন্তু তেখেতে কথা-বতৰা পাতিছিল, লিখা-পঢ়া কৰিছিল, সাক্ষাৎকাৰৰ বাবে অহাসকলক লগ কৰিছিল আৰু ভাৰত তথা অন্যান্য দেশৰ হাজাৰ হাজাৰ ব্যক্তিৰে জেলতে চিঠি পত্ৰৰ যোগাযোগ কৰিছিল।

গান্ধীজীৰ মনোভাবত এটা অত্যন্ত মহত্বপূৰ্ণ পৰিবৰ্তন দেখিবলৈ পাইছিল। তেখেতৰ সন্দেহ হ'বলৈ ধৰিলে যে ব্ৰিটেইনৰ নীতি হিন্দু-মুছলিম একতাৰ বিৰোধী আছিল। চৰকাৰে মুছলমানৰ লগত পক্ষপাতিতা কৰা যেন অনুমান হৈছিল।

গান্ধীজীয়ে ভাবি লৈছিল যে হিন্দু-মুছলমানৰ একতাৰে ভাৰতৰ স্বৰাজপ্ৰাপ্তি হৈ যাব। এতিয়া তেখেতে অনুভৱ কৰিছে যে যেতিয়ালৈকে ইংৰাজৰ 'তৃতীয় দল' ইয়াত উপস্থিত আছে তেতিয়ালৈকে হিন্দু-মুছলিম মিলাজোলা প্ৰায় অসম্ভৱ।

গান্ধীজীৰ ব্যৱস্থা আছিল যে বহুসংখ্যক হিন্দুৱে অল্পসংখ্যক মুছলমানৰ লগত ভাল ব্যৱহাৰ কৰক আৰু উভয়ে অহিংসাৰ পালন কৰক। হিন্দুসকলে উগ্ৰভাৱে তেখেতৰ ওপৰত মুছলিম সমৰ্থনৰ দোষাৰোপ কৰিবলৈ ধৰিলে।

কিন্তু এইটো বছৰৰ আটাইতকৈ প্ৰচণ্ড বিবাদ কুকুৰক লৈয়ে হ'ল। কেইবা মাহলৈকে এই ধুমুহা গান্ধীজীৰ মূৰত ঘূৰি আছিল।

আহমদাবাদৰ মিল মালিক অম্বালাল চাৰাভাইয়ে নিজৰ মিলৰ আশে-পাশে ঘূৰি ফুৰা ষাঠিটা কুকুৰক ধৰাই মাৰি পেলালে।

কুকুৰবোৰক মৰোৱাৰ পাছত সাৰাভায়ে ভয় খাই গ'ল আৰু তেওঁ নিজৰ ব্যথা গান্ধীজীৰ ওচৰত ক'লে। গান্ধীজীয়ে ক'লে— "এইটোৰ বাহিৰে আৰু উপায়নো কি আছিল।"

আহমদাবাদৰ 'জীৱ দয়া সমিতি'য়ে যেতিয়া এই কথা-বতৰাবোৰৰ অৱস্থাৰ বিষয়ে শুনিলে তেতিয়া তেওঁলোক গান্ধীজীৰ মূৰত উঠিল। এখন ক্ৰোধ ভৰা চিঠিত তেওঁলোকে গান্ধীজীলৈ লিখিলে ঃ "যেতিয়া হিন্দু ধৰ্মই যেই কোনো জীৱক হত্যা কৰাতো পাপ বুলি মানে তেনেহ'লে কি আপুনি সেইবাবে পগলা কুকুৰবোৰ মাৰি পেলোৱাটো ঠিক বুলি ভাবিছে যে সেইবোৰে মানুহক কামুৰিব আৰু সিহঁতে কামুৰিলে বেলেগ কুকুৰো পাগল হ'ব"।

গান্ধীজীয়ে এই চিঠিখন 'ইয়ং ইণ্ডিয়া'ত প্ৰকাশ কৰি দিলে আৰু ইয়াৰ উত্তৰত ডেৰ পৃষ্ঠা লিখি ছপালে "মোৰ দৰে অপূৰ্ণ আৰু ভুল কৰোঁতা মানুহৰ আগত বলিয়া কুকুৰক মৰাৰ বাবে বেলেগ একো পথ নাই। কেতিয়াবা কেতিয়াবা এনে মানুহক মাৰি পেলোৱাতো অনিবাৰ্য কৰ্তব্য হৈ পৰে যিজন মানুহক মাৰি পেলোৱা অৱস্থাত পোৱা হয়"।

এইটো লেখাৰ ওপৰত ৰোষেৰে ভৰা পত্ৰৰ সোঁত ব'বলৈ ধৰিলে। ইমানেই নহয় মানুহবোৰ আহি আহি গান্ধীজীক গালি শুনাবলৈ ধৰিলে। কিন্তু গান্ধীজীয়ে নিজৰ কথাত স্থিৰ হৈ থাকিল। 'ইয়ং ইণ্ডিয়া'ৰ দ্বিতীয় সংখ্যাত তেখেতে পুনৰ এনেকৈয়ে লিখিলে।

কুকুৰৰ বিষয়ে ডাকত চিঠি আহি থাকিবলৈ ধৰিলে। 'ইয়ং ইণ্ডিয়া'ৰ তৃতীয় সংখ্যাত গান্ধীজীয়ে এইটোৰ বিষয়ৰ ওপৰত তিনি পৃষ্ঠা লিখি পেলালে। তেখেতে ক'লে যে "কিছুমান বিৰোধী আলোচকেতো শিষ্টতাৰ মৰ্যাদাৰ অতিক্ৰম কৰিলে।

তেখেতে লিখিলে "প্ৰাণ হৰণো কৰ্তব্য হ'ব পাৰে। ধৰি লওঁক কোনোবা মানুহে একো ক'ব নোৱাৰা হৈ তৰোৱাল হাতত লৈ আউল-বাউলকৈ দৌৰি ফুৰিছে, যেয়ে ওচৰলৈ

আছে তাকে মাৰি পেলায় সেই মানুহটো জীৱিত অৱস্থাতে ধৰাবো কোনো উপায় নাই বা কাৰো সাহস নাই। এনেকুৱা বলিয়া লোকক যমপুৰীলৈ পঠোৱাজন সমাজৰ কৃতজ্ঞতাৰহে পাত্ৰ হ'ব লাগে"।

মৌন বৰ্ষত কুকুৰ বিবাদে উত্তেজনাৰ ৰেকৰ্ড প্ৰতিষ্ঠা কৰিলে। কিন্তু এটা গৰু পোৱালীয়েও ধুমুহাৰ সৃষ্টি কৰিলে। আশ্ৰমৰ এটা গৰু পোৱালী বেমাৰত পৰিল। গান্ধীজীয়ে তাৰ চিকিৎসা কৰিলে আৰু যেতিয়া তাৰ দুখ দেখিলে তেতিয়া ঠিৰাং কৰিলে যে তাক মাৰি পেলোৱাই উচিত হ'ব। গান্ধীজীৰ সমুখতে ডাক্তৰে তাক বেজী দিলে যিটোৰ বাবে সি মৰি থাকিল। এইটোৰ বিৰুদ্ধে প্ৰচণ্ডতাপূৰ্ণ চিঠি-পত্ৰৰ সোঁত ববলৈ ধৰিলে। গান্ধীজীয়ে দৃঢ়তাৰে সৈতে কৈ থাকিল যে তেখেতে ভাল কৰিলে।

১৯২৬ চনৰ মৌন বৰ্ষত গান্ধীজীৰ কলম বা পেঞ্চিলেৰে যি বহুতবোৰ লেখা ওলাইছিল সেইবিলাকত তেখেতে গৰ্ভ নিৰোধৰ কৃত্ৰিম উপায়বোৰৰ একেবাহে বিৰোধ কৰে।

শুড চৈমেৰিতন (সকলোৰে ভাল বিচাৰোঁতা) বুলি কৈছিল। তেখেতৰ কোৱা কথা আছিল ঃ "তেওঁ মোৰ বাবে নিজৰ ভাইতকৈও অধিক"। যিমান গভীৰ সম্বন্ধ মোৰ এণ্ডৰুজৰ লগত আছে সিমান আন কাৰোবাৰ লগত আছে বুলি মই নাভাবো"। হিন্দু সন্তক এণ্ডৰুজতকৈ আগবাঢ়ি কোনো সন্তকে লগ পোৱা নাই। ইসাই পাদ্ৰীসকলৰো গান্ধীজীতকৈ আগবাঢ়ি কোনো ইসাই লগ পোৱা নাই। বোধকৰোঁ এইজন ভাৰতীয় আৰু এইজন ইংৰাজ এইবাবেই ভাই-ককাইৰ দৰে আছিল যে তেওঁলোক দুয়োজনেই সঁচা অৰ্থত ধাৰ্মিক আছিল। সম্ভৱ ধৰ্মই এই বাবেই লগ লগাই দিছিল যে ৰাষ্ট্ৰিয়তাই তেখেতসকলক আঁতৰ কৰিব নোৱাৰিছিল। য'ত ৰাষ্ট্ৰিয়তাই মানুহক বেলেগ বেলেগ নকৰে তাত ধৰ্মই তেখেতসকলক ভাই-ককাই তৈয়াৰ কৰে।❑❑

ভাগৰত লেবেজান

যেতিয়া গান্ধীজীয়ে মৌনৰ বছৰটো পাৰ কৰি ওলালে তেতিয়া তেখেতৰ বিচাৰৰ একো পৰিৱৰ্তন হোৱা নাছিল। তেখেতৰ কাৰ্যক্ৰম এতিয়াও সেইটোৱেই আছিল হিন্দু-মুছলিম একতা, অস্পৃশ্যতা নিবাৰণ আৰু খাদীৰ প্ৰচাৰ।

১৯২৬ চনৰ ডিচেম্বৰ মাহত সৱৰমতীৰ পৰা যাত্ৰা কৰি গান্ধীজীয়ে এখনৰ পাছত এখনকৈ সভাবোৰত প্ৰচাৰ কৰি কৰি কংগ্ৰেছ অধিৱেশনত সন্মিলিত হ'বলৈ গুৱাহাটী পালেহি। বাটতে এটা দুঃখদায়ক ঘটনাৰ খবৰ পালে। যিটোৱে ভাৰতকে ভয়ত কঁপাই দিছিল। আব্দুল ৰছীদ নামৰ এজন ডেকা মুছলমান স্বামী শ্ৰদ্ধানন্দক লগ পাবলৈ গৈছিল আৰু তেখেতৰ লগত ধাৰ্মিক সমস্যাক লৈ চৰ্চা কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে। স্বামীজী ৰোগ শয্যাত পৰি আছিল। ডাক্তৰে তেখেতক সম্পূৰ্ণ আৰামত থাকিবলৈ পৰামৰ্শ দিছিল। যেতিয়া স্বামীজীয়ে নিজৰ কোঠাৰ বাহিৰত চাকৰ আৰু তাঁলৈ অহা আগন্তুকৰ মাজত কাজিয়া লগাৰ শব্দ শুনিবলৈ পালে তেতিয়া তেখেতে সেই মানুহজনক ভিতৰলৈ মাতিলে। ভিতৰলৈ অহাত স্বামীজীয়ে আব্দুল ৰছীদক ক'লে যে দুৰ্বলতা আঁতৰ হ'লেই তেওঁৰ লগত আনন্দ মনেৰে কথা পাতিব। তেওঁ খাবলৈ পানী বিচাৰিলে। যেতিয়াই চাকৰজন পানী আনিবলৈ ভিতৰলৈ গ'ল তেতিয়াই আব্দুল ৰছীদে ৰিভলভাৰ উলিয়াই স্বামীজীৰ বুকুত কেইবাটাও গুলী মাৰি তেখেতক মাৰি পেলালে।

মুছলিম বাতৰি কাকতবোৰে স্বামীজীৰ ওপৰত আক্ৰমণ কৰিছিল যে তেখেতে ভাৰতত হিন্দুৰ প্ৰভুত্ব স্থাপিত কৰিবলৈ বিচাৰিছিল। কংগ্ৰেছত নিজা এটা ভাষণত মুছলমানসকলক আশ্বাসন দিলে যে স্বামীজী তেওঁলোকৰ শত্ৰু নাছিল। তেখেতে ক'লে যে আব্দুল ৰছীদ অপৰাধী নাছিল। অপৰাধী সেইসকলেই, যিসকলে এজনে আনজনৰ বিৰুদ্ধে বিদ্বেষৰ ভাৱনাক উদগনি দিছিল।

কংগ্ৰেছ অধিৱেশনত উগ্ৰ ৰাষ্ট্ৰবাদীসকলে পূৰ্ণ স্বাধীনতা তথা ইংলেণ্ডৰ লগত সম্পূৰ্ণ সম্বন্ধ বিচ্ছেদৰ পক্ষত প্ৰস্তাৱ ৰাখে। গান্ধীজীয়ে সেইটোৰ বিৰোধ কৰিলে। তেখেতে

ক'লে— "এইসকল লোকে মানৱ প্ৰকৃতিত তথা নিজেও নিজৰ ওপৰত অশ্ৰদ্ধা দেখুৱাইছে। এইসকল লোকে এনেকৈ কিয় বুজিছে যে ব্ৰিটিছ সাম্ৰাজ্যৰ সঞ্চালকসকলৰ কেতিয়াও হৃদয় পৰিৱৰ্তন হ'ব নোৱাৰে"। যদি ভাৰতে নিজৰ গৌৰৱক অনুভৱ কৰে আৰু শক্তিশালী হৈ পৰে তেন্তে ইংলেণ্ডো নিশ্চয় সলনি হ'ব।

সেইবাবে গান্ধীজীয়ে পুনৰ দেশত ভ্ৰমণ কৰে।

কিন্তু হিন্দু-মুছলমান সমস্যাই গান্ধীজীৰ যত্নক পুনৰ উত্তেজিত কৰিহে তুলিছিল। তেখেতে মানি ল'লে "মই নিৰুপায় হৈ পৰিছো। মই এইটোৰ পৰা হাত ধুই পেলাইছো, কিন্তু মই ঈশ্বৰৰ ওপৰত বিশ্বাস কৰোঁতা"।

কলিকতাৰ পৰা গান্ধীজীয়ে বিহাৰ হৈ মহাৰাষ্ট্ৰলৈ গ'ল। পুণাত ছাত্ৰসকলে তেখেতক ইংৰাজীতে ভাষণ দিবলৈ আহ্বান কৰিলে। গান্ধীজীয়ে ইংৰাজীতে কোৱা আৰম্ভ কৰিলে, কিন্তু অলপ সময়ৰ পাছতে হিন্দুস্তানীত ক'বলৈ ধৰিলে। কিয়নো তেখেতে এইটোক ৰাষ্ট্ৰভাষা কৰিব খুজিছিল। তাৰ পৰা তেখেতে বোম্বাইলৈ আহে, য'ত মানুহবিলাকে তেখেতৰ খুব আদৰ-সাদৰ কৰিলে আৰু খুব টকা-পইচা দিলে। ইয়াৰ পৰা পুনৰ বাংগালোৰৰ গাড়ী ধৰিবলৈ পুণালৈ যায়।

পুণা ষ্টেচনত গান্ধীজীয়ে ইমান দুৰ্বলতা অনুভৱ কৰিলে যে তেখেতক দাণ্ডি নি বাংগালোৰৰ গাড়ীত বহুওৱা হ'ল। তেখেতৰ চকুৰ আগত আন্ধাৰ দেখিবলৈ ধৰিলে আৰু বৰ কষ্টৰেহে এখন পুৰ্জা লিখিব পাৰিলে। ৰাতি টোপনি অহাত সুস্থ হৈ পৰিল আৰু দ্বিতীয় দিনা কোল্‌হাপুৰত তেখেতে সাতখন সভাত ভাষণ দিয়ে, কিন্তু শেষৰখন সভাত তেখেতে ভাগৰত লাল-কাল হৈ পৰি গ'ল।

তথাপি তেখেতে কাম কৰিয়ে আছিল। দ্বিতীয় দিনা তেখেতৰ স্বাস্থ্য ইমান বেয়ালৈ গ'ল যে তেখেতৰ ভাষণ দিয়াৰ শক্তি নোহোৱা হ'ল। কিন্তু তেখেতে আতিথ্য কৰোঁতা গৃহস্থৰ ঘৰৰ পানী নপৰা ঠাইত বহি ৰ'ল আৰু ভিৰ তেখেতৰ আগেদিয়ে ওলাই যাবলৈ ধৰিলে। বেলগাঁৱতে তেখেত এখন সভালৈ গ'ল কিন্তু ভাষণ নিদিলে। শেষত এজন ডাক্তৰে তেখেতক বুজালে যে তেখেতৰ অৱস্থা চিন্তাজনক হৈ পৰিছে আৰু তেখেতে জিৰণি ল'ব লাগে। তেতিয়া তেখেতক এখন পাহাৰীয়া নগৰলৈ লৈ যোৱা হ'ল য'ত সাগৰৰ বতাহো ভালকৈ পোৱা হৈছিল।

নিজৰ বন্ধু তথা চিকিৎসক ডাঃ জীৱৰাম মেহতাৰ আগ্ৰহত গান্ধীজীয়ে দুমাহৰ জিৰণি ল'বৰ বাবে মান্তি হ'ল।

১৯২৭ চনৰ এপ্ৰিল মাহত গান্ধীজীয়ে মহীশূৰত স্বাস্থ্য লাভ কৰি আছিল। দেশীয় ৰাজ্যৰ প্ৰধানমন্ত্ৰীয়ে তেখেতক লগ পাবলৈ আহে আৰু কথা-বতৰাৰ মাজতে তেখেতে গান্ধীজীক আশ্বাস দিলে যে যদি মহীশূৰৰ চৰকাৰী কৰ্মচাৰীসকলে খাদী পিন্ধে তেন্তে তেওঁৰ আপত্তি নাই।

পিছৰটো বছৰত গান্ধীজীৰ চিকিৎসক ডাঃ বিধান চন্দ্ৰ ৰায় তথা ডাঃ মনচেৰ চাহ গিল্‌ডৰে ১৯২৭ চনৰ মাৰ্চত কোলহাপুৰত গান্ধীজীৰ হাৰ্টৰ পাতলীয়া ধৰণৰ চক্‌ হৈছিল। পিছত শৰীৰত সেইটোৰ একো বেয়া প্ৰভাৱ অনুভৱ হোৱা নাই। ডাঃ গিল্‌ডৰ যিজন ১৯৩২ চনৰ পাছত গান্ধীজীৰ হাৰ্টৰ বিশেষজ্ঞ হৈ পৰিছিল, কৈছিলে যে গান্ধীজীৰ হাৰ্ট তেখেতৰ আয়ুস অনুপাতে বহুতো মানুহৰ হাৰ্টতকৈ অধিক শক্তিশালী আছিল। তেখেতৰ (ডাঃ গিল্‌ডৰৰ) জনামতে গান্ধীজীৰ ৰক্তচাপ কেতিয়াও বঢ়া নেপাইছিল, সেই সময়ৰ বাদে সেই অৱস্থাৰে যেতিয়া তেখেতে কিবা মহত্বপুৰ্ণ সিদ্ধান্তলৈ যাবলৈ ধৰা অৱস্থাত লাগি আছিল। এবাৰ গান্ধীজী যেতিয়া শুবলৈ ধৰিছিল তেতিয়া তেখেতৰ ৰক্তচাপ বাঢ়ি আছিল, কিন্তু ৰাতিপুৱা সামান্য হৈছিল, কিয়নো ৰাতিটোৰ ভিতৰতে তেখেতে এটা নিৰ্ণায়ক প্ৰশ্নত নিজৰ মত স্থিৰ কৰি লৈছিল। ডাঃ গিল্‌ডৰৰ কোৱা কথা যে জক্‌জকাই উঠিব লগা অৱস্থাৰ সৃষ্টি কৰোঁতা ব্যক্তিৰ উপস্থিতি বা সমূহীয়া আক্ৰমণ বা নিজৰ কামৰ বিষয়ে চিন্তাই গান্ধীজীৰ ৰক্তচাপৰ ওপৰত কেতিয়াও প্ৰভাৱ পেলাব পৰা নাছিল। ৰক্তচাপ বঢ়াবলগীয়া সেই মন্থন হৈছিল যিটো কিবা সিদ্ধান্তৰ আগতেই তেখেতৰ মস্তিষ্কত কাম কৰিছিল।

নতুন ভাইচৰয় লৰ্ড হৰবিনে ১৯২৬ চনত ৰিগিঙৰ স্থান ল'বলৈ আহি পাইছিল।

কিছু ক্ষেত্ৰত ভাইচৰয়ৰ পদত এজন ধৰ্মপৰায়ণ ব্যক্তিৰ নিযুক্তি এখন ধৰ্মপৰায়ণ দেশত, যিজনৰ বিৰোধী নেতা এজন মহাত্মা আছিল, পঞ্চবাৰ্ষিক শাসনৰ শুভ মুহূৰ্ত বুলি মনা হৈছিল।

কিন্তু উনৈছ মাহলৈকে হৰবিনে কেৱল গান্ধীকে নমতাকৈ থকা নহয়সকলোতকৈ অধিক প্ৰভাৱশালী কোনো ভাৰতীয়ৰে লগত ভাৰতৰ স্থিতিৰ বিষয়ে চৰ্চা কৰিবলৈও কোনো ইচ্ছা নেদেখুৱালো। ১৯২৭ চনৰ ২৬ অক্টোবৰত মংগলুৰত গান্ধীজীৰ ওচৰলৈ খবৰ আহিল যে ভাইচৰয়ে ৫ নৱেম্বৰত তেখেতক লগ পাব খোজে।

ভাইচৰয়ে তৎক্ষণাত নিজৰ যাত্ৰাৰ কাৰ্যসূচী স্থগিত কৰি দিলে আৰু দিল্লীলৈ যাত্ৰা কৰিলে। পূৰ্ব নিৰ্দ্ধাৰিত সময়মতে তেখেতক গান্ধীজীয়ে ওচৰত উপস্থিত কৰোৱা হ'ল। ভিতৰলৈ যোৱাৰ সময়ত তেখেত অকলেই আছিল। ভাইচৰয়ে বিধান সভাৰ অধ্যক্ষ বিঠ্ঠলভাই পেটেল, ১৯২৭ চনৰ কংগ্ৰেছ অধ্যক্ষ শ্ৰীনিবাস আয়েংগাৰ তথা ১৯২৮ চনত নিৰ্বাচিত কংগ্ৰেছ অধ্যক্ষ ডাঃ আন্‌চাৰিকো মাতিছিল।

যেতিয়া এইসকল লোক বহিলে তেতিয়া ভাইচৰয়ে এখন কাগজ দিলে যিখনত এটা চৰকাৰী ব্ৰিটিছ কমিছনৰ ভাবী আগমনৰ ঘোষণা আছিল। এই কমিছনৰ নেতা চাৰ জন চাইমন আছিল তথা ইয়াৰ উদ্দেশ্য ভাৰতীয় স্থিতিৰ ৰিপোৰ্ট দিয়া আৰু ৰাজনৈতিক শুধৰণিৰ চাতুকাৰিতা কৰা হৈছিল।

ইবাৰত পড়ি গান্ধীজীয়ে ওপৰৰ ফালে চালে আৰু প্ৰতীক্ষা কৰি ৰ'ল। ভাইচৰয়ে একো নক'লে।

গান্ধীজীয়ে সুধিলে— "কি আমাক লগ পাব লগা কেৱল এয়ে উদ্দেশ্য"।

"হয়"। ভাইচৰয়ে উত্তৰ দিলে।

বচ্ কথা-বতৰা সিমানতে শেষ হ'ল। গান্ধীজীয়ে মনে মনে দক্ষিণ ভাৰতলৈ উলটি গ'ল।

গান্ধীজীৰ ভাইচৰয়ৰ লগত দেখা দেখি হোৱাৰ পাছত আন ভাৰতীয় নেতাসকলকো চাইমন কমিছনৰ ভাবী আগমনৰ এনেদৰেই জাননী দিয়া হ'ল। কাৰো লগতে কিবা আলোচনা বা একো কথাই নহ'লে। হৰবিনে আশা প্ৰকাশ কৰিছিলে ভাৰতবাসীয়ে এই কমিছনৰ সাক্ষী দিয়ক আৰু পৰামৰ্শ দাঙি ধৰক।

চাইমন কমিছন বৰ্কনহেডৰ মস্তিষ্কৰ আধা কেঁচেলুৱা উৎপত্তি আছিল।

চাইমন কমিছনৰ বতৰাই ভাৰতক স্তম্ভিত কৰি দিলে। এই কমিছনে ভাৰতৰ ভাগ্যৰ নিৰ্ণয় কৰোঁতা আছিল। কিন্তু ইয়াৰ সদস্য এজনো ভাৰতীয় নাছিল।

১৯২৮ চনৰ ৩ ফেব্ৰুৱাৰীত চাইমন কমিছনে বোম্বাইত পদাৰ্পণ কৰাত ক'লা পতাকা দেখুৱালে আৰু "চাইমন উলটি যোৱা"ৰ ধ্বনিৰে সেই কমিছনক আদৰণি জনোৱা হ'ল। যেতিয়ালৈকে কমিছন ভাৰতত থাকিল, তাৰ সদস্যসকলৰ কাণত এই ধ্বনি গুঞ্জৰিত হৈ থাকিল।

ছাইমনে আপোচ কৰাৰ যত্ন কৰিছিল। হৰবিনে প্ৰলোভন দেখুৱালে আৰু মিনতিও কৰিলে, কিন্তু প্ৰতিনিধিৰ শাৰীত থকা এজনো ভাৰতীয়ই তেওঁক লগ কৰিব নুখুজিলে। কমিছনে সাধুতাৰে যত্ন কৰিলে আৰু তথ্যসমূহ তথা অতিড়োৰ সাৱধানেৰে সম্পাদিত এটা কিতাপ তৈয়াৰ কৰিলে। ব্ৰিটিছৰ শাসনত এইটো এটা বিদ্বতাপূৰ্ণ গুণানুকীৰ্তন আছিল।❑❑

সত্যাগ্ৰহৰ বাবে সাজু

গান্ধীজীয়ে যুদ্ধত বৰ লাহে লাহে নামিছিল। বেছিভাগ বিদ্ৰোহীৰ বিপৰীতে নিজা বিপক্ষৰ পৰা যুদ্ধ সামগ্ৰী প্ৰাপ্ত নকৰিছিল। ইংৰাজসকলে তেখেতক তেখেতৰ বিশেষ স্ব-নিৰ্মিত হাথিয়াৰ 'সবিনয় অৱজ্ঞা'ৰ ব্যৱহাৰ কৰাৰ বাবে সুবিধা দিছিল। ১৯২২ ফেব্ৰুৱাৰীত চৌৰিচৌৰাত ভিৰৰ দ্বাৰাই পুলিচৰ চিপাহীক নিৰ্মম হত্যাই তেখেতক বাৰতোলীৰ সত্যাগ্ৰহ স্থগিত কৰিবলৈ উদ্‌গনি দিছিল, কিন্তু তেখেতে পাহৰি যোৱা নাছিল। তেখেতে ছটা বছৰ প্ৰতীক্ষা কৰিলে আৰু ১৯২৮ চনৰ ১২ ফেব্ৰুৱাৰীত সেই ঠাইতে বাৰডোলিত সত্যাগ্ৰহৰ শংখ বজালে।

গান্ধীজীয়ে এইটোৰ সঞ্চালনা নিজে নকৰিলে। তেখেতে দূৰৰ পৰাহে চাই থাকিবলৈ ধৰিলে। সেই বিষয়ত দীঘল দীঘল লেখা লিখি থাকিলে আৰু ব্যাপকভাৱে নিৰ্দেশনা আৰু প্ৰেৰণা দি থাকিল। বাস্তৱিক নেতা আছিল বল্লভভাই পেটেল আৰু তেখেতৰ সহায়ক আব্বাছ তৈয়বজী।

পেটেলৰ নেতৃত্বত গাঁওবাসীসকলে খাজানা দিয়া বন্ধ কৰি দিলে। কলেক্টৰসকলে তেওঁলোকৰ ম'হবোৰ জব্দ কৰি পেলালে। খেতিয়কসকলক খেতিৰ মাটিৰ (পথাৰৰ) পৰা খেদি পঠোৱা হ'ল। পাকঘৰবিলাকতো আক্ৰমণ চলালে আৰু খাজানাৰ সলনি কাঁহী-বাতি কোৰোক কৰি নিবলৈ ধৰিলে। খেতিয়কসকলে অহিংসাকে পালন কৰি আছিল।

১২ জুনত বাৰডোলিক সন্মান জনাই গোটেই ভাৰততে ধৰ্মঘট পালন কৰা হ'ল। পেটেলৰ যিকোনো সময়তে গ্ৰেপ্তাৰৰ আশংকা আছিল। সেইবাবে ২ আগষ্টত গান্ধীজী বাৰডোলী গৈ পালে। ৩ আগষ্টত চৰকাৰে আঁঠু ল'লে। তেওঁলোকে কথা দিলে যেসকলোবোৰ কয়দীক এৰি দিয়া হ'ব। কোৰোক কৰাসকলো মাটি ঘূৰাই দিয়া হ'ব, কোৰোক কৰা জন্তু বা সেইবোৰৰ মূল্য ঘূৰাই দিয়া হ'ব আৰু মূল কথা এয়ে যে বঢ়াই দিয়া খাজানা মাফ কৰি দিয়া হ'ব।

গান্ধীজীয়ে দেখুৱাই দিলে যে তেখেতৰ হাথিয়াৰ কামত অহাটো প্ৰমাণিত হ'ল।

কি তেখেতে এইটোৰ বিশালভাৱে প্ৰয়োগ কৰিবলৈ বিচাৰিব?

ভাৰতত উখল-মাখল লাগিছিল। ১৯২৮ চনৰ ৩ ফেব্ৰুৱাৰীত যেতিয়া ছাইমন কমিছনে বোম্বাইত খোজ থৈছিল, ভাৰতে তাক বহিষ্কাৰ কৰি দিছিল। গান্ধীজীৰ বহিষ্কাৰ ইমানেই পূৰ্ণ আছিল যে তেখেতে কমিছনৰ নামকে লোৱা নাছিল। তেখেতৰ বাবে সেইটোৰ অস্তিত্বই নাছিল। কিন্তু বাকী লোকসকলে সেইটোৰ বিৰুদ্ধ প্ৰদৰ্শন কৰিলে। লাহোৰত এখন বিশাল ছাইম বিৰোধী সভাত পঞ্জাব কেশৰী লালা লাজপত ৰায়ৰ ওপৰত পুলিচৰ লাঠীৰ কোব পৰিল আৰু অলপ দিনৰ পাছতে তেখেতৰ মৃত্যু হ'ল। সেইটো সময়ৰ ওচৰা-ওচৰিকৈ লক্ষ্নৌত ছাইমন বিৰোধী সভাত জৱাহৰলাল নেহেৰুৰ গাতো লাঠিৰ কোব পৰে। ১৯২২ চনৰ ডিচেম্বৰত লাহোৰৰ সহায়ক পুলিচ চুপাৰিণ্টেডেণ্ট চান্দগ্যৰ হত্যা কৰা হ'ল। ভগত সিং যাৰ ওপৰত এই হত্যাৰ আৰোপ আছিল, পলাই দিলে আৰু তৎক্ষণাত বীৰৰ শাৰীত স্থান পালে।

বংগদেশত ধুমুহা চৰাই সুভাষচন্দ্ৰ বসু, যিজনৰ বিচাৰ ধাৰা আছিল— "মোক তেজ দিয়ক আৰু মই তোমাৰ লগত স্বাধীনতাৰ বাজী লগাইছো"। বহুত লোকপ্ৰিয় হৈ পৰিল আৰু উত্ৰাবল ডেকা ল'ৰাৰ এটা ডাঙৰ দল তেওঁৰ লগ লাগিল। গান্ধীজীয়ে এই দুৰ্বল বাতাবৰণক চিনি পালে। তেখেতৰ মুখৰ পৰা এটা মাত্ৰ শব্দ ওলাবহে লাগিছিল হাজাৰ হাজাৰ বাৰডোলীয়া জাগি উঠিলেহেঁতেন। কিন্তু চতুৰ যুদ্ধ নায়কৰ দৰে গান্ধীজীয়ে উপযুক্ত সময় আৰু স্থান সাৱধানে বাছি লয়।

অনিশ্চিততাৰ এনে মানসিক স্থিতিত গান্ধীজীয়ে ১৯২৮ চনৰ ডিচেম্বৰত কলিকতাত হ'ব লগা কংগ্ৰেছ অধিৱেশনলৈ গুচি গ'ল।

কংগ্ৰেছ অধিৱেশনত পোনে পোনে কাৰ্যবাহী বিচাৰিলে। কিন্তু গান্ধীজীয়ে জানিছিল যে সংগঠন কি বস্তু আৰু বাস্তৱিকতা কি হয়। কংগ্ৰেছে যুদ্ধৰ কথা কৈছিল। কি এই সেনা কামৰ আছিলনে? গান্ধীজীয়ে কংগ্ৰেছৰ আমূল পৰিৱৰ্তন কৰিবলৈ বিচাৰিছিল।

কিন্তু কংগ্ৰেছে নিজৰ প্ৰতিবাদ বিচৰা নাছিল। সাৱধানতা তেওঁলোকৰ কাৰ্যক্ৰমতেই নাছিল। ডেকাসকলৰ নেতৃত্ব কৰোঁতা সুভাষচন্দ্ৰ বসু আৰু জৱাহৰলাল নেহেৰুৱে বিচাৰিছিল যে অতি সোনকালে স্বাধীনতা ঘোষণা কৰিব লাগে আৰু তাৰ পাছত স্বাধীনতাৰ যুদ্ধ লগাই দিব লাগে। গান্ধীজীয়ে পৰামৰ্শ দিলে যে ব্ৰিটিছ চৰকাৰক দুবছৰৰ সতৰ্কবাণী দিব লাগে। যদি ১৯২৯ চনৰ ৩১ ডিচেম্বৰলৈকে ভাৰতক উপনিৱেশ পৰ্যায়ৰ অন্তৰ্গত স্বাধীনতা লাভ নহয় তেন্তে "মই নিজকে "স্বাধীন লোক" বুলি ঘোষণা কৰি দিম।

১৯২৯ চনৰ বছৰটো দুৰ্বল আৰু নিৰ্ণায়ক হ'বলৈ ধৰিছিল।

৮ এপ্ৰিলত ভগত সিঙে লেজিচলেটিভ এচেম্বলী ভৱনলৈ গৈ সদস্যসকলৰ মাজত দুটা বোমা দলিয়ালে আৰু পিষ্টলেৰে গুলী চলাবলৈ ধৰিলে। ছাৰ জন ছাইমনে গেলেৰীত বহি এই ঘটনা দেখিলে। এইটো ভাৰতত তেওঁৰ বৰ ডাঙৰ অনু ৰ আছিল। সেই মাহতে কমিছন ইংলণ্ডলৈ উভতি গ'ল।

১৯২৯ চনৰ মে' মাহত ইংলণ্ডৰ ৰাষ্ট্ৰীয় নিৰ্বাচনত মজদূৰ দলে অল্পমত পালে কিন্তু

যিহেতু এই দলৰ সদস্যৰ সংখ্যাসকলোতকৈ অধিক আছিল। সেইবাবে সেইদলে পদ গ্ৰহণ কৰিলে আৰু ৰেম্‌জ মেকড'নাল্ড প্ৰধানমন্ত্ৰী হ'ল। জুন মাহত লৰ্ড হাৰবিনে নতুন চৰকাৰৰ পৰা আৰু বিশেষকৈ ভাৰতৰ নতুন ৰাজ্য সচিব মিষ্টাৰ ৱেজৱড বেনৰ লগত আলোচনা-বিলোচনা কৰিবলৈ ইংলণ্ডলৈ যায়।

১৯৩০ চনৰ ১ জানুৱাৰী হ'বলৈ তেতিয়া বেছি দিন নাছিল।

লৰ্ড হাৰবিনে মজদুৰ চৰকাৰৰ সদস্য আদিৰ লগত কেইবামাহো আলোচনা কৰি অক্টোবৰত ঘূৰি আহিল। ভাইচৰয়ে দেখিলে যে ভাৰতৰ পৰিস্থিতি "বিপদৰ অৱস্থাৰ দাঁতিত" আছে। ১৯৩০ চনৰ মহান ৰণাহ্বানৰ বাবে সম্পূৰ্ণ সাজু হৈ পৰিল।

সেই অনুসৰি ১৯২৯ চনৰ অক্টোবৰ মাহত শেষ তাৰিখত লৰ্ড হাৰবিনে 'নিজৰ অতি মহত্বপূৰ্ণ ব্যাখ্যান' দিলে যিটোত গোলমেজ পৰিষদক মতাৰ কথা আছিল।

কিছু দিনৰ পাছত গান্ধীজীয়ে দিল্লীত ডাঃ আনচাৰী, শ্ৰীমতী এনি বেচান্ত, মতিলাল নেহেৰু, ছাৰ তেজ বাহাদুৰ চাপ্ৰু, পণ্ডিত মালবীয়, শ্ৰীনিবাস শাস্ত্ৰী আদিক লগ ধৰে আৰু এখন নৈতাসকলৰ ঘোষণা পত্ৰ প্ৰকাশিত কৰা হ'ল। ভাইচৰয়ৰ ঘোষণাৰ প্ৰতি ইয়াৰ প্ৰতিক্ৰিয়া অনুকূল আছিল।

গান্ধীজী তথা বয়োবৃদ্ধ ৰাজনীতিজ্ঞসকলৰ এনে মৈত্ৰীপূৰ্ণ মনোভাৱে যেন ধুমুহাহে বোৱালে, বিশেষকৈ জৱাহৰলাল নেহেৰু তথা সুভাষচন্দ্ৰ বসুৰ ফালৰ পৰা। কিন্তু এইটোত বিচলিত নহৈ তথা ভৰসা কৰি যে ৰাষ্ট্ৰই ইংৰাজৰ শান্তিপূৰ্ণ সমাধান স্বীকাৰ কৰি ল'ব, গান্ধীজী আৰু তেখেতৰ লগৰসকলে নিজা নিজা অনুসন্ধান চলাই থাকিল। তেখেতে ২৩ ডিচেম্বৰত ভাইচৰয়ৰ লগত সাক্ষাৎ কৰাৰ সময় নিশ্চিত কৰিলে।

এই সাক্ষাৎ আঢ়ৈ ঘণ্টা চলিল। গান্ধীজীয়ে সুধিলে যে ভাইচৰয় মহোদয় এনেকুৱা গোলমেজ পৰিষদৰ বচন দিব পাৰিব লাগে, যিটোৱে ভাৰতক সম্পূৰ্ণ আৰু অতি সোনকালে উপনিবেশিক পৰ্যায় দিব পৰা আঁচনি তৈয়াৰ কৰিব, যিটোত সাম্ৰাজ্যৰ পৰা বেলেগ হোৱাৰ অধিকাৰো সম্মিলিত হ'ব?

হৰবিনে উত্তৰ দিলে যে কিবা বিশেষ মনোভাৱ অধিকাৰ কৰিবলৈ তেওঁ পৰিষদৰ নিৰ্ণয়ৰ আগতে কল্পনা কৰিবলৈ বা সেইটো বান্ধনি দিবলৈ সম্পূৰ্ণ অসমৰ্থ।

এনেবিলাক ঘটনাই ডিচেম্বৰৰ শেষত লাহোৰত জৱাহৰলাল নেহেৰুৰ অধ্যক্ষতাত হ'ব লগা ঐতিহাসিক কংগ্ৰেছ অধিৱেশনৰ ভূমিকা হ'ল।

ঠিক সেইটো ক্ষণতে যেতিয়া ১৯২৯ ৰ বছৰটো শেষ হৈ ১৯৩০ বৰ্ষ আৰম্ভ হ'ল কংগ্ৰেছে গান্ধীজীক নিজৰ সূত্ৰধাৰ হিচাপে লৈ স্বাধীনতাৰ পতাকা উৰুৱাই দিলে আৰু পূৰ্ণ স্বাধীনতা তথা সম্বন্ধ বিচ্ছেদৰ ঘোষণা কৰা প্ৰস্তাৱ পাছ কৰি দিলে।

সত্যাগ্ৰহ কেতিয়া, ক'ত আৰু কি ভাবে কৰা যাব এইবোৰ নিৰ্ণয় লোৱাটো গান্ধীজীৰ ওপৰত এৰি দিলে।❑❑

সমুদ্ৰৰ পাৰৰ ৰংগভূমি

গান্ধীজী ব্যক্তিৰ সুধাৰক আছিল। সেইবাবে তেখেতৰ এনেবিলাক উপায়ৰ কথা চিন্তা আছিল যিবিলাকৰ দ্বাৰা ভাৰতৰ মুক্তিপ্ৰাপ্ত হ'ব পাৰে। যদি উপায়বোৰে ব্যক্তিকে ভ্ৰষ্ট কৰি দিয়ে তেন্তে লাভতকৈ লোকচানহে বেছিকৈ হ'ব।

নতুন বছৰৰ সন্ধিয়াৰ হৃদয় পৰশা সমাৰোহৰ পাছৰ সপ্তাহত গান্ধীজীয়ে সত্যাগ্ৰহৰ এনে এটা ৰূপৰ অনুসন্ধানত আছিল যে যিটোত হিংসাৰ একো সম্ভাৱনাই নাথাকে।

ৰবীন্দ্ৰনাথ ঠাকুৰ, যিজন সেই সময়ত সৱৰবমতীৰ আশে-পাশে আছিল। ১৮ জানুৱাৰীত গান্ধীজীক লগ পাবলৈ আহে। তেখেতে সুধিলে যে ১৯৩০ চনত গান্ধীজীয়ে দেশক কি দিব খোজে। গান্ধীজীয়ে উত্তৰ দিলে— "মই ৰাতিয়ে-দিনে ব্যগ্ৰতাৰে ভাবি ভাবি আছো, কিন্তু মই ঘোৰ অন্ধকাৰত পোহৰৰ একো ৰেঙণি দেখা পোৱা নাই"।

ছয় সপ্তাহ পৰ্যন্ত গান্ধীজীয়ে অন্তৰাত্মাৰ পৰা অহা শব্দ শুনাৰ পথ চাই থাকে।

শেষত বোধকৰোঁ তেখেতে সেই শব্দ শুনিবলৈ পালে, যিটোৰ অৰ্থ হ'ব পাৰে যে এটা সিদ্ধান্তলৈ আহি পৰিলে, কিয়নো 'ইয়ং ইণ্ডিয়া'ৰ ২৭ ফেব্ৰুৱাৰীৰ সংখ্যাত গান্ধীজীৰ 'মোৰ গ্ৰেপ্তাৰৰ পাছত' শীৰ্ষক সম্পাদকীয় লেখাৰে আৰম্ভ হয়, আৰু পুনৰ তাত নিমখ আইনৰ অত্যাচাৰক বহুত ঠাই দিয়া হয়। পাছৰ সংখ্যাত নিয়ম আইনৰ অন্তৰ্গত দিয়া হোৱা শাস্তিৰ উল্লেখ কৰা হয়। ১৯৩০ চনৰ ২ মাৰ্চত গান্ধীজীয়ে ভাইচৰয়লৈ এখন দীঘলীয়া চিঠি লিখিলে, যিখনত জাননী দিয়া হ'ল যে ন দিনৰ পাছত সত্যাগ্ৰহ আৰম্ভ হৈ যাব।

কোনো চৰকাৰী সৰ্বোচ্চ অধিকাৰীয়ে ইয়াতকৈ অধিক অদ্বিতীয় পত্ৰ আজিলৈকে পোৱা নাছিল।

প্ৰিয় মিত্ৰ,

সত্যাগ্ৰহ আৰম্ভ কৰাৰ আগতে আৰু যি বিপদৰ বাবে মই ভয় কৰিছো, সেইটো কৰাৰ আগতে মই আপোনাৰ লগত কথা-বতৰা পতা আৰু কিবা উপায় উলিয়াবলৈ বিচাৰিছো।

মোৰ নিজৰ নিষ্ঠা একেবাৰে স্পষ্ট। জানি বুজি মই কোনো জীৱকে মাৰ ধৰ-কৰি কষ্ট দিব নোৱাৰো, মানুহকনো কেনেকৈ তেনে কৰিব পাৰিম, লাগে সেইসকলো মোৰ বা মোৰ

লগৰে আনক যিমানেই বেছি লোকচান নকৰক। সেইবাবে এইটো মানিও যদি লোৱা হয় যে ব্ৰিটিছ শাসন এটা অভিশাপ, মই কোনোবা এজন ইংৰাজৰ বা তেওঁৰ উচিত হিতৰ হানি কৰাৰ কোনো ধাৰণাই নকৰোঁ।

আৰু ব্ৰিটিছ শাসনক মই অভিশাপ বুলি কিয় ধৰিছো?

নিজৰ উত্তৰোত্তৰ শোষণৰ পদ্ধতি আৰু নষ্ট কৰোঁতা সৈনিক তথা চিভিল শাসনৰ খৰচৰ বাবে, যিটো এইখন দেশে কেতিয়াও বহন কৰিব নোৱাৰে, ইয়াৰ কোটি কোটি মুক ব্যক্তিক শুহি পেলালে।

ৰাজনৈতিকভাৱে তেওঁলোকে আমাক গোলাম কৰি পেলালে। তেওঁলোকে আমাৰ সংস্কৃতিৰ শিপা ফোপোলা কৰিলে আৰু নিজৰ নিঃঅস্ত্ৰীকৰণৰ নিৰ্দয় নীতিৰ বাবে আমাক আধ্যাত্মিক ৰূপেও তললৈ নমাই দিলে।

মোৰ ভয় হৈছে যে অদূৰ ভৱিষ্যতে ভাৰতক স্বায়ত্ত শাসন দিয়াৰ কোনো ইচ্ছা নাই।

এইটো দিনৰ পোহৰৰ দৰে স্পষ্ট যে দায়িত্বশীল ব্ৰিটিছ ৰাজনীতিজ্ঞ নীতিত এনে কিবা পৰিৱৰ্তন কৰাৰ বিচাৰ নকৰে, যিটোৰ পৰা ব্ৰিটেইনৰ বেপাৰত প্ৰতিকূল প্ৰভাৱ পৰিব। যদি শোষণৰ প্ৰক্ৰিয়াক অন্ত কৰিবৰ বাবে একো কৰা নেযায় তেন্তে বৰ খৰতকীয়াভাৱেই ভাৰত ৰক্ত ৰঞ্জিত হ'ব।

মই আপোনাৰ ওচৰত কেইটামান মুখ্য কথা ডাঙি ধৰিছো।

সমস্ত আয়ৰ বহুতো বেছি ভাগ ভূমিৰ পৰা প্ৰাপ্ত হয়। সেইটোত যি ভয়ংকৰ হেঁচা পৰিছে, তাত স্বতন্ত্ৰ ভাৰতত পৰ্যাপ্ত পৰিৱৰ্তন হোৱা আৱশ্যক। সমস্ত আয় পদ্ধতিত এনে শুধৰণি হোৱা দৰকাৰ যে তাৰ পৰা খেতিয়কসকলৰ ঘাইকৈ উপকাৰ হয়। কিন্তু ব্ৰিটিছৰ নিয়ম-নীতিবোৰ এনেভাৱে তৈয়াৰ কৰা যেন লাগে যে সেইবোৰে খেতিয়কসকলৰ জীৱনক মুচৰি পেলায়। নিজকে জীয়াই ৰাখিবৰ বাবে তেওঁলোকে যি নিমখ ব্যৱহাৰ কৰিব লগা হয় সেইবোৰ পৰ্যন্ত এনেভাৱে খাজানা লগোৱা হৈছে যে তাৰ সবাতোকৈ অধিক বোজা তেওঁলোকৰ ওপৰত পৰে। আইনেসকলোকে একেডাল লাঠিৰেই খেদে। দুখীয়া মানুহৰ বাবে সেই খাজানা আৰু গধুৰ যেন লাগে, যেতিয়া এইটো কথা ধাৰণা হয় যে এইটো এনে বস্তু যিটো দুখীয়াসকলে ধনীসকলতকৈ বেছিকৈ খায়। মদ আৰু ঔষধৰ পৰাও দুখীয়াসকলৰ পৰাই উপাৰ্জন হয়। সেইবোৰে তেওঁলোকৰ স্বাস্থ্য আৰু নৈতিকতাৰ ভেটিটোকে ফোঁপোলা কৰি পেলায়।

ওপৰত যি অন্যায়ৰ উল্লেখ কৰা হৈছে, তেওঁলোকে এই বিদেশী শাসনটো চলাবৰ বাবে কৰে যিটো সঁচা অৰ্থত সংসাৰসকলোতকৈ বেছি দামী শাসন। নিজৰ দৰমহাৰ কথাই ধৰক। তেওঁলোকে প্ৰতি মাহে ২১,০০০ হেজাৰতকৈও বেছি পায়। নেদেখাকৈ লোৱা ভাট্টা

আদি বেলেগেই। আপোনাৰ ৭০০) টকাত কৈ প্ৰতিদিনে অধিক পায়। য'ত নেকি ভাৰতৰ গড় হিচাপে উপাৰ্জন দু অনাতকৈও প্ৰতিদিনে কম। এনেকৈ আপুনি ভাৰতৰ গড় হিচাপে আয়তকৈ পাঁচ হেজাৰ গুণতকৈও কিছু অধিকহে লৈ আছে। ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে ব্ৰিটেইনৰ গড় হিচাপে আয়তকৈ কেৱল নব্বৈৰ গুণহে লয়। মই আঁঠু কাঢ়ি আপোনাৰ ওচৰত মিনতি কৰিছো যেন আপুনি এই বিষয়ে বিচাৰ কৰে। এইটো নিজৰ দৃষ্টান্তৰে মই এটা দুখ লগা সত্যক আপোনাৰ ডিঙিৰ পৰা আঁতৰাবৰ বাবে কৰিছো। মানুহ হিচাপে আপোনাৰ প্ৰতি মোৰ মনত ইমান মান আছে যে মই আপোনাৰ চিন্তাধাৰাক আঘাত দিয়াৰ ইচ্ছা কৰিব নোৱাৰো। মই জানো যিমান দৰমহা আপুনি পায়, সিমানখিনিৰ আপোনাৰ আৱশ্যক নাই। সম্ভৱ আপোনাৰ সমস্ত দৰমহা দান কৰোঁতেই যায়, কিন্তু যি নিয়মৰ দ্বাৰা এনে ব্যৱস্থা হৈছে তাক সোনকালে অন্ত পেলাব লাগে। ভাইচৰয়ৰ দৰমহাৰ বিষয়ে যিটো সত্য সেইটোৱেইসকলো সাধাৰণ শাসনৰ বিষয়তো। ব্ৰিটিছ চৰকাৰৰ সু-সংগঠিত হিংসাক সুব্যৱস্থিত অহিংসাইহে বাধা দিব পাৰিব।

এই অহিংসা.সবিনয় অৱজ্ঞা ৰূপে দেখা দিব। যিটো বৰ্তমানলৈকে সত্যাগ্ৰহ আশ্ৰমৰ বাসিন্দাসকলতে সীমিত হ'ব পাৰে, কিন্তু শেষত তালৈ সেইসকল লোকো আহি যাব পাৰে যিসকলে সন্মিলিত হ'ব খুজিব।

মোৰ ইচ্ছা অহিংসাৰ দ্বাৰা ব্ৰিটিছসকলক পৰিবৰ্তন কৰা আৰু এনেদৰে তেওঁলোকক এইটো দেখুৱাবও লাগে যে ভাৰতক তেওঁলোকে কিমান হানি কৰিছে। মই আপোনাৰ দেশবাসীৰ হানি কৰিবলৈ নিবিচাৰো। মইতো তেওঁলোকৰ সেৱাহে কৰিব খোজো; যিদৰে নিজৰ দেশৰ বাবে কৰিব খোজো।

যদি ভাৰতৰ মানুহে মোৰ লগলৈ আহে, যিদৰে মই আশা কৰোঁ যে আহিব, তেতিয়া তেওঁলোকে যেনেধৰণৰ কষ্ট সহ্য কৰিব সেইটোত শিলৰ দৰে কঠিন হৃদয়ো গলি যাব। হয়, যদি ব্ৰিটিছ ৰাষ্ট্ৰ ইয়াৰ আগতেই পিছ হুহকি যায় তেনেহ'লে সুকীয়া কথা।

সবিনয় অৱজ্ঞাৰ আঁচনিৰ দ্বাৰা সেইবোৰ বেয়াৰ নিৰাকৰণ হ'ব, যিটো মই ওপৰত উল্লেখ কৰিছো। মই বৰ আদৰৰ ভাবেৰে আপোনাক আমন্ত্ৰণ দিছো যাতে আপুনি সেই বেয়াবোৰক সোনকালেই আঁতৰ কৰিবৰ বা পথ পকী কৰক আৰু এনেদৰে সমান ব্যক্তিৰ বাস্তৱিক কনফাৰেন্সৰ বাবে পথ পৰিষ্কাৰ কৰক। যদি আপুনি এই বেয়াবোৰ দূৰ কৰিবৰ বাবে কোনো উপায় উলিয়াব নোৱাৰে আৰু যদি মোৰ এই পত্ৰৰ আপোনাৰ হৃদয়ত একো প্ৰভাৱ নপৰে তেন্তে এই মাহৰ এঘাৰ দিনৰ দিনা আশ্ৰমৰ ইমানবোৰ সংগী লগৰীয়াৰে সৈতে, যিমানখিনিক মই নিব পাৰোঁ, লোণ আইনৰ ধাৰাক ভংগ কৰিবৰ বাবে ওলাই যাম। মই জানো যে আপুনি মোক গ্ৰেপ্তাৰ কৰি মোৰ আঁচনিক বিফল কৰিব পাৰিব। মোৰ আশা যে অনুশাসনমূলক উপায়েৰে হেজাৰ হেজাৰ লোক মোৰ পাছতো এই কামক বৰ্তাই ৰাখিবলৈ সাজু হ'ব।

যদি আপুনি এই বিষয়টোৰ ওপৰত মোৰ লগত চৰ্চা কৰিবলৈ বিচাৰে আৰু তেতিয়ালৈকে এই পত্ৰৰ প্ৰকাশিতক স্থগিত কৰাবলৈ বিচাৰে তেন্তে টেলিগ্ৰাম দি দিব। টেলিগ্ৰাম পোৱাৰ লগে লগে মই আনন্দেৰে বন্ধ কৰি দিম।

এই পত্ৰখন মই কোনো প্ৰকাৰৰ ধমকী দিবৰ বাবে লিখা নাই। বৰং এটা নিষ্ক্ৰিয় প্ৰতিৰোধ কৰোঁতাৰ সামান্য তথা পৱিত্ৰ কৰ্তব্যৰ ৰূপতহে লিখা হৈছে। সেইবাবে মই এইখন এজন এনে যুৱক ইংৰাজ বন্ধুৰ হাতত পঠাইছো, যিজনে ভাৰতীয়ৰ হিতত বিশ্বাস কৰে।

আপোনাৰ সঁচা বন্ধু

মো. ক. গান্ধী

এই পত্ৰখন ভাইচৰয়ৰ ওচৰলৈ যোৱাজন এজন ইংৰাজ শান্তিবাদী (ক্ৰেকৰ) ৰেজিনাল্ড ৰেনাল্ডচ্ আছিল। তেখেতে ভাইচৰয় ভৱনলৈ গৈ এই পত্ৰখন ভাইচৰয়ক দিয়ে, যিজনে এইখন নিবৰ বাবে মেৰঠৰ পোলোমেচ এৰি শীঘ্ৰে ঘূৰি আহিছিল।

হৰবিনে উত্তৰ নিদিয়াটোকে ভাল হ'ব বুলি ভাবিলে। তেওঁৰ সচিবে প্ৰাপ্তি স্বীকাৰ কৰি চাৰি শাৰী লিখি পঠালে "হিজ এক্সেলেন্সীক এইটো জানি দুখ হৈছে যে আপুনি এনে কাৰ্য প্ৰণালীৰ কথা ভাবিছে, যিটোত আইনৰ উলংঘন আৰু সামাজিক বিপদ স্পষ্টৰূপে সম্ভাৱনীয়"।

এই আইন আৰু ব্যৱস্থাৰ ভাগটোৱে য'ত ন্যায় আৰু নীতিৰ সমস্যা সমাধানৰ অস্বীকাৰ কৰিছিল, গান্ধীজীৰ মুখেদি এই শব্দ উলিয়ালে "মই আঁঠু কাঢ়ি লৈ ৰুটী খুজিলো তাৰ সলনি মই শিলগুটি পালো"। হৰবিনে গান্ধীজীক লগ কৰিবলৈ অমান্তি হ'ল। তেখেতক গ্ৰেপ্তাৰো নকৰালে। গান্ধীজীয়ে ক'লে— "চৰকাৰ বৰ হায়ৰাণ আৰু ব্যগ্ৰ"। বিদ্ৰোহীক নধৰা বিপদৰ কথা আছিল আৰু ধৰে যদি তাতোকৈ বিপদ আছিল।

১১ মাৰ্চত সমস্ত দেশ আৱেগ আৰু কৌতূহলেৰে উত্তেজিত হৈ পৰিছিল।

গান্ধীজী প্ৰতীয়মান হ'ল যে জীৱনৰ এইটোসকলোতকৈ ভাল সময়।

১২ মাৰ্চত প্ৰাৰ্থনা কৰি গান্ধীজী তথা আশ্ৰমৰ আঠসত্তৰজন নিবাসীয়ে সবৰমতীৰ পৰা দাণ্ডিলৈ প্ৰস্থান কৰিলে। গান্ধীজীৰ হাতত এক ইঞ্চি শকত আৰু ৫৪ ইঞ্চি দীঘল লাঠী আছিল, যিডালৰ এটা মূৰত লোহা লগোৱা আছিল। ধূলিৰে ভৰা বাটেৰে গাঁৱৰ মাজেদি গান্ধীজী আৰু তেখেতৰ ৭৮ জন অনুগামীয়ে ২৪ দিনত ২০০ মাইল বাট পাৰ কৰিলে। গান্ধীজীয়ে ক'লে— "আমি ভগৱানৰ নামত কিবা কৰি আছো"।

যেতিয়া ৫ এপ্ৰিলত গান্ধীজী গৈ দাণ্ডি পালে তেতিয়ালৈ আশ্ৰমবাসীসকলৰ এই সৰু দলটো বাঢ়ি বাঢ়ি গৈ কেইবা হেজাৰৰ অহিংসক সেনা হ'লগৈ।

৫ এপ্ৰিলৰ গোটেই ৰাতি আশ্ৰমবাসীসকলে প্ৰাৰ্থনা কৰিলে আৰু ৰাতিপুৱাসকলোটি গান্ধীজীৰ লগত সাগৰৰ পাৰলৈ গ'ল। গান্ধীজীয়ে সাগৰত সাঁতুৰিলে আৰু পাৰলৈ উঠি

আহি সাগৰৰ ঢৌৱে এৰি থৈ যোৱা অলপ নিমখ বুটলিলে। এনেদৰেই গান্ধীজীয়ে ব্ৰিটিছ চৰকাৰৰ সেই আইন ভংগ কৰিলে, যি অনুসাৰে চৰকাৰী ঠিকাত নোলোৱা নিমখ খোৱাটো দোষণীয় আছিল।

এখন শক্তিশালী চৰকাৰক সামূহিকভাৱে ৰণাহ্বান দি এচিকটা নিমখ তুলি লোৱা আৰু অপৰাধী হৈ পৰা ইয়াৰ বাবে এজন মহান কলাকাৰৰ অনুভৱ, জাকজমক আৰু প্ৰদৰ্শন ক্ষমতাৰ আৱশ্যক

নিমখ বুটলাৰ পাছত গান্ধীজী তাৰ পৰা আঁতৰি গ'ল। এইটোৱ পৰাই গোটেই ভাৰতে সংকেত পালে।

ইয়াৰ পিছতে হাথিয়াৰ নোলোৱাকৈ বিদ্ৰোহ হ'ল। ভাৰতীয়ৰ দীঘলীয়া সাগৰৰ পাৰত বিভিন্ন গাঁওবাসীসকলে নিমখ তৈয়াৰ কৰিবৰ বাবে কেৰাহী আদি লৈ সাগৰত নামি পৰিল। পুলিচে সমূহীয়াভাৱে গ্ৰেপ্তাৰ কৰা আৰম্ভ কৰি দিলে। পুলিচে বল প্ৰয়োগো আৰম্ভ কৰিলে। সত্যাগ্ৰহীসকলে গ্ৰেপ্তাৰৰ প্ৰতিবাদ কৰা নাছিল কিন্তু নিজে তৈয়াৰ কৰা নিমখ জব্দ কৰাৰ বিৰোধিতা কৰিছিল।

গাঁৱত লাখ লাখ মানুহে নিমখ তৈয়াৰ কৰিবলৈ ধৰিলে। লোণ সত্যাগ্ৰহ গোটেই দেশতে বিয়পি পৰিল। প্ৰায় এক লাখ ৰাজনৈতিক অপৰাধীক জেলত ভৰাই দিয়া হ'ল।

গান্ধীজীয়ে দাণ্ডিৰ সাগৰৰ পাৰত নিমখ তৈয়াৰ কৰিলে। তাৰ এমাহৰ পাছত গোটেই ভাৰত ৰোষভৰা বিদ্ৰোহেৰে উতলি উঠিছিল, কিন্তু সতগাঁৱৰ বাদে দেশৰ ক'তো হিংসা হোৱা নাছিল আৰু কংগ্ৰেছৰ ফালৰপৰাও ক'তো হিংসা হোৱা নাছিল।

৪ মে'ত গান্ধীজীৰ শিবিৰ কৰাডীত আছিল। সেই ৰাতিয়েই বাৰ বাজি পঞ্চল্লিছ মিনিটত যেতিয়াসকলো শুই আছিল চুৰাটৰ ইংৰাজ জিলা মেজিষ্ট্ৰেতে ত্ৰিশজন হাথিয়াৰ লোৱা চিপাহী আৰু দুজন অফিচাৰক লগত লৈ চাৰিওফালে বেৰ থকা মুকলি ঠাইডোখৰ আক্ৰমণ কৰিলে। ইংৰাজ অফিচাৰে গান্ধীজীৰ মুখত টৰ্চৰ পোহৰ পেলালে। গান্ধীজী সাৰ পাই উঠিল আৰু মেজিষ্ট্ৰেটক ক'লে— "কি আপুনি মোক বিচাৰিছে নেকি?" মেজিষ্ট্ৰেটে ব্যৱহাৰিকৰূপে সুধিলে— "কি আপুনি মোহনদাস কৰমচাঁদ গান্ধী নেকি?"

"হয় মহাশয়।"

"মই আপোনাক গ্ৰেপ্তাৰ কৰিবলৈ আহিছো।"

"কৃপা কৰি মোক নিত্যকৰ্ম কৰি ল'বলৈ অলপ সময় দিয়ক।"

মেজিষ্ট্ৰেটে মানি ল'লে।

দাঁত ঘহি থকা অৱস্থাৰেই গান্ধীজীয়ে ক'লে— "মেজিষ্ট্ৰেট মহোদয়, কি মই জানিব পাৰোনে যে মোক কি অপৰাধত গ্ৰেপ্তাৰ কৰিবলৈ লোৱা হৈছে? কি ১২৪ দফাত নেকি?"

"নহয় মহাশয়, ১২৪ দফাত নহয়। মোৰ ওচৰত লিখিত হুকুমনামা আছে"।

গান্ধীজীয়ে সুধিলে— "কি আপুনি সেইখনি পঢ়ি শুনাই কৃপা কৰিবনে?"

মেজিষ্ট্ৰেটে পঢ়িলে — "যিহেতু গৱৰ্ণৰ জেনেৰেল ইন কাউন্সিলে মোহনদাস কৰমচাঁদ গান্ধীৰ কাৰ্যবাহীক বিপদ হ'ব পাৰে বুলি বুজিছে, সেয়ে তেওঁৰ আদেশ যে উক্ত মোহনদাস কৰমচাঁদ গান্ধীক ১৮২৮ ৰ ৰেগুলেচন ৩৫ ৰ অধীনত আবদ্ধ কৰি ৰখা হওক আৰু চৰকাৰৰ ইচ্ছা হয় তেতিয়ালৈকে তেওঁ কাৰাবাস ভূগিব আৰু অতি সোনকালে য়াৰবেদা জেল পোৱাব লাগে।

গান্ধীজীয়ে পণ্ডিত খৰেক ভজন গাবলৈ ক'লে। ভজনৰ অৱস্থাতে গান্ধীজীয়ে মূৰ দোঁৱালে আৰু প্ৰাৰ্থনা কৰিলে। পুনৰ তেখেত মেজিষ্ট্ৰেটৰ ওচৰলৈ গ'ল আৰু তেওঁলোকে সাজু কৰি থোৱা গাড়ীত তুলি লৈ গ'ল।

গান্ধীজীৰ ওপৰত কোনো মোকৰ্দমা নচলিল, শাস্তিও একো নহ'ল আৰু জেলৰ মিয়াদো নিশ্চিত কৰা ন'হল।

জেলত প্ৰৱেশ হোৱাত জেলৰ অধিকাৰীয়ে গান্ধীজীৰ উচ্চতা জুখিলে। তেখেত ৫ ফুট ৫ ইঞ্চি ওখ আছিল। হয়তো কেতিয়া তেখেতক পুনৰ অনুসন্ধান কৰিব লগা হ'ব পাৰে সেইবাবে তেখেতৰ শৰীৰত কিবা চিন আছে নেকি বিচাৰিব ধৰিলে। সোঁ কৰঙণত এটা কটা ঘাৰ দাগ আছিল, সোঁ চকুৰ তলৰ পতাত তিল আৰু বাওঁ কিলাকুটিৰ তলত মাহ চিৰাৰ দৰে এটা চিন।

গান্ধীজীয়ে জেলত থাকি ভাল পাইছিল। গ্ৰেপ্তাৰ হোৱাৰ এসপ্তাহৰ পাছত তেখেতে মীৰা বহনলৈ লিখিলে— "মই ইয়াত বৰ আনন্দত আছো আৰু টোপনিৰ কম হোৱাখিনি পূৰা কৰি লৈছো"।

নিজৰ মৌন পালন কৰা দিনটোও আশ্ৰমৰ সৰু ল'ৰা-ছোৱালীবোৰলৈ এখন চিঠি পঠালে।

"সৰু সৰু চৰাইবোৰে, সাধাৰণ চৰাইবোৰে পাখী নহ'লে উঠিব নোৱাৰে। অ' পাখী যদি থাকেসকলোবোৰ উৰিব পাৰিব। কিন্তু পাখী নথকা তোমালোকে উৰিবলৈ শিকি লোৱা যদি তোমালোকৰসকলো বিপদ আঁতৰ হ'ব। আৰু মই তোমালোকক উৰিবলৈ শিকাম।

চোৱাচোন মোৰ পাখী নাই, কিন্তু মনেৰে মই উৰি উৰি সদায় তোমালোকৰ ওচৰ পাওঁগে। চোৱা তেওঁ হ'ল সৰু বিমলা, এওঁ হৰি আৰু এওঁ ধৰমকুমাৰ। আৰু মনেৰে উৰি তোমালোকো মোৰ ওচৰলৈ আহিব পাৰা।

মোক কোৱাচোন বাৰু তোমালোকৰ কোনে কোনে প্ৰভু ভাইৰ সন্ধিয়াৰ প্ৰাৰ্থনাত ভালকৈ প্ৰাৰ্থনা কৰা নাই?

তোমালোকসকলোৱে চহী কৰি মোলৈ চিঠি পঠাবা। যেয়ে চহী কৰিব নোৱাৰে সেইজনে (X) ক্ৰচ্ লগাই দিব।

"বাপুৰ আশীৰ্বাদ"

গ্ৰেপ্তাৰ হোৱাৰ অলপ সময়ৰ আগতে গান্ধীজীয়ে ভাইচৰয়ৰ নামত এখন পত্ৰৰ আঁচনি তৈয়াৰ কৰিছিল, যিখনত লিখিছিল যে "যদি ঈশ্বৰৰ ইচ্ছা হয়" তেন্তে তেখেতৰ ইচ্ছা কিছু সংখ্যক লগৰীয়াক লৈ ধৰাচনাৰ লোণ ভাণ্ডাৰত ঘেৰাও কৰাৰ কথা। ঈশ্বৰৰ এই কাম মঞ্জুৰ নহ'ল কিন্তু গান্ধীজীৰ লগৰীয়াসকলে এই আঁচনিক ব্যৱহাৰ কৰিবৰ বাবে ওলাল। শ্ৰীমতী সৰোজিনী নাইডুৰ নেতৃত্বত পচিছ শ স্বয়ং সেৱক সেই ঠাই গৈ পালে।

ইউনাইটেড প্ৰেছৰ বিখ্যাত সংবাদদাতা ৱেব মিলৰ তাত উপস্থিত আছিল আৰু তেওঁৰ তাৰ চলন্ত বিৱৰণী লিখে। "নিমখৰ বিশালী শাৰীবিলাকৰ চাৰিওফালে খাৱৈ খানি দিয়া হৈছিল আৰু কাঁটা তাঁতৰৰ বেৰ লগাই দিয়া হৈছিল। মণিলাল গান্ধীৰ নেতৃত্বত গান্ধীজীৰ সেনা সম্পূৰ্ণ নিস্তব্ধতাৰে আগবাঢ়ে আৰু বেৰাৰ পৰা প্ৰায় এশগজমান আঁতৰতে ৰৈ যায়। ভীৰৰ পৰা খাৱৈ পাৰ হৈ গৈ কাঁটা তাৰৰ বেৰাৰে ওচৰ পালেগৈ। পুলিচ অফিচাৰে তেওঁলোকক পিছলৈ যাবলৈ হুকুম দিলে, কিন্তু তেওঁলোক আগলৈ গৈ থাকিল। হুকুম পোৱাৰ লগে লগে বিছজনমান চিপাহী আগবাঢ়ি যোৱা লোকসকলৰ ওপৰত জপিয়াই পৰিল, আৰু তেওঁলোকৰ সূৰত লোহাৰ মুঠি লগা লাঠীৰে কোবাবলৈ ধৰিলে। কোনো এজন সত্যাগ্ৰহীয়ে মাৰৰ পৰা ৰক্ষা পাবলৈ হাত পৰ্যন্ত লৰচৰ নকৰিলে। নে কিবা কাজিয়া কৰিলে নে টনা আঁজোৱা সত্যাগ্ৰহীসকল কেৱল আগলৈ গৈ আছিল যেতিয়ালৈকে লাঠিৰ কোবত পৰি যোৱা নাছিল।"

এজন ইংৰাজ অফিচাৰ সৰোজিনী নাইডুৰ ওচৰলৈ গ'ল আৰু ক'লে "আপোনাক গ্ৰেপ্তাৰ কৰা হৈছে।" মণিলালকো গ্ৰেপ্তাৰ কৰিলে।

ইংৰাজসকলে ভাৰতবাসীক লাঠি আৰু বন্দুকৰ কুন্দাৰে মাৰিছিল। ভাৰতবাসীয়ে হাতে ভৰিয়ে ধৰা নাছিল, একো আপত্তিও কৰা নাছিল, পিছ হুহকিও যোৱা নাছিল। এই কথাটোৱে ইংলেণ্ডক বলহীন আৰু ভাৰতক অজেয় কৰিলে। ❑❑

বিদ্ৰোহীৰ লগত মন্ত্ৰণা

ইংলেণ্ডৰ কিছুমান মজদুৰ দলৰ মন্ত্ৰী আৰু তেওঁলোকৰ সমৰ্থকে ভাৰতৰ স্বাধীনতাক সমৰ্থন কৰিছিল। গান্ধীজী আৰু হাজাৰ হাজাৰ ৰাষ্ট্ৰবাদীক জেলত থোৱা মজদুৰ দলৰ বাবে লাজৰ কথা হৈছিল। লৰ্ড হাৰবিনৰ কাৰণেতো গান্ধীজীৰ কাৰাবাস ব্যগ্ৰতাৰ অধিক আছিল। এইটোৰ পৰা তেওঁৰ শাসনেই ঢিলা হৈ পৰিছিল।

মেক্‌ডঁানল্ড (বৃটিছ প্ৰধান মন্ত্ৰী) আৰু হৰবিনৰ বাবে এই স্থিতি ৰাজনৈতিক দৃষ্টিৰে অসহনীয় আছিল। জেলত সোমাই থকা গান্ধীজী তেওঁলোকৰ বাবে ব্যগ্ৰতাৰ কাৰণ আছিল, যিমান সত্যাগ্ৰহৰ যাত্ৰাত আহে বা সাগৰৰ দাতিত বা আশ্ৰমত।

নিজৰ নিমগ্নতা আৰু ভাৰতত বাঢ়ি যোৱা বিদ্ৰোহক অনুভৱ কৰি অধিকাৰীসকলে মহাত্মাজীৰ গ্ৰেপ্তাৰৰ দুসপ্তাহৰ পাছতেই ১৯ আৰু ২০ মে'ত লণ্ডনৰ মজদুৰ দলৰ পত্ৰিকা 'ডেইলী হেৰল্ড'ৰ সংবাদদাতা অতি সুন্দৰ আৰু ৰঙা ডাৰিৰে জৰ্জ স্লোকামক জেলত গান্ধীজীক লগ কৰিবলৈ অনুমতি দিলে। গান্ধীজীয়ে স্লোকামক সেই চৰ্তৰ কথা ক'লে যিটোত তেওঁ বৃটিছ চৰকাৰৰ লগত বুজাবুজিলৈ আহিবৰ বাবে সাজু হ'ব পাৰিলেহেঁতেন। জুলাইত ভাইচৰয়ৰ ইচ্ছাত উদাৰ ভাৱাপন্ন দলৰ নেতা ছাৰ তেজবাহদুৰ চপ্ৰু আৰু শ্ৰীজয়কাৰ মন্ত্ৰণাৰ বাবে জেলত গান্ধীজীৰ ওচৰলৈ যায়। গান্ধীজীয়ে কৈ দিলে যে কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ পৰামৰ্শ অবিহনে তেখেতে তেওঁলোকৰ পৰামৰ্শৰ উত্তৰ দিব নোৱাৰে। সেই অনুসাৰে মতিলাল নেহেৰু, জৱাহৰলাল নেহেৰু আৰু চৈয়দ মহম্মদক সংযুক্ত ৰাজ্যৰ জেলৰ পৰা বিশেষ ৰেলেৰে গান্ধীজীৰ ওচৰলৈ পুণা জেললৈ পঠালে। য'ত শ্ৰীমতী নাইডু আৰু বল্লভ ভাই পেটেলে জেলত আছিল।

দুটা দিন (২৪-২৫ আগষ্ট)ৰ চৰ্চাৰ অন্তত নেতাসকলে সামূহিক ভাৱে ঘোষণা কৰিলে যে তেওঁলোকৰ আৰু বৃটিছ চৰকাৰৰ স্থিতিৰ মাজত "মিলি যাব নোৱাৰা খাৱৈ" আছে।

১৯৩০ চনৰ ১৪ নৱেম্বৰৰ স্বাধীনতা দিৱসত হৰবিনে গান্ধীজী, মতিলাল নেহেৰু, জৱাহৰলাল নেহেৰু তথা বিছজনতকৈও অধিক কংগ্ৰেছী নেতাক বিনা স্বৰ্তে মুক্ত কৰি

দিলে। এনে সদ্‌ভাৱনাসূচক সংকেতৰ সন্মানৰ অৰ্থে গান্ধীজীয়ে ভাইচৰয়লৈ সাক্ষাৎকাৰৰ বাবে পত্ৰ লিখিলে।

হৰৱিন তথা গান্ধীজীৰ প্ৰথমটো সাক্ষাৎকাৰ ১৩ ফেব্ৰুৱাৰীৰ আবেলি ২-৩০ বজাত আৰম্ভ হয় আৰু সন্ধিয়া ৬-৩০ বজালৈকে চলে।

গান্ধীজী আৰু হৰৱিন ১৮ ফেব্ৰুৱাৰীত তিনি ঘণ্টালৈকে আৰু ১৯ তাৰিখে আধা পৰ্যন্ত পুনৰ লগ হয়। ইয়াৰ ভিতৰতে হৰৱিনে নিজৰ অধিকাৰীসকললৈ ছহেজাৰ মাইল দূৰলৈ টেলিগ্ৰাম পঠায় আৰু গান্ধীজীয়ে নতুন দিল্লীত কংগ্ৰেছ কাৰ্যকাৰিণীৰ সদস্যসকলৰ লগত দীঘলীয়া বৈঠক কৰি আছিল। (মতিলাল নেহেৰুৰ ৬ ফেব্ৰুৱাৰীত মৃত্যু হৈছিল)। দুয়োটা পক্ষৰ মাজত ইফালৰ পৰা সিফাললৈ দৌৰি ফুৰি চপ্ৰু, জয়কৰ আৰু শাস্ত্ৰীয়ে পৰিস্থিতিৰ পৰা আঁতৰি থাকিবলৈ যত্ন কৰিছিল।

কঠিনতাৰ সৃষ্টি হ'বলৈ ধৰিলে। সাতদিন পৰ্যন্ত একো কথা-বাৰ্তা নহ'ল ১ মাৰ্চত পুনৰ গান্ধীজীয়ে হৰৱিনক লগ পাবলৈ আহে আৰু দুয়ো আধা ৰাতিলৈকে কথা-বতৰা পাতে। ৰাতি ২ বজাত গান্ধীজীয়ে খোজ কাঢ়িয়েই নিজৰ থকা ঠাই পায়গৈ।

শেষত বহুত পৰস্পৰৰ বাদ-বিবাদৰ অন্তত ৫ মাৰ্চৰ ৰাতিপুৱা গান্ধী-হৰৱিন সন্ধিপত্ৰত হস্তাক্ষৰ হ'ল। দুয়োখন ৰাষ্ট্ৰৰ ৰাজনীতিজ্ঞসকলে এখন চুক্তি পত্ৰত এখন মিট্‌মাট পত্ৰত, এখন স্বীকৃত আঁচনিত হস্তাক্ষৰ কৰি দিলে, যিখনৰ প্ৰতিটো বাক্য, প্ৰতিটো চৰ্ত, কঠোৰ বন্দোবস্তিৰে টক্‌ৰিয়াই টকৰিয়াই তৈয়াৰ কৰা হৈছিল। বৃটিছ প্ৰৱক্তাসকলে দাবী কৰিলে যে এই যুদ্ধত হৰৱিন জিকিলে আৰু এই দাবীৰ পক্ষত আৰু বহুতো ক'ব পৰা গ'লহেঁতেন। কিন্তু মহাত্মাজীয়ে যিমান দূৰৰ কথা বিচাৰ কৰিছিল তেখেতৰ সন্মান বিচাৰত ভাৰত আৰু ইংলেণ্ডৰ মাজত সিদ্ধান্তৰূপে যি সমানতাৰ দুৱাৰ প্ৰতিষ্ঠিত হৈ গৈছিল সেইটো সেই ব্যৱহাৰিক ঈশ্বৰ্য্যতকৈও অধিক মহত্বপূৰ্ণ আছিল যিহে তেওঁলোকে এই অনিচ্ছুক সাম্ৰাজ্যৰ পৰা লুটিব পাৰিলেহেঁতেন।

সন্ধি পত্ৰত হস্তাক্ষৰ হোৱাৰ অতি অলপ সময়ৰ পাছতে চৰকাৰৰ ওপৰত সেইটো ভংগ কৰাৰ আৰোপ লগোৱা হ'ল আৰু এইবাৰ গান্ধীজীয়ে নতুন ভাইচৰয় লৰ্ড বিলিংডনৰ লগত পুনৰ মন্ত্ৰণা কৰিব লগাত পৰে। বিবাদ নিষ্পত্তি হোৱাৰ পাছত কৰাছীৰ কংগ্ৰেছ অধিৱেশনে যিটো সুভাষচন্দ্ৰ বসুৱে কোৱাৰ দৰে 'মহাত্মাজীৰ লোকপ্ৰিয়তা তথা প্ৰতিষ্ঠাৰ সৰ্বোচ্চ শিখৰ আছিল। গান্ধীজীক দ্বিতীয় গোলমেজ পৰিষদলৈ নিজা একমাত্ৰ প্ৰতিনিধি নিৰ্বাচন কৰে।

গান্ধীজী ১২ ডিচেম্বৰত লণ্ডন গৈ পায় আৰু ২৫ ডিচেম্বৰলৈকে ইংলণ্ডত থাকে। তেখেতে লণ্ডনৰ ইষ্ট এন্দ (পূবৰ মূৰ) ত কিন্তলে হ'ল নামৰ ভৱনত কুমাৰী মিউৰিঅল লেষ্টৰৰ আলহী হৈ থাকে।

মিত্ৰসকলে তেখেতক কৈছিল যে যদি তেখেত কোনোবা হোটেলত থাকে তেন্তে তেখেতৰ কামৰ বাবে তথা জিৰণিৰ বাবেও কেইঘণ্টামান ওলালেহেঁতেন। কিন্তু গান্ধীজীয়ে ক'লে যে তেখেতে নিজৰ নিচিনা দুখীয়া মানুহৰ লগত থাকিহে আনন্দ পায়।

ৰাতিপুৱা সময়ত গান্ধীজীয়ে কিগ্‌স্লে হলৰ চাৰিওফালে সৰু সৰু পথবোৰত ঘূৰি ফুৰিছিল, য'ত নিম্নবৰ্গৰ লোক থাকে। কামলৈ যাবলগীয়া পুৰুষ তিৰোতাই মিচিকিয়া হাঁহিৰে তেখেতক অভিবাদন জনাইছিল আৰু কিছু মানুহে তেখেতৰ লগত কথা-বতৰা পাতিবলৈও ধৰিছিল। ল'ৰা-ছোৱালীবোৰে দৌৰ মাৰি আহে আৰু তেওঁৰ হাতত ধৰেহি।

বাতৰি কাকতৰ বাবে গান্ধীজী অদ্ভুত বস্তু আছিল আৰু সংবাদদাতাসকলে তেখেতৰসকলো প্ৰকাৰৰ গতিবিধিৰ বাতৰি দিছিল। জৰ্জ স্লোকামে গান্ধীজীৰ উদাৰতাৰ বিষয়ে এটা কাহিনী লিখে আৰু উদাহৰণ হিচাপে ক'লে যে যেতিয়া ইংলণ্ডৰ যুৱৰাজ ভাৰতলৈ গৈছিলে তেতিয়া গান্ধীজীয়ে তেওঁৰ চৰণত পৰিছিল। পিছৰ বা গ্লোকামৰ লগত লগ হওঁতে গান্ধীজীয়ে হাঁহিলে আৰু ক'লে "মিষ্টাৰ গ্লোকাম, এই কথাই আপোনাৰ কল্পনাকো লাজত পেলাইছে। মই ভাৰতৰ দুখীয়াতকৈও দুখীয়া অস্পৃশ্যৰ আগত আঁঠু কাঢ়িম আৰু তেওঁৰ চৰণৰ ধূলি লৈ ল'ম। কিন্তু মই যুৱৰাজনো কি বাদশাহ পৰ্যন্তলৈকে ভৰিত নপৰো, কেৱল এই কাৰণতে যে তেওঁ ধৃষ্টতাপূৰ্ণ পৰাক্ৰমৰ প্ৰতিনিধি।"

বাদছাহ পঞ্চম জৰ্জ তথাৰানী মেৰীৰ লগত চাহ খাবৰ বাবে গান্ধীজী বকিংধম মহললৈ গ'ল। এই ঘটনাৰ আগতে গোটেই ইংলণ্ডত এইটো উৎসুকতা যে তেখেতে কি পিন্ধি যাব। তেখেতে চুৰীয়া, চেন্দেল, দুডলীয়া কাপোৰ আৰু ওলোমাই লোৱা ঘড়ী পিন্ধি গ'ল। পিছত কোনোবাই সুধিছিল যথেষ্ট কাপোৰ কানি পিন্ধি গৈছিল নে নাই। তেখেতে উত্তৰ দিলে "বাদশ্বাহে ইমান কাপোৰ পিন্ধি আছিল যে আমাৰ দুয়োৰে বাবে যথেষ্ট আছিল।"

ইংলণ্ডৰ যুদ্ধকালীন প্ৰধানমন্ত্ৰী ডেভিদ লায়ড জৰ্জে গান্ধীজীক অতি কম সময়ৰ ভিতৰতে নিজৰ ফাৰ্মলৈ মাতি পঠালে। তেখেতসকলৰ তিনি ঘণ্টা কথা বতৰা হ'ল। ১৯৩৮ চনত যেতিয়া মই লায়ত জৰ্জক লগ পাবলৈ শীঘ্ৰে গৈছিলো তেতিয়া তেওঁ গান্ধীজীৰ লগত হোৱা কথা-বতৰাৰ উল্লেখ কৰিছিল। তেওঁ কৈছিল চাকৰ-বাকৰসকলেও এইটো কাম কৰিলে যিটো কোনো আলহীয়ে তেওঁলোকক কৰিবৰ বাবে প্ৰেৰিত কৰিব পৰা নাছিল। তেওঁলোকসকলোৱেই এই সন্তজনক লগ পাবলৈ বাহিৰলৈ ওলাই আহে।

চাৰি বছৰৰ পাছত মই গান্ধীজীক ক'লো যে জৰ্জ লায়ডে তেখেতৰ লগত কথা-বতৰা হোৱাৰ কথাৰ বিষয়ে মোৰ লগত কথা পাতিছিল। গান্ধীজীয়ে উৎসুকতাৰে সোধে "ভাল বাৰু, তেওঁ কি কৈছিল।"

"তেওঁ কৈছিল যে আপুনি তেওঁৰ গাড়ীত বহি গ'ল আৰু যেতিয়াই আপুনি বহিলে তেতিয়াই এটা ক'লা মেকুৰী যিটো তেওঁলোকে আগতে কাহানিও দেখা পোৱা নাছিল। খিড়িকীয়েদি আহি আপোনাৰ কোলাত বহিলেহি।"

গান্ধীজীয়ে মনত পেলাই ক'লে "কথাটো সঁচা" "জৰ্জ লায়ডে এইটোও ক'লে যে যেতিয়া আপুনি গুচি গ'ল মেকুৰীও অদৃশ্য।

গান্ধীজীয়ে ক'লে "এই কথাটো মই নেজানো" মই পুনৰ ক'লো "জৰ্জ লায়ডে কৈছিল যে যেতিয়া মিচ্ স্লড কম সময়ৰ বাবে আপোনাক লগ পাবলৈ আহে তেতিয়াও সেই মেকুৰীজনী আকৌ আহিল।" এইটো কথাও মই নেজানো গান্ধীজীয়ে ক'লে।

চাৰ্লি চেপ্‌লিনৰ গান্ধীজীক লগ পাব খুজিলে। গান্ধীজীয়ে কেতিয়াও তেওঁৰ নাম শুনা নাছিল, তেখেতে কেতিয়াও কথাছবি চোৱা নাছিল। যেতিয়া তেখেতক চাৰ্লি চেপলিনৰ বিষয়ে কোৱা হ'ল তেতিয়া তেখেতে না কৰি দিলে। কিন্তু যেতিয়া তেখেতক কোৱা হ'ল যে চাৰ্লি চেপলিনৰ জন্ম এঘৰ দুখীয়া মানুহৰ ঘৰত হৈছিল তেতিয়া তেখেতে ডাঃ কটিয়ালৰ ঘৰত তেওঁৰ লগত কথা- বতৰা হয়। চাৰ্লি চেপলিৰসকলোতকৈ প্ৰথম প্ৰশ্ন আছিল যে মেচিনৰ বিষয়ত তেখেতৰ মনত কি। সম্ভৱ এই প্ৰশ্নৰ উত্তৰৰ পৰাই এই অভিনেতাজনক পাছত এখন কথাছবি বনোৱাৰ প্ৰেৰণা পাব পাৰে।

জৰ্জ বানাৰ্ড শ্বোৱেও গান্ধীজীক লগ পোৱাৰ সন্মান লাভ কৰে। শ্বোৱে অসাধাৰণ নম্ৰতাৰে সৈতে গান্ধীজীৰে হাত মিলায় আৰু নিজক নিজে মহাত্মা মাইনৰ (সৰু মহাত্মা) বুলিলে। শ্বোৰ ধেমেলীয়া কথাত গান্ধীজীৰ বৰ ভাল লাগিল।

গান্ধীজীয়ে লৰ্ড হৰবিন, জেনেৰেল স্পট্‌চ, কেণ্টৰ বৰীৰ বিছপ, হেৰল্ড লাস্কি, চি, পি, স্কট, আৰ্থৰ হেণ্ডৰচন আদি শতেক লোকক লগ পায়। চাৰ্চিলে তেখেতক লগ পাবলৈ অমান্তি হ'ল।

গান্ধীজীয়ে মেডাম মেৰিয়া মণ্টেচৰীৰ ট্ৰেইনিং কলেজলৈ গৈছিল, য'ত নিজৰ ভাষণত তেখেতে কয় "মোৰ সম্পূৰ্ণ বিশ্বাস আছে যে ল'ৰা ছোৱালীয়ে জন্মতেই দুষ্টালি নকৰে। যেতিয়া ল'ৰা ছোৱালী ডাঙৰ হৈ আহিবলৈ ধৰে সেই সময়ত যদি মাক বাপেকৰ আচৰণ ভাল হয় তেন্তে ল'ৰা ছোৱালীয়ে স্বভাৱতে সত্য আৰু প্ৰেমৰ নিয়ম পালন কৰিব। শতকৰা বুলিয়ে ক'ব খুজিছিলো হাজাৰ হাজাৰ ল'ৰা-ছোৱালীয়ে নিজৰ অনুভৱৰ আধাৰত মই জানো নে মান অপমানৰ ভাৱ আপোনাৰ আমাতকৈ অধিক হয়। ঈশামচীহে এটা বহুত তথ্যপূৰ্ণ কথা কৈছে যে জ্ঞান ল'ৰা-ছোৱালীৰ সুখৰ পৰা ওলায়। মই এই কথা বিশ্বাস কৰো।

গান্ধীজী দুবাৰ অক্সফৰ্ডলৈ যায় আৰু তেখেতৰ এই যাত্ৰাকেইটা স্মৰণীয়। প্ৰথমবাৰ তেখেতে বেলি ওলৰ মাষ্টৰ, প্ৰফেচাৰ লিডচেৰ তাত থাকে। দ্বিতীয়বাৰ তেখেতে ডাঃ এড্‌ৱাৰ্ড টমচনৰ ঘৰত থাকে। ইয়াত তেখেতৰ কথা-বতৰা এটা দলৰ লগত হয়, য'ত

প্ৰফেচাৰ লিডচে, গিলবট মৰে, প্ৰফেচাৰ এচ্, কুপলেণ্ড, ছাৰ মাইকেল চেড্‌লৰ, পি, চি লিয়ান তথা অন্য যিসকলে সমস্যাৰ সমাধানৰ বাবে চিন্তা কৰিব পাৰে তেনে লোক আছিল।

এই মানসিক শক্তিৰ উল্লেখ কৰি টমচনে লিখিছিল "তিনি ঘণ্টালৈকে তেখেতক অনুসন্ধান কৰা হ'ল আৰু তেখেতৰ জেৰা কৰা হ'ল। এইটো বৰ ভাগৰ লগাবলগীয়া পৰীক্ষা আছিল, কিন্তু তেখেতে এটা ক্ষণৰ বাবেও বিচলিত বা নিৰুত্তৰ হোৱা নাছিল। মোৰ হৃদয়ত পূৰ্ণ বিশ্বাস জমা হৈ গ'ল যে পৰম আত্মসংযম আৰু অনুদ্বিগ্নতাৰ বিষয়ত সংসাৰে সুকৰাতৰ সময়ৰ পৰা আজিলৈকে এখেতৰ সমকক্ষ জন্ম দিয়া নাই। আৰু এবাৰ দুবাৰ যেতিয়া মই নিজক নিজে সেইসকল লোকৰ ঠাইত থওঁ, যিসকলে এনে অজেয় স্থিৰতা আৰু অবিচলতাৰ মুখামুখি হ'ব লগাত পৰে তেতিয়া মই নিজৰ বিচাৰেৰে বুজি পালো যে এথেন্সবাসীয়ে সেই চহীদ তাৰ্কিকক বিহ কিয় খুওৱা নাছিল।

ইংলণ্ড চৌৰাশী দিন থাকোতে গান্ধীজীৰ যিমান সামাজিক আৰু ঘৰুৱা, চৰকাৰী আৰু বেচৰকাৰী বক্তব্য আছিল সেইসকলোবোৰতে তেখেতেসকলোতকৈ ওপৰত এইটো স্পষ্ট কৰি দিয়াৰ যত্ন কৰিছিল যে ভাৰতৰ স্বাধীনতাৰ লগত তেখেতৰ কি তাৎপৰ্য আছিল।

নিজৰ আকৰ্ষণ, সৰলতা, মানৱতা আৰু মিলন সাৰতাৰে গান্ধীজীয়েসকলোকে আপোন কৰি ল'ব পাৰিছিল। তেখেতে ইংলণ্ডৰ খৃষ্টানসকলৰ হৃদয় জয় কৰি লৈছিল আৰু তেওঁলোকে তেখেতক ডাঙৰ ককাই আৰু বন্ধুৰ দৰে মানিবলৈ ধৰিলে। বহুতো লোকে তেখেতক 'দুৰুহ' বুলি বুজিছিল। আৰু তেখেত নিঃসন্দেহে দুৰুহো হ'ব পাৰিছিল। কিন্তু তেখেতে উগ্ৰতকৈও উগ্ৰ ব্যক্তিৰ শত্ৰুতাকো কোমলাই দিব পাৰিছিল। তেখেতেতো সিংহৰ গাঁতত সোমাই গ'ল আৰু লংকাচায়াৰ গৈ পালেগৈ'ত বিদেশী কাপোৰৰ বিৰুদ্ধে আৰু খাদী কাপোৰৰ পক্ষত তেখেতৰ আন্দোলনে নিবনুৱা আৰু লাভৰ ঠাইত লোকচান কৰি দিছিল। এখন সভাত এজন মানুহে ক'লে মই এজন নিবনুৱা, কিন্তু মই যদি ভাৰতত থাকিলোহেঁতেন ময়ো সেইটোকে ক'লোহেঁতেন যিটো গান্ধীয়ে কৈছে।"

গান্ধীজীৰ ৰক্ষাৰ বাবে চৰকাৰে স্কটলেণ্ড য়াৰ্ডৰ দুজন চোৰাংচোৱা চাৰ্জেণ্ট হৱাৰ্জ আৰু চাৰ্জেণ্ট ৰোজৰ্চক নিযুক্ত কৰে। এই দুয়োজন 'এই সৰু যেন মানুহ' জনৰ প্ৰতি মোহিত হৈ পৰিল। গান্ধীজীয়ে তেওঁলোকৰ পৰা আঁতৰিও থকা নাছিল অবহেলাও কৰা নাছিল। তেওঁলোকে তেখেতৰ লগত কথা-বতৰাও হৈছিল আৰু তেখেতৰ ঘৰলৈ গৈছিল। ইংলণ্ডৰ পৰা যাত্ৰা কৰা আগতে তেখেতে ইচ্ছা প্ৰকাশ কৰিলে যে এই চোৰাংচোৱাসকলক তেখেতৰ লগত ব্ৰিণ্ডিচি (ইটালী) লৈকে পঠাব লাগে। আমোলাসকলে তেখেতৰ এনে একান্ত প্ৰাৰ্থনাৰ কাৰণ সুধিলে।

গান্ধীজীয়ে উত্তৰ দিলে "কিয়নো এওঁলোক মোৰ নিজৰ পৰিয়ালৰে অংগ।"

ব্যাখ্যান, ভাষণ, বাদ-বিবাদ, বাতৰি কাকতৰ বাবে সাক্ষাৎকাৰ, যাত্ৰাবোৰ, লেখিব নোৱাৰাকৈ ব্যক্তিগত কাৰ্যক্ৰমবিলাক আৰু বহুত বহুত চিঠি-পত্ৰৰ উত্তৰবিলাকৰ মাজতে তেখেতে সেই চৰকাৰী কামতো ভাগ লৈছিল যিটোৰ কাৰণে তেখেত লণ্ডনলৈ আহিছিল অৰ্থাৎ গোল মেজ পৰিষদ। চৰকাৰী তথা বেচৰকাৰী কামৰ অৱস্থাবোৰত তেখেতে দিন ৰাতিৰ একৈশ ঘণ্টাই ব্যস্ত হৈ থাকিছিল। সুৰক্ষিত কৰি ৰখা ডায়েৰীবোৰৰ পৰা জানিব পৰা গৈছে যে কেতিয়াবা কেতিয়াবা তেখেতে পুৱতি নিশা দুই বজাতহে শুইছিল, ৩-৪৫ ৰ প্ৰাৰ্থনালৈ উঠি গৈছিল, ৫ বজাৰ পৰা ৬ বজালৈ পুনৰ আৰাম কৰিছিল আৰু পিছদিনা পুৱতি নিশাৰ ১ বা ২ বজালৈকে আহৰি নেপাইছিল। এই কাৰ্যক্ৰমে তেখেতক ভাগৰুৱা কৰি পেলালে। তেখেতে নিজৰ শৰীৰটোক সহন শক্তি সীমাতকৈও আগলৈ নিয়াত আনন্দ লাভ কৰিছিল। পৰিনাম এইটোৱেই হ'ল যে গোলমেজ পৰিষদে সেই এড়িয়া বস্তুটো নেপালে, যিটো তেখেতে দিব পাৰিলেহেঁতেন। তথাপি পৰিষদত ভাগ লওঁতাসকলে কিছু একান্ত আৰু অনুপম খবৰ দুঃখজনক প্ৰভাৱ পেলালে।

গোলমেজ পৰিষদ বেয়াকৈ অসফল হ'ল। ভাৰতৰ ধৰ্মীয় ভেদাভেদক এইটোৱে গভীৰভাৱে ভৱিষ্যতলৈ অশুভ আৰু দুখজনক প্ৰভাৱ পেলালে।

পৰিষদে এখন অল্প সংখ্যক সমিতি নিযুক্ত কৰে, যিখনত ছজন ইংৰাজ, তেৰজন মুছলমান, দহজন হিন্দু, দুজন অস্পশ্য সমাজৰ, দুজন মজদুৰ প্ৰতিনিধি, দুজন ভাৰতত থকা ইংৰাজ, দুখন শিখ, দুজন পাৰচী আৰু দুজন মহিলাক ৰখা হয়। কেৱল মহিলাসকলে সুকীয়া নিৰ্বাচন নিবিচাৰিলে। সমিতিৰ ১৩ জন মুছলমান সদস্যৰ ভিতৰত কেৱল এজন ৰাষ্ট্ৰীয় মুছলমান আছিল যিজন ৰাজনীতিত ভাৰতীয় আৰু ধৰ্মৰ ফালৰ পৰা পয়গম্বৰৰ অনুযায়ী আছিল। বাকী বাৰজনে ধৰ্মক ৰাজ্যৰ লগত মিলাইছিল আৰু নিজৰ ধৰ্মীয় লোকসকলৰ হিতক সমস্ত ভাৰতৰ হিতৰ ওপৰত থৈছিল।

পৰিষদৰ মুখ্য অধিৱেশনত ভাষণ দি শ্ৰীফজলুল হকে কৈছিল "মই বুজি পোৱা নাই ছাৰ অষ্টিন চেম্বৰলেনক কেতিয়াবা ডাঃ মুন্‌জে তথা মোৰ দৰে মানুহ জাতিৰ দুটা মিলন তথা আৰ্হিৰ পালাত পৰিছে, যিটোৱে বেলেগ বেলেগ ধৰ্মক মানে আৰু বেলেগ বেলেগ ঈশ্বৰক পূজা কৰে। "ঈশ্বৰ এজনেই" এজন সদস্যই মাজতে ক'লে।

ফজলুল হকে এই কথাত আপত্তি জনাই ক'লে "নহয় এজনেই ঈশ্বৰ হ'ব নোৱাৰে। মোৰ খোদাই বেলেগ নিৰ্বাচন বিচাৰিছে, এওঁৰ ঈশ্বৰে সংযুক্ত নিৰ্বাচন বিচাৰিছে।

মুছলমান প্ৰতিনিধিয়ে ঈশ্বৰকো টুকুৰা টুকুৰ কৰিবলৈ বিচাৰিছিল। কিন্তু গান্ধীজীয়ে ঈশ্বৰকো টুকুৰা টুকুৰ কৰিবলৈ বিচৰা নাছিল, বিচৰা নাছিল ভাৰতকো। তেখেতে পৰিষদক কৈ দিলে যে তেখেত পৃথক নিৰ্বাচনৰ সম্পূৰ্ণ বিৰোধী। তেখেতে ক'লে যে স্বাধীন

ভাৰতত ভাৰতীয়ইসকলো ভাৰতীয়কে ভাৰতীয়ৰ দৰে মতদান কৰিব। ভাৰতীয় ৰাষ্ট্ৰীয়তাৰ গুণ বাহিৰৰসকলৰ বা সেইটোৰ প্ৰেৰণা এনেকুৱা নাছিল যে সেইটোৱে নতুনকৈ ৰাষ্ট্ৰীয় ব্যৱধানৰ জন্ম দিব। এইবোৰতো আগৰে পৰাই বহুত আছিল। বৰং এইটো যে সেইটোৱে ইংলেণ্ড আৰু সংসাৰখনকে সাম্ৰাজ্যবাদৰ ভয়ানক প্ৰভাৱৰ পৰা মুক্ত কৰক আৰু ভাৰতত ধৰ্মক ৰাজনীতিৰ পৰা বেলেগ কৰক। ইয়াৰ বিপৰীতে ইংৰাজসকলৰ ব্যৱস্থাত গোলমেজ পৰিষদে পুৰণি বেলেগ ৰখাৰ প্ৰভাৱক বঢ়ালে আৰু নতুনকৈ জন্ম দিয়াৰ যত্ন কৰিলে।

পৰম ধৰ্মনিষ্ঠ হিন্দু মহাত্মা গান্ধীৰ বাবে বংশ, জাতি, বৰ্ণ বা আন কিহবাৰ আধাৰত কাৰোবাৰ বিৰুদ্ধে ভেদভাৱ ৰখা অসম্ভৱ আছিল। অস্পৃশ্যসকলৰ সম অধিকাৰৰ বাবে, আৰু এই নতুন প্ৰজন্মক শিক্ষিত কৰিবৰ বাবে যিজন হিন্দু, মুছলমান পাৰচী বা ইসাই নহৈ ভাৰতীয় আছিল, গান্ধীজীৰ দেনে জাগতিক মহত্ব দিয়ে।

১৯৩৯ চনৰ ১ ডিচেম্বৰত গোলমেজ পৰিষদৰ মুখ্য অধিৱেশনত সেইখনৰ সভাপতি জেম্চ ৰেম্জে মেকডালল্ড, ইংলণ্ডৰ প্ৰধান মন্ত্ৰীয়ে গান্ধীজীৰ পৰিচয় দিবলৈ হিন্দু বুলিলে "হিন্দু নহয়য়" গান্ধীজীয়ে মাত দিলে।

নিজৰ ভগৱানৰ বাবে গান্ধীজী হিন্দু আছিল। বৃটিছ প্ৰধান মন্ত্ৰীৰ বাবে তথা ৰাজনীতিত তেখেত ভাৰতীয় আছিল। কিন্তু গোলমেজ পৰিষদত এনে ভাৰতীয় লেখিব পৰাকৈহে আছিল আৰু ভাৰতততো আৰু কম। ❑❑

ওভতনী যাত্ৰা

গান্ধীজীয়ে সংসাৰৰ প্ৰায়বিলাক স্বাধীন দেশৰে ব্যক্তিসকল আৰুসকলোলৈকে ক্ষমা বিচাৰিলে। ভাৰতত কাম হৈ থকাৰ বাবে তেখেতে সেইসকলৰ নিমন্ত্ৰণ স্বীকাৰ কৰিব নোৱাৰিলে। ঘৰলৈ ঘূৰি আহোঁতে এদিনৰ কাৰণে পেৰিচত থাকে। এটা চিনেমা হলত মেজত বহি তেখেতে এখন ডাঙৰ সভাত ভাষণ দিলে। ইয়াৰ পাছত তেখেত ৰেলেৰে ছুইজাৰলেণ্ডলৈ যায়, য'ত তেখেতে লেমান হ্ৰদৰ পূবফালে বিলেন্যুত ৰোমা ৰোলাৰ লগত পাঁচদিন থাকে।

ৰোমা ৰোলা যাৰ (জীন ক্ৰিষ্টোফ) বিংশতম শতাব্দীৰ উচ্চ সাহিত্যিক কৃতী, কাউণ্ট লিয়ো টলষ্টয়ৰ পৰা প্ৰভাৱিত হৈ পৰিছিল। ৰোলাই টলষ্টয় আৰু গান্ধীৰ মাজত বিৱেকপূৰ্ণ তুলনা কৰে। ১৯২৪ চনত তেওঁ কৈছিল গান্ধীজীৰ বাবেসকলো বস্তু প্ৰকৃত, সৰল আৰু শুদ্ধ আৰু তেখেতৰসকলো সংঘৰ্ষ ধাৰ্মিক সৌম্যতাৰে আচ্ছাদিত। আনফালে টলষ্টয়ৰ বাবে প্ৰতিটো বস্তু অভিমানৰ বিৰুদ্ধে অভিমানপূৰ্ণ বিদ্ৰোহ, ঘৃণাৰ বিৰুদ্ধে ঘৃণা আৰু বাসনাৰ বিৰুদ্ধে বাসনা থকা। টলষ্টয়ৰসকলো বস্তু হিংসাত্মক ইমান পৰ্যন্ত যে তেওঁৰ অহিংসাৰ সিদ্ধান্তও।

টলষ্টয়ক ধুমুহা বতাহে জোকাৰি দিছিল, গান্ধীজী শান্ত আৰু ধীৰ আছিল। গান্ধীজী নিজৰ পত্নীৰ পৰা বা কিবা বস্তুৰ পৰা দূৰলৈ আঁতৰি যোৱা বিধৰ নাছিল। যিখন বজাৰত গান্ধীজী বহি আছিল তাত কোটি কোটি মানুহে নিজৰ বেচা-কিনা আৰু হেতা ওপৰা কৰি আৰু চিন্তা আৰু বিচাৰবোৰক লৈ ইফালে সিফালে অহা যোৱা কৰিছিল, কিন্তু গান্ধীজী অবিচলভাৱে বহি আছিল আৰু তেখেতৰ তথা তেখেতৰ চাৰিওফালে নিস্তব্ধতা আছিল। হাতীদাতৰ স্তম্ভত বা কৈলাশৰ উচ্চতাত গান্ধীজীৰ উশাহ-নিশাহ বন্ধ হ'ব খোজে।

ৰোলা আৰু গান্ধীজী ১৯৩১ চনৰ আগতে কেতিয়াও লগ পোৱা পোই হোৱা নাছিল। ৰোলাই গান্ধীজীৰ পৰিচয় ৰবীন্দ্ৰনাথ আৰু এণ্ডৰুজৰ ক-া-বতৰাৰ পৰা পাইছিল। তেওঁ গান্ধীজীৰ লিখনিও পঢ়িছিল। ৰবীন্দ্ৰৰ দৰে ৰোলাও গায়ক আছিল। ৰামকৃষ্ণ পৰমহংসৰ বিষয়েও তেওঁ এখন কিতাপ লিখিছিল।

ৰোলাই গান্ধীজীক সন্ত বুলি মানিছিল। ১৯২৪ চনত তেওঁ গান্ধীজীৰ জীৱন চৰিতত লিখিছিল "গান্ধীজীতো বহুত উচ্চ শ্ৰেণীৰ সন্ত, অতি পৱিত্ৰ আৰু সেইবোৰ বাসনাৰ পৰা মুক্ত, যিবোৰ মানুহৰ শৰীৰত গুপ্তভাৱে সোমাই থাকে।

৫ ডিচেম্বৰত গান্ধীজী গৈ পোৱাৰ আগতে তেখেতৰ যাত্ৰা সম্বন্ধে ৰোমা ৰোলাঁলৈ হাজাৰ হাজাৰ চিঠি পত্ৰ আহিছিল। এজন ইটালিয়ান লোকে গান্ধীজীৰ পৰা এইটো জানিবলৈ বিচাৰিছিল যে আগলৈ হ'ব লগা ৰাষ্ট্ৰীয় লটাৰীত কোন নম্বৰৰ টিকটত পুৰস্কাৰ পাবা। ছুইজাৰলেণ্ডৰ কিছুমান সংগীতজ্ঞই গান্ধীজীক খিৰিকীৰ তলত সদায় ৰাতি ৰাতি গান গাই শুনোৱাৰ প্ৰস্তাৱ পঠাইছিল, ওমানৰ গাখীৰ বেপাৰীৰ দলে 'ভাৰতৰ বাদশ্বাহ'ক গাখীৰ, মাখন আদি দিয়াৰ ইচ্ছা কৰিছিল। পত্ৰকাৰসকলে প্ৰশ্নাৱলী পঠালে আৰু ৰোলাৰ গাঁৱলীয়া লোকসকলৰ আশে পাশে আড্ডা জমাই ল'লে। ফটোগ্ৰাফাৰ্ববিলাকে ঘেৰি পেলালে। পুলিচে ৰিপোৰ্ট দিলে যে ভাৰতীয় আগন্তুকজনক দেখা পোৱাৰ আশাতে যাত্ৰীসকল প্ৰায়বোৰ হোটেলতে ভৰি পৰিছে।

বাষষ্ঠি বছৰীয়া গান্ধীজী আৰু পঁয়ষষ্ঠি বছৰীয়া ৰোলাই পুৰণি বন্ধুৰ দৰে লগ লাগিল আৰু দুয়ো এজনে আনজনৰ লগত পাৰস্পৰিক আদৰ সাদৰৰ সহৃদয়তাপূৰ্ণ ব্যৱহাৰ কৰে। গান্ধীজীয়ে মিচ্ স্লেড, মহাদেৱ দেশাই, প্যাৰেলাল নায়াৰ তথা দেৱদাসৰ লগত সন্ধিয়া আহি পালে যেতিয়া ঠাণ্ডা পৰিছিল আৰু মেঘে বৰষুণ দিছিল। দ্বিতীয় দিনা সোমবাৰ গান্ধীজীৰ মৌনতাৰ দিন আছিল আৰু ৰোলাই ১৯০০ চনৰ পৰা তেতিয়ালৈকে ইউৰোপৰ দুখপূৰ্ণ নৈতিক তথা সামাজিক অৱস্থাৰ ওপৰত নব্বৈ মিনিটৰ ব্যাখ্যান দিয়ে। গান্ধীজীয়ে শুনি গৈছিল আৰু পেঞ্চিলেৰে কিছু প্ৰশ্ন লিখি গৈছিল।

মঙ্গলবাৰে গান্ধীজীৰ ৰোম যাত্ৰাৰ বিষয়ে চৰ্চা হয়। তেখেতে মুছোলিনী তথা অন্য ইটালিয়ান নেতাসকলৰ লগতে পোপকো লগ কৰিবলৈ বিচাৰিছিল। ৰোলাই তেখেতক সাৱধান কৰিবলৈ বিচাৰিছিল। ৰোলাই তেখেতক সাৱধান কৰি দিলে যে ফেচিষ্ট শাসনে তেখেতৰ উপস্থিতিকি নিজৰ দুষ্ট অভিপ্ৰায়ৰ বাবে ব্যৱহাৰ কৰিব। গান্ধীজীয়ে ক'লে যে যদি তেওঁলোকে তেখেতৰ চাৰিওফালে ঘেৰি ধৰে তেন্তে তেখেতে সেইটোক ভাঙি বাহিৰলৈ ওলাই যাব। ৰোলাই পৰামৰ্শ দিলে যে তেখেতে যাতে কিছু চৰ্ত ৰাখিহে তালৈ যায়। গান্ধীজীয়ে উত্তৰ দিলে যে আগৰে পৰা এনে ব্যৱস্থা লোৱা তেখেতৰ আস্থাৰ বিৰুদ্ধ। ৰোলাই নিজৰ কথাত জোৰ দি থাকিল। তেতিয়া গান্ধীজীয়ে ক'লে "বাৰু, কওকচোন যে ৰোমত ৰোৱাৰ মোৰ আঁচনিত আপোনাৰ অন্তিম ৰায় কি?" ৰোলাই পৰামৰ্শ দিলে যে তেখেতে কোনোবা এজন স্বতন্ত্ৰ ব্যক্তিৰ তাত থকাটো কৰিব লাগে। গান্ধীজীয়ে কথা দিলে আৰু সেই কথা ব্যৱহাৰিকভাৱে মানিলেও।

ৰোলাই ইউৰোপৰ বিষয়ে নিজে কোৱা কথাবিলাকৰ ওপৰত গান্ধীজীৰ বিচাৰ

জানিবলৈ বিচাৰে। গান্ধীজীয়ে ইংৰাজীতে উত্তৰ দিয়ে, যিবোৰ ফ্ৰান্স ভাষালৈ ৰোলাৰ ভনীয়েকে অনুবাদ কৰে। তেখেতে ক'লে "ইতিহাসৰ পৰা মই বহুত কম শিকিছো। মোৰ পদ্ধতি অনুভৱাত্মক। মোৰসকলোবোৰ পৰিণামৰ আধাৰ ব্যক্তিগত অনুভৱ।" তেখেতে স্বীকাৰ কৰিলে যে এই বিপদযুক্ত আৰু ভুল পথলৈ লৈ যাওঁতা থাকিব পাৰে, কিন্তু মই নিজে নিজৰ মতত আস্থা ৰখা আৱশ্যক। মোৰসকলো ভৰসা অহিংসাতে আছে। এইটোৱে ইউৰোপকো ৰক্ষা কৰিব পাৰে।

ইংলেণ্ডত কোনো কোনো মিত্ৰই তেখেতক তেখেতৰ অহিংসাত্মক পদ্ধতিৰ দুৰ্বলতাবোৰ ক'বলৈ চেষ্টা কৰে, কিন্তু তেখেতে কৈ দিলে যে "মইতো এইটোকেই বিশ্বাস কৰি থাকিম, লাগিলে সমস্ত সংসাৰে এইটোত সন্দেহ কৰি থাকক।"

পিছৰ দুদিন গান্ধীজীয়ে লোজাত আৰু জেনেভাত পাৰ কৰে। দুয়ো ঠাইতে তেখেতে ভাষণ দিয়ে আৰু নাস্তিকসকলে তথা আন লোকেও ঘণ্টা ঘণ্টা ধৰি তেখেতক জেৰা কৰে। গান্ধীজীয়ে সম্পূৰ্ণ শান্তিৰে সৈতে তেওঁলোকক উত্তৰ দিয়ে আৰু ৰোলাই লিখে "তেখেতৰ মুখমণ্ডল নাম মাত্ৰও শোটোৰা পৰা নাছিল।"

১০ ডিচেম্বৰত দুয়োজনৰে কথা-বতৰা পুনৰ চলিল। ৰোলাই জেনেভাত গান্ধীজীয়ে কোৱা এইটো শব্দ মনত পেলাই দিলে যে "সত্যই ঈশ্বৰ"। কলাত সত্যত সমস্যাৰে নিজা সংঘৰ্ষৰ উল্লেখ কৰি, ৰোলাই ক'লে "যদি এইটোৱেই সচা হয় যে "সত্য ঈশ্বৰ" তেন্তে মোৰ এনে লাগিছে যে ইয়াত ঈশ্বৰৰ লগত এটা মহত্বপূৰ্ণ গুণ— আনন্দৰ অভাৱ, কিয়নো মই আনন্দবিহীন কোনো ঈশ্বৰক নেমানো।

গান্ধীজীয়ে উত্তৰ দিলে "মই কলা আৰু সত্যৰ মাজত কোনো ভেদাভেদ নামানো। মই এনে উক্তিত একমত নহওঁ, যে 'কলা কলাৰ বাবে'ইহে মই মানো যে সমস্ত কলাবোৰৰ আধাৰ সত্য হ'ব লাগে। যদি সুন্দৰ বস্তুবোৰে সত্যক ব্যক্ত কৰাৰ সলনি অসত্যকে ব্যক্ত কৰে তেন্তে মই সেইবোৰ এৰি পেলাম। মই এই কথাটো মানো যে 'কলাই আনন্দ প্ৰদান কৰে আৰু শ্ৰেষ্ঠও কিন্তু এইটোও নিজে কোৱা চৰ্তৰে সৈতেহে। কলাত সত্যৰ অভিব্যক্তিৰ বাবে মই বাহ্যিক বস্তুবোৰৰ সচা চিত্ৰনৰ আৱশ্যক বুলি নেভাবো। কেৱল সজীৱ বস্তুৱেহে আত্মাক সজীৱ আনন্দ উপলব্ধি কৰায় আৰু আত্মাক ওপৰলৈ উঠায়।"

ৰোলা অসহমতো নহ'ল, কিন্তু তেওঁ সত্য তথা ঈশ্বৰৰ অনুসন্ধানত যত্ন কৰাত জোৰ দিয়ে। তেওঁ নিজৰ আলমাৰিৰ পৰা এখন কিতাপ উলিয়ালে আৰু গেটেৰ কিছুমান উদ্ধৃতি শুনালে। ৰোলাই পাছত স্বীকাৰ কৰে যে তেওঁৰ ভাব আছিল যে গান্ধীজীৰ ঈশ্বৰে মানুহৰ দুখত আনন্দ পায়।

তেওঁ আহিব লগা মহাযুদ্ধৰ বিপদৰ বিষয়েও কয়। গান্ধীজীয়ে নিজৰ মত ব্যক্ত কৰি ক'লে "যদি কোনোবা ৰাষ্ট্ৰই হিংসাৰ উত্তৰ হিংসাৰে নিদি আত্মসমৰ্পণৰ বীৰতা দেখুৱায়

তেতিয়া এইটোসকলোতকৈ প্ৰভাৱশালী পাঠ হ'ব। কিন্তু এইটোৰ বাবে চৰম আস্থাৰ আৱশ্যক।

শেষৰ দিন ১১ ডিচেম্বৰৰ দিনা, ৰোলাই গান্ধীজীৰ পৰা এইবোৰ প্ৰশ্নবোৰ ল'বলৈ প্ৰাৰ্থনা কৰিলে যিবোৰ পেৰিচৰ 'দি প্ৰোলিটেৰিয়ন ৰিউলিউচন' (সৰ্বহাৰাৰ ক্ৰান্তি) নামক পত্ৰিকাৰ সম্পাদক পিয়ৰি মোনাতে পঠিয়াইছিল। এটা প্ৰশ্নৰ উত্তৰত গান্ধীজীয়ে দৃঢ়তাৰে ক'লে যে যদি বনুৱাসকল পুৰাপুৰি সংগঠিত হৈ পৰে তেন্তে তেওঁলোক মালিকৰ পৰা নিজৰ চৰ্তবোৰত মান্তি কৰাব পাৰিব "সংসাৰত বনুৱাসকলেই একমাত্ৰ শক্তি"। কিন্তু ৰোলাই মাজতে কৈ উঠিল যে পুঁজিপতিসকলে শ্ৰমিকৰ মাজত বিভেদ আনিব পাৰে। ধৰ্মঘট ভংগ কৰোতা বনুৱাও হ'ব পাৰে। তেতিয়া বনুৱাসকলক জাগ্ৰত অল্পসংখ্যক সৰ্বহাৰা বৰ্গৰ একাধিপত্য স্থাপিত কৰি বনুৱাসকলৰ জনতাক নিজৰ উপকাৰত সংযুক্ত হ'বৰ বাবে বাধ্য কৰাব লাগিব।

গান্ধীজীয়ে নিশ্চয়তাৰে উত্তৰ দিলে "মই এইটোৰ একেবাৰে বিৰোধী"। ৰোলাই এই বিষয়টো এৰি দিলে আৰু আন বিষয় তুলিলে। তেওঁ সুধিলে "আপুনি ঈশ্বৰক কি বুলি মানে? কি তেওঁ আধ্যাত্মিক ব্যক্তিত্ব নেকি অথবা সংসাৰত শাসন কৰোঁতা বল"?

গান্ধীজীয়ে উত্তৰ দিলে "ঈশ্বৰ কোনো ব্যক্তি নহয়" ঈশ্বৰতো এক স্বাস্বত সিদ্ধান্ত। সেইবাবে মই কওঁ যে "সত্যই ঈশ্বৰ"। সত্যৰ আৱশ্যকতাতো নাস্তিকসকলেও শংকা নকৰে।

ইটালীৰ চৰকাৰে ভাবিছিল যে গান্ধীজী তেওঁলোকৰ আলহী হওক আৰু তাৰ বাবে তেওঁলোকেসকলো সাজু কৰিও পেলাইছিল। কিন্তু গান্ধীজীয়ে নম্ৰতাৰে সৈতে না কৰি দিলে আৰু তেখেতে ৰোলাৰ মিত্ৰ জেনেৰেল মোৰিচৰ তাত থাকে। ৰোম পোৱাৰ লগে লগে গান্ধীজীয়ে ডয়ুচে (মুচোলিনী) ক লগ কৰে। এটা চৰকাৰী বিজ্ঞপ্তিত কোৱা হ'ল যে এই কথা-বতৰা দহ মিনিট ধৰি হয়। গান্ধীজীৰ লগৰীয়াসকলৰ মতে কথা-বতৰাত দহ মিনিট সময়হে হৈছিল। গান্ধীজীয়ে মুচোলিনীৰ লগত মানসিকভাৱে একো সম্পৰ্ক স্থাপিত কৰিব নোৱাৰিলে। পিছত গান্ধীজীয়ে কৈছিল "তেওঁৰ মেকুৰীৰ দৰে চকু, যিকেইটা চাৰিওফালে ঘূৰি থাকে, এনে লাগে যেন অনবৰত ঘূৰিয়েই থাকে। তেওঁৰ চোকা দৃষ্টিৰ ভয়ত আগত থকা লোকজনক একেবাৰে ঢিলা হৈ পৰে, যেনেকৈ ভয়ত পেপুৱা হৈ পৰা নিগনিটো লৰ মাৰি গৈ পোনে পোনে মেকুৰীৰ মুখলৈ যায়গৈ।

"মইতো এনে ধৰণৰ অক বকাই যোৱা বিধৰ নাছিলো"। গান্ধীজীয়ে ক'লে। কিন্তু মই দেখিলো যে তেওঁ নিজৰ আগে পাছে বস্তুবোৰ এনেভাৱে সজাই থৈছে যে তেওঁৰ ওচৰলৈ যেই কোনো লোক ভয়ত আতংকিত পৰিব। তেওঁৰ ওচৰলৈ যাবলৈ যিবোৰ পথেদি যাব লাগে সেইবোৰত তৰোৱাল তথা অন্য হাথিয়াৰ বহুতবোৰ লগাই থোৱা

আছিল"। গান্ধীজীয়ে দেখিলে যে মুচোলিনীৰ কাৰ্যালয়তো হাথিয়াৰ আনি থোৱা আছিল, কিন্তু তেখেতে এইটোও ক'লে যে তেওঁ নিজৰ শৰীৰত কোনো ধৰণৰ হাথিয়াৰ ধাৰণ নকৰে।

পোপে গান্ধীজীক দেখা নকৰিলে। গান্ধীজীয়ে কিছু লোকৰ ধাৰণা আছিল যে 'পৱিত্ৰ পিতা'ই সম্ভৱ এই ডয়ুচে (মুচোলিনী) ৰ ইচ্ছা পূৰণ কৰিলে। কিন্তু এই কথা তেওঁ নেজানে। কিছুলোকৰ অনুমান আছিল যে এই লগ পোৱাতো কেৱল মুচোলিনী আৰু ভেটিকান (পোপৰ ৰাজ্য)ৰ সম্বন্ধৰহে কাৰণ আছিল, বৰং এংলো ইটালিয়ান সম্বন্ধৰ কাৰণেও হ'বলৈ নেপালে। শেষ কথা গান্ধীজীতো এজন বৃটিছ বিৰোধী বিদ্ৰোহী আছিল।

ভেটিকানৰ পুস্তকালয় গান্ধীজীৰ বাবে আকৰ্ষণৰ বস্তু আছিল আৰু চেণ্ট পিটাৰৰ গীৰ্জাত তেখেতে দুঘণ্টা আনন্দ মনেৰে কটালে। চিস্তিনৰ গীৰ্জাত তেখেতে শূলেৰে সৈতে বিন্ধা অৱস্থাত থকা য়ীশুৰ ওচৰত থিয় হৈ কান্দি পেলালে। মহাদেৱ দেশাইকো তেখেতে ক'লে "এইটো দেখি চকুত পানী নোলোৱাকৈ ৰ'ব নোৱাৰি"।

ৰোমা ৰোলাই কলাৰ প্ৰতি তেখেতৰ ধ্যান আকৰ্ষিত কৰিছিল। গান্ধীজীৰে গৰ্বৰে সৈতে কৈছিল "মই নুবুজো যে ইউৰোপীয় কলা ভাৰতীয় কলাতকৈ শ্ৰেষ্ঠ"। এজন মিত্ৰলৈ তেখেতে লিখিছিল, এই দুয়োটা কলাৰে বিকাশ বেলেগ বেলেগ ঠাচত হৈছে। ভাৰতীয় কলাৰ আধাৰ সম্পূৰ্ণৰূপে কল্পনাৰ কথা। ইউৰোপীয় কলাই প্ৰকৃতিক নকল কৰে। সেইবাবে সেইটো অনায়াসে বুজিব পাৰি, কিন্তু সেইটোৱে আমাৰ মনোযোগ পৃথিৱীৰ ফালে ঘূৰাই দিয়ে। এইটোৰ বিপৰীতে ভাৰতীয় কলাক বুজিব পাৰিলে আমাৰ বিচাৰবোৰক স্বৰ্গৰ ফালে লৈ যায়"।

গান্ধীজীৰ বাবে কলাটো আধ্যাত্মিক হ'ব লাগে। তেওঁ কৈছিল "সঁচা সৌন্দৰ্য্য হৃদয়ৰ শুদ্ধতাতে আছে"।

'ইয়ং ইণ্ডিয়া'ত গান্ধীজীয়ে লিখিছিল "মই জানো যে বহুতো লোকে নিজকে কলাকাৰ বুলি কয় আৰু তেওঁলোকক কলাকাৰ বুলি মানিও লয়, কিন্তু তেওঁলোকৰ কামবোৰত আত্মাৰ উন্নতমুখী তৰংগ তথা তৰপৰ লেখমাত্ৰও নেথাকে। প্ৰকৃত কলা আত্মাৰ অভিব্যক্তি। প্ৰকৃত কলাই আত্মাক তাৰ অন্তঃস্থলৰ অনুভৱ কৰাবলৈ সহায়ক হ'ব লাগে। নিজৰ ক্ষেত্ৰত মই দেখো যে নিজৰ আত্ম অনুভৱত মোক বাহিৰৰ ৰূপৰ একেবাৰে আৱশ্যক নাই। এইবাবে মই দাবী কৰিব পাৰো যে মোৰ জীৱনত বাস্তৱতেই পৰ্যাপ্ত কলা আছে, যদিও আপুনি মোৰ আশে পাশে এনে বস্তু নেপায় যিটোক আপুনি কলা-কৃতি বুলি কয়। মোৰ কোঠাৰ বেৰবোৰ লাগে নেথাককেই আৰু মই ওপৰৰ চালখনো আঁতৰাই পেলাব পাৰো যাতে মই সৌন্দৰ্য্যৰ অসীম বিস্তাৰত ওপৰত মেলি থোৱা তৰাৰে ভৰি থকা আকাশক দেখিবলৈ পাওঁ। কিয় ভাল চেহেৰাৰ মহিলাক সুন্দৰ বুলি ধৰিব লাগে নেকি? আমি শুনিছো

যে শুকৰাত সেই সময়ৰসকলোতকৈ অধিক সত্যনিষ্ঠ লোক আছিল, কিন্তু তেওঁৰ চেহেৰা য়ুনানৰ ভিতৰতেসকলোতকৈ বেছি কুৰূপ আছিল বুলি কৈছিল। মোৰ বিচাৰ মতে তেওঁ সুন্দৰ আছিল, কিয়নো সত্যক পাবৰ বাবে তেওঁ চটফটাই আছিল। পাব লগা বস্তুৰ ভিতৰতসকলোতকৈ প্ৰথম বস্তু সত্য আৰু তেতিয়া সুন্দৰ তথা ভাল কথাবোৰ আপোনাৰ নিজে নিজেই প্ৰাপ্ত হ'ব। আচল কলাই কেৱল ৰূপৰহে বিচাৰ নকৰে, বৰং সেইটোৰ উপৰিও যিবিলাক আছে সেইবোৰৰো বিচাৰ কৰে। এটা কলা মাৰিব লগা হ'লে আন এটা জীৱদায়িনী। সঁচা কলাই ৰচনা কৰোতাৰ আনন্দ, সন্তুষ্টি তথা পৱিত্ৰতাৰ প্ৰমাণ হোৱাৰ আৱশ্যক।

ৰোম এৰাৰ আগতে গান্ধীজীয়ে টলষ্টয়ৰ জীয়েকৰ অনুসন্ধান কৰিলে যেতিয়া তেখেতে নিজৰ কোঠাত বহি সূতা কাটি আছিল তেতিয়া ইটালীৰ বাদশ্বাহৰ কন্যা ৰাজকুমাৰী মেৰিয়া এগৰাকী বান্দীৰ লগত আহে আৰু মহাত্মাজীৰ বাবে অঞ্জীৰৰ এটা পাঁচি আনে এই অঞ্জীৰ ইটালীৰ মহাৰাণীয়ে পঠাইছিল।

গান্ধীজীৰ উপস্থিতিৰ কোনেও ফেজিবাদী সমৰ্থকৰ উদ্দেশ্যৰ বাবে বেয়াকৈ ব্যৱহাৰ নকৰিলে, যদিও 'গিয়োৰ্নল দ ইটালিয়া'ই এনে এক সাক্ষাৎকাৰৰ বৰ্ণনা ছপা কৰিলে যিটো নে কেতিয়াবা তেখেতে দিছিল আৰু নে সেই সাক্ষাৎ ৰ কৰোতা সংবাদদাতাক তেখেতে কেতিয়াবা লগ পাইছিল।

গান্ধীজীয়েসকলো মিলাই ইটালীত আঠচল্লিচ ঘণ্টা থাকে। ব্ৰিন্দিচিত তেখেতে স্কটলেণ্ড য়াৰ্ডৰ নিজা সংৰক্ষকৰ পৰা বিদায় লয়, কিন্তু প্ৰফেচাৰ এড্‌মণ্ড প্ৰিৱত্‌ আৰু তেওঁৰ পত্নীৰ পৰা নললে।

প্ৰফেচাৰ আৰু তেওঁৰ পত্নী ৰোমা ৰোলাৰ মিত্ৰ আছিল আৰু ৱিলেন্যুৰ পৰা ইটালীৰ সীমা পৰ্যন্ত গান্ধীজীৰ লগত আহিছিল। যি সময়ত তেওঁলোকে বিদায় ল'বলৈ ধৰে, তেওঁলোকে ক'লে যে কিছুদিন তেওঁলোকে ভাৰতত যাত্ৰা কৰাৰ কথা ভাবিছে। গান্ধীজীয়ে সুধিলে যে তেওঁলোকে তেখেতৰ লগতে কিয় নেযায়? তেওঁলোকে উত্তৰ দিলে যে তাৰ বাবে তেওঁলোকৰ লগত খৰচ নাই।

গান্ধীজীয়ে ক'লে "আপোনালোকে বোধকৰো প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ কথা ভাবিছে। কিন্তু আমিতো জাহাজৰ ডেকত যাত্ৰা কৰিবলৈ কেৱল দহ পাউণ্ডকৈহে প্ৰতিজনে দিওঁ। এবাৰ ভাৰত গৈ পালেই কিমান যে ভাৰতীয় মিত্ৰই নিজৰ ঘৰৰ দুৱাৰ আপোনাৰ বাবে খুলি দিব"।

প্ৰিৱট দম্পতীয়ে নিজৰ জেপ আৰু বেগত থকা পইচাৰ হিচাপ কৰে আৰু ভাৰতলৈ যোৱাটো নিশ্চিত কৰে। ১৪ ডিচেম্বৰত তেওঁলোকে গান্ধীজীৰ দলৰ লগতে ব্ৰিন্দিগিৰ পৰা বিলয়া নামৰ জাহাজত উঠে। দুসপ্তাহৰ পাছতসকলো লোক বোম্বাই আহি পায়।

২৮ ডিচেম্বৰৰ ৰাতিপুৱা এটা বিশাল জনসমূহে হৰ্ষধ্বনিৰে সৈতে আদৰণি জনালে। তেখেত ক'লে "মই শুদা হাতেৰে ঘূৰি আহিছো। কিন্তু মই নিজৰ দেশৰ সন্মানৰ ঘাটি লাগিবলৈ দিয়া নাই"। গোলমেজ পৰিষদত ভাৰতৰ লগত যিটো পাৰ হৈ গৈছিল সেইলৈ গান্ধীজীৰ কথাৰ এইটোৱেই সাৰ আছিল, কিন্তু পৰিস্থিতি তেখেতৰ অনুমানতকৈও অধিক নিৰাশাজনক আছিল।❑❑

অগ্নি পৰীক্ষা

এনেধৰণৰ মহান আদৰণি জাহাজৰ ডেকত যাত্রা কৰাতো কোনো যাত্রীয়েই আজিলৈকে পোৱা নাছিল। সুভাষচন্দ্র বসুৱে ইতিকিং কৰি কৈছিল— "আদৰণিত যি উৎসাহ, সৌহার্দ্য আৰু স্নেহৰ প্ৰদৰ্শন হ'ল সেইটোৰ পৰা এনে ধাৰণা হৈছে যেন মহাত্মাজীয়ে স্বৰাজ নিজৰ হাতৰ তলুৱাতে লৈ আহিছে"। গান্ধীজীয়ে নিজৰ সততাক লৈ ঘূৰি আহিছিল। তেখেত সেই অৰ্ধনগ্ন ফকীৰৰ ভূমিকাৰ পৰা তললৈ নমা নাছিল, যিজনে ব্ৰিটিছ সাম্ৰাজ্যৰ লগত সমান সমান স্তৰতে মন্ত্ৰণা কৰিছিল। এইটো স্বাধীনতাৰ আগৰ এটা ঢাপৰহে তলত আছিল, কিয়নো এইটোৱে ভাৰতৰ ভাবনাৰ মুক্তিক ব্যক্ত কৰিছিল। দাণ্ডি যাত্রাৰ পাছৰ পৰা, আৰু বিশেষকৈ গান্ধী-হৰৱিন সন্ধিৰ পাছৰ পৰা ভাৰতে নিজকে স্বাধীন বুলি অনুভৱ কৰিবলৈ ধৰিছিল। গান্ধীজীয়ে এই ভাৱনাক বঢ়ালে আৰু ভাৰতবাসী তেওঁৰ প্ৰতি কৃতজ্ঞ আছিল। এইটোৰ উপৰিও তেওঁলোকৰ মহাত্মাজী সাগৰৰ পাৰৰ ঠাণ্ডা দেশৰ পৰা ভালে-কুশলে উভতি আহিছিল।

গান্ধীজীয়ে হৰৱিন তথা ব্ৰিটিছ মজদূৰ চৰকাৰৰ যত্নৰ দ্বাৰা ভাৰতক ১৯৩০-৩১ চনত আংশিক স্বাধীনতাপ্ৰাপ্ত হৈ গৈছিল। কিন্তু হৰৱিন গুচি গৈছিল আৰু ১৯৩১ চনৰ অক্টোবৰত ৰেম্জ মেকডালৰ মজদূৰ চৰকাৰৰ ঠাইত মেকডানল্ডৰ নেতৃত্বতে সুকীয়া মন্ত্ৰীমণ্ডল তৈয়াৰ হৈছিল, য'ত উদাৰহীন দলৰ প্ৰধানতা আছিল। ছাৰ চেমুৱেল হোৰ, যিজন গান্ধীজীৰ কথাত এজন সজ তথা নিষ্কপট ইংৰাজ আছিল আৰু এটা সজ আৰু নিষ্কপট উদাৰ নোহোৱা দলৰ আছিল, ভাৰতৰ ৰাজ্য সচিব হয়।

নতুন ব্ৰিটিছ চৰকাৰে ভাৰতৰ স্বাধীনতাৰ ভাববোৰক আক্ৰমণ কৰা আৰম্ভ কৰি দিলে।

যি সময়ত গান্ধীজীয়ে ২৮ ডিচেম্বৰত বোম্বাই বন্দৰত ভৰি দিলে সেই সময়তে তেখেতৰ কাণত পূৰ্ণ বিৱৰণ সুমুৱাই দিয়া হ'ল। ভয়ানক পৰিস্থিতিৰ সম্পূৰ্ণ ছবিখন সন্ধিয়া পৰ্যন্ত তেওঁৰ সমুখলৈ আহি গ'ল আৰু এইটোক তেখেতে বিশাল আজাদ পথাৰত একত্ৰিত হোৱা দুই লাখ শ্ৰোতাৰ কাণত পৰাকৈ পোৱাই দিলে।

জৱাহৰলাল নেহেৰু তথা সংযুক্ত প্ৰান্তীয় কংগ্ৰেছৰ অধ্যক্ষ তচদদুক চেৰবানী মহাত্মাজীৰ লগ কৰিবলৈ আহোঁতে দুদিনৰ আগতেই গ্ৰেপ্তাৰ কৰি পেলাইছিল। সংযুক্ত প্ৰান্তত, উত্তৰ-পশ্চিম সীমা প্ৰান্তত আৰু বেংগলত ব্যাপকভাবে খাজানা বন্ধ আন্দোলনৰ প্ৰতিদ্বন্দ্বিতা কৰিব পৰাকৈ সংকটকালীন অৰ্ডিনেন্স জাৰি কৰি দিছিল। এইটোৰ অধীনত সোনক ঘৰৰ ওপৰত অধিকাৰ কৰা, ধন মাল জব্দ কৰা, আদালতৰ কাম-কাজবোৰ বাতিল কৰা, জামিন আৰু ব্যক্তি স্বতন্ত্ৰতাক মানি নোলোৱা, বাতৰি কাকত ডাক যোগে পঠাবলৈ নিদিয়া, ৰাজনৈতিক সংগঠনবোৰ ভাঙি দিয়া আৰু ধৰ্ণা তথা বহিষ্কাৰ নিষেধ কৰাৰ অধিকাৰ দি দিয়া হৈছিল।

বোম্বাইৰ সভাত ভাষণ দি গান্ধীজীয়ে ক'লে— "জাহাজৰ পৰা নামোতেই এইসকলোবোৰ কথা মই গম পালো। মই বুজিছো যে এইসকলোবোৰ ইসাই ভাইচৰয়ৰ তৰফৰ পৰা বৰদিনৰ উপহাৰ"।

সেইদিনাই তেখেতে সন্ধিয়ালৈ মেজষ্টিক হোটেলত 'ৱেলফেয়াৰ অব্ ইণ্ডিয়া লীগ'ৰ সভাত কয়— "ইউৰোপ-ইংলণ্ডৰ নিজা তিনি মাহৰ বিদেশবাসত মোৰ এনেকুৱা এটাও অনুভৱ নহ'ল যিটোৰ পৰা মোৰ এনে লাগিছে শেষত পূব পূবেই আৰু পশ্চিম পশ্চিমেই। ইয়াৰ বিপৰীতে মোৰ আগতকৈও বেছি বিশ্বাস হৈছে যে মানৱ প্ৰকৃতি তেহেলৈ তেওঁ যেনেকুৱা জলবায়ুতে বাস কৰক বহুতোবোৰ একেই আৰু যদি আপুনি ভাৰসা তথা স্নেহ লৈ মানুহৰ ওচৰলৈ যায় তেন্তে আপুনিও সেইখিনিৰ সলনি দহ গুণ ভাৰসা আৰু স্নেহ পাব।

বোম্বাই আহি পোৱাৰ দ্বিতীয়দিনাই গান্ধীজীয়ে ভাইচৰয়লৈ টেলিগ্ৰাম পঠালে, যিখনত তেখেতে অৰ্ডিনেন্সৰ কথাত খেদ প্ৰকাশ কৰে আৰু লগ কৰাৰ প্ৰস্তাৱ দিয়ে। বছৰটোৰ শেষৰ দিনা ভাইচৰয়ৰ সচিবৰ পৰা উত্তৰ আহিল যে চৰকাৰৰ বিৰুদ্ধে কংগ্ৰেছৰ মনোবৃত্তিৰ কাৰণে অৰ্ডিনেন্স ন্যায়োচিত হৈছে। সচিবে লিখে ভাইচৰয় আপোনাক লগ পাবলৈ সাজু আৰু আপোনাক এইটো পৰামৰ্শ দিবলৈকো সাজু যে আপুনি নিজৰ প্ৰভাৱৰ উচিত ব্যৱহাৰ কেনেকৈ কৰিব পাৰিব। কিন্তু হিজ এক্সেলেন্সী এই কথাটোত জোৰ দিয়াটো নিজৰ কৰ্তব্য বুলি বুজিছে যিটো খোজ ভাৰত চৰকাৰে ব্ৰিটিছ চৰকাৰৰ পূৰা সহমত দিছে সেইটো বিষয়ত চৰ্চা কৰিবলৈ তেওঁ সন্মত নহয়।

গান্ধীজীয়ে প্ৰত্যুত্তৰত কংগ্ৰেছৰ পক্ষ সমৰ্থন কৰি জনাই দিলে যে তেখেতে সবিনয়-অৱজ্ঞা আন্দোলন আৰম্ভ কৰিব লগাত পৰিব পাৰে। ভাইচৰয়ৰ সচিবে ১৯৩২ চনৰ ২ জানুৱাৰীত তুৰন্তে উত্তৰ পঠালে, যিটোত লিখা আছিল, "হিজ এক্সেলেন্সী আৰু চৰকাৰে এই বিশ্বাস কৰিব নোখোজে যে আপুনি বা কংগ্ৰেছ কাৰ্য সমিতিয়ে ভাবি চাওক হিজ এক্সেলেন্সীয়ে কিবা লাভৰ আশাত আপোনাক এনে কথা-বতৰাৰ বাবে নিমন্ত্ৰণ কৰিব পাৰে,

যিটোৰ লগত সবিনয় অৱজ্ঞা পুনৰ আৰম্ভ কৰাৰ ধমকী থাকে। আৰু ভাৰত চৰকাৰে আপোনাৰ টেলিগ্ৰামৰ অভিপ্ৰেত এনে স্থিতিকো মানি ল'ব নোৱাৰে যে চৰাকৰে যি কাৰ্যপন্থা লৈছে, সেইটোৰ আৱশ্যকতাৰ বিষয়ে তেওঁৰ নীতি আপোনাৰ নিৰ্ণয়ৰ ওপৰত নিৰ্ভৰ হ'ব লাগে।

গান্ধীজীয়ে সেইদিনাই উত্তৰ পঠালে। তেখেতে কোনো ধমকী দিয়া নাছিল কেৱল মতামতহে দাঙি ধৰিছিল। ইয়াতকৈ বেছি তেখেতে দিল্লী সন্ধিৰ আগতে, যেতিয়া সবিনয় অৱজ্ঞা আন্দোলন চলি আছিল, হৰবিনৰ সৈতে মন্ত্ৰণা কৰিছিল। তেখেতৰ এইটো বিচাৰ কেতিয়াও নাছিল যে চৰকাৰে তেখেতৰ নিৰ্ণয়ৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। কিন্তু তেখেতে টেলিগ্ৰামত লিখিলে— "মই এইটো অৱশ্যে নিবেদন কৰিম যে যেই কোনো লোকপ্ৰিয় আৰু বৈধানিক চৰকাৰে সামাজিক অনুষ্ঠান আৰু তাৰ প্ৰতিনিধিসকলৰ পৰামৰ্শক সদায় আদৰণি জনাব আৰু সেইবোৰ সহানুভূতি পূৰ্বক বিচাৰ কৰিব"।

৩ জানুৱাৰীত গান্ধীজীয়ে ৰাষ্ট্ৰক জানিবলৈ দিলে যে চৰকাৰে মোৰ বাবে দুৱাৰ বন্ধ কৰি দিলে। দ্বিতীয় দিনা চৰকাৰে তেখেতৰ সমুখত লোহাৰ দুৱাৰ দি দিলে। তেখেতক পুনৰ গ্ৰেপ্তাৰ কৰিলে। তেখেত য়াৰবেদা জেলত পুনৰ ইংলণ্ডৰ বাদছাহৰ আলহী হৈ পৰিল। কেই সপ্তাহমানৰ আগতে তেখেত বকিংধম ৰাজমহলত বাদচাহ আৰু মহাৰাণীৰ অতিথি হৈছিল।

কংগ্ৰেছৰ ওপৰত চৰকাৰৰ ভীষণ প্ৰহাৰ কৰিল সকলোবোৰ কংগ্ৰেছী অনুষ্ঠান বন্ধ কৰি দিলে আৰু প্ৰায়বোৰ নেতাকেই জেলত ভৰাই দিলে। জানুৱাৰীত ১৪,৮০০। উইনষ্টন চাৰ্চিলে ঘোষণা কৰিলে যে দমন কৰাৰ উপায় ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহতকৈ অধিক তীব্ৰ আছিল।

জেলত গান্ধীজীৰ নিজা এটা বিশেষ স্থান আছিল। ১৯৩০ চনত এই য়াৰবেদা জেলতে চীফ্ বাৰ্ডেন তেখেতৰ ওচৰলৈ আহিছিল আৰু সোধে যে প্ৰতি সপ্তাহত আপুনি কিমান চিঠি পঠিয়াব আৰু কিমান বাহিৰৰ পৰা অহা স্বীকাৰ কৰিব।

"মোৰ এখনো পত্ৰ লোৱাৰ দৰকাৰ নাই" —গান্ধীজীয়ে উত্তৰ দিলে।

"কিমান পত্ৰ আপুনি লিখিব খোজে" —বাৰ্ডেনে সুধিলে।

"এখনো নিলিখো" —গান্ধীজীয়ে ক'লে।

তেখেতক চিঠি-পত্ৰ লিখা আৰু পত্ৰ ব্যৱহাৰ কৰিবলৈ পূৰা স্বাধীনতা দিয়া হ'ল।

জেলত গৱৰ্ণৰ মেজৰ মাৰ্টিনে তেখেতৰ বাবে ফাৰ্ণিচাৰ, চীনা মাটিৰ পাত্ৰ তথা আন বস্তু লৈ আহে। গান্ধীজীয়ে বিৰোধভাৱে ক'লে— "এইবোৰ আপুনি কাৰ কাৰণে আনিছে? দয়া কৰি এইবোৰ ঘূৰাই লৈ যাওঁক"।

মেজৰ মাটিনে ক'লে যে কেন্দ্ৰীয় অধিকাৰীসকলে তেওঁক অনুমতি দিছে যে এনে সন্মানিত অতিথিৰ লগত কমেও তিনিশ টকা যাতে মাহেকত খৰচ কৰোঁ।

"এইবোৰতোসকলো ভালেই" —গান্ধীজীয়ে প্ৰকাশ কৰিলে। "কিন্তু এইবোৰ টকা ভাৰতৰ খাজানাৰ পৰা আহে আৰু মই দেশৰ বোজা বঢ়াবলৈ নিবিচাৰো। মই বুজিব পাৰো যে মোৰ খোৱাৰ খৰচ পয়ত্ৰিছ টকাতকৈ বেছি এমাহত নহয়"। সেইবাবে বিশেষ বস্তুবোৰ আঁতৰাই পেলোৱা হ'ল।

য়াৰবেদাত বিৰন নামৰ এজন অফিচাৰে গান্ধীজীক গুজৰাটী পঢ়াবলৈ কয় আৰু সদায় পঢ়িবলৈ আহিবলৈ ধৰে। এদিন ৰাতিপুৱা যেতিয়া বিৰন নাহিল গান্ধীজীয়ে খবৰ কৰি গম পালে যে সেই অফিচাৰজনে জেলত ফাঁচী লগোৱাত ব্যস্ত আছিল। গান্ধীজীয়ে ক'লে— "মোৰ এনে লাগিছে যেন মই বেমাৰত পৰিব লাগিব"।

বল্লভ ভাই পেটেলকো গ্ৰেপ্তাৰ কৰি য়াৰবেদা পোৱাই দিয়া হ'ল। মাৰ্চ মাহত মহাদেৱ দেশাইকো বেলেগ জেলৰ পৰা আনি য়াৰবেদাত ৰখা হ'ল। কিয়নো গান্ধীজীয়ে তেওঁক লগত ৰাখিবলৈ বিচাৰিছিল।

গান্ধীজীয়ে ধ্যান দি বাতৰি কাকত পঢ়িছিল। নিজৰ কাপোৰ-কানি নিজেই ধুইছিল আৰু খুব কিতাপ পঢ়িছিল। তেখেতে এখন সৰু পুস্তিকাকো নতুন ৰূপ দিলে, যিখনৰ সৰহভাগ তেখেতে ১৯৩০ চনতে য়াৰবেদা জেলত সবৰমতী আশ্ৰমলৈ পত্ৰৰ আকাৰে লিখিছিল। এইখনৰ নাম তেখেতে 'য়াৰবেদা মন্দিৰৰ পৰা' দিছিল।

যিবিলাক দিনত গান্ধীজীয়ে নিজৰ 'জেল মন্দিৰ'ত ঈশ্বৰ তথা সদাচাৰৰ নিজৰ এই সৰল পত্ৰবোৰৰ সম্পাদনা কৰি আছিল সেই সময়ত ভাৰত নিজে আধুনিক ইতিহাসৰসকলোতকৈ অধিক ঠৰঙা হ'ব লগা পক্ষ এটালৈ আগবাঢ়িছিল।

এইটো গান্ধীজীৰ জীৱন প্ৰশ্নত কেন্দ্ৰিত আছিল।

ৰাজা গোপালচাৰীয়ে লিখিছিল— "১৯৩২ চনৰ ছেপ্টেম্বৰৰ বেদনাৰ সমৰূপ বিচাৰিবলৈ আমি তেইশ শতাব্দীৰ আগৰ এথেন্সলৈ যাব লাগিব, যি সময় সুকৰাতৰ মিত্ৰসকলে কাৰাগাৰত তেওঁক বেৰি ধৰি বহি আছিল আৰু মৃত্যুৰ পৰা বাচি থাকিবলৈ তেওঁৰ ওপৰত জোৰ দি আছিল। অফলাতুনে এই প্ৰশ্নবোৰক লিখিত ৰূপ দিয়ে। সুকুৰাতে এই পৰামৰ্শত হাঁহিলে আৰু তেওঁ আত্মাৰ অমৰতাৰ বিষয়ে ব্যাখ্যা দিলে।

'১৯৩২ চনৰ ছেপ্টেম্বৰৰ বেদনা' গান্ধীজীৰ বাবে এই বছৰৰ আৰম্ভণীতেই আৰম্ভ হৈ গৈছিল। বাতৰি কাকতৰ পৰাই তেখেতে জানিব পাৰিছিল যে ভাৰতৰ বাবে প্ৰস্তাৱিত নতুন ব্ৰিটিছ সংবিধানত যে কেৱল আগৰ দৰে হিন্দুসকলক বা মুছলমানসকলকে নিৰ্বাচনৰ অধিকাৰ দিয়া হ'ব, বৰং অস্পৃশ্য অথবা পিছপৰা শ্ৰেণীৰ লোককো। সেইবাবে তেখেতে ভাৰতৰ সচিব ছাৰ চেমুৱেল হোৰলৈও ১৯৩২ চনৰ ১১ মাৰ্চত এখন চিঠি লিখিলে "পিছপৰা শ্ৰেণীৰ বাবে সুকীয়া নিৰ্বাচন তেখেতৰ বাবে বা হিন্দু জাতিৰ বাবে হানিকাৰক যিমানলৈকে হিন্দুজাতিৰ সম্বন্ধ আছে, সুকীয়া নিৰ্বাচন সেইসকল তথা হিন্দুজাতিৰ সম্বন্ধ

আছে সুকীয়া নিৰ্বাচনে সেইটোৰ অংগচ্ছেদ আৰু বিচ্ছেদহে কৰিব। নৈতিক আৰু ধাৰ্মিক ভাৱনাৰ তুলনাত ৰাজনৈতিক দিশটো মহত্বপূৰ্ণ হ'লেও নগণ্য হৈ থাকি যায়। সেইবাবে যদি চৰকাৰে অস্পৃশ্যসকলৰ বাবে সুকীয়া নিৰ্বাচনৰ জন্ম দিয়াৰ সিদ্ধান্ত লয় তেন্তে মই আমৰণ উপবাস কৰিব লাগিব"। গান্ধীজীয়ে জানিছিল যে এইটোৰ কাৰণে চৰকাৰ, যাৰ তেওঁ কয়দী হৈ আছে দোধোৰ-মোধোৰত পৰিব। "কিন্তু যিটো খোজ দিয়াৰ কথা ভাবিছো সেইটো মোৰ বাবে এটা উপায় নহয়, সেইটো মোৰ অস্তিত্বৰ অংগ"।

ভাৰত সচিবে ১৩ এপ্ৰিলত উত্তৰ দিলে যে এতিয়ালৈ একো নিৰ্ণয় কৰা নাই আৰু নিৰ্ণয় কৰাৰ আগতে তেখেতৰ বিচাৰক বিবেচনা কৰা হ'ব।

১৯৩২ চনৰ ১৭ আগষ্টলৈকে একো নতুন ঘটনা ঘটা নাছিল। কিন্তু সেই তাৰিখে প্ৰধানমন্ত্ৰী ৰেম্‌জ মেকডানল্ডে সুকীয়া নিৰ্বাচনৰ পক্ষত ব্ৰিটেইনৰ নিৰ্ণয়ক ঘোষণা কৰিলে।

দ্বিতীয় দিনা গান্ধীজীয়ে ৰেম্‌জ মেকডানল্ডলৈ লিখিলে ঃ "আপোনাৰ নিৰ্ণয়ক মই প্ৰাণৰ বাজি লগাই বিৰোধ কৰিব লাগিব। ইয়াৰ একমাত্ৰ উপায় এয়ে যে মই চৌডা আৰু নিমখ মিলোৱা বা সুদা পানীৰ বাহিৰে একো নেখাই থাকি আমৰণ অনশনৰ ঘোষণা কৰি দিওঁ"। এই অনশন ২০ ছেপ্টেম্বৰৰ দুপৰীয়াৰ পৰা আৰম্ভ হ'ব।

১৯৩২ চনৰ ৮ ছেপ্টেম্বৰ তাৰিখে পঠোৱা দীঘলীয়া পত্ৰৰ উত্তৰত প্ৰধানমন্ত্ৰী মেকডানল্ডে গান্ধীজীৰ পত্ৰৰ বাবে বৰ আচৰিত আৰু অত্যন্ত আন্তৰিক দুখ প্ৰকাশ কৰে। তেওঁ চৰকাৰৰ নিৰ্ণয়ৰ পক্ষত যুক্তি দিলে আৰু পিছপৰা শ্ৰেণীৰ বাবে সুকীয়া নিৰ্বাচনৰ ব্যাখ্যা কৰিলে। সুৰক্ষিত স্থানৰ বিকল্প পদ্ধতিক অস্বীকাৰ কৰি তেওঁ ক'লে যে এই উপায়েৰে পিছপৰা শ্ৰেণীৰ প্ৰতিনিধি উচ্চবৰ্ণৰ ভোটৰ বহুমতৰ দ্বাৰা নিৰ্বাচিত হ'ব। সেয়ে তেওঁলোক উচ্চ হিন্দুৰ থাৰতে নাচোতা হ'ব। সেইবাবে তেওঁৰ মতে গান্ধীজীৰ উপবাস কৰাৰ ধাৰণা ভ্ৰমপূৰ্ণ আছিল আৰু চৰকাৰৰ নিৰ্ণয় অপৰিবৰ্তনশীল।

এই পত্ৰৰ গান্ধীজীয়ে ৯ ছেপ্টেম্বৰত যি উত্তৰ দিয়ে সেইটো তেখেতৰ বিশিষ্টতাক লৈয়ে হৈছিল।

"বান বিবাদলৈ নগৈ মই দৃঢ়তাৰে সৈতে গৈ দিব খুজিছো যে মোৰ বাবে এইটো বিষয় শুদ্ধ ধাৰ্মিক। আপুনি যিমানেই সহানুভূতিপূৰ্ণ নহওক লাগে, কিন্তু সম্বন্ধিত দলৰ বাবে ধাৰ্মিক আৰু ধাৰ্মিক মহত্ব ৰাখোতাসকলৰ বিষয়ত আপুনি প্ৰকৃত নিৰ্ণয় লৈ যাব নোৱাৰে। কি আপুনি জানে নেকি যে যদি আপোনাৰ নিৰ্ণয় স্থিৰভাৱে থাকে আৰু সংবিধান ব্যৱহাৰত আহে তেন্তে আপুনি সেই হিন্দু সুধাৰকসকলৰ কাৰ্যৰ অদ্ভুত বিকাশক কুণ্ঠিত কৰি দিব, যিজনে জীৱনৰসকলো দিশতে পিছপৰা শ্ৰেণীৰ ভাইসকলৰ বাবে উচৰ্গা কৰিছে"।

এইটোৰ পাছতে লণ্ডনৰ লগত চিঠি-পত্ৰৰ ব্যৱস্থাৰ সমাপ্ত হৈ পৰিল। এনেদৰে মূৰ ঘূৰণি কৰোৱাসকল মেকডানল্ড অকলেই নাছিল। অনেক ভাৰতবাসী আৰু কিছুমান

হিন্দুৱেও পাকঘূৰণি খালে। গান্ধীজীৰ উপবাসৰ বাতৰি জবাহৰলাল নেহেৰুৱে জেলতে শুনিলে। নিজৰ আত্মকথাত তেখেতে লিখে, "মোৰ খং উঠিছিল তেখেতৰ এটা ৰাজনৈতিক বাদৰ বিষয়ত তেখেতৰ ধাৰ্মিক আৰু ভাবনাবোৰকে ধৰি থকাত আৰু এইটোৰ সম্বন্ধত বাৰে পতি ঈশ্বৰৰ নাম লোৱাত। দুদিনলৈকে মই অন্ধকাৰত ঘোৰমকটিয়াই আছিলো। কিন্তু পাছত মোৰ এটা বিচিত্ৰ অনুভৱ হ'ল। মই এটা ভাল বিশেষ ভাবোদ্ৰেকত অতিবাহিত হৈ পাছত কিছু শান্তি অনুভৱ কৰিলো আৰু ভৱিষ্যতটো মোৰ ইমান অন্ধকাৰময় যেন নেলাগিল। উপযুক্ত সময়ত সজ কথা কোৱাটো বাপুৰ অদ্বিতীয় স্বভাৱ।

হ'ব পাৰে যে তেখেতৰ এনে কাৰ্য মোৰ দৃষ্টিৰে অসম্ভৱ, মহান পৰিণামৰ ফালে লৈ যাব পাৰে। ইয়াৰ পাছত দেশব্যাপী হাহাকাৰৰ খবৰ পোৱা হ'ল। ভাবিলো য়াৰবেদা জেলত বহি থকা এই সৰু মানুহজন কিমান ডাঙৰ যাদুকৰ আৰু মানুহৰ অন্তৰক প্ৰভাৱিক কৰিব পৰা ৰছীডাল টানিব কিমান ভালদৰে জানে"।

গান্ধীজীয়ে ক'লে যে তেখেতৰ উপবাস পিছপৰা শ্ৰেণীৰ বাবে যিকোনো ৰূপতে সুকীয়া নিৰ্বাচনৰ বিৰুদ্ধে। এই বিপদ দূৰ হোৱাৰ লগে লগে উপবাস সমাপ্ত হৈ যাব। তেখেতে ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে উপবাস কৰা নাছিল, কিয়নো তেখেতে কৈ দিছিল যে যদি হিন্দু তথা হৰিজনে কিবা আন পাৰস্পৰিক সন্তোষজনক ভোটদান ব্যৱস্থাত সম্মত হয় তেন্তে সেইটো স্বীকাৰ কৰি লোৱা যাব। গান্ধীজীয়ে কৈ দিছিল যে তেখেতৰ উপবাসৰ উদ্দেশ্য প্ৰকৃত ধাৰ্মিক কৃত্যৰ বাবে হিন্দুসকলৰ অন্তৰাত্মাক প্ৰেৰিত কৰা।

১৩ ছেপ্টেম্বৰত গান্ধীজীয়ে ঘোষণা কৰিলে যে তেখেতে আমৰণ উপবাস ২০ ছেপ্টেম্বৰত আৰম্ভ হ'ব। এতিয়া ভাৰতৰ সমুখত এটা এনেকুৱা বস্তু আহিল যিটো সংসাৰে আজিলৈকে দেখা দিয়া নাছিল।

১৩ তাৰিখৰ দিনা ৰাজনৈতিক তথা ধাৰ্মিক নেতাসকলৰ হাঁহাকাৰ অৱস্থা আহিল। বিধানসভাত পিছপৰা শ্ৰেণীৰ এজন প্ৰবক্তা এম চি ৰাজাই গান্ধীজীৰ অৱস্থাৰ পূৰাভাৱে সমৰ্থন কৰে। ছাৰ তেজ বাহাদুৰ চপ্ৰুৱে চৰকাৰৰ তৰফৰ পৰা গান্ধীজীক ৰেহাই দিবলৈ প্ৰাৰ্থনা কৰিলে; মাদ্ৰাজৰ মুছলিম নেতা য়াকুব হসনে হৰিজনসকলক অনুৰোধ কৰিলে যে সুকীয়া নিৰ্বাচনৰ কথা অস্বীকাৰ কৰি দিয়ক; ৰাজেন্দ্ৰ প্ৰসাদে পৰামৰ্শ দিলে যে হিন্দুসকলে হৰিজনসকলৰ বাবে নিজা মন্দিৰ, কুঁৱা, বিদ্যালয়বিলাক তথা সমূহীয়া বাট-পথবোৰ খুলি দি গান্ধীজীৰ জীৱনক ৰক্ষা কৰক; পণ্ডিত মালব্যই ১৯ তাৰিখে নেতাসকলৰ এখন সম্মিলন আহ্বান কৰিলে; ৰাজা গোপালচাৰীয়ে ক'লে যে ২০ তাৰিখৰ দিনটোত সমগ্ৰ দেশে প্ৰাৰ্থনা তথা উপবাস কৰক।

কেইবাটাও শিষ্ট মণ্ডলীয়ে জেলত গান্ধীজীক লগ পোৱাৰ অনুমতি বিচাৰিলে। চৰকাৰে জেলৰ দুৱাৰ খুলি দিলে আৰু গান্ধীজীৰ লগত পৰামৰ্শ কৰিবলৈ মুকলিকৈ সম্মতি

দিলে। পৰামৰ্শ কৰোঁতা তথা গান্ধীজীৰ মাজত মধ্যস্থতাৰ কাম কৰিবৰ বাবে দেৱদাস গান্ধী আহি পালে। বাস্তৱিকাকতৰ লোকসকলো গান্ধীজীৰ ওচৰলৈ যোৱা একো বাধা নাছিল।

এই বিষয়ে গান্ধীজীয়ে ভাৰত থকা বিদেশলৈকো অনেক মিত্ৰলৈ দীঘল দীঘল পত্ৰ লিখে। মীৰা বহনলৈ পঠোৱা পত্ৰত তেখেতে লিখে ঃ "এইটোৰ পৰা ৰক্ষা পোৱা কোনো পথ নাছিল। মোৰ বাবে এইটো এটা বিশেষ লাভ তথা কৰ্তব্য দুয়োটাই হয়। এনে সুবিধা কাৰোবাৰ এক পুৰুষত বা বহুতো পুৰুষতো কদাচিতহে প্ৰাপ্ত হয়"।

২০ তাৰিখে গান্ধীজী ৰাতিপুৱা ২-৩০ বজাতে উঠিল আৰু তেখেত ৰবীন্দ্ৰনাথ ঠাকুৰলৈ চিঠি লিখিলে, কিয়নো তেখেত ঠাকুৰৰ স্বীকৃতিৰ বাবে অত্যন্ত ইচ্ছুক আছিল। মহাত্মাজীয়ে লিখে ঃ "এতিয়া মঙলবাৰৰ ৰাতিপুৱা তিনিটা বাজিছে। দুপৰীয়া মই অগ্নিময় দুৱাৰত প্ৰৱেশ কৰিম। মই বিচাৰিছো যেন আপুনি এই প্ৰযত্নক আশীৰ্বাদ দিব পাৰে। আপুনি সঁচা মিত্ৰ, কিয়নো আপুনি স্পষ্টবাদী মিত্ৰ আৰু নিজা বিচাৰবোৰ সাধাৰণতে মুখেৰে প্ৰকাশ কৰি দিয়ে। যদি আপোনাৰ হৃদয়ে নিন্দা কৰে তথাপি মই আপোনাৰ আলোচনাক বহুমূলীয়া বুলিয়ে বুজিম, যদিও এতিয়াহে এইটো মোৰ উপবাসৰ অৱস্থাতেই সম্ভৱ। যদি মোৰ এনে লাগে যে মই ভুল কৰিছো তেন্তে মই ইমান অভিমানী নহও যে নিজৰ ভুলটোক মুকলিকৈ স্বীকাৰ নকৰিম, লাগে এনে আত্ম স্বীকৃতিৰ যিমানেই মূল্য কিয় ঘূৰাই দিব লগা নহওক। যদি আপোনাৰ হৃদয়ে মোৰ কাৰ্যক পচন্দ কৰে তেন্তে মই আপোনাৰ আশীৰ্বাদ বিচাৰিছো। এইটোৱে মোৰ সহায় হ'ব"।

গান্ধীজীয়ে এই চিঠিখন ডাকত দিছিলহে। তেনেতে তেখেতে ঠাকুৰৰ টেলিগ্ৰাম পালেঃ "ভাৰতৰ একতা তথা সামাজিক অবিচ্ছিন্নতাৰ কাৰণে বহুমূলীয়া জীৱনৰ বলিদান শ্ৰেষ্ঠ। মই হৃদয়েৰে আশা কৰিছো যে আমি এই ৰাষ্ট্ৰীয় বজ্ৰপাতক চৰম সীমা পাবলৈ দিয়াৰ নিৰ্মমতা নেদেখুৱাম। মোৰ ব্যথিত হৃদয়ে আপোনাৰ লোকোত্তৰ তপস্যাক শ্ৰদ্ধা তথা প্ৰেমেৰে সৈতে চাই থাকিম"।

গান্ধীজীয়ে এই প্ৰেমপূৰ্ণ তথা ভব্য টেলিগ্ৰামৰ বাবে ঠাকুৰক ধন্যবাদ দিয়ে আৰু লিখে— "যিটো ধুমুহাৰ মাজত মই প্ৰৱেশ কৰিবলৈ লৈছো তাত এইটোৱে মোক সহায় কৰিব।

সেইদিনা ১২-৩০ বজাত গান্ধীজীয়ে শেষ ভোজন কৰে। ইয়াত নেমুৰ ৰস, মৌ জোল আৰু গৰম পানী আছিল। কোটি কোটি ভাৰতবাসীয়ে চৌবিশ ঘণ্টাৰ উপবাস কৰিলে। দেশজুৰি প্ৰাৰ্থনা কৰা হ'ল।

সেইদিনা ৰবীন্দ্ৰনাথ ঠাকুৰে শান্তি নিকেতনৰ বিদ্যাৰ্থীসকলৰ আগত ভাষণ দি ক'লে— "আজি ভাৰতৰ ওপৰত এনেকুৱা ছাঁই অন্ধকাৰ নমাই দিছে যেনেকৈ ৰাহুৱে গ্ৰাস কৰা সূৰ্যই দিয়ে। সমস্ত দেশৰ জনতা চিন্তাৰ তীক্ষ্ণ বেদনাৰে সন্তপ্ত হৈ পৰিছে, যিটোৰ

বিশ্বব্যাপকতাত সান্ত্বনাৰ মহান গৌৰৱ আছে। মহাত্মাজী, যিজনে নিজৰ উৎসৰ্গাময় জীৱনৰ পৰা ভাৰতক বাস্তৱতে নিজৰ কৰি ল'লে, নিজৰ চৰম বলিদানৰ ব্ৰত আৰম্ভ কৰিবলৈ লৈছে"।

মহাত্মাজীৰ উপবাসৰ ব্যাখ্যা কৰি ঠাকুৰে ক'লে, প্ৰত্যেক দেশৰে নিজৰ আন্তৰিক ভূগোল থাকে, য'ত তেওঁৰ আত্মাই নিবাস কৰে আৰু য'ত ভৌতিক বলে এক ইঞ্চি ভূমিও জিকিব নোৱাৰে। মহাত্মাজীয়ে যি প্ৰায়শ্চিত্ত নিজৰ মূৰৰ ওপৰত লৈছে সেইটো কৰ্মকাণ্ড নহয়, বৰং সমস্ত ভাৰত তথা সমস্ত সংসাৰৰ বাবে এটা সংবাদ। আমি দেখিছো যে মহাত্মাজীয়ে যিটো খোজ দিবলৈ বাধ্য হৈছে সেইটোৰ পৰা ইংৰাজবিলাকে চক্ খাই গৈছে। তেওঁলোকে স্বীকাৰ কৰে এইবোৰ তেওঁলোকে বুজি পোৱা নাই। মই বুজিছো যে তেওঁলোকে বুজি নোপোৱাৰ প্ৰধান কাৰণ এয়ে যে মহাত্মাজীৰ ভাষা তেওঁলোকৰ ভাষাতকৈ মূলতঃ ভিন্ন। ভাৰতীয় সমাজৰ অংগ বিচ্ছেদক বাধা দিবলৈ গান্ধীজীয়ে এজন ব্যক্তিৰ, স্বয়ং নিজকে বলি দিবলৈ লৈছে। এইটো অহিংসাৰ ভাষা। কি এই কাৰণে পশ্চিমে এইটোৰ অৰ্থ বুজি পোৱা নাই?"

ঠাকুৰক এই উপবাসতে গান্ধীজীক হেৰুৱাই পেলোৱাৰ সম্ভাৱনা দেখিবলৈ পোৱা যেন লাগিছিল। কেৱল এইটো বিচাৰতে ৰাষ্ট্ৰৰ ৰাজহাড়ত সনসন কৰি বতাহ বলিছিল। যদি মহাত্মাজীক বচাবৰ বাবে একো কৰা নেযায় তেন্তে প্ৰত্যেকজন হিন্দুৱেই গান্ধীজীৰ হত্যাকাৰী হ'ব।

জেলৰ শান্ত আম গছৰ ছাঁত লোহাৰ বগা খাটত গান্ধীজীয়ে দীঘল দি পৰি আছিল। পেটেল আৰু মহাদেৱ দেশাই তেওঁৰ ওচৰত বহি আছিল। গান্ধীজীক শুশ্ৰূষা কৰিবৰ বাবে তথা তেখেতক অতিশয় শৰীৰ শ্ৰমৰ পৰা ৰক্ষা কৰিবলৈ শ্ৰীমতী নাইডুক য়াৰবেদা জেলৰ মহিলা ৱাৰ্ডৰ পৰা বদলি কৰি দিয়া হৈছিল। এখন টুলত কিছু কিতাপ, লিখিবৰ বাবে কাগজ, পানী, নিমখ তথা চৌদাৰ বটল থোৱা হৈছিল।

বাহিৰত পৰামৰ্শ কৰি থকাসকলে মৃত্যুৰ সৈতে দৌৰি ফুৰিছিল। ২০ ছেপ্টেম্বৰত হিন্দু নেতাসকলে বোম্বাইৰ বিৰলা ভৱনত একত্ৰিত হ'ল। ইয় চপ্ৰু, ছাৰ চুনীলাল মেহতা, ৰাজা গোপালচাৰী, ঘনশ্যাম দাস বিৰলা, ৰাজেন্দ্ৰ প্ৰসাদ, জয়কৰ ছাৰ পুৰুষোত্তম দাস ঠাকুৰ দাস আদি আছিল। পিছপৰা শ্ৰেণীৰ প্ৰতিনিধি ডাঃ চোলংকী তথা ডাঃ আম্বেদকাৰ আছিল।

গান্ধীজীয়ে সদায়েই হিন্দুসকল তথা হৰিজনসকলৰ বাবে সংযুক্ত নিৰ্বাচন বিচাৰি আহিছিল। তেখেতে হৰিজনৰ বাবে স্থান সংৰক্ষণৰো বিৰোধী আছিল, কিয়নো এইটোৰ পৰা দুয়োটা জাতিৰ মাজৰ ফাঁট আৰু বহল হৈ পৰিব। কিন্তু ১৯ তাৰিখে গান্ধীজীয়ে এক শিষ্ট মণ্ডলক ক'লে যে সংৰক্ষিত স্থানৰ কথাটোত তেখেত সহমত হৈছে।

কিন্তু আম্বেদকাৰে আওকাণ কৰিলে, বিধান সভাবোৰত সংৰক্ষিত স্থানত বহাসকলে হৰিজন সদস্য হিন্দুসকল তথা হৰিজনসকলৰ দ্বাৰা সংযুক্ত ৰূপে বাচি লোৱা হ'ব সেয়ে হিন্দুসকলৰ বিৰুদ্ধে হৰিজনসকলকে নিন্দা প্ৰকাশ কৰিবলৈ তেওঁলোকৰ বহুত ইতঃস্তত কৰিব। যদি কোনোবা হৰিজনে হিন্দুৰ ওপৰত অত্যধিক দোষাৰোপ কৰিবলৈ ধৰে তেতিয়া সম্ভাৱনা থাকে যে অহা নিৰ্বাচনত হিন্দুলোকে তেওঁক হৰুৱাব আৰু কোনো অধিক নমনশীল হৰিজন বাচি উলিয়াব।

এই ন্যায়োচিত আপত্তিৰ পৰা হাত সাৰিবলৈ চপ্ৰুৱে এটা চতুৰতাপূৰ্ণ উপায় উলিয়ালে, যিটো তেখেতে ২০ ছেপ্টেম্বৰৰ সম্মিলনত দাঙি ধৰিলে।

এই আঁচনিত আম্বেদকাৰৰ বিচাৰবোৰক হিন্দুসকলে চিন্তাৰে সৈতে প্ৰতীক্ষা কৰিবলৈ ধৰে। আম্বেদকাৰে এইটোৰ সূক্ষ্মভাৱে পৰীক্ষা কৰিলে আৰু মিত্ৰসকলৰ পৰা পৰামৰ্শ ল'লে। ঘণ্টাবিলাক পাৰ হৈ গৈ থাকিল। শেষত তেওঁলোকে আঁচনি মানি ল'লে, কিন্তু লগতে ক'লে যে চপ্ৰুৱে আঁচনিৰে সৈতে নিজৰ বিচাৰক সন্নিহিত কৰিবৰ বাবে তেওঁলোকে নিজা সূত্ৰ তৈয়াৰ কৰিব।

এইটোত উৎসাহিত হৈ, কিন্তু তথাপি আম্বেদকাৰৰ ফালৰ পৰা শংকা কৰি, হিন্দু নেতাই এতিয়া গান্ধীজীৰ বিষয়ে ভাবিবলৈ ধৰিলে; কি তেখেতে চপ্ৰুৰ নতুন কথাটো মানি লবনে? চপ্ৰু, জয়কৰ, ৰাজা গোপালাচাৰী, দেবদাস, বিৰলা আৰু ৰাজেন্দ্ৰ প্ৰসাদে ৰাতিৰ গাড়ীতে ৰাওনা হ'ল আৰু ৰাতিপুৱা পুণা গৈ পালে।

ৰাতিপুৱা ৭ বজাত তেওঁলোক জেলৰ কাৰ্যালয়লৈ গ'ল। গান্ধীজী, যিজনে ২৪ ঘণ্টাতকৈ কেইঘণ্টামান কম নিৰাহাৰে থকাৰ কাৰণে কিছু দুৰ্বল হৈ পৰিছিল, হাঁহি মাৰি কাৰ্যালয়লৈ আহে আৰু মেজৰ মাজত ঠাই গ্ৰহণ কৰি প্ৰসন্ন মুদ্ৰাৰে ক'লে "মই সভাপতি হওঁ।"

চপ্ৰুৱে নিজৰ আঁচনিৰ বিষয়ে ক'লে। আনজনে সেইটোৰ ব্যাখ্যা কৰিলে। গান্ধীজীয়ে কেইটামান প্ৰশ্ন সুধিলে। তেওঁলোকে নিশ্চয়াত্মক উত্তৰ নিদিলে। আধা ঘণ্টা পাৰ হৈ গ'ল। শেষত গান্ধীজীয়ে ক'লে "মই আপোনাৰ আঁচনি সহানুভূতিপূৰ্বক বিচাৰ কৰি চাবলৈ সাজু, কিন্তু মই বিচাৰিছো যে গোটেই চিত্ৰটো লিখিতৰূপে মোৰ ওচৰলৈ আহি যাওঁক।" লগতে তেখেতে আম্বেদকাৰ আৰু ৰাজাৰ লগত লগ পাবলৈ ইচ্ছা প্ৰকাশ কৰিলে।

আম্বেদকাৰ আৰু ৰাজালৈ অত্যাৱশ্যকীয় নিমন্ত্ৰণ পঠোৱা হ'ল। ২২ তাৰিখে ৰাতিপুৱা গান্ধীজীয়ে আঁচনিৰ প্ৰতি মনঃপুত নোহোৱাটো জনাই দিলে। তেখেতে হৰিজনসকলৰ মাজত কোনো ভেদভাৱ নিবিচাৰিছিল। নে তেখেতে এইটো বিচাৰিছিল যে বিধান সভাবোৰৰ হৰিজন সদস্যসকলে হিন্দুসকলৰ কিবা ৰাজনৈতিক উপকাৰৰ বাবে তলতীয়া হৈ থাকিব।

পৰামৰ্শ কৰোতাসকল অতি হৰষিত হ'ল। গান্ধীজীয়ে আম্বেদকাৰক তাতোকৈও অধিক দি আছিল। যিটো আম্বেদকাৰে মানি লৈছিল।

সেইদিনা আবেলিলৈ আম্বেদকাৰ গান্ধীজীৰ মূৰ শিতানলৈ গ'ল। বেছিভাগ কথা বতৰা তেৱেঁই ক'লে। তেওঁ মহাত্মাজীৰ জীৱন ৰক্ষা কৰাত সহায় কৰিবলৈ সাজু আছিল, কিন্তু ক'বলৈ ধৰিলে "মই নিজৰ ক্ষতিপূৰণ বিচাৰিছো।"

যেতিয়া আম্বেদকাৰে এই শব্দটো ক'লে তেতিয়া গান্ধীজীয়ে কষ্টৰে সৈতে উঠি আঁউজী বহিল আৰু কেবা মিনিটো কথা কৈ থাকিল। তেখেতে চপ্রুৰ আঁচনি প্রতিটো কথাৰে চৰ্চা কৰিলে। এইটো পৰিশ্ৰমৰ পৰা ভাগৰি পৰি গান্ধীজীয়ে গাৰুৰ সহায়লৈ বিছনাত দীঘল দিলে।

আম্বেদকাৰে ভাবিছিল যে মৰণমুখী মহাত্মাজীৰ আগত নিজৰ স্থিতিৰ পৰা পিছুৱাই যাবৰ বাবে তেওঁৰ ওপৰত হেঁচা দিয়া হ'ব। কিন্তু এতিয়া গান্ধীজীয়ে হৰিজন হিতৈষিতাতেইতো হৰিজন আম্বেদকাৰকো পৰাজিত কৰি দিলে।

আম্বেদকাৰে গান্ধীজীৰ সংশোধনীক স্বাগত জনালে।

সেই দিনাই শ্ৰীমতী গান্ধী আহিল, তেখেতক সবৰমতীৰ জেলৰ পৰা সলনি কৰি য়াৰবেদালৈ পঠোৱা হৈছিল। যেতিয়াই তেখেতে লাহে লাহে গান্ধীজীৰ ফালে আগবাঢ়িল তেখেতে অসহমতিসূচক মূৰ লৰালে আৰু ক'লে, "আকৌ একেই কাহিনী"। গান্ধীজীয়ে অলপকৈ হাঁহিলে 'বা'ৰ উপস্থিতিত তেখেতৰ হৃদয় সন্তোষিত হ'ল।

উপবাসৰ চতুৰ্থ দিনা ২৩ ডিচেম্বৰ শুকুৰবাৰে গান্ধীজীৰ হৃদয় বিশেষজ্ঞ ডাঃ গিল্ডৰ তথা ডাঃ পেটেল বোম্বাইৰ পৰা আহে। জেলৰ ডাক্তৰৰ লগত পৰামৰ্শ কৰি তেওঁলোকে নিদান দিলে যে গান্ধীজীৰ অৱস্থা বিপদযুক্ত। ৰক্তচাপ ভয়ংকৰ ৰূপে বাঢ়ি গৈছিল। যি কোনো সময়তে মৃত্যু হ'ব পাৰে।

সেই দিনাই আম্বেদকাৰে হিন্দু নেতাসকলৰ লগত দীঘলীয়াকৈ কথা-বতৰা হয় আৰু ক্ষতিপূৰণৰ নিজাকৈ নতুন দাবী দাঙি ধৰিলে। মেক্‌ডানল্ডৰ মীমাংসাত ৰাজ্য বিধান সভাবোৰত পিছপৰা শ্ৰেণীৰ বাবে ৭১ স্থান দিয়া হৈছিল। আম্বেদকাৰে ১৯৭ খোজে এইটোৰ উপৰি এইটো প্ৰশ্নও আহিছিল যে সংৰক্ষিত স্থানবোৰ নাকচ কৰাটো নিশ্চিত কৰিবলৈ হৰিজন মতদাসসকলৰ জনমত কেতিয়া লোৱা হ'ব। গান্ধীজীয়ে বিচাৰিছিল যে হৰিজনৰ স্থানবিলাকৰ বাবে প্ৰাৰম্ভিক নিৰ্বাচন পাঁচ বছৰতে সমাপ্ত কৰি দিব লাগে। আম্বেদকাৰে পোন্ধৰ বছৰ হ'ব লাগে বোলা কথাটোত ধৰি আছিল। তেওঁৰ বিশ্বাস নাছিল যে পাঁচ বছৰতে অস্পৃশ্যতা লোপ পাব।

পঞ্চম দিনা ২৪ ছেপ্টেম্বৰ শনিবাৰ আম্বেদকাৰে হিন্দু নেতাসকলৰ লগত পুনৰ কথা বতৰা আৰম্ভ কৰিলে। ৰাতিপুৱাৰ বাক-বিতণ্ডাৰ পাছত তেওঁ দুপৰীয়া গান্ধীজীক লগ

কৰিবলৈ যায়। আম্বেদকাৰ তথা হিন্দু নেতাসকলৰ মাজত এইটো সিদ্ধান্ত হৈছিল যে পিছপৰা শ্ৰেণীৰ বাবে ১৪৭ খন স্থানৰ সংৰক্ষণ ৰাখিব লাগে। এই বুজাবুজিক গান্ধীজীয়ে মানি ল'লে। এতিয়া আম্বেদকাৰে প্ৰাৰম্ভিক নিৰ্বাচন দহ বছৰৰ পাছত আতৰ কৰিবলৈ সন্মত হ'ল। গান্ধীজীয়ে পাঁচ বছৰৰ কথাটোত আগ্ৰহ কৰিলে। তেখেতে ক'লে "হয় পাঁচ বছৰৰ কথাটো হ'ব নহয় মোৰ জীৱন নেথাকিব।" আম্বেদকাৰে অমান্তি হ'ল।

আম্বেদকাৰ নিজা হৰিজন লগৰীয়াসকলৰ ওচৰলৈ ঘূৰি গ'ল। পাছত তেওঁ হিন্দু নেতাসকলক জনাই দিলে যে তেওঁ পাঁচ বছৰত প্ৰাৰম্ভিক নিৰ্বাচনৰ অন্ত হোৱাটো মানি নলয়। এই সময় দহ বছৰতকৈ কম হ'ব নোৱাৰিব।

তেতিয়া ৰাজাগোপালাচাৰীয়ে সেই কাম কৰিলে যিটোৱে সম্ভৱ গান্ধীজীৰ জীৱন ৰক্ষা কৰিলে। গান্ধীজীক নোসোধাকৈয়ে তেখেতে আম্বেদকাৰক এইটো কথাত সন্মত কৰালে যে প্ৰাৰম্ভিক নিৰ্বাচনক আঁতৰ কৰাৰ কথা আগলৈ আলোচনা কৰি নিশ্চিত কৰা হওঁক। এইটোৰ বাবে সম্ভৱ জনমত লোৱাৰ আৱশ্যক নেথাকিব।

ৰাজাগোপালাচাৰী জেললৈ দৌৰি গ'ল আৰু গান্ধীজীক তেখেতে এই নতুন ব্যৱস্থাৰ কথা ক'লে।

"এইটো দ্বিতীয়বাৰ কোৱা"। গান্ধীজীয়ে ক'লে। ৰাজা গোপালাচাৰীয়ে নিজৰ কথা দোহাৰিলে। "বহুত বঢ়িয়া" গান্ধীজীয়ে লাহেকৈ ক'লে সম্ভৱ তেখেতে ৰাজা গোপালাচাৰীৰ কথাবোৰ ভালদৰে বুজি নেপালে, তেখেত মুৰ্চা যোৱাৰ দৰে হৈছিল। কিন্তু তেখেত মান্তি হ'ল।

সেই শনিবাৰৰ দিনটোতে ভাৰতীয় ইতিহাসৰ য়াৰবেদা সন্ধিৰ আঁচনি তৈয়াৰ কৰা হ'ল আৰু গান্ধীজীৰ বাদেসকলো হিন্দু তথা হৰিজন পৰামৰ্শকাৰীসকলে হস্তাক্ষৰ কৰি দিলে।

দেওবাৰৰ দিনা বোম্বাইত পৰামৰ্শকাৰীসকলৰ সন্মিলনৰসকলো লোকে সেইটোত চাপ মাৰি দিলে।

কিন্তু এই সন্ধি বাস্তৱিক সন্ধি নাছিল। আৰু গান্ধীজীয়ে তেতিয়ালৈ নিজৰ উপবাস ভংগ কৰাৰ বাবে সাজু হোৱা নাছিল, যেতিয়ালৈকে বৃটিছ চৰকাৰে এইটোক মেকডানল্ডৰ মীমাংসাৰ স্থানত স্বীকাৰ কৰিবলৈ মান্তি নহ'ব। এইটোৰ পূৰা পাঠ টেলিগ্ৰামৰ দ্বাৰা লণ্ডনলৈ পঠাই দিয়া হৈছিল, য'ত চাৰ্লচ এণ্ডুজ, পোলক তথা গান্ধীজীৰ আন মিত্ৰই চৰকাৰৰ পৰা অতি সোনকালে কাৰ্যকৰী কৰাবৰ বাবে দৌৰাদৌৰি কৰি আছিল। সেইদিনা দেওবাৰ আছিল, মন্ত্ৰীগণ নগৰৰ পৰা বাহিৰলৈ ওলাই গৈছিল আৰু মেকডালন্ড চচেক্সত এক মৃতক সংস্কাৰত যোগ দিবলৈ গৈছিল।

পুণা সন্ধিৰ বাতৰি শুনি মেকডানল্ড দৌৰাদৌৰিকৈ ঘূৰি আহিল। ছাৰ চেমুৱেল হোৰ তথা লৰ্ড লোথিয়নো আহিল। দেওবাৰৰ আধা ৰাতিলৈকে এইসকলে সন্ধিৰ পাঠৰ ওপৰত মনোযোগ দিবলৈ ধৰে।

গান্ধীজীৰ জীৱনী শক্তি বৰ খৰগতিত কমি যাবলৈ ধৰিছিল। তেখেতে কস্তুৰবাক কৈছিল যে তেখেতৰ খাটৰ আশে পাশে পৰি থকা নিজৰ বস্তুবিলাক কাক কাক দিব লাগিব। সোমবাৰে ৰাতিপুৱা ঠাকুৰ কলকাতাৰ পৰা আহে আৰু তেখেতে কেইটামান ৰচা ৰচা গীত মহাত্মাজীক গাই শুনালে। এইটোৰ পৰা মহাত্মাজীয়ে অলপ শান্তি পালে। পুণাৰ পৰা কেইজনমান মিত্ৰক বাদ্য সংগীত তথা ভজন শুনাবলৈ মাতিলে। গান্ধীজীয়ে মূৰ দুপিয়াই তথা অলপ হাঁহি তেওঁলোকক ধন্যবাদ দিলে। তেখেতে কথা ক'ব পৰা নাছিল।

কেইঘণ্টামানৰ পাছত বৃটিছ চৰকাৰে লণ্ডন তথা নতুন দিল্লীত একেলগে ঘোষণা কৰিলে যে তেওঁলোকে য়াৰবেদা সন্ধি মানি লৈছে। এতিয়া গান্ধীজীয়ে নিজৰ উপবাস ভংগ কৰিব পাৰে।

সোমবাৰে সন্ধিয়া ৫-১৫ বজাত ঠাকুৰ, পেটেল, মহাদেৱ দেশাই, শ্ৰীমতী নাইডু তথা পৰামৰ্শকাৰী আৰু পত্ৰকাৰসকলৰ উপস্থিতিত গান্ধীজীয়ে কস্তুৰবাৰ হাতেৰে কমলাৰ ৰসৰ গিলাচ ল'লে আৰু উপবাস ভাঙিলে। ঠাকুৰে বেংগলী ভজন গালে। বহুতো লোকৰ চকুত চকুপানী ওলাল।

২৫ ছেপ্টেম্বৰ দেওবাৰে য়াৰবেদা সন্ধি বা পুণা সন্ধিৰ ওপৰত স্বীকৃতিৰ ওপৰত ছাপ পৰা বোম্বে সম্মিলনত ডাঃ আম্বেদকাৰে মন পৰশা ভাষণ দিলে। গান্ধীজীৰ সদ্‌ভাৱনাপূৰ্ণ মনোভাৱৰ শলাগলৈ আম্বেদকাৰে ক'লে "মই স্বীকাৰ কৰিছো যে যেতিয়া মই তেখেতক লগ পাওঁ তেতিয়া মই আচৰিত হ'লো, আৰু অতিশয় আচৰিত হ'লো যে তেখেতৰ আৰু মোৰ মাজত পৰস্পৰ মিলি যোৱা কিমান বেছি কথা আছিল। বাস্তৱতে যেতিয়াই কোনো বিবাদ তেখেতৰ সমুখলৈ যায়, তেতিয়া মই এইটো দেখি হায়ৰান হ'লো যে যিজন ব্যক্তিয়ে গোলমেজ পৰিষদত মোৰ বিচাৰবোৰত ইমান মতভেদ ৰাখিছিল, তেখেতে তৎক্ষণাত মোক সমৰ্থন কৰিবলৈ ধৰিলে, বেলেগ পক্ষক নকৰিলে। মই মহাত্মাজীৰ প্ৰতি বৰ কৃতজ্ঞ যে তেখেতে মোক এনে পৰিস্থিতিত ৰক্ষা কৰিলে যিটো বহুত কঠিন হ'লহেতেন।

১৯৩৯ চনৰ ছেপ্টেম্বৰৰ পৰা ডিচেম্বৰলৈকে গোলমেজ পৰিষদত গান্ধীজীয়ে পিছপৰা শ্ৰেণীৰ বাবে স্থান সংৰক্ষণৰ বিৰোধ কৰিছিল, কিয়নো এইটোৰ পৰা হিন্দু জাতি টুকুৰা টুকুৰ হ'লহেঁতেন; কিন্তু ১৯৩২ চনৰ ১৩ ছেপ্টেম্বৰত গান্ধীজীয়ে স্থান সংৰক্ষণৰ কথাটোৰ প্ৰস্তাৱক এটা অনিবাৰ্য তথা অলপীয়া বেয়াহে বুলি মানি ল'লে।

গান্ধীজীয়ে পিছপৰা শ্ৰেণীৰ বাবে স্থান সংৰক্ষণ কৰাৰ কথাটো এই কাৰণেই মানি লৈছিল যে তেখেতে এইটোক পৃথককৰণতকৈ হাজাৰ গুণে ভাল বুলি বুজিছিল, যিটো

মেকডানল্ডৰ ইচ্ছাকৃত সুকীয়া নিৰ্বাচনৰ পৰা উৎপন্ন হ'লহেঁতেন। কিন্তু এই কথাটোকে গান্ধীজীয়ে গোলমেজ পৰিষদক উপবাসৰ কেইমাহমানৰ আগতে মানি ল'লেহেঁতেন তেখেতে বোধকৰো গোড়া হিন্দুসকলক নিজৰ লগলৈ নিব নোৱাৰিলেহেঁতেন।

অলপ সময়ৰ বাবে ধৰি লওক যে হিন্দু নেতাই উপবাসৰ আগতেই পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ স্থান মানি লোৱা হ'লে তেতিয়া কি উপবাস অলাগতিয়াল কথা হ'লহেঁতেন? কি মহাত্মাজীৰ যন্ত্ৰণা অনাৱশ্যকীয় আছিল?

ভাৰতবৰ্ষৰ ইতিহাসত গান্ধীজীৰ এই অৱদানক বুজিবলৈ এই প্ৰশ্নৰ উত্তৰে নিৰ্ণয় কৰাৰ হৈসিয়ত থাকে। শীতল তৰ্ক আৰু শুকান তৰ্ক প্ৰণালীৰ পৰীক্ষা অনুসৰিতো গান্ধীজীক আম্বেদকাৰৰ লগত বুজাবুজিত আহিবলৈ উপবাস কৰাৰ আৱশ্যক নাছিল। কিন্তু ভাৰতীয় জনতাৰ লগত গান্ধীজীৰ সম্বন্ধ তৰ্ক আৰু বিধানবাদৰ আধাৰত নাছিল। এই সম্বন্ধ উচ্চ মনোভাৱনাপূৰ্ণ আছিল। হিন্দুসকলৰ বাবে গান্ধীজী মহাত্মা আছিল। কি তেওঁলোকে তেখেতক হত্যা কৰিব পাৰিলেহেঁতেন? উপবাস আৰম্ভ হোৱাৰ লগে লগে আঁচনি, সংবিধান, সমাধান, নিৰ্বাচন আদিসকলোৰে মহত্ব আঁতৰি গৈছিল। গান্ধীজীৰ প্ৰাণ ৰক্ষা কৰাহে নিশ্চিত আছিল।

গান্ধীজীয়ে প্ৰত্যেক জন হিন্দুৰ ওপৰতে নিজৰ জীৱনৰ দায়িত্ব দি দিছিল। ১৫ ছেপ্টেম্বৰৰ এটা বক্তব্যত, যিটো ব্যাপক ৰূপত প্ৰচাৰ কৰা হয়, গান্ধীজীয়ে কয় "উচ্চ বৰ্ণৰ হিন্দুসকল তথা পিছপৰা শ্ৰেণীৰ নেতাসকলৰ মাজত কোনো প্ৰকাৰৰ চেপা-চেপী ধৰণৰ বুজা পৰাই উদ্দেশ্য সিদ্ধি নকৰিব। বুজাবুজি শক্তিশালী তেতিয়াহে হ'ব যেতিয়া সেইটো বাস্তৱিক হ'ব। যদি হিন্দু জনগণৰ মন এতিয়ালৈকে অস্পৃশ্যতাক পুলিয়ে পোখাই নষ্ট কৰিবৰ বাবে সাজু হোৱা নাই তেন্তে তেওঁলোকে একো সংকোচ নকৰাকৈ মোক বলিদান কৰি দিব লাগে।"

সেইবাবে যি সময়ত পৰামৰ্শ কৰোতাসকলে মন্ত্ৰণাবিলাক কৰি আছিল, হিন্দুসকলে এটা ধাৰ্মিক ভাৱনাময় উথুল থুথুল ভাব অনুভৱ কৰি আছিল। উপবাসৰ সপ্তাহৰ আৰম্ভণিতেই কলিকতাৰ কালীঘাট মন্দিৰ তথা হিন্দু গোড়ামীৰ গড় কাশীৰ ৰাম মন্দিৰ হৰিজনসকলৰ বাবে খুলি দিয়া হয়। দিল্লীত উচ্চ বৰ্ণৰ হিন্দুসকল তথা হৰিজনসকলে বজাৰ তথা মন্দিৰবোৰত তেওঁলোকৰ মাজত ভাই ককাইৰ ব্যৱহাৰ দেখুৱালে। বোম্বাইত মহিলাসকলৰ এটা ৰাষ্ট্ৰীয় অনুষ্ঠানে সাতটা ডাঙৰ ডাঙৰ মন্দিৰৰ সমুখত মতদানৰ ব্যৱস্থা কৰিলে। স্বয়ং সেৱকসকলৰ তত্বাৱধানত মন্দিৰবোৰৰ বাহিৰত মতদানৰ বাকচ ৰখা হ'ল আৰু পূজা কৰিবলৈ অহাসকলক কোৱা হ'ল যে তেখেতসকলে অস্পৃশ্যসকলক মন্দিৰত প্ৰবেশ কৰাৰ বাবে ভোট দিয়ক। মতগণনাত সপক্ষে ২৪,৭১৭ আৰু বিপক্ষে ৪৪৫ টা ভোট পৰে। পৰিণাম স্বৰূপে এনে মন্দিৰ য'ত হৰিজনসকলে কেতিয়াও খোজ পেলাব পৰা নাছিল, সেইবোৰসকলোৰে বাবে মুকলি কৰি দিয়া হ'ল।

উপবাস আৰম্ভ হোৱাৰ এদিন আগতে এলাহাবাদৰ বাৰটা মন্দিৰ প্ৰথমবাৰ হৰিজনসকলৰ বাবে মুকলি কৰি দিয়া হয়। উপবাসৰ আৰম্ভণিৰ দিনা কিছুমান পৱিত্ৰ মন্দিৰবো দুৱাৰ অস্পৃশ্যসকলৰ বাবে খুলি দিয়ে। ২৬ ছেপ্টেম্বৰলৈকে প্ৰতিদিনে আৰু ২৭ ছেপ্টেম্বৰৰ পৰা গান্ধীজীৰ জন্ম দিবস ২ অক্টোবৰলৈকে প্ৰতিদিনে বিভিন্ন ধাৰ্মিক স্থানবোৰে হৰিজনৰ প্ৰবেশত থকা বাধা উঠাই দিয়ে। বৰোদা কাশ্মীৰ আৰু কোল্হাপুৰৰ ৰিয়াসতসকলো মন্দিৰে ভেদভাৱ আঁতৰাই পেলালে। বাতৰি কাকতবোৰে শত শত মন্দিৰৰ নাম প্ৰকাশ কৰিলে, যিবিলাকে গান্ধীজীৰ উপবাসৰ আবেশত বাধা আঁতৰাই পেলাইছিল।

জৱাহৰলালৰ ক... প... মাক শ্ৰীমতী স্বৰূপৰাণী নেহেৰুৱে ক'লে যেসকলোকে কৈ দিব লাগে যে তেখেতে এজন অস্পৃশ্যৰ হাতে ভাত খালে। হাজাৰ হাজাৰ হিন্দু মহিলাই এখেতৰ অনুকৰণ কৰিলে। কাশীৰ বৈধ হিন্দু বিশ্ববিদ্যালয়ত প্ৰধান আচাৰ্যধ্ৰুৱই অনেক ব্ৰাহ্মণেৰে সৈতে ৰাজহুৱাভাৱে মুচি আৰু মেতৰসকলৰ লগত বহি ভোজন কৰিলে।

গাঁওবিলাকত তথা সৰু সৰু নগৰবিলাকত অস্পৃশ্যসকলক কুঁৱাৰ পৰা পানী তুলিবলৈ মুকলি কৰি দিয়া হ'ল।

গোটেই দেশতে শুধৰণি, প্ৰায়চিত্ত তথা আত্মশুদ্ধিৰ ঢৌ উঠিল। উপবাসৰ ষষ্ঠ দিনা বহুতো হিন্দু লোকে চিনেমা, থিয়েটাৰ, ৰেষ্টোৰা আদিলৈ নগ'ল। বিয়া পৰ্য্যন্ত স্থগিত কৰি দিলে।

উপবাসবিহনে গান্ধীজী তথা আম্বেদকাৰৰ মাজত ৰসহীন বুজা পৰাবে ৰাষ্ট্ৰৰ ওপৰত এনে প্ৰভাৱ নপৰিলেহেঁতেন। এইটোৰ পৰা হৰিজনসকলৰ এটা বিধিগত আপত্তি লাগিলে দূৰ হৈয়ে গ'লহেতেন কিন্তু যিমানলৈকে হৰিজনসকলৰ লগত হিন্দুসকলৰ ব্যক্তিগত বুজাপৰাৰ প্ৰশ্ন থাকিল, এই বুজাপৰা এটা একো কামত নহা বস্তু হৈয়ে থাকিলহেঁতেন। বহুতো হিন্দুৱেতো এইটো গমেই নেপালেহেঁতেন। গান্ধীজীয়ে দেশৰ মনোভাব যি মন্থন কৰিলে তাৰ পাছতে ৰাজহুৱা সন্ধিৰ মহত্ব আহিল।

উপবাসৰ পৰা অস্পৃশ্যতাৰ অভিশাপতো নোহোৱা নহ'ল, কিন্তু ইয়াৰ পিছত ৰাজহুৱা ভাৱে অস্পৃশ্যতাৰ সমৰ্থন সমাপ্ত হৈ পৰিল।

যদি অস্পৃশ্যতাৰ জঁকাটোক চুৰমাৰ কৰাৰ বাদে গান্ধীজীয়ে নিজৰ জীৱনত আৰু একো নকৰিলেহেঁতেন তেন্তে তেখেতক এজন মহান সমাজ-সুধাৰক বুলিলেহেঁতেন। পিছলৈ চালে স্থান, প্ৰাৰম্ভিক নিৰ্বাচন, জনমত আদিৰ বিষয়ত আম্বেদকাৰৰ লগত টনা আজোৰা। সেই বছৰৰ হিমালয়ৰ গলা বৰফ যেনহে অনুভৱ হয়। বাস্তৱিক শুধৰণি ধাৰ্মিক তথা সামাজিক আছিল, ৰাজনৈতিক নহয়।

উপবাস সমাপ্তৰ পাঁচ দিনৰ পাছত গান্ধীজীৰ ওজন ৯৯ ৩/৪ পাউণ্ড হয় আৰু তেখেতে কেইবা ঘণ্টাও সুঁতা কটা তথা কাম কৰিবলৈ ধৰিলে।

এতিয়াও তেখেত জেলতে আছিল। গান্ধীজীৰ উপবাসে ভাৰতৰ হৃদয়ক স্পৰ্শ কৰিলে। গান্ধীজীয়ে মানুহৰ হৃদয়েৰে সৈতে কথা পতাটো অনিবাৰ্য আৱশ্যক বুলি জানিব পাৰিলে। মানৱৰ আন্তৰিক হৃদয়তাৰলৈকে পাব পৰাকৈ তেখেতৰ কলাকাৰৰ প্ৰতিভা আছিল। তেখেতৰ উপবাস মনোভাববিলাকৰ আদান প্ৰদানৰ উপায় আছিল। উপবাসৰ বাতৰিসকলোবোৰ বাতৰি কাকতে ছপাইছিল। যিসকলে পঢ়িব জানিছিল তেওঁলোকে পঢ়িব নজনাসকলক কৈছিল যে 'মহাত্মাজীয়ে উপবাস কৰিছে'। চহৰবাসীয়ে জানিলে চহৰত বস্তু বেহানি কিনিবলৈ অহা কৃষকসকলে জানিলে আৰু তেওঁলোকে এই খবৰটো গাঁৱলৈ নিলে। যাত্ৰীসকলেও এইটোকে কৰিলে।

"মহাত্মাজীয়ে উপবাস কিয় কৰিবলৈ লৈছে" এইবাবেই যে আমি হিন্দুবিলাকে অস্পৃশ্যবিলাকৰ বাবে মন্দিৰ মুকলি কৰি দিব লাগে আৰু অস্পৃশ্যসকলৰ লগত ভাল ব্যৱহাৰ কৰিব লাগে।

গান্ধীজীৰ যন্ত্ৰণাত তেখেতৰ ভক্তসকলেও কষ্ট পাইছিল আৰু তেওঁলোকে জানিছিল যে এই পৃথিৱীত ঈশ্বৰৰ এই অৱতাৰক মৰা ভাল নহয়। তেখেতৰ কষ্ট বাঢ়িবলৈ দিয়াটো পাপ। যাক গান্ধীজীয়ে হৰিজন বুলি কয়, তেওঁলোকৰ লগত ভাল ব্যৱহাৰ কৰি গান্ধীজীৰ প্ৰাণ ৰক্ষা কৰাটো পবিত্ৰ কাম। ❑❑

ৰাজনীতিৰ পৰা বেলেগ

'ঐতিহাসিক উপবাসে' গান্ধীজীক ডাঠ, ওখ বেৰ ভাঙি সমাজ শুধৰণিৰ বিশাল উপেক্ষিত ক্ষেত্ৰত প্ৰবেশ কৰাৰ বাবে আজৰি দিলে। তেখেতৰ অনেক মিত্ৰৰ দুখ লাগিল, কিয়নো তেখেতে নিজৰ পথ এৰি হৰিজনসকল আৰু খেতিয়কসকলৰ কল্যাণৰ কামত লাগি গ'ল। ৰাজনীতিৰ লোকসকলে বিচাৰিছিল যে তেখেত ৰাজনৈতিক হৈয়ে থাকক, কিন্তু গান্ধীজীয়ে গাঁৱলীয়াসকলৰ বাবে পুষ্টিকৰ তত্বকে সৰ্বশ্ৰেষ্ঠ ৰাজনীতি, তথা হৰিজনসকলৰ সুখকে স্বতন্ত্ৰতাৰ ৰাজআলি বুলি ধৰিছিল।

সমাজ শুধৰণি সদায়েই তেখেতৰ প্ৰিয় কাৰ্য আছিল। ১৯৪২ চনৰ ২৫ জানুৱাৰীৰ 'হৰিজন' পত্ৰিকাত তেখেতে ঘোষণা কৰিছিল "মই সদায় এইটো মানি আহিছো যেসকলো সময়তে পাৰ্লিয়ামেণ্টৰী কাৰ্যক্ৰম যিকোনো ৰাষ্ট্ৰৰ আটাইতকৈ সৰু প্ৰবৃত্তি সকলোতকৈ অধিক মহত্বপূৰ্ণ তথা স্থায়ী কাৰ্য বাহিৰত কৰিব পৰা যায়।" তেখেতে ভাবিছিল যে ব্যক্তিয়ে অধিক কৰক যাতে ৰাজ্যই কম কৰিব লগা হয়। তলত যিমান হ'ব, ওপৰৰ পৰা সিমানেই কম আজ্ঞা আৰোপিত হ'ব।

বাস্তৱতে চৰকাৰৰ বিৰুদ্ধে গান্ধীজীৰ প্ৰতিক্ৰিয়া ইমানেই তীব্ৰ আছিল যে ১৯৪০ চনৰ ২৭ এপ্ৰিলৰ 'হৰিজন' পত্ৰিকাত তেখেতে প্ৰতিজ্ঞা কৰিলে যে স্বতন্ত্ৰ ভাৰতৰ চৰকাৰত সন্মিলিত নহওঁ। তেখেতে কৈছিল যে চৰকাৰী জগতৰ বাহিৰত নিজৰ ভাগ আদায় কৰিব। তেখেত ইমান ধাৰ্মিক আছিল যে কোনো চৰকাৰৰ লগত নিজক নিজে অভিন্ন ভাব তৈয়াৰ কৰিব নোৱাৰিছিল।

যেহেতু গান্ধীজীৰ দৰ্শন এনে আছিল, সেইবাবে নিজা সমাজ শুধৰণিৰ কামৰ কাৰণে তেখেতে অনেক ক্ৰিয়াশীল সদস্য থকা বিভিন্ন স্বেচাসেৱী সংঘঠনৰ ওপৰত নিৰ্ভৰ কৰিছিল।

১৯৩৩ চনৰ ফেব্ৰুৱাৰীত গান্ধীজীয়ে জেলতেই 'হৰিজন সেৱক সংঘ'ৰ স্থাপন কৰে তথা 'ইয়ং ইণ্ডিয়া'ৰ ঠাইত 'হৰিজন' উলিয়ায়। ৮ মে'ত তেখেতে আত্মশুদ্ধিৰ বাবে তথা আশ্ৰমবাসীসকলৰ ভোগৰ সলনি সেৱাৰ মহত্ব বুজাবৰ বাবে তিনি সপ্তাহৰ উপবাস আৰম্ভ

কৰে। উপবাসৰ আগদিনাই চৰকাৰে তেখেতক এৰি দিয়ে। 'ঐতিহাসিক উপবাস'ৰ সাত দিনৰ যন্ত্ৰণাৰ পাছত নিশ্চিত অনুভৱ হৈছিল যে একৈশ দিনৰ এই উপবাস তেখেতৰ কাৰণে ঘাতক হ'ব আৰু বৃটিছ চৰকাৰে গান্ধীজীক জেলত মৰিবলৈ দিব নুখুজিছিল।

তেখেতে ভালে কুশলেই উপবাসৰ দিন পাৰ কৰিলে।

সৰুসুৰা উপবাস প্ৰায় মৃত্যুৰ কাৰণ কিয় হৈছিল আৰু দ্বিতীয়টো, সেইবোৰতকৈ তিনিগুণ সময়ৰ উপবাস অনায়াসে কেনেকৈ সহ্য কৰি ল'লে? প্ৰথম উপবাসত গান্ধীজীয়ে অবিৰাম মন্ত্ৰণাবোৰ কৰি আছিল আৰু অস্পৃশ্যতাৰ কলংক মোচনৰ ইচ্ছাই তেখেতক খাই পেলাইছিল। লগে লগে তেখেতৰ শৰীৰো জ্বলি আছিল। একৈশ দিনৰ উপবাসত শৰীৰ তথা মস্তিস্কই জিৰণি পালে। তেখেতৰ সৰু শৰীৰটো বলবান ইচ্ছা শক্তিৰ দাস আছিল।

নিজৰ ৰেহাইৰ বাবে চৰকাৰৰ প্ৰতি মৈত্ৰীৰ সংকেত ৰূপে গান্ধীজীয়ে সবিনয় অৱজ্ঞা আন্দোলন ছয় সপ্তাহৰ বাবে স্থগিত কৰি দিলে। ১৫ জুলাইত তেখেতে বিলিংডনলৈ লগ পাবৰ বাবে লিখে। ভাইচৰয়ে না কৰি দিলে। ১ আগষ্টত গান্ধীজীয়ে য়াৰবেদাৰ পৰা ৰাচলৈ যোৱাৰ কথা ভাবিলে। সেই ৰাতিয়েই চৌত্ৰিশ জন আশ্ৰমবাসীৰে সৈতে তেখেতক গ্ৰেপ্তাৰ কৰিলে। কিন্তু তিনিদিনৰ পাছত এৰি দিলে আৰু পুণা চহৰতে থাকিবলৈ আদেশ দিয়া হ'ল। আধা ঘণ্টাৰ পাছতে তেখেতে এই আদেশ ভংগ কৰে আৰু তেখেতক পুনৰ গ্ৰেপ্তাৰ কৰি লয় তথা এবছৰৰ বাবে জেল খাব লগা শাস্তি বিহে। ১৩ আগষ্টত তেখেতে পুনৰ উপবাস আৰম্ভ কৰে, ২০ আগষ্টত অৱস্থা বিপদজনক হৈ পৰাত তেখেতক হস্পিতেললৈ নিয়া হ'ল আৰু ২৩ তাৰিখে তেখেতক একো চৰ্ত নৰখাকৈ মুক্ত কৰি দিয়ে। কিন্তু তেখেতে এইটোকে মানি ল'লে যে এবছৰৰ শাস্তি ভোগ কৰি আছে আৰু ঘোষণা কৰিলে যে ১৯৩৪ চনৰ ৩ আগষ্টৰ আগতে তেখেতে 'সবিনয় অৱজ্ঞা' আন্দোলন পুনৰ আৰম্ভ নকৰে।

১৯৩৯ চনলৈকে গান্ধীজীয়ে নিজক নিজে সম্পূৰ্ণৰূপে সেই অনুষ্ঠানক সপি দিলে যিটোক তেখেতে জন কল্যাণ তথা শিক্ষণৰ বাবে স্থাপিত কৰিছিল। তেখেতে সবৰমতী আশ্ৰম এটা হৰিজন অনুষ্ঠানক দি দিলে আৰু বাধাত নিজৰ থকা ঠাই কৰিলে। তাৰেপৰাই ১৯৩৩ চনৰ ৭ নৱেম্বৰত তেখেতে হৰিজন কাৰ্যৰ বাবে দহ মাহৰ যাত্ৰা আৰম্ভ কৰে। জিৰণিৰ এবাৰো উভতি নাহে, তেখেতে ভাৰতৰ প্ৰতিখন ৰাজ্যত ঘূৰে।

১৯৩৪ চনৰ ১৫ জানুৱাৰীত বিহাৰ ৰাজ্যৰ এটা ডাঙৰ অংশত এটা ডাঙৰ ভূমিকম্প হয়। গান্ধীজীয়ে নিজৰ যাত্ৰা স্থগিত কৰি মাৰ্চত গৈ সেই ঠাই পালেগৈ। তেখেতে গাঁৱে গাঁৱে মানুহবিলাকক সান্ত্বনা, শিক্ষা তথা উপদেশ দি শুদা ভৰিতে ঘূৰিবলৈ ধৰিলে। তেখেতে জনতাক ক'লে যে এই ভূমিকম্প তোমালোকৰ পাপৰ দণ্ড "বিশেষকৈ অস্পৃশ্যতাৰ পাপৰ। এনে অন্ধবিশ্বাসৰ কথাত ঠাকুৰ তথা অন্য শিক্ষিত ভাৰতবাসীৰ ৰোষ উৎপন্ন হয়। ঠাকুৰে গান্ধীজীৰ ভৎৰ্সনা কৰিলে। বাতৰি কাকতলৈ পঠোৱা এটা বক্তব্যত

ঠাকুৰে ক'লে "ভৌতিক দুৰ্ঘটনাবোৰৰ অনিবাৰ্য তথা একমাত্ৰ মূল ভৌতিক তথ্যৰ কিবা সংযোগতহে হয়। যদি আমি আচাৰ নীতিবোৰৰ সিদ্ধান্তক বিশ্ব সম্বন্ধীয় প্ৰাকৃতিক ঘটনাৰ লগত জড়িত কৰো তেতিয়া আমি মানি ল'ব লাগিব যে মানুহৰ প্ৰকৃতি নৈতিকতাত সেই দেৱতকৈ শ্ৰেষ্ঠ, যি ভাল আচৰণৰ পাঠ নিকৃষ্টতম ব্যৱহাৰ মতত থকা আচৰণৰ দ্বাৰা শিকাম। আমিতো এনে বিশ্বাসতে নিজক নিজে পূৰ্বৰ দৰেই সুৰক্ষিত বুলি ধৰো যে আমাৰ পাপ তথা আমাৰ ভুলবোৰ লাগে যিমানেই ভীষণ নহওক সেইবোৰত ইমান শক্তি নাই যে সৃষ্টিৰ মাজটোক ভাঙি চিঙি গুৰি কৰি দিব পাৰো।"

গান্ধীজী এইটোত বিচলিত নহ'ল। তেখেতে উত্তৰ দিলে "জড় আৰু চৈতন্যৰ মাজত এটা অবিচ্ছেদ্য গাঁঠনি আছে। বিশ্ব সম্বন্ধীয় প্ৰাকৃতিক ঘটনাৰাজি তথা মানৱৰ আচৰণৰ পাৰস্পৰিক বন্ধন এটা জীৱিত বিশ্বাস আছে আৰু মোক ঈশ্বৰৰ ওচৰলৈ লৈ যায়"। যি সময়ত গান্ধীজীয়ে ঈশ্বৰৰ দোহাই দিবলৈ ধৰিছিল তেতিয়া তেখেতৰ লগত তৰ্ক কৰিব পৰা নগৈছিল। নিঃকিনসকলক সহায় কৰাতো গান্ধীজীয়ে নিজৰ প্ৰধান অনিবাৰ্য্য কৰ্তব্য বুলি ধৰিছিল আৰু যেহেতু গান্ধীজী তথা গান্ধীজীৰ ঈশ্বৰৰ অংশ আছিল। সেয়ে মহাত্মাজীয়ে সৰ্বশক্তিমান ঈশ্বৰক নিজৰ কামত সন্মিলিত কৰি লৈছিল। তেখেতে লিখিছিল "ভোকত মৰিব লগা হোৱা আৰু নিবনুৱা জনতাৰ আগত ঈশ্বৰে যি একমাত্ৰ স্বীকাৰ কৰিব পৰা ৰূপত দেখা দিয়াৰ সাহস কৰিব পাৰে সেইটো হৈছে কাম, জোজন তথা মজুৰীৰ আশ্বাসন।

এইটোৱেই বিচাৰ যে গান্ধীজীয়ে দুখীয়াক সমৰ্থন কৰিছিল, মিছা কথা। তেখেতে কেইজনমান বচা বচা আদৰ্শবাদীকহে প্ৰেৰিত কৰিছিল যে আত্মত্যাগৰ দ্বাৰা জনতাৰ সেৱা কৰক। সমস্ত ৰাষ্ট্ৰৰ বাবে তেখেতৰ কবলগীয়া আছিল "কোনেও কেতিয়াও এইটো ভবা নাছিল যে দুৰ্দমনীয় দৰিদ্ৰতাৰ পৰিণাম নৈতিক পতনৰ বাদে আৰু একো হ'ব নোৱাৰে।

গান্ধীজীয়ে চৰম দৰিদ্ৰতা আৰু চৰম সম্পত্তি, দুয়োটাকে নিন্দা কৰিছিল।

১৯৩৩ আৰু ১৯৩৯ ৰ মাজত গান্ধীজীয়ে নিজা জনকল্যাণৰ পথত আন কথা আহিবলৈ দিয়া নাছিল। এইটোৰ বাবে অনেক ধুমুহাও আহে। ১৯৩৫ চনৰ ২৫ জুনত পুণাত কোনোবা হিন্দুৱে, যিজন হয়তো হৰিজনসকলক সমানতা দিয়াৰ বিৰোধী আছিল এখন মটৰ গাড়ীত এইটো ভ্ৰমতে বোমা দলিয়ালে যে সেইখনতে গান্ধীজী বহি আছে বুলি ভাবি। কিছুদিনৰ পাছত গান্ধীজীৰ এজন সমৰ্থকে এজন হৰিজন বিৰোধীক লাখুটীৰে মাৰিলে। এই দুয়োটা পাপৰ প্ৰায়শ্চিত্তৰ বাবে গান্ধীজীয়ে ১৯৩৪ চনৰ জুলাইত সাত দিনৰ উপবাস কৰে।

গাঁৱৰ সভাবোৰত তথা 'হৰিজন'ত গান্ধীজীয়ে কৃষক জনতাক ভোজনৰ বিষয়ে প্ৰাৰম্ভিক কথাবোৰ বুজাবলৈ ধৰিলে। তেখেতে জানিছিল যে কঠিয়াৰ শুধৰণি, সাৰ উচিত ব্যৱহাৰ আৰু পশুৰ উচিতমতে চোৱা-চিতা কৰাই আধাৰভূত ৰাজনৈতিক সমস্যাবোৰৰ সমাধান কৰিব পাৰে।

গান্ধীজীয়ে গ্রাম্যজীৱনৰ সেইটো দিশতো ধ্যান দিলে যিটোৱে কৃষিৰ লগত সম্বন্ধ নেৰাখে। ১৯৩৪ চনৰ ২৯ আগষ্টৰ 'হৰিজন'ত তেখেতে লিখে "আমি গাঁওবোৰক আত্মনির্ভৰশীল হোৱাৰ কথাত শক্তি লগাব লাগে"।

১৯৪২ চনৰ ২৬ জুলাইৰ 'হৰিজন'ত গান্ধীজীয়ে আদর্শ ভাৰতীয় গাঁৱৰ ব্যাখ্যা কৰে "এইটো এটা সম্পূর্ণ জনতন্ত্র হ'ব, যিটোৱে নিজৰ জীৱন সমন্ধীয় আৱশ্যকতাবোৰৰ বাবে, যিটোত আনৰ ওপৰত নির্ভৰ কৰাটো অনিবার্য, আনৰ আশ্রয় ল'ব লাগিব। এনেদৰে প্রত্যেক গাঁৱৰে সর্বপ্রথম কাম হ'ব নিজে নিজৰ খাদ্যবস্তু উৎপাদন কৰা আৰু নিজৰ কাপোৰৰ বাবে কপাহ উৎপাদন কৰা। তাত চৰণীয়া পথাৰ থাকিব তথা বৃদ্ধসকল আৰু শিশুৰ বাবে মনোৰঞ্জনৰ সামগ্রী তথা খেলপথাৰ থাকিব। গাঁৱত নাটঘৰ, বিদ্যালয় আৰু ৰাজহুৱা ভৱনৰ ব্যৱস্থা থাকিব। বুনিয়াদী পাঠ্যক্রম পূৰা হোৱা পর্যন্ত শিক্ষা অনিবার্য হ'ব। যিমানলৈকে সম্ভৱ হয় প্রত্যেকটো বিষয়কে সহযোগিতাৰ আধাৰত চলোৱা হ'ব"। গান্ধীজীৰ এইটোও কল্পনা আছিল যে প্রত্যেক গাঁৱৰে ঘৰে ঘৰে বিজুলী বাতিৰ ব্যৱস্থা হ'ব লাগে।

গান্ধীজীয়ে এবাৰ কৈছিল— "মই এনে সময়ৰ কল্পনা কৰিব নোৱাৰো যেতিয়া যেই কোনো মানুহেই বেলেগ এজনতকৈ অধিক ধনৱান নহ'ব। সর্বাধি পূর্ণতাপ্রাপ্ত সংসাৰতো আমি অসমানতাৰ পৰা সাৰিব নোৱাৰো। কিন্তু আমি কাজিয়া-পেচাল আৰু কটুতাৰ পৰা বাচি থাকিব পাৰো আৰু বাচি থকা আৱশ্যকতা। আজিও ধনীসকল আৰু দুখীয়াসকলৰ সম্পূর্ণ মিলা-প্রীতিত থকা অনেক উদাহৰণ পোৱা যায়। এনে উদাহৰণক বঢ়াব লাগে।

গান্ধীজীয়ে এনে কাম বন্ধকী ব্যৱস্থাৰ দ্বাৰা কৰাবলৈ বিচাৰিছিল।

১৯৪০ চনৰ ২৮ জুলাইৰ 'হৰিজন'ত গান্ধীজীয়ে লিখিছিল ঃ "দুখীয়াসকলৰ শোষণ কেইজনমান লাখপতিক নষ্ট কৰি নোহোৱা কৰিব নোৱাৰি, বৰং দুখীয়াসকলৰ অজ্ঞানতা দূৰ কৰি আৰু তেওঁলোকক শোষণ কৰোঁতাসকলৰ লগত অসহযোগ কৰিবলৈ শিকাই নোহোৱা কৰিব পৰা যাব পাৰে। এইটোৰ পৰা শোষণ কৰোঁতাজনৰো হৃদয় সলনি হ'ব পাৰে।

কিন্তু সময় পাৰ হৈ যোৱাতো তথা গান্ধীজীৰ অনেক প্রবোধৰ পৰাও কোনো জমিদাৰৰ জন্ম নহ'ল। নিজৰ মৃত্যুৰ আগতে গান্ধীজীয়ে কোনো জামিনদাৰ অথবা মিল মালিকৰ দ্বাৰা স্ব-ইচ্ছাৰে ত্যাগৰ বাতৰি নেপালে।

সেইবাবে লাহে লাহে গান্ধীজীৰ আর্থিক বিচাৰ সলনি হৈ আহিবলৈ ধৰিলে। তেখেতে সমূহীয়া সহযোগৰ সমর্থন কৰি আহিছিল কিন্তু দুখীয়া নির্মূলৰ উপায় বিচাৰিবলৈ ধৰিলে। আর্থিক বিষয়ত তেখেতে ৰাজ্যৰ সহযোগিতাৰ সমর্থক হৈ পৰে। তেখেতে ক'লে যে সমানতাকৰণৰ প্রক্রিয়া আইনৰ সহায় হ'ব লাগে।

১৯৪১ চনত তথা দ্বিতীয়বাৰ ১৯৪৫ চনত গান্ধীজীয়ে ভাৰতীয় পুঁজিপতিসকলক সাৱধান কৰি দিলে, "অহিংসক পদ্ধতিৰ চৰকাৰ হোৱাটো স্পষ্টৰূপে অসম্ভৱ যেতিয়ালৈকে

ধনৱানসকলক আৰু কোটি কোটি ভোকাতুৰ জনতাৰ মাজত বহল খাবৈটো থাকিব। যদি সম্পত্তি তথা সম্পত্তি সম্পৰ্কীয় অধিকাৰ নিজে ইচ্ছাৰে ত্যাগ নকৰে তথা এইবোৰৰসকলোৰে সমান হিতৰ বাবে ভগাই লোৱা নহয় তেন্তে ৰক্তাক্ত বিপ্লৱ আৱশ্যম্ভাবী"।

১৯৪২ চনত মই গান্ধীজীক সুধিলো, "স্বতন্ত্ৰ ভাৰতত কি হ'ব? খেতিয়কসকলৰ অৱস্থাৰ উন্নতি কৰিবলৈ আপোনাৰ কি কাৰ্যক্ৰম আছে"?

গান্ধীজীয়ে উত্তৰ দিলে, "খেতিয়কসকলে মাটি কাঢ়ি ল'ব। আমি লোকক ক'ব লগাত নপৰে যে মাটি কাঢ়ি লোৱা। তেওঁলোকে নিজে নিজে কাঢ়ি ল'ব"।

"কি জমিদাৰসকলক ক্ষতিপূৰণ দিয়া হ'ব নেকি?" —মই সুধিলো।

"নেলাগে।" গান্ধীজীয়ে ক'লে— "আৰ্থিক দৃষ্টিৰ ফালৰ পৰা এইটো সম্ভৱ নহয়"। এজন লগ কৰিবলৈ অহা লোকে গান্ধীজীক ক'লে— "কাপোৰৰ মিলৰ সংখ্যা বাঢ়িছে"। "এইটো দুৰ্ভাগ্য।" তেখেতে ক'লে— "খেতিয়কসকলৰ বাবে এইটোৱেই ভাল হ'ব, যিসকলৰ ওচৰত কাম কম থাকে, কোটি কোটি ঘৰত কাপোৰ তৈয়াৰ হওক।

ভৌতিক আৱশ্যকতাবোৰৰ তথা সেইবোৰ পূৰা কৰিব পৰা বস্তুবোৰৰ বৃদ্ধিক গান্ধীজীয়ে সুখ অথবা দেৱত্বৰ ৰাজপথ বুলি নেভাবিছিল। তেখেতে কৈছিল— "প্ৰকৃত অৰ্থশাস্ত্ৰ সেয়ে যিবোৰে সামাজিক ন্যায় তথা নৈতিক মূল্যবোৰক প্ৰতিপালন কৰে। আধুনিক পৰিভাষাত ব্যক্তিত্বক শেষ কৰি কলা কাৰখানাৰ মাত্ৰ অংশ মাত্ৰ হোৱাটো মনুষ্যৰ প্ৰতিষ্ঠাক তললৈ পেলোৱা হয়।

গান্ধীজীয়ে লিখিছিল— "ব্যক্তিগত স্বতন্ত্ৰতাবিহনে সমাজৰ নিৰ্মাণ কৰা সম্ভৱ নহয়। যিদৰে মানুহে নিজে শিং আৰু নেজ লগাব নোৱাৰে, সেইদৰে যদি তেওঁলোকৰ নিজৰ বিচাৰ কৰিব পৰা শক্তি নাই, তেন্তে তেওঁ মানুহ হিচাপে নিজৰ অস্তিত্ব ৰাখিব নোৱাৰে। সেইবাবে লোকতন্ত্ৰ অৱস্থা নহয়, য'ত মানুহে ভেড়াৰ দৰে ব্যৱহাৰ কৰে।

গান্ধীজীৰ ব্যক্তিবাদৰ অৰ্থ আছিল বাহিৰৰ পৰিস্থিতিবিলাকৰ পৰা অধিকতকৈও অধিক স্বতন্ত্ৰতা তথা আন্তৰিক গুণবোৰৰ বিকাশ"।

১৯৪২ চনত যেতিয়া মই এসপ্তাহ গান্ধীজীৰ আলহী হৈ আছিলো, মই তেখেতৰ পঁজাৰ বেৰত কেৱল এবিধহে বস্তু সজোৱা দেখো; যীশুখ্ৰীষ্টৰ এজন সাধাৰণ ফটো, য'ত লিখা আছিল, 'এইটো মোৰ শান্তি' মই গান্ধীজীক এই বিষয়ে সুধিলো। তেখেতে উত্তৰ দিলে— "মই খ্ৰীষ্টান হওঁ, মই খ্ৰীষ্টানো, মই হিন্দুও, মুছলমান আৰু ইহুদীও"।

যদিও গান্ধীজী এজন সুধাৰক আছিল, বাহিৰৰ প্ৰভাৱবোৰক আদৰণি জনাইছিল, কিন্তু হিন্দুৰ নীতি-নিয়ম তথা বিশ্বাসক এৰাটো তেখেতৰ পচন্দ নাছিল। ১৯২৭ চনত দেৱদাসৰ ৰাজা গোপালচাৰীৰ জীয়েক লক্ষীৰে সৈতে ভালপোৱা পাই গৈছিল আৰু তেখেতে তেওঁৰে সৈতে বিয়া পাতি দিব খুজিছিল। কিন্তু ৰাজা গোপালচাৰী ব্ৰাহ্মণ আছিল আৰু গান্ধীজী

বৈশ্য আছিল আৰু বিভিন্ন জাতিৰ মাজত বৈবাহিক সম্বন্ধ ভাল বুলি নধৰিছিল। ডেকা-গাভৰুসকলে নিজেই জীৱন সংগী বাছি লোৱাটো ভাল নাছিল, বিয়াৰ সম্বন্ধতো মাক-বাপেকেহে ঠিক কৰিছিল। কিন্তু দেৱদাস আৰু লক্ষীয়ে জেদ ধৰি থাকিল, আৰু শেষত দুয়োজন দেউতাকে এই চৰ্তত বিয়াৰ অনুমতি দিবলৈ মান্তি হ'ল যে পাঁচ বছৰলৈ দুয়ো বেলেগ বেলেগে থাকিব লাগিব তাৰ পাছতো যদি দুয়ো বিয়াৰ ইচ্ছা কৰে তেতিয়াহে হ'ব। এনেদৰে দেৱদাস আৰু লক্ষীয়ে দুখেৰে সৈতে প্ৰতীক্ষা কৰাৰ পাছত ১৯৩৩ চনৰ ২৬ জুনত পুণাত দুয়োজন বাপেকৰ প্ৰসন্নতাৰে উপস্থিতিত ধুম-ধামেৰে বিয়া হয়।

গান্ধীজীৰ গোৱাৰ প্ৰাচীনপন্থী তথা সুধাৰকতাবাদী মূৰ্তিভঞ্জকৰ এটা বৃহৎ লোভ লগোৱা মিশ্ৰণ আছিল। কথাবোৰ এনে লাগিছিল যেন অস্পৃশ্যতা নিবাৰণৰ স্বাভাৱিক পৰিণাম জাতিভেদ নোহোৱা হৈ যোৱা, কিয়নো যেতিয়া মানুহে অস্পৃশ্যসকলৰ লগত মিলা-মিছা কৰিবলৈ ধৰে তেতিয়া উচ্চ জাতিবোৰৰ মাজৰ বেৰবোৰ খহি পৰিব লাগে। কিন্তু কেইবা বছৰলৈকে গান্ধীজীয়ে জাত-পাতৰ নিয়মক সমৰ্থন কৰি আছিল।

পাছত সেইজন গান্ধীয়েই ক'লে— "আন্তৰ্জাতীয় সহভোজন তথা আন্তৰ্জাতীয় বিবাহবোৰত বন্ধন থকাটো হিন্দু ধৰ্মৰ অংগ নহয়"।

কিন্তু এইটোও গান্ধীজীৰ অন্তিম মত নাছিল। গোৱাৰ পৰম্পৰাবোৰৰ পৰা সম্বন্ধ চিগাৰ পাছত তেখেতে এইবোৰৰ পৰা অধিকতকৈও অধিক আঁতৰি যায় আৰু ১৯৪৬ চনৰ ৫ জানুৱাৰীত 'হিন্দুস্তান ষ্টেণ্ডাৰ্ড' কাকতত তেখেতে ঘোষণা কৰিলে যে "বিয়াৰ বাবে ইচ্ছা থকাসকলো ল'ৰা আৰু ছোৱালীক মোৰ ক'ব লগা এয়ে যে সেৱাগ্ৰামত তেওঁলোকৰ বিবাহ সম্পন্ন হ'ব নোৱাৰিব যেতিয়ালৈকে তেওঁলোকৰ এজন হৰিজন নহ'ব"।

এইটো বিভিন্ন ধৰ্মাৱলম্বীসকলৰ মাজত পৰস্পৰ বিবাহ সম্বন্ধৰ বিৰোধী আছিল; কিন্তু পিছলৈ এইটোৰো পক্ষলৈ আহিল। শেষৰ বছৰবোৰত ব্ৰহ্মচৰ্যৰ কথাতো গান্ধীজীৰ বিচাৰ সলনি হয়। ১৯৩৫ চনত আচাৰ্য কৃপালনীয়ে এগৰাকী বঙালী ছোৱালীক ল'লে আৰু তেওঁক বিয়া কৰাব খুজিলে। গান্ধীজীয়ে এইগৰাকী সুচেতাক মাতি পঠালে আৰু বুজাবলৈ যত্ন কৰিলে। তেখেতে ক'লে— "তেওঁ নষ্ট হৈ পৰিব। সামাজিক কামৰ পৰা তেওঁৰ মনোযোগ আঁতৰি যাব"। গান্ধীজীয়ে সুচেতাক পৰামৰ্শ দিলে যে আন কাৰোবাৰ সৈতে বিয়া কৰক।

এবছৰৰ পিছত গান্ধীজীয়ে সুচেতাক পুনৰ মাতিলে আৰু বিবাহৰ স্বীকৃতি দিলে। "মই তোমালোক দুয়োৰে বাবে প্ৰাৰ্থনা কৰিম" —তেখেতে ক'লে।

বেয়াৰ বিৰুদ্ধে যুঁজাসকলৰ সম্বন্ধে গান্ধীজীয়ে নিজৰ বিচাৰত দৃঢ়তা ৰাখিব লগাত পৰিছিল। সত্যভক্ত হোৱাৰ কাৰণে তেখেতে নিজৰ বিচাৰবোৰ সলনি কৰাৰ ক্ষমতা ৰখাৰো আৱশ্যক আছিল। কেতিয়াবা কেতিয়াবা তেখেতে নিজৰ মতৰ ইমান দৃঢ়তাৰে সৈতে

সমৰ্থন কৰিছিল যে সেইটো অশিষ্ট যেন লাগিছিল, কিন্তু আৱশ্যক হ'লে তেখেতে সেইটোক পুৰাপুৰি সলনি কৰি দিছিল যে তেখেতৰ অনুগামীসকল দোধোৰ-মোধোৰত পৰি গৈছিল। যদিও সাধাৰণতে তেখেতে নিজৰ স্থিৰতা বজাই ৰখাৰ যত্ন কৰিছিল কিন্তু অস্থিৰতাকো স্বীকাৰ কৰিছিল। তেখেত শিলাখণ্ডৰ দৰে অটলো হ'ব পাৰিছিল আৰু কোমলতাৰে মূৰ দোঁৱাব পৰা বিধৰো। কোনোবা সময়ত তেখেতে কংগ্ৰেছক নিজৰ আদেশত চলাইছিল আৰু কেতিয়াবা সেইটোক নিজৰ ভাগ্যৰ ওপৰত সেইটোৰ মূৰ্খতাৰ ওপৰত এৰি দিছিল। তেখেতৰ হাতত বহুত বেছি শক্তি আছিল, কিন্তু সেইবোৰ প্ৰায়ে কামত নাহিছিল। অত্যন্ত নিৰ্ণায়ক ভূমিকাত তেখেতে নিজৰ বিৰোধীৰ আগতো মূৰ দোঁৱাইছিল। যদিও তেখেতে সেইবোৰক আঙুলিৰ ঠাৰেৰেই শেষ কৰিব পাৰিলেহেঁতেন। তেখেতৰ অধিনায়কৰ মহান শক্তি আছিল আৰু লোকতন্ত্ৰৰ মানস আছিল। অধিকাৰৰ দ্বাৰা তেখেত প্ৰসন্ন হোৱা নাছিল, সন্তুষ্টি বিচৰা প্ৰকৃত মানসিকতাও তেখেতৰ নাছিল। পৰিণাম স্বৰূপে তেখেতে ক্লান্তি অনুভৱ কৰোঁতা ব্যক্তি আছিল। সৰ্বজ্ঞতা, অনুকম্পা, সৰ্বশক্তিমত্তা তথা প্ৰতিষ্ঠাৰ ছাপ পেলোৱা সমস্যাই কেতিয়াও তেখেতক অশান্তি নকৰিছিল।

প্ৰত্যেক নেতাৰে সৰঞ্জামত এখন বেৰো লগ লাগি আছিল। এইখন বেৰ ওখ, ইটাৰে তৈয়াৰী আৰু পহৰা দিয়া পল্টনো থাকিব পাৰে বা তেওঁ প্ৰশ্নৰ উত্তৰ নিদিয়া তথা গুড় মিচিকীয়া হাঁহিৰ ৰূপতো হ'ব পাৰে। ইয়াৰ অৰ্থ দূৰত্ব তথা ভয়ৰ দ্বাৰা শ্ৰদ্ধা উৎপন্ন কৰোৱা আৰু দুৰ্বলতা আৰু বিভেদত ঢাকোন দিয়া। গান্ধীজীৰ চাৰিওফালে এনে কোনো বেৰ নাছিল। এবাৰ তেখেতে কৈছিল, "মই কোনো সংকোচ নোহোৱাকৈ কৈছো যে মই নিজৰ গোটেই জীৱনত কুটিলতাৰ সহায় কেতিয়াও লোৱা নাই"। তেখেতৰ মানসিকতা তথা তেখেতৰ ভাবাবেগ তেখেতৰ শৰীৰতকৈও অধিক অনাবৃত আছিল।

গান্ধী এজন শাশ্বত উপদেষ্টা আছিল। সেইবাবে তেখেতে নিজকে নিজে এনেভাৱে তৈয়াৰ কৰিছিল যেসকলোৰেই তেখেতৰ ওচৰলৈ যাব পাৰিছিল। তেখেতৰ এই গুণ কেৱল পূৰ্ণই নহয় ক্ৰিয়াত্মকো আছিল।

১৯৪৭ চনৰ আগষ্ট মাহত গান্ধীজী কলিকতাৰ ভাৰতীয় ইতিহাসৰসকলোতকৈ বিননি উঠা সংকটৰ মুখামুখি হ'বলৈ গৈছিল। চহৰৰ বাট-পথবোৰত হিন্দু আৰু মুছলমানৰ তেজ ববলৈ ধৰিছিল। এদিন দুখেৰে অমিয় চক্ৰৱৰ্তী তেখেতক লগ পাবলৈ আহিল। অমিয় ৰবীন্দ্ৰনাথ ঠাকুৰৰ সাহিত্য-মন্ত্ৰী আছিল। তেওঁৰ এজন ভায়েক অলপতে বেমাৰৰ অৱস্থাতে ঢুকাইছিল আৰু সান্ত্বনা পাবলৈ আৰু তেওঁৰ দুখটো গান্ধীজীৰ সৈতে ভগাই ল'বৰ কাৰণে তেওঁ তেখেতক লগ ধৰিব খুজিছিল। তেওঁ গান্ধীজীৰ কোঠাত এটা চুকত বেৰত আউজি থিয় হৈ থাকিল। গান্ধীজীয়ে লিখি আছিল। তেতিয়া তেখেতে নিজৰ মূৰ তুলিলে তেতিয়া অমিয় আগবাঢ়িল, আৰু নিজৰ ভায়েকৰ মৃত্যুৰ খবৰ শুনালে। গান্ধীজীয়ে মিত্ৰতাৰে ভৰা

কথা ক'লে আৰু সন্ধিয়াৰ প্ৰাৰ্থনা সভালৈ মাতিলে। যেতিয়া সন্ধিয়া অমিয় আহিল তেতিয়া গান্ধীজীয়ে কাগজৰ টোপোলা দি ক'লে— "এইটো পোনেই হৃদয়ৰ পৰা ওলাইছে সেইবাবে ইয়াৰ মূল্য আছে"।

টোপোলাত লিখা আছিল

প্ৰিয় অমিয়,

তোমাৰ যি হানি হ'ল, সেইটোত মোৰ দুখ হৈছে, কিন্তু বাস্তৱতে সেইটো হানি নহয়। "মৃত্যুতো নিদ্ৰা আৰু বিস্মৃতি"। এইটো এটা এনেকুৱা মধুৰ নিদ্ৰা যে তাৰ পৰা এই দেহা উঠিব নোৱাৰে আৰু স্মৃতিবোৰৰ মৃত ভাব হৈ যায়। যিমানলৈকে মই জানো, যেনেকৈ আজি আমি লগালগি হৈছো, এনে সাক্ষাৎ এই সংসাৰৰ বাহিৰত নহয়। যেতিয়া অকলে অকলে একোটা টোপাল পোৱা যায় সেইটোক সাগৰৰ গৌৰৱপ্ৰাপ্ত হয়, যিটোৰ সি এটা অংগহে। অকলেতো সি এনে আশাৰে নষ্ট হৈ যায় যে সি পুনৰ সাগৰতে মিলিব। মই নেজানো যে মই নিজৰ কথা ইমান স্পষ্টভাৱে ক'ব পাৰিছো যে সান্ত্বনা লভিবা।

সপ্ৰেম

বাপু

মানুহৰ বাবে এই কথাটো অতি সান্ত্বনাৰ কথা আছিল যে তেখেতে সেইজনৰ বিষয়ে চিন্তা কৰিলে। গোটেই ৰাষ্ট্ৰখনৰ কাৰণে চিন্তা কৰাৰ মাজতে তেখেতে সৰু-সুৰা লোকৰ বাবেও মনোযোগ ৰাখে। তেখেতৰ বিশ্বাস আছিল যে যদি ৰাজনীতি মানুহ নামৰ প্ৰাণীবোৰৰ দৈনিক জীৱনৰ একোটা অভিন্ন অংগ নহয়, তেন্তে সেইটোৰ মূল্যৰ শূন্যৰ সমান। গান্ধীজীৰ উন্মুক্ত অস্তিত্ব মানৱ জাতিৰ ভালৰ কাৰণে কেন্দ্ৰিত আছিল। গাঁৱৰ খোৱাত সেউজীয়া শাক-পাচলি থাকক এইটো কথাৰ চিন্তা, শোক সন্তপ্ত সম্বন্ধীয়ৰ বেদনা ভৰা হৃদয়ৰ বাবে ব্যাকুল, কোনোবা ছোৱালীৰ বাবে দৰা নিৰ্বাচন, বেমাৰত পৰা কৃষকৰ বাবে মাটিৰ পট্টীৰ ব্যৱস্থা, এজন গ্ৰন্থকাৰৰ বাবে শব্দ, এনেকুৱা সৰু সুৰা কথাবিলাকৰ পৰা কোনো আঁতৰি থাকিব নোৱাৰে। এইবিলাকৰ পৰাই জীৱন নিৰ্মাণ হয়। বাদ আৰু ধাৰ্মিক সিদ্ধান্তবোৰৰ পাতলীয়া বতাহত কোনো থাকিব নোৱাৰে।

ভাৰতৰ তথা ভাৰতৰ বাহিৰৰ হাজাৰ হাজাৰ ব্যক্তিৰ লগত গান্ধীজীৰ চিঠি-পত্ৰৰ আদান প্ৰদান হৈছিল। অধিক বোৰেইতো একোখন চিঠিয়েই চিৰকলীয়া ব্যক্তিগত সমন্ধৰ শিপা হৈ পৰিছিল। আৰম্ভণিতে মানুহে তেখেতৰ পৰা ব্যাপক ৰাজনৈতিক অথবা ধাৰ্মিক বিষয়ত পৰামৰ্শ সুধিছিল, কিন্তু পাছলৈ ব্যক্তিগত বিষয়তো তেখেতৰ পৰামৰ্শ বিচাৰিবলৈ ধৰিছিল। তেখেতসকলোৰে বাবে মাকৰ সমান দেউতাক আছিল।

বহুত বছৰৰ পৰা গান্ধীজীৰ দৈনিক ডাক শতকৰা এশখন পত্ৰৰে হৈছিল। এইবোৰৰ ভিতৰত তেখেতে প্ৰায় দহখন পত্ৰৰ উত্তৰতো নিজ হাতেৰে লিখিছিল, কিছুমান উত্তৰ

আনৰ হতুৱাই লিখাইছিল আৰু কিছুমানৰ উত্তৰৰ বিষয়ে নিজা সচিবক আদেশ দিছিল। এনে এখন পত্ৰ নাছিল যিখনৰ উত্তৰ নিদিয়াকৈ থাকিছিল।

দিনটোৰ আজৰি সময়ত তেখেতে আগন্তুকৰ লগত লগ কৰিছিল। তেখেতৰ লগত লগ কৰাৰ সময় নিশ্চিত কৰিবলৈ অসুবিধা নাছিল। ১৯৩৪ চনৰ ডিচেম্বৰত শ্ৰীমতী মাগেৰেট চেঙাৰ, গৰ্ভ নিৰোধৰ সমৰ্থকে তেখেতক লগ পাবলৈ আহে। ১৯৩৬ চনৰ জানুৱাৰীত জাপানী লেখক য়োন নাগুচী আহে; ১৯৩৮ চনৰ জানুৱাৰীত বৃটিছ ৰাজনীতিতে লৰ্ড লেথিয়ন আহি সেৱাগ্ৰামত তিনিদিন থাকে। মহাত্মাজীৰ আঁতৰৰ ভাৰতীয় আলহীৰ সূচী এখন আন্তৰাষ্ট্ৰীয় পৰিচয় গ্ৰন্থৰ সমান আছিল। বিদেশী লোকসকলে ভাবিছিল যে গান্ধীজীক লগ নোপোৱাকৈ থকাতো তেওঁলোকৰ ভাৰত যাত্ৰা অপূৰ্ণ আছিল।

তেওঁলোকে ভবাটো ঠিকেই আছিল। গান্ধীজী মূৰ্তিমন্ত ভাৰত আছিল। তেখেতে নিজকে হৰিজন, মুছলমান, খৃষ্টান, হিন্দু, খেতিয়ক, তাঁতী বুলি কৈছিল। তেখেত ভাৰতৰে সৈতে একাকাৰ হৈ গৈছিল। জনতা আৰু বেলেগ বেলেগ ব্যক্তিসকলৰ লগত মিলি যাব পৰাটো তেখেতৰ ডাঙৰ গুণ আছিল। তেখেতে ভাৰতবাসীসকলক মুক্ত কৰি দেশ খনক স্থায়ীভাৱে স্বতন্ত্ৰ কৰিবলৈ বিচাৰিছিল। এইখনক ইংলেণ্ডৰ পৰা ৰাজনৈতিক মুক্তি কৰোৱাতকৈও ক'ৰবাত অধিক অসুবিধা আছিল। এইটো কেনেকৈ হ'ব? তেখেতে ১৯৪৫ চনত লিখে "মই সামাজিক উন্নতিৰ কোনো ৰাজপথৰ কথা ক'ব নোৱাৰো, এইটোৰ বাদে যে আমি নিজৰ জীৱনৰ প্ৰত্যেক কাৰ্যতে সেইটোৰ সমাবেশ কৰিব পাৰো"। সেইবাবে গান্ধীজীৰ যুদ্ধভূমি মানৱ হৃদয় আছিল। তাতেই তেখেতে নিজৰ ঘৰ সাজিলে। বাকীসকলতকৈ তেখেতে এইটো কথাৰ কেতিয়াবা ভালদৰে জানিছিল যে কিমান কম যুঁজ বাগৰ কৰা হ'ল আৰু জিকিল। তেখেতে কৈছিল যে যেতিয়ালৈকে মানুহৰ দৈনিক ব্যৱহাৰত সামাজিক উন্নতি নহ'ব তেতিয়ালৈকে আমি দেশক সেই সময়তকৈ অধিক সুখী কৰিব নোৱাৰে যেতিয়া আমাৰ জন্ম হৈছিল সামাজিক উন্নতিয়েই নতুন মানুহৰ জন্ম দিব নোৱাৰে। নতুন প্ৰকাৰৰ মানুহেহে সামাজিক সম্মতিক জন্ম দিয়ে। ❑❑

মহাযুদ্ধৰ আৰম্ভণি

জৱাহৰলাল নেহেৰু ১৯৪৬ আৰু ১৯৪৭ ৰ বাবে কংগ্ৰেছৰ অধ্যক্ষ আছিল। এইটো অসাধাৰণ সম্মান তথা গধুৰ উত্তৰদায়িত্বও আছিল। কিন্তু তেখেতে নিজে স্বীকাৰ কৰে যে গান্ধীজী কংগ্ৰেছৰ "স্থায়ী মহা অধ্যক্ষ" আছিল। কংগ্ৰেছে গান্ধীজীৰ আজ্ঞা মতে চলিছিল। ৰাজনীতিৰ ভিতৰৰ কথা হওক বা ৰাজনীতিৰ বাহিৰ কথাই হওক জনতা, তথা অধিকাংশ কংগ্ৰেছী নেতা, তেখেতৰ মুঠিত থকাৰ কাৰণে, তেখেতে যদি বিচাৰিলেহেঁতেন তেন্তে কংগ্ৰেছৰ পৰা নিজৰ ইচ্ছা অনুসাৰে কাম কৰাব পাৰিলেহেঁতেন আৰু কংগ্ৰেছৰ নির্ণায়ক বাতিল কৰিব পাৰিলেহেঁতেন।

গান্ধীজীৰ নিজৰ ইচ্ছাৰ বুজ পোৱাৰ বাবেহে কংগ্ৰেছে নতুন বৃটিছ সংবিধানৰ অধীনত ১৯৩৭ চনৰ প্ৰথম ভাগতে হ'বলগীয়া ৰাজ্যিক আৰু কেন্দ্ৰীয় বিধান মণ্ডলৰ নির্বাচনত ভাগ লয়। ১৯৩৭ চনৰ ১ মে'ৰ 'হৰিজনত' গান্ধীজীয়ে স্পষ্ট কৰি দিলে যে বিধান মণ্ডলবোৰৰ বহিষ্কাৰ সত্য আৰু অহিংসাৰ দৰে একো স্থানত সিদ্ধান্ত নহয়।

কি কংগ্ৰেছে সেই ৰাজ্যবোৰত পদ গ্ৰহণ কৰিব নেকি, য'ত তেওঁলোকে বহুমত পাইছে? গান্ধীজীৰ পাৰমৰ্শমতে ১৯৩৭ চনৰ মাৰ্চ মাহত কংগ্ৰেছে এইটোৰ পক্ষত সিদ্ধান্ত লয়, কিন্তু এই চৰ্ত্তৰে সৈতে যে ৰাজ্যৰ গৱৰ্ণৰে হস্তক্ষেপ নকৰিব, আৰু এই আশাৰে যে পদ গ্ৰহণৰ ব্যৱস্থাৰ দেশৰ স্বাধীনতাৰ বাবে তৈয়াৰ কৰাত কৰা হ'ব।

কংগ্ৰেছৰ মুঠ সদস্য সংখ্যা যিটো ১৯৩৮ চনৰ আৰম্ভণিতে ৩১,০২,১১৩ আছিল, ১৯৩৯ চনৰ আৰম্ভণিতে বাঢ়ি গৈ ৪৪,৭৮,৭২০ হ'ল। কিন্তু গান্ধীজীয়ে, যিজনে কেৱল সংখ্যাতে প্ৰভাৱিত হওঁতা নাছিল। কংগ্ৰেছক সাৱধান কৰি দিলে যে কংগ্ৰেছ অধিকাৰ আৰু পদৰ লালসাত যাতে ভ্ৰষ্ট হৈ নাযায়। তেখেতে পতনৰ লক্ষণ দেখিবলৈ পাইছিল আৰু তেখেতে স্বীকাৰ কৰে যে তেখেতে সবিনয় অৱজ্ঞা আন্দোলনৰ দায়িত্ব ল'ব নোৱাৰে, কিয়নো যদিও জনতাৰ বহুত অহিংসা আছে তথাপি যিসকলে জনতাক সংগঠিত কৰোঁতা সেইসকলৰ অধিক অহিংসা নাই।

কোটি কোটি লোকে গান্ধীজীৰ আজ্ঞা মানিছিল, বহুতো লোকে তেখেতক পূজা কৰিছিল, দলে দলে মানুহে নিজকে তেখেতৰ অনুগামীৰ লেখত আছিল, কিন্তু তেখেতৰ দৰে আচৰণ কৰোতা এমুঠিমানহে আছিল। গান্ধীজীয়ে এই কথা জানিছিল। কিন্তু এইবোৰ জানিলেও নে তেখেতৰ জ্বালামুখীৰ দৰে শক্তিক কম কৰিব পাৰিছিল যে তেখেতৰ লোহাৰ দৰে মনোবল সলনি হৈছিল। ইয়াৰ বিপৰীতে ১৯৩০ চনৰ পাছৰ বছৰবোৰত যেতিয়া তেখেতে চীন, এবিচিনিয়া, সেনইন, যোগোশ্লোভেকিয়া আৰুসকলোতেকৈ ওপৰত জাৰ্মানীত অন্ধকাৰৰ ডাৱৰে বেৰি পেলোৱা দেখিবলৈ পাইছিল তেতিয়া শুদ্ধ শান্তিবাদৰ বাবে তেখেতৰ আবেগ বাঢ়ি গৈছিল। ১৯৩৯ চনৰ ৬ ফেব্ৰুৱাৰীত তেখেত কৈছিল "দুৰ্গম অন্ধকাৰত মোৰ বিশ্বাস অধিকতকৈও অধিক হয়"। তেখেতে দ্বিতীয় মহাযুদ্ধ ওচৰ চাপি অহা দেখা পাইছিল।

গান্ধীজীৰ শান্তিবাদ তেখেতৰ আন্তৰিক বিকাশৰ পৰা উৎপন্ন হৈছিল।

এবাৰ গান্ধীজী যেতিয়া জেলত আছিল, তেখেতৰ লগৰে এজন কয়দীক বিচ্ছুৱে কামুৰিলে। গান্ধীয়ে তাৰ বিষখিনি মুখেৰে চুপি উলিয়াই দিলে। কুষ্ঠৰোগগ্ৰস্ত পৰচুৰে শাস্ত্ৰীয়ে সেৱাগ্ৰাম আশ্ৰমলৈ আহিব খুজিলে, কিছু আশ্ৰম বাসীয়ে আপত্তি কৰিলে, তেওঁলোকৰ ৰোগটো লগাৰ ভয় আছিল। গান্ধীজীয়ে তেওঁক কেৱল আশ্ৰমত ভৰ্তি কৰাই নহয়, বৰং তেওঁৰ মালিশ কৰিবলৈও ধৰে।

বেলেগ কাৰোবাক নিজৰ মন্ত্ৰৰ অনুযায়ী তৈয়াৰ কৰাৰ তেখেতৰে অকণো আশা কৰা নাছিল। কিন্তু য'ত আগতে বিদেশীসকলৰ দ্বাৰা অশান্তি পোৱাটো তচ্ৰ পৰা মচ্ হোৱা নাছিল আৰু এইটো যুক্তি দিছিল যে ভাৰতত হিংসা থাকোতে পশ্চিমক অহিংসক কৰিব নোৱাৰে, তাত ১৯৩৫ চনত তেখেতে এবিচিনিয়া বাসীক যুদ্ধ নকৰিবলৈ পৰামৰ্শ দিয়ে।

গান্ধীজীয়ে কৈছিল "যদি এবিচিনিয়া বাসীয়ে বলবানৰ অহিংসাৰ মনোভাৱক নিজা কৰি ল'ব পাৰিলেহেঁতেন, অৰ্থাৎ এনে অহিংসাৰ পালন কৰে যিটো টুকুৰা টুকুৰ হৈ পৰে, কিন্তু মূৰ নোদোঁৱাই, তেতিয়া মুচোলিনীৰ অবিচিনিয়াৰ প্ৰতি মনোযোগ নাথাকিলেহেঁতেন।

জেকোশ্লোভেকিয়া তথা জাৰ্মানীৰ ইহুদীসকলৰ দুখময় ঘটনাই তেখেতৰ হৃদয়ক আৰু গভীৰভাৱে স্পৰ্শ কৰে।

'হৰিজন'ৰ এটা লেখাত গান্ধীজীয়ে চেকসকলৰ পৰামৰ্শ দিলে "হিতলাৰৰ মতৰ নিচিনাকৈ চলিবলৈ অমান্তি হোৱা আৰু এইটো যত্ন কৰা বিনা অস্ত্ৰ শস্ত্ৰৰে মৰি-হাজি যোৱা। এনেকুৱা কৰিলে যদিও শৰীৰটো যাব কিন্তু নিজৰ আত্মা, অৰ্থাৎ নিজৰ সম্মান বাছি থাকিব।"

১৯৩৮ চনৰ ডিচেম্বৰত আন্তৰাষ্ট্ৰীয় মিছনেৰী সম্মিলনৰ কেইজনমান মুখীয়াল খ্ৰীষ্টান পাদ্ৰী সেৱাগ্ৰামত গান্ধীজীক লগ পাবলৈ আহে। এওঁলোকে চেকসকলৰ বাবে

গান্ধীজীয়ে কোৱা ব্যৱস্থাবোৰৰ ওপৰত তৰ্ক কৰিবলৈ ধৰে। এজন পাদ্ৰীয়ে ক'লে "আপুনি হিটলাৰ আৰু মুচোলিনীক চিনি নেপায়। এওঁলোকৰ অন্তৰত কোনো ধৰণৰ নৈতিক প্ৰতিক্ৰিয়া হ'বই নোৱাৰে। এওঁলোকৰ অকণমানো বিবেক নাই আৰু জগতৰ মতৰ এওঁলোকৰ ওপৰত লেখমাত্ৰও প্ৰভাৱ নপৰে। উদাহৰণ হিচাপে যদি চেকসকলে আপোনাৰ পৰামৰ্শ মানি অহিংসাৰে তেওঁলোকৰ মুখামুখি হ'বলৈ যায় কি এইটো এই অধিনায়কসকলৰ হাতত পুতলাৰ দৰে নহ'বনে"?

গান্ধীজীয়ে আপত্তি কৰিলে "আপোনাৰ যুক্তিয়ে প্ৰথমৰ পৰাই এইটো মানি চলিছে যে মুচোলিনী আৰু হিটলাৰৰ উদ্ধাৰ অসম্ভৱ"।

১৯৩৮ চনৰ ১১ নৱেম্বৰৰ 'হৰিজন'ত গান্ধীজীয়ে লিখিছিল, মোৰ সমস্ত সহানুভূতি ইহুদীসকলৰ লগত আছে। এওঁলোকে খৃষ্টীয়ানৰ অস্পৃশ্য হৈ আহিছে। জাৰ্মানৰ দ্বাৰা ইহুদীসকলৰ ওপৰত অত্যাচাৰে ইতিহাসত এইটোৰ সমকক্ষ হ'ব পৰা নাই। যদি মানৱতাৰ নামত তথা মানৱতাৰ হিতৰ বাবে যেই কোনো ন্যায়েচিত যুদ্ধ হ'ব পাৰে তেন্তে এটা সম্পূৰ্ণ জাতিৰ ওপৰত নিৰংকুশ অত্যাচাৰক বাধা দিবলৈ জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ পূৰাপূৰি ন্যায়োচিত হ'লহেঁতেন। কিন্তু মই কোনো প্ৰকাৰৰ যুদ্ধকে সমৰ্থন নকৰো। মোৰ বিশ্বাসহে যদি ইহুদীসকলৰ ভিতৰত কোনোবা সাহসী আৰু ভবা চিন্তা কৰিব পৰা লোকৰ জন্ম হয় আৰু অহিংসাত্মক কাৰ্যাৱলীত সেইটোৰ নেতৃত্ব কৰে তেন্তে নিৰাশাৰ আন্ধাৰ পলকতে আশাৰ পোহৰলৈ সলনি হ'ব পাৰে। এইটোৰ পৰা জাৰ্মান ইহুদী, ইতৰ-জাৰ্মানীসকলৰ এক চিৰস্থায়ী বিজয় লাভ কৰিব পাৰিব; এনে অৰ্থত যে তেওঁলোকে এওঁলোকৰ হৃদয়ত মানৱ প্ৰতিষ্ঠাৰ মূল্য স্থাপিত কৰিব পাৰিব।

এইবোৰ কথাৰ বাবে নাৎসী বাতৰি কাকতে গান্ধীজীৰ ওপৰত ভীষণ বান বৰষালে। ভাৰতৰ বিৰুদ্ধে উচিত কাৰ্য্য তৎপৰতাৰ ধমকো দিয়া হ'ল। কিন্তু গান্ধীজীয়ে উত্তৰ দিলে "যদি নিজৰ দেশক, বা নিজক নিজে বা ভাৰত জাৰ্মান সম্বন্ধক লোকচানত পেলোৱাৰ ভয়তে মই সেই পৰামৰ্শ দিবলৈ সংকোচ কৰো, যিটোক মই নিজৰ হৃদয়ৰ অন্তঃস্থলৰ পৰা এশ শতাংশ শুদ্ধ বুলি ভাবো তেন্তে মই নিজক নিজে সাহসীহীনৰ শাৰীত ৰখা দৰকাৰ।

১৯৪৬ চনত হিটলাৰৰ মৃত্যুৰ পাছত মই গান্ধীজীৰ লগত এইটোৰ বিষয়ে কথা বতৰা হওঁ। গান্ধীজীয়ে ক'লে "হিটলাৰে পঞ্চাচ ইহুদীক মাৰিলে। আমাৰ সময়ৰ এইটোসকলোতকৈ ডাঙৰ অপৰাধ। কিন্তু ইহুদীসকলে ভাবিব লাগিছিল যে কসাইৰ ছুৰীৰ আগত মূৰ দোঁৱাই দিব। তেওঁলোকে শৈলখণ্ডৰ পৰা সাগৰলৈ দৌৰ মাৰিব লাগিছিল এইটোৰ পৰা সংসাৰত তথা জাৰ্মানীৰ লোকৰ ভাৱনাবোৰ জাগৃত হৈ গ'লহেঁতেন। এইটোহে হ'ল যে তেনেকৈ নহৈ বেলেগ ধৰণে লাখ লাখ ইহুদী মৰা হ'ল।

১৯৩৮ চনৰ ডিচেম্বৰত জাপানী সংসদৰ এজন সদস্য তাকাওকা সেবাগ্ৰামলৈ আহে। তেখেতে সুধিলে যে ভাৰত আৰু জাপানৰ মাজত একতাৰ কেনেকৈ ফল ধৰিব পাৰিব।

গান্ধীজীয়ে কৰ্কশ সুৰেৰে উত্তৰ দিলে "এইটো সম্ভৱ হ'ব পাৰে যদি জাপানে ভাৰতৰ ওপৰত লালসা ভৰা চাৱনিৰে চোৱাতো বন্ধ কৰি দিয়ে"।

২৪ আগষ্টত যিদিনা ষ্টেলিন-হিটলাৰ চাৱৰণৰ ওপৰত হস্তাক্ষৰ হয় লণ্ডনৰ পৰা এগৰাকী মহিলাই গান্ধীজীলৈ টেলিগ্ৰাম পঠালে "অনুগ্ৰহ কৰি খোজ আগবঢ়াওক। সংসাৰে নেতৃত্বৰ প্ৰতীক্ষা কৰি আছে"। যুদ্ধ আৰম্ভ হ'বলৈ এতিয়া এসপ্তাহহে দেৰি আছিল। বেলেগ এগৰাকী মহিলাই ইংলেণ্ডৰ পৰা ৱায়ৰলেচত খবৰ পঠালে "অনুৰোধ কৰিছো যে আপুনি শাসকসকল তথাসকলো দেশৰে নিবাসীসকলক, বলেৰে নহয় কিন্তু যুক্তিৰে নিজৰ অটল শ্ৰদ্ধাক প্ৰকাশ কৰক"। সেৱগ্ৰামত এনেকুৱা অনুৰোধৰ সংবাদ দ'ম লাগিল।

এতিয়া সময় ওলাইছিল। ১৯৩৯ চনৰ ১ ছেপ্টেম্বৰৰ ৰাতিপুৱা ১১ বজাত ইংলেণ্ডৰ গীৰ্জাত ভীৰ জমা হৈছিল, বৃটিছ চৰকাৰে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি দিলে। সেই দিনাৰ আবেলি সময়টো মই পেৰিচ বাহিৰত গাঁৱত আছিলো। সন্ধিয়া ৫ বজাত এখন অকলশৰীয়া আকাশীযান ওপৰেদি পাৰহৈ গ'ল। ৰেডিঅ'ই ঘোষণা কৰিলে যে ফ্ৰান্সে যুদ্ধ যোগ দিব। আমি চহৰলৈ ঘূৰি আহিলো। সৰু সৰু গাঁওবিলাকৰ গলিবোৰত মহিলাবিলাকে থিয় হৈ হৈ বিষাদভৰা চাৱনিৰে শূন্যৰ ফালে উৎসাহহীন ভৱিষ্যতৰ ফালে চাই আছিল। কিছুমানে নখ কামুৰি আছি । সেনাই ধৰি অনা শকত, সুন্দৰ, বলিষ্ঠ খেতিৰ কামত লগাব পৰা ঘোৰাবোৰৰ দীঘলীয়া শাৰিৰ কাৰণে আমাৰ মটৰ গাড়ীক ৰখাব লগাত পৰিছিল। এজন খেতিয়কে নিজৰ ঘোৰাটোক নিজৰ হাতেৰে মেৰিয়াই ধৰি নিজৰ গালখন তাৰ মুখত লগাই দিলে আৰু তাৰ কাণত কিবা ক'বলৈ ধৰিলে। ঘোৰাইও তাৰ ডিঙিটো ওপৰ তল কৰি ঘূৰাবলৈ ধৰিলে। দুয়ো এজনে আনজনৰ পৰা বিদায় লৈছিল। ১৯৪৫ চনত এনে ধৰণৰ বিদায়বোৰ সমাপ্ত হোৱাৰ আগতেই সংসাৰসকলো ভাগৰে ত্ৰিশ লাখতকৈও বেছি মানুহে জীৱনৰ পৰা বিদায় লৈছিল। ত্ৰিশ লাখৰো ওপৰ মুনিহ-তিৰোতা আৰু ল'ৰা-ছোৱালী মৰিল দহ কোটিতকৈও অধিক ঘায়ল, হেৰাল আৰু শক্তিহীন হৈ পৰিল। লাখ লাখ ঘৰৰ থানথিত হীন অৱস্থা হ'ল। দুখন চহৰত অনুবম পৰে আশাবোৰ চুৰমাৰ হ'ল, আদৰ্শ টেঙা হ'ল নৈতিক মান সন্দেহযুক্ত হৈ পৰিল।

"আমাৰ ওচৰত বিজ্ঞানৰ মানুহটো বহুত বেছি। ঈশ্বৰত বিশ্বাসী মানুহ বহুত কম"। সংযুক্ত ৰাজ্য সেনাৰ প্ৰধান অধিকাৰী জেনেৰেল ওমৰ এন, ব্ৰেডলে ১৯৪৮ চনৰ ১০ নৱেম্বৰত কৈছিল "আমি অনুৰ ৰহস্যক ধৰি লৈছো আৰু 'গিৰি প্ৰৱচন'ক ত্যাগ কৰিছো সংসাৰে বিনাবুদ্ধিৰে চমক আৰু বিনা বিৱেকৰ সামৰ্থ প্ৰাপ্ত কৰিছে। আমাৰ এই সংসাৰ

আনৱিক ভীম তথা নৈতিক বাওনাৰ সংসাৰ। আমি শান্তিৰ বিষয়ে ইমান নেজানো যিমান যুদ্ধৰ বিষয়ে, জীয়াই থকাৰ বিষয়ে সিমান নেজানো যিমান মাৰিবৰ বিষয়ে।"

গান্ধীজীয়ে অনুক ত্যাগ কৰি 'গিৰি প্ৰৱচন'ক ধৰিলে। তেখেত এজন আনৱিক বাওনা তথা নৈতিক ভীম আছিল। আনক মাৰিবৰ বিষয়ে তেখেতে একো নেজানিছিল আৰু বিংশতি শতাব্দীত জীয়াই থকাৰ বিষয়ে বহুত জানিছিল। গান্ধীজীৰ বিচাৰ ধাৰাক কেৱল তেওঁহে এৰিব পাৰে যাৰ হৃদয়ত কোনো শংকা নাই। ❑❑

চাৰ্চিল বনাম গান্ধী

যিদিনা দ্বিতীয় মহাযুদ্ধ আৰম্ভ হয়। সেইদিনা ইংলেণ্ডই ভাৰতবাসীৰ লগত কোনো আলোচনা নকৰাকৈ ঘোষণা কৰি ভাৰতক যুদ্ধত চামিল কৰি দিলে। বিদেশৰ নিয়ন্ত্ৰণৰ এনে অতিৰিক্ত প্ৰমাণে ভাৰতত ৰোষ উৎপন্ন কৰি দিলে। কিন্তু এনে অৱস্থাতে চিমলাৰ পৰা ভাইচৰয় লৰ্ড লিনলিথ গোৰ টেলিগ্ৰামৰ দ্বাৰা মাতি পঠোৱাত গান্ধীজীয়ে প্ৰথমখন গাড়ীৰে চিমলালৈ যাত্ৰা কৰিলে। যেতিয়াই মহাত্মাজী গাড়ীৰফালে আগবাঢ়িল, ষ্টেচনত থিয় দি থকা ভীৰে ধ্বনি দিবলৈ ধৰিলে 'আমি একো সন্ধি নিবিচাৰো'। সেইদিনা গান্ধীজীৰ মৌন দিবস আছিল, সেইবাবে তেখেতে অকল মিচিকিয়ালে আৰু যাত্ৰা কৰিলে।

ভাইচৰয় তথা মহাত্মাজীয়ে হ'ব লগা যুদ্ধৰ স্বৰূপৰ বিষয়ে চৰ্চা কৰে আৰু গান্ধীজীৰ শব্দত "যেতিয়া মই ভাইচৰয়ৰ সমুখত পাৰ্লিয়ামেণ্ট ভৱন তথা ৱেষ্ট মিনিষ্টাৰ গীৰ্জাৰ ফালে তেওঁৰ সম্ভাবিত বিনাশৰ চিত্ৰখন দাঙি ধৰিছিলো, মোৰ ধৈৰ্য হেৰাই গ'ল মই অধীৰ হৈ পৰিলো। নিজৰ হৃদয়ৰ ভিতৰতে মই মনে মনে ঈশ্বৰৰ লগত সমানে যুঁজিছো যে তেওঁ এনে কাম কিয় হ'বলৈ দিয়ে।

গান্ধীজীৰ ঈশ্বৰেৰে সৈতে সদায় কাজিয়া লাগি থাকে; অহিংসা অসফল হৈ পৰিল ঈশ্বৰে একো নকৰিলে। কিন্তুসকলো কাজিয়াৰ অন্তত গান্ধীজী এইটো সিদ্ধান্তত উপনীত হৈছিল যে "নে ঈশ্বৰ শক্তিহীন নে অহিংসা শক্তিহীন। শক্তিহীনতাতো মানুহৰহে আছে। শ্ৰদ্ধা নেহেৰুৱাই মই প্ৰযত্ন কৰিহে থাকিব লাগে।

সমালোচকসকলে কৈছিল যে চিমলাৰ সাক্ষাৎকাৰত গান্ধীজীয়ে ভাইচৰয়ৰ লগত "ভাৱাবেগৰ নিৰৰ্থক কথা ক'লে।" গান্ধীজীয়ে উত্তৰ দিলে "ইংলেণ্ড আৰু ফ্ৰান্সৰ বাবে মোৰ সহানুভূতি খন্তেকীয়া ভাবাৱেশৰ বা ভোমোৰাৰ ভাষাৰে উন্মাদৰ পৰিণাম নহয়।

কিন্তু তেখেতে কি কৰিব পাৰিলেহেঁতেন? ঈশ্বৰৰ লগত সদায় তৰ্ক কৰাৰ বাদে তেখেতে কংগ্ৰেছৰ লগত অনবৰতে তৰ্কত ফচি থাকিব লগা হৈছিল। গান্ধীজীৰ বাবে অহিংসা এটা ধাৰ্মিক বিশ্বাস আছিল, কংগ্ৰেছে সদায় সেইটোকে এটা নীতি বুলি মানিছিল।

মহাযুদ্ধ আৰম্ভ হোৱাৰ দ্বিতীয় দিনা গান্ধীজীয়ে ৰাজহুৱাভাৱে কথা দিলে যে তেখেতে বৃটিছ চৰকাৰক আউল লগাবলৈ নিবিচাৰে। ইংলেণ্ড তথা তেওঁলোকৰ মিত্ৰ ৰাষ্ট্ৰবোৰক তেখেতে নৈতিক সমৰ্থনো কৰিব। ইয়াতকৈ আগবাঢ়ি তেখেত যাব নোৱাৰে। তেখেতে যুদ্ধ সম্বন্ধীয় কোনো কামতে ভাগ ল'ব নোৱাৰিছিল।

ইয়াৰ বিপৰীতে কংগ্ৰেছে যুদ্ধত সহায় কৰিবলৈ সাজু আছিল, যদি তেওঁলোকে ৰখা চৰ্তবোৰ মানি লোৱা যায়।

কংগ্ৰেছ কাৰ্যকৰী সমিতিয়ে ১৯৩৯ চনৰ ১৪ ছেপ্টেম্বৰত ঘোষণা পত্ৰ প্ৰকাশ কৰিলে, যিটোত পোলেণ্ডৰ ওপৰত ফেচিষ্ট আক্ৰমণৰ নিন্দা কৰা হ'ল আৰু কোৱা হ'ল যে "স্বতন্ত্ৰ লোকতান্ত্ৰিক ভাৰতে আক্ৰমণৰ কাৰ্যৰ বিৰুদ্ধে তথা আৰ্থিক সহযোগৰ বাবে অন্য স্বতন্ত্ৰ ৰাষ্ট্ৰবোৰৰ আনন্দেৰে লগ লাগিব।"

এই ঘোষণা পত্ৰ ৰচনা কৰা চাৰিটা দিনৰ আলোচনাত গান্ধীজী বিশেষভাৱে নিমন্ত্ৰিত আছিল। যেতিয়া সেইখন স্বীকৃত হৈ গ'ল তেতিয়া গান্ধীজীয়ে ক'লে যে ইয়াৰ আঁচনি জৱাহৰলাল নেহেৰুৱে তৈয়াৰ কৰিছিল। তেখেতে নিজৰ সিদ্ধান্তৰ বিষয়ে ক'লে "মই এইটো দেখা পাই দুখ পাইছো যে এনেদৰে ভাবোতা মই অকলেহে আছিলো যে ইংৰাজক যিকোনো সহায় দিয়া যায় সেইটো কোনো চৰ্ত নোহোৱাকৈ দিয়া যাওঁক"। গান্ধীজীৰ এনে যেনে তেনে আগবঢ়োৱা প্ৰস্তাৱ মনঃপূত নহ'ল যে ভাৰতে তেতিয়াহে যুদ্ধ কৰিব যেতিয়া তুমি তাক স্বতন্ত্ৰ কৰি দিবা। তথাপি তেখেতে দেশবাসীক ক'লে যে এইটো মানি লোৱা হওক।

সমালোচকসকলে চিঞৰ বাখৰ লগালে। গান্ধীজীয়ে এনেকুৱা কেনেকৈ কৰিব? যিটো বিচাৰৰ তেখেতে বিৰোধ কৰিছে। সেইটো সমৰ্থনৰ ভিক্ষা কেনেকৈ কৰিব? গান্ধীজীয়ে উত্তৰ দিলে "যদি মই এইটোৰ কাৰণে ভালতকৈও ভাল লগৰীয়াসকলক এৰি দিও যে অহিংসাৰ ব্যাপক প্ৰয়োগত তেওঁলোক মোৰ পিছত যাব নোৱাৰিব তেন্তে মই অহিংসাৰ হিত সাধন কৰিব নোৱাৰিম।"

কোনোবাই ব্যংগ কৰিলে "কিয় আপুনি ১৯১৮ চনৰ পৰা এতিয়ালৈকে নিজৰ মতৰ সলনি কৰা নাইনে"?

প্ৰত্যুত্তৰত গান্ধীজীয়ে ক'লে, " লিখাৰ সময়ত মই এইটো কেতিয়াও নেভাবো যে মই আগতে কি কৈছিলো। কিবা প্ৰস্তুত প্ৰশ্নৰ ওপৰত নিজৰ আগেয়ে কোৱা কথাৰ ওপৰতে দৃঢ় হৈ থকাটো মোৰ লক্ষ্য নহয়। মোৰ লক্ষ্য এয়ে যে কিবা প্ৰস্তুত প্ৰশ্নত সত্য যিভাৱে মোৰ আগলৈ আহে সেইটোত দৃঢ় হৈ থকা। পৰিণামস্বৰূপে মই এটাৰ পাছত আনটো সত্যত আগবাঢ়ি গৈছো।"

গান্ধীজীয়ে নিজৰ বিচাৰেৰে খুণ্ডা খাব লগা ঘোষণা পত্ৰৰ সমৰ্থনতকৈও আগবাঢ়ি গ'ল। ২৬ ছেপ্টেম্বৰত ভাইচৰয়ৰ সৈতে সাক্ষাৎত তেখেতে ইয়াৰ প্ৰবক্তা হৈহে যায়। ১৭

অক্টোবৰত লৰ্ড লিনলিথগোৱে উত্তৰ দিয়ে "ইংলেণ্ডই এতিয়া ক'ব নোৱাৰে যে তেওঁলোকে কি উদ্দেশ্যৰে যুদ্ধ কৰি আছে। স্বৰাজ্যৰ দিশে বৰ খৰতকীয়াকৈ আগবঢ়া ভাৰতৰ বাবে ভাল নহয়। যুদ্ধৰ পাছত উপনিবেশিক পৰ্যায়ৰ দিশত পৰিবৰ্তন হৈ যাব।"

পাঁচ দিনৰ পাছত কাৰ্যকৰী সমিতিয়ে ইংলেণ্ডক সহায় কৰাৰ বিৰুদ্ধে সিদ্ধান্ত লয়। তেওঁলোকে ৰাজ্যিক স্তৰৰ কংগ্ৰেছী মন্ত্ৰী মণ্ডলবোৰক ত্যাগ পত্ৰ দিবলৈ আদেশ দিলে। গান্ধীজীয়ে দেখিলে যে কংগ্ৰেছে তেখেতৰ ওচৰ চাপি আহিবলৈ ধৰিছে।

সময়ে ভাৰতৰ স্বাধীনতাৰ বাবে কাম কৰি আছিল। গান্ধীজীয়ে কৈছিল "এটা গুলি নমৰাকৈয়ে আমি নিজৰ লক্ষ্যৰ ওচৰ চাপি যাবলৈ ধৰিছো।

ফ্ৰান্সে হিটলাৰৰ আগত হাত দাণ্ডি দিলে। ভাৰতত আশাৰ ঠাইত ভয়ৰ ভাবহে বিয়পি পৰিল। বেংকবোৰত দৌৰ ধুপ লাগিল। গান্ধীজীয়ে ক'লে যে মানুহে খেলিমেলি বঢ়াব নেলাগে। ধীৰতাৰে সৈতে তেখেতে ভৱিষ্যতবাণী কৰিলে— "ইংলণ্ড কোনোমতেহে মৰিব আৰু যদি মৰিবও লগা হয় সাহসেৰে মৰিব। আমি বোধকৰোঁ পৰাজয়ৰ বাতৰি শুনিম। কিন্তু সাহস হেৰুওৱাৰ বাতৰি শুনিবলৈ নেপাম।

যুদ্ধৰ সংকটৰ পুনৰ বিচাৰ কৰিবৰ বাবে ৱাৰ্ধাত কংগ্ৰেছ কাৰ্যকাৰিণীৰ বৈঠক বহে। ১৯৪০ চনৰ ২১ জুনত সেইখনে স্পষ্ট ব্যাখ্যা দিলে যে অহিংসাৰ বিষয়ত তেওঁলোকে সম্পূৰ্ণৰূপে যাব নোৱাৰে।

গান্ধীজীয়ে স্বীকাৰ কৰিলে— "এনে পৰিণামত মোৰ আনন্দও হৈছে আৰু বিষাদো। আনন্দ এই বাবেই লাগিছে যে মই এই বিচ্ছেদ সহ্য কৰিব পাৰিছো আৰু মই অকলেই থিয় দি থকাৰ শক্তি পাইছো। বিষাদ এই বাবেই যে ইমান বছৰৰ পৰা যিসকল লোকক লগত লৈ ফুৰাৰ মোৰ গৌৰৱ হৈছিল, সেইসকলক লগত লৈ ফুৰাৰ সামৰ্থ এতিয়া মোৰ কথাত দেখা নোপোৱা হৈছে।

ভাইচৰয়ে ২৯ জুনত গান্ধীজীক পুনৰ সাক্ষাতৰ বাবে মাতিলে। লৰ্ড লিনলিথ গোৱে গান্ধীজীৰ মচিব নোৱাৰা প্ৰভাৱৰ বিষয়ে বুজি পাইছিল। তেখেতে জনাই দিলে যে ইংলণ্ডই ভাৰতবাসীক ভাৰতৰ শাসনত অধিক বেছি অংশ দিবৰ বাবে সাজু।

জুলাই মাহৰ আৰম্ভণিতে কাৰ্যকাৰিণীৰ বৈঠক এই প্ৰস্তাৱক জুখিবৰ বাবেই বহিল। গান্ধীজীয়ে এইটো অনাৱশ্যকীয় বুলি ধৰিছিল। তেখেতে ৰাজা গোপালচাৰীৰ বিচক্ষণ বিৰোধীৰ মুখামুখি হ'বলগা হৈছিল। ৰাজাগোপালচাৰীয়ে বল্লভভাই পেটেলক নিজৰ পক্ষত তৈয়াৰ কৰি লৈছিল। কেৱল সীমান্ত গান্ধী আব্দুল গফুৰ খাঁ গান্ধীৰ লগ লাগি আছিল। ৰাজাজীৰ প্ৰস্তাৱ বিশাল বহুমতেৰে গৃহীত হৈ গ'ল।

যুদ্ধৰ মাজত বিশুদ্ধ শান্তিবাদৰ দূৰদৰ্শিতাক গান্ধীজীয়ে কংগ্ৰেছৰ ডিঙিৰে গিলাব নোৱাৰিলে সকলোৱে জানিছিল যে তেখেতে ৰাজাজীৰ প্ৰস্তাৱৰ অন্ত পেলাব পাৰিলেহেঁতেন।

বাস্তৱতে গান্ধীজীয়ে যদি জোৰ দি ক'লেহেঁতেন। ৰাজাজীয়ে বোধকৰোঁ নিজৰ প্ৰস্তাৱ ঘূৰাই ল'লেহেঁতেন। কিন্তু এইটো বলেৰে মনোৱা বুলি ধৰিব আৰু গান্ধীজীৰ ব্যক্তিগত স্বতন্ত্ৰতাত ইমান বেছি বিশ্বাস আছিল যে তেখেতে নিজৰ সামৰ্থক কামত খটাই মানুহৰ নিজৰ মতৰ বিৰুদ্ধে মত দিবলৈ বা কাম কৰিবলৈ বাধ্য কৰিব নুখুজিছিল।

ৰাজাজীৰ প্ৰস্তাৱত গান্ধীজীৰ মতভেদৰ সত্ত্বেও ৭ জুলাইত স্বীকাৰ কৰি লোৱা হ'ল। ইয়াত ঘোষণা কৰা হ'ল যে যদি ভাৰতক পূৰ্ণ স্বাধীনতা তথা কেন্দ্ৰীয় ভাৰতীয় শাসন দি দিয়া হয় তেতিয়া 'কংগ্ৰেছ দেশৰ প্ৰতিৰক্ষাৰ ফলদায়ক সংগঠনৰ প্ৰযত্নত নিজৰ সমস্ত শক্তি লগাব'।

উইনষ্টন চাৰ্চিল ইংলণ্ডৰ প্ৰধানমন্ত্ৰী আছিল আৰু দেশক সাহসেৰে সৈতে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ প্ৰেৰিত কৰিছিল। আগৰ বছৰত ভাৰতৰ স্বাধীনতাৰ বিৰুদ্ধে অনেক বক্তব্য দিছিল। এতিয়া তেওঁৰ হাতত এইটোক বাধা দিব পৰা শক্তি আছিল। সেই অনুসৰি ৮ আগষ্টত লিনলিথগোৱে ব্যাখ্যা দিলে যে তেওঁ কিছু ভাৰতবাসীক নিজা কাৰ্যকাৰিণী কাউন্সিলত সম্মিলিত হ'বলৈ নিমন্ত্ৰণ কৰিব আৰু এখন যুদ্ধ পৰামৰ্শদাতা কাউন্সিল স্থাপিত কৰিব, যিখনৰ বৈঠকবোৰ নিয়মতিৰূপে বহি থাকিব। লিনলিথযোগে এইটোও ক'লে যে ব্ৰিটিছ চৰকাৰে নিজৰ প্ৰস্তুত দায়িত্ববোধ কোনো ভাৰতীয় চৰকাৰক গটোৱাৰ কথা ভাবিব নোৱাৰে, যিটোৰ অধিকাৰক জনসংখ্যাৰ ডাঙৰ তথা বলশালী তত্ত্ব বুলি মানি ল'বৰ বাবে সাজু নহয়। এইটোৰ অৰ্থ এনে আছিল যে ব্ৰিটিছ চৰকাৰে মুছলমানৰ ইচ্ছাৰ অবিহনে কংগ্ৰেছক ভাৰতৰ শাসন কৰিবলৈ নিদিয়ে।

কংগ্ৰেছ কাৰ্যকৰী সমিতি বেয়াকৈ ক্ৰোধিত হ'ল আৰু তেওঁলোকে ব্ৰিটিছ চৰকাৰৰ ওপৰত দোষ দিলে যে তেওঁলোকে সহযোগিতাৰে মিত্ৰতাপূৰ্ণ তথা দেশভক্তিপূৰ্ণ প্ৰস্তাৱক আঁতৰাই দি অল্পসংখ্যকৰ প্ৰশ্নটোক ভাৰতৰ প্ৰগতিৰ পথত দুৰ্গম বাধা আনিলে। চাৰ্চিলৰ কৃপাত কংগ্ৰেছ পুনৰ গান্ধীজীৰ ওচৰলৈ ঘূৰি আহিল। গান্ধীজীয়ে ভাইচৰয়ক লগ পোৱাৰ ইচ্ছা প্ৰকাশ কৰে।

ভাইচৰয়ে মুখেৰে না কৰি দিলে, পুনৰ পত্ৰৰ দ্বাৰা কথাটো সম্পূৰ্ণ কৰিলে।

এনেদৰে তিৰস্কাৰ কৰা তথা যুদ্ধৰ আৰু ভাৰতৰ নিৰুপায় অৱস্থাৰ বিৰোধ কৰিবলৈ ব্যগ্ৰ হৈ গান্ধীজীয়ে উপবাস কৰিবলৈ মনস্থ কৰে। কিন্তু মহাদেৱ দেশাইৰ অনুৰোধত সংকল্প সলনি কৰিলে আৰু এইটোৰ সলনি সবিনয় অৱজ্ঞাৰ সিদ্ধান্ত লয়। কিন্তু এইবাৰ তেখেতে সামূহিক সত্যাগ্ৰহ আৰম্ভ নকৰিলে। তেখেতে সত্যাগ্ৰহৰ এটা পাতলীয়া আৰু সাংকেতিক ৰূপহে ব্যৱহাৰ কৰিলে, যিটোৰ পৰা যুদ্ধৰ যত্নত বাধা নপৰে। তেখেতে বচা বচা ব্যক্তিসকলক আদেশ দিলে যে যুদ্ধ বিৰোধী প্ৰচাৰত লগোৱা চৰকাৰী বাধা-নিষেধবোৰ ভাঙক সকলোতকৈ প্ৰথমে তেখেতে বিনোৱা ভাবেক বাচিলে। বিনোবাই যুদ্ধ বিৰোধী প্ৰচাৰ কৰিলে। তেখেতক গ্ৰেপ্তাৰ কৰা হ'ল আৰু তিনিমাহ কাৰাগাৰত ৰাখি শাস্তি বিহিলে।

পাছত নেহেৰু আৰু পেটেলক বাচিলে আৰু তেখেতসকলকো গ্ৰেপ্তাৰ কৰিলে।

এইটো ব্যক্তিগত সত্যাগ্ৰহ ১৯৪১ চনৰ শেষলৈকে প্ৰায় এবছৰ চলি থাকিল। জনতাৰ মনত এইটোৰ পৰা উৎসাহ জাগ্ৰত নহ'ল। মানুহবোৰে জেললৈ যাবলৈ আমনি পাইছিল।

১৯৪১ চনৰ ডিচেম্বৰত ব্ৰিটিছ চৰকাৰে কাৰ্যকৰী সমিতিৰ গ্ৰেপ্তাৰ কৰা সদস্যসকলক এৰি দিয়ে। দ্বিতীয় মহাযুদ্ধত বিপদ সংকুল অৱস্থাৰ সৃষ্টি হৈ পৰিছিল।

৭ ডিচেম্বৰত জাপানে পাৰ্ল বন্দৰৰ ওপৰত আক্ৰমণ কৰে। দ্বিতীয় দিনা জাপানী সেনাই চংঘাই আৰু শ্যাম দখল কৰি ল'লে আৰু ব্ৰিটিছ মলায়াত গৈ নামিল। চৌবিশ ঘণ্টাৰ পাছত জাপানী নৌ-সেনাই ইংলণ্ডৰ দুখন যুঁজাৰু জাহাজ ডুবাই দিয়ে আৰু প্ৰশান্ত মহাসাগৰত ইংলণ্ডৰ নৌ-শক্তিত পংগু কৰি পেলালে।

যুদ্ধ ভাৰতৰ সমীপলৈ আহি আছিল। এনে পৰিস্থিতিত কংগ্ৰেছত গান্ধীবাদী অহিংসক অসহযোগীসকল তথা ৰাষ্ট্ৰীয় চৰকাৰ সলনি যুদ্ধত যত্নত সহায়তা দিয়াৰ ইচ্ছুকসকলৰ মাজত পুৰণি মতভেদ ওলাই পৰিল। সেয়ে গান্ধীজীয়ে এবাৰ পুনৰ কংগ্ৰেছৰ নেতৃত্বৰ পৰা হাত দাঙি দিলে।

যুদ্ধৰ প্ৰতি ভাৰতীয় জনতাৰ উৎসাহহীনতাই আমেৰিকাৰ লোকে কিছু তৰণী হেৰুৱাৰ দৰে হ'ল। যেহেতু সংযুক্ত ৰাজ্যই নিজেই ইংলণ্ডৰ উপনিবেশত বৈ আছিল; সেইবাবে প্ৰচাৰৰ ধুঁৱলী-কুঁৱলীৰ সত্ত্বেও তেওঁলোকে ভাৰতৰ আকাংক্ষাবোৰক বুজি পাইছিল। ৰাষ্ট্ৰপতি ৰুজভেল্টে কৰ্ণেল লুই জন্সক নিজৰ ব্যক্তিগত দূত হিচাপে ভাৰতলৈ পঠায়। এইটো এটা আসাধাৰণ কথা আছিল। আৰু কিয়নো ভাৰত প্ৰভূত্ব সম্পন্ন দেশ নাছিল, সেইবাবে এই কথাই ব্ৰিটিছ চৰকাৰক আমেৰিকাৰ চিন্তা আৰু অধিক অনুভৱ কৰাওঁতা আছিল। লণ্ডনত সংযুক্ত ৰাজ্যৰ ৰাজদূত জন জী বিনাণ্টে প্ৰধানমন্ত্ৰী চাৰ্চিলক ৰাজহুৱাভাৱে এনে বক্তব্য দিয়াত বাধা দিব নোৱাৰিলে। আটলাণ্টিক ঘোষণাৰ স্বৰাজৰ বিষয়ৰ নিয়ম ভাৰতৰ বাবে প্ৰযোজ্য নাছিল। হোৱাইট হাউচত আশে-পাশে থকা আটলাণ্টিক মহাসাগৰৰ সিপাৰৰ পৰা টেলিফোনত ৰুজভেল্টে ভাৰতৰ বিষয়ে চাৰ্চিলৰ সৈতে চৰ্চা কৰে আৰু তেওঁক অনুৰোধ কৰে যে ভাৰতবাসীৰ আগত কিবা মানিব পৰা প্ৰস্তাৱ ৰাখক। চাৰ্চিলে এনে খোচ মৰা কথা সমূলি ভাল নেপালে।

ইংলণ্ডৰ মজদুৰ দল যুদ্ধকালীন সংযুক্ত মন্ত্ৰী মণ্ডলৰ লগত আছিল। ইয়াৰ অনেক সদস্যই ভাৰতৰ স্বতন্ত্ৰতাক সমৰ্থন কৰিছিল। মন্ত্ৰীমণ্ডলৰ মন্ত্ৰণাবোৰত মজদুৰ দলৰ মন্ত্ৰীসকলে এই মনোভাব ব্যক্ত কৰিছিল।

সকলো ফালৰ পৰা হেঁচা পৰাত চাৰ্চিলে ছাৰ ষ্টেফৰ্ড ক্ৰিপ্সক এটা প্ৰস্তাৱৰ আঁচনি লৈ দিল্লীলৈ পঠাবলৈ মান্তি হ'ল। কিন্তু যেতিয়া ক্ৰিপ্স ভাৰতলৈ বুলি যাত্ৰা কৰে তেতিয়া যুদ্ধৰ সম্ভাৱনাৰ বিষয়ে চাৰ্চিলৰ নে নিৰাশা আছিল আৰু নে পৰাজয়ৰ আশংকা আছিল।

দ্বিতীয় মহাযুদ্ধ আৰম্ভ হোৱাত ছাৰ ষ্টেফৰ্ডে নিজৰ লাভজনক কাম ওকালতি এৰি দিছিল আৰু ১৯৩৯ চনত সমস্ত পৃথিৱীৰ যাত্ৰা এই কথা জানিবৰ বাবে কৰিছিল যে মানুহবোৰৰ বিচাৰ কি? তেওঁ ভাৰততো ওঠৰ দিন থাকে তথা জিন্না, লিনলিথগো, ঠাকুৰ, আম্বেদকাৰ, জৱাহৰলাল নেহেৰু আৰু গান্ধীজীৰ লগত দেখা সাক্ষাৎ কৰিছিল।

১৯৪২ চনৰ ২২ মাৰ্চত ক্ৰিপ্‌চ দিল্লী আহি পায় আৰু সেই দিনাই ব্ৰিটিছ অধিকাৰীসকলৰ লগত পৰামৰ্শ কৰিবলৈ লাগি যায়। ২৫ মাৰ্চত মৌলানা আব্দুল কালাম আজাদে ক্ৰিপ্‌চক লগ পাবলৈ যায়। এইটোৰ পৰাই ভাৰতীয় প্ৰতিনিধিসকলৰ লগত কথা-বতৰা আৰম্ভ হৈ যায়।

গান্ধীজী সেৱাগ্ৰামত আছিল। তেখেতে ক্ৰিপ্‌চৰ টেলিগ্ৰাম পায়, যিখনত নম্ৰতাপূৰ্ণ ভাষাৰে তেখেতক দিল্লীলৈ আহিবলৈ কোৱা হৈছিল। ১৯৪২ চনৰ জুন মাহত যেতিয়া মই গান্ধীজীক লগ পাইছিলো, তেখেতে মোক কৈছিল— "মই যাব খোজা নাছিলো, কিন্তু এইবাবেই গ'লো যে কিজানি এইটোৰ পৰা কিবা লাভেই হয়"।

২৭ মাৰ্চৰ দিনা ২-১৫ বজাত গান্ধীজী ক্ৰিপ্‌চৰ ওচৰ পায়গৈ আৰু ৪-২৫ বজালৈকে তেওঁৰ লগত থাকে। ছাৰ ষ্টেফৰ্ডে গান্ধীজীক চৰকাৰৰ এতিয়ালৈকে অপ্ৰকাশিত আঁচনিবোৰৰ কথা কয়। গান্ধীজীয়ে সেৱাগ্ৰামত মোক কৈছিল, আঁচনিবোৰ পঢ়ি চোৱাৰ পাছত মই ক্ৰিপ্‌চক ক'লো— "যদি আপোনাৰ ওচৰত দিবৰ বাবে এইটোহে আছে তেন্তে আপুনি আহিছিল কিয়? যদি ভাৰতৰ বাবে আপোনাৰ সমস্ত প্ৰস্তাৱ এয়ে হয় তেন্তে মই আপোনাক পৰামৰ্শ দিম যে এতিয়াই যাব লগা আকাশীযানতে আপুনি ঘৰলৈ উভটি যাওঁক"।

"মই এই বিষয়ে চিন্তা কৰিম" —ক্ৰিপ্‌চে উত্তৰ দিলে। ক্ৰিপ্‌চ নগ'ল। তেখেতে কথা-বতৰা চলাই থাকিল। গান্ধীজী সেৱাগ্ৰামলৈ ঘূৰি গ'ল। প্ৰথমবাৰৰ কথা-বতৰা হোৱাৰ পাছত তেখেতে পুনৰ ক্ৰিপ্‌চক লগ নকৰিলে, কথাও নেপাতিলে।

যন্ত্ৰণাবোৰ ৯ এপ্ৰিল পৰ্যন্ত চলি থাকিল, যেতিয়া কংগ্ৰেছে ক্ৰিপ্‌চৰ প্ৰস্তাৱক অন্তিম ধৰণে না কৰি দিলে। ক্ৰিপ্‌চ মিছন অসফল হ'ল।

চৰকাৰী ব্ৰিটিছ সূত্ৰই ক্ৰিপ্‌চ মিছনৰ অসফলতাৰ দোষ গান্ধীজীৰ শান্তিবাদক দিলে। আনসকলে ক্ৰিপ্‌চ আৰু চাৰ্চিলৰ দোষ বুলি ক'লে। নেহেৰুৱে ক'লে— "দিল্লীৰ পৰা গুচি যোৱাৰ পাছত গান্ধীজীৰ পৰা কোনো প্ৰকাৰৰ পৰামৰ্শ লোৱা নহ'ল আৰু এইটো পৰিকল্পনা একেবাৰে ভুল যে ক্ৰিপ্‌চৰ প্ৰস্তাৱক তেখেতৰ হেঁচাতেই মানি লোৱা নহ'ল"।

১৯৪৬ চনত গান্ধীজীয়ে মোক কৈছিল— "ইংৰাজসকলৰ কোৱা কথা যে দিল্লীৰ পৰা যোৱাৰ পাছত মই কথা-বতৰাত প্ৰভাৱ পেলাওঁ। কিন্তু এইটো মিছা কথা"।

মই তেখেতক ক'লে— "ইংৰাজসকলে মোক কৈছে যে আপুনি সেৱাগ্ৰামৰ পৰা দিল্লীলৈ ফোন কৰিলে আৰু কংগ্ৰেছক নিৰ্দেশ দিলে যে ক্ৰিপ্‌চৰ প্ৰস্তাৱক নেমানিবা। তেওঁলোকে নিশ্চতভাৱে কৈছে যে সেই কথা-বতৰাৰ তেওঁলোকৰ লগত লিখিত প্ৰমাণ আছে"।

গান্ধীজীয়ে দৃঢ়তাৰে উত্তৰ দিলে— "এইবোৰ মিছা কথাৰ ফন্দি। যদি তেওঁলোকৰ লগত টেলিফোনত পতা কথা-বতৰাৰ লিখিত প্ৰমাণ আছে তেন্তে দাঙি ধৰক।

১০ মাৰ্চত চাৰ্চিলৰ দ্বাৰা ক্ৰিপ্‌চক ভাৰতলৈ পঠাবলৈ লোৱাৰ এদিন আগতে ৰুজভেল্টে চাৰ্চিলক ভাৰতৰ বিষয়ে এটা দীঘলীয়া টেলিগ্ৰাম বাৰ্তা পঠায়। ৰাষ্ট্ৰপতিয়ে এটা কথমপি কাম চলাই যাব পৰা চৰকাৰৰ পৰামৰ্শ দিয়ে যিটোৱে পাঁচ বা ছবছৰৰ বাবে কাম চলাব পাৰে। লগতে ৰুজভেল্টে চাৰ্চিলক এইটোও কৈ দিলে যে "ভাৰতৰ বিষয়ত মোৰ একো সম্পৰ্ক নাই"। আৰু "ঈশ্বৰৰ বাবে মোক এইবোৰত নুসুমুৱাবা যদিও মই সহায়তা অৱশ্যে কৰিব বিচাৰোঁ"।

ৰবাৰ্ট ই. চৰবুড যিজনে এই কাহিনীৰ উল্লেখ নিজৰ পুস্তক "ৰুজভেল্ট এণ্ড হাপকিন্স'ত কৰিছে; তাত লিখিছে ঃ "টেলিগ্ৰাম বাৰ্তাৰ যিটো ভাগত চাৰ্চিল সহমত হয় সেইটো সম্ভৱ কেৱল এনে আছিল, য'ত ৰুজভেল্টে মানিল লৈছিল যে "মোৰ সম্পৰ্ক নাই"। হাপকিন্সে বহুত দিনৰ পাছত কৈছিল যে তেওঁৰ মতে সমস্ত যুদ্ধৰ পৰিস্থিতিত ৰাষ্ট্ৰপতি যি পৰামৰ্শকে প্ৰধানমন্ত্ৰীলৈ পঠালে, সেইবোৰৰ ভিতৰত ভাৰতীয় সমস্যাৰ সমাধানৰ বিষয়ে পোৱা পৰামৰ্শবোৰত প্ৰধানমন্ত্ৰীৰ যিমান খং উঠিল সিমান আন একোতে উঠা নাছিল।

১৯৪২ চনৰ ১২ এপ্ৰিলত হেৰি হাপকিন্সক, যিজন সেই সময়ত প্ৰধানমন্ত্ৰীৰ গাঁৱৰ থকা ঠাই চেকৰ্চত আছিল। ৰুজভেল্টৰ টেলিগ্ৰাম পালে। টেলিগ্ৰামত তেওঁক প্ৰাৰ্থনা কৰা হৈছিল যে স্ক্ৰিপ্‌চ বাৰ্তাক ভংগ হোৱাৰ পৰা ৰক্ষা কৰিবলৈসকলো প্ৰকাৰে যত্ন কৰে যেন। ৰাষ্ট্ৰপতিয়ে চাৰ্চিললৈও টেলিগ্ৰাম পঠালে। য'ত কোৱা হৈছি ঃ "মই দুখিতঃ যে আপোনাৰ সংবেদত ব্যক্ত হোৱা আপোনাৰ এই দৃষ্টিবিন্দুৰ লগত মই সহমত হ'ব নোৱাৰো যে আমেৰিকাৰ জনতাৰ ৰায়ত বাৰ্তাবোৰ ব্যাপক ডাঙৰ ডাঙৰ কথাত ভংগ হৈ গ'ল। ইয়াত বিয়পি পৰা বিশ্বাস এইটোৰ সম্পূৰ্ণ বিপৰীত। প্ৰায়সকলো লোকেই অনুভৱ কৰে যে গতিৰোধৰ কাৰণ এইটো যে ব্ৰিটিছ চৰকাৰে ভাৰতীয় ৰাষ্ট্ৰক স্ব-শাসনৰ অধিকাৰ দিবলৈ নিবিচাৰে, যদিও ভাৰতবাসী সেনা তথা নৌ-সেনা প্ৰতিৰক্ষাৰ সামৰিক নিয়ন্ত্ৰণ উপযুক্ত ব্ৰিটিছ অধিকাৰীসকলৰ হাতত দিবলৈ সাজু। আমেৰিকাৰ জনমতে এইটো বুজি পোৱাত অসমৰ্থনে যেতিয়া ব্ৰিটিছ চৰকাৰে যুদ্ধৰ পাছত ভাৰতৰ অংগবোৰক ব্ৰিটিছ সাম্ৰাজ্যৰ পৰা

বেলেগ হোৱাৰ অনুমতি দিবলৈ সাজু তেন্তে যুদ্ধ চলি থকা অৱস্থাত তেওঁলোকে ভাৰতক স্ব-শাসনৰ দৰে বস্তুক উপভোগ কৰাৰ অনুমতি কিয় দিবলৈ নিবিচাৰে"।

ক্রিপ্সে ব্যগ্রভাৱে সন্ধিৰ বাবে যত্ন কৰিছিল। যেতিয়া ব্রিটিছ চৰকাৰৰ ঘোষণাৰ আঁচনি মানি নল'লে তেতিয়া তেওঁলোকে কংগ্রেছৰ ওচৰত নতুন প্রস্তাৱ ৰাখিলে। এই নতুন প্রস্তাৱৰ পৰা সন্ধি বহুত ওচৰ চাপি আহিল। কিন্তু হাপকিন্সৰ কথা অনুসৰি "ভাইচৰয় এইসকলো কথাতে জ্বলি-পকি উঠে"। তেওঁ চার্চিললৈ টেলিগ্রাম কৰে। চার্চিলে ক্রিপ্সক আদেশ দিলে যে নতুন অনধিকৃত প্রস্তাৱ ঘূৰাই লোৱা আৰু ইংলণ্ডলৈ ঘূৰি আহা। হাপকিন্সে ভবা মতে "ভাৰত এনেকুৱা এখন ঠাই আছিল য'ত ৰুজভেল্ট তথা চার্চিলৰ বিচাৰ কেতিয়াও মিল হ'ব নোৱাৰে।

এইটোও স্পষ্ট আছিল যে গান্ধীজী আৰু চার্চিলৰ বিচাৰো কেতিয়াও মিল হ'ব নোৱাৰে।

চার্চিল আৰু গান্ধীজী এটা কথা সমান আছিল যে প্রত্যেকে নিজৰ জীৱন কেৱল এটা এটা উদ্দেশ্যৰ বাবেই অর্পণ কৰি দিছিল। মহাপুৰুষ সুন্দৰ মূর্তিৰ দৰে একেটা টুকুৰাৰে তৈয়াৰ কৰা হয়। চার্চিলক নিমগ্ন কৰোঁতা হেতু আছিল ইংলণ্ডক প্রথম শ্রেণীৰ শক্তিমান কৰি তৈয়াৰ কৰি থকা। তেওঁ অতীতৰ লগত বান্ধ খাই আছিল। ইংলণ্ডৰ অতীত বৈভৱ চার্চিলৰ ভগৱান আছিল। তেওঁ ভাৰতক নিজৰ দেশৰ মহানতাৰ লগত সম্বন্ধ বুলি মানিছিল।

চার্চিলে দ্বিতীয় মহাযুদ্ধক ব্রিটেইনৰ ৰাজ্যক প্রতিষ্ঠিত কৰি ৰাখিবৰ বাবে যুঁজিছিল। কিয় তেওঁ এজন আধা নাঙঠ ফকিৰক এই ৰাজ্য কাঢ়ি ল'বলৈ দিব? যদি চার্চিলৰ বশত থাকিলেহেঁতেন তেন্তে গান্ধীজী কথা-বতৰা বা মন্ত্রণাৰ বাবে ভাইচৰয় ভৱনৰ চিৰিত খোজ পেলাব নোৱাৰিলেহেঁতেন।

চার্চিল ৰোমানী নেপোলিয়ন। ৰাজনৈতিক সত্ত্বা তেওঁৰ বাবে কবিতা। গান্ধীজী সংযমী সন্ত আছিল, যিজনৰ বাবে ৰাজনৈতিক সত্ব ত্যাজ্য বস্তু আছিল। বয়স বাঢ়ি অহাৰ লগে লগে চার্চিল অধিক উদাৰহীন হৈ গৈছিল, গান্ধীজী অধিক বিপ্লৱী হৈ যাবলৈ ধৰে। চার্চিলে সামাজিক পৰম্পৰাক ভাল পাইছিল। গান্ধীজীয়ে সামাজিক ভেদবোৰ নষ্ট কৰি পেলাইছিল। চার্চিলেসকলো শ্রেণীৰ লোকৰ লগতে মিলিছিল, কিন্তু থাকিছিল নিজৰ শ্রেণীতহে। গান্ধীজীয়ে বিভিন্নজনৰ লগত থাকিছিল। গান্ধীজীৰ বাবে তলখাপতকৈও তলখাপৰ ভাৰতবাসী হৰিজন আছিল। চার্চিলৰ বাবে সমস্ত ভাৰতবাসী এখন সিংহাসনৰ খুৰা কেইটা আছিল। ইংলণ্ডৰ স্বতন্ত্রতাৰ বাবে তেওঁ নিজৰ জীৱন পর্যন্ত উৎসর্গ কৰিব পাৰে, কিন্তু ভাৰতৰ স্বতন্ত্রতা বিচৰাসকলৰ তেওঁ বিৰোধী আছিল।□□

গান্ধীজীৰ লগত এসপ্তাহ

কিমান বিষণ্ণ দেশ। ১৯৪২ চনৰ মে' মাহত ভাৰতৰ বিষয়ে আটাইতকৈ প্ৰথমে এইটো সাঁচ মোৰ অন্তৰত পৰে, আৰু দুমাহ দিন থকাৰ বাবে এই সাঁচ আৰু গভীৰ হৈ পৰে। ধনবান ভাৰতবাসী বিষণ্ণ আছিল দুখীয়া ভাৰতবাসী বিষণ্ণ আছিল, আৰু ইংৰাজো বিষণ্ণ আছিল।

এইটো অনুভৱ কৰিবৰ বাবে যে ভাৰতৰ মানুহৰ কেনেকুৱা নৰকৰ নিচিনা নিৰ্ধনতা আছে কাৰো এই দেশত সৰহদিন থকাৰ আৱশ্যক নাই। বোম্বাইত ডাঃ আম্বেদকাৰৰ লগত যেনেকুৱা অস্বাস্থ্যকৰ জুপুৰি ঘৰবোৰ মই দেখিলো এনেবোৰ ঠাইত আমেৰিকা তথা ইউৰোপৰ খেতিয়কসকলে নিজৰ জীৱ-জন্তুবোৰ ৰখাও বেয়া বুলিহে বুজিব। গাঁৱত দেখা পোৱা খেতিয়কসকলৰ কাপোৰ-কানি পিন্ধিবলৈ নোহোৱাৰ তুলনাত গান্ধীজীৰ ওচৰতে পূৰাকৈ কাপোৰ আছিল। ভাৰতবাসীসকলৰ বহু সংখ্যক, বাস্তৱতে সদায়, ভোকতেই থাকিছিল।

ব্ৰিটিছৰ সংখ্যাৰ হিচাপ অনুসৰি প্ৰতি বছৰে আঢ়ৈ কোটি ভাৰতবাসী মেলেৰিয়াৰ গৰাহত পৰিছিল আৰু বচা বচা লোকেহে অলপ-অচৰপ কুইনাইন পিল পাইছিল। প্ৰতিবছৰে পাঁচ লাখ ভাৰতবাসী যক্ষ্মা ৰোগত মৰিছিল।

বেমাৰ তথা মৃত্যুৰ সত্ত্বেও ভাৰতৰ জনসংখ্যা প্ৰতি বছৰে পঞ্চাছ লাখকৈ বাঢ়ি যায়। ৰাষ্ট্ৰৰ সমুখত আটাইতকৈ এইটোৱেই ডাঙৰ সমস্যা। ১৯২১ চনত ভাৰতৰ জনসংখ্যা ৩০ কোটি ৮০ লাখ আছিল। ১৯৩১ চনত ৩৩ কোটি ৮০ লাখ আৰু ১৯৪২ চনত ৩৮ কোটি ৮০ লাখ। এই বিছ বছৰত খেতি কৰা মাটিৰ ক্ষেত্ৰফল (কালি) প্ৰায় একেই আছিল আৰু শিল্পৰ ক্ষেত্ৰতো একো লেখত ল'বলগীয়া উন্নতি হোৱা নাছিল। যিমান দুখীয়া দেশ সিমানেই বেছি জনসংখ্যা। যিমানেই অধিক জনসংখ্যা সিমানেই দেশ অধিক দুখীয়া।

ভাৰতত থকা ইংৰাজসকলে নিজৰ কৰ্তব্য পালনৰ ওপৰত জোৰ দিয়ে। কিন্তু তেওঁলোকে বিনাশকাৰী প্ৰভাৱকো অস্বীকাৰ নকৰিছিল।

তেওঁলোকে এইটোৰ বাবে হিন্দু ধৰ্মক তথা মুছলমানসকলৰ পিছ পৰি থকা অৱস্থাকে দোষী বুলি কৈছিল। ভাৰতবাসীয়ে ইংলণ্ডক দোষ দিছিল। এইটো এনেকুৱা এটা অৱস্থা আছিল, যিটোত ইংৰাজসকলৰ বাবে কাম কৰা তথা জীৱন নিৰ্বাহ কৰা ক্ৰমান্বয়ে অসন্তোষজনক হৈ গৈ আছিল।

যিবিলাক ইংৰাজ পৰিয়ালে ভাৰতত‌েই এশ বছৰতকৈও অধিক কাল জীৱনক সফল কৰি তুলিছিল, তেওঁলোকে জানিছিল যে ইয়াত তেওঁলোকৰ একো ভবিষ্যত নাই। ভাৰতে তেওঁলোকক নিবিচাৰিছিল এই কথা তেওঁলোকে অনুভৱ কৰিছিল আৰু উদাসভাৱে আছিল। ভাইচৰয়ৰ নিজা চিব ছাৰ গিলবাৰ্ট লেথবেট আৰু প্ৰধান সেনাপতি ৱেৱেলৰ সহকাৰী মেজৰ জেনেৰেল মোলবাৰ্থে পেট্ৰল বচাবলৈকে ভাৰতৰ প্ৰখৰ ৰ'দতো চাইকেলেৰেই অফিচলৈ গৈছিল, যদিও তেখেতৰ লগত মটৰ গাড়ী আৰু ড্ৰাইভাৰো আছিল।

অনেক ইংৰাজ ভাল মানুহো আছিল, কিন্তু ভাৰতে বেয়া ভাৰতবাসীৰ শাসনকে ভাল বুলি বুজিছিল। ভাৰতত তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে শাসন কৰা এতিয়া ধেমালি নাছিল। ইংৰাজ অধিকাৰী এতিয়া ভাৰতৰ পৰা ইমানেই বিৰক্তি পাইছিল, যিমানখিনি ভাৰতে তেওঁলোকৰ পৰা বিৰক্ত হৈছিল। গান্ধীজীৰ বিছ বছৰৰ অহিংসাই সাম্ৰাজ্যৰ ভৱিষ্যতত তেওঁলোকৰ বিশ্বাস শেষ কৰি পেলাইছিল।

কমিউনিষ্টৰ বাদে ভাৰতৰ কোনো দল বা সমূহে যুদ্ধৰ সমৰ্থন কৰা নাছিল। ১৯৪১ চনৰ জুন মাহত ৰুচত হিটলাৰৰ আক্ৰমণৰ পাছত কমিউনিষ্টসকলে ব্ৰিটেইনৰ পক্ষত হৈ পৰিল আৰু ভাৰতত সাম্ৰাজ্যবাদী ইংৰাজে তেওঁলোকক সহায়তা দিবলৈ ধৰে, কিন্তু এই অপ্ৰাকৃতিক মিলা-প্ৰীতি তেওঁলোকে ভাল নেপাইছিল।

মই বোম্বাইত নেহেৰুক এক লাখ জনতাৰ ভীৰত ভাষণ শুনো। বাদামী ৰঙৰ চেহেৰাৰে আৰু বগা কাপোৰেৰে সেই বিশাল জনসমুদ্ৰত কমিউনিষ্টসকলে চিঞৰ-বাখৰ কৰোঁতাসকলৰ এটা দ্বীপ সাজি থৈছিল।

তেওঁলোকে সমস্বৰে চিঞৰে— "এয়া জনতাৰ যুদ্ধ"।

নেহেৰুৱে চিঞৰি ক'লে— "যদি তোমালোকে এইটোক জনতাৰ যুদ্ধ বুলি ভাবিছা তেন্তে গৈ জনতাক সোধা"। এইষাৰ কথাই তথা জনতাৰ বিৰোধী প্ৰতিক্ৰিয়াই তেওঁলোকৰ চিঞৰ-বাখৰবোৰক শান্ত কৰি পেলালে। তেওঁলোকে জানিছিল যে নেহেৰুৱে সঁচা কথা কৈছে আৰু ইংৰাজেও এইটো জানিছিল।

"মই তৰোৱাল লৈ জাপানৰ লগত যুঁজিম"। নেহেৰুৱে ঘোষণা কৰিলে— "কিন্তু স্বতন্ত্ৰ হৈহে মই এনে কৰিব পাৰিম"।

ভাইচৰয়ৰ কাউন্সিলৰ গৃহ সদস্য ছাৰ ৰেজিনাল্ড মেক্সবেলে মোক কৈছিল— "যুদ্ধ সমাপ্ত হোৱাৰ দুবছৰৰ পাছত মই ইয়াৰ পৰা গুচি যাম"। মেক্সবেলৰ অধীনত পুলিচ তথা

আন্তৰিক ব্যৱস্থা আছিল আৰু ভাৰতবাসী তেওঁৰ ওপৰত বৰ অসন্তুষ্ট হৈ আছিল। কিন্তু তেওঁ কোনো প্ৰকাৰৰ ভুল ধাৰণা লৈ থকা নাছিল, কিয়নো তেওঁৰ বাবে সাম্ৰাজ্য দৈনিক পিহি থকাৰ দৰে আছিল, যেতিয়া চাৰ্চিচৰ বাবে সেইটো এটা ৰোমাঞ্চকৰ কথাহে আছিল।

ৰায়চাহাবে মোক ক'লে— "আমি ভাৰতত থাকোতা নহওঁ। হয়তো কংগ্ৰেছে এইটো কথা বিশ্বাস নকৰে, কিন্তু আমি ইয়াত নেথাকিম। আমি নিজৰ প্ৰস্থানৰ বাবে তৈয়াৰী কৰি আছোঁ"।

যেতিয়া মই এই বিচাৰটো ভাৰতবাসীৰ আগত ক'লো তেতিয়া তেওঁলোকে এইটো বিশ্বাস নকৰিলে। তেওঁলোকে কঠোৰভাৱে যুক্তি দেখুৱালে যে চাৰ্চিল তথা নতুন দিল্লীত আৰু ৰাজ্যবিলাকত অনেক সৰু সৰু চাৰ্চিল বা স্বাধীনতাৰ পথত কপাহৰ সোপা দিব বা দেশৰ অংগ বিচ্ছেদ কৰি তাক নষ্ট কৰি পেলাব।

স্বাধীনতা ওচৰতে আছিল কিন্তু বৰ্তমানটো ইমান অধিকাৰময় আছিল যে ভৱিষ্যতটো কোনেও দেখা পোৱা নাছিল। ভাৰতত ইতিহাস ইমান দীঘলীয়া সময়ৰ পৰা স্থিৰ হৈ আছিল যে কোনেও এইটো কল্পনাই কৰিব পৰা নাছিল যে সেইটো কিমান খৰকৈ আগবাঢ়িব পৰা অৱস্থাত আছে। এনে গতিহীনতাই ভাৰতবাসীক ৰুষ্ট কৰি আহিছিল। তেওঁলোকৰ মায়ুসীৰ ভাব উপজিছিল।

ভাৰতত নিযুক্ত হৈ থকা এজন আমেৰিকান সেনাপতিয়ে কৈছিল— "ইংৰাজসকলে এবাল্টি পানীত তেলৰ এটা টোপালৰ সমান"।

গান্ধীজীৰ বিষয়ে কথা হওঁতে ভাইচৰয়ে ক'লে— "এই কথা কিবা ভ্ৰমত নেথাকিবা, এই বুঢ়া ভাৰতত আটাইতকৈ ডাঙৰ বস্তু, এওঁ মোৰ লগত ভাল ব্যৱহাৰ কৰিলে। ভ্ৰমত নেথাকিবা। এওঁৰ বহুত বেছি প্ৰভাৱ আছে"।

লৰ্ড লিনলিথগোৱে কৈছিল যে গান্ধীজীয়ে কিবা প্ৰকাৰে সবিনয় অৱজ্ঞা আন্দোলনৰ বিচাৰ কৰি আছে। "মোৰ ইয়াত ছবছৰ হৈ গ'ল আৰু মই সংযম শিকি ল'লো। মই সন্ধিয়া দেৰিলৈকে বহি থাকি বিৱৰণীৰ অধ্যয়ন কৰোঁ আৰু এইবোৰ সাৱধানেৰে হৃদয়ংগম কৰোঁ। মই লৰা-লৰিকৈ কোনো খোজ নিদিওঁ, কিন্তু মই যদি অনুভৱ কৰোঁ যে গান্ধীজীয়ে যুদ্ধৰ চেষ্টাত বাধা দিবলৈ ধৰিছে তেতিয়া মই তেওঁক কাবু কৰিব লাগিব।

মই ক'লো যে গান্ধীজী যদি জেলতে মৰি যায় তেতিয়া বেয়া ক'থা হ'ব।

ভাইচৰয়ে সহমত জনাই ক'লে— "মই জানো যে তেখেত বুঢ়া মানুহ আৰু এই বুঢ়া মানুহজনক আপুনি বলেৰে সৈতে খুৱাব নোৱাৰে। মই আশা ৰাখিছো যে সেইটোৰ আৱশ্যক নহ'ব, কিন্তু মোৰ ওপৰত গধুৰ দায়িত্ব আছে"।

নেহেৰুৱে প্ৰস্তাৱিত সবিনয়-অৱজ্ঞা আন্দোলনৰ বিষয়ে গান্ধীজীৰে সৈতে পৰামৰ্শ কৰিবৰ বাবে সেৱাগ্ৰামলৈ যাবলৈ ওলাই গৈছিল। মই তেখেতক প্ৰাৰ্থনা জনালো যে মোৰ

সাক্ষাতৰ ব্যৱস্থা কৰি দিয়ক। অতি সোনকালে মই টেলিগ্ৰাম পালো, যিখনত লিখিছিল, "স্বাগত! মহাদেৱ দেশাই"।

মই ৱাৰ্ধা ষ্টেচনত ৰে'ল গাড়ীৰ পৰা নামিলো, য'ত মই গান্ধীজীৰ খবৰ দিওঁতাক লগ পালো। ৰাতিটো মই কংগ্ৰেছ অতিথিশালাৰ চাঁদৰ ওপৰত শুলো। ৰাতিপুৱা মই গান্ধীজীৰ দন্ত চিকিৎসকজনৰ লগত সেৱাগ্ৰামলৈ যাবলৈ টাংগা ল'লো।

টাংগা গৈ গাঁৱৰ ওচৰত ৰৈ গ'ল। তাতে গান্ধীজী থিয় হৈ আছিল। তেখেতে ইংৰাজী লহৰতে ক'লে— "মিষ্টাৰ কিশৰ"। আৰু আমি দুয়ো হাত মিলালো। তেখেতে মোক এখন বেঞ্চৰ ওচৰলৈ লৈ গ'ল। তেখেতে বেঞ্চত বহি নিজৰ হাতৰ তলুৱাৰে বেঞ্চত হেঁচা দিলে আৰু মোক ক'লে— "বহি যোৱা"। যেনেদৰে তেখেতে প্ৰথমতে বেঞ্চখনত বহিলে আৰু যিদৰে তেখেতে মোক বেঞ্চখনত বহিবলৈ হাতেৰে সংকেত দিলে, সেইটোৰ পৰা এনে লাগিল তেখেতে ক'বলৈ ধৰিছে— "এইটো মোৰ ঘৰ, আহি যোৱা"। মই তৎক্ষণাত ঘৰ বুলি অনুভৱ কৰিলো।

গান্ধীজীৰ লগত প্ৰতিদিনে এঘণ্টাকৈ কথা-বতৰা হৈছিল। খোৱাৰ সময়তো কথা-বতৰা পতাৰ সুবিধা পাইছিলো। ইয়াৰ উপৰিও দিনটোত এবাৰ বা দুবাৰ তেখেতৰ লগত ফুৰিবলৈও যোৱা হৈছিল।

গান্ধীজীৰ শৰীৰ সুগঠিত আছিল; বুকুৰ সুস্থ মাংসপেশী ওপৰলৈ উঠা, সৰু কঁকাল আৰু দীঘল দীঘল পাতল মজবুত ভৰি, যিকেইটা চেণ্ডেলৰ পৰা চুৰিয়ালৈকে উদং। তেখেতৰ আঁঠুৰ ঘিলা কেইটা ওলোৱা আছিল আৰু তেখেতৰ হাড়বিলাক বহল তথা মজবুত আছিল। তেখেতৰ হাতকেইখন ডাঙৰ ডাঙৰ তথা আঙুলিবোৰ দীঘল দীঘল আৰু শকত শকত আছিল। তেখেতৰ ছালখন কোমল, মিহি আৰু সুস্থ আছিল। তেখেত তেসত্তৰ বছৰীয়া আছিল। তেখেতৰ আঙুলিৰ নখবোৰ, হাত-ভৰি তথা শৰীৰটো দোষহীন আছিল। তেখেতৰ চুৰিয়া, ৰ'দত কেতিয়াবা পিন্ধিব লগা টুপী আৰু মূৰত লোৱা তিতা বগা চিকচিকিয়া আছিল।

তেখেতৰ শৰীৰটো বুঢ়া যেন নেলাগিছিল। তেখেতক দেখিলে এনে নেলাগিছিল যে তেখেত বুঢ়া। তেখেতক বুঢ়া যেন লাগিছিল মূৰটোৰ বাবেহে।

তেখেতৰ শান্ত, বিশ্বাসেৰে ভৰা চকু কেইটাৰ বাবে তেখেতৰ মুখৰ আকৃতি দেখিবলৈ ভাল নাছিল। বিশ্ৰামৰ অৱস্থাত তেখেতৰ মুখৰ আকৃতি আপচু যেন দেখাইছিল, কিন্তু তেখেত কেতিয়াও বিশ্ৰাম কৰা অৱস্থাত নাছিল। লাগে তেখেতে কথা কওঁতেই হওক বা শুনোতেই হওক, তেখেতৰ মুখত সজীৱতা লাগি আছিল আৰু সেইটোৰ ওপৰত তুৰন্তে প্ৰতিক্ৰিয়া হৈছিল। কথা কোৱা সময়ত তেখেতে প্ৰভাৱশালী ধঙত হাতেৰে আও ভাব কৰিছিল। তেখেতৰ হাত বৰ সুন্দৰ আছিল।

লায়দ জৰ্জক এজন মহান পুৰুষৰ দৰে দেখা গৈছিল। চাৰ্চিল আৰু ফেংকলিনে ৰুজভেল্টৰ উদাৰতা আৰু বিশেষতাও চকুত নপৰাকৈ থকা নাছিল। গান্ধীজীত (আৰু লেনিনত)এনে কথা নাছিল। বাহিৰৰ পৰা তেখেতৰ একো বিচিত্ৰতা নাছিল। তেখেতৰ ব্যক্তিত্ব তেখেত যেনেকুৱা আছিল, তাৰ ভিতৰত যিবোৰ তেওঁ কৰিছিল সেইবোৰত, তথা যিবিলাক তেখেতে কৈছিল, সেইবোৰত আছিল। গান্ধীজীৰ সমুখত মই একো ভয় আৰু অস্বস্তি অনুভৱ কৰা নাছিলো। মই অনুভৱ কৰিছিলো যে মই এজন অত্যন্ত মৃদু, সৌম্য নিঃসংকোচ, উত্তেজনাহীন, প্ৰফুল্ল, বুদ্ধিমান আৰু অত্যন্ত সৌম্য ব্যক্তিৰ ওচৰত আছো। মই তেখেতৰ ব্যক্তিত্বৰ চমৎকাৰিতাও অনুভৱ কৰোঁ। নিজৰ ব্যক্তিত্বৰ বলতেই তেখেতে কোনো সংগঠন বা চৰকাৰৰ সহায় নোহোৱাকৈ তেখেতে নিজৰ প্ৰভাৱ এখন বিচ্ছিন্ন দেশৰ চুকে-কোণে সিঁচৰিত কৰি দিছিল। পোনপটীয়া সম্পৰ্ক, ক্ৰিয়াশীলতা, উদাহৰণ তথা গোটেই সংসাৰতে উপেক্ষিত কিছুমান সৰল সিদ্ধান্তৰ প্ৰতি দায়িত্ব, এখেতৰ দ্বাৰাই এইবোৰ জনতাৰ ওচৰ পাইছিলগৈ। তেখেতৰ সিদ্ধান্ত আছিল অহিংসা, সত্য তথা সাধ্যৰ ওপৰত সাধনৰ শ্ৰেষ্ঠতা।

আধুনিক ইতিহাসৰ নামজনালোক চাৰ্চিল, ৰুজভেল্ট, লায়দ জৰ্জ, ষ্টেলিন, হিটলাৰ, বুদৰো উইলচন, কেশৰ, লিংকন, নেপোলিয়ন, মেতৰনিচ্‌, তালেৰা আদিৰ হাততে ৰাজ্যবোৰৰ সত্বা আছিল। মানুহৰ মতত প্ৰভাৱ পেলাব পৰা লোক গান্ধীজীৰ সমকক্ষ একমাত্ৰ বেচৰকাৰী ব্যক্তি কাৰ্লমাৰ্ক্স বুলি ধৰি ল'ব পাৰি। ব্যক্তিসকলৰ অন্তৰাত্মাত গান্ধীজীৰ সমান শক্তিৰে প্ৰভাৱ পেলাব পৰা মানুহৰ অনুসন্ধানত আমি শ শ বছৰৰ আগলৈ যাব লাগিব। আগৰ যুগত এনেবোৰ লোকেই ধৰ্মাত্মা হয়। গান্ধীজীয়ে জনাই দিলে যে যীশু তথা খ্ৰীষ্টান পাদ্ৰীসকল আৰু বুদ্ধৰ আৰু কিছু ইবৰণী পয়গম্বৰ আৰু য়ুনানী জ্ঞানীসকলৰ আধ্যাত্ম আধুনিক সময়ত তথা আধুনিক ৰাজনীতিত সম্মিলিত হ'ব পাৰে। গান্ধীজীয়ে ঈশ্বৰ বা ধৰ্মৰ বিষয়ে উপদেশ দিয়া নাছিল তেখেতেতো নিজেই জীয়াই থাকি ধৰ্মৰ উপদেশ দিছিল। যিখন সংসাৰত সত্তা, ধন তথা অহংকাৰৰ ক্ষয়কাৰী প্ৰভাৱৰ আঘত টিকি থকা লোক নোহোৱাৰ দৰেই, সেই বিষয়ত গান্ধীজী এজন উত্তম পুৰুষ আছিল। বিজুলীবাটি, ৰেডিঅ', পানীৰ নলী বা টেলিফোন আদিৰ পৰা বঞ্চিত এখন সৰু ভাৰতীয় গাঁৱৰ জুপুৰিত তেখেতে মাটিতে আধাতকৈও অধিক সুদাগাৰে বহি আছিল। এইটো পৰিস্থিতি শ্ৰদ্ধাযুক্ত ভয়, পোপলীলী বা কাল্পনিক কাহিনীক আগবঢ়াই নিয়াত অকণো সহায়ক নহ'লহেঁতেন। প্ৰতিটো দৃষ্টিৰে তেখেত পৃথিবীৰ ওচৰত আছিল। তেখেতে জানিছিল যে জীৱনৰ অৰ্থ জীৱনৰ সৰু সৰু কথাবোৰ।

"নিজৰ জোতা আৰু টুপী পিন্ধি লোৱা" —গান্ধীজীয়ে ক'লে। "এই দুটা বস্তু নহ'লে ইয়াত কাম নচলে। চাবা কেনেবাকৈ লু যাতে নেলাগে"। তাপমান ১১০° ডিগ্ৰী হৈছিল আৰু

জুপুৰী ঘৰবোৰৰ বাদে যিবোৰ ভাটীৰ দৰে জ্বলিছিল ক'তো ছাঁ নাছিল। "গুচি আহঁা"। গান্ধীজীয়ে নকলী আজ্ঞাৰে মিত্ৰতা ভৰা সুৰেৰে ক'লে। মই তেখেতৰ পিছে পিছে খোৱা ঠাইলৈ গ'লে, যি টুকুৰা ঠাই তিনিফালে ঢাৰিৰে বেড়ি থৈছিল আৰু এফালে মুকলিহে আছিল যিফালেদি তাত প্ৰৱেশ কৰা হৈছিল।

গান্ধীজীয়ে দুৱাৰৰ ওচৰতে এখন গাদী লৈ বহি গ'ল। তেখেতৰ বাওঁফালে কস্তুৰবা আৰু সোঁফালে নৰেন্দ্ৰদেৱ আছিল। খাওঁতা লোকৰ সংখ্যা প্ৰায় ত্ৰিশজন আছিল। মহিলাসকলে বেলেগে বহিছিল। মোৰ সমুখত তিনি বছৰৰ পৰা আঠ বছৰলৈকে বয়সৰ কেইটামান ল'ৰা-ছোৱালী বহিছিল। প্ৰত্যেকৰে তলত বহাৰ বাবে পাটত ঢাৰি পৰা আছিল আৰু সমুখত পিতলৰ এখন এখন কাঁহি মাটিত পাতি থোৱা আছিল। আশ্ৰমবাসী মহিলাসকল তথা পুৰুষসকল সুদা ভৰিৰে একো নকৰাকৈ, কাঁহীবোৰত খোৱাবস্তু বিলাইছিল। গান্ধীজীৰ ভৰিৰ ওচৰতে কেইটামান ডাঙৰ বাতি আৰু সৰু বাতি থোৱা আছিল। তেখেতে মোক সিজোৱা পাচলীৰে ভৰা এটা চিচাৰ বাতি দিলে, যিটোত মোৰ বোধেৰে মোৰ কটা পালেং শাক আৰু কোমোৰাৰ কেইটামান টুকুৰা চকুত পৰিল। এগৰাকী মহিলাই মোৰ কাঁহীত অলপ নিমখ দিলে আৰু এগৰাকী বেলেগ মহিলাই এটা গৰম পানীৰ গিলাচ আৰু এটা গাখীৰৰ গিলাচ দিয়ে। তাৰ পাছত দুটা বাকলি থকা সিজোৱা আলুগুটি আৰু পাতল শুকান ৰুটি লৈ আহে। গান্ধীজীয়ে নিজৰ ওচৰত থকা বাতিৰ পৰা এখন টান পাতল ৰুটী উলিয়াই মোক দিলে।

ঘণ্টাৰ ধ্বনি হ'ল। বগা পেণ্ট পিন্ধা এজন শকত-আৱত লোকে বিলোৱা বন্ধ কৰি দিলে আৰু ঠিয় হৈ চকুকেইটা আধা মুদি লৈ উচ্চস্বৰে গাবলৈ ধৰিলে যিটোত গান্ধীজীৰ সৈতেসকলো লোকে ভাগ ল'লে। প্ৰাৰ্থনা "শান্তি, শান্তি, শান্তি"ৰে সৈতে সমাপ্ত হ'ল।সকলোৱে ৰুটি সিজোৱা পাচলিৰে সৈতে মিলাই আঙুলিৰে খোৱা আৰম্ভ কৰিলে। মোক এখন সৰু চামুচ আৰু ৰুটীত লগাই খাবলৈ মাখন দিয়া হৈছিল।

"তুমি ৰুছত চৈধ্য বছৰ আছিলা" —গান্ধীজীয়েসকলোতকৈ প্ৰথম ৰাজনৈতিক কথা মোক এইটো ক'লে। "ষ্টেলিনৰ বিষয়ত তোমাৰ মতামত কি?"

মই বৰ গৰম অনুভৱ কৰিছিলো। মোৰ হাতেৰে সানি আছিলো আৰু বহি থকাৰ বাবে মোৰ তপিনা আৰু ভৰি সাৰসুৰ নোহোৱা হৈ পৰিছিল। সেইবাবে মই চমুকৈ উত্তৰ দিলে— "বৰ যোগ্য ব্যক্তি আৰু বৰ খণ্ডাল"।

"কি হিটলাৰৰ দৰে খণ্ডাল" —তেখেতে সুধিলে। "তেওঁতকৈ কম নহয়।"

অলপ বৈ তেখেতে মোৰ ফালে ঘুৰিলে আৰু ক'লে— "কি ভাইচৰয়ৰ লগত লগ কৰিছিলানে"?

মই ক'লো যে লগ কৰিছিলো, কিন্তু গান্ধীজীয়ে এই বিষয়টোক ইয়াতে এৰি দিলে।

দুপৰীয়াৰ ভোজন ১১টা বজাত আৰু সন্ধিয়াৰ বেলি পৰাৰ আগতেই হৈছিল। ৰাতিপুৱা খুৰচেদ নৌৰোজীয়ে মোৰ জলপান লৈ আহে চাহ, বিস্কুট আৰু মৌ বা মাখনৰে সৈতে ডবল ৰুটী আৰু আম।

দ্বিতীয় দিনা দুপৰীয়া খোৱাৰ সময়ত গান্ধীজীয়ে মোক এখন ডাঙৰ চামুচ ভাজি খাবৰ বাবে দিয়ে। নিজৰ বাতিৰ পৰা এটা সিজোৱা পিয়াঁজ মোক দিবলৈ উলিয়ায়। মই তাৰ সলনি পিয়াঁজ খুজিলো। খোৱাৰ সোৱাদ নোহোৱা বস্তুবোৰৰ পৰা এইটোৱে ৰেহাই দিলে।

তৃতীয় দিনা দুপৰীয়া খাবলৈ লোৱাৰ সময়ত গান্ধীজীয়ে ক'লে— "ফিচৰ তোমাৰ বাতিটো মোক দিয়া। মই তোমাক অলপ তৰকাৰী দিম"।

মই ক'লো— মই পালেংশাক আৰু কোমোৰা দুদিনত চাৰিবাৰ খালো। আৰু বেছিকৈ খোৱাৰ ইচ্ছা নাই।

"তোমাৰ তৰকাৰীবোৰ ভাল লগা নাই?" —তেখেতে আলোচনাৰ সুৰত ক'লে।

একেৰাহে তিনিদিনলৈকে এই তৰকাৰীবোৰৰ সোৱাদ মোৰ ভাল নেলাগে।

"বাৰু" —তেখেতে ক'লে, এইবোৰত সৰহকৈ নিমখ আৰু সৰহকৈ নেমু মিলাই লোৱা"।

"আপুনি ভাবিছে মই সোৱাদ নোহোৱা কৰি পেলাওঁ" — মই তেখেতৰ কথাৰ অৰ্থ বুজালো।

"নহয়।" —তেখেতে হাঁহি উত্তৰ দিলে। "সোৱাদটোক উত্তম কৰি লোৱা"।

"আপুনি ইমান অহিংসক যে সোৱাদটোকো মাৰিব নোখোজে?" —মই ক'লো।

"যদি মানুহবোৰে এই বস্তুটোক মাৰি পেলায় তেতিয়া মোৰ একো আপত্তি নাথাকিব"।

মই নিজৰ মুখ আৰু গলধনৰ ঘাম মচিলো "আকৌ এবাৰ যেতিয়া মই ভাৰতলৈ আহিম..." গান্ধীজীয়ে কথা কৈ আছিল আৰু এনে লাগিছিল যে মোৰ কথা শুনা নাই। মই মনে মনে থাকিলো।

"হয়", গান্ধীজীয়ে ক'লে— "আকৌ এবাৰ তুমি ভাৰতলৈ আহিব তেতিয়া..."।

"আপুনি হয় সেৱাগ্ৰামত শীত-তাপ নিয়ন্ত্ৰিত কৰি ল'ব বা ভাইচৰয়ৰ ভৱনত থাকিবা।"

"বৰ ভাল কথা" —গান্ধীজীয়ে সন্মতি দেখুৱালে।

গান্ধীজীয়ে ধেমেলীয়া কথা ভাল পাইছিল। এদিন আবেলি যেতিয়া মই সদায় লগ কৰাদি কৰিবলৈ তেওঁৰ কুটিৰলৈ গ'লো। তেতিয়া তেখেত তাত নাছিল। আহি পায়েই তেখেত বিছনাত বাগৰিল। প্ৰশ্ন সোধাৰ সংকেত কৰি তেখেতে ক'লে— "মই বিছনাত পৰি

পৰিয়ে তোমাৰ কোব চম্ভালি ল'ম"। এগৰাকী মুছলমান মহিলাই তেখেতৰ পেটত মাটিৰ পট্টা দিলে। "এইটোৰ দ্বাৰা নিজৰ ভৱিষ্যতৰ লগত সম্পৰ্ক হৈ পৰে"। তেখেতে ক'বলৈ ধৰে। মই একো উত্তৰ নিদিলো।

"মোৰ বোধেৰে এই ব্যংগ তুমি বুজা নাই" —তেখেতে ক'লে।

মই ক'লো ব্যংগতো মই বুজি পালো, কিন্তু মোৰ ধাৰণা যে আপুনি সিমান বুঢ়া হোৱা নাই যে মাটিৰ লগত মিলি যোৱাৰ কথা ভাবিব লাগে।

"কিয় নহয়?" তেখেতে ক'লে— "শেষত তুমি আৰু মই আৰুসকলোৱে, আৰু কোনোৱে এশ বছৰত কিন্তুসকলোৱে পলমকৈ বা সোনকালে মাটিতে মিলিব লাগিব"।

আন এটা সুবিধাতে তেখেতে এই কথা দোহাৰিলে, যিটো কথা লণ্ডনত তেখেতে লৰ্ড চেন্‌কীক কৈছিল। তেখেতে কৈছিল— "যদি মই নিজৰ কথা চিন্তা নকৰিলোহেঁতেন কি আপুনি ভাবিছে নেকি যে মই এনে বুঢ়া অৱস্থালৈ থাকিব পাৰিলোহেঁতেন? এইটো মোৰ এটা দোঁষ।

মই সাহসেৰে ক'লো— "মইতো বুজিছিলো যে আপুনি নিৰ্দোষী"।

তেখেতে হাঁহিবলৈ ধৰিলে আৰু সাক্ষাতৰ সময়ত সাধাৰণতে বহি থকা আঠ-দহজনমান লোকেও হাঁহিলে। "নহয়", গান্ধীজীয়ে ◌োৰ দি ক'লে। "মোৰ বহুত দোষ আছে। ইয়াৰ পৰা যোৱাৰ আগতেই তুমি মোৰ শত শত দোষৰ কথা গম পাবা আৰু যদি নোপোৱা তেন্তে সেইবোৰ দেখাত মই তোমাক সহায় কৰিম"।

এঘণ্টাৰ সাক্ষাৎকাৰ আৰম্ভ হোৱাৰ আগতে গান্ধীজীয়ে সাধাৰণতে অলপ ঠাণ্ডা ঠাইৰ অনুসন্ধান কৰিছিল। পুনৰ মিচিকিয়াই হাঁহি কৈছিল— "ভাল" অৰ্থাৎ প্ৰশ্ন কৰা। সময়ৰ ক্ষেত্ৰত তেখেতৰ এনে নিৰ্ভুল আন্দাজ আছিল যে এঘণ্টা পাৰ হ'বৰ হ'লেই তেখেতে নিজৰ ঘড়ীৰ ওপৰত চকু দিব আৰু ক'ব— "তোমাৰ ঘণ্টা পূৰা হ'ল"।

এদিন মই যেতিয়া কথা-বতৰাৰ অন্তত কুটিৰলৈ যাবলৈ ওলাইছিলো তেখেতে ক'বলৈ ধৰিলে, "যোৱা আৰু টবত বহি যোৱা"। ৰ'দত অতিথিশালালৈকে যাওঁতে গৰমত মোৰ মনত মৰি গৈছিল আৰু মই নিশ্চয় কৰিলো যে টবত বহাতো বৰ ভাল হ'ব।

সেইদিনা গান্ধীজীৰ লগত আশ্ৰমৰ আনসকলৰ লগত তথা দুদিনৰ কাৰণে অহা নেহেৰুৰ লগত নিজৰ কথা-বতৰাৰ সম্পূৰ্ণ বিৱৰণ টাইপ কৰাৰ কামসকলোতকৈ কঠিন পৰীক্ষা আছিল। পাঁচ মিনিটতে মই ভাগৰি পৰিলো আৰু ঘামেৰে গা ধুলো। গান্ধীজীয়ে টবত বহাৰ যি পৰামৰ্শ দিছিল সেইটোৰে প্ৰেৰিত হৈ মই পানীৰে ভৰা টবত কাঠৰ সৰু (তক্তা) থ'লো আৰু তাৰ ওপৰত এখন গামোচা জাপি পাতিলো পুনৰ এখন ডাঙৰ তক্তা টবৰ বাহিৰত থ'লো আৰু তাত মোৰ সৰু টাইপ মেচিনটো থিকভাৱে থ'লো। এইখিনি কৰাৰ পাছত মই টবৰ ওপৰত থোৱা তক্তাখনত বহিলৈ টাইপ কৰিবলৈ ধৰিলো। অলপ

অলপ সময়ৰ পাছে পাছে যেতিয়া মোৰ ঘাম ওলায় মই টবৰ পৰা গিলাচত ভৰাই ভৰাই পানী নিজৰ গলধন, পিঠি আৰু ভৰিত পানী ঢালি লওঁ। এইটো উপায়েৰে মই ভাগৰি নপৰাকৈ এঘণ্টালৈকে টাইপ কৰিব পাৰিলো। এই নতুন উপায়টো দেখি আশ্ৰমত বঢ়িয়া হৈ-চৈ লাগিল। আশ্ৰমৰ লোকসকল কন্দনামুৱা চেহেৰাৰ লোক নাছিল। গান্ধীজীয়ে এই কথাটোত বৰ মন দিছিল। তেখেতে ল'ৰা-ছোৱালীবোৰৰ ফালে চকু পকাই ধৰিছিল, ডাঙৰসকলক হঁহুৱাইছিল আৰুসকলো আগন্তুকৰ লগতে ধেমালি কৰিছিল।

মই গান্ধীজীক মোৰে সৈতে ফটো তোলাৰ কথা ক'লো। গান্ধীজীয়ে উত্তৰ দিলে— "যদি সংযোগবশতঃ কোনোবা ফটোগ্ৰাফাৰ এইফালে আহে আৰু তোমাৰ লগত মোৰ ফটো তোলে তেন্তে মোৰ আপত্তি নাই।

মই ক'লো— "এইটোতো আপুনি মোৰ বৰ বেছিকৈ প্ৰশংসা কৰি দিলে"।

"কি তুমি প্ৰশংসা বিচাৰা নেকি?" —তেখেতে সুধিলে।

"কিয় আমিসকলোৱে প্ৰশংসা নিবিচাৰো নেকি?"

"হয়" —গান্ধীজীয়ে সহমত প্ৰকাশ কৰিলে।

"কিন্তু কেতিয়াবা কেতিয়াবা মই এইটোৰ বহুত বেছি দাম ভৰিব লগা হয়।"

মই ক'লো— "মোক কোৱা হৈছে যে কংগ্ৰেছে ডাঙৰ ডাঙৰ বেপাৰীসকলৰ হাতত আছে আৰু আপোনাকো বোম্বাইৰ মিল মালিকসকলে সহায় কৰে। এই কথাবোৰ কিমান দূৰ সঁচা?"

"দুৰ্ভাগ্যৰে এইটো সঁচা" —গান্ধীজীয়ে স্বীকাৰ কৰিলে। "কংগ্ৰেছৰ ওচৰত কাম চলাবৰ বাবে যথেষ্ট পইচা-পাতি নাই। প্ৰথমতে আমি ভাবিছিলো যে প্ৰত্যেকজন সদস্যৰ পৰা চাৰি অনাকৈ বছেৰেকীয়া হিচাপে লোৱা হওক, কিন্তু এইটোৰে কাম নচলিল"।

মই পুনৰ সুধিলো— "কংগ্ৰেছৰ পুঁজিৰ কিমান অংশ ধনী ভাৰতবাসীসকলৰ পৰা পোৱা হয়?"

"প্ৰায়সকলোখিনি", তেখেতে ক'লে — "উদাহৰণ বাবে এই আশ্ৰমত আমি ইয়াতকৈও অধিক দুখীয়া অৱস্থাত থাকিব পাৰো আৰু খৰচ কম কৰিব পৰা হয়। কিন্তু এনেকুৱা নহয় আৰু ইয়াৰ বা টকা ধনী ভাৰতবাসীসকলৰ পৰা আহে"।

(শ্ৰীমতী নায়াৰৰ এটা ব্যংগ জনাজাত যে "গান্ধীজীৰ দুখীয়া জীৱন কৰাবলৈ খুব পইচা খৰচ হয়"। এই ব্যংগটো শুনি গান্ধীজীয়ে বৰ আনন্দ পাইছিল।)

"তথ্য পোৱা মতে নিহিত স্বাৰ্থৰ কথা ভবা ধনীলোকসকলে কংগ্ৰেছক টকা-পইচা দিয়ে, কি কংগ্ৰেছৰ ৰাজনীতিৰ ওপৰত ইয়াৰ প্ৰভাৱ নপৰিবনে"? মই সুধিলো। কি এইটোৰ পৰা নৈতিক দায়িত্ব উৎপন্ন নহ'ব নেকি?"।

"এইটোৰ পৰা গুপ্ত ঋণৰ জন্ম হয়" —তেখেতে ক'লে। "কিন্তু ব্যৱহাৰত ধনীসকলৰ বিচাৰৰ দ্বাৰা আমি বৰ কম প্ৰভাৱিত হওঁ। ধনীসকলক সংৰক্ষকসকলৰ ওপৰত কংগ্ৰেছে নিৰ্ভৰ কৰাতো দুৰ্ভাগ্যজনক কথা। মই 'দুৰ্ভাগ্যজনক' শব্দৰ ব্যৱহাৰ কৰিছো। এইটোৰ পৰা আমাৰ নীতি বিকৃত নহয়।

"কিয় এইটোৰ এটা পৰিণাম এনে নহয়নে যে সামাজিক তথা আৰ্থিক সমস্যাবোৰক প্ৰায় এৰি দিয়া হৈছে আৰু ৰাষ্ট্ৰীয়তাৰ ওপৰত আটাইতকৈ বেছি জোৰ দিয়া যায়।"

"নহয়" —গান্ধীজীয়ে উত্তৰ দিলে, কংগ্ৰেছে সময়ে সময়ে বিশেষকৈ পণ্ডিত নেহেৰুৰ প্ৰভাৱত, অধিক নিয়োজনৰ বাবে প্ৰগতিশীল সামাজিক কাৰ্যক্ৰমবোৰ তথা আঁচনিবোৰো কামত খুটৱাইছে"।

গান্ধীজীৰ আশ্ৰম তথা হৰিজন আৰু খেতিয়কসকলৰ উন্নতিৰ বা কাম কৰা অনুষ্ঠানবোৰ তথা ৰাষ্ট্ৰভাষা প্ৰচাৰৰ বা অধিকাংশ ধন ঘনশ্যাম দাস বিৰলাৰ পৰা পোৱা হৈছিল। বিৰলাই প্ৰথমতে ১৯২০ চনত কলিকতাত গান্ধীজীক দেখিছিল। তেতিয়াৰে পৰা তেখেত গান্ধীজীৰ ভক্ত হৈ পৰে। তেখেত গান্ধীজীৰ কেইবাটাও নীতিৰ লগত সহমত নাছিল, কিন্তু এইটো একো কথা নাছিল। তেখেতে গান্ধীজীক নিজৰ 'বাপু' বুলি মানিছিল। গান্ধীজীক তেখেতে যিবোৰ দিছিল সেইবোৰৰ হিচাপ কেতিয়াও ৰখা নাছিল। কিন্তু গান্ধীজীয়ে নিজে নিজ হাতেৰে খৰচৰ সৰুতকৈও সৰুলৈকে মদৌ ৰ হিচাপ লিখিছিল আৰু বিৰলাক দিছিল আৰু এইবোৰ নোচোৱাকৈয়ে গান্ধীজীৰ সমুখতে ফালি পেলাইছিল। গান্ধীজীৰ মিত্ৰতাৰ দ্বাৰা বিৰলাই সম্মান আৰু সন্তোষ পাইছিল। কিন্তু যদি সময় আহিলেহেঁতেন গান্ধীজীয়ে বিৰলাৰ মিলৰ বনুৱাবোৰৰো আন্দোলনৰ নেতৃত্ব কৰিলেহেঁতেন, যেনেকৈ তেখেতে নিজৰ মিত্ৰ তথা আৰ্থিক সহায়ক অম্বালাল চাৰাভাইৰ ক্ষেত্ৰত কৰিছিল।

গান্ধীজী পুঁজিবাদী শোষণৰ বিৰোধী হ'লেও পুঁজিপতিসকলৰ প্ৰতি সহিষ্ণু আছিল। তেখেতৰ নিজৰ হৃদয়ৰ শুদ্ধতা তথা নিজৰ উদ্দেশ্যক ইমান ভৰসা আছিল যে তেখেতৰ এইটো মনতেই নেভাবিছিল যে তেখেত কলুষিত হ'ব পাৰে। গান্ধীজীৰ বাবে কোনো অস্পৃশ্য নাছিল, নাছিল বিৰলা, নাছিল কোনো কমিউনিষ্ট, নাছিল হৰিজন আৰু নাছিল কোনোবা সাম্ৰাজ্যবাদী য'তেই তেখেতে সততাৰ ফিৰিঙতিৰ গম পাইছিল। তেখেতে তাক জ্বলাই দিছিল। তেখেতৰ হৃদয়ত মানৱ প্ৰবৃত্তিৰ বিভিন্নতাৰ বাবে তথা মনুষ্যৰ হেতুবোৰৰ বিভিন্নতাৰ বাবে সম্ভাব্যতা আছিল।

১৯৪২ চনৰ যিটো সপ্তাহত মই সেৱাগ্ৰামত আছিলো তাৰ আৰম্ভণিতেই প্ৰচাৰ হৈ গৈছিল যে গান্ধীজীয়ে ইংলণ্ডৰ বিৰুদ্ধে 'ভাৰত ত্যাগ' আন্দোলনক বিৰক্তিকৰ কৰি তুলিবলৈ দৃঢ় নিশ্চয় কৰি ল'লে। এই আন্দোলনৰ ধ্বনিও এইটোৱেই হোৱাৰ কথা আছিল।

এদিন আবেলি, যেতিয়া গান্ধীজীয়ে সেই কাৰণবোৰৰ ওপৰত বিস্তাৰিতভাৱে পোহৰ পেলায় যি তেখেতক ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে সবিনয় অৱজ্ঞা আন্দোলন আৰম্ভ কৰিবলে উদগনি দি আছিল, তেতিয়া মই ক'লো— "মোৰ এনে লাগিছে যে ইংৰাজসকলৰ বাবে পুৰাপুৰিভাৱে ভাৰত এৰি গুচি যোৱাটো সম্ভৱ নহয়। ইয়াৰ অৰ্থ এইটোৱেই হ'ব যে ভাৰতক জাপানৰ হাতত গতাই দিয়া, ইংলণ্ড কেতিয়াও সন্মত নহ'ব আৰু সংযুক্ত ৰাজ্যই এইটো কেতিয়াও পচন্দ নকৰিব। যদি আপোনাৰ দাবী এইটো হয় যে ইংৰাজে নিজৰ বিছনা-কাপোৰ সামৰি গুচি যাওক তেন্তে আপুনি এটা অসম্ভৱ বস্তু বিচাৰিছে। আপোনাৰ এইটো অভিপ্ৰায়তো নহয় যে তেওঁলোকে নিজৰ সেনাবাহিনীকো আঁতৰাই পেলাব লাগে?"

কমেও দুই মিনিটমান গান্ধীজী মৌন হৈ থাকিল। কোঠাটোৰ নিস্তব্ধতাহে যে শুনা গৈছিল।

শেষত গান্ধীজীয়ে ক'লে— "তুমি ঠিকেই কৈছা। হয়, ব্ৰিটেইন আৰু আমেৰিকাই আৰু অন্য দেশেও ইয়াত নিজৰ সেনা ৰাখিব পাৰে তথা ভাৰত ভূমিৰ সৈনিক ব্যৱস্থাৰ আড্ডাৰ দৰে ব্যৱহাৰ কৰিব পাৰে। মই যুদ্ধত জাপানৰ জয় হোৱাটো নিবিচাৰো। কিন্তু মোৰ বিশ্বাস যে যেতিয়ালৈকে ভাৰতীয় জনতা স্বাধীন হৈ নেযায় তেতিয়ালৈকে ইংলণ্ড জিকিব নোৱাৰিব। যেতিয়ালৈকে ব্ৰিটেইনে ভাৰতক শাসন কৰি থাকিব তেতিয়ালৈকে তেওঁলোক দুৰ্বল হৈ থাকিব আৰু নিজৰ নৈতিকতাক সুৰক্ষা কৰিব নোৱাৰিব।

"কিন্তু যদি লোকতান্ত্ৰিক দেশ ভাৰতক আড্ডা কৰি লয় তেন্তে বহুতবোৰ আউল লাগিব। সেনাবিলাক বতাহত নেথাকে। উদাহৰণস্বৰূপে পশ্চিমৰ মিত্ৰ ৰাষ্ট্ৰবোৰে ৰে'লৰ ভাল সংগঠনৰ কথা ভাবিব লাগিব।"

"হয় হয়।" গান্ধীজীয়ে উচ্চস্বৰে ক'লে— "তেওঁলোকে ৰে'লৰ চলাচল কৰাব পাৰিব। যিবোৰ বন্দৰত তেওঁলোকৰ খাদ্য সম্ভাৰ নমায় তাতো তেওঁলোকে ব্যৱস্থা প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিব। তেওঁলোকে নিবিচাৰিব যে বোম্বাই আৰু কলিকতাত হাই-কাজিয়া হওক। এই বিষয়ত পৰস্পৰে সহযোগ কৰিব আৰু সম্মিলিত যত্নৰ আৱশ্যকতা হ'ব।"

"কি এই পাৰস্পৰিক সহযোগৰ চৰ্তবোৰ মিত্ৰতাৰ সন্ধিপত্ৰত প্ৰস্তুত কৰিব পৰা যাব।"

"আপুনি এই কথাটো এতিয়ালৈকে কোৱা নাছিল কিয়?" —মই সুধিলো।

"মই স্বীকাৰ কৰিছো যে যেতিয়া মই সবিনয় অৱজ্ঞা আন্দোলনৰ বিষয়ে আপোনাৰ মনোভাবৰ বিষয়ে শুনো তেতিয়া মোৰ ধাৰণা সেইটোৰ বিৰুদ্ধে হ'ল। মই বুজিলৈছো যে এইটোৰ পৰা যুদ্ধৰ চেষ্টাত বাধা পৰিব। যদি বেয়া ৰাষ্ট্ৰ জিকি যায় তেন্তে মই সংসাৰত পূৰ্ণ অন্ধকাৰ হোৱা দেখা পোৱাৰ কথা ভাবিছো। মোৰ ধাৰণা যে যদি আমি জিকি যাওঁ তেন্তে আমি এখন উত্তম সংসাৰ তৈয়াৰ কৰাৰ অৱকাশ পাম"।

"এইটোত মই সম্পূৰ্ণভাৱে সহমত নহওঁ" —গান্ধীজীয়ে তৰ্ক কৰিলে। "ব্ৰিটেইনে নিজকে প্ৰায়ে কপটালিৰ চুঙাত সোমাই থয়। তেওঁলোকে এনেকুৱা কথা দিয়ে যিবোৰ পাছত পালন নকৰে। কিন্তু এই কথাটো মই মানো যে লোকতান্ত্ৰিক ৰাষ্ট্ৰ যদি জিকি যায় তেন্তে বঢ়িয়া অৱসৰ পোৱা হ'ব।

"এইটো ইয়াৰ ওপৰত নিৰ্ভৰ কৰে যে আপুনি যুদ্ধত কি কৰে" গান্ধীজীৱে মোৰ ভুল শুধৰাই দিলে। "যুদ্ধৰ পাছৰ স্বাধীনতাত মোৰ আন্তৰিকতা নাই। মই এতিয়াও স্বাধীনতা বিচাৰো। এইটোৰ পৰা ইংলেণ্ডই যুদ্ধত জিকিবলৈ সহায় পাব।

মই পুনৰ সুধিলো— "আপুনি সেই আঁচনি ভাইচৰয়ৰ ওচৰলৈ কিয় নপঠালে? ভাইচৰয়ে জানিব লাগে যে মিত্ৰ ৰাষ্ট্ৰৰ সেনাবাহিনীৰ কামৰ বাবে ভাৰতক আড্ডা হিচাপে ব্যৱহাৰ কৰাত আপোনাৰ একো আপত্তি নাই"।

"কোনেও মোক সোধাই নাই" —গান্ধীজীয়ে পাতলীয়াকৈ উত্তৰ দিলে।

আশ্ৰমৰ পৰা উভতি অহাৰ আগতে মহাদেৱ দেশায়ে মোৰ পৰা আশা কৰিলে যে মই ভাইচৰয়ক কওঁ যে গান্ধীজীয়ে তেখেতক লগ পাবলৈ বিচাৰিছে। গান্ধীজী সন্ধিৰ বাবে আৰু বোধকৰোঁ সবিনয় অৱজ্ঞা আন্দোলনৰ বিচাৰ এৰি পেলাবলৈ সাজু আছিল। পাছত দিল্লীত মই গান্ধীজীৰ এখন পত্ৰ ৰাষ্ট্ৰপতি ৰুজভেল্টক দিবৰ বাবে পালো। লগৰ পকেটত গান্ধীজীৰ বিশিষ্টতাৰে শব্দ আছিল। "যদি এইটো আপোনাৰ পচন্দত নহয় তেন্তে এইখন ফালি পেলাব"।

গান্ধীজীয়ে অনুভৱ কৰিছিল যে ভাৰতৰ বিষয়ে লোকতান্ত্ৰিক ৰাষ্ট্ৰবোৰৰ স্থিতি নৈতিক দৃষ্টিৰে সমৰ্থন কৰিব নলগা আছিল। ৰুজভেল্টে বা লিনলিথগোৱে এই স্থিতিক সলনি কৰি তেওঁলোকে বাধা দিব পাৰিলেহেঁতেন। বৰং তেওঁৰ অন্তৰত একো শংকা নাছিল। নেহেৰু তথা আজাডে শংকা কৰিছিল। মহাত্মাজীৰে সৈতে মতভেদৰ কাৰণে ৰাজাজীয়ে কংগ্ৰেছৰ নেতৃত্ব এৰি পেলাইছিল। কিন্তু গান্ধীজী বিচলিত নহ'ল। নেহেৰু আৰু আজাদক তেখেতে নিজৰ কথা মনত লগাকৈ গৈ দিলে। নেহেৰুৱে বিদেশী তথা ঘৰুৱা স্থিতিক অনুকূল বুলি ধৰা নাছিল। গান্ধীজীয়ে ক'লে— "একেৰাহে সাত দিন পৰ্যন্ত মই তৰ্ক-বিতৰ্ক কৰিলো। যেনেকুৱা ভাবেৰে সৈতে তেওঁ মোৰ স্থিতিৰ বিৰোধে যুঁজিলে সেইটো মই বৰ্ণনা দিব নোৱাৰো" "কিন্তু আশ্ৰমৰ পৰা উভতি অহাৰ আগতে" গান্ধীজীৰ কথাৰে "তথ্যৰ তৰ্কত তেওঁক পৰাস্ত কৰিলে"। সঁচা কথা ক'বলৈ ক'লে এনে যে নেহেৰু প্ৰস্তাৱিত সবিনয়ে-অৱজ্ঞা আন্দোলনৰ এনে দৃঢ় সমৰ্থক হৈ পৰিছিল যে যেতিয়া কিছুদিনৰ পাছত বোম্বাই মই তেওঁক সোধো যে গান্ধীজীয়ে ভাইচৰয়ক লগ ধৰিব লাগেনে নেলাগে"। তেতিয়া তেওঁ উত্তৰ দিলে। "নেলাগে, কিহৰ বাবে?" গান্ধীজীয়ে এতিয়াও ভাইচৰয়ৰ লগত লগ কৰাৰ আশা লৈ আছিল।

গান্ধীজীত মহান আকর্ষণ আছিল। সেইটো এটা নিৰল প্ৰাকৃতিক বিচিত্ৰতা আছিল, শান্ত তথা এনেভাৱে অভিভূত কৰোঁতা আছিল যে গমেই পোৱা নেযায়। তেখেতৰ লগত মানসিক সম্পৰ্ক আনন্দদায়ক হৈছিল, কিয়নো তেখেতে নিজৰ হৃদয় খুলি থৈ দিছিল আৰু আন মানুহে চাব পাৰিছিল যে মেচিন কেনেকৈ চলি আছে। তেখেতে নিজৰ বিচাৰবোৰো কেতিয়াও সম্পূৰ্ণৰূপে ব্যক্ত কৰাৰ যত্ন নকৰিছিল। সেইটো ধৰি লওক ক'লে মই ভাবিছিলো, নিজৰ বিচাৰৰ প্ৰতিটো খোজকে দেখুৱাই দিছিল। আপুনি কেৱল তেখেতৰ শব্দকে নহয় বৰং তেখেতৰ বিচাৰবোৰকো শুনিছিল। সেই বাবে আপুনি সেইটোৰ পৰিণামত উপনীত হ'বলৈ ধৰা গতিক পৰিপাটিভাৱে দেখা পাব পাৰিলেহেঁতেন। এইটোৱে তেখেতক প্ৰচাৰকৰ দৰে কাম কৰাৰ পৰা আঁতৰাই থৈছিল। তেখেতে মিত্ৰৰ দৰে কথা পাতিছিল। তেখেতে বিচাৰবোৰৰ পৰস্পৰ আদান প্ৰদানত মনোযোগ দিছিল আৰু তাতোকৈও অধিক ব্যক্তিগত সম্বন্ধ স্থাপিত কৰাত।

গান্ধীজীয়ে ক'বলৈ বিচাৰিছিল যে স্বাধীন ভাৰতত সংঘীয় প্ৰশাসন অনাৱশ্যক হ'ব। মই তেখেত সংঘীয় প্ৰশাসনৰ অভাৱত উৎপন্ন হব পৰা জটিলতাবোৰৰ কথা ক'লো। এই কথাটো তেখেতৰ ডিঙিত লাগি ধৰিল। মই পাক ঘূৰণি খাই গ'লো। শেষত তেখেতে ক'লে "মই জানো যে মোৰ মতামত নোহোৱা স্বতেও কেন্দ্ৰীয় চৰকাৰ গঠন হ'ব। এইটো বিশিষ্ট গান্ধী-চক্ৰ আছিল। তেখেতে যেই কোনো সিদ্ধান্তক ফঁহিয়াই দেখুৱাই দিছিল, সেইটোৰ হৈ ওকালতি কৰিছিল আৰু পুনৰ হাঁহিমুখে মানি লৈছিল যে সেইটো অব্যৱহাৰিক। সন্ধিৰ বিষয়ৰ কথা-বতৰাত এইটো মনোভাৱ অতি খং উঠিব লগা আৰু সময় নষ্ট কৰিবলগীয়া হ'বলগীয়া হ'লহেঁতেন। কেতিয়াবা কেতিয়াবা তেখেতে নিজে কোৱা কথাতে নিজেই আচৰিত হৈছিল। তেখেতৰ বিচাৰ প্ৰণালী তৰল আছিল। সৰহ সংখ্যক লোকেই ভাবিছিল যে তেখেতৰ কথা সঁচা প্ৰমাণিত হওক। গান্ধীজীয়েও ভাবিছিল, কিন্তু প্ৰায়ে তেখেতে দোষটো মানি লৈ জিকি গৈছিল।

বুঢ়াসকলৰ পুৰণি কথাবোৰ মনত পৰে। লায়ড জৰ্জে সাময়িক ঘটনাবোৰৰ বিষয়ে প্ৰশ্নৰ উত্তৰ দিবলৈ আৰম্ভ কৰিছিল, কিন্তু অতি সোনকালে এইটো ক'বলৈ ধৰিলে যে তেওঁ প্ৰথম মহাযুদ্ধ বা শতাব্দীৰ আৰম্ভণিতে সামাজিক শুধৰণিৰ আন্দোলন, কেনেকৈ চলালে। কিন্তু তেসত্তৰ বছৰ বয়সত গান্ধীজীয়ে পুৰণি কথাবোৰ মনত নেপেলাইছিল। তেখেতৰ মগজুৱে আহিব লগা কথাবোৰৰ বাবেহে ভাবিছিল। বছৰে তেখেতৰ বাবে একো মহত্ব নানে, কিয়নো তেখেতেতো অনন্ত ভবিষ্যতৰ কথাবোৰ ভাবিছিল। তেখেতৰ বাবে কেৱল ঘন্টাবোৰৰহে মহত্ব আছিল, কিয়নো যিবোৰ তেখেতে সেই ভৱিষ্যতক দিব পাৰিছিল তেখেতৰ সেইবোৰ জোখ আছিল।

গান্ধীজীৰ ওচৰত প্ৰভাৱতকৈও কিছু বেছি আছিল, তেখেতৰ ওচৰত সত্তা আছিল, যিখিনি সামৰ্থ্যতকৈ কম, কিন্তু তুলনামূলকভাৱে ভাল আছিল। সামৰ্থ্য মেচিনৰ গুণ, সত্তা ব্যক্তিৰ গুণ হয়। ৰাজনীতিজ্ঞসকলৰ দুয়োটাৰে তাৰতম্য ঘটে। অধিনায়কৰ ওচৰত সামৰ্থ্য একেৰাহে গোট খাই থাকে, যিটোৰ দুৰুপযোগ অনিবাৰ্য হয় আৰু এনে সামৰ্থই তেওঁৰ সত্তাক গাঢ়ি নিয়ে। গান্ধীজীৰ সামৰ্থ ত্যাগে তেখেতৰ সত্তাক বঢ়ালে। সামৰ্থ নিজৰ চিকাৰবোৰৰ তেজ আৰু চকুপানীত ঠন ধৰে। সত্তাক সেৱা, সহানুভূতি তথা স্নেহে জীয়াই ৰাখে।

এদিন মই মহাদেৱ দেশাইক যঁতৰত সূঁতা কাটি থকা চাই আছিলো। মই ক'লো যে মই গান্ধীজীৰ কথাবোৰ মনোযোগেৰে শুনি আহিছো আৰু নিজৰ মনত থকাবোৰক অধ্যয়ন কৰি আছো কিন্তু মই বাৰেপতি এইটোত আচৰিত হৈছো যে জনতাৰ ওপৰত গান্ধীজীৰ মচিব নোৱাৰা প্ৰভাৱৰ মূল সূতি কি, শেষত মই এই সিদ্ধান্তত উপনীত হৈছো যে এইটো তেখেতৰ আসক্তি।

"এইটো সঁচা" দেশায়ে উত্তৰ দিলে। "তেখেতৰ আসক্তিৰ গুৰিটো কি?" মই সুধিলো দেশায়ে বুজালে "সেই আসক্তি সেইসকলো বিষয়ৰে চৰম উৎকৰ্ষ, যিটো এই শৰীৰটোৰ লগত লাগি আছে।"

"কাম আসক্তি"

"কাম ক্ৰোধ ব্যক্তিগত, মহৎ আকাংখা গান্ধীজীৰ নিজৰ ওপৰত সম্পূৰ্ণ নিগ্ৰহ আছে। এইটোৰ পৰাই মচি পেলাব নোৱাৰা শক্তি তথা আসক্তি উৎপন্ন হয়।

এই আসক্তি মচিব পেলাব পৰা বিধৰ আৰু অস্ফুট আছিল। সেইটোত মৃদু তীব্ৰতা, কোমল দৃঢ়তা আৰু ধীৰতাৰ কপাহেৰে মেৰিওৱা অধীৰতা আছিল। গান্ধীজীৰ লগৰীয়াসকলৰ তথা ইংৰাজসকলৰ কেতিয়াবা কেতিয়াবা তেখেতৰ তীব্ৰতা, দৃঢ়তা আৰু অধীৰতাত ৰোষ হৈছিল। কিন্তু নিজৰ মৃদুতা, কোমলতা তথা ধীৰতাৰে সৈতে তেখেতে নিজৰ প্ৰতি তেওঁলোকৰ আদৰ আৰু প্ৰায়ে তেখেতৰ প্ৰেম তৈয়াৰ কৰি আছিল।

গান্ধীজী এজন দঢ় ব্যক্তি আছিল আৰু তেখেতৰ দৃঢ়তাৰ কাৰণে তেখেতৰ ব্যক্তিত্বৰ ঐশ্বৰ্য্য আছিল, নাছিল তেখেতৰ সম্পত্তিৰ বহুলতা। তেখেতৰ লক্ষ্য আছিল "আস্তি" পৰিগ্ৰহ নাছিল। তেখেতে আত্মবোধৰ দ্বাৰা আনন্দ লাভ কৰিছিল। তেখেত ভয়হীন আছিল, সেইবাবে তেখেতৰ জীৱন সত্যময় আছিল। তেখেত অকিঞ্চন আছিল, কিন্তু নিজৰ সিদ্ধান্তৰ মূল্য দিব পাৰিছিল।

গান্ধীজীৰ ব্যক্তিগত নৈতিকতা তথা ৰাজহুৱা ব্যৱহাৰৰ মাজত একতাৰ প্ৰতীক আছিল। যেতিয়া বিবেক ঘৰতহে থাকে, কিন্তু কাৰখানাত, কাৰ্যালয়ত, বিদ্যালয়ত আৰু বজাৰত নেথাকে তেতিয়া ভ্ৰষ্টাচাৰ, ক্ৰুৰতা আৰু অধিনায়কচাহীৰ বা পথ খোলা হৈ পৰে।

গান্ধীজীয়ে ৰাজনীতিক আৰু আচাৰ নীতিক সম্পন্ন কৰিলে। তেখেতে প্ৰত্যেক দিনৰ বিচাৰ কৰি চাবলগীয়া বিষয়বোৰক শাশ্বত তথা সাৰ্বভৌম মূল্যবোৰৰ পোহৰত সমাধান কৰিছিল। ক্ষণভংগুৰ বস্তুবো সাৰভাগ টানি আনি তেখেতে স্থায়ী তত্ত্ব উলিয়াই লৈছিল। এইদৰেই তেখেতে মানুহৰ কাৰ্যক কুণ্ঠিত কৰিব পৰা প্ৰচলিত ধাৰণাবোৰৰ সাঁচবোৰক দাঙি চিঙি ওলাই গৈছিল। তেখেতে কামৰ এটা নতুন পৰিণাম বিচাৰি উলিয়াইছিল। ব্যক্তিগত সফলতা বা মুখৰ পোচাকেৰে বান্ধ নেখাই তেখেতে সামাজিক অনুৰ বিঘটন ঘটাই দিলে আৰু শক্তিৰ নতুন সূতি পালে। এইটোৱে তেখেতক আক্ৰমণৰ সেই হাথিয়াৰ দিলে, যিটো একো সুৰক্ষা নাছিল। তেখেতৰ মহানতা ইয়াতে আছিল যে তেখেতে এনে কাম কৰিছিল, যিবোৰসকলোৱে কৰিব পাৰে, কিন্তু নকৰে।

গান্ধীজীৰ জীৱিত কালতে ঠাকুৰে লিখিছিল "কেনেবাকৈহে তেখেত সফল হ'ব নোৱাৰিব পাৰে। কেতিয়াবাহে এইটো সেইদৰে অসফল হ'ব পাৰে যেনেকৈ মানুহবোৰক কপটতাৰ পৰা উদ্ধাৰ কৰিবলৈ বুদ্ধ তথা যীশু অসফল হৈছিল। কিন্তু মানুহে সদায় এখেতক এনেলোকৰ দৰে মনত ৰাখিব যিজনে নিজৰ জীৱনটোক আহিবলগা অনন্ত যুগবোৰৰ বাবে এটা উপদেশ হৈ পৰিল।" ❑❑

অদম্য ইচ্ছা শক্তি

১৯৪২ চনৰ মে', জুন আৰু জুলাই মাহত ভাৰত উশাহ-নিশাহ বন্ধ হ'বলৈ ধৰা বায়ুশূন্যত্য অৱস্থাৰ অনুভৱ হৈছিল। ভাৰতবাসীক হতাশাত ভোগা যেন অনুভৱ হৈছিল। বৃটিছ সেনানায়ক, সংযুক্ত ৰাজ্যৰ জেনেৰেল জোচেফ ষ্টিলৱেলে বচা বচা সেনা আৰু হাজাৰ হাজাৰ ভাৰতীয় শৰণাৰ্থীক জিকি লৈ জাপানীসকলৰ পৰা ৰক্ষা পাবলৈ বাৰ্মাৰ পৰা পলাইছিল। জাপানী ভাৰতৰ দুৱাৰমুখ পাইছিলহি। ভাৰতক আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ ইংৰাজৰ ওচৰত শক্তি থকা যেন দেখা নগৈছিল। চিএৰ বাখৰ কৰিব পৰা ভাৰতবাসীয়ে নিজৰ নিতান্ত অসহায়তাত জ্বলি পকি উঠিছিল আৰু বিৰক্ত হৈ পৰিছিল। ৰাষ্ট্ৰীয় সংকট উপস্থিত হৈছিল, উত্তেজনা বাঢ়ি গৈছিল, বিপদ সমুখত আছিল, সময়ে আহ্বান দি আছিল কিন্তু ভাৰতবাসীৰ ওচৰত মুখৰ মাতো নাছিল আৰু কিবা কৰাৰ সামৰ্থও নাছিল।

গান্ধীজীৰ বাবে এনে অৱস্থা অসহ্যকৰ আছিল। হাত ওপৰত হাত থৈ বহি থকা তেখেতৰ স্বভাৱৰ বিৰোধী আছিল। তেখেতৰ বিশ্বাস আছিল আৰু তেখেতে নিজৰ অনুগামী বিশালসমূহক শিকাইছিল যে ভাৰতবাসীয়ে নিজৰ ভাগ্য নিজেই নিৰ্মাণ কৰিব লাগিব।

গান্ধীজীৰ অন্ধকাৰময় ভৱিষ্যতৰ আগজাননীতো হ'ব নোৱাৰিছিলেই কিন্তু তৎকালেই পৰিৱৰ্তনৰ অতি আৱশ্যকৰ কথা তেখেতে জৰুৰ অনুভৱ কৰিছিলে। স্বাধীন ৰাষ্ট্ৰীয় চৰকাৰৰ শীঘ্ৰেই স্থাপনৰ বাবে ইংলেণ্ডৰ ওপৰত অধিকতকৈও অধিক হেঁচা দিবলৈ কঁকালত টঙালী বান্ধিছিল।

পৰম শান্তিবাদী গান্ধীজীৰ ইচ্ছা আছিল যে ভাৰত আক্ৰমণ কৰোতা সেনাৰ সফল অহিংসাত্মক পৰাজয়ৰ এটা অপূৰ্ব উদাহৰণ প্ৰস্তুত কৰা হওক। লগতে তেখেতে এই বাস্তৱিকতাকো চিনি পাইছিল যে দেশৰ মাজত মৰি যাওঁ মাৰি যাওঁ ভাবৰ ভীষণ যুদ্ধ আৰম্ভ হৈছে। ১৯৪২ চনৰ ১৪ জুনৰ 'হৰিজন'ত গান্ধীজীয়ে ঘোষণা কৰিছিল "যদি এইটো মানি লোৱা যায় যে ৰাষ্ট্ৰীয় চৰকাৰ তৈয়াৰ হ'ব আৰু সেইটো মোৰ আশা অনুৰূপে হ'ব তেতিয়া সেইটোৰ প্ৰথম কাম হ'ব আক্ৰমণ কৰোতা ৰাষ্ট্ৰবোৰৰ কাৰ্যবোৰৰ পৰা ৰক্ষা কৰাৰ হিতে সংযুক্ত ৰাষ্ট্ৰবোৰৰ লগত সন্ধিপত্ৰ কৰা।

তেনেহ'লে কি গান্ধীজীয়ে যুদ্ধৰ যত্নত সহায়তা কৰিব? নহয়। সংযুক্ত ৰাষ্ট্ৰীয় সেনাবিলাক ভাৰত ভূমিত থাকিবলৈ দিয়া হ'ব আৰু ভাৰতবাসী বৃটিছ সেনাত ভৰ্তি হ'ব পাৰিব বা আন প্ৰকাৰে সহায় কৰিব পাৰিব। কিন্তু যদি তেখেতৰ কথামতে চলে তেন্তে ভাৰতীয় সেনা ভাঙি চিঙি পেলোৱা হ'ব আৰু ভাৰতৰ নতুন ৰাষ্ট্ৰীয় চৰকাৰে বিশ্ব শান্তি স্থাপন কৰিবৰ বাবে নিজৰসকলো সামৰ্থ প্ৰভাৱ তথা উপায় খটাব।

কি এনে হোৱাটো তেখেতৰ আশা আছিল? নহয়। তেখেতে কৈছিল "ৰাষ্ট্ৰীয় চৰকাৰ তৈয়াৰ হোৱাৰ পাছত মোৰ কথা বোধকৰো অৰণ্য ৰোদনৰ সমান হৈ পৰিব আৰু ৰাষ্ট্ৰবাদী ভাৰত যুদ্ধৰ বাবে পাগল হৈ পৰিব।"

১৯৪২ চনৰ গৰমৰ দিনবোৰ পাৰ হওঁতে হওঁতেই এইটো স্পষ্ট হৈ পৰিল যে বৃটিছ চৰকাৰে অস্বীকাৰ কৰা ক্ৰিপচ্ প্ৰস্তাৱতকৈ আগ নেবাঢ়ে। নেহেৰুৱে ৱাচিংটনৰ পৰা কিবা সংকেত অপেক্ষা কৰি আছিল। তেখেতে আশা কৰিছিল যে ৰুজভেল্টে চাৰ্চিলক ভাৰতত নতুন খোজ আগবঢ়াবলৈ মান্তি কৰি ল'ব। কিছু কংগ্ৰেছী লোকৰ শংকা হৈছিল যে সবিনয় অৱজ্ঞাৰ আহ্বানত দেশত প্ৰতিক্ৰিয়া হ'বনে নহয় আৰু কিছু লোকৰ আশংকা আছিল যে এই প্ৰতিক্ৰিয়া হিংসাত প্ৰকাশ হ'ব। গান্ধীজীৰ একো শংকা নাছিল। নিজৰ দাবী প্ৰতিষ্ঠা কৰিবৰ বাবে ৰাষ্ট্ৰত আগ পিছ নভবা উলাহ আছিল, সেইটো তেখেতে ব্যক্ত কৰি আছিল।

কংগ্ৰেছ কাৰ্যকৰী সমিতিয়ে ১৪ জুলাইত ৱাৰ্ধাত প্ৰস্তাৱ পাছ কৰিলে যে "ভাৰতত বৃটিছ শাসন তুৰন্তে সমাপ্ত হ'ব লাগে।" আৰু যদি সেই কথা মানি নলয় তেন্তে প্ৰস্তাৱত কোৱা হ'ল যে "কংগ্ৰেছে নিজৰ ইচ্ছাৰ বিৰুদ্ধে বিবশ হৈ সবিনয় অৱজ্ঞা আন্দোলন কৰিব, যিটো অনিবাৰ্যৰূপে মহাত্মা গান্ধীৰ নেতৃত্বত হ'ব।"

এই প্ৰস্তাৱ আগষ্টৰ আৰম্ভণিতে বোম্বাইত নিমন্ত্ৰণ কৰা কংগ্ৰেছ মহাসমিতিৰ অধিৱেশনত ৰাখিব লগা আছিল। ইয়াৰ মাজতে গান্ধীজীয়ে সেৱাগ্ৰামৰ পৰা জাপানীসকলৰ নামত এটা আপীল প্ৰকাশ কৰে, যিটোত জাপানক সাৱধান কৰি দিয়া হ'ল যে ভাৰতৰ অৱস্থাৰ লাভ লৈ যুদ্ধ ঘোষণাৰ চেষ্টা নকৰিব।

ইয়াৰ পাছত গান্ধীজী বোম্বাইলৈ যায়। নিউয়ৰ্ক হেৰল্ড ট্ৰিবিউনৰ প্ৰতিনিধি এ, টি, ষ্টীলক তেখেতে ক'লে "যদি কোনোবাই মোক বুজাব পাৰে যে যুদ্ধৰ সময়ত ভাৰতক স্বাধীনতা দিলে যুদ্ধৰ যত্নত বিপদ আহি পৰিব তেন্তে মই তেওঁৰ যুক্তি শুনিবলৈ সাজু আছো।"

ষ্টীলে সুধিলে "যদি আপোনাৰ বিশ্বাস হৈ যায় তেন্তে কি আপুনি আন্দোলন বন্ধ কৰি দিব।"

"অৱশ্যে"। গান্ধীজীয়ে উত্তৰ দিলে "মোৰ আপত্তি এইটোৱেই যেসকলো ভাল মানুহে দূৰৰ পৰা মোক কথা শুনায় দুৰ দুৰণিৰ পৰা মোক গালিও দিয়ে, কিন্তু তললৈ নামি আহি মোৰ লগত মুখামুখিকৈ কথা নেপাতে।"

৭ আগষ্টৰ মহাসমিতিৰ অধিবেশনত কেইবাশও কংগ্ৰেছী নেতাই ভাগ লয় আৰু ৭ বা ৮ দিন ওৰে দিনটো বাদ-বিবাদ কৰি তেওঁলোকে বাৰ্ধা প্ৰস্তাৱটোক কিছু সংশোধিতৰূপে স্বীকাৰ কৰি ল'লে।

৮ আগষ্টৰ আধাৰাতিৰ অলপ সময়ৰ পাছতে গান্ধীজীয়ে মহাসমিতিৰ সদস্যসকলৰ আগত ভাষণ দিলে। তেখেতে জোৰ দি ক'লে, "বাস্তৱিক সংঘৰ্ষ তুৰন্তে আৰম্ভ হৈ নেযায়। আপোনাসকলে কিছুমান অধিকাৰ মোক দিছে। মোৰ প্ৰথম কাম হ'ব ভাইচৰয়ক লগ কৰা আৰু তেখেতক প্ৰাৰ্থনা কৰা যে কংগ্ৰেছৰ দাবী মানিব লাগে। এইবোৰ দুই তিনি সপ্তাহো লাগি যাব পাৰে। এইবোৰৰ মাজতে আপোনালোকে কি কৰিব লাগিব? যঁতৰতো আছেই কিন্তু আপোনাসকলে ইয়াতকৈ অধিক কিবা কিবি কৰিব লাগিব। ...এই ক্ষণৰ পৰাই আপোনাসকলৰসকলোৱে ধৰি লওক যে তেওঁ স্বাধীন আৰু সাম্ৰাজ্যবাদীৰ গোৰোহাৰ তলত থকা নাই।" গান্ধীজীয়ে এই ভৌতিকবাদী ধাৰণাক ওলোতাই আছিল যে পৰিস্থিতিয়ে মনঃস্থিতিক ঢাল খুৱাব পাৰে।

প্ৰতিনিধিসকল ঘৰলৈ গৈ শুই পৰিল। কেই ঘণ্টামানৰ পাছতে পুলিচে গান্ধীজী, নেহেৰু তথা অন্য বহুতো লোকক জগাই দিলে আৰু সুৰ্যোদয়ৰ আগতেই তেখেতসকল জেল পোৱাই দিলে। গান্ধীজীক পুণাৰ ওচৰৰ য়াৰবেডাৰ আগাখাৰ মহলত ৰখা হ'ল। শ্ৰীমতী নাইডু, মীৰাবহন, মহাদেব দেশাই আৰু প্যাৰেলালনায়াৰকো সেই সময়তে গ্ৰেপ্তাৰ কৰিলে। দ্বিতীয় দিনা কস্তুৰবা আৰু শুশীলা নায়াৰকো ধৰিলে।

গান্ধীজীৰ লগত এসপ্তাহ থকাৰ পাছত মই ভাইচৰয়ৰ লগত কথা বতৰা হওঁ আৰু তেওঁক এই খবৰটো দিছিলো যিটো সেৱগ্ৰামত মোক ভাৰ দিছিল গান্ধীজীয়ে ভাইচৰয়ৰ সৈতে কথা-বতৰা পাতিব খুজিছিল। ভাইচৰয়ে উত্তৰ দিছিল "এইটো উচ্চস্তৰৰ নীতিৰ কথা আৰু এইটোৰ ভাল বেয়াৰ সমান বিচাৰ কৰিহে বিচাৰ কৰা হ'ব।

যি ক্ষণত গান্ধীজী জেলৰ দুৱাৰৰ ভিতৰত সোমাই আছিল সেই ক্ষণতে হিংসাৰ ধাৰাৰ মূল দুৱাৰ খোল খালে।

গান্ধীজীৰ স্বভাৱো কাজিয়া কৰা ধৰণৰ হৈ পৰিছিল। ৰংগশালাত জপিয়াই পৰাৰ অদস্য ক্ষমতাৰে কাৰাবদ্ধ মহাত্মাজীৰ ব্যক্তিত্ব আগাখাৰ নিতাল নিমাত মহলৰ দেৱাল ভাঙি বাহিৰলৈ ওলাই আহিল আৰু প্ৰথমে বৃটিছ চৰকাৰৰ মস্তিস্কৰ ফালে পুনৰ ভাৰতীয় জনতাৰ মস্তিস্কক ঘেৰি পেলালে।

২৪ আগষ্টত গান্ধীজীয়ে ভাইচৰয়লৈ প্ৰথম পত্ৰ পঠালে; যিখনত তেখেতে চৰকাৰক ভাঙি মুচৰি পেলোৱা আৰু ভুল ব্যাখ্যান দিয়াৰ আৰোপ লগালে। লিনলিথগোৱে উথ্তৰ দিলে যে "আপোনাৰ আলোচনাৰ বাবে সম্মত হোৱা মোৰ বাবে সম্ভৱ নহয় আৰু নে নীতিত পৰিবৰ্তন কৰাও সম্ভৱ হ'ব পাৰে।

গান্ধীজীয়ে কেইবামাহো প্ৰতীক্ষা কৰিলে ১৯৪২ চনৰ অন্তিম তাৰিখৰ দিনা তেখেতে লিখে

প্ৰিয় লৰ্ড লিনলিথগো,

এইখন সম্পূৰ্ণ ব্যক্তিগত পত্ৰ। মই ভাবিছিলো যে আমি পৰস্পৰে বন্ধু হওঁ। কিন্তু ৯ আগষ্টৰ পাছৰ ঘটনাবোৰপৰা মোৰ সন্দেহ হৈছে যে এতিয়াও আপুনি মোক বন্ধু বুলি ভাবে বা নেভাবে। কঠিন ব্যৱস্থাবোৰ লোৱাৰ আগতে মোক কিয় নেমাতিলে নিজৰ সন্দেহ মোক কিয় নকলে আৰু কিয় সিদ্ধান্ত নল'লে যে আপোনাৰ হাতত পৰা তথ্যবোৰ সঁচা হয়নে নহয়?"

সেইবাবে গান্ধীজীয়ে পত্ৰ খনৰ শেষত লিখিলে "মই উপবাসৰ দ্বাৰা শৰীৰটোক শূলত তুলিবলৈ সিদ্ধান্ত লৈছো। মোক মোৰ ভুল বা ভুলবোৰৰ নিশ্চিত ভাবে বুজাই দিয়ে যদি মই শুধৰাই লবৰ বাবে সাজু। যদি আপুনি বিচাৰে তেন্তে বহুত পথ ওলাব পাৰে। নতুন বছৰটোৱে আমাৰসকলোলৈকে শান্তি কঢ়িয়াই আনক।

মই হওঁ

আপোনাৰ প্ৰকৃত বন্ধু

মো. ক. গান্ধী

ভাইচৰয়ে এই পত্ৰ চৈধ্য দিনৰ পাছত পালে। অগ্নিকাণ্ড আৰু হত্যাকাণ্ডৰ উল্লেখ কৰি লিনলিথগোৱে নিজৰ উত্তৰত লিখিলে "মোৰ গভীৰ দুখ হৈছে যে আপুনি এই হিংসা আৰু অপৰাধীক নিন্দা কৰি এটা শব্দ নিলিখিলে।"

এইটোৰ উত্তৰত গান্ধীজীয়ে ক'লে। "৯ আগষ্টৰ পাছৰ ঘটনাবোৰৰ বাবে মোৰ দুখ অৱশ্যে লাগিছে, কিন্তু কি মই এইবোৰৰ বাবে ভাৰত চৰকাৰক দোষী বুলি কোৱা নাই নেকি? এইটোৰ উপৰিও যিবোৰ ঘটনাত মোৰ নে প্ৰভাৱ আছে নে বশ কৰাৰ তথা যিবোৰৰ বিষয়ে মই কেবল একপক্ষীয় মতামতহে পাইছো সেইটোত মই একো মত প্ৰকাশ কৰিব নোৱাৰো। মোৰ বিশ্বাস যে যদি আপুনি হাত দাঙি নিদিলেহেঁতেন আৰু মোক লগ পোৱাৰ সুবিধা দিলেহেঁতেন পৰিণাম ভালেই হ'লহেঁতেন।"

লিনলিথগোৱে অতি সোনকালেই উত্তৰ দিলে আৰু লিখিলে "মোৰ ওচৰত এইটোৰ বাহিৰে আৰু একো বিকল্প নাই যে হিংসা তথা লুটপাতৰ দুখদায়ক আন্দোলনৰ বাবে কংগ্ৰেছক তথা সেইটোৰ অধীকৃত প্ৰবক্তা আপোনাক তত্বাৱধান লওঁতা বুলি মানি লওঁ। আপোনাৰ উচিত হ'ব যে ৮ আগষ্টৰ প্ৰস্তাব তথা তাত ব্যক্ত কৰা হোৱা নীতিক ত্যাগ কৰক আৰু ভৱিষ্যতৰ বাবে মোক সমুচিত আশ্বাস দিব।"

ইয়াৰ প্ৰত্যুত্তৰত গান্ধীজীয়ে ক'লে 'চৰকাৰেই জনতাক উচতাই পগলাৰ দৰে হোৱা অৱস্থা পোৱালেগৈ। মই গোটেই জীৱন অহিংসাৰ বাবেই যত্ন কৰিছো। তথাপি আপুনি মোৰ

ওপৰত হিংসাৰ অপৰাধ লগাইছে। সেইবাবে মোৰ বিষৰ বাবে মলম নেপাওঁ তেন্তে মই সত্যাগ্ৰহীৰ নিয়ম পালন কৰিম অৰ্থাৎ শক্তি অনুসৰি উপবাস কৰিম। এইটো ৯ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব আৰু একৈচ দিনৰ পাছত সমাপ্ত হ'ব। মোৰ ইচ্ছা আমৰণ উপবাস কৰাটো নহয় কিন্তু যদি ঈশ্বৰৰ ইচ্ছা হয় তেন্তে মই কঠিন পৰীক্ষাক সদে সুবলে পাৰ কৰাটো বিচাৰিছো। যদি চৰকাৰে আশা কৰা মতে খোজ আগবঢ়ায় তেন্তে উপবাস সোনকালেও সমাপ্ত হ'ব পাৰে।"

ভাইচৰয়ে পাঁচ ফেব্ৰুৱাৰীৰ দিনা তৎক্ষণাত এখন দীঘলীয়া পত্ৰ পঠালে যিখনত কাজিয়া পেচালবোৰৰ বাবে পুনৰ কংগ্ৰেছকে দায়ী বুলিলে। পত্ৰৰ শেষত কোৱা হ'ল যে "আপোনাৰ স্বাস্থ্য আৰু আয়ুসৰ কথালৈ লক্ষ্য ৰাখ উপবাসৰ বাবে লোৱা আপোনাৰ সিদ্ধান্ত মোৰ বহুত দুখ হৈছে। আশাকৰো আপুনি উপবাসৰ বিচাৰটো এৰি দিব। মইতো ৰাজনৈতিক উদ্দেশ্যৰে বাবে উপবাসৰ প্ৰয়োগক এক প্ৰকাৰৰ ৰাজনৈতিক ধমকি বুলি ভাবো, যিটোৰ একো নৈতিক উচিততা নাই।

গান্ধীজীয়ে ঘূৰাই পঠোৱা ডাকত ইয়াৰ উত্তৰ পঠালে। তেখেতে লিখিলে "যদিও আপুনি মোৰ উপবাসক একপ্ৰকাৰৰ ৰাজনৈতিক ধমকি বুলি কৈছে, তথাপি মোৰ বাবেতো এইটো সেই ন্যায়ৰ বাবে সৰ্বোচ্চ আদালতলৈ আপীল, যিটো মই আপোনাৰ পৰা প্ৰাপ্ত কৰিব নোৱাৰিলো।"

উপবাস আৰম্ভ কৰাৰ দুদিন আগতে চৰকাৰে উপবাসৰ সময়ৰ বাবে গান্ধীজীক এৰি দিয়াৰ বাবে সাজু হ'ল। গান্ধীজীয়ে না কৰি দিলে। তেখেতে ক'লে জেলৰ পৰা ওলাই লৈ তেখেতে উপবাস নকৰে। এইটোৰ পৰা চৰকাৰে ঘোষণা কৰিলে যে যি পৰিণাম হ'ব পাৰে তাৰ দায়িত্ব গান্ধীজীৰ ওপৰতে। কিন্তু তেখেতে জেলত যি ডাক্তৰক বা বাহিৰৰ বন্ধু-বান্ধৱক মাতিব খোজে মাতিব পাৰিব।

উপবাস ১০ ফেব্ৰুৱাৰীত, ঘোষণা কৰা দিনাতকৈ এদিনৰ পাছত আৰম্ভ হ'ল। প্ৰথম দিনা গান্ধীজী বৰ প্ৰসন্ন আছিল আৰু দুদিনলৈকে তেখেতে ৰাতিপুৱা আৰু গধুলি আধা ঘণ্টাকৈ ফুৰিবলৈও গৈছিল। কিন্তু শীঘ্ৰেই তেখেতৰ স্বাস্থ্যৰ বুলেটিনে চিন্তা উৎপন্ন কৰাবলৈ ধৰিলে। ছদিনৰ দিনা ছজন ডাক্তৰে ক'লে যে গান্ধীজীৰ অৱস্থা বেছি বেয়াৰ ফালে গৈছে। দ্বিতীয় দিনা ভাইচৰয়ৰ কাৰ্যকাৰিণী কাউন্সিলৰ তিনিজন সদস্য— ছাৰ হোমী মোদী, শ্ৰীনিৰঞ্জন চৰকাৰ আৰু শ্ৰীঅনে চৰকাৰৰ সেই দোষাৰোপৰ বিৰুদ্ধে কাউন্সিলৰ পৰা ত্যাগ পত্ৰ দি দিলে যিটোৰ কাৰণে গান্ধীজীয়ে উপবাস কৰিব লগা হৈছিল। মহাত্মা গান্ধীক এৰি দিবৰ বাবে দেশ ব্যাপী আগ্ৰহ হ'বলৈ ধৰিলে। ১১ দিনৰ পাছত লিনলিথগোৱে গান্ধীজীক এৰি দিয়াৰ সমস্ত প্ৰস্তাৱক না কৰি দিলে।

গান্ধীজীৰ পৰিচৰ্যাৰ বাবে কলিকতাৰ পৰা ডাঃ বিধান চন্দ্ৰ ৰায় আহিল। ইংৰাজ ডাক্তৰসকলে পৰামৰ্শ দিলে যে মহাত্মাজীক বচাবৰ বাবে বেজীৰ দ্বাৰা তেখেতৰ শৰীৰত

শক্তি ভৰাই দিব লাগে ভাৰতীয় ডাক্তৰসকলে ক'লে যে সেইটোৰ পৰা তেখেতৰ মৃত্যু হব। গান্ধীজী বেজী লোৱাৰ বিৰোধী আছিল। সেইটোক তেখেতে হিংসা বুলি মানিছিল।

য়াৰবেদাত মানুহৰ ভিৰ লাগিবলৈ ধৰিলে। চৰকাৰে জনতাক মহলৰ খোলা পথাৰলৈ যোৱাৰ আৰু গান্ধীজীৰ কোঠাত শাৰী পাতি ওলোৱা সোমোৱা কৰাৰ অনুমতি দি দিছিল। দেৱদাস আৰু ৰামদাসে আহি পাইছিল।

ইংলেণ্ডৰ 'ভাৰত মিত্ৰ' সমিতিৰ হোৰেচ্ আলেকজেণ্ডাৰে মাজত সোমাই চৰকাৰৰ লগত কথা-বতৰা হোৱাৰ যত্ন কৰে। তেওঁক গৰিহণা দি দিলে। শ্ৰীঅনে মৰণাসন্ন মহাত্মাজীক লগ কৰিবলৈ আহে।

গান্ধীজীয়ে নিমখ বা ফলৰ ৰস একো মিহলি নকৰা পানীহে খাইছিল। তেখেতৰ শৌচদ্বাৰে কাম নকৰা হৈ আহিল আৰু তেজ ডাঠ হ'বলৈ ধৰিলে। তেৰ দিনৰ দিনা নাড়ী দুৰ্বল হৈ পৰিল আৰু ছালখন চেঁচা আৰু জকি থকাৰ দৰে হৈ পৰিল।

শেষত মহাত্মাজীক এইটো কথাত মান্তি কৰাব পৰা হ'ল যে তেখেতে খোৱা পানীৰ লগত মুচম্বীৰ সতেজ ৰস কেইটোপ মানকৈ মিলাই দিয়া যায়। এইটোৰ পৰা বমি হোৱাটো বন্ধ হ'ল। গান্ধীজীক প্ৰথম যেন দেখা গ'ল।

২ মাৰ্চৰ উপবাস সমাপ্তিৰ দিনা কস্তুৰবাই গান্ধীজীক এটা গিলাচত তিনি ছটাক সুমথিৰাৰ ৰস পানী মিলাই খাবলৈ দিয়ে। তেখেতে বিশ মিনিট সময়লৈকে এচুকি এচুকি কৰি সেইখিনি খাই থাকিল। তেখেতে ডাক্তৰসকলক ধন্যবাদ দিয়ে আৰু ধন্যবাদ দিয়া সময়ত কান্দি পেলায়। পাছৰ চাৰিদিনো গান্ধীজীয়ে কেৱল সুমথিৰাৰ ৰসহে খাই আছিল পুনৰ ছাগলীৰ গাখীৰ, ফলৰ ৰস আৰু ফলৰ সাহ খাবলৈ ধৰিলে। তেখেতৰ স্বাস্থ্যও লাহে লাহে শুধৰণি হ'বলৈ ধৰিলে।

ভাৰতৰ মুখ্য অনা কংগ্ৰেছী নেতাসকলে এতিয়া গান্ধীজীৰ ৰেহাইৰ বাবে তথা চৰকাৰৰ দ্বাৰা বুজাবুজিৰ বাবে নতুন নীতিৰ ব্যৱস্থা ল'বলৈ আন্দোলন কৰিবলৈ আৰম্ভ কৰি দিলে। ছাৰ তেজ বাহাদুৰ চপ্ৰুৱে আৰু আন লোকেও গান্ধীজীক লগ কৰাৰ অনুমতি বিচাৰে। লিনলিথগোৱে অমান্তি হ'ল।

২৫ এপ্ৰিলত ভাৰতত ৰুজভেল্টৰ ব্যক্তিগত প্ৰতিনিধি বিলিয়ম ফিলিপ্সে আমেৰিকালৈ ঘুৰি যোৱাৰ আগতে বিদেশী সংবাদদাতাসকলক ক'লে "মই বিচাৰিছিলো যে গান্ধীজীক লগ ধৰো আৰু কথা-বতৰা পাতো। এইটোৰ বাবে মই এই সম্বন্ধীয় অধিকাৰীসকল অনুমতি দিবৰ বাবে প্ৰাৰ্থনা জনাও, কিন্তু মোক জনোৱা হ'ল যে আৱশ্যকীয় অনুমতি দিব পৰা নহ'ব।"

লিনলিথগোৰ ব্যৱহাৰে গান্ধীজীৰ হৃদয়ত কটুতা উৎপন্ন কৰি দিলে যিটো তেখেতৰ স্বভাৱত নাছিল। যেতিয়া ভাইচৰয়ে নিজৰ বৰ্দ্ধিত কাৰ্যকাল পূৰা কৰি যাবৰ বাবে সাজু হৈছিল, তেতিয়া ২৭ ছেপ্টেম্বৰ ১৯৪৩ চনত গান্ধীজীয়ে তেওঁলৈ লিখে

প্ৰিয় লৰ্ড লিনলিথগো,

ভাৰতৰ পৰা আপুনি বিদায় লৈ যোৱাৰ সময়ত মই আপোনাক কেইটামান শব্দ কবলৈ বিচাৰিছো।

যিসকল উচ্চ অধিকাৰীৰে সৈতে পৰিচয় হোৱাৰ সন্মান মই পাইছো সেইসকলোৰে ভিতৰত আপোনাৰ বাবে মোৰ যিমান গভীৰ দুখ হৈছে সিমান আন কাৰো বাবে হোৱা নাই। এই বিচাৰে মোক বহুত দুখ দিছে যে আপুনি মিছাক প্ৰশ্ৰয় দিলে আৰু সেইটোও এনে এজন ব্যক্তিৰ বিষয়ে, যিজনক এটা সময়ত আপুনি মিত্ৰ বুলি ধৰিছিল। মই আশা আৰু প্ৰাৰ্থনা কৰিছো যে কোনোবা দিনা ঈশ্বৰে আপোনাক এইটো অনুভৱ কৰিবলৈ বুদ্ধি দিয়ক যাতে এখন মহান ৰাষ্ট্ৰৰ প্ৰতিনিধি হৈ আপুনি গভীৰ ভুলত পৰি থাকিল।

সদভাৱনাৰে সৈতে,

মই এতিয়ালৈকে হৈ আছো
আপোনাৰ মিত্ৰ
মো. ক. গান্ধী

লিনলিথগোৱে ৭ অক্টোবৰত উত্তৰ দিলে।

প্ৰিয় মি. গান্ধী

মই আপোনাৰ ২৭ ছেপ্টেম্বৰৰ পত্ৰ পালো। মোৰ বাস্তৱতে দুখ লাগিছে যে মোৰ কোনো কাম অথবা কথাৰ বিষয়ে আপোনাৰ তেনে ভাৱ আছে যিটো আপুনি কৈছে। কিন্তু মই যিমান নম্ৰতাৰে হ'ব পাৰে, আপোনাক স্পষ্ট কৰি দিব খুজিছো যে প্ৰস্তুত ঘটনাবোৰৰ সমন্ধে মই আপোনাৰ ব্যাখ্যা মানি ল'বলৈ অসমৰ্থ।

যিমানদূৰ সময় তথা বিচাৰৰ শোধক গুণবোৰৰ সম্বন্ধ আছে এইবিলাক নিজৰ প্ৰভাৱত স্পষ্টভাৱে সৰ্বব্যাপী আৰু কোনো বুদ্ধিমান লোকে এইটোক অৱহেলা কৰিব নোৱাৰে

মই আছো,
সত্যৰ লগত,
লিনলিথগো

গান্ধীজীৰ বাবে জেলত এনেদৰে থকা এটা দুখময় ঘটনাচক্ৰ আছিল। যিটোত কোনো ৰেহাই নাছিল। ব্যাপক হিংসাই আৰু সেইবোৰক বাধা দিয়াৰ অসমৰ্থতাই তেখেতক ব্যাকুল কৰি পেলাইছিল।

ব্যক্তিগত ক্ষতিয়ে এই দুখক আৰু গভীৰ কৰি পেলাইছিল। আগাখা মহললৈ অহাৰ ছদিনৰ পাছতে মহাদেৱ দেশাইৰ অকস্মাতে হাৰ্ট এটেক্ হ'ল আৰু তেওঁ অচেতন হৈ পৰিল।

গান্ধীজীয়ে মাতিলে "মহাদেৱ। মহাদেৱ!" "মহাদেৱ চোৱা বাপুৱে তোমাক মাতিছে" কস্তুৰবাই চিঞৰিয়ে ক'লে।

কিন্তু মহাদেৱৰ প্ৰাণবায়ু উৰি গৈছিল।

এই মৃত্যুৱে মহাত্মাজীক গভীৰ আঘাত দিলে। মহলৰ পথাৰত য'ত মহাদেৱ দেশাইৰ হাড় পুতি থোৱা হৈছিল, তাঁলৈ তেখেতে সদায় গৈছিল।

শীঘ্ৰেই ইয়াতকৈও গভীৰ ব্যক্তিগত শোকে গান্ধীজীক অভিভূত কৰি পেলাইছিল। কস্তুৰবাই ভালেমান দিনৰ পৰা অসুখত ভুগি আছিল আৰু ১৯৪৩ চনৰ ডিচেম্বৰত শ্বাস নলীৰ প্ৰদাহ পুৰণি হৈ যোৱাত তেখেতৰ অৱস্থা গম্ভীৰ হৈ পৰিল। ডাঃ গিল্ডৰ তথা ডাঃ শুশীলা নায়াৰে তেখেতৰ চিকিৎসা কৰি আছিল, কিন্তু কস্তুৰবাই প্ৰাকৃতিক চিকিৎসক ডাঃ দীনশা মেহতাক মাতি অনাৰ কথা ভাবিলে। তেখেতে কেইবা দিনো ধৰি সমস্ত চিকিৎসা কৰিলে। শেষত যেতিয়া তেখেতে হাৰ মানিলে তেতিয়া ডাঃ গিল্ডৰ, ডাঃ নায়াৰ তথা ডাঃ জীৱৰাজ মেহতাই নিজা নিজা যত্ন পুনৰ আৰম্ভ কৰিলে। কিন্তু এইসকলো অসফল হ'ল। চৰকাৰে পুত্ৰ তথা নাতিসকলক তেখেতক লগ কৰাৰ অনুমতি দিলে। 'বা'ই নিজৰসকলোতকৈ ডাঙৰ পুত্ৰ হৰিলাল গান্ধীৰে সৈতে বিশেষভাৱে দেখা কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে।

গান্ধীজীয়ে ঘণ্টা ঘণ্টা ধৰি 'বা'ৰ বিছনাৰ ওচৰত বহি থাকিছিল। তেখেতেসকলো ঔষধ বন্ধ কৰাই দিলে আৰু মৌজোল তথা পানীৰ বাদেসকলো খোৱা বস্তু বন্ধ কৰি দিলে। তেখেতে ক'লে "যদি ঈশ্বৰৰ ইচ্ছা হয় তেন্তে এওঁ ভাল হৈ উঠিব, নহ'লে মই এওঁক যাবলৈ দিম। কিন্তু এতিয়া আৰু ঔষধ খাবলৈ নিদিওঁ।"

পেনিচিলিন, যিটো সেই সময়ত ভাৰতৰ দুষ্প্ৰাপ্য আছিল। উৰা জাহাজেৰে কলিকতাৰ পৰা অনোৱা হৈছিল। দেৱদাসে এইটোৰ বাবে বৰ জোৰ দিছিল।

গান্ধীজীয়ে নেজানিছিল যে পেনিচিলিনৰ বেজী দিয়া হৈছে। গম পায়ে তেখেতে এইটো বন্ধ কৰি দিলে। ২১ ফেব্ৰুৱাৰীত হৰিলাল গান্ধী আহি পালে। তেওঁ নিচাযুক্ত হৈ আছিল আৰু কস্তুৰবাৰ ওচৰৰ পৰা তেওঁক বলেৰে আঁতৰোৱা হয়। 'বা'ই কান্দিবলৈ ধৰিলে আৰু নিজৰ মূৰত খুন্দিয়াবলৈ ধৰিলে। (হৰিলাল নিজৰ দেউতাকৰ অন্তেষ্ঠি ক্ৰিয়াত অচিনাকিভাৱে যোগ দিছিল আৰু সেই ৰাতিটো দেৱদাসৰ লগত থাকিছিল। (১৯৪৮ চনৰ ১১ জুনত বোম্বাইৰ এখন যক্ষ্মা ৰোগীৰ চিকিৎসালয়ত এই পৰিত্যক্ত জনৰ মৃত্যু হয়।)

দ্বিতীয় দিনা গান্ধীজীৰ কোলাত মূৰ থৈ কস্তুৰবাই প্ৰাণ ত্যাগ কৰিলে। দেৱদাসে চিতাত জুই দিলে। অস্থি মহাদেৱ দেশাইৰ অস্থিৰ ওচৰতে পুতি থোৱা হ'ল।

অন্ত্যেষ্ঠিৰ পাছত গান্ধীজীয়ে মনে মনে নিজৰ বিছনাত বহি থাকিল আৰু সময়ে সময়ে মনলৈ যেনে বিচাৰ আহে ক'বলৈ ধৰিলে। "'বা'ৰ অবিহনে জীৱনটোৰ মই কল্পনাই কৰিব নোৱাৰো। তেওঁৰ মৃত্যুত যি ঠাই খালি হ'ল সেইটো কেতিয়াও পূৰা নহ'ব। আমি

দুয়ো ৬২ বছৰলৈকে লগত আছিলো। আৰু তেওঁ মোৰ কোলাতে মৰিল। ইয়াতকৈ ভালকথা আৰু কি হ'ব পাৰে? মই আৱশ্যকতকৈও অধিক আনন্দিত হৈছো।"

কস্তুৰবাৰ মৃত্যুৰ ছসপ্তাহৰ পাছত গান্ধীজীক টানকৈয়ে মেলেৰিয়াই ধৰিলে আৰু তেখেতৰ শণিপাত হৈ গ'ল। জ্বৰ ১০৫° ডিগ্ৰীলৈকে বাঢ়ি গ'ল। আৰম্ভণিতে তেখেতে ভাবিছিল যে ফলৰ ৰস খাই থাকি আৰু উপবাস কৰিলেই ইয়াৰ চিকিৎসা হ'ব। কিন্তু দুদিনৰ পাছতে তেখেত দুৰ্বল হৈ পৰিল। দুদিনত তেখেতক মুঠ তেত্ৰিশ গ্ৰেন কুইনাইন দিয়া হ'ল আৰু জ্বৰ কমি আহিবলৈ ধৰিলে।

৩ মে'ত গান্ধীজীৰ চিকিৎসকসকলে বুলেটিন উলিয়ালে যে তেখেতৰ ৰক্তচাপ তললৈ নামিল। 'তেখেতৰ সাধাৰণ অৱস্থাই পুনৰ গভীৰ চিন্তা উৎপন্ন কৰি দিলে।' গোটেই ভাৰততে তেখেতৰ ৰেহাইৰ বাবে আন্দোলন বিয়পি পৰিল। ৬ মে'ৰ ৰাতিপুৱা গান্ধীজী আৰু তেখেতৰ লগৰীয়াক ৰেহাই দিলে। পিছত পৰীক্ষা কৰাত গম পোৱা গ'ল যে তেখেতৰ পেটত হুকবৰ্ম তথা গ্ৰহণীৰ বীজাণু আছিল।

জেলত গান্ধীজীৰ এইবাৰে শেষ বাস কৰা হৈছিল।সকলো মিলাই তেখেতে ২০৮২ দিন ভাৰতৰ জেলবোৰত আৰু ২৪৯ দিন দক্ষিণ আফ্ৰিকাৰ জেলত থাকে।

জেলৰ পৰা ওলোৱাৰ পাছত গান্ধীজীয়ে বো-ইৰ ওচৰৰ জুহুত সমুদ্ৰৰ পাৰত শান্তিকুমাৰ মোৰাৰজীৰ ঘৰত থাকে।

শ্ৰীমতী মোৰাৰজীয়ে এখন চিনেমা চোৱাৰ পৰামৰ্শ দিয়ে। গান্ধীজীয়ে জীৱনত কোনো চিনেমা চোৱা নাছিল। বহুত কিবাকিবি কোৱাত তেখেত মান্তি হ'ল। তাতে ঘৰতে তেখেতক 'মিছন টু মস্কৌ' নামৰ চিনেমাখন দেখুওৱা হ'ল। "আপোনাৰ কেনে লাগিল"। মোৰাৰজীয়ে সুধিলে। "মোৰ ভাল নেলাগিল"। গান্ধীজীয়ে উত্তৰ দিলে। তেখেতৰ ল'ৰাৰ কোঠাত নাচ আৰু মহিলাসকলৰ কম কাপোৰ পিন্ধি ওলোৱা পচন্দ নহ'ল। পুনৰ তেখেতক এখন ভাৰতীয় চিনেমা 'ৰামৰাজ্য' দেখুওৱা হ'ল।

ডাক্তৰসকলে গান্ধীজীৰ চিকিৎসা কৰি আছিল আৰু গান্ধীজীয়ে মৌনতাৰ দ্বাৰা নিজে নিজৰ চিকিৎসা কৰি আছিল। আৰম্ভণিতে তেখেতে সম্পূৰ্ণ মৌন হৈ আছিল, কেই সপ্তাহ মানৰ পাছৰ পৰা তেখেতে সন্ধিয়া ৪ বজাৰ পৰা ৮ বজালৈকে কথা ক'বলৈ ধৰে। সেইটো প্ৰাৰ্থনাৰ সময় আছিল।

কেই সপ্তাহমানৰ পাছতে তেখেতে কাৰ্যক্ষেত্ৰলৈ ঢাপলি মেলিলে। ❑❑

জিন্না আৰু গান্ধী

মহম্মদ আলি জিন্না, যিজনে নিজকে গান্ধীজীৰ প্ৰতিদ্বন্দী সমকক্ষ বুলি ভাবিছিল; মোজাইক কৰা এটা বিশাল অৰ্দ্ধচন্দ্ৰাকৃতিৰ মহলত থাকিছিল। এই মহলটো তেওঁ দ্বিতীয় মহাযুদ্ধৰ সময়তে সজাইছিল আৰু ১৯৪২ চনত যেতিয়া মই তেওঁক লগ পাইছিলো তেতিয়া তেখেতে কৈফিয়ৎ দি কৈছিল যে এতিয়ালৈকে এইটো পূৰাকৈ সজা হোৱা নাই।

জিন্নাৰ উচ্চতা ছয় ফুটতকৈ বেছি আছিল। আৰু ওজন ন ষ্টোন অৰ্থাৎ ১২৬ পাউণ্ড। তেওঁ খীন মীন আছিল। তেওঁৰ সুগঠিত মূৰটো বগা চুলিৰে ঢকা আছিল যিটো পিছ ফাললৈ ফনিয়াই থৈছিল। তেওঁৰ দুখীত মুখৰ চেহেৰা পাতল আছিল, নাক দীঘল আৰু জোঙা আছিল। কাণৰ লটি ওলমি পৰা আৰু গালত দ গাঁত আছিল, যিটোৰ বাবে গালৰ হাড় উঠঙা যেন দেখাইছিল। দাঁত বেয়া আছিল। যেতিয়া তেওঁ কথা-বতৰা নকৈছিল ঠুতৰিটো তললৈ হেচি ধৰিছিল, ওঁঠটো কামুৰি ধৰিছিল, ডাঙৰ ডাঙৰ চেলাউৰিত বল দি থাকিছিল। পৰিণাম স্বৰূপে তেখেতৰ মুখৰ চেহেৰাত নিশেধ কৰাৰ গম্ভীৰতা আহি পৰিছিল। কেতিয়াবাহে বোধকৰো তেওঁ হাঁহি মাৰিছিল।

মই তেওঁক উপদেশ দিছিলো যে ধাৰ্মিক বিদ্বেষ, ৰাষ্ট্ৰীয়তা আৰু সীমাবোৰে মানৱতাক সন্তাপিত কৰি পেলাইছে আৰু যুদ্ধ কৰাইছে, সংসাৰক সমৰসতাৰ আৱশ্যক, নতুন নতুন অনৈক্যৰ নহয়।

"তুমিতো আদৰ্শবাদী" জিন্নাই উত্তৰ দিলে মই ব্যৱহাৰ বাদী হওঁ। মইতো যিটো আছে তাকে লওঁ। উদাহৰণৰ বাবে ফ্ৰান্স আৰু ইটালীকে লোৱা। তেওঁলোকৰ ৰীতি নীতি আৰু ধৰ্ম একেটাই। এওঁলোকৰ কথা বতৰাত একে ধৰণে। তথাপি এওঁলোক বেলেগ বেলেগ।"

"তেনেহ'লে কি আপুনি ইয়াতো খেলিমেলি গণ্ডগোলৰ উৎপত্তি কৰিবলৈ বিচাৰিছে যিটো ইউৰোপত আছে।" মই সুধিলো।

মইতো সেই বিলাই দিবলগীয়া সুন্দৰতাক হাতত লৈছো, যিটো মজুত আছে।" তেওঁ ক'লে।

জিন্না ধৰ্মনিষ্ঠ মুছলমান নাছিল। তেওঁ মদ আৰু গাহৰি মাংস খাইছিল, যিটো ইছলামী শৰিয়তৰ বিৰোধী কথা। তেওঁ বোধকৰো কেতিয়াবা মছজিদলৈ গৈছিল, আৰু নে আৰবী জানিছিল নে উৰ্দু। চল্লিছ বছৰ বয়সত পাৰস্যৰ যুবতীৰে সৈতে বিয়া হয়। আনহাতেদি, যেতিয়া তেওঁৰ একমাত্ৰ সুন্দৰী জীয়েকে এজন খৃষ্টান ধৰ্ম লোৱা পাৰসীক বিয়া কৰায় তেতিয়া তেওঁ তাইক এৰি দিয়ে। তেওঁৰ পত্নীয়েও তেওঁক এৰি যায় আৰু কিছুদিনৰ পাছত ১৯২৯ চনত তেওঁৰ মৃত্যু হয়। পিছৰ বছৰবিলাকত তেওঁৰ ভনীয়েক ফাতিমা, যিগৰাকী দাঁতৰ ডাক্তৰ আছিল, তেওঁৰ চিৰদিনৰ লগৰীয়া আৰু পৰামৰ্শদাতা হৈ পৰিল।

নিজৰ ৰাজহুৱা জীৱনৰ আৰম্ভণিতে জিন্নাই হিন্দুসকল আৰু মুছলমানসকলক এক কৰাৰ যত্ন কৰে। ১৯২৭ চনত মুছলিমলীগৰ সমাৰোহত হিন্দুৰ তথাকথিত প্ৰভূত্বৰ বিষয়ে ভাষণ দি তেওঁ কৈছিল "ভয় নকৰিবা। এইটো এটা শিশুক ভয় খুওৱাৰ দৰে যিটো আপোনাক এইবাবেই দেখুওৱা হৈছে যে আপুনি সেই সহায় আৰু একতাৰ বাবে ভয় কৰি আঁতৰি থাওক, যিটো নিজৰ প্ৰভূত্বৰ বাবে আৱশ্যক।

জিন্না কেতিয়াবা কংগ্ৰেছৰ নেতা আছিল। তেওঁৰ ঘৰত লগ কৰিবলৈ পোৱা দুবাৰৰ ভিতৰত প্ৰথম লগ হওঁতেই তেওঁ মোক কৈছিল "হোমৰোৰ লীগত নেহৰুৰে মোৰ তলত কাম কৰে। গান্ধীয়েও মোৰ তলত কাম কৰে। যেতি‌‌ঃ মুছলিম লীগ হ'ল তেতিয়া মই কংগ্ৰেছক মান্তি কৰালো যে কংগ্ৰেছে ভাৰতৰ স্বাধীনতাৰ পথত এটা খোজ হিচাপে মুছলিম লীগক অভিনন্দন জনাওক। ১৯২৫ চনত মই বোম্বাইত লীগ আৰু কংগ্ৰেছৰ সমাৰোহ একে সময়তে কৰালো যাতে এক হোৱাৰ মনোভাব তৈয়াৰ হয়। ইংৰাজ এই একতাত বিপদৰ গোন্ধ পাই মুকলি সভা বন্ধ কৰি দিলে। মৰা মকৃচদ্ হিন্দু-মুছলিম একেলগে আছিল। সেইবাবে বৈঠক বন্ধ ঘৰৰ ভিতৰত হ'ল। ১৯১৩ চনত মই লক্ষ্ণৌত দুয়োপক্ষৰে সমাৰোহ একেলগে কৰাওঁ আৰু লক্ষ্ণৌ সন্ধি কৰোৱাত মোৰেই হাত আছিল। ১৯২০ চনলৈকে এনেকুৱাই অৱস্থা আছিল যেতিয়া গান্ধী পোহৰলৈ আহে। হিন্দু মুছলমানৰ সম্বন্ধ বেয়াৰ ফালে যাবলৈ ধৰে। ১৯৩১ চনত গোলমেজ পৰিষদত মই এইটো স্পষ্ট দেখিবলৈ পালো যে একতাৰ আশা মিছা, গান্ধীয়ে এইটো নিবিচাৰে। মই মাযুস হৈ পৰিলো। মই ইংলেণ্ডতেই থকাৰ মন কৰিলো। ১৯৩৫ চনলৈকে মই তাতে আছিলো। হিন্দুস্তানলৈ ঘূৰি অহাৰ মোৰ মন নাছিল। কিন্তু প্ৰত্যেক বছৰে হিন্দুস্তানৰ পৰা অহা বন্ধুসকলে মোক অৱস্থাবোৰৰ কথা কৈছিল আৰু কৈছিল যে মই বহুত কিবা কিবি কৰিব পাৰিম। শেষত মই হিন্দুস্তানলৈ ঘূৰি অহা মন কৰিলো।"

জিন্নাই একে উশাহতে আবেগেৰে সৈতে এইসকলোবোৰ কথা কৈ পেলালে। অলপ সময় বৈ আৰু চুৰটত হোপা মাৰি তেওঁ পুনৰ ক'বলৈ আৰম্ভ কৰিলে, "এইসকলো কথা মই তোমাক এইটো ক'বলৈকে কৈছো যে গান্ধীয়ে স্বৰাজ নিবিচাৰে। তেখেতে নিবিচাৰে

যে ইংৰাজ গুচি যাওক। তেওঁতোসকলোতকৈ আগতে হিন্দু। নেহেৰুৱে নিবিচাৰে যে ইংৰাজ গুচি যাওক। এই দুয়োজনে হিন্দুৰাজ বিচাৰিছে।"

'নিউয়ৰ্ক টাইম'ৰ সংবাদদাতা জৰ্জই, জনচ্, যিজনে জিন্নাক কেইবাবাৰো লগ ধৰিছিল, নিজৰ পুস্তক 'টিউমল্ট ইন ইণ্ডিয়া'ত লিখে "জিন্না এজন উৎকৃষ্ট ৰাজনৈতিক কাৰিগৰ, তেওঁ মৈকিয়াবেলীৰ নীতিশূন্য পৰিভাষাত আছে। তেওঁৰ ব্যক্তিগত দুৰ্বলতা আছে। কিছু বিগ্ৰহী মৌন, অহংকাৰ তথা ঠেক দৃষ্টিকোণ। তেওঁ বহুতেই সংশয়ী লোক যি এইটো বুজে যে জীৱনত অনেকবাৰ তেওঁৰ সৈতে অন্যায় হৈছে। তেওঁৰ যুক্তিৰ তীব্ৰতা মানসিক ৰোগৰ সীমা পৰ্যন্ত গৈ পালে। নিজতেই ৰমি থকা আৰু আনৰ পৰা বেলেগ, জিন্না ইমানেই অহংকাৰী যে অশিষ্ট হৈ পৰিল।"

জিন্নাৰ বাদে মুছলিম লীগৰসকলো আগবাঢ়ি অহা লোক ডাঙৰ ডাঙৰ জাগীদাৰ, জমীদাৰ আৰু নবাব নাছিল। মুছলিম লীগলৈ চান্দা দিওঁতা এই জমিদাৰসকলে মুছলমান খেতিয়কসকলক হিন্দু খেতিয়কৰ পৰা বেলেগ কৰিবৰ বাবে ধৰ্মৰ সহায় ল'লে।

মুছলমানসকলৰ উচ্চ বৰ্গ (জমিদাৰসকল) আৰু মধ্যম বৰ্গ জিন্নাৰ বাবে সাজু আছিল, কিন্তু নিজৰ সংখ্যা বঢ়াবৰ বাবে তেওঁক খেতিয়কসকলৰ আৱশ্যক আছিল। তেওঁ সোনকালেই অনুভৱ কৰিলে যে ধৰ্মীয় আবেগ জগাই দি তেওঁ মুছলমান খেতিয়কসকলক এক কৰিব পাৰিব। ইয়াৰ গূঢ়তা আছিল পাকিস্তান, মুছলমানসকলৰ সুকীয়া ৰাজ্য।

জিন্নাই দেখা পাকিস্তানত ছয় কোটি মুছলমান সম্মিলিত হৈ আছিল, যিবোৰ মুছলমান বহুমত থকা ৰাজ্যত বাস কৰিছিল আৰু হিন্দু মুখীয়ালৰ পৰা আঁতৰত আছিল। কিন্তু এনে পাকিস্তান পাবলৈ জিন্নাই মুছলমানৰ ধাৰ্মিক আৰু ৰাষ্ট্ৰবাদী ভাৱনাক জগাই তোলা জৰুৰী আছিল আৰু তাৰ সলনি এইটো বিপদৰ সম্মুখীন হোৱাত আৱশ্যক আছিল যে হিন্দু বহুমতৰ ৰাজ্যত হিন্দুসকলৰ ভাবনাও এইদৰে জাগি উঠিব আৰু তাত থকা মুছলমানসকলৰ হানি হ'ব পাৰে।

জিন্নাই এই বাজি লগাবলৈ সাজু হৈ পৰিল। অধাৰ্মিক জিন্নাই এখন ধাৰ্মিক ৰাজ্য তৈয়াৰ কৰিবলৈ বিচাৰিছিল। সম্পূৰ্ণৰূপে ধাৰ্মিক গান্ধীয়ে এখন ধৰ্ম নিৰপেক্ষ ৰাজ্য বিচাৰিছিল।

এইটোত সন্দেহ নাই যে হিন্দুসকল তথা মুছলমানসকলৰ পাৰস্পৰিক সম্বন্ধবোৰৰ পৰস্পৰৰ মনোবল আৰু পৰস্পৰৰ অনুগ্ৰহৰ আৱশ্যক আছিল। গান্ধীজীৰ মানুহৰ স্বভাৱত ইমানেই বিশ্বাস আছিল যে তেখেতে ভাবিছিল যে ধৈৰ্যৰে সৈতে এইটো সম্ভৱ।

ইয়াৰ বিপৰীতে জিন্নাই তৎক্ষণাত দুটুকুৰা হোৱাটো বিচাৰিছিল। গান্ধীজীয়ে ৰাষ্ট্ৰীয়তাৰ ৰসেৰে ভাৰতক এক কৰিবলৈ বিচাৰিছিল জিন্নাই ধৰ্মৰ বাৰুদ ব্যৱহাৰ কৰি তাক দুটুকুৰা কৰিব খুজিছিল।

১৯৪৪ চনত জেলৰ পৰা ওলাই অহাৰ সময়ৰ পৰা মৃত্যুৰ সময়লৈকে, বিভাজনৰ দুখলগা ঘটনাই গান্ধীজীৰ মূৰত ওলমি থাকিল।

১৯৪৪ চনৰ জুন মাহত যেতিয়া গান্ধীজী অসুখৰ পাছত অলপ সুস্থ হয় তেতিয়া তেখেতে লগ পাবৰ বাবে ভাইচৰয় ৱেবললৈ লিখিলে। ৱেবলে উত্তৰ দিলে, "আমাৰ দুয়োৰে দৃষ্টিকোণৰ মাজত মূলভূত মতভেদৰ বিচাৰ কৰি চাই শেষত আমাৰ লগ পোৱাৰ একো অৰ্থ হ'ব নোৱাৰে।

তেতিয়া গান্ধীজীয়ে নিজৰ মনোযোগ জিন্নাৰ ওপৰত কেন্দ্ৰিত কৰিলে। গান্ধীজীয়ে সদায় অনুভৱ কৰিছিল যে যদি কংগ্ৰেছ আৰু মুছলিম লীগৰ মাজত বুজাবুজি হয় তেন্তে ইংলেণ্ডই ভাৰতক স্বাধীনতা দিব লাগিব।

ৰাজাগোপালাচাৰীৰ প্ৰেৰণাতে গান্ধীজীয়ে ১৩ জুলাইত জিন্নালৈ পত্ৰ লিখে, যিখনত মধ্যস্থতাৰে কথা পতাৰ পৰামৰ্শ আছিল।

দীঘল বহল পত্ৰ ব্যৱহাৰ হ'ল। গান্ধীজী আৰু জিন্নাৰ কথা-বতৰা ১ ছেপ্টেম্বৰত আৰম্ভ হয় আৰু ২৬ ছেপ্টেম্বৰত বন্ধ হয়। ইয়াৰ পাছতসকলো ব্যৱহাৰ হোৱা পত্ৰ বাতৰি কাকতত প্ৰকাশিত কৰি দিয়া হয়।

গান্ধীজী আৰু জিন্নাৰ মাজত দেৱাল আছিল দুখৰ ৰাষ্ট্ৰৰ সিদ্ধান্তত।

কি আমি 'দুখন ৰাষ্ট্ৰ'ৰ প্ৰশ্নত মতভেদৰ বিষয়ে একমত হ'ব নোৱাৰোনে আৰু পুনৰ এই সমস্যাটোক আত্ম নিৰ্ণয়ৰ আধাৰত সমাধান কৰিব নোৱাৰোনে।" গান্ধীজীয়ে যুক্তি দিলে।

গান্ধীজীৰ পৰামৰ্শ আছিল যে মুছলিম সংখ্যা গৰিষ্ঠতা থকা বেলুচিস্তান, সিন্ধু তথা সীমান্ত প্ৰান্ত আৰু বেংগল, অসম তথা পঞ্জাৱৰ অংশবোৰত, ভাৰতৰ পৰা বেলেগ হোৱাৰ বাবে মত দিয়া যাওক। যদি বেলেগ হোৱাৰ পক্ষত মতামত আহে তেন্তে সেইটো ঠাৱৰ কৰি লোৱা হক যে ভাৰত স্বাধীন হোৱাৰ পাছত সোনকালেই ইয়াৰ এখন বেলেগ ৰাজ্য কৰি দিয়া হ'ব।

জিন্নাই তিনিবাৰ 'নহ'ব' বুলি ক'লে। তেওঁ ইংৰাজসকল ভাৰতত থাকোতেই বিভাজন বিচাৰিছিল। মতামত লোৱাৰ তেওঁৰ নিৰল যোজনা আছিল। তেওঁ বিচাৰিছিল যে বেলেগ হোৱাৰ প্ৰশ্নৰ সমাধান কেৱল মুছলমানৰ সংখ্যাগৰিষ্ঠতাৰ ওপৰতে কৰিব লাগে স্পষ্ট দেখ' যায় যে গান্ধীজীয়ে জিন্নাৰ এই পৰামৰ্শ মানি ল'ব নোৱাৰে।

ৱাচিংটনৰ বৃটিছ দূতাবাসৰ দ্বাৰা সংকলিত গান্ধী জিন্না খতিয়ানত লিখে "মিষ্টাৰ জিন্না মজবুত অৱস্থাত আছে। তেওঁৰ ওচৰত দিবলৈ সেইটো বস্তু আছে, যিটোৰ মিঃ গান্ধীজীৰ বেয়া ধৰণে আৰু তৎক্ষণাত আৱশ্যক, অৰ্থাৎ অধিকাৰৰ ডাঙৰ অংশ অতি সোনকালে দিবৰ বাবে বৃটিছ চৰকাৰৰ ওপৰত হেঁচা দিবলৈ মুছলমানৰ সহযোগ। ইয়াৰ

বিপৰীতে মহাত্মা গান্ধীৰ ওচৰত দিবলৈ একো বস্তুৱেই নাই, যিটোৰ বাবে মিঃ জিন্না বৈ থাকিব নোৱাৰে। মিঃ জিন্নাৰ দৃষ্টিত এক বা দুই বছৰৰ আগতে স্বাধীনতা সম্ভাৱনা মুছলমানসকলৰ সুৰক্ষাৰ তুলনাত একো নাই।”

এজন চতুৰ বেহাওঁতাৰ মেৰপাকৰ এইটো চতুৰ বিশ্লেষণ। জিন্নাই স্বাধীনতাৰ বাবে ৰ'ব পাৰিলেহেঁতেন। গান্ধীজীয়ে বুজিছিল যে স্বাধীনতা পাবলৈ হ'লেসকলোতকৈ অধিক উপযুক্ত সময় নহয়।

এই সময়তে ইতিহাসে মাজতে আহি জিন্নাৰ যুক্তিক ভ্ৰষ্ট কৰি পেলালে। আৰু পুনৰ উপযুক্ততাৰে জিন্নাই ইতিহাস ভ্ৰষ্ট কৰিলে। ❑❑

তৃতীয় খণ্ড

দুখন ৰাষ্ট্ৰৰ উদয়
স্বাধীনতাৰ দুৱাৰ দলিত

১৯৪৪ চনৰ ৩০ আগষ্টত মই বেণ্ডল বিল্কিক তেওঁৰ অফিচত, যিটো নিউয়ৰ্ক বন্দৰৰ কিনাৰত আছিল, লগ পাওঁ। তেওঁ পবিত্ৰ মনৰ মানুহ আছিল। ১৯৪৪ চনৰ ছেপ্টেম্বৰত তেওঁ মৃত্যুত আমেৰিকাৰ এক অমূল্য নিধি গুচি গ'ল। তেওঁ কৈছিল, যুদ্ধতো দহৰ ভিতৰত সাত ভাগেই জিকিছে, কিন্তু শান্তি দহৰ ভিতৰত ন ভাগেই কৰা হৈছে।" তেখেতে সমস্ত পূবত ভ্ৰমণ কৰিছিল আৰু ইউৰোপ আৰু এছিয়াৰ মাজত, বগা আৰু ক'লা লোকসকলৰ মাজত, স্বাধীন লোকসকল তথা উপনিবেশিক পৰাধীনসকলৰ মাজত, পুৰণা সংঘৰ্ষক স্থায়ী হৈ পৰা দেখিছিল। তেখেতে অনুভৱ কৰিছিলে যে হয়তো নতুন বিশ্ব তৈয়াৰ হ'ব নহ'লে নতুন বিশ্ব যুদ্ধ হ'ব।

বেলেগ লোকেও অনুভৱ কৰিছিলে যে অবিনায়কত্ববাদৰ বিৰুদ্ধে যুদ্ধৰ দ্বাৰা স্বাধীনতাৰ ক্ষেত্ৰক বিস্তৃত কৰাৰ নৈতিক কৰ্তব্য আহি পৰে।

যেনেধৰণে ইংলেণ্ডই বিজয়ৰ ওচৰ চাপি যাবলৈ ধৰিছিল তেনেধৰণে স্পষ্টহৈ আহিবলৈ ধৰিছিল যে ভাৰতত ৰাজনৈতিক পৰিৱৰ্তনবোৰক আঁতৰাব পৰা নেযায়।

১৯৪৫ চন পৰ্যন্ত ভাৰত ইমানেই উগ্ৰ হৈ পৰিল যে তাক বশ কৰি ৰাখিব পৰা অৱস্থা নাছিল আৰু ইংলেণ্ডই ইমানেই বেছি লোকচান ভৰিব লগা হ'ল যে গান্ধীজীৰ লগত বেলেগ এখন অহিংসাত্মক যুদ্ধক বশ কৰাৰ বাবে ধন তথা জনৰ যিটো অধিক খৰচৰ আৱশ্যক হ'ব সেইটোৰ তেওঁ আশা কৰিব পৰা নাছিল।

লৰ্ড বেৱলৰ এই কথাটো বিশেষভাৱে দৃষ্টিগোচৰ হ'বলৈ ধৰে। ভাৰতৰ সচিব লিওপোল্ড এছ, এমৰীয়ে ১৯৪৫ চনৰ ১৪ জুনত কমন্‌চ সভাত কৈছিল, "ভাৰতীয় শাসন য'ত জাপানৰ বিৰুদ্ধে যুদ্ধই তথা যুদ্ধৰ শেষৰ নিয়োজনে মহান কাৰ্যৰ গধুৰ বোজা দি দিয়ে

এতিয়া বৰ্তমান ৰাজনৈতিক উদাসীনতাই আৰু অধিক বঢ়াই দিলে।" এই ভাৰতীয় শাসনৰ নিৰ্দ্দেশক ৱেভল আছিল।

ৱেভল এজন সেনানায়ক, কবি আৰু অসাধাৰণ ব্যক্তি আছিল।

১৯৪৪ চনত চাৰ্চিলে ৱেভলক ভাইচৰয় নিযুক্ত কৰে।

১৯৪৫ চনৰ মাৰ্চত ৱেভল লণ্ডনলৈ যায়।

লণ্ডনৰ 'টাইম্‌চে" ১৯৪৫ চনৰ ২০ মাৰ্চত নিজৰ সম্পাদকীয় লেখাত ভাৰতৰ বিষয়ে নিজৰ সম্পত্তি প্ৰকাশ কৰি লিখিছিল " মানুহৰ মাজত ব্যাপক বিশ্বাস বিয়পি পৰিছে যে এই দেশত ৰাজনৈতিক কাম-কাজ পুনৰ আৰম্ভ কৰিব লাগে। প্ৰথম উপদেশ এয়ে যে ভাৰতবাসীসকলক পূৰ্ণ সত্ত্বা হস্তান্তৰিত কৰিবৰ বাবে সাজু হ'বলৈ চৰকাৰী মেচিনৰ ধৰণ, কৰ্মচাৰীসকলৰ নিযুক্তি তথা পদ্ধতি সলনি কৰিব লাগে। দ্বিতীয়তে, ভাৰতৰ দলবিলাক তথা হিতবিলাক আজি লগ লগোৱাৰ মাজৰ বিৰোধবোৰ একেৰাহে হৈ থকাটো ইংৰাজ তথা ভাৰতীয় ৰাজনীতিজ্ঞসকলৰ বাবে লাজৰ কথা।"

ইংলেণ্ডৰ জনমত, ইমানলৈকে যে কঠোৰ জনমতো ভাৰতৰ বিষয়ে চাৰ্চিলৰ হুথধৰ্মী যুক্ত অচল স্থিতিৰে সৈতে এৰি দিয়া হৈছিল।

ৱেভলে লণ্ডনত প্ৰায় দুমাহ থাকে। ভৱিষ্যত বক্তা লোকসকলে ইংলেণ্ডৰ আসন্ন সাধাৰণ নিৰ্বাচনত শ্ৰমিক দলৰ বিজয়ৰ ভৱিষ্যত বাণী কৰিছিল। বিদেশী নীতি সাধাৰণভাৱে ঘৰুৱা নীতিৰ প্ৰতিবিম্ব হৈ পৰিবলৈ ধৰে আৰু ৱেভলৰ কাৰ্যকালৰ এতিয়াও চাৰি বছৰ বাকী আছিল।

১৯৪৫ চনৰ এপ্ৰিলত সংযুক্ত ৰাষ্ট্ৰসংঘৰ ঘোষণা পত্ৰৰ আঁচনি তৈয়াৰৰ বাবে হ'ব লগা চানফ্ৰানচিস্কো কনফাৰেন্সৰ পৰা প্ৰথমে ভাৰতীয় তথা বিদেশী সংবাদদাতাসকলে মহাত্মাজীৰ পৰা বক্তব্য বিচাৰিলে। গান্ধীজীয়ে দৃঢ়তাৰে ক'লে "ভাৰতৰ স্বাধীনতাৰ অৰ্থ আন্তৰাষ্ট্ৰীয়তা। যেতিয়ালৈকে মিত্ৰ ৰাষ্ট্ৰই যুদ্ধৰ প্ৰভাৱকাৰী শক্তিত তথা সেইটোৰ লগত হ'ব পৰা ঠগবাজী আৰু জালচাজিত বিশ্বাস ত্যাগ নকৰে আৰু যেতিয়ালৈকে তেওঁলোকেসকলো জাতি তথা ৰাষ্ট্ৰবোৰৰ স্বাধীনতা তথা সমানতাৰ ওপৰত আধাৰিত আচল শান্তি তৈয়াৰৰ বাবে দৃঢ় সংকল্প নলয়, তেতিয়ালৈকে যে মিত্ৰৰাষ্ট্ৰৰ বাবে শান্তি আহিব নে সংসাৰৰ বাবে। ভাৰতৰ স্বাধীনতাই সংসাৰৰসকলো শোষিত জাতিবিলাকক দেখুৱাই দিব যে তেওঁলোকৰ স্বাধীনতাও নিচেই ওচৰতে আৰু আগলৈ যেইকোনো অৱস্থাতে সেইবোৰক শোষণ কৰা নহ'ব।

"শান্তি ভৌচিত্ৰপূৰ্ণ হ'ব লাগে" গান্ধীজীয়ে সমুখতে ক'লে "তাত শান্তিৰ বাবেও নহয় আৰু পোতক তোলাৰো ভাব থকা হ'ব নেলাগে। জাৰ্মানী আৰু জাপান অপমানিত হ'ব নেলাগে। শক্তিশালীয়ে কেতিয়াও পোতক তোলাৰ মনোভাব লৈ নেথাকে। সেইবাবে

শান্তিৰ ফলৰ সমানে ভাগ হ'ব লাগে। তেতিয়া তেওঁক মিত্র কৰি লোৱাৰ যত্ন কৰা হ'ব। মিত্ৰৰাষ্ট্ৰই নিজা লোকতন্ত্ৰক আন একো উপায়েৰে সিদ্ধ কৰিব নোৱাৰে।" কিন্তু তেখেতৰ ভয় আছিল যে চানফ্ৰান্‌চিচ্‌কো কনফাৰেন্সৰ পিছত অবিশ্বাস আৰু ভয়ৰ ওন্দোলা ডাৱৰ আছিল, যিটোৱে যুদ্ধৰ জন্ম দিয়ে।

গান্ধীজীয়ে জানিছিল যে স্বাধীনতা শান্তিৰ যঁজা ভনীয়েক আৰু নিৰ্ভয়তা দুয়োৰে মাক। এইটোত কাৰ সন্দেহ আছিল যে যদি এইখন স্বাধীন নহয় তেন্তে পশ্চিমৰ জীৱন ভয়ানক সপোন হৈ পৰিব আৰু ইউৰোপৰ পুনৰ উত্থান অসম্ভৱ হৈ পৰিব?

এই বিচাৰে ভাৰতৰ প্ৰতি ইংলেণ্ডৰ মনোভাৱ নিৰ্মাণ কৰিবলৈ ধৰিছিল।

ৱেৱলে ভাৰতৰ বাবে এখন নতুন আঁচনিৰ ওপৰত বৃটিছ চৰকাৰৰ স্বীকৃতি লৈ নতুন দিল্লীলৈ পুনৰ আহে আৰু ২৪ জুনত তেখেতে এইটোক আকাশবাণীৰ দ্বাৰা প্ৰকাশ কৰে। সেইদিনাই তেখেতে কংগ্ৰেছৰ অধ্যক্ষ মৌলানা আবুল কালাম আজাদক তথা জৱাহৰলাল নেহেৰু আন আন নেতাসকলক এৰি দিয়ে। ২৫ জুনত তেখেতে ভাৰতৰ মুখ্য ৰাজনীতিজ্ঞসকলক চিমলালৈ মাতে।

কংগ্ৰেছৰ নেতাসকল যাবলৈ মান্তি হ'ল। জিন্না মুছলিম লীগৰ অধ্যক্ষ হিচাপে আৰু লিয়াকত আলিখাঁ তেওঁৰ মন্ত্ৰী হিচাপে সন্মিলিত হয়। খিজহয়াত খাঁ আৰু ৰাজা নাজিম্‌উদ্দিনক নিজৰ ৰাজ্যৰ ভূতপূৰ্ব প্ৰধান মন্ত্ৰী হিচাপে নিমন্ত্ৰণ দিয়ে। ইয়াৰ উপৰিও মাষ্টৰ তাৰাসিং শিখৰ প্ৰতিনিধি আছিল আৰু শিৱৰাজ হৰিজনসকলৰ। গান্ধীজী প্ৰতিনিধিতো নাছিল, কিন্তু তেখেত চিমলালৈ গ'ল আৰু যেতিয়ালৈকে আলোচনাবোৰ চলি থাকিল তেতিয়ালৈকে তাতে থাকে।

ৱেৱল আঁচনি অনুসৰি ভাইচৰয়ৰ কাৰ্যকৰী কাউন্সিলত কেৱল দুজন ইংৰাজক ৰখা হৈছিল ভাইচৰয় তথা কমাণ্ডাৰ ইনচীফ্। বাকীসকলো ভাৰতীয় হ'ব। এইদৰে বিদেশী সমস্যা, বিত্ত, পুলিচ আদি বিভাগ ভাৰতীয়ৰ হাতত হ'ব।

কিন্তু তথাপি চিমলা সন্মিলন অসফল হৈ পৰিল। ৱেৱলে এইটোৰ বাবে জিন্নাকে দোষী বুলিলে।

ৱেৱল আঁচনিত এইটো নিয়ম আছিল যে ভাইচৰয়ৰ কাউন্সিলত মুছলমান তথা উচ্চ হিন্দুৰ আসন সমান অনুপাতে হওক। কংগ্ৰেছৰ এইটোত আপত্তি আছিল, কিন্তু কংগ্ৰেছ সন্ধিৰ বাবে ইমানেই উৎসুক আছিল যে তেওঁলোকে এই ব্যৱস্থাক মানি ল'লে।

ৱেৱলে তেতিয়া দলবোৰৰ নেতাসকলৰ পৰা তেওঁলোকৰ সূচী বিচাৰিলে। জিন্নাৰ বাদেসকলোৱে সূচীবোৰ পঠালে।

জিন্নাই চিমলা সন্মিলনক ধ্বংস কৰিলে, ইয়াৰ এটা কাৰণ দেখা গ'ল। তেওঁলোকে অনুভৱ কৰিলে যে ভাইচৰয়ৰ কাউন্সিল সমস্ত মুছলমান সদস্যবোৰক মুছলমানৰ নেতা হোৱাৰ বাবেই মনোনীত কৰে।

মুছলিম ভাৰতৰ প্ৰতিনিধি হোৱাত জিন্নাৰ দাবীক যে বেৱলে মানি ল'ব পাৰিছিল নে গান্ধীয়ে, যিজনে আঁৰ কাপোৰৰ সিফালৰ পৰা কংগ্ৰেছৰ নীতিক সঞ্চালন কৰি আছিল।

চিমলা সন্মিলনৰ নাওঁখন এইটো শিলতে খুণ্ডা মাৰি বুৰি থাকিল। ভাৰতৰ তথা ইংলেণ্ডৰ ইংৰাজ অধিকাৰীয়ে জিন্নাৰ সহযোগৰ অবিহনে কোনো কাম কৰিবলৈ আগবাঢ়িব নুখুজিলে।

চিমলা সন্মিলনৰ সময়তে ইউৰোপত যুদ্ধৰ অন্ত পৰিছিল। ২৬ জুলাইত শ্ৰমিক দলে অনুদাৰ দলক নিশ্চিতৰূপে হেৰুৱালে উইষ্টন চাৰ্চিলৰ ঠাইত ক্লেমেণ্ট আৰ, এটলী প্ৰধান মন্ত্ৰী হ'ল।

১৪ আগষ্টত মহান শক্তিবোৰে জাপানৰ আত্মসমৰ্পণ স্বীকাৰ কৰি ল'লে।

ইংলেণ্ডৰ শ্ৰমিক চৰকাৰখনে তৎক্ষণাত ঘোষণা কৰিলে যে তেওঁলোকে 'ভাৰতত স্ব-শাসনৰ শীঘ্ৰে প্ৰাপ্তি' কৰাবলৈ বিচাৰে আৰু বেৱলক লণ্ডনলৈ মাতিলে। শ্ৰমিক চৰকাৰৰ সিদ্ধান্তক ১৯৪৫ চনৰ ১৯ ছেপ্টেম্বৰত এটলীয়ে লণ্ডনৰ পৰা আৰু বেৱলে নতুন দিল্লীৰ পৰা ঘোষণা কৰিলে।

কংগ্ৰেছ কাৰ্যকাৰিণী সমিতিয়ে এই প্ৰস্তাৱবোৰক 'অস্পষ্ট অপৰ্যাপ্ত আৰু অসন্তোষজনক' বুলি বুজিলে, কিন্তু চৰকাৰৰ মনোভাৱক মিলাব লগা হৈছিল।

সকলো দলেই নিৰ্বাচনত নামিবৰ বাবে সাজু হৈ পৰিল।

বিধান সভাবিলাকৰ মুছলমান স্থানবোৰত কংগ্ৰেছে বিশাল সংখ্যাগৰিষ্ঠতা পালে আৰু মুছলমানৰ স্থানবোৰত মুছলিম লীগে পালে।

গতিৰোধ ভংগ নহ'ল।

১৯৪৫ চনৰ ডিচেম্বৰত কলিকতাত বেৱলে কওঁতে ভাৰতৰ মানুহে নিবেদন কৰিলে যে যেতিয়া তেওঁলোক 'ৰাজনৈতিক তথা আৰ্থিক অৱস্থাৰ দুৱাৰ দলিত' ঠিয় হৈছে তেতিয়া তেওঁলোক কাজিয়া তথা হিংসাৰ পৰা আঁতৰি থকা দৰকাৰ।

গান্ধীজীও কলিকতাতে আছিল। তেখেতে বেংগলৰ ইংৰাজ গভৰ্ণৰ ৰিচৰ্ডকেজীৰ লগত কেইবা ঘণ্টাও কটায়। তেখেতে ভাইচৰয়ৰ লগতে এঘণ্টা কথা-বতৰা হয়। যেতিয়া তেখেত ভাইচৰয় ভৱনৰ পৰা ওলাই আহে তেতিয়া বিশাল ভীৰে তেওঁক বাট ভেটি ধৰিলে যে যেতিয়ালৈকে তেখেতে ভাষণ নিদিব তেতিয়ালৈকে তেখেতৰ মটৰ গাড়ী আগবাঢ়িবলৈ দিয়া নহ'ব। তেখেত মটৰ গাড়ীতে থিয় হ'ল আৰু ক'লে, "শান্তিৰ নিজা বাৰ্ত্তাৰ বাবেই ভাৰতে পূবত মহান প্ৰতিষ্ঠা প্ৰাপ্ত কৰিছে।" ইয়াৰ পাছতে ভীৰে তেখেতৰ বাবে বাট মুকলি কৰি দিলে।

সেইদিনাই জিন্নাই বোম্বাইত বক্তব্য দিলে, " আমি ভাৰতৰ সমস্যাক দহ মিনিটতে সমাধান কৰিব পাৰিলোহেঁতেন যদি মিঃ গান্ধীয়ে কৈ দিলেহেঁতেন 'মই মানি লৈছো যে

পাকিস্তান হ'ব লাগে।' মই মানি লৈছো যে ভাৰতৰ এক চতুৰ্থাংশ ভাগ, য'ত ছখন ৰাজ্য—সিন্ধু, বেলুচিস্থান, পঞ্জাব আৰু সীমান্ত ৰাজ্য লগ হৈছে এই ৰাজ্যবোৰৰ উপস্থিতিৰ সৈতে পাকিস্তান কৰিব লাগে।

কিন্তু গান্ধীজীয়ে এইটো ক'ব নোৱাৰিছিল, নে তেখেতে এনে কথা কৈছিল। তেখেতে ভাৰতখন টুকুৰা টুকুৰ হোৱাটোক পাপ বুলি ধৰি লৈছিল। ❑❑

ভাৰত দোধোৰ মোৰত

গান্ধীজীয়ে কৈ আছিল যে তেখেতে ১২৫ বছৰ জীয়াই থাকিবলৈ বিচাৰে, কিন্তু নহয় ঘূৰি ফুৰা শ হিচাপে আৰু নহয় নিজৰ জ্ঞাতি কুটুমৰ তথা সমাজৰ ভাৰ হৈ।' প্ৰথমতে তেখেতে কৈছিল যে তেখেতে শাৰীৰিকভাবে সুস্থ হৈ কেনেকৈ থাকিব পাৰে। ১৯০১ চনতে তেখেতে ঔষধৰ বটল পেলাই দিয়ে আৰু তাৰ ঠাইত প্ৰাকৃতিক চিকিৎসা তথা নিয়মিত আহাৰ বিহাৰৰ আশ্ৰয় লয়। এইটোতকৈও অধিক মহত্বপূৰ্ণ কথা এইটো আছিল যে তেখেতে 'অনাসক্তি'ৰ সাধনা কৰে যিটো দীৰ্ঘায়ু হোৱাৰ ছাবি-কাঠি। গান্ধীজীয়ে কৈছিল "সকলোৰে ফলাফলৰ আশা নকৰাকৈ কাম কৰি গৈ থাকি ১২৫ বছৰ জীয়াই থকাৰ অধিকাৰ আছে আৰু জীয়াই থকাৰ ইচ্ছাও কৰিব লাগে।" কৰ্মত প্ৰবৃত্তি কিন্তু তাৰ ফলাফলৰ বাবে নিবৃত্তিত "বৰ্ণনাতীত আনন্দ' আছে, 'অমৃত' হয় যিটো জীৱনদাতা। এইটোৰ পৰা 'উদ্বিগ্নতা বা অধীৰতা'ৰ বাবে কোনো স্থান নাই, নেথাকে। অহংকাৰ মৃত্যু স্বাৰ্থ ত্যাগ জীৱন।

গান্ধীজীয়ে এটা নতুন ধাৰণা হাতত ল'লে— নিসৰ্গোপচাৰ (প্ৰাকৃতিক চিকিৎসা) সেইটোক তেখেতে 'এইমাত্ৰ জন্ম হোৱা কেচুৱা' বুলি কৈছিল। বাকীবোৰ ডাঙৰ ল'ৰা ছোৱালী খাদী, গ্ৰামোদ্যোগ, ৰাষ্ট্ৰ ভাষাৰ বিকাশ, অন্ন উৎপাদন, ভাৰতৰ বাবে স্বাধীনতা, ভাৰতীয়সকলৰ বাবে স্বাধীনতা আৰু বিশ্বশান্তি সেইবোৰৰ পৰা শক্তি দিয়া পোষকতা পাই থাকে নতুন শিশুটোৰ বাবে এটা ন্যাস খুলিলে যিটোৰ গান্ধীজী তিনিজন ন্যাস সদস্যৰ ভিতৰত এজন আছিল। গান্ধীজীৰ চিকিৎসক ডাঃ দীনশা মেহতাৰ পুণা চহৰত এখন প্ৰাকৃতিক চিকিৎসা কেন্দ্ৰ আছিল। সেইবাবে এইটো সিদ্ধান্ত হ'ল যে ন্যাসৰ প্ৰথম খোজ হিচাপে সেই কেন্দ্ৰটোকে ডাঙৰ কৰি প্ৰাকৃতিক চিকিৎসা বিশ্ববিদ্যালয় তৈয়াৰ কৰা হওক।

কিন্তু এদিন মৌনবাৰত গান্ধীজীয়ে এই আঁচনি এৰি দিয়াটো নিশ্চয় কৰি পেলালে। তেখেতে স্বীকাৰ কৰিলে "মই বুজিলো যে মই মুৰ্খ আছিলো, যিয়ে এইটো ভাবিছিলো যে দুখীয়াসকলৰ বাবে চহৰত অনুষ্ঠান পাতিম।" তেখেতে প্ৰাকৃতিক চিকিৎসাক দুখীয়াসকলৰ ওচৰলৈ লৈ যাব খুজিছিল আৰু এইটো আশা কৰা নাছিল যে দুখীয়াসকল তেখেতৰ

ওচৰলৈ আহক। এই ভুলতে এটা শিক্ষা নিহিত আছিল, "যেইকোনো কথাকে বেদবাক্য বুলি নধৰিবা, লাগে সেইটো কোনোবা মহাত্মাই কোৱা কথাই হওক, যেতিয়ালৈকে সেইটোৱে তোমাৰ মস্তিস্ক আৰু হৃদয়ক আবেদন নজনায়।" গান্ধীজীয়ে যন্ত্ৰৰ দৰে আজ্ঞা পালন কৰা কথাটো পচন্দ নকৰিছিল।

তেখেতে গাঁৱত প্ৰাকৃতিক চিকিৎসাৰ কাম আৰম্ভ কৰিব। তেখেতে লিখে "এইখনেই সঁচা ভাৰত, মোৰ ভাৰত, যিখনৰ বাবে মই জীয়াই আছো।" তেখেতে সোনকালেই নিজে ভবা ধৰণে কাম কৰিলে। অলপ দিনৰ ভিতৰতে পুণা চোলাপুৰ ৰেল লাইনত তিনি হেজাৰ জনসংখ্যাৰ উৰুলী নামৰ গাঁৱত বহি ল'লে য'ত পানী প্ৰচুৰ মাত্ৰাত আছিল, জলবায়ু ভাল আছিল, ফলৰ বাগিচাবিলাক আছিল, ডাক টেলিগ্ৰাফ আছিল, কিন্তু টেলিফোন নাছিল।

প্ৰথম দিনা ৩০ জন খেতিয়ক প্ৰাকৃতিক চিকিৎসা কেন্দ্ৰলৈ আহে। গান্ধীজীয়ে নিজেই ৬ জনৰ স্বাস্থ্য পৰীক্ষা কৰে। প্ৰত্যেকজন ৰোগীকে তেখেতে একেটা কথাকে ক'লে ভগৱানৰ নাম অনবৰতে লোৱা, সূৰ্য্যস্নান লোৱা, মালিচ আৰু হিপবাথ লোৱা, গৰুৰ গাখীৰ, দৈৰ ঘোল, ফলৰ ৰস আৰু খুব পানী খোৱা। ঈশ্বৰৰ নাম ওঁঠ লৰালেই অলপ বেছিকৈ গাব লাগে। গোটেই জীৱনটো আৰু যেতিয়ালৈ আপুনি গতিশীল হৈ থাকে তাতেই সম্পূৰ্ণ আত্মা বুৰি থাকিব লাগে। গান্ধীজীয়ে ক'লেসকলো মানসিক আৰু শাৰীৰিক কষ্ট এটা কাৰণতেই হয়। সেইবাবে এইটো স্বাভাৱিক যে তাৰ চিকিৎসাও একেই। তেখেতে কৈছিল যে আমাৰ মাজৰসকলো মানুহেই শৰীৰ বা মস্তিস্কৰ ৰোগী। ৰাম, ৰাম, ৰাম, ৰাম ৰামৰ জপ কৰাৰ লগে লগে শুদ্ধতা, ভাল, সেৱা আৰু আত্মত্যাগৰ ওপৰত ধ্যান কেন্দ্ৰিত কৰিলে মাটিৰ পট্টী, স্নান, মালিচ আদিৰ দ্বাৰা লাভ হোৱাৰ পথ তৈয়াৰ হয়।

পদাৰ্থৰ ওপৰত মন তথা মনঃস্থিতিৰ শক্তিৰ গান্ধীজী স্বয়ং এটা প্ৰমাণ আছিল। যুৱাৱস্থাৰ পিছত তথা যুৱাৱস্থাতো তেখেতে স্বাস্থ্যৰ দিশত পূৰা মনোযোগ দিছিল। তেখেতে নিজৰ আশে পাশে থকা প্ৰত্যেক প্ৰাণীৰে শুশ্ৰূষা কৰিছিল। তেখেত বেলেগৰ দুখত দুখী হৈছিল। তেখেতৰ ওচৰত অসীম কৰুণাৰ ক্ষমতা আছিল।

স্নেহময়ী মাতৃয়ে অন্তৰৰ পৰা ইচ্ছা কৰে যে নিজৰ ল'ৰা ছোৱালীৰ অসুখ নিজেই লৈ লওঁ, কিন্তু তেওঁৰ ইচ্ছা পূৰণ নহয়। গান্ধীজীৰ উপবাস উস্পৃশ্যসকল, ধৰ্মঘটকাৰীসকল, হিন্দুসকল তথা মুছলমানসকলৰ দুখ দুৰ্গতিবোৰ দূৰ কৰাৰ আশাৰে আত্মপীড়ন হৈছিল। তেখেতে পীড়া দিওঁতাসকলৰ বাবে প্ৰায়শ্চিত্ত কৰিছিল। দুখ মোচন কৰা তথা পীড়া কম কৰাৰ আন্তৰিক হেঁচা ধৰি লওক গান্ধীজীৰ অন্তৰৰ অন্তঃস্থলৰ পৰা ওলাই আহিব লগা প্ৰেৰণা আছিল। গান্ধীজীৰ বিশ্বাস আছিল যে তেখেতৰ মিছনে মানুহবোৰক পবিত্ৰ কৰিব পাৰিব। তেখেত ভাৰতৰ চিকিৎসক আছিল। জীৱনৰ অন্তিম দুটা বছৰত ভাৰতে তেখেতক অতি ব্যস্ত কৰি থৈছিল।

দেশত অন্ন আৰু বস্ত্ৰৰ আকাল হৈছিল। "অন্ন বস্ত্ৰৰ বেপাৰীসকলে সঞ্চয় বা হ্ৰাস বৃদ্ধিৰ হিচাপ কৰি ব্যৱসায় কৰিব নেলাগে।" তেখেতে ১৯৪৬ চনৰ ১৩ জানুৱাৰীত লিখে "য'ত য'ত পানী পোৱা যায় বা যোগাৰ কৰিব পাৰি, সেইসকলোবোৰ খেতিৰ উপযোগী মাটিত খেতি কৰিব লাগে। সমস্ত পয়োভৰ পূৰ্ণ উৎসৱ বন্ধ হৈ যাব লাগে।

তেখেতে বেংগল, অসম আৰু মাদ্ৰাজত ঘূৰি আছিল। 'অধিক খাদ্য উৎপন্ন কৰক' তেখেতৰ ধ্বনি আছিল। 'সূতাকাটা' তেখেতৰ অনুৰোধ আছিল। পানীৰ প্ৰতিটো টোপাল লাগে সেইখিনি গা ধোৱা ঠাইৰ পৰা অহাই হওক, হাত মুখ ধোৱাই হওক বা পাকঘৰৰ ধোৱা পখলা পানীয়েই হওক শাকনী বাৰীলৈ যাব লাগে।' তেখেতে চহৰত বাস কৰা লোকসকলক ক'লে 'শাক-পাচলী গামলাবোৰত আৰু ভগা ছিগা কলহ টেকেলীলৈকে ৰুব লাগে।

ভোকৰ বাবে দেশত বাঢ়ি অহা সন্তান সন্ততিৰ জন্মৰ প্ৰশ্ন উঠিছে। গান্ধীজীয়ে ক'লে শহাপহুৰ দৰে বংশ বৃদ্ধি কৰা নিশ্চয় বন্ধ হ'ব লাগে, কিন্তু সেইটোৰ পৰা আৰু বহুত কিবা কিবি বেয়াৰ জন্ম হ'ব নেলাগে। সেইটো এনে উপায়েৰে বাধা দিব লাগে যিটোৰ পৰা মানৱ জাতি গৌৰবান্বিত হয়, অৰ্থাৎ আত্ম সংযমৰ সোণালী উপায়ৰ দ্বাৰা।"

আৱশ্যকীয় বস্তুবোৰ কম হোৱাৰ কাৰণে লুটপাত তথা অন্য হিংসাত্মক বিস্ফোট হ'বলৈ কৰিছিল। বোম্বাইত ডাঙৰ কাজিয়া হ'ল। কলিকতা দিল্লী তথা আন আন ডাঙৰ চহৰবোৰত মানুহে জুই লগাই দিলে, বাটেদি গৈ থকা মানুহকো ধ্বনি দিবলৈ বাধ্য কৰে আৰু ইংৰাজৰ টুপী খহাই দিলে। গান্ধীজীয়ে এইবোৰৰ ঘোৰ নিন্দা কৰিলে।

১৯৪৬ চনৰ ১০ ফেব্ৰুৱাৰীত গান্ধীজীয়ে লিখিছিল "এতিয়া, যেতিয়াই এইটো অনুভৱ হ'বলৈ ধৰিলে যে আমি নিজৰ আচল ৰূপটোলৈ আহি আছো, অনুশাসনহীনতা আৰু হৈ হালাকৰা বন্ধ হ'ব লাগে আৰু ধৈৰ্য্য, কঠোৰ অনুশাসন, সহযোগ তথা সদ্‌ভাৱনাই ইয়াৰ স্থান ল'ব লাগে। মই এই আশা ডিণ্ডিত বান্ধি ফুৰিছো যেতিয়া জনতাৰ বাস্তৱিক দায়িত্ব আহি পৰিব আৰু খামোচ মাৰি ধৰি থকা বিদেশী সেনাৰ সহিব নোৱাৰা ভাৰ আঁতৰি যাব। তেতিয়াই আমি স্বাভাৱিক, গৌৰৱশীল তথা নিগ্ৰহী হৈ পৰিম।

প্ৰধান মন্ত্ৰী এটলীয়ে ঘোষণা কৰিলে যে লৰ্ড পেথিক লৰেন্স, ছাৰ ষ্টেফৰ্ড ক্ৰিপ্স তথা এলবাৰ্ট বী আলেকজেণ্ডাৰৰ এখন বৃটিছ কেবিনেট মিছনক স্বাধীনতাৰ চৰ্তসমূহ নিশ্চিত কৰিবৰ বাবে ভাৰতলৈ পঠোৱা হৈছে। গান্ধীজীয়ে স্বীকাৰ কৰিলে "মই জোৰ দি কৈছো যে বৃটিছ চৰকাৰৰ বক্তব্যক অবিশ্বাস কৰা আৰু প্ৰথমৰে পৰাই কাজিয়া পাতি লোৱাটো দূৰদৰ্শিতাৰ অভাৱৰ দ্যোতক। কিয় চৰকাৰী প্ৰতিনিধিসকলে এখন মহান ৰাষ্ট্ৰক ঠগিবলৈহে আহিছে নেকি? এইদৰে ভবাটো পুৰুষোচিতো নহয় স্ত্ৰীয়োচিতো নহয়।

কেবিনেট মিছনে ইংলেণ্ডৰ পৰা যাত্ৰা কৰি ১৪ মাৰ্চত নতুন দিল্লী আহি পালে আৰু আহি পায়েই ভাৰতীয় নেতাসকলৰ লগত কথা-বতৰা আৰম্ভ কৰি দিলে। ইংৰাজ মন্ত্ৰীসকলক লগ পাবলৈ গান্ধীজীও দিল্লী আহি পালে। পেথিক লৰেন্সে লিখিছে "মোৰ প্ৰাৰ্থনাত, আহিব লগা মাহবোৰত দিল্লীৰ ভীষণ গৰমলৈকো কেৰেপ নকৰি তেখেতে কথা বতৰাৰ প্ৰগতিৰ পুৰা সময়খিনি আমাৰ তথা কংগ্ৰেছৰ কাৰ্যকৰী সমিতিৰ সম্পৰ্কতে থাকে।"

কেইবা সপ্তাহো লৰা-ঢপৰা কৰাৰ পাছত যেতিয়া একো নিশ্চিত পৰিণাম নোলাল তেতিয়া কেবিনেট মিছনে কংগ্ৰেছ তথা মুছলিম লীগক চিমলাৰ অধিৱেশনলৈ চাৰিজন চাৰিজনকৈ প্ৰতিনিধি পঠাবলৈ নিমন্ত্ৰণ জনালো। গান্ধীজী প্ৰতিনিধি নাছিল, কিন্তু পৰামৰ্শৰ বাবেসকলো সময়তে তাত আছিল। পিছৰ পৰ্য্যায়ত নেহেৰু আৰু জিন্নাই ঘৰুৱাভাৱে শত্ৰুতাৰে যুঁজি থাকিল, কিন্তু একো মকামিলা নহ'লগৈ।

"শেষত গান্ধীজীয়ে কেবিনেট মিছনক ক'লে তেওঁলোকে কিবা আঁচনি উলিয়াওক।

কেবিনেট মিছনৰ আঁচনি, যিখন ১৯৪৬ চনৰ ১৬ মে'ত প্ৰকাশিত হয়, ভাৰতত বৃটিছ শাসনৰ সমাপ্তিৰ প্ৰস্তাৱ আছিল, যিটো ইংলেণ্ডৰ ফালৰ পৰা ৰখা হৈছিল। সেই দিনাৰ প্ৰাৰ্থনা সভাত গান্ধীজীয়ে ক'লে, "কেবিনেট প্ৰতিনিধি মণ্ডলৰ ঘোষণাক আপুনি পচন্দ কৰক বা নকৰক, কিন্তু ভাৰতৰ ইতিহাসত এই ঘোষণাটোৱে গুঢ়তম মহত্ব আনিছে আৰু সেইবাবে বিচাৰপূৰ্ণ অধ্যয়নৰ আশা কৰিছে।"

গান্ধীয়ে এই ঘোষণাৰ চাৰি দিনলৈকে ভাবি চিন্তি চালে আৰু পুনৰ ক'লে, "অনুসন্ধানপূৰ্বক পৰীক্ষাৰ পাছত মোৰ বিশ্বাস দৃঢ় হৈছে যে এই পৰিস্থিতিত বৃটিছ চৰকাৰে ইয়াতকৈ উত্তম দলিল তৈয়াৰ কৰিব নোৱাৰিছিল।"

মহাত্মাজীয়ে ক'লে "বৃটিছ চৰকাৰৰ একমাত্ৰ অভিপ্ৰায় সোনকালতকৈ সোনকালে বৃটিছ শাসনৰ অন্ত পেলোৱা।"

কেবিনেট মিছনে নিজৰ বক্তব্যত ঘোষণা কৰিলে যে "ব্যাখ্যানবোৰৰ পৰা জানিব পৰা গৈছে যে মুছলিম লীগৰ সমৰ্থকসকলক বাদ দি প্ৰায়সকলো লোকেই ভাৰতৰ একতা বিচাৰিছে।"

তথাপিও মিছনে 'ভাৰতৰ বিভাজনৰ সম্ভাৱনাক বহুত সুক্ষ্মভাৱে আৰু পক্ষহীন ভাবে' বিচাৰ কৰিলে।

পৰিণাম কি ওলাল?

বক্তব্যত দিয়া পৰিসংখ্যাৰ আধাৰত মিছনে সিদ্ধান্ত কৰিলে যে পাকিস্তানৰ উত্তৰ পশ্চিম অঞ্চলৰ মুছলমানসকলৰ উপৰিও সংখ্যালঘু ৩৭/°৯৩ শতকৰা হাৰ হ'ব আৰু উত্তৰ পূব অংশত ৪৮/°৩১ শতকৰা হাৰ যিখিনি ভাৰতত। পাকিস্তানৰ বাহিৰত ২ কোটি

মুছলমান সংখ্যালঘু থাকিব। ব্যাখানত কোৱা হ'ল যে "এই সংখ্যাৰ হিচাপত জনা গৈছে যে মুছলিম লীগে যিটোৰ ভিত্তিত পাকিস্তানৰ স্বাধীন ৰাজ্যৰ দাবী কৰিছে, তাৰ পৰা সাম্প্রদায়িক সংখ্যালঘু সমস্যাৰ সমাধান নহ'ব।"

তেতিয়া মিছনে বিচাৰ কৰি চালে যে কিয় সৰু পাকিস্তান, য'ত অ-মুছলমান অংশ সন্মিলিত হোৱা নাছিল হোৱাটো সম্ভৱ হ'ব পাৰে নেকি? "এনে পাকিস্তানক" বক্তব্যত কোৱা হ'ল "মুছলিম লীগে অব্যৱহাৰিক বুলি ধৰিলে।" সেইটোৰ পৰা পঞ্জাব বেংগল আৰু অসমৰ দুখন নতুন ৰাজ্যত ভাগ হোৱাৰ আৱশ্যক হ'ব। যেতিয়ালৈকে এইকেইখন ৰাজ্যক জিন্নাই পুৰাপুৰিভাৱে পাবলৈ বিচাৰিছিল।

মিছনে ক'লে "ভাৰতৰ বিভাজন হ'লে দেশৰ প্ৰতিৰক্ষা শক্তি দুৰ্বল হৈ পৰিব আৰু তাৰ পৰা যাতায়তৰ উপায়ো দুটা ভাগত ভাগ হৈ পৰিব।

অন্তিম কথা ভৌগোলিক হ'ব যে প্ৰস্তাৱিত পাকিস্তানৰ দুয়োটা ভাগ ৭০০ মাইলৰ দূৰত্বত আছে আৰু সেই দুয়োৰে মাজত যাতায়ত, যুদ্ধ আৰু শান্তি ভাৰতৰ সদ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব।"

"সেইবাবে আমি বৃটিছ চৰকাৰক এই পৰামৰ্শ দিবলৈকো অসমৰ্থ যে যি শাসন আজি ইংৰাজৰ হাতত আছে তাক দুটা সম্পূৰ্ণ বেলেগ বেলেগ সম্পূৰ্ণ প্ৰভূত্ব সম্পন্ন ৰাজ্যক গটাই দিয়া যায়।"

মিছনে অনুৰোধ কৰিলে যে নৱ-নিৰ্বাচিত ৰাজ্যিক বিধান সভাৰ সদস্যসকলৰ নিৰ্বাচন হ'ব। এই সভাই ভাৰতৰ সংবিধান তৈয়াৰ কৰিব।

এই বিষয়ত লৰ্ড ৱেৱলে এটা ভিতৰুৱা বা অস্থায়ী চৰকাৰ পতাৰ কাম কৰিব।

২১ মে'ত জিন্নাই কেবিনেট মিছনেৰে আলোচনা কৰে। তেওঁ এইটো কথাতে জোৰ দিলে যে পাকিস্তানহে একমাত্ৰ সমাধান।

কিন্তু ৪ জুনত মুছলিম লীগে কেবিনেট মিছনৰ আঁচনি মানি ল'লে।

এতিয়াসকলো সমস্যা এইটোৰ ওপৰত নিৰ্ভৰ আছিল যে কংগ্ৰেছে কি কৰিব।

দিল্লীৰ গৰম আৰু লুৰ পৰা ৰক্ষা পাবৰ বাবে কংগ্ৰেছ কাৰ্যকৰী সমিতি মুচৌৰীলৈ গুচি গ'ল আৰু নিজৰ লগতে গান্ধীজীকো লৈ গ'ল।

ভাৰতৰ দৃষ্টি মুচৌৰীৰ ওপৰতে নিবদ্ধ আছিল। কাৰ্যকৰী সমিতিয়ে গান্ধীজীৰ লগত বিচাৰ বিমৰ্ষ কৰিলে। এই বৈঠক কিমান ভাগ্য নিৰ্ণয় কৰোতা আছিল, এই কথা সেই সময়ত কোনেও নেজানিছিল।

বিদেশী সংবাদদাতা গান্ধীজীৰ পিছে পিছে গৈ মচৌৰী পালে। এজনে গান্ধীজীক সুধিলে, "যদি এদিনৰ বাবে আপোনাক ভাৰতৰ অধিনায়ক পাতি দিয়া হয় তেতিয়া আপুনি কি কৰিব?"

যদি এইজন সংবাদদাতাই এইটো আশা কৰিছিল যে গান্ধীজীৰ উত্তৰতজ্ঞ কংগ্ৰেছ চিৰ-প্ৰতীক্ষিত নিৰ্ণয়ৰ কিবা সংকেত পাব, তেতিয়া তেওঁ নিৰাশ হ'ব লগা হ'ল "মই সেইটো স্বীকাৰ নকৰো।" গান্ধীজীয়ে উত্তৰ দিলে, "কিন্তু যদি মানি লওঁ তেতিয়া সেই দিনটোত মই নতুন দিল্লীত হৰিজনসকলৰ জুপুৰিবোৰ চাফ-চিকুণ কৰা আৰু ভাইচৰয়ৰ মহলটোক হস্পিতেল সজোৱাৰ কামতে পাৰ কৰি দিম। ভাইচৰয়ৰ ইমান ডাঙৰ ভৱনটোৰ আৱশ্যকতাই বা কিয়?

"ভাল বাৰু" সংবাদদাতাই অনুচিত জিদত ধৰি ক'লে "ধৰি লওক যে তেওঁলোক আপোনাৰ অধিনায়কত্ব দ্বিতীয় দিনাও বাৰ্তাই ৰাখিলে?

গান্ধীজীয়ে হাঁহি মাৰি ক'লে "দ্বিতীয় দিনাও প্ৰথম দিনাৰ নিয়মেই থাকিব।"

কেবিনেট মিছনৰ প্ৰস্তাৱৰ ওপৰত কংগ্ৰেছৰ এতিয়ালৈকে একো প্ৰতিক্ৰিয়া বুজিব পৰা নগ'ল।

৮ জুনত গান্ধীজী নতুন দিল্লীলৈ ঘূৰি আহে, য'ত কংগ্ৰেছৰ বিচাৰ বিমৰ্ষৰ ধাৰাবাহিকতা চলিব লগা আছিল। বৃটিছ চৰকাৰৰ আঁচনিক মানি ল'বলৈ অনুৰোধ কৰিবৰ বাবে মাদ্ৰাজৰ পৰা ৰাজা গোপালাচাৰীও আহিছিল।

আৰু এসপ্তাহ পাৰ হৈ গ'ল। তথাপি কংগ্ৰেছে ই বিষয়ে কোনো কথা নকলে যে তেওঁলোকে কেবিনেট মিছনৰ কথা মানি ল'বনে বা আঁতৰাই পঠাব।

১৬ জুনত লৰ্ড ৱেৱলো ঘোষণা কৰিলে যে অস্থায়ী চৰকাৰ ৰচনা কৰাৰ প্ৰশ্নত কংগ্ৰেছ তথা মুছলিম লীগৰ মাজত বুজাবুজি হ'ব পৰা নাই, সেইবাবে তেখেতে সেই চৰকাৰৰ পদবীত ১৪ জন ভাৰতীয় নিযুক্তি দিবলৈ ধৰিছে।

কংগ্ৰেছে এতিয়া দুটা প্ৰশ্নৰ উত্তৰ দিব লগা হৈছিল। অস্থায়ী চৰকাৰত যোগ দিবনে নিদিয়ে? স্বাধীন সংযুক্ত ভাৰতৰ সংবিধানৰ আঁচনি তৈয়াৰ কৰিবৰ বাবে সংবিধান সভালৈ আহিব নে নাহে? ❑❑

গান্ধীজীৰ সৈতে দ্বিতীয়বাৰ

মই ১৯৪৬ চনৰ ২৫ জুনত নতুন দিল্লীৰ বিমান কোঠাত নামো। ভাগৰি পৰিছিলো, কিন্তু গান্ধীজীক অতি সোনকালে লগ পোৱাৰ এনে প্ৰেৰণা আহিল যে সেইটোক মই দমন কৰিব নোৱাৰিলো। মই ভাবিলো যে ভাৰতত মোৰ প্ৰথম কাম এইটোৱেই হ'ব লাগে যে গান্ধীজীৰ লগত দুআষাৰ কথা পাতো। সেইবাবে নিজৰ বয়-বস্তুবোৰ হোটেলৰ স্বাগত কক্ষতেই এৰি মই টেক্সী লৈ হৰিজন ক'লনীত থকা গান্ধীজীৰ কুটীৰলৈ যাত্ৰা কৰিলো।

গান্ধীজী কুটীৰৰ বাহিৰত প্ৰাৰ্থনা সভাত বহি আছিল। প্ৰায় এহেজাৰ লোক তাত গোট খাই আছিল। গান্ধীজীয়ে চকু মুদি আছিল। কেতিয়াবা কেতিয়াবা চকু মেলি সংগীত লগতে হাতেৰে দিবলৈ ধৰিছিল। তাতে কেইবাজনো ভাৰতীয় তথা বিদেশী সংবাদদাতাও আছিল। আৰু মৃদুলা চাৰাভাই, নেহেৰু তথা লেডী ক্ৰিপ্সো উপস্থিত আছিল।

মই প্ৰাৰ্থনা মঞ্চৰ কাঠৰ চিৰিৰ তলতে বহি পৰিলো। যেতিয়া গান্ধীজী তললৈ নামিল আৰু মোক দেখি ক'লে "অ' তুমি ইয়াত আছা। বাৰু এই চাৰি বছৰত মোৰ স্বাস্থ্য আগতকৈ ভালতো হোৱা নাই।"

"মই আপোনাৰ কথা কেনেকৈ কাটিব পাৰিম।" মই উত্তৰ দিলো। তেখেতে মুৰ তুলি হাঁহিবলৈ ধৰিলে। মোৰ বাঁউসীত ধৰি তেখেতে নিজৰ কুটীৰৰ ফালে যাবলৈ ধৰিলে। তেখেতে মোৰ যাত্ৰাৰ, মোৰ স্বাস্থ্যৰ আৰু মোৰ ল'ৰা ছোৱালীবোৰৰ কথা সুধিলে। পুনৰ বোধকৰো এইটো অনুমান কৰি যে মই কথা-বতৰা পাতিবৰ বাবে থাকিব খুজিছো, তেখেতে ক'লে "লেডী ক্ৰিপ্স ইয়াত আহি আছেহি। কি কাইলৈ ৰাতিপুৱা মোৰ লগত ফুৰিবলৈ যাবা?"

সন্ধিয়া মই মৌলানা আবুল কালাম আজাদৰ ঘৰলৈ গ'লো। তেখেতে নেহেৰু, আচফ আলি তথা কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ সদস্যসকলৰ লগত ৰাতিৰ সাজ খাবৰ বাবে মাতিছিল। এইসকল লোকক উদ্বেলিত হোৱা যেন অনুমান হৈছিল আৰু আকাশবাণীৰ চৰকাৰী খবৰবোৰ বিশেষ মনোযোগেৰে শুনি আছিল। সেইদিনা কংগ্ৰেছে নিজৰ অন্তিম নিৰ্ণয় কেবিনেট মিছনলৈ আৰু ৱেবললৈ লিখিতভাৱে পঠাই দিছিল, কিন্তু এতিয়ালৈকে সেইবোৰ ঘোষণা কৰা নাছিল।

দ্বিতীয় দিনা ৰাতিপুৱা মই বৰ সোনকালে শুই উঠিলো আৰু টেক্সী লৈ ৫-৩০ বজাত পুনৰ গান্ধীজীৰ তালৈ গ'লো আৰু তেখেতৰ লগত আধা ঘণ্টা ফুৰিলো। ১০-৩০ বজাত মই জিন্নাক লগ পাবলৈ যোৱাৰ কথা আছিল ইয়াৰ মাজতে ৯-৩০ বজাত মোক মি. ক্রিপ্সেও নিমন্ত্রণ কৰিছিল। তেওঁৰ লগত কথা-বতৰা পাতি মই সোনকালেই যাবলৈ ওলালো।

কিছু দূৰ গৈ টেক্সিয়ে থেকেচা দিলে আৰু বৈ থাকিল। শিখ ড্ৰাইভাৰে অলপ খুট-খাট কৰিলে। যেহেতু মই জিন্নাক লগ কৰাৰ সময় ওচৰ চাপি আহিল, সেইবাবে মই টাংগা ভাৰা কৰি ল'লো। আহিল, ঘোঁৰাইও জিভা উলিয়াই দিলে আৰু মই জিন্নাৰ ওচৰত ৩৫ মিনিট পলমকৈ গৈ পালো। মই বহুত ক্ষমা খুজিলো আৰু স্পষ্টীকৰণো দিলো যে কেনেকৈ টেক্সীয়ে ঠগন দিলে আৰু টাংগা লাহে লাহে চলিল।

তেওঁ হুটা মাতেৰে ক'লে— "মই আশা কৰিছো তুমি দুখ পোৱা নাই"।

টেক্সি আৰু টাংগাৰ আলোচনাৰ পৰা মুক্ত হৈ মই ক'লো— "এনে লাগিছে যেন হিন্দুস্তানে স্বাধীনতা পাব"।

জিন্নাই উত্তৰ নিদিলে। নে কিবা ক'লে। তেওঁ নিজৰ থুঁতৰি চাপৰালে আৰু তীক্ষ্ণ দৃষ্টিৰে চালে। ঠিয় হৈ হাতখন আগবঢ়াই দিলে আৰু ক'লে— "এতিয়া মোৰ যাবৰ হ'ল"।

মই সুধিলো কি মই পাছদিনা আহিব পাৰিম নেকি? নহ'ব তেখেত ব্যস্ত থাকিব। তেওঁ বোম্বাইলৈ যাবলৈ ওলাইছে। কি মই বোম্বাইত লগ পাব পাৰিম নেকি? নহ'ব তাতো তেওঁ ব্যস্ত থাকিব। এতিয়ালৈকে তেওঁ মোক দুৱাৰৰ ওচৰলৈকে লৈ আহিছিল। মই কেতিয়াও জানিব নোৱাৰিম যে তেওঁ মোৰ পলমকৈ অহা বাবে অসন্তুষ্ট হৈছিল বা ভাৰতৰ আসন্ন স্বাধীনতাৰ বিষয়ে মই কোৱা কথাষাৰত।

১ জুলাই সোমবাৰে মই আকাশী জাহাজেৰে বোম্বাই গৈ পালো। আৰু মঙলবাৰে সন্ধিয়া পুণাত ডাঃ দীনশা মেহতাৰ প্রাকৃতিক চিকিৎসা সদনলৈ গ'লো। য'ত গান্ধীজী থাকিছিল। তাত মই তিনিদিন থাকো। নেহেৰুও কিছু সময়ৰ বাবে তাত আছিল।

৫ জুলাইত মই গান্ধীজীৰ লগত বোম্বাইৰ আহিলো আৰু ৬ জুলাই তথা ৭ জুলাইত কংগ্ৰেছ মহা সমিতিৰ অধিৱেশনত থাকো।

১৬ জুলাইত মই পঞ্চগনীলৈ গ'লো আৰু তাত মই ৪৮ ঘণ্টা গান্ধীজীৰ লগত কটাওঁ।

এনে লগা নাছিল যে ১৯৪২ ৰ পাছৰ পৰা এতিয়ালৈকে বেছি বুঢ়া হৈ পৰিছে। তেখেতৰ খোজ এতিয়া আগৰ সমান দীঘলকৈ আৰু খৰকৈ নপৰিছিল, কিন্তু তেখেতে খোজকাঢ়ি ভাগৰা নাছিল আৰু দিনটোজোৰা কথা-বতৰাতো ভাগৰি পৰা নাছিল। তেখেতে সদায় প্রফুল্ল মনেৰে আছিল।

প্ৰথম প্ৰথম নতুন দিল্লীত ফুৰিবলৈ যোৱাৰ সময়ত তেখেতে ৰুচৰ লগত হোৱা যুদ্ধৰ উৰাবাতৰিবোৰৰ বিষয়ে সুধিছিল। মই কৈছিলো যে যুদ্ধৰো বিষয়ে চৰ্চাতো বহুত কিবা কিবি আছে; কিন্তু এইবোৰ কেৱল চৰ্চাহে।

"আপুনি পশ্চিমৰ ফালে মন কৰিব লাগে" —মই পৰামৰ্শ দিলো।

'মই' তেখেতে উত্তৰ দিলে— "মই ভাৰতকো বুজাব পৰা নাই। আমাৰ চাৰিওফালে হিংসাই হিংসা। মইতো খালী কাৰটুচ্‌ হওঁ"।

দ্বিতীয় মহাযুদ্ধৰ পাছত মই মনত পেলাই দিওঁ, বহুত ইউৰোপীয়ান আৰু আমেৰিকানে আধ্যাত্মিকতা কমি যোৱা অনুভৱ কৰিছে। তেখেতে তাৰ এটা চুক পূৰণ কৰিব পাৰে। ভাৰতক ভৌতিক সামগ্ৰী লাগে। তেওঁলোক এইটো কথাটোত ভ্ৰম হৈছে যে তাৰ পৰা সুখ আহিব। আমাৰ ওচৰত ভৌতিক সামগ্ৰী আছিল, কিন্তু তাৰ পৰা সুখ নাহিল। পশ্চিমে সমাধান উলিয়াবৰ বাবে হাত-ভৰি এছাৰিছে।

"কিন্তু মইতো এছিয়াবাসী হওঁ"— তেখেতে ক'লে— "কেৱল এছিয়াবাসী"। তেখেতে হাঁহিবলৈ ধৰে পুনৰ কিছু সময় ৰৈ ক'লে— "যীশুওতো এছিয়াবাসী আছিল"।

এইটো তথা আগলৈ হ'ব লগা কথাত মোৰ নিৰাশা ভৰা স্বৰ দেখা যেন লাগিব, কিন্তু তাৰ তলতে আশা ভৰা স্বৰো আছিল। যদি তেখেত ১২৫ বছৰ জীয়াই থাকে তেনেহ'লে নিজৰ কামবোৰ সম্পূৰ্ণ কৰিবলৈ তেখেতে যথেষ্ট সময় পাই যাব।

পুণাৰ প্ৰাকৃতিক চিকিৎসা সদনত মই গধূলি ৮-৩০ বজাত গৈ পালো। মোক গান্ধীজীৰ কোঠাতো দেখুৱাই দিলে আৰু মই ভিতৰলৈ গ'লো। তেখেতে তুলিৰ ওপৰত বহি আছিল আৰু তেখেতৰ সমস্ত শৰীৰ এখন বগা দুডলীয়া কাপোৰেৰে ঢকা আছিল। তেখেতে ওপৰলৈ চোৱা নাছিল। পোষ্টকাৰ্ড লিখা সমাপ্ত কৰি তেখেতে মূৰ ডাঙিলে আৰু ক'লে— "ওহো!" মই তেখেতৰ সমুখতে আঁঠু কাঢ়ি বহি পৰিলো আৰু আমি হাত মিলালো।

"তুমি ডেকান কুইনত আহিলা নেকি" —তেখেতে ক'লে। সেইখন গাড়ীততো খোৱাটোও নেপায়।"

মই ক'লো মই সেইটোলৈ কেৰেপ নকৰোঁ। মই আগতেই খোৱাৰ বাবে নিমন্ত্ৰণ পাইছিলো।

"ইয়াৰ বতৰ আচৰিত ধৰণৰ।" মই ক'লো— "আপুনি সেৱাগ্ৰামৰ গৰমৰ যন্ত্ৰণাকো সহ্য কৰিছিল"।

"নহয়" তেখেতে আপত্তি কৰিলে, সেইটো যন্ত্ৰণা নাছিল। কিন্তু নতুন দিল্লীত মই টবত বৰফ দি সেইদৰে বহিছিলো। যিদৰে তুমি সেৱাগ্ৰামত লৈছিলা। মোৰতো টবত বহি বহিয়েই মানুহৰ লগত কথা-বতৰা হোৱা আৰু চিঠি-পত্ৰ লিখিবলৈও লাজ নেলাগিছিল। ইয়াৰ পুণাৰ বতৰ ভাল লাগি যোৱা।

তৎক্ষণাত মই প্ৰশ্ন নকৰাকৈয়ে হিংসাৰ বিষয়ে বহলাই ক'বলৈ ধৰিলে। তেখেতে দক্ষিণ আফ্ৰিকাৰ যুঁজ বাগৰত এজন মানুহ মৰি যোৱাৰ, আমেৰিকাত আদিবাসীসকলক গছত বান্ধি লৈ চাবুকেৰে কোবোৱা, আমহদাবাদৰ হিন্দু-মুছলমানৰ কাজিয়াবোৰ আৰু ফেলিষ্টানৰ ইহুদীবোৰৰ কথা উল্লেখ কৰিলে। তেখেতে ক'বলৈ ধৰিলে যে যীশুৰ ইহুদী আছিল, কিন্তু তেখেত ইহুদীয়ত্বৰ সুন্দৰতম পুষ্প আছিল। যীশু চাৰিজন শিষ্যই তেখেতৰ বিষয়ে সঁচা কথা কৈছিল। কিন্তু পল ইহুদী নাছিল। তেওঁ য়ুনানী আছিল। আৰু তেওঁৰ মূৰটো বক্তৃতা তথা তৰ্কৰে ভৰি আছিল। তেওঁ যীশুক বিকৃত কৰি পেলালে। যীশুৰ ওচৰত ডাঙৰ শক্তি আছিল, প্ৰেমৰ শক্তি, কিন্তু ইচায়ীয়তা যেতিয়া পশ্চিমৰ হাত পালেগৈ তেতিয়া বিকৃত হৈ পৰিল। সেইটো বাদশ্বাহসকলৰ ধৰ্ম হৈ পৰিল।

মই যাবলৈ উঠিলো। "ভালকৈ টোপনি গৈ শোৱক" —মই ক'লো।

"মইতো সদায়েই ভালকৈ টোপনি গৈ শোওঁ। আজি মোৰ মৌন দিৱস আছিল আৰু মই চাৰি ব্যৰ শুলো। তক্তাৰ ওপৰতেই শুই থাকিলো।

"মালিচ কৰাওঁতে কৰাওঁতে" —এগৰাকী মহিলাই ক'লে। "তুমিও ইয়াতে মালিচ কৰাবা"— গান্ধীজীয়ে অনুৰোধ কৰিলে।

গধূলি খোৱাৰ পাছত মই মুকলি ছতৰ ওপৰত পাৰি থোৱা গান্ধীজীৰ বিছনাৰ ওপৰেদি গৈছিলো। দুগৰাকী মহিলাই তেখেতৰ ভৰি তথা কলাফুলকেইটা মালিচ কৰিছিল। তেখেতৰ বিছনাখন এচটা কাঠৰ তক্তাৰ আছিল, যিটোৰ ওপৰত তুলি পৰা আছিল তথা যি চটাৰ মূৰৰ শিতানৰ ফালে দুটুকুৰা ইটা লগাই থোৱা হৈছিল। আঁঠুৱা তৰি থোৱা আছিল। তেখেতে মোক মাতিলে। "মই আশা কৰিছো যে তুমি ৰাতিপুৱা সোনকালে উঠিবা, যাতে মোৰ লগত ৰাতিপুৱা জলপান খাব পাৰা" —তেখেতে ক'লে যে প্ৰথমটো জলপান ৰাতিপুৱা ৪টা বজাতে হয়।

"এইটোৰ বাবে মই ক্ষমা বিচাৰিছো।" "তেনেহ'লে দ্বিতীয়টো জলপান ৫ টা বজাত। মই মুখ বিকটালো আৰুসকলোৰে হাঁহিবলৈ ধৰিলে।

"বাৰু তেনেহ'লে তুমি ৯টা বজাত মোৰ লগত তৃতীয়টো জলপানৰ বাবে আহি লগ দিবাহি। ৬টা বজাত উঠিব পৰিবা" তেখেতে ক'লে।

মই ৰাতিপুৱা ৬-৩০ বজাত উঠিলো। যেতিয়া মই চোতালত খোজ পেলাওঁ তেতিয়া গান্ধীজীয়ে এজন ভাৰতীয়ৰ লগত কথা-বতৰা পাতি আছিল। তেখেতে মোক অভিবাদন জনালে আৰু ফুৰিবৰ বাবে ওলাই যায়।

মই মনত পেলাই দিলো— "কালি ৰাতি আপুনি কৈছিল যে পলে যীশুৰ উপদেশবোৰক বিকৃত কৰি পেলালে। কি আপোনাৰ লগৰ মানুহবিলাকেও এনেকুৱাই কৰিব নেকি?"

"এই সম্ভাৱনাক উল্লেখ কৰা তুমিয়েই প্ৰথম ব্যক্তি নোহোৱা" —তেখেতে উত্তৰ দিলে। "তেওঁলোকৰ অন্তৰত কি আছে সেইটো মই দেখিবলৈ পাইছো। অ' মই জানো যে বোধকৰো তেওঁলোকেও ঠিক তেনেকুৱা কৰাৰে যত্ন কৰিব। মই জানো যে ভাৰত মোৰ লগত নাই। বহুতো ভাৰতবাসী এনেকুৱা যে যিসকলক মই অহিংসাৰ বুদ্ধিমানীতাৰ মহত্বক স্বীকাৰ কৰাব পৰা নাই।"

তেখেতে পুনৰ দক্ষিণ আফ্ৰিকাত ক'লা লোকসকলৰ যাতনাৰ বিষয়ে বহলাই চৰ্চা কৰে। তেখেতে সুধিলে যে আমেৰিকাত নিগ্ৰোসকলৰ প্ৰতি কেনে ব্যৱহাৰ কৰা হয়। তেখেতে ক'লে 'সভ্যতাৰ নিৰ্ণয় অল্পসংখ্যকৰ লগত ব্যৱহাৰতে হয়।"

এজন বলিষ্ঠ সিংহলৰ লোকৰ দ্বাৰা মালিচ কৰোৱাৰ পাছত মোৰ ভাগৰ আতৰিল আৰু মই গান্ধীজীৰ কোঠালৈ ভুমুকিয়াই চালো। কোঠাটোত দুৱাৰ নাছিল, কেৱল এখন পৰ্দা তৰা আছিল, যিখন মই কোচাই দিলো। তেখেতে মোক দেখিলে আৰু ক'লে "ভিতৰলৈ আহি যোৱা। তুমিতোসকলো সময়তে আহিব পাৰা।" তেখেতে 'হৰিজন'ৰ বাবে লেখা লিখি আছিল। ১১ বজালৈকে মই কেইবাবাৰো ভিতৰলৈ গ'লো আৰু বাহিৰলৈ আহিলো।

ডাঃ মেহতাৰ পত্নী গুলবায়ে ফলৰ টুকুৰাৰে ভৰা বাটি আনিলে আৰু সেইটো ঢাৰিৰ ওপৰতে থৈ গ'ল। গান্ধীজীৰ তৃতীয়টো জলশন আগতেই হৈ গ'ল। সেইবাবে মই খাই খাইয়েই তেখেতৰ কথাবোৰ শুনি আছিলো। তেখেতে ক'লে যে তেখেতে ভাৰতত এখন বৰ্গহীন তথা জাতিহীন সমাজৰ নিমাৰ্ণৰ যত্ন কৰি আছে। তেখেত সেই দিনটোৰ বাবে উদ্বিগ্ন হৈছিল, যেতিয়াসকলো জাতি এক হৈ যাব তথা ব্ৰাহ্মণসকলে হৰিজনসকলৰ লগত বিয়া বাৰু পাতিবলৈ ল'ব। "মই সামাজিক ক্ৰান্তিকাৰী হওঁ।" তেখেতে দৃঢ়তাৰে ক'লে, "অসমানতাৰ পৰা হিংসাৰ তথা সমানতাৰ পৰা অহিংসাৰ উৎপত্তি হয়।"

মই জানিছিলো যে দক্ষিণ আফ্ৰিকাত ক'লা লোকসকলৰ বিৰুদ্ধে বাঢ়ি অহা ঘৃণাই তেখেতক ব্যাকুল কৰি তুলিছিল। মই ক'লো "মোৰ আশা আছে যে এই বিষয়ত আপুনি কোনো কাম নকৰে। আপুনি হিংসাশীল হয়।" তেখেতে হাঁহিবলৈ ধৰিলে। মই কৈ গ'লো, "আপোনাৰ কিছুমান উপবাস হিংসাত্মক হয়।"

"তুমি আশা কৰা যে মই কেৱল হিংসাত্মক শব্দলৈকেহে সীমিত থাকো।" তেখেতে মত প্ৰকাশ কৰিলে।

"হয়।"

"মই নেজানো যে কেতিয়া উপবাস কৰি দিওঁ।" তেখেতে ব্যাখ্যা কৰি ক'লে "এইটো নিৰ্দ্ধাৰণ কৰোতাতো ঈশ্বৰহে। মোৰতো অকস্মাতে প্ৰেৰণা আহে। কিন্তু মই লৰালৰি নকৰো। মৰিবলৈ মোৰ ইচ্ছা নাই।"

সন্ধিয়াৰ প্ৰাৰ্থনাৰ সময়ত মেঘে বৰষুণ দিবলৈ ধৰিলে। সৎ সংগীসকলে ছাতি মেলি ধৰিলে। পিছফালৰ পৰা বিৰোধৰ ধ্বনি উঠিল আৰু ছাতি জাপ খালে।

খোৱাৰ আগতে গান্ধীজীয়ে মোক লগত ফুৰিবলৈ ওলাবলৈ ক'লে। মই অলপ বিৰোধ কৰি ক'লো "বৰষুণত আপুনি ক'ত ফুৰিবলৈ যাব।"

তেখেতে বাহু মেলি ক'লে, "বুঢ়াৰাম আহা।"

যিটো নিজৰ কোঠা মোক দিয়া হৈছিল সেইটোৰ দুৱাৰ সেইখন ছতৰ ফালে আছিল য'ত গান্ধীজী শুইছিল। ৰাতি শুবলৈ যোৱাৰ সময়ত মই তেখেতৰ ওচৰেদি গ'লো। মই মনে মনে নমস্কাৰ কৰিলো, কিন্তু তেখেতে মোক মাত দিলে "আজি ৰাতি ভালদৰে শুবা। কিন্তু আমি ৪ বজাত নিজৰ প্ৰাৰ্থনাৰে তোমাক জগাই দিম।"

"মোৰ আশা নাই।" মই ক'লো আৰু তেখেতৰ ওচৰলৈ গুচি গ'লো।

তেখেতে শ্ৰীমতী মেহতাক হিন্দুস্তানীতে নে গুজৰাটিতে কথা ক'লে আৰু মোৰ এনে লাগিল যেন তেখেতে তেওঁক খং কৰিছে। পুনৰ মোক ক'লে "আমি তোমাৰ কথাই কৈ আছো। তুমি জানিবৰ বাবে ইচ্ছা কৰিছা।"

"মই অলপ অলপ বুজি পাইছো " মই উত্তৰ দিলো। "এতিয়া আপুনি মোক কৈতো দিলে কিন্তু এইটো নকলে যে আপুনি কি কথাপাতি আছিলে। এইটো আপুনি আৰু বেয়া কৰিলে। যেতিয়ালৈকে আপুনি নক'ব তেতিয়ালৈকে মই সত্যাগ্ৰহ কৰিম।"

"বৰ ভাল" তেখেতে হাঁহি হাঁহি ক'লে।

"মই গোটেই ৰাতিটো আপোনাৰ বিছনাৰ ওচৰতে বহি থাকিম।"

"বহি থাকা" তেখেতে সুৰ লগাই ক'লে।

"মই ইয়াতে বহি বহি আমেৰিকান গীত গাম।"

"বৰ ভাল কথা। তোমাৰ গানেৰে মোৰ টোপনী আহিব।"

এইটো কথাতসকলোৰে আনন্দ পালে। এতিয়ালৈ বহুত দেৰি হৈ গৈছিল, সেইবাবে মই বিদায় ল'লো। মই শ্ৰীমতী মেহতাৰে সৈতে কথা পাতিলো। গান্ধীজীয়ে এই কাৰণে খং কৰিছিল যে তেওঁ ৯ বজাৰ ঠাইত ১১ বজাত তেওঁৰ কোঠাত জলপান খাবলৈ দিলে আৰু ইয়াৰ উপৰিও মোক বিশেষ ভোজন দিলে। কাৰো লগতে বিশেষ সুবিধাৰ ব্যৱহাৰ হ'ব নেলাগে।

ৰাতিপুৱা শুই উঠি মই গান্ধীজীৰ কোঠালৈ গ'লো। তেখেতে নিজৰ লগত ফুৰিবলৈ যাবলৈ ক'লে। মই ভাৰতৰ ৰাজনৈতিক স্থিতিত আগলৈ দিব লগা খোজৰ বাবে সম্মতি বিচাৰিলো। তেখেতে আনন্দেৰে উত্তৰ দিলে "বৃটিছ চৰকাৰে বিচাৰে যে কংগ্ৰেছৰে সৈতে মিলি জুলি চৰকাৰ চলোৱাৰ কথা কওক। সকলো সংখ্যালঘু গোটবোৰে সহযোগ কৰিব।"

"কি আপুনি মুছলিম লীগৰ সদস্যসকলকো লগ লগাই ল'ব।"

"অৱশ্যে" তেখেতে উত্তৰ দিলে "মিঃ জিন্নাই অত্যন্ত মহত্বপূৰ্ণ পদ ল'ব পাৰিব।"

কিছু সময়ৰ পাছত তেখেতে ইউৰোপ আৰু ৰুচৰ বিষয়ে চৰ্চা আৰম্ভ কৰে। মই ক'লো

যে মস্কৌৰ ওচৰত সংসাৰক দিবলৈ একোৱেই নাই। সেইখনতো ৰাষ্ট্ৰীয়তাবাদী, সাম্ৰাজ্যবাদী তথা সৰ্ব-ইছলামবাদী হৈ পৰিল। এইখনৰ পৰা পশ্চিমৰ পেট পূৰণ হ'ব নোৱাৰে।

"তুমি কিয় বিচাৰিছা যে মই পশ্চিমৰ ওচৰলৈ যাওঁ?"

"পশ্চিমৰ ওচৰলৈ নেযাব। কিন্তু পশ্চিমক নিজৰ কথা কওক।"

পশ্চিমৰ লোকসকলে এইটো কিয় বিচাৰে যে মই তেওঁলোকক কওঁ যে দুই আৰু দুইয়ে চাৰি হয়? যদি তেওঁলোকে বুজি পায় যে হিংসা তথা যুদ্ধৰ পথ বেয়া তেতিয়াহ'লে এই দেখি থকা সঁচা কথাটোকে ক'বৰ বাবে মোৰ কি আৱশ্যক আছে? এইটোৰ বাদেও মোৰ কাম ইয়াত আধা কৰা হৈ পৰি আছে।"

মই ক'লো, "তথাপি পশ্চিমক আপোনাৰ আৱশ্যকতা আছে। আপুনি ভৌতিকবাদৰ প্ৰতিবাদ। সেইবাবে ষ্টেলিনবাদ তথা ৰাজ্যবাদৰ বিষৰ ঔষধ।"

নেহেৰুও কৃষ্ণ মেননৰ লগত সদনলৈ আহি পালে। গান্ধীজীয়ে মোক ক'লে "নেহেৰুৰ মস্তিস্ক বক্তৃতাময়।" নেহেৰুৱে, মেননে, ময়ে আৰু কেইজনমান আৰু লোকেৰে সৈতে বহি ভোজন কৰিলো।

নেহেৰুৰ ব্যক্তিত্বত অসীম আকৰ্ষণ, শিষ্টতা আৰু সহৃদয়তা আছে তথা নিজৰ ভাববোৰক শব্দত ব্যক্ত কৰাৰ প্ৰতিভা আছে। গান্ধীজীয়ে তেওঁক কলাকাৰ বুলি কৈছিল।

গান্ধীজীয়ে নেহেৰুক পুত্ৰৰ দৰে মৰম কৰিছিল আৰু নেহেৰুৱেও গান্ধীজীক পিতাকৰ দৰে মৰম কৰিছিল, নিজৰ তথা গান্ধীজীৰ দৃষ্টিকোণৰ গভীৰ ভিন্নতাক নেহেৰুৱে কেতিয়াও লুকুৱাই নথৈছিল। গান্ধীজীয়ে এই স্পষ্টবাদিতাক স্বাগত কৰিছিল। দুয়োৰে পাৰস্পৰিক সেই মতানৈক্যৰ ওপৰত নিৰ্ভৰ নকৰিছিল।

নেহেৰুৰ মনৰ গভীৰতাত কিবা বস্তু আৰু যিটোৱে আত্ম সমৰ্পণৰ বিদ্ৰোহ কৰে। সৰহ ভাগ ভাৰতীয় নেতাই যিদৰে সংকোচ নকৰাকৈ গান্ধীজীৰ হৈ পৰিছিল, সেইটোৰ পৰা নেহেৰুৰ হৃদয় দূৰলৈ আঁতৰিহে গৈছিল। তেওঁ শংকা কৰিছিল, তৰ্ক কৰিছিল আৰু প্ৰতিৰোধ কৰিছিল আৰু শেষত আত্ম সমৰ্পণ কৰি দিছিল। তেওঁ নিজৰ ব্যক্তিত্বৰ স্বাধীনতাৰ বাবে যুঁজিছিল। পৰাজয়ত তেওঁ জ্বলি পকি উঠিছিল। কিন্তু যদি তেওঁ হাৰ মানে তেন্তে বিনয় আৰু নম্ৰতাৰে সৈতে। গান্ধীজীয়ে তেওঁৰ দুৰ্বলতাবোৰ জানিছিল আৰু তেওঁ নিজেও নিজৰ মৰ্যাদাবোৰক অনুভৱ কৰিবলৈ ধৰে। ৰাজনীতিৰ নেহেৰু দলগত ৰাজনীতিৰ সিমান বাহিৰ হ'ব নোৱাৰিলে যিমানখিনি মহাত্মাজী আৰু পেটেল। তেওঁ সংযোজক নহয় জননায়ক ভিতৰত বলশক্তি লগাওঁতা নহয়, বাহিৰৰ বাবে সুবক্তা। তেওঁৰ কথাবোৰৰ প্ৰভাৱ বেছিকৈ বুদ্ধিমান লোকসকলৰ ওপৰহে পৰে, কিন্তু ইয়াৰ প্ৰভাৱ মগজুত নপৰি কলিজাৰ ওপৰতহে পৰে। তেওঁ সংসাৰৰ এজন অগ্ৰণী ৰাজনীতিজ্ঞ, কিন্তু ৰাজনীতিবিদ নহয়। তেওঁতো "ৰাজনীতিজ্ঞসকলৰ মাজত হেৰাই যোৱা এজন ভাল মানুহ।

নেহেৰুৰ কিতাপবোৰে আত্মাৰ সৌন্দৰ্য্য, আদৰ্শৰ উচ্চতা তথা অহংভাৱৰ কেন্দ্ৰীকৰণকে দেখুৱাই দিয়ে। গান্ধীজীক সম্পূৰ্ণ বহিৰ্মুখী যেন লাগিছিল। তেখেত নিজৰ বাবে ভাব নাছিল। নেহেৰুৱে সদায় নিজৰ সমস্যাৰে যুঁজি থাকে।

প্ৰাকৃতিক চিকিৎসা সদনত দ্বিতীয়দিনা আবেলি নেহেৰুৱে মোৰ বিছনাতে এঘণ্টামান লেপেটি কাঢ়ি বহি থাকে আৰু মই অকলশৰে চকীত বহি আছিলো। তেওঁ নিজৰ ভাল লগা কাশ্মীৰ যাত্ৰাত গৈছিল, মহাৰাজাই তেওঁৰ প্ৰবেশক বাধা দিলে। সীমান্তৰ চকীত তেওঁৰ পথত বাধা দিওঁতা বন্দুকধাৰী চিপাহীৰে তেওঁৰ টনা আজোৰা লাগে। এতিয়া তেওঁ কৈছে, "মোৰ বিশ্বাস যে যি সময়ত মই কেবিনেট মিছনেৰে সৈতে কথা বতৰাত লাগি আছিলো, সেই সময়ত বৃটিছ এজেণ্টে ভাইচৰয়ক নোসোধাকৈ মোক কাশ্মীৰত সোমোৱাত বাধা দিব নোৱাৰিলেহেঁতেন আৰু যেতিয়া এনে হ'ল, সেইবাবে এনে লগা নাই যে ইংৰাজে ভাৰত এৰি যাবলৈ সাজু হৈছে।"

নেহেৰুৱে আবেলিটোৰ কেইবা ঘণ্টাও গান্ধীজীৰ লগত অকলে কটালে। সন্ধিয়া মই গান্ধীজীৰ কোঠা লৈ গ'লো আৰু মই তেখেতক সূঁতা কাটি থকা পালো। মই ক'লো মইতো ধৰি লৈছিলো যে আপুনি সূতা কাটিবলৈ এৰি দিলে। "নহয়, মই সূঁতা কাটিবলৈ কেনেকৈ এৰিব পাৰিম?" তেখেতে ক'লে ভাৰতবাসীৰ সংখ্যা চল্লিচ কোটি। ইয়াৰ ভিতৰতে দহ কোটি সৰু ল'ৰা ছোৱালী ঘৰবাৰী নোহোৱাবোৰ এৰি দিয়া। যদি বাকী থকা ত্ৰিশ কোটিয়ে দৈনিক এঘণ্টাকৈ কাটি থাকে তেন্তে আমি স্বৰাজ পাম।"

"আৰ্থিক প্ৰভাৱৰ কাৰণে নে আধ্যাত্মিক প্ৰভাৱৰ কাৰণে।" মই সুধিলো।

"দুয়োটাই", তেখেতে ক'লে "যদি ত্ৰিশ কোটি জনতাই এবাৰ একে সমান কাম কৰে, এইবাবে নহয় যে কোনোবা হিটলাৰৰ আজ্ঞা মানি বৰং এক আদৰ্শৰ দ্বাৰা প্ৰেৰিত হৈ, তেতিয়া স্বাধীনতাপ্ৰাপ্ত কৰিবৰ বাবে আমাৰ মাজত হেতুৰ পৰ্যাপ্ত একতা আহি পৰিব।"

"যেতিয়া আপুনি মোৰ লগত কথা পতাৰ বাবে সূঁতা কটা বন্ধ কৰে তেতিয়া স্ব-ৰাজ্যক পিছলৈ ঠেলি দিয়ে।"

"সঁচা কথা" তেখেতে স্বীকাৰ কৰিলে "তুমি স্ব-ৰাজ্যক ছগজ পিছলৈ আঁতৰাই দিলা।"

দ্বিতীয় দিনা ৰাতিপুৱা গান্ধীজী আৰু তেখেতৰ প্ৰায় দহজন লগৰীয়া আৰু মই পুণা ষ্টেচনত বোম্বাইলৈ যাব লগা গাড়ীত উঠিলো। ওৰে বাটটো লেঠেৰী নিচিগা বৰষুণ দি আছিল আৰু ডবাটোৰ ছালৰ পৰা, খিৰিকীৰ ফাকেদি আৰু দুৱাৰেদিও পানী ভিতৰলৈ আহিবলৈ ধৰিলে। বাটতো কোনোবা ষ্টেচনত স্থানীয় কংগ্ৰেছ কৰ্মী গান্ধীজীৰ পৰা পৰামৰ্শ ল'বলৈ গাড়ীত উঠে। মাজে মাজে তেখেতে হৰিজনৰ বাবে লেখা লিখে আৰু বেলেগ এটা লেখা শুধৰায়। এবাৰ তেখেতে মোৰ ফালে চাই মিচিকিয়ালে আৰু দুই চাৰিটা কথা

পাতিলে। সম্পাদকীয়ৰ কাম শেষ হোৱাত তেখেতে দীঘল দিলে আৰু সোনকালেই গভীৰ টোপনি যাবলৈ ধৰিলে। তেখেতে প্ৰায় পোন্ধৰ মিনিট শোৱে।

গান্ধীজী খিড়িকীৰ ওচৰত বহি আছিল। লেঠেৰী নিচিগা বৰষুণৰ উপৰিও প্ৰতিটো ষ্টেচনতে বিশাল ভিৰ গোট খাইছিল। এটা ষ্টেচনত দুটা ল'ৰা যাৰ বয়স প্ৰায় চৌধ্য বছৰ মানৰ হ'ব, আৰু যিকেইটা মূৰৰ পৰা ভৰিলৈকে পানীৰে তিতি আছিল, গান্ধীজীৰ খিড়িকীৰ বাহিৰফালে হাত দাঙি দাঙি দৌৰিবলৈ ধৰিছিল আৰু চিঞৰিবলৈ ধৰিছিল "গান্ধীজী, গান্ধীজী, গান্ধীজী"! গান্ধীজীয়ে হাঁহিলে।

মই সুধিলো "আপুনি এওঁলোকৰ বাবে কি?"

তেখেতে বুঢ়া আঙুলি দুটা উলিয়াই দুয়োখন হাত মুঠি মাৰি কাণৰ লতিৰ ওচৰত থৈ ক'লে "শিং লগা মানুহ, এটা ফূৰ্তি।"

বোম্বাইৰ শেষ ষ্টেচনত ভীৰৰ পৰা ৰক্ষা পাবলৈ গান্ধীয়ে এটা সৰু ষ্টেচনতে গাড়ীৰ পৰা নামি গ'ল। তেখেত তথা আন কংগ্ৰেছী নেতাসকল কংগ্ৰেছ মহাসমিতিৰ বৈঠকৰ বাবে বোম্বাইত একত্ৰিত হৈছিল। এই বৈঠকত কাৰ্যকৰী সমিতিৰ সেই নিৰ্ণয়ৰ ওপৰত তৰ্ক বিতৰ্ক হোৱাৰ কথা আছিল, য'ত ভাৰতৰ সংবিধানৰ দূৰৱৰ্তী আঁচনি স্বীকাৰ কৰা হৈছিল, কিন্তু অন্তৰ্কালীন চৰকাৰত সন্মিলিত হ'বলৈ অস্বীকাৰ কৰা হৈছিল।

মহাসমিতিৰ এই দুদিনীয়া অধিৱেশন এখন ৰভাত হৈছিল। মঞ্চত বগা খাদী কাপোৰ পৰা আছিল। বগা মিহি খাদৰৰ কাপোৰ পিন্ধা নেতাসকলে তলত বহিছিল। মঞ্চৰ মাজত বাওঁফালে পিছত এখন ডাঙৰ তক্তাপোচ পাৰি থোৱা আছিল যিখনত বগা খাদৰ কাপোৰ পাৰি থোৱা আছিল। এইখন খালী হৈ আছিল। বগা চুৰীদাৰ পাইজামা, বগা কামিজ আৰু বাদামী ৰঙৰ জেকেট পিন্ধি নেহেৰুৱে অধ্যক্ষৰ ঠাইত বহিছিল। ভোটৰ অধিকাৰে পোৱা আঢ়েশ প্ৰতিনিধি ৰভাৰ তলত বহি আছিল। সেইসকলৰ উপৰিও ৰভাতলত শ শ দৰ্শক তথা বিশজনমান ভাৰতীয় আৰু বিদেশী সংবাদদাতাও আছিল।

চৰ্চা চলি থকা সময়তে এগৰাকী মহিলাই পিছফালৰ পৰা ৰভালৈ আহিল আৰু তক্তাপোচৰ ওপৰত এটা চেপেটা বাকচ থৈ গুচি গ'ল। অলপ সময়ৰ পাছতে গান্ধীজী আহিল, তক্তাপোচত বহিল আৰু বাকচটো খুলি সূঁতা কাটিবলৈ ধৰিলে।

দ্বিতীয় দিনা দেওবাৰ ৭ জুলাইত গান্ধীজীয়ে তক্তাপোচত বহি বহি সমিতিৰ আগত ভাষণ দিলে।

এইটো ভাষণ যিটো দিয়া হৈছিল আগৰে পৰা সাজু নোহোৱাকৈয়ে। 'হৰিজন'ত তথা ভাৰতৰ আনবোৰ বাতৰি কাকতত যেনেকৈ কৈছিল তেনেকৈয়ে প্ৰকাশিত হৈছিল। ইয়াৰে প্ৰায় ১৭০০ শব্দ গান্ধীজীয়ে বৰ লাহে লাহে প্ৰায় ১৫ মিনিটত কয়। ধৰি লওক তেখেতে যেন নিজৰ কুটীৰতে কোনোবা এজন মানুহৰ লগত কথাহে পাতিছে।

তেখেতে ক'লে "মোক জনোৱা হ'ল যে কেবিনেট মিছনৰ প্ৰস্তাৱবোৰৰ বিষয়ে মই আগতে কোৱা কিছু কথাই জনতাৰ মনত বহুত ভ্ৰম উপজাইছে। এজন সত্যাগ্ৰহী হোৱাৰ কাৰণে মোৰ সদায় এইটো চেষ্টা থাকে যে সম্পূৰ্ণ সত্য কওঁ, সত্যৰ বাহিৰে আৰু একো নকওঁ। মই আপোনাসকলৰ ওচৰত একো কথা লুকুৱাব নোখোজো। মানসিক গোপনীয়তাত মোৰ ঘৃণা আছে। কিন্তু ভাববোৰক ব্যক্ত কৰিবলৈ ভালতকৈও ভাল ভাষাও অপূৰ্ণ মাধ্যম হয়। যিকোনো লোকেই যিবোৰ অনুভৱ কৰে বা বিচাৰ কৰে সেইবোৰক শব্দৰ দ্বাৰা পুৰাকৈ ব্যক্ত কৰিব পৰা নেযায়। পুৰণি কালৰ ঋষি মুনিসকলেও এই অক্ষমতাৰ নিবাৰণ কৰিব নোৱাৰিলে।

"কেবিনেট মিছনৰ প্ৰস্তাৱবোৰৰ সম্বন্ধে দিল্লীৰ নিজৰ এটা ভাষণত মই এইটো নিশ্চয় কৈছিলো যে য'ত প্ৰথমে মই পোহৰ দেখা পাইছিলো তাত এতিয়াৰ অন্ধকাৰ দেখিবলৈ পাইছো। এই অন্ধকাৰ এতিয়াও আঁতৰা নাই। সম্ভৱ সেইটো আৰু গভীৰহে হৈ পৰিল। যদি মই নিজৰ পথ স্পষ্টকৈ দেখিলোহেঁতেন তেন্তে কাৰ্যকৰী সমিতিক ক'ব পাৰিলোহেঁতেন যে সংবিধান সভা সম্বন্ধীয় প্ৰস্তাৱক ঠেলা মাৰি দিয়া। কাৰ্যকৰী সমিতিৰ সদস্যসকলৰ লগত মোৰ কেনেকুৱা সম্বন্ধ সেইটো আপুনি জানে। বাবু ৰাজেন্দ্ৰ প্ৰসাদে চম্পাৰণত মোৰ দোভাষী আৰু মহৰীৰ কাম কৰে। চৰদাৰ (পেটেল) ৰ বাবে মোৰ শব্দ আইন। এই দুয়োজনে মোক কয় য'ত আগতে সুযোগবোৰত মই নিজৰ অন্তৰৰ প্ৰেৰণাৰ খোৰাক তৰ্কৰ দ্বাৰা কৰিব পাৰিছিলো আৰু তেখেতৰ মস্তিস্ক তথা হৃদয় দুয়োটাকে সন্তুষ্ট কৰিব পাৰিছিলো তাত এইবাৰ মই তেনে কৰিব নোৱাৰিলো। মই তেওঁলোকক ক'লো যে যদিও মোৰ হৃদয় আশংকাৰে ভৰি আছিল তথাপি এইবোৰৰ বাবে মই কোনো যুক্তি দিব নোৱাৰো। নহ'লে মই তেওঁলোকক কৈ দিলোহেতেন যে প্ৰস্তাৱবোৰ একেবাৰে আঁতৰাই দিয়া। নিজৰ আশংকাবোৰ তেওঁলোকৰ আগত ৰখাটো মোৰ কৰ্তব্য আছিল যাতে তেওঁলোকে সাৱধান হ'ব পাৰে। কিন্তু মই যিবোৰ কওঁ সেইবোৰৰ পৰীক্ষা তেওঁলোকে তৰ্কৰ আধাৰত কৰিব লাগে আৰু মোৰ দৃষ্টিকোণক তেতিয়া স্বীকাৰ কৰিব লাগে যেতিয়া তেওঁলোক সঁচা হোৱাটো বিশ্বাস হৈ পৰে।

"এজন সত্যাগ্ৰহীৰ পৰা মই এইটো আশা নকৰো যে তেওঁ কওক যে ইংৰাজসকলে যিবোৰ কৰি আছেসকলো বেয়া। ইংৰাজসকল লাজ লাগি যোৱাকৈ বেয়া নহয়। আমি নিজেইতো দোষতকৈ ডাঙৰ নহয়। যদি ইংৰাজসকলৰ কিবা ভাল নেথাকিলেহেতেন তেন্তে তেওঁলোকে নিজৰ বৰ্তমানৰ শক্তিলৈ যাব নোৱাৰিলেহেঁতেন তেওঁলোকে আহি ভাৰতক শোষণ কৰিলে কিয়নো আমি নিজৰ মাজতে কাজিয়া পেচাল কৰি থাকো আৰু নিজৰ শোষণ হ'বলৈ দি আছো। পৰমাত্মাৰ জগতত শুদ্ধ বেয়াটো কেতিয়াও ফলদায়ক হ'ব নোৱাৰে। য'ত চৈতানৰ ৰাজ্য তাতো ঈশ্বৰৰ শাসন আছে, কিয়নো চৈতানৰ অস্তিত্ব তেওঁৰে ইচ্ছাতে।

"আমাক ধৈৰ্য, নম্ৰতা আৰু অনাসক্তিৰ আৱশ্যক। সংবিধান সভা ফুলৰ মেজ নহয় বৰং কেৱল কাঁইটৰ শয্যা হ'ব পাৰে। আপোনালোকে তাৰ পৰা দূৰৈলৈ আঁতৰি যাব নেলাগে।

"আমি সাহ নথকা বিধৰ বুলি দেখুৱাব নেলাগে বৰং নিজৰ কামত শ্ৰদ্ধা আৰু সাহসেৰে সৈতে লাগি যাব লাগে। মোৰ হৃদয়ক যি অন্ধকাৰে বেৰি আছে সেইটোলৈ কেৰেপ নকৰিব। ঈশ্বৰে সেইটোক পোহৰলৈ সলনি কৰি দিব।"

ভাষণৰ মাজতে দুবাৰ হাত চাপৰি বজালে।

কাৰ্যকৰী সমিতিৰ প্ৰস্তাৱৰ পক্ষত ২০৪ টা ভোট হয় আৰু বিৰোধে ৫১ টা।

বাৰিষাৰ গৰম আৰু শিলেৰে ভৰা বোম্বাইত কিছুদিন থাকি মই জয় প্ৰকাশ নাৰায়ণ আৰু তেখেতৰ পত্নী প্ৰভাৱতীৰ লগত পঞ্চগনীলৈ ৰাওনা হ'লো। য'ত গান্ধীজীৰ নতুন থকা ঠাই আছিল। পুণালৈকে আমি ৰে'লত গ'লো, পুনৰ মটৰ গাড়ীত বহিলো।

জয়া প্ৰকাশেতো সন্ধিয়া সতাৰাত এখন সভাত ভাষণ দিবৰ বাবে থাকি গ'ল আৰু প্ৰভাৱতী তথা মই মটৰ গাড়ীৰে পাহাৰত উঠি আৰু কুঁৱলী ফালি, আধামান ৰাতি হোৱাত পঞ্চনগী পালোঁগৈ।

ৰাতিপুৱা প্ৰভাৱতীয়ে গান্ধীজীৰ চৰণত নিজৰ শিৰ থ'লে। তেখেতে স্নেহেৰে তেওঁৰ পিঠিত থপৰিয়ালে। ভোজনৰ সময়লৈকে জয় প্ৰকাশো আহি পালেহি। যেহেতু তাত জয়প্ৰকাশ তথা মইহে দুজন আগন্তুক আছিলো। সেইবাবে গান্ধীজীৰে সৈতে কথা-বতৰা পাতিবলৈ যথেষ্ট সময় পাওঁ।

প্ৰথমেই তেখেতে মোক সুধিলে যে মই কি দেখিলো। মই সংবিধান সভাৰ বিশ্বাসীসকল আৰু অবিশ্বাসীসকলৰ মাজত স্পষ্ট ফাট মেলা দেখা পাইছিলো।

গান্ধীজী— "মই সংবিধান সভাক অ-বিপ্লৱী বুলি নধৰো। মোৰ বিশ্বাস যে সেইটোৱে সবিনয় অৱজ্ঞাৰ স্থান পূৰাকৈ ল'ব পাৰিব।"

লুই ফিচাৰ— "আপোনাৰ ধাৰণা যে ইংৰাজসকলে সাধুতাৰ খেল খেলিছে?"

গান্ধীজী— "মোৰ ধাৰণা হৈছে যে এইবাৰ ইংৰাজে সাধুতাৰ খেল খেলিব"।

লুই ফিচাৰ— "আপোনাৰ বিশ্বাস যে তেওঁলোকে ভাৰত এৰি যাবলৈ ওলাইছে?"

গান্ধীজী— "হয়"।

লুই ফিচাৰ— "মোৰো বিশ্বাস, কিন্তু মই জয় প্ৰকাশক বিশ্বাস দিয়াব পৰা নাই। কিন্তু কল্পনা কৰক যে ইংৰাজসকল নেযায় তেতিয়া আপুনি নিজৰ উপায়ৰ বিৰোধ কৰিবনে, জয় প্ৰকাশৰ উপায়ক নকৰিব নেকি?

গান্ধীজী— "নহয় জয়প্ৰকাশ মোৰ লগত যাব লাগিব। মই তেওঁৰ প্ৰতিদ্বন্দ্বিতাত ঠিয় নহওঁ। ১৯৪২ চনত মই কৈছিলো যে মই অপৰিচিত সমুদ্ৰত যাত্ৰা কৰিবলৈ লৈছো। এতিয়া মই তেনে নকৰোঁ। তেতিয়া মই জনতাক চিনি নেপাইছিলো। এতিয়া মই জানিছো যে মই কি কৰিব পাৰিম আৰু কি কৰিব নোৱাৰিম"।

লুই ফিচাৰ— "১৯৪২ ত আপুনি নেজানিছিল যে হিংসা হ'ব"।

গান্ধীজী— "এই কথা সঁচা"।

লুই ফিচাৰ— "মানে এইটো যে যদি সংবিধান সভা অসফল হৈ যায় তেতিয়া সবিনয় অৱজ্ঞা আন্দোলন নচলাব নেকি?"

গান্ধীজী— "যদি সেই সময়লৈকে সমাজবাদী আৰু সাম্যবাদী শান্ত হৈ নপৰে, তেনেহ'লে নচলাওঁ"।

লুই ফিচাৰ— "এইটো সম্ভৱ যেন দেখা নাই"।

গান্ধীজী— "এতিয়া ভাৰতৰ বায়ুমণ্ডলত ইমান হিংসা ভৰি পৰিছে সেয়ে মই সবিনয় অৱজ্ঞাৰ কথা ভাবিব নোৱাৰো। আজি কিছুমান উচ্চ বৰ্ণৰ হিন্দুৱে হৰিজনসকলৰ লগত সততাৰে ব্যৱহাৰ কৰা নাই"।

লুই ফিচাৰ— "কিছুমান উচ্চ হিন্দুৰ প্ৰতি আপোনাৰ অভিপ্ৰায় কংগ্ৰেছৰে সৈতে?"

গান্ধীজী— "বহুত কংগ্ৰেছ লোকতো নহয়, কিন্তু যিসকলে হৃদয়ৰ পৰা অস্পৃশ্যতাক ত্যাগ কৰা নাই। সেইটোৱেই দুখৰ কথা। মুছলমানেও অনুভৱ কৰিছে যে তেওঁলোকৰ লগতো হৈ আছে। এজন গোড়া হিন্দুৰ ঘৰত এজন মুছলমানে একেখন ঢাৰিতে বহি হিন্দুৰ লগত ভোজন কৰিব নোৱাৰে"।

লুই ফিচাৰ— "কংগ্ৰেছক আপুনি বুজাব নোৱাৰিলে"।

গান্ধীজী— "নোৱাৰিলো। মই সফল নহ'লো। মই অসফল হৈ পৰিলো। কিন্তু তথাপি কিবা পোৱা হ'ল। মাদুৰাই তথা বেলেগ কিবা তীৰ্থস্থানত হৰিজন মন্দিৰবোৰলৈ যাবলৈ ধৰিছে। সেই মন্দিৰবোৰতে উচ্চবৰ্ণৰ লোকে পূজা কৰে।

ৰাতিপুৱা বেলাৰ কথা-বতৰা ইমানতে সমাপ্ত হৈ পৰিল।

গান্ধীজীয়ে 'পোহৰ ভিতৰত পেলাই'ছিল আৰু আনৰ দোষ দেখাৰ সলনি পোহৰৰ শিখাই কংগ্ৰেছ আৰু হিন্দুসকলৰ বেয়াবোৰ দেখুৱাই দিয়াত সহায় কৰিছিল। কিছুমান হিন্দুৱে এইটো পচন্দ কৰা নাছিল আৰু জিন্না আৰু ইংলণ্ডক দোষ দিছিল।

দুপৰীয়া জয়প্ৰকাশ এঘণ্টা গান্ধীজীৰ লগত থাকে।

জয়প্ৰকাশ— "কংগ্ৰেছে দেশৰ প্ৰতি সংগঠিত কৰা নাই। আজিৰ কংগ্ৰেছত যোগ্যতাৰ স্থান নাই। জাতি-কুটুম্ব আৰু সম্বন্ধীয়ৰহে মহত্ব। এইটোৱেই কাৰণ যে আমি সংবিধান সভালৈ নেযাওঁ। আমাৰ এনে লাগিছে যে কংগ্ৰেছ কাৰ্যকাৰিতা এক প্ৰকাৰৰ বিৱশতাত হেঁচা খাইছে। 'যদি মোৰ ব্ৰিটিছৰ প্ৰস্তাৱক স্বীকাৰ নকৰোঁ তেন্তে কি কৰিব পাৰিব'। এইটো তেখেতে কোৱা কথা। এইটো দুৰ্বলতাৰ চিনাকি। তেখেতে বিচাৰে যে ব্ৰিটিছে মুছলিম লীগ আৰু কংগ্ৰেছৰ মাজত বুজাবুজিৰ পথ উলিয়াওক। আমি ইংৰাজসকলক ক'ব পাৰিলোহেঁতেন। 'আপোনাসকল যাওক। আমি নিজেই সমাধান কৰি ল'ম।' যদি ইংৰাজে এইটো পচন্দ নকৰে তেন্তে আমাক জেলত ভৰাব পাৰিলেহেঁতেন।"

গান্ধীজী— "জেলতো চোৰ আৰু ডকাইতসকলৰ বাবে। মই বাবেতা সেইটো মহল। থাঁৰোক পঢ়াৰ আগতে মই জেললৈ যোৱাৰ কথা উলিয়াইছিলো। টলষ্টয়ে এখন ৰুছ ভাষাৰ চিঠিত লিখিছিল যে মই এটা নতুন বস্তু বিচাৰিছো। এগৰাকী ৰাছিয়ান মহিলাই কেইখন অনুবাদ কৰি মোলৈ পঠাইছিল। মই জেলৰ ভিতৰৰ পৰাই চৰকাৰৰে সৈতে যুঁজ কৰিছিলো। জেললৈ গ'লে স্বৰাজ আহিব পাৰে যদিহে তাৰ পিছৰ সিদ্ধান্ত সঁচা হয়, কিন্তু আজি-কালি জেললৈ যোৱাটো এটা ধেমালি হৈ পৰিছে।"

জয় প্ৰকাশ নাৰায়ণ— "আজিতো আমি ইংৰাজসকলক জেললৈ পঠাব লাগে"।

গান্ধীজী— "কিয়? কেনেকৈ? এইটোৰ একো আৱশ্যক নাই। এইটোতো এটা ভাষাৰ অলংকাৰ আৰু তোমাৰ দৰে ব্যক্তিৰ মুখৰ পৰা ওলাব নেলাগে। হিংসাত্মক যুদ্ধৰ পাছতো এইটোৰ আৱশ্যাক নহ'ব। এইটো সুৰতে চাৰ্চিলে কৈছিল যে তেওঁ হিটলাৰৰ লগত এনেকুৱাই কৰিব আৰু নাৎসী যুদ্ধত অভিযুক্তসকলৰ মোকৰ্দমাক মূৰ্খতা আৰু দুষ্টতা চোৱা। অভিযুক্তসকলৰ মোকৰ্দমা কৰোঁতাসকলৰ কিছুমান সিমানেই অভিযুক্ত।"

কেইখনমান ৰাজ্যত কংগ্ৰেছে চৰকাৰ পাতি লৈছিল আৰু গান্ধীজী আৰু জয় প্ৰকাশে চাই আছিল যে তাত কেনেদৰে ভ্ৰষ্টাচাৰ বাঢ়ি আছে।

যি বেদনাই গান্ধীজীক শেষ কৰিলে, সেইটো পথতেই তেখেতৰ ভৰি পৰিবলৈ ধৰিছিল।

আবেলি গান্ধীজীয়ে মোক এঘণ্টাতকৈও বেছি সময় দিলে। আমেৰিকাৰ হব্‌চিসকলৰ সমস্যাৰ ওপৰত অলপ পৰ কথা-বতৰা পতাৰ পাছত মই ক'লো, "ভাৰতলৈ অহাৰ পাছত মই ইয়াত কিছু বুদ্ধিমান লোক লগ পাইছো"।

গান্ধীজী— "আহ, কি তুমি লগ পাইছা? বহুত নহ'ব।"

লুই ফিচাৰ— "আপুনি তথা আৰু দুই তিনিজন"। তেখেতে হাঁহিবলৈ ধৰে। "কোনোৱে কয় যে হিন্দু-মুছলিম সম্বন্ধৰ শুধৰণি হৈছে, কোনোৱে কয় বেয়াহে হৈছে।"

গান্ধীজী— "জিন্না তথা আন মুছলিম নেতাসকল এটা সময়ত কংগ্ৰেছী আছিল। তেওঁলোকে কংগ্ৰেছ এৰি দিলে, কিয়নো মুছলমানসকলৰ প্ৰতি হিন্দুসকলে কৃপালুৰ দৰে কৰা ব্যৱহাৰে তেওঁলোকক উদ্বিগ্ন কৰিছিল। মুছলমানসকল ধৰ্মান্ধ কিন্তু ধৰ্মান্ধতাৰ উত্তৰ অহংকাৰেৰে দিব পৰা নাযায়। অশিষ্ট ব্যৱহাৰ খং তোলাওঁতা হয়। কংগ্ৰেছলৈ প্ৰতিভাশীল মুছলমানসকলৰ ঘৃণা উপজিল। তেওঁলোকে হিন্দুসকলৰ ওচৰত ভাতৃত্বৰ ব্যৱহাৰ নেপালে। তেওঁলোকে কয় যে ইছলাম মানুহৰ ভাতৃত্ব। বাস্তৱতে তেওঁলোকে মুছলমানৰহে ভাতৃ। কংগ্ৰেছ আৰু লীগৰ মাজত ফাট মেলোৱা অৱস্থালৈ অনাত হিন্দুৰ ভেদ-ভাবে ভাগ ল'লে। জিন্না দুষ্ট প্ৰতিভাশালী। তেওঁ নিজক নিজে অৱতাৰী বুলি ভাবে।

লুই ফিচাৰ— "তেওঁ এজন উকীল"।

গান্ধীজী— "তুমি তেওঁৰ লগত অন্যায় কৰিছা। ১৯৪৪ চনত মই তেওঁৰ লগত ১৮ দিনে মোৰ কথা-বতৰাবোৰ পাতিলো। মই তোমাক তাৰ সাক্ষী দিছো। তেওঁ সঁচাকৈয়ে নিজকে মুছলমানৰ ত্ৰাণকৰ্তা বুলি ভাবে।"

লুই ফিচাৰ— "মুছলমানসকল প্ৰকৃতি আৰু সাহসৰ ধনী। তেওঁলোক সহৃদয় আৰু মৈত্ৰীপূৰ্ণ হয়"।

গান্ধীজী— "হয়"।

লুই ফিচাৰ— "কিন্তু জিন্না খহটা। তেওঁ পাতল মানুহ। তেওঁতো সমস্যাবোৰৰ ওকালতি কৰে, দাবীবোৰৰ ব্যাখ্যা নকৰে।

গান্ধীজী— "মই মানি লওঁ যে তেওঁ পাতল মানুহ। কিন্তু মই তেওঁক কপটীয়া বুলি নেভাবো। তেওঁ সহজ-সৰল মুছলমানসকলক যাদু মাৰি থৈছে"।

লুই ফিচাৰ— "হিন্দুত্বৰ চাপ লাগি থকা কংগ্ৰেছে মুছলমানসকলক কেনেকৈ লগত ল'ব পাৰিব?"

গান্ধীজী— "পলকতে অস্পৃশ্যসকলক সমানতা দি"।

লুই ফিচাৰ— "মই শুনিছো যে হিন্দুসকল আৰু মুছলমানসকলৰ মাজৰ সম্পৰ্ক কম হৈ আহিছে"।

গান্ধীজী— "ওপৰৰ স্তৰত ৰাজনৈতিক সম্পৰ্ক কমি আহিবলৈ ধৰিছে"।

লুই ফিচাৰ— "১৯৪২ চনত জিন্নাই মোক কৈছিল যে আপুনি স্বাধীনতা নিবিচাৰে"।

গান্ধীজী— "তেতিয়াহ'লে মই কি বিচাৰিছো?"

লুই ফিচাৰ— "তেওঁ কৈছিল যে আপুনি হিন্দু ৰাজ্য বিচাৰে"।

গান্ধীজী— "সেইটো সম্পূৰ্ণ ভুল কথা কৈছে। ইয়াত অকণো তথ্য নাই। মই মুছলমান হওঁ, হিন্দু হওঁ, বৌদ্ধ হওঁ, খ্ৰীষ্টান হওঁ, ইহুদী হওঁ, পাৰসী হওঁ। যদি তেওঁ কৈছে যে মই হিন্দু ৰাজ্য বিচাৰো তেন্তে তেওঁ মোক নেজানেই। তেওঁৰ এই কথাত সত্যতা নাই। তেওঁ ধৰি লোৱা এজন সৰু উকীলৰ দৰে কথা কৈছে। এনে আৰোপ কোনোবা উন্মাদ লোকেহে লগাব পাৰে। মোৰ বিশ্বাস যে মুছলিম লীগ সংবিধান সভাত মিলিত হ'বহি। কিন্তু শীৰ্ষসকলে না কৰি দিলে। শিখসকল ইহুদীৰ দৰে অৰিয়ল হৈ থাকে।

লুই ফিচাৰ— "আপুনিও ওৰিয়ল হয়"।

গান্ধীজী— "মই?"

লুই ফিচাৰ— "আপুনি ওৰিয়ল মানুহ হয়। আপুনি জেদী হয়। আপুনিসকলো বস্তুকে নিজৰ দৃষ্টিৰে চাই। আপুনি মৃদু স্বভাৱৰ অধিনায়ক"।

গান্ধীজী— "অধিনায়ক? মোৰ ওচৰত কোনো সত্বা নাই। মই কংগ্ৰেছক সলনি কৰিব নোৱাৰিলো। তেওঁলোকৰ বিৰুদ্ধে আপত্তিৰ মোৰ ওচৰত এখন সূচীপত্ৰ আছে"।

লুই ফিচাৰ— "ওঠৰ দিন জিন্নাৰ লগত থাকি আপুনি কি বুজিব পাৰিলে"।

গান্ধীজী— "মই জানিব পাৰিলো যে তেওঁ চঞ্চল মনৰ মানুহ। চঞ্চল মানুহে কেতিয়াবা কেতিয়াবা চঞ্চলতা এৰি দিয়ে আৰু বুদ্ধিমান হৈ পৰে। তেওঁৰ লগত হোৱা কথা-বতৰাবোৰৰ বাবে মোৰ কোনো আপচোচ নাই। মই ইমান জেদী কেতিয়াও হোৱা নাই যে শিকিবলৈ অমান্তি হৈ পৰিলো। মোৰসকলো সফলতা এডাল জখলাৰ দৰে হৈ পৰিছে। জিন্নাৰ লগত মই এইবাবেই আগবাঢ়িব নোৱাৰিলো যে তেওঁ চঞ্চল, কিন্তু কথা-বতৰাৰ সময়ত তেওঁৰ ব্যৱহাৰে মুছলমানসকলৰ অন্তৰতো তেওঁৰ প্ৰতি বিতৃষ্ণা জন্মাই দিয়ে"।

লুই ফিচাৰ— "তেনেহ'লে সমাধান কি?"

গান্ধীজী— "জিন্নাই এতিয়া পাঁচিছ বছৰ আৰু কাম কৰিব লাগিব"।

লুই ফিচাৰ— "তেওঁতো আপোনাৰ সমানে সমানে জীয়াই থাকিবলৈ বিচাৰে"।

গান্ধীজী— "তেনেহ'লে যেতিয়ালৈকে মই ১২৫ বছৰৰ হ'মগৈ তেতিয়ালৈকে তেওঁ জীয়াই থাকিব লাগিব"।

লুই ফিচাৰ— "তেন্তে আপুনি নমৰাই ভাল। নহ'লে তেওঁ মৰি থাকিব আৰু আপোনাৰ হত্যাৰ দোষ লাগিব (হাঁহি)। তেওঁ আপোনাৰ মৃত্যুৰ দ্বিতীয় দিনাই মৰি থকিব।

গান্ধীজী— "জিন্নাক পথভ্ৰষ্ট কৰিব নোৱাৰে আৰু তেওঁ বাহাদুৰ লোক। যদি জিন্না সংবিধান সভালৈ নেযায় তেন্তে ইংৰাজসকলো দৃঢ় হ'ব লাগিব আৰু মোক অকলেই আঁচনিক কাৰ্যকৰী কৰিবলৈ দিয়া দৰকাৰ। ইংৰাজসকলে জিন্নাৰ বলেৰে কৰিব খোজা কামৰ ওচৰত মূৰ দোৱাব নেলাগিব। চাৰ্চিলে হিটলাৰৰ ওচৰত মূৰ দোঁওৱা নাছিল"।

২৮ জুলাইত মহাত্মাজীৰ লগত মোৰ অন্তিম কথা-বতৰা হয়। মই ক'লো— "যদি কাৰ্যকৰী সমিতিয়ে আপোনাৰ 'আন্ধাৰত খেপিয়াই ফুৰা'ৰ দৰে অথবা আপোনাৰ কথাৰে আপোনাৰ অন্তঃপ্ৰেৰণাৰ অনুসাৰে চলা হ'লেতো তেওঁলোকে সংবিধান সভাৰ কেবিনেট মিছনৰ আঁচনিক দলিয়াই দিলেহেঁতেন?"

গান্ধীজী— "হয়, কিন্তু মই এইটো হ'বলৈ নিদিলো"।

লুই ফিচাৰ— "আপোনাৰ উদ্দেশ্য নে কি আপুনি লিখিত নকৰিলে"।

গান্ধীজী— "ইয়াতকৈও অধিক। মই তেওঁক নিজৰ অন্তঃপ্ৰেৰণা অনুসৰি চলাত বাধা দিলো, যেতিয়ালৈকে নেকি তেওঁৰো এনেকুৱা নেলাগে। এইটোৰ কল্পনা কৰি একো লাভ নাই যে কি হ'লহেঁতেন। তথ্য এয়ে যে ডাঃ ৰাজেন্দ্ৰ প্ৰসাদে মোক সুধিলে 'কি আপোনাৰ অন্তঃ প্ৰেৰণা ইমান দূৰলৈকে যায় যে লাগে আমি সেইটো বুজো বা নুবুজো, আপুনি আমাক আঁতৰত থকা প্ৰস্তাৱক মানি লোৱাত বাধা দিব?' মই উত্তৰ দিলো 'নহয় আপুনি নিজৰ বুদ্ধি অনুসৰি চলক, কিয়নো মোৰ নিজৰ বুদ্ধিয়ে মোৰ অন্তঃপ্ৰেৰণাক সমৰ্থন নকৰে। মোৰ অন্তঃপ্ৰেৰণাই মোৰ বুদ্ধিৰে সৈতে বিৰোধ কৰে। মই নিজৰ আশংকা আপোনাৰ আগত কৈ

দিলো, কিয়নো মই আপোনাক ফাঁকি দিবলৈ বিচৰা নাই। যেতিয়ালৈকে মোৰ বুদ্ধিয়ে সহায় নকৰে তেতিয়ালৈকে মই নিজে অন্তঃপ্ৰেৰণা অনুসৰি নচলো।

লুই ফিচাৰ— "কিন্তু আপুনিতো মোক কৈছিল যে যেতিয়াই আপোনাৰ অন্তঃপ্ৰেৰণাই মাত দিয়ে তেতিয়া আপুনি সেই অনুসাৰে চলে। যেনেকৈ নেকি আপুনি উপবাসৰ আগতে কৰে।"

গান্ধীজী— "হয়, কিন্তু এনেকুৱা অৱস্থাটো উপবাস আৰম্ভ হোৱাৰ আগতে মোৰ বুদ্ধি মজুত থাকে।"

লুই ফিচাৰ— "তেন্তে আপুনি বৰ্তমান ৰাজনৈতিক স্থিতিত নিজৰ অন্তঃপ্ৰেৰণাক কিয় ভিতৰত সুমুৱাই থয়?"

গান্ধীজী— "মই এনে কৰা নাই। কিন্তু মই বিশ্বাসী হৈ থাকিলো। মই কেবিনেট মিছনৰ সততাত নিজৰ আস্থা বজাই ৰাখিবলৈ বিচাৰিছিলো। সেই বাবে মই কেবিনেট মিছনক কৈ দিলো যে মোৰ অন্তঃপ্ৰেৰণাত আশংকা আছে।"

লুই ফিচাৰ— "কি এইটো অৰ্থ যে কেবিনেট মিছনৰ ধাৰণা সঁচা আছিল?"

গান্ধীজী— "প্ৰথমতে মই তেওঁলোকক যি প্ৰমাণ পত্ৰ দিছিলো তাৰ এটা শব্দও ঘুৰাই ল'বলৈ নিবিচাৰিছিলো।"

লুই ফিচাৰ — "এতিয়া আপুনি ডাঙৰ বৈধানিকতাবাদী হৈ পৰিল, কিয়নো আপোনাৰ হিংসালৈ ভয়।"

গান্ধীজী— "মোৰ ক'ব লগা এয়ে যে আমি সংবিধান সভালৈ গৈ তাৰ ব্যৱহাৰ কৰিব লাগে। যদি ইংৰাজ কপটীয়া হয় তেন্তে তেওঁলোকৰ ফোপোলা অৱস্থাটো ওলাই পৰিব। হানি আমাৰ নহ'ব, তেওঁলোকৰ তথা মানৱতাৰ হে হ'ব।"

লুই ফিচাৰ — "মোৰ ধাৰণা যে আপুনি আজাদ্ হিন্দ ফৌজ তথা সুভাষচন্দ্ৰ বসুৰ ভাৱনালৈ ভয় কৰে। সেইটো চাৰিওফালে বিয়পি পৰিছে। তেওঁ নৱযুৱকসকলৰ কল্পনাক মুহি পেলাইছে আৰু আপুনি সেইটো জানে আৰু তেওঁ মনৰ এই অৱস্থালৈ ভয় কৰে। নবযুৱক বংশানুক্ৰমে ভাৰতৰ বাবে বলিয়া।"

গান্ধীজী— তেওঁ দেশৰ কল্পনাক নাই মোহা। এইটো অতিশয়োক্তি। অ' নৱযুৱকসকল তথা মহিলাসকলৰ এটা শ্ৰেণী তেওঁৰ অনুগামী। সৰ্বশক্তিমান পৰমাত্মাই হিন্দুসকলক দয়ালুতা বিশেষভাৱে দিছে। 'দয়ালু হিন্দু' শব্দৰ প্ৰয়োগ নিন্দাসূচকভাৱে কোৱা যায়। কিন্তু মই এইটোক সন্মানৰ শব্দৰ দৰে লওঁ, যেনেকৈ চাৰ্চিলৰ শব্দত 'নওঠা ফকীৰ'। মইতো এনে শব্দবোৰক প্ৰশংসাসূচক বুলি মানি লৈছো আৰু এই বিষয়ে মই চাৰ্চিলকো ল'লো। মই চাৰ্চিলক ক'লো যে মইতো নওঠা ফকিৰ হ'বলৈ চাম, কিন্তু এতিয়ালৈকে হ'ব পৰা নাই।

লুই ফিচাৰ— "কি চাৰ্চিলে কিবা উত্তৰ দিলেনে?"

গান্ধীজী— "অ', তেখেতে ভাইচৰয়ৰ জৰিয়তে প্ৰাপ্তি স্বীকাৰ কৰিলে, কিন্তু তথাকথিত সভ্যতাৰে চুব নোৱাৰা আৰু অভ্ৰষ্ট, অস্বাভাৱিকতা ৰহিত মহিলাসকল মোৰ লগত আছে।"

লুই ফিচাৰ— "কিন্তু আপুনি বসুৰ প্ৰশংসক। আপোনাৰ বিশ্বাস যে তেওঁ জীৱিত আছে।"

গান্ধীজী— "বসু সম্বন্ধীয় কথাবোৰক মই প্ৰোত সাহন নিদিওঁ। মই তেওঁৰ সহমতত নাছিলো। এতিয়া মোৰ বিশ্বাস নহয় যে তেওঁ জীৱিত আছে।"

লুই ফিচাৰ— "মোৰ যুক্তি এইটো যে বসু জাৰ্মানী আৰু জাপানলৈ যায়। এই দুয়োখনেই ফেচিষ্টবাদী দেশ। যদি তেওঁ ফেচিষ্টবাদৰ সমৰ্থক আছিল তেন্তে আপোনাৰ তেওঁৰ লগত একো সহানুভূতি থাকিব নোৱাৰে। যদি তেওঁ দেশভক্ত আছিল আৰু বুজিছিল যে জাৰ্মানী আৰু জাপানে ভাৰতক ৰক্ষা কৰিব তেন্তে তেওঁ সুখী আছিল আৰু ৰাজনীতিজ্ঞসকল মুৰ্খ হোৱাটো বেয়া।"

গান্ধীজী— "বুজিব পাৰিছো যে ৰাজনীতিজ্ঞসকলৰ বিষয়ে তোমাৰ বৰ বঢ়িয়া মতামত আছে। সৰহ সংখ্যক ৰাজনীতিজ্ঞ মূৰ্খ হয়। মই বহুত অসুবিধাৰ বিৰুদ্ধে কাম কৰিব লগাত পৰিছে। হিংসাৰ ক্ৰিয়াশীল প্ৰবৃত্তি বিয়পি আছে যিটোৰ প্ৰতিদ্বন্দ্বিতা কৰিব লাগে আৰু মই নিজৰ ধৰণেৰে চলি আছো। মোৰ পূৰ্ণ বিশ্বাস যে এই অতীতৰ শেষ আছে, যিটো সময় পাই নিজৰেই হাতত মৰি থাকিব। এইটো জীয়াই থাকিব নোৱাৰে। এইটো ভাৰতৰ ভাবনাৰ বিপৰীতেতো হয়েই। কিন্তু কথা কৈ থাকিলে কি লাভ? মইটো এক ৰহস্যপূৰ্ণ দৈৱক বিশ্বাস কৰো। যিজন আমাৰ ভাগ্যৰ বিধাতা আপুনি তেওঁক ঈশ্বৰ বুলিয়েই মাতক বা কিবা আন নামেৰে।" ❑❑

নোৱাখালিৰ মহান যাত্ৰা

কংগ্ৰেছ অস্থায়ী চৰকাৰৰ লগত সম্মিলিত হ'বলৈ অমান্তি হ'ল। কিয়নো জিন্নাৰ জেদৰ বাবে লৰ্ড ৱেৱলে তেওঁক এটা পদত মুছলমানক মনোনীত কৰাৰ অধিকাৰ নিদিলে। এইটো সঁচা যে ৱেৱলে ৰাজহুৱাভাৱে কৈ দিছিল যে অন্তৰ্কালীন চৰকাৰৰ ৰচনাক আগলৈ উদাহৰণ হিচাপে মানি লোৱা নেযাব। কংগ্ৰেছৰ ভয় আছিল যে এইটো উদাহৰণ হৈ পৰিব আৰু তেওঁলোক জিন্নাৰ এই অধিকাৰক মানিবলৈ দৃঢ়তাৰে অসন্মত হ'ল যে সেইটোৱে মন্ত্ৰীমণ্ডলত কংগ্ৰেছী মুছলমানৰ নিযুক্তিৰ বাধা হ'ব পাৰে।

সেই অনুসাৰে ৱেৱলে কংগ্ৰেছ তথা লীগৰ পৰা নিজৰ নিজৰ প্ৰাৰ্থীৰ তালিকা পঠাবলৈ পুনৰ ক'লে, কিন্তু কংগ্ৰেছৰ ইচ্ছা অনুসৰি এইটো স্পষ্ট কৰি দিলে যে কোনো পক্ষই দ্বিতীয় পক্ষৰ মনোনীতক বাধা দিব নোৱাৰিব। এইটোৰ বাবে জিন্নাই অস্থায়ী চৰকাৰত সম্মিলিত হোৱাৰ নিমন্ত্ৰণ অস্বীকাৰ কৰি দিলে। ১৯৪৬ চনৰ ১২ আগষ্টত ৱেৱলে নেহেৰুক চৰকাৰ গঠন কাৰ্যভাৰ সপিলে। নেহেৰুৱে যিখন চৰকাৰ গঠন কৰিলে এজন হৰিজনেৰে সৈতে ছজন কংগ্ৰেছী হিন্দু, এজন খৃষ্টান, এজন শিখ, এজন পাৰসী আৰু দুজন মুছলমান, যিকেইজন লীগত নাছিল, ল'লে। ৱেৱলে ঘোষণা কৰিলে যে মুছলিমে যদি বিচাৰে তেন্তে নিজৰ পাঁচ বছৰ সদস্যৰ নাম অস্থায়ী চৰকাৰৰ বাবে দিব পাৰে। জিন্নাই একো গুৰুত্ব নিদিলে।

মুছলিম লীগে ১৬ আগষ্টত 'পোনপটীয়া কাৰ্যতৎপৰতাৰ দিন' পালন কৰে। কলিকতাত চাৰিদিন ভীষণ কাজিয়া-পেচাল হ'ল।

২৪ আগষ্টৰ সন্ধিয়া চিমলাত চাৰ চফাত আহমদখাক চুৰি মাৰি হত্যা কৰি দিলে। তেওঁ নেহেৰুৰ অস্থায়ী চৰকাৰত যোগ দিবৰ বাবে মুছলিম লীগৰ পৰা ইস্তফা দি দিছিল।

২ ছেপ্টেম্বৰত নেহেৰু ভাৰতৰ প্ৰধান মন্ত্ৰী হয়।

গান্ধীজীয়ে দুই ছেপ্টেম্বৰত নতুন দিল্লীৰ মেতৰৰ গাঁৱত থাকিছিল। সেই দিনা তেখেতে ৰাতিপুৱা বৰ সোনকালে উঠে আৰু নতুন চৰকাৰৰ কৰ্তব্যৰ বিষয়ে নেহেৰুলৈ পত্ৰ লিখে। ভাৰতৰ ইতিহাসত এইখন এখন মহান পত্ৰ আছিল। নিজৰ প্ৰাৰ্থনা সভাত সন্ধিয়া

তেখেতে ক'লে আৰু ইংৰাজসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিলে। তেখেতৰ মনত উল্লাস নাছিল। "সোনকালতকৈ সোনকালে আপোনাসকলৰ হাতলৈ সমস্ত শক্তি আহি পৰিব।" তেখেতে দৰ্শকসকলক কথা দিলে "যদি প. নেহেৰুৱে আপোনালোক নোহোৱাকৈ তাজমহলৰ বাদশ্বাহ বা প্ৰধান মন্ত্ৰী, তথা তেওঁৰ লগৰীয়াসকলে নিজৰ কৰ্তব্য পালন কৰে। মুছলমান হিন্দুসকল ককাই ভাই। যদিও তেওঁলোক এতিয়ালৈকে চৰকাৰ নাই, আৰু ভায়েকে খণ্ডৰ পোতক খণ্ডেৰে নোতোলে।

কিন্তু জিন্নাই ২ ডিচেম্বৰৰ দিনটো 'শোকৰ দিৱস' বুলি ঘোষণা কৰি দিলে।

গান্ধীজীয়ে এই সংকেতক ভুলকৈ পঢ়া নাছিল। তেখেতে ৯ ছেপ্টেম্বৰত ক'লে "এতিয়ালৈকে আমি গৃহ যুদ্ধত সোমোৱা নাই, কিন্তু সেইটোৰ ওচৰ চাপি আহি আছে।" ছেপ্টেম্বৰ মাহটোৱেই বোম্বাইত গুলিয়াগুলি আৰু চুৰি মৰামৰিৰ ঘটনা হৈ থাকিল। পঞ্জাবটো অশান্তি বিয়পি পৰিল। বেংগল আৰু বিহাৰ মাৰকাটত কঁপি উঠিল।

ভাৰতৰ এনে অশান্ত পৰিস্থিতিত ভয়ভীত হৈ ৱেৱলে মুছলিম লীগক চৰকালৈ অনাৰ প্ৰচেষ্টা দুগুণে কৰিলে। জিন্না শেষত মান্তি হ'ল আৰু তেওঁ চাৰিজন মুছলিম লীগৰ সদস্যক তথা অস্পৃশ্যাক নিযুক্ত কৰে।

দুয়োটা জাতিৰ মাজত একেৰাহে মৰাকটাবোৰৰ বিৰুদ্ধে গান্ধীজীয়ে প্ৰতিদিনে প্ৰচাৰ কৰি আছিল। তেখেতে ক'লে "কিছু লোকৰ আনন্দ যে হিন্দু এতিয়া ইমান বলশালী হৈ পৰিল যে তেওঁলোকক মৰাৰ চেষ্টা কৰোতাসকলকো তেওঁলোকে মাৰিব পাৰে। মইতো এইটোহে ভাল বুলি ভাবিম যে হিন্দুসকলে প্ৰতিশোধ নোলোৱাকৈ মৰি থাকক।"

বহুত কংগ্ৰেছী মন্ত্ৰী আৰু তেওঁলোকৰ সহায়কসকল তথা ৰাজ্যিক অধিকাৰীয়ে হৰিজন বস্তিত গান্ধীজীৰ কুটীৰত পৰামৰ্শ ল'বলৈ গৈছিল। গান্ধীজী 'মহা প্ৰধান মন্ত্ৰী' আছিল।

হিন্দু মুছলিমে বিবাদৰ বাঢ়ি থকা জুইয়ে গান্ধীজীক শান্তিত উশাহ ল'বলৈ দিয়া নাছিল, কিন্তু মানৱ জীৱসকলৰ ওপৰত তেখেতৰ আস্থা গঢ় লৈ উঠিছিল।

বলিয়া হোৱা মানুহৰ মাজত এতিয়া গান্ধীজীয়ে দেৱত্বৰ অনুসন্ধান কৰিবলৈ ধৰিলে।

অক্টোবৰত পূব বেংগলৰ নোৱাখালি তথা টিপ্‌ৰা গাঁও অঞ্চলত হিন্দুৰ ওপৰত মুছলমানৰ ব্যাপক আক্ৰমণ হ'ল। এইটোত মহাত্মাজী ইমান ভয়ভীত হৈ পৰিল, যিমান চহৰৰ কাজিয়াবোৰত হোৱা নাছিল। এতিয়ালৈকে ভাৰতৰ গাঁওবোৰত দুয়োটা জাতিৰ লোকসকলে মিলি জুলি আছিল। এতিয়া যদি জাতীয় বিদ্বেষ গাঁওবোৰতো বিয়পি পৰিল তেন্তে ৰাষ্ট্ৰৰ সৰ্বনাশ হৈ পৰিব। গান্ধীজীয়ে খেলি মেলি লগা ঠাইবোৰলৈ যোৱাৰ সিদ্ধান্ত ল'লে। মিত্ৰসকলে তেখেতৰ ধাৰণাক সলনি কৰিবলৈ চেষ্টা কৰিলে, কিন্তু তেখেতে উত্তৰ দিলে, "মইতো এইটো জানো যে যেতিয়ালৈ মই তাতগৈ নেপামগৈ তেতিয়ালৈকে মই

শান্তি নেপাম।” তেখেতে মানুহবোৰক ক'লে যে ষ্টেচনত তেখেতক বিদায় দিবলৈ আহিব নেলাগে।

কিন্তু মানুহৰ ভিৰ পাই গ'লগৈ। চৰকাৰে তেখেতৰ বাবে বিশেষ গাড়ীৰ ব্যৱস্থা কৰি দিলে। পথত প্ৰতিটো ডাঙৰ ষ্টেচনতে বিশাল জন-সমুদায়ে গাড়ী বেৰি ধৰিলে। এনে ধৰণৰ চিঞৰ-বাখৰৰ পৰা ভাগৰি-জুগৰি গান্ধীজীয়ে পাঁচ ঘণ্টা পলমকৈ কলিকতা গৈ পালে।

যিদিনা গান্ধীজীয়ে দিল্লীৰ পৰা ৰাওনা হৈছিল সেইদিনা কলিকতা সাম্প্ৰদায়িক সংঘৰ্ষত বত্ৰিশজন মানুহ মৰিছিল। কলিকতা গৈ পোৱাৰ দ্বিতীয় দিনা ব্যৱহাৰিকতাৰ বাবে বেঙ্গলৰ গভৰ্ণৰ ছাৰ ফ্ৰেড্ৰিক বৰোজক লগ কৰে আৰু পুনৰ বেঙ্গলৰ প্ৰধানমন্ত্ৰী শ্ৰীহচন চুৰাবৰ্দীৰ তাত বহুত সময় থাকে। দ্বিতীয় দিনা ৩১ অক্টোবৰত তেখেতে চুৰাবৰ্দীৰ লগত কলিকতাৰ লণ্ড ভণ্ড হোৱা পথবোৰত যাত্ৰা কৰে। মনুষ্যক পশুতকৈ তললৈ নমোৱা সামূহিক পাগলামিৰ নিৰাশাপূৰ্ণ ভাবনাই গান্ধীজীক অভিভূত কৰি পেলালে, কিন্তু তথাপি তেখেঁত আশাবাদী হৈয়ে থাকে।

এতিয়া তেখেত নোৱাখালিলৈ গৈ আছিল, য'ত মুছলমানসকলে হিন্দুসকলক হত্যা কৰিছিল, হিন্দুসকলক বলেৰে মুছলমান কৰিছিল, হিন্দু মহিলাসকলক বলাৎকাৰ কৰিছিল তথা হিন্দুৰ ঘৰবোৰ আৰু মন্দিৰবোৰ জ্বলাই দিছিল। গান্ধীজীয়ে কৈছিল “এইটো পীড়িতা নাৰীত্বৰ চিঞৰ, যিটোৱে মোক বাধ্য কৰি নোৱাখালিলৈ মাতিছে। যেতিয়ালৈকে কাজিয়াবোৰৰ অন্তিম ফিৰিঙতি নুমাই নেযায় তেতিয়ালৈকে মই বেঙ্গল এৰি নেযাওঁ। যদি আৱশ্যক হয় মই ইয়াতে মৰি যাম। কিন্তু অসফলতা স্বীকাৰ নকৰো।”

প্ৰাৰ্থনা সভাত গান্ধীজীয়ে কোৱা এই কথাষাৰে কিমান যে শ্ৰোতাৰ চকুত চকুপানী আহিলে।

কিন্তু দুখী মহাত্মাজীৰ কাৰণে এতিয়াও আৰু সন্তাপ বাকী আছিল। নোৱাখালিৰ ঘটনাবোৰে বিহাৰত হিন্দুৰ ৰোষ আৰু জ্বলাই দিছিল। ২৫ অক্টোবৰত ‘নোৱাখালি দিৱস’ পালন কৰে। যোৱা সপ্তাহ ‘লণ্ডন টাইমচ্'ৰ দিল্লীত থকা সংবাদদাতাৰ বিৱৰণ অনুসাৰে, কাজিয়া কৰোতাসকলৰ দ্বাৰা ৪৫৮০ জন মানুহ মাৰি পেলালে। গান্ধীজীয়ে পাছত এই সংখ্যা দহ হাজাৰকৈও বেছি বুলি অনুমান কৰিছিল। মৰোতাসকলৰ সৰহ সংখ্যক মুছলমান আছিল।

বিহাৰৰ অত্যাচাৰৰ খবৰ কলিকতাত গান্ধীজীৰ ওচৰ আহি পালে আৰু তেখেত বহুত দুখীত হ'ল। তেখেতে বিহাৰিসকলৰ নামত এটা সংবাদ পঠালে, “মোৰ সপোনৰ বিহাৰে সেইটোক মিছা কৰি পেলাইছে। এনেকুৱা নহওক যাতে যি বিহাৰে কংগ্ৰেছৰ প্ৰতিষ্ঠা বঢ়াবৰ বাবে ইমান কাম কৰিলে তাতেইসকলোতকৈ আগতে সেইটোৰ কবৰ খান্দোতা ওলাই পৰে।”

এইবোৰৰ প্ৰায়চিত্তস্বৰূপে গান্ধীজীয়ে ঘোষণা কৰিলে যে 'কমতকৈ কম ভোজন কৰিব' আৰু 'যদি পথভ্ৰষ্ট বিহাৰি লোকে নতুন অধ্যায়ৰ আৰম্ভ নকৰে তেন্তে এইটো 'আমৰণ অনশন' হৈ পৰিব।

বিহাৰৰ ভীষণতাবোৰৰ ফলস্বৰূপে বেংগলত প্ৰতিশোধৰ আশংকাই নেহেৰু আৰু পেটেল তথা লিয়াকৎ আলিখাঁ আৰু অব্দুৰব নিস্তৰ আকাশী যানেৰে দিল্লীৰ পৰা কলিকতা গৈ পালে। লৰ্ড ৱেবলো আহিল। ভয় আছিল যে ঈদৰ উৎসৱত মুছলমানসকলৰ ধাৰ্মিক আবেশ জানোচা জলি উঠে।

কলিকতাৰ চাৰিওজন মন্ত্ৰী বিহাৰলৈ গ'ল। নেহেৰুৱে যিবোৰ দেখিলে তথা শুনিছিল সেইবোৰতে খং উঠি তেওঁ ধমকি দিলে যে যদি হিন্দুসকলে কটামৰা বন্ধ নকৰে তেন্তে তেওঁ বিহাৰত আকাশী যানেৰে বোমা পেলাই দিব। কিন্তু গান্ধীজীয়ে আলোচনা কৰিলে, "এইটো ইংৰাজৰহে ব্যৱহাৰ। সেনাৰ সহায়ত কাজিয়াক দমন কৰি তেওঁলোকে ভাৰতৰ স্বাধীনতাকো পিছ হুহকাব।"

নেহেৰুৱে ঘোষণা কৰিলে যে যেতিয়ালৈকে বিহাৰত শান্তি স্থাপিত হৈ নেযাব, তেওঁ তাৰ পৰা নেযায়। পাঁচ নৱেম্বৰত গান্ধীজীয়ে তেওঁলৈ এখন চিঠি পঠালে, যিখনত লিখিলে, "বিহাৰৰ বাতৰিবোৰে মোক জোকাৰি পেলাইছে। যিটো শুনা গৈছে তাৰ আধাও যদি সত্য হয় তেন্তে সেইটোৰ পৰা বুজা গৈছে যে বিহাৰে মানৱতাক পাহৰি পেলালে। মোৰ অন্তৰৰ আহ্বান 'এনেধৰণৰ বিবেকশূন্য হত্যাকাণ্ডক চাবলৈ তুমি জীয়াই তুমি জীয়াই নেথাকিবা। কি এইটোৰ অৰ্থ এয়ে নহয় নে যে তোমাৰ দিন উকলিল'? এই তৰ্কই মোক অকণো নোৰোৱাকৈ উপবাসৰ ফালে লৈ গৈছে।"

কলিকতাত তথা আন ঠাইবোৰতো ঈদ শান্তিপূৰ্ণভাৱে পাৰ হৈ গ'ল। মহাত্মাজীয়ে বিহাৰৰ পৰা সন্তোষজনক বতৰা পালে। তেখেতৰ কৰ্তব্য নোৱাখালিত আছিল, য'ত মুছ মানসকলৰ কটামৰাৰ আগেদি হিন্দু দৌৰি পলাইছিল। ভয় স্বাধীনতা আৰু লোকতন্ত্ৰৰ শত্ৰু। অহিংসাত্মক সাহসে হিংসাৰ বিষক মাৰি পেলাব পাৰে। তেখেতে নোৱাখালিৰ হিন্দুসকলৰ আগত সাহসী হৈ তেওঁলোকক সাহসৰ পাঠ শিকাব। ইমানেই মহত্বৰ কথা এইটো আছিল যে গান্ধীজীয়ে জানিবলৈ বিচাৰিছিল তেখেতে মুছলমানৰ ওপৰতো প্ৰভাৱ পেলাব পাৰেনে নোৱাৰে। যদি অহিংসা, অ-প্ৰতিৰোধ তথা ভাতৃত্বৰ ভাবনা মুছলমানলৈকে পোৱাই দিব নোৱাৰে তেন্তে স্বাধীন, সংযুক্ত ভাৰত কেনেকৈ হ'ব?

গান্ধীজীয়ে ক'লে, "ধৰি লওক, মোক কোনোবাই মাৰি পেলালে তেতিয়া সলনি হিচাপে আন কাৰোবাক মাৰিলে তুমি একো নেপাবা। আৰু যদি তুমি এই বিষয়টো ভালকৈ ভাবি চোৱা তেন্তে বুজিব পাৰিবা যে গান্ধীক গান্ধীৰ বাহিৰে আৰু কোনে মাৰিব পাৰিব? আত্মাক কোনেও নষ্ট কৰিব নোৱাৰে।

কি তেখেতে ভাবিছিল নেকি নোৱাখালিত কোনোবা মুছলমানে তেখেতক মাৰি পেলাব? কি তেখেতৰ এইটো কথাৰে ভয় আছিল নেকি প্ৰতিশোধৰ ভাবনাৰে হিন্দুৱে গোটেই দেশতে মুছলমানসকলক কাটি পেলাব?

নোৱাশালিলৈ যাবৰ বাবে ইমানেই অধিক ছাতি-ফুটি লাগিছিল যে ৰ'ব পৰা নাছিল।

গান্ধীজীয়ে ৬ নৱেম্বৰত কলিকতাৰ পৰা নোৱাখালিলৈ ৰাওনা হ'ল। নোৱাখালি ভাৰতৰ আটাইতকৈ দুৰ্গম অংশ। সেই ঠাই গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ মিলিত হোৱা আৰ্দ্ৰতাময় ভূমিত স্থিত। যাতায়ত আৰু দৈনিক জীৱন যাত্ৰা সম্বন্ধীয় কথাবোৰ অতি কষ্টকৰ। বহুত গাঁৱলৈ নাৱেৰেহে যাব পাৰি।

জিলাখনৰ বাট-পথবোৰত গৰুগাড়ীৰে অহা যোৱা কৰিবও পৰা নেযায়। সেইডোখৰ ৪০ মাইলৰ জোৰা এডোখৰ ভূমিখণ্ড, যি ঠাইত ২৫ লাখ মানুহ আছে শতকৰা ৮০ শতাংশ ভাগ মুছলমান। গৃহ যুদ্ধ আৰু ধাৰ্মিক কটুতাৰে তাৰ টুকুৰা টুকুৰ হৈ পৰিছিল। কিছুমান গাঁওতো বিধংস হৈ পৰিছিল। গান্ধীজীয়ে এই দূৰবৰ্তী ক্ষেত্ৰৰ দ্বাৰা প্ৰস্তুত ভৌতিক বা আধ্যাত্মিক আহ্বানক জানি বুজিয়েই মানি লৈছিল। তেখেতে কেইবা মাহো ধৈৰ্য্য ধৰিলে। ৫ ছেপ্টেম্বৰত তেখেতে নোৱাখালিৰ পৰা লিখিলে, মোৰ বৰ্তমান উদ্দেশ্য মোৰ জীৱনৰ ডাঙৰ কঠিন আৰু জটিল উদ্দেশ্য। মইসকলো প্ৰকাৰৰ সম্ভৱনাৰ বাবে উদ্যত হৈছো। 'কৰো বা মৰো'ৰ ইয়াত কষটি শিলত লগোৱা। 'কৰা'ৰ এইটো অৰ্থ যে মুছলমান আৰু হিন্দুৱে শান্তি আৰু সদ্‌ভাৱেৰে মিলি জুলি থাকিব। এইটোৰ যত্নৰ বাবেই মই প্ৰাণৰ বাজি লগাই দিম।"

গান্ধীৰ লগত বেংগলৰ কেইজনমান মন্ত্ৰী আৰু গান্ধীজীৰ সচিব তথা সহায়ক নোৱাখালিলৈকে যায়। গান্ধীজীয়ে নিজৰ শিষ্যসকল গাঁৱত সিচৰিত কৰি দিলে আৰু নিজৰ লগত প্ৰো. নিৰ্মল কুমাৰ বসু, পৰশুৰাম তথা মনু গান্ধীক ৰাখিলে।

তেখেতে ক'লে যে নিজৰ খোৱা-বোৱাখিনি নিজেই তৈয়াৰ কৰি ল'ব আৰু নিজৰ মালিচ নিজেই কৰিব। মিত্ৰসকলে বিৰোধ কৰি ক'লে যে মুছলমানসকলৰ পৰা সুৰক্ষাৰ বাবে তেখেতৰ লগত পুলিচ থাকিবই লাগে। তেখেতে ক'লে যে তেখেতৰ ডাক্তৰ শূশীলা নায়াৰো তেখেতৰ ওচৰত থাকিব নেলাগে। কিন্তু নহয়, তেখেত, তেখেতৰ ভায়েক প্যাৰেলাল, সুচেতা কৃপালনী, আভা আৰু মনুসকলো একেলগ হৈ গাঁৱত বহি ল'ব; এনেকুৱা গাঁৱত য'ত প্ৰায় বিৰোধী আৰু অকলশৰে আছিল আৰু তাত নিজৰ প্ৰেমৰ উদাহৰণেৰে সেই ঠাইৰ হিংসা নিৰ্মূল কৰে। প্যাৰেলাল মেলেৰিয়া জ্বৰত পৰিছিল। তেওঁ গান্ধীজীলৈ এটা টোপোলা পঠালে যে কি তেওঁক চোৱাচিতা কৰিবৰ বাবে শূশীলা তেওঁৰ ওচৰত থাকিব পাৰিব নেকি? গান্ধীজীয়ে উত্তৰ দিলে, "যেয়ে গাঁৱলৈ যাবলৈ বিচাৰে, তেওঁ এইটো ভাবলৈ যাব লাগে যে জীয়াই থাকিম বা মৰি যাম। যদি তেওঁ বেমাৰ পৰে তেন্তে তেওঁ তাতেই

ভাল হোৱা দৰকাৰ নহ'লে তাতেই মৰিব লাগে। তেতিয়াহে যোৱাৰ কিবা অৰ্থ থাকিব। ব্যৱহাৰিক দৃষ্টিত ইয়াৰ অৰ্ত এইটোৱেই যে তেওঁ গাঁৱলীয়া চিকিৎসাবোৰেৰে বা প্ৰকৃতিৰ পঞ্চ তত্বৰেই সন্তুষ্ট হ'ব লাগে। ডাঃ শূশীলাৰ ওচৰত চোৱাচিতা কৰিবলৈ নিজৰ গাঁওখন আছে। তেওঁ সেৱা শুশ্ৰূষা এইটো সময়ত আমাৰ দলৰ সদস্যসকলৰ বাবে নহয়। তেওঁক পুব বেংগলৰ গাঁওবাসীসকলৰ বাবে আগৰে পৰাই বন্ধকত থোৱা হৈছে।" তেখেতে নিজেই নিজৰ ওপৰত এনেধৰণৰ নিৰ্মম আৰু কঠোৰ অনুশাসন লগাই লৈছিল।

নোৱাখালিৰ যাত্ৰাত গান্ধীজী উনপঞ্চাচখন গাঁৱলৈ যায়। তেখেতে ৰাতিপুৱা চাৰিটা বজাত উঠে, তিনিচাৰি মাইল শুদা ভৰিৰে খোজকাঢ়ি গৈ এখন গাঁৱত সোমায়গৈ, তাত মানুহবোৰৰ লগত কথা-বতৰা পাতে আৰু একেৰাহে প্ৰাৰ্থনা কৰি এদিন বা দুদিন থাকে, পুনৰ আগত থকা গাঁওখনলৈ যাবলৈ ধৰে। গাঁৱত গৈ পাই তেখেতে কোনোবা এজন গাঁৱলীয়া পঁজাত আৰু কোনোবা মুছলমানৰ পঁজালৈ যায় আৰু কয় যে তেওঁ তেখেতক তথা তেখেতৰ লগৰীয়াসকলক নিজৰ তাত ৰাখক। কেতিয়াবা নেৰাখিলেই লেইলেই ছেই ছেই কৰিলে আগলৈ গৈ বেলেগ পঁজাত চেষ্টা কৰে। তেখেতে স্থানীয়ভাৱে পাব পৰা শাক-পাচলি, ফলমূল আৰু যদি পোৱা যায় ছাগলীৰ গাখীৰ তাকে খাই দিন কটাইছিল। ১৯৪৬ চনৰ ৭ নৱেম্বৰৰ পৰা ১৯৪৭ চনৰ ২ মাৰ্চ পৰ্যাপ্ত তেখেতৰ জীৱন তাতেই আছিল। তেখেতৰ বয়স সাতসত্তৰ বছৰ অলপতে পূৰা হৈছিল।

বাটপথবোৰত খোজ কঢ়াত কষ্ট হৈছিল। তেখেতৰ ভৰিৰ গোৰোহাকিটা ফাটি গৈছিল। কিন্তু তেখেতে চেণ্ডেল অতি কমেইহে পিন্ধিছিল। নোৱাখালিৰ কাজিয়া এইবাবেই সৃষ্টি হৈছিল যে তেখেতে মানুহক অহিংসাৰে চিকিৎসা কৰাত সফল হ'ব নোৱাৰিছিল। সেইবাবে এইটো তেখেতৰ প্ৰায়চিত্তৰ বাবে কৰা যাত্ৰা আছিল আৰু প্ৰায়চিত্ত কৰিবলৈ ওলোৱা যাত্ৰীয়ে জোতা নিপিন্ধে। বিৰোধী তত্বই কেতিয়াবা কেতিয়াবা তেখেতৰ বাটত ভগাচিগা, কাঁইট আৰু লেতেৰা বস্তু সিঁচি দিছিল। তেখেতে তেওঁলোকক দোষ দিয়া নাছিল, ৰাজনীতিৰ লোকেহে তেওঁলোকক উচতাই দিছিল। কিছুমান ঠাইত পিতনীৰ ওপৰত দি থোৱা দলঙেৰে পাৰ হ'ব লগা হৈছিল। এইবোৰ দলঙত বাঁহৰ দহ পোন্ধৰ ফুট ওখ পেঙৰ ওপৰত চাৰি পাঁচডাল শকত শকত বাঁহ বান্ধি তৈয়াৰ কৰা হৈছিল। এই কুৰূপ, লৰচৰ কৰি থকা দলংবোৰত হাতেৰে ধৰি পাৰ হ'বলৈ এডাল আৰু বাঁহৰ হেতামাৰি আছিল কিন্তু এইবোৰো কিছুমান দলং থাকে, কিছুমানত নেথাকে। এবাৰ গান্ধীজীৰ ভৰি পিছলি গৈ তলৰ পিতনিত পৰিব লগা হৈছিল, কিন্তু তেখেতে তৎপৰতাৰে নিজক চম্ভালি ল'লে। এনেবোৰ দলঙক ভালে-কুশলে আৰু কোনো বিপদ নোহোৱাকৈ পাৰ হ'বৰ বাবে তেখেতে তলেদি দলঙত যোৱাৰ অভ্যাস কৰে।

হিন্দু মহিলাসকলৰ ধৰ্ম সলনি কৰাবৰ বাবে মুছলমানে তেওঁলোকৰ হাতৰ খাৰুবোৰ

ভাঙি পেলাইছিল আৰু তেওঁলোকৰ শিৰৰ সেন্দুৰ মচি পেলাইছিল। হিন্দু পুৰুষসকলৰ ডাড়ি ৰাখিবলৈ আৰু মুছলমানৰ দৰে লুঙি পিন্ধিবলৈ আৰু কোৰাণ পঢ়িবলৈ বাধ্য কৰাইছিল। মূৰ্তিবোৰ ভাঙি পেলাইছিল আৰু মন্দিৰবোৰ ভ্ৰষ্ট কৰি পেলাইছিল।সকলোতকৈ বেয়া কাম এইটো কৰা হৈছিল যে হিন্দুৰ হতুৱাই গৰু কটাইছিল আৰুসকলোকে মাংস খুৱালে।

প্ৰথমতে গান্ধীজীৰ কেইজমান সহযোগীয়ে পৰামৰ্শ দিলে যে তেখেতে হিন্দুসকলক জোৰ দিয়ক যে তেওঁলোকে সংকটগ্ৰস্ত অঞ্চলবোৰ এৰি অন্যান্য ৰাজ্যবোৰত গৈ বসতি কৰক। গান্ধীজীয়ে এনে ধৰণৰ পৰা জয়ৰ ভাবনাবোৰক অতি আবেশেৰে সৈতে অস্বীকাৰ কৰিলে। খেতি কৰা ঠাইবোৰৰ সলনা সলনি কৰাটোৱে এইটো মানি লোৱাৰ সমান হ'ব যে ভাৰতে সম্মিলিতভাৱে থকাটো অসম্ভৱ।

নোৱাখালিৰ সমস্যাৰ অধ্যয়ন কৰাৰ পাছত গান্ধীজীয়ে সিদ্ধান্ত ল'লে যে প্ৰত্যেক গাঁৱতে এজোকন মুছলমান আৰু এজোকন হিন্দু বাচি উলিয়াব লাগে, যিজনে গাঁৱৰসকলো বাসিন্দাৰ সুৰক্ষাৰ নিশ্চয়তা দিব পাৰে আৰু আৱশ্যক হ'লে সেইসকলৰ ৰক্ষাৰ বাবে মৃত্যুও বৰণ কৰিব পাৰে। এই উদ্দেশ্যৰে তেখেতে দুয়োটা সম্প্ৰদায়ৰ লোকসকলৰ লগত কথা বতৰা পাতিলে। এবাৰ তেখেতে এটা জুপুৰীৰ মজিয়াত মুছলমানসকলৰ মাজত বহি অহিংসাৰ মহত্বৰ বিষয়ে ব্যাখ্যান দি আছিল। সূচতা কৃপালনীয়ে এখন কাগজ দিলে, যিখনত লিখা আছিল যে তেখেতৰ সোফালে বহি থকা লোকজনে অলপতে হৈ যোৱা কাজিয়াবোৰত কেইবাজনো হিন্দুক হত্যা কৰিছিল। গান্ধীয়ে লাহেকৈ হাঁহিলে আৰু কৈ যাবলৈ ধৰে। নহ'লে হত্যাকাৰীক ফাঁচীত তুলি দিয়া— আৰু গান্ধীজীৰ ফাঁচীৰ ওপৰত বিশ্বাস নাছিল— নহ'লে তেওঁক দয়ালুতাৰে ভালদৈ অনাৰ যত্ন কৰা। যদি তুমি তেওঁক জেলত ভৰোৱা তেন্তে বেলেগ আহিব। কিন্তু গান্ধীজীয়ে জানিছিল যে তেখেতে এটা সামাজিক ৰোগৰ চিকিৎসা কৰিব লাগে, এজন বা বহুজন লোকৰ নিৰ্মূল কৰি পেলালেই এই ৰোগ নোহোৱা হৈ যোৱাৰ কথা নাছিল। সেইবাবে গান্ধীজীয়ে তেওঁক ক্ষমা কৰি দিছিল আৰু তেওঁক কৈ দিছিল আৰু হিন্দুসকলকো কৈছিল যে তেওঁক ক্ষমা কৰি দিয়া। তেখেতে কৈছিল যে তেখেত নিজেই অপৰাধী কিয়নো তেখেতে হিন্দু-মুছলমানৰ বৈমনশ্য দূৰ কৰাত অসফল হৈছে।

এই সংসাৰখনেই এনেকুৱা বৈমনশ্যৰে ভৰি আছে।" কিন্তু মই তোমাক কৈছো, নিজৰ শত্ৰুক মৰম কৰা, যি তোমাক অভিশাপ দিয়ে তেওঁক আশীৰ্বাদ দিয়া, যিজনে তোমাক ঘৃণা কৰে তেওঁৰ উপকাৰ কৰা, আৰু যিজনে তোমাক বেয়া ব্যৱহাৰ কৰে তোমাক হত্যা কৰে তেওঁৰ বাবে প্ৰাৰ্থনা কৰা। কিয়নো যিজনে তোমাক মৰম কৰে তেওঁকহে মৰম যদি কৰা তেন্তে অত কি বৈশিশ্যতা থাকে!" এনেদৰে যীশুখৃষ্টই ক'লে। গান্ধীজীয়ে সেইটোকে ব্যৱহাৰ কৰিলে।

এখন গাঁৱলৈ গান্ধীজীয়ে নিজৰ শিষ্যা আমতুচ চলামক পঠাইছিল। তেওঁ দেখিলে যে এইখন গাঁৱৰ মুছলমানে নিজৰ হিন্দু চুবুৰীয়াসকলৰ লগত এতিয়ালৈকে দুৰ্ব্যৱহাৰ কৰি আছে। ফিলিপ্স টেলবাৰ্টে লিখিছে "গান্ধীবাদী পৰম্পৰা অনুসাৰে আমতুচ্ চালামে সিদ্ধান্ত ল'লে যে যেতিয়ালৈকে মুছলমানসকলে এঘৰ হিন্দুৰ ঘৰৰ পৰা লুটি অনা বলিকটা দাখন ঘূৰাই নিদিয়ে তেতিয়ালৈকে খোৱা বন্ধ কৰিব। দাখনতো পোৱা নগ'ল সম্ভৱ সেইখন কোনোবা পুখুৰীত পেলাই দিছিল। যি হ'ব লগা হ'ল, যেতিয়া আমতুচ্ চলামৰ অনশনৰ পাঁচিচ দিনৰ দিনা গান্ধীজী আহি সেই গাঁও পালে তেতিয়া সেই ঠাইৰ ব্যাকুল হৈ পৰা মুছলমান বাসিন্দাসকলে যিকোনো কথাকে মানি ল'বলৈ সাজু আছিল। কেইবা ঘণ্টা ধৰি আলোচনাৰ অন্তত গান্ধীজীয়ে গাঁৱৰ মুখীয়ালসকলৰ পৰা এই প্ৰতিজ্ঞা লিখোৱাই ল'লে যে তেওঁলোক পুনৰ কেতিয়াও হিন্দুসকলক বিৰক্ত নকৰে।"

গান্ধীজী আৰু তেখেতৰ লগৰীয়াসকলে বৰ বিৰুদ্ধ পৰিস্থিতিত কাম কৰি আছিল। যাত্ৰাৰ আৰম্ভণিতে তেখেতৰ প্ৰাৰ্থনা সভাত মুছলমানলোক বহুত জমা হৈ গৈছিল, কিন্তু ৰাজনীতিকসকলে মুছলমানসকলৰ এনে আচৰণক ভাল নেপালে। মোল্লাসকলে এইটো বিৰুদ্ধে ফতোৱা জাৰি কৰিলে। তেওঁলোক আৰোপ লগালে যে গান্ধীজীয়ে সৎ লোকসকলক মিচা শপত লিখাই আছে। গান্ধীজীৰ প্ৰতি মুছলমানসকলৰ আকৰ্ষণক ৰাজনৈতিক মুছলমানসকলেও ভাল নেপাইছিল আৰু ধাৰ্মিক মুছলমানসকলেও ভাল নেপাইছিল। এবাৰ সাক্ষাৎকাৰত গান্ধীজীয়ে কৈছিল, "মই নিজৰ লোকসকল কৈ দিছো যে সেনা বা পুলিচৰ সহায়তাৰ ওপৰত নিৰ্ভৰ কৰিব নেলাগে। তোমালোকে লোকতন্ত্ৰ স্থাপিত কৰিব লাগে আৰু সেনা তথা পুলিচৰ ওপৰত নিৰ্ভৰতা লোকতন্ত্ৰৰে সৈতে মিল নেখায়।" তেখেতে মানুহৰ মানসিকতাৰ সলনি কৰি সেই ঠাইত সুৰক্ষাৰ ভাব ওপজাবলৈ চাইছিল। তেখেতে এজন মিত্ৰক ক'লে "যদি এই কথাটো পূৰা হৈ যায় মোৰ বাবে মোৰ জীৱনৰ সহান বিজয় হ'ব। মই বেংগলৰ পৰা পৰাজিত হৈ উভতি যাবলৈ বিচৰা নাই। যদি আৱশ্যক হয় তেন্তে মই নিজেই হত্যাকাৰীৰ হাতত জীৱন দি দিম।"

কেতিয়াবা কেতিয়াবা তেখেতৰ আটাইতকৈ ওচৰ সম্পৰ্কত থকা সহকৰ্মীয়েও ভয় কৰিছিল জানোচা দূৰদূৰণিৰ গাঁৱত তেওঁ অকলশৰীয়াকৈ থাকোতে কিবা বিপদতে পৰে। গান্ধীজীয়ে তেওঁলোকক নিৰ্দেশ দিছিল "তোমালোকে মিছাকৈ বিপদত পৰিব নেলাগে, কিন্তু স্বাভাৱিকভাৱে যিকোনো সমস্যা আহি পৰে যদি তাৰ মুখামুখি হ'ব লাগিব।"

৬ জানুৱাৰীত গান্ধীজীৰ মৌন দিৱস আছিল আৰু তেখেতৰ প্ৰাৰ্থনাৰ ব্যাখ্যান শ্ৰোতাসকল পঢ়ি শুনোৱা হ'ল। সেইদিনা তেখেত চণ্ডীপুৰত আছিল আৰু তেখেতে নিজে তালৈ অহাৰ অভিপ্ৰায় ক'লে "মোৰ সমুখত এটাই উদ্দেশ্য আৰু সেইটো সম্পূৰ্ণ স্পষ্ট। সেইটো এয়ে যে ঈশ্বৰে হিন্দু তথা মুছলমানসকলৰ হৃদয়বিলাক শুদ্ধ কৰক আৰু দুয়োটা

জাতিয়ে তেওঁলোকৰ মাজত থকা সন্দেহ তথা ভয়ৰ পৰা মুক্ত হৈ যাওক। আপোনালোকে এই প্ৰাৰ্থনাত মোৰে সৈতে একেলগ হওক আৰু কওক যে পৰমাত্মা আমাৰ দুয়োটা জাতিৰে আৰু তেওঁ আমাক সফল কৰক।

এনে কৰিবলৈকে তেখেতে ইমান দূৰৰ পৰা কিয় আহিব লগা হ'ল?

"মোৰ উত্তৰ যে নিজৰ এই যাত্ৰাত মই নিজৰ শক্তি অনুসাৰে গাঁওবাসীক এইটো আশ্বাস দি খুজিছো যে মোৰ হৃদয়ত কাৰো প্ৰতি লেখমানো বেয়া ভাব নাই। এনেকুৱা মই সেই লোকসকলৰ মাজত থাকি আৰু ঘূৰি ফুৰিহে প্ৰমাণিত কৰিব পাৰিম। যিসকলে মোৰ ওপৰত অবিশ্বাস কৰে।"

এইখন গাঁৱতে গান্ধীজীয়ে খবৰ পালে যে কাজিয়া হোৱা দিনবোৰত যিসকল হিন্দুৱে ঘৰবাৰী এৰি পলাই গৈছিল, তেওঁলোক ঘূৰি অহাটো আৰম্ভ কৰিছে। আনহাতেদি তেখেতৰ প্ৰাৰ্থনা সভাত উপস্থিতি কম হৈ আহিবলৈ ধৰে। "কিন্তু" নিজৰ ব্যাখ্যানৰ নিজেই ৰিপোৰ্টত নিজেই লিখিলে "এনেকুৱা হোৱা স্বত্তেও কোনো কাৰণ নাই যে মই নিৰাশ হৈ নিজৰ কৰিব লগাখিনি এৰি দিওঁ। মই নিজৰ যঁতৰটো লৈয়েই গাঁৱে গাঁৱে ঘূৰিম। মোৰ বাবে এই কামেই ভগৱদ্‌ভক্তি।"

১৭ জানুৱাৰীৰ বাতৰিত প্ৰকাশ হ'ল যে যোৱা ছদিন ধৰি গান্ধীজীয়ে ২০ ঘণ্টাকৈ দৈনিক কাম কৰি আছে। প্ৰত্যেক দিনা তেখেতে বেলেগ বেলেগ গাঁৱত থাকে আৰু তেওঁৰ পঁজাত মানুহৰ ভিৰে পৰামৰ্শ, শান্তনা আৰু দোষ স্বীকাৰৰ বাবে আহি থাকে।

নাৰায়ণপুৰ গাঁৱত এজন মুছলমানে ৰাতি তেখেতক আশ্ৰয় দিলে আৰু দিনত ভোজন কৰালে। গান্ধীজীয়ে তেওঁক ৰাজহুৱাভাৱে ধন্যবাদ জনালে। এনে ধৰণৰ আতিথ্য এতিয়া বাঢ়ি গৈ আছে।

এই মুছলমানজনে গান্ধীজীক সুধিলে যে ইমান যাত্ৰাৰ কষ্ট কৰাৰ সলনি তেখেতে জিন্নাৰ লগত আপোচ মিমাংসা কিয় কৰি লোৱা নাই? তেখেতে উত্তৰ দিলে, "নেতাই তেওঁৰ অনুযায়ী তৈয়াৰ কৰে। প্ৰথমতে মানুহে পৰস্পৰে শান্তি স্থাপন কৰিব লাগে আৰু তেতিয়া চুবুৰীয়াসকলৰ প্ৰতি তেওঁ শান্তিৰ ভাবনাৰ প্ৰতিবিম্ব তেওঁৰ নেতাৰ ওপৰত পৰিব। যদি তেওঁৰ চুবুৰীয়া কোনোবা বেমাৰত পৰে তেতিয়া কি তেওঁ কংগ্ৰেছ বা লীগক সুধিবৰ বাবে দৌৰ মাৰিব নেকি যে কি কৰিম?"

কোনোবাই সুধিলে কি শিক্ষাৰ পৰা সহায় পোৱা নেযাব? গান্ধীজীয়ে ক'লে "শিক্ষাই যথেষ্ট নহয়। জাৰ্মানসকল লিখা পঢ়া লোক আছিল, কিন্তু তথাপি তেওঁলোক হিটলাৰৰ অধীন হৈ পৰিছিল। শিক্ষা বা জ্ঞানেৰেই মানুহ তৈয়াৰ হ'ব নোৱাৰে। বৰং শিক্ষাই আচল জীৱন নিৰ্মাণ কৰোতা হ'ব লাগিব। যদি তেওঁ এইটো নেজানে যে নিজৰ চুবুৰীয়াসকলৰ লগত ভ্ৰাতৃভাৱেৰে কেনেকৈ থাকিব পাৰি তেন্তেসকলো কথাৰে জ্ঞান থাকিলেও কি

লাভ?"

যদি প্ৰশ্ন এয়ে যে আমি নিজৰ প্ৰাণ দিম নাইবা হত্যাকাৰীৰ প্ৰাণ লম তেতিয়া আপুনি কি পৰামৰ্শ দিব?

২২ জানুৱাৰীত পনীয়ালা গাঁৱৰ প্ৰাৰ্থনা সভাত পাঁচ হেজাৰ পুৰুষ মহিলা উপস্থিত আছিল। কোনোবাই সুধিলে "আপোনাৰ মতে সাম্প্ৰদায়িক সংঘৰ্ষৰ কাৰণ কি?"

"দুয়োটা জাতিৰে মুৰ্খতা", তেখেতে উত্তৰ দিলে।

২৭ জানুৱাৰীত পল্লা গাঁৱত গান্ধজীক সোধা হ'ল, "যদি কোনোবা মহিলাৰ ওপৰত আক্ৰমণ হয় তেতিয়া তেওঁ কি কৰিব লাগিব? কি তেওঁ আত্মহত্যা কৰিব?

গান্ধীজীয়ে উত্তৰ দিলে, জীৱনৰ মোৰ আঁচনিত আত্ম সমৰ্পণৰ বাবে ঠাই নাই। মহিলাৰ বা আত্মসমৰ্পণতকৈ ভাল হ'ব তেওঁ আত্মহত্যা কৰা।

৫ ফেব্ৰুৱাৰীত শ্ৰীনগৰত স্বয়ং সেৱকসকলে এখন ৰভা দিছিলে আৰু ওপৰত চন্দ্ৰতাপ লগাইছিল। গান্ধীজীয়ে তেওঁলোকক দাবি ধমকি দিলে "এইবোৰ শ্ৰম আৰু ধনৰ অপব্যয়।" তেখেতে প্ৰাৰ্থনা সভাত ক'লে, "মোকতো কেৱল এখন ওখ পিৰালীহে লাগে য'ত মোৰ মাংস নোহোৱা হাড়বোৰক জিৰাবৰ বাবে কিবা পৰিস্কাৰ আৰু কোমল বস্তু পাৰিব পৰা হয়।" পুনৰ তেখেতে হাঁহিলে আৰু তেখেতে দাঁত নথকা আলুকিটা দেখুৱালে।

গান্ধীজীৰ সভাবোৰলৈ ধনী মুছলমানতকৈ দুখীয়া মুছলমানহে সৰহকৈ আহিছিল। তেখেতে খবৰ পাইছিল যে সম্পত্তি শালী আৰু শিক্ষিত মুছলমানসকলে দুখীয়াসকলক আৰ্থিক হেঁচা দিয়াৰ ভয় দেখুৱাইছিল। সেইসকললোকে গান্ধী বিৰোধী পোষ্টাৰো লগোৱাইছিল। ২০ ফেব্ৰুৱাৰীত ত্ৰিপুৰা জিলাৰ বিস্কাতালী গাঁৱৰ পৰা ঘূৰি অহাৰ সময়ত গান্ধীজীয়ে সুন্দৰ বাঁহনীবাৰী আৰু নাৰিকল গছৰ শাৰীবোৰৰ মাজেদি পাৰ হয়। তেখেতে গছত বিজ্ঞাপন ওলমি থকা দেখিলে যিবোৰত লিখা আছিল 'বিহাৰলৈ মনত পেলোৱা, তৎক্ষণাত ত্ৰিপুৰা এৰি গুচি যোৱা।' 'আপোনাক বাৰে বাৰে সকিয়াই দিয়া হৈছে তথাপি আপুনি ঘৰে ঘৰে ঘূৰি ফুৰিবলৈ আগবাঢ়িছে। ভাল এইটোৱেই হ'ব যে আপুনি গুচি যাওক। য'ত আপোনাৰ আৱশ্যক আছে তালৈ যাওক।' 'আপোনাৰ পাষগুতাক সহ্য কৰা নেযাব।' পাকিস্তান মানি লওক।'

তথাপি প্ৰাৰ্থনা সভাবোৰত ভিৰ বাঢ়ি গৈ আছিল।

এঠাইত এজন ছাত্ৰই গান্ধীজীক সুধিলে "কি এইটো সঁচা নহয় নেকি খৃষ্টান আৰু ইছলাম ধৰ্ম প্ৰগতিশীল ধৰ্ম আৰু হিন্দু ধৰ্ম স্থিৰ বা প্ৰতিগামী?"

গান্ধীজীয়ে ক'লে "নহয়, মই কোনো ধৰ্মতে কিবা স্প" প্ৰগতি দেখিবলৈ পোৱা নাই। যদি সংসাৰৰ ধৰ্মবোৰ প্ৰগতিশীল হ'লহেঁতেন আজি যি সংসাৰৰ থৰক বৰক অৱস্থা হৈছে সেইটো নহ'লহেঁতেনে।"

এজন প্ৰশ্নকৰ্তাই সুধিলে "যদি একেজনেই খোদা হয় তেন্তে কি এটাই পন্থা হ'ব নেলাগে নেকি?"

"এজোপা গছত লাখ লাখ পাত থাকে" গান্ধীজীয়ে উত্তৰ দিলে। যিমানবিলাক নৰ আৰু নাৰী আছে সিমানেই পন্থ আছে, কিন্তুসকলোৰে গুৰিতে খোদাতে আছে।

গান্ধীজীক এটা লিখিত প্ৰশ্ন দিয়া হ'ল "কি ধাৰ্মিক শিক্ষা বিদ্যালয়বোৰৰ ৰাজ্যিক মান্যতা প্ৰাপ্ত পাঠ্যক্ৰমৰ অংগ হোৱা আৱশ্যক নেকি?"

গান্ধীজীয়ে উত্তৰ দিলে, "মই ৰাজ্যিক ধৰ্মত বিশ্বাস নকৰো, লাগেসকলো লোকৰে একেটাই ধৰ্ম হওক। ৰাজ্যৰ হস্তক্ষেপ সম্ভৱ সদায় অপছন্দ কৰা হ'ব। ধৰ্মতো শুদ্ধ ব্যক্তিগত বিষয়। ধৰ্মীয় অনুষ্ঠানক আংশিক বা পুৰাপুৰি ৰাজ্যিক সহায়তাৰো মই বিৰোধী, কিয়নো মই জানো যে যিবোৰ অনুষ্ঠান বা সমূহে নিজৰ ধাৰ্মিক শিক্ষাৰ বাবে ধনৰ ব্যৱস্থা নিজে কৰিব নোৱাৰে সেইবোৰে সঁচা ধৰ্ম কি নেজানে। ইয়াৰ অৰ্থ এইটো নহয় যে ৰাজ্যৰ বিদ্যালয়সমূহত সদাচাৰৰ শিক্ষা দিয়া নেযাব। সদাচাৰৰ মূলভূত নিয়মসকলো ধৰ্মতে সমান।"

মুছলমান আলোচকসকলে তেখেতক সতৰ্কবাণী শুনালে যে পৰ্দা প্ৰথাৰ উল্লেখ যেন নকৰে। এজন হিন্দুৰ ইমান সাহস যে তেওঁলোকৰ মহিলাসকলক মুখ উলিয়াবলৈ ক'ব পাৰে। কিন্তু গান্ধীজীয়ে তথাপি এই কথাৰ উল্লেখ কৰি থাকে।

১৯৪৭ চনৰ ২ মাৰ্চত গান্ধীজীয়ে নোৱাখালিৰ পৰা বিহাৰলৈ ৰাওনা কৰিলে। তেখেতে পুনৰ কোনোবা দিনা আহিব বুলি কথা দিলে। পুনৰ আহিম বুলি কথা এই বাবেই দিলে যে তেখেতৰ পূৰা হোৱা নাছিল।

নোৱাখালিত গান্ধীজীৰ কাৰ্যৰ আন্তৰিক শক্তি পুনৰ স্থাপিত কৰিব লগা আছিল যাতে আঁতৰি যোৱা হিন্দুসকল ঘূৰি আহে যিসকলে নিজকে নিজে সুৰক্ষিত বুলি অনুভৱ কৰিব পাৰে আৰু মুছলমানে তেওঁলোকৰ ওপৰত দ্বিতীয়বাৰ আক্ৰমণ নকৰে। ৰোগ বহুত গভীৰ আছিল, কিন্তু তাৰ ভীষণ বিস্ফোট কাচিৎ আৰু খণ্ডেকীয়া আছিল। সেইবাবে গান্ধীজী নিৰাশ হোৱা নাছিল। তেখেতে বুজিব পাৰিছিল যে যদি স্থানীয়লোকসকলৰ ওপৰত বাহিৰৰ ৰাজনৈতিক প্ৰচাৰৰ বেয়া প্ৰভাৱ নপৰে তেন্তে তেওঁলোকে শান্তিৰে সৈতে থাকিব পাৰিব।

নোৱাখালিৰ আহ্বানক সদায় আগ্ৰহ কৰিছিল। দিল্লীৰ পৰা খবৰ পঠিয়াব পাৰিলেহেঁতেন বা ব্যাখ্যান শুনাব পাৰিলেহেতেন। কিন্তু তেখেত কৰ্মযোগী আছিল। তেখেতৰ বিশ্বাস আছিল যে কৰা আৰু কৰিব পৰাৰ পাৰ্থক্যই সংসাৰৰ অধিক সংখ্যক সমস্যাৰ সমাধানৰ বাবে যথেষ্ঠ। তেখেতে গোটেই জীৱনটো এই ভেদভাববোৰ নোহোৱা কৰাৰ যত্ন কৰে। এইবোৰতে তেখেতে সমস্ত শক্তি লগালে। ❑❑

পশ্চিমলৈ এছিয়াৰ সংবাদ

১৯৪৬ চনৰ নৱেম্বৰত উত্তৰাৰ্দ্ধত ইংলেণ্ডৰ প্ৰধান মন্ত্ৰী এটলীয়ে এখন অসাধাৰণ সম্মিলনৰ কাৰণে নেহেৰু, বলদেৱসিং, জিন্না আৰু লিয়াকত আলীক লণ্ডনলৈ মাতিলে।

সংবিধান সভা ৯ ডিচেম্বৰত নতুন দিল্লীত বহিব লগা আছিল। জিন্নাই বাৰে বাৰে ঘোষণা কৰি আছিল যে মুছলিম লীগে সেই সভা বহিষ্কাৰ কৰিব। লণ্ডন সম্মিলনৰ উদ্দেশ্য মুছলিম লীগক সংবিধান সভাত যোগ দিওৱাটো আছিল।

ডিচেম্বৰৰ আৰম্ভণিতে নেহেৰু, বলদেৱ সিং লিয়াকত আলী আৰু জিন্না উৰা জাহাজেৰে লণ্ডনলৈ যায়।

লণ্ডনত জিন্নাই ৰাজহুৱাভাৱে ঘোষণা কৰিলে যে তেওঁ ভাৰতক হিন্দুৰাজ্য তথা মুছলিম ৰাজ্যত বিভাজিত কৰিবলৈ বিচাৰে।

যদিও ভীষণ যত্ন কৰাৰ পাছত এটলীয়ে কংগ্ৰেছ আৰু মুছলিম লীগক নিজৰ তালৈ মাতিবলৈ সফল হ'ল। তথাপি সম্মিলন মতভেদতেই সমাপ্ত হৈ গ'ল।

গতিকে ৬ ডিচেম্বৰত এটলীয়ে ঘোষণা কৰিলে যে যদি মুছলিমৰ সহযোগ নোহোৱাকৈ কিবা সংবিধান মানি লয় তেন্তে "তেওঁৰ গৌৰৱময় চৰকাৰে এইটোৰ বিচাৰ কৰিব নোৱাৰিব... এনে সংবিধান দেশৰ অনিচ্ছুক ভাগতহে... জাপি দিব পাৰিব।"

লণ্ডনৰ পৰা উভতি আহিয়েই নেহেৰুৱে নোৱাখালিৰ শ্ৰীৰাম গাঁৱলৈ গ'ল আৰু তাত ১৯৪৬ চনৰ ২৭ ডিচেম্বৰত তেওঁ গান্ধীজীক লণ্ডন সম্মিলনৰ ঐতিহাসিক অসফলতাৰ খবৰ শুনালে।

গান্ধীজীয়ে, সংবিধান সভাৰ বৈধানিক বিভাগবোৰৰ আৰু দলবোৰৰ বিৰোধ কৰিবলৈ পৰামৰ্শ দিলে। তেখেতৰ মতেৰে এইবোৰ ভাৰতখনক টুকুৰা টুকুৰ কৰাৰ বুদ্ধি আছিল আৰু

তেনেকুৱা কোনো কথাৰে সমৰ্থন কৰিব নোৱাৰিছিল, যাৰ ফলত ভাৰতৰ বিভাজন হ'ব পাৰে।

কিন্তু তথাপি কংগ্ৰেছ মহাসমিতিয়ে সংবিধান সভাৰ বিভাগ মানি ল'বৰ বাবে প্ৰস্তাৱ গৰিষ্ঠ ভোটেৰে কংগ্ৰেছত গান্ধীজীৰ প্ৰভাৱ কম হৈ গৈছিল।

হিন্দু মুছলিমৰ মিলা-প্ৰীতি গান্ধীজীৰ এতিয়াও বিশ্বাস আছিল। নেহেৰু আৰু পেটেলে জানিছিল যে সাংবিধানিক বিভাগবোৰৰ অৰ্থ পাকিস্তানৰ আৰম্ভ হোৱা, কিন্তু গৃহযুদ্ধৰ বাদে বেলেগ উপায় নেদেখি সেইটোকে মানি ল'বলৈ মান্তি হৈ পৰিল। তেওঁলোকৰ আশা আছিল যে জিন্নাই ভাৰতৰ তিনি সংঘীয় ৰাজ্যলৈ বিভাজন হ'লে সন্তুষ্ট হ'ব আৰু পাকিস্তান বিচৰাটো এৰি দিব।

প্ৰধানমন্ত্ৰী এটলীৰ আগলৈ আগবঢ়োৱা খোজ এইটো আছিল যে ১৯৪৭ চনৰ ২০ ফেব্ৰুৱাৰীত তেওঁ সাধাৰণ সভাত বক্তৃতা দিলে যে ইংলেণ্ডই ভাৰতক '১৯৪৮ চনৰ জুন মাহৰ আগতে' এৰি দিব।

মাৰ্চৰ প্ৰথম সপ্তাহতে কাৰ্যকৰী সমিতিয়ে নিজৰ অধিৱেশনত এটলীৰ বক্তব্যক অধিকৃতৰূপে স্বীকাৰ কৰি ল'লে আৰু মুছলিম লীগক পৰস্পৰে কথা-বতৰা পাতিবৰ বাবে নিমন্ত্ৰণ দিলে। লগতে সমিতিত পঞ্জাবৰ ব্যাপক ৰক্তপাতৰ বিষয়টোতো মনোযোগ দিয়ে। বাস্তৱতে তেওঁ পঞ্জাবৰ ঘটনাবোৰক ইমান অন্ধকাৰপূৰ্ণ আৰু গম্ভীৰ বুলি বুজি ল'লে যে পঞ্জাবৰ বিভাজনৰ সম্ভাৱনীয়তাক মানি ল'লে।

ইফালে পশ্চিমৰ ঘটনাবোৰত বিকল হৈ গান্ধীজীয়ে পূব বেঙ্গলৰ পৰা বিহাৰলৈ আহিল। এদিনো জিৰণি নোলোৱাকৈয়ে তেখেতে এইখন ৰাজ্যত ভ্ৰমণ আৰম্ভ কৰি দিলে।

য'লৈকে তেখেত গ'ল তাতে তেখেতে প্ৰায়চিত্ত আৰু ক্ষতিপূৰণৰ উপদেশ দিলে।সকলোবোৰ পলুৱাই নিয়া মুছলমান তিৰোতাক ঘূৰাই দিব লাগে,সকলে লুটিপুতি নিয়া নষ্ট কৰি পেলোৱা সম্পত্তিৰ ক্ষতিপূৰণ দিব লাগে।

কোনোবা এজন হিন্দুৰ পৰা টেলিগ্ৰাম আহিল, যিখনত মহাত্মাজীক সাৱধান বাণী শুনাইছিল যে হিন্দুসকলে যিবোৰ কৰিলে সেইবোৰৰ নিন্দা নকৰিব। গান্ধীজীয়ে প্ৰাৰ্থনা সভাত এই টেলিগ্ৰামখনৰ কথা উল্লেখ কৰিলে আৰু ক'লে, "যদি মই নিজৰ হিন্দু ভাই ককাইসকলৰ অথবা কোনোবা ভাই-ককাইৰ কু-কৰ্মক সহায় কৰিবলৈ ধৰো তেন্তে হিন্দু বুলি দাবী কৰাৰ অধিকাৰী হৈ থাকিব নোৱাৰিম।"

যিকোনো ঠাইতে কথা কোৱাৰ আগতে গান্ধীজীয়ে তাত সেই মুছলমানসকলৰ বা মুছলমান পৰিয়ালবোৰৰ নষ্ট হোৱা ঘৰবোৰলৈ গৈছিল, যিসকল মৰি গৈছিল বা শৰীৰত আঘাত পাইছিল। তেখেতে বাৰে বাৰে এইটোকে কৈছিল যে হিন্দুসকলে ভয়ত পলাই যোৱা মুছলমানসকলক পুনৰ মাতি আনক আৰু তেওঁলোকৰ জুপুৰিবোৰ দুনাই সাজি দিয়ক আৰু

তেওঁলোকক পুনৰ কাম কাজত লগাওক। অত্যাচাৰ কৰোতা হিন্দুসকলক তেখেতে আত্ম সমপৰ্ণৰ বাবে মাতে।

যিদিনা গান্ধীজী মসূৰী নামৰ ডাঙৰ গাঁওখন পালেই কাজিয়া লাগি পলাই যোৱা পঞ্চাচ ভাগ অভিযুক্তই পুলিচৰ ওচৰত আত্ম সমপৰ্ণ কৰিলে।

যেতিয়া গান্ধীজী যোৱা মটৰ গাড়ীখন গাঁৱৰ মাজেদি গৈ আছিল তেতিয়া হিন্দুসকলে দলে দলে তেখেতক ৰ'বলৈ সংকেত দিছিল আৰু মুছলমানসকলৰ সহায়তাৰ বাবে টোপোলা উপহাৰ দিছিল। সেনা বা পুলিচৰ সহায় নোহোৱাকৈ হিংসাক বাধা দিয়াৰ এইটো উপায় আছিল।

১৯৪৭ চনৰ ২২ মাৰ্চত লৰ্ড মাউণ্ট বেটেনে তেখেতৰ পত্নী এডৱীনাৰে সৈতে নতুন দিল্লী আহি পালে। চৌবিছ ঘণ্টাৰ পাছতে জিন্নাই ৰাজহুৱাভাৱে বক্তব্য দিলে যে বিভাজনেই একমাত্ৰ সমাধান, নহ'লে "ভয় উৎপন্ন কৰা বিপত্তিবোৰে' আক্ৰমণ কৰিব।

নিজৰ আগমনৰ চাৰি দিনৰ ভিতৰতে লৰ্ড মাউণ্টবেটেনে গান্ধীজী আৰু জিন্নাক ভাইচৰয় ভৱনলৈ আহিবলৈ নিমন্ত্ৰণ দিলে। গান্ধীজী বিহাৰৰ ভিতৰুৱা অঞ্চলত আছিল। মাউণ্টবেটেনে তেখেতে আকাশী যানেৰে লৈ অনাৰ প্ৰস্তাৱ কৰিলে গান্ধীজীয়ে ক'লে যে তেখেতে যাত্ৰা কৰাৰ তেনে উপায়ক হে পচন্দ কৰে, যিটোক কোটি কোটিজনে ব্যৱহাৰ কৰিব পাৰে।

৩১ মাৰ্চৰ দিনা মাউণ্টবেটেনে গান্ধীজীৰ লগত ১ ঘণ্টা ৪৫ মিনিট ধৰি মন্ত্ৰণা কৰিলে।

পিছদিনা গান্ধীজীয়ে এছিয়ান ৰিলেচনং কনফাৰেন্সলৈ যায়, যিখন অধিৱেশন নতুন দিল্লীত ২৩ মাৰ্চৰ পৰাহে আছিল। তেখেতক তাত ক'বলৈ কোৱাত তেখেতে ক'লে যে দ্বিতীয় দিনাৰ অন্তিম অধিৱেশনতে ভাষণ দিব। তথাপি যদি কোনোবাই প্ৰশ্ন সোধে তেন্তে তেখেতে তাৰ উত্তৰ দিবলৈ চেষ্টা কৰিব।

"কি আপুনি সংসাৰৰ একতাত বিশ্বাস কৰে, আৰু বৰ্তমান পৰিস্থিতিত এইটো সফল হোৱা সম্ভৱ হ'ব?"

"যদি এই সংসাৰ এক হ'ব নোৱাৰে তেন্তে মই ইয়াত জীয়াই থকাটো পচন্দ নকৰিম।" গান্ধীজীয়ে উত্তৰ দিলে। "নিশ্চয়েই মই বিচাৰো যে এই সপোন মোৰ জীৱন কালতে পূৰণ হ'ব। মই আশা কৰো যে এছিয়াৰ দেশসমূহৰ পৰাসকলো প্ৰতিনিধিয়ে এখন বিশ্ব স্থাপিত কৰিবলৈ পূৰা যত্ন কৰিব। যদি তেওঁলোকে পাকৈত মনোভাৱ লৈ কাম কৰে তেন্তে সপোন অৱশ্যেই সফল হ'ব।

এজন চীনা প্ৰতিনিধিয়ে এটা স্থায়ী এছিয়ান ইনষ্টিটিউটৰ বিষয়ে সোধে। গান্ধীজীয়ে বিষয়টোৰ পৰা আঁতৰি গ'ল আৰু তেখেতৰ মগজুত যি মুখ্য সমস্যা আছিল,

সেইটোৰ চৰ্চা কৰিলে। তেখেতে ক'লে "মই দুখিতঃ যে মই দেশৰ বৰ্তমান অৱস্থাৰ উল্লেখ কৰিব লগা হৈছে। আমি নেজানো যে পৰস্পৰে কেনেকৈ শান্তিত থাকিব পাৰো। আমি ভাবো যে আমি 'হাবিৰ আইন' অৰ্থাৎ পাশৱিক বৃত্তিবোৰৰ সহায় ল'ব লাগিব। মই বিচাৰিম যে আপোনাসকলে এনেকুৱা অনুভৱ নিজৰ নিজৰ দেশলৈ লৈ নেযাব।"

তেখেতে এছিয়াৰ সমস্যাবোৰৰ কথাও উল্লেখ কৰিলে। "সমস্ত এছিয়াৰে প্ৰতিনিধি ইয়াত গোট খাইছে।" তেখেতে ক'লে, "কি এইবাবেই যে ইউৰোপ বা আমেৰিকা বা অন্য অন্য এছিয়াবাসীৰ বিৰুদ্ধে যুদ্ধ কৰিব লাগে। মই সম্পূৰ্ণ জোৰ দি কৈছো যে 'নহয়, এইটো ভাৰতৰ উদ্দেশ্য নহয়।' মই এইটো ক'বলৈ বিচাৰিছো যে এনে ধৰণৰ সন্মিলনবোৰ নিয়মিতভাৱে হ'ব লাগে আৰু আপুনি যদি সোধে যে ক'ত, তেন্তে সেই ঠাই ভাৰত।"

দ্বিতীয় দিনা তেখেতে সন্মিলনত ভাষণ দিলে যিটোৰ বাবে তেখেতে প্ৰথম দিনা কথা দিছিল। প্ৰথমতে তেখেতে ইংৰাজীতে ক'বৰ বাবে ক্ষমা খোজে। পুনৰ স্বীকাৰ কৰিলে যে তেখেতে নিজৰ বিচাৰবোৰক একেডাল সুঁতাৰে বন্ধাৰ আশা কৰিছিল। কিন্তু সময় নেপালে।

ইয়াৰ পাছত তেখেতে অপৰিপাটীভাৱেই ক'বলৈ ধৰিলে।

আপোনালোকে চহৰত আহি গোট খাইছে, কিন্তু ভাৰত চহৰৰ ভিতৰত নহয়। আচল সত্য গাঁৱত আৰু গাঁৱৰ অস্পৃশ্যসকলৰ ঘৰবোৰতহে আছে।

পূবে পশ্চিমৰ সাংস্কৃতিক বিজয়ক স্বীকাৰ কৰি ল'লে। কিন্তু পশ্চিমে আৰম্ভণিতে নিজৰ জ্ঞান পূবৰ পৰাহে পাইছিল জৰথুস্ত্ৰ, বুদ্ধ, মুচা, ঈযা, মহম্মদ, কৃষ্ণ, ৰাম তথা আন সৰু সুৱা দীপকবোৰৰ পৰা।

"সন্মিলনে এছিয়াৰ সংবাদ বুজি পাব লাগে। এইটোৰ বিষয়ে জানিব পৰা পশ্চিমীয়া ৰীতি-নীতিৰদ্বাৰা বা আনৱিক বোমাৰ দ্বাৰা নেযাব। যদি আপুনি পশ্চিমক কিবা সংবাদ দিবলৈ বিচাৰে তেন্তে এই সংবাদ প্ৰেমৰ আৰু সত্যৰ হ'ব লাগিব। মই কেৱল আপোনাৰ মনটোকে আকৰ্ষণ কৰিবলৈ বিচৰা নাই, আপোনাৰ অন্তৰখনকো ধৰিবলৈ বিচাৰিছো।

"মই আশা কৰিছো যে এছিয়াৰ প্ৰেম আৰু সত্যৰ সংবাদে পশ্চিমক জিকি পেলাব। এই বিজয়ক পশ্চিমে নিজেও প্ৰেমেৰে সৈতে আদৰি ল'ব। আজি পশ্চিমে সু-বুদ্ধিৰ বাবে উদ্বিগ্ন হৈ আছে।"

ৰচনা এখনৰ দৃষ্টিৰে এইটো ভাষণ ভাল নাছিল। কিন্তু ইয়াত সাৰগৰ্ভ জ্ঞান তথা গান্ধীজীৰ সাৰ ভৰি আছিল। অধিকসংখ্যক প্ৰতিনিধিয়ে সম্ভৱ ইমান সৰল তথা হৃদয় পৰশা শব্দ বহুত বছৰৰ পৰা শুনা নাছিল।

১১ মাৰ্চ আৰু ২ এপ্ৰিলৰ ভিতৰত মাউন্টবেটেনে ছবাৰ গান্ধীজীৰ লগত মন্ত্ৰণা কৰে। ব্যস্ত ভাইচৰয়ৰ লগত জিন্নাৰো ইমান বাৰেই কথা-বতৰা হয়।

লণ্ডনত ৰয়েল এম্পায়াৰ ছোচাইটিৰ কাউন্সিলৰ আগত ভাষণ দি ১৯৪৮ চনৰ ৬ অক্টোবৰত লৰ্ড মাউণ্টবেটেনে এই কথা বতৰাবোৰৰ ৰহস্য মুকলি কৰিছিল। "সমস্যাবোৰৰ বাস্তৱিক সমাধান কৰাৰ আগতে মই তেখেতৰ লগত কথা পাতিছিলো আৰু বুজাবলৈ বিচাৰিছিলো, তেখেতক লগ পাবলৈ আৰু কথা-বতৰা পাতিবলৈ বিচাৰিছিলো। যেতিয়া মই গম পালো যে যিজন ব্যক্তিৰ লগত মই ব্যৱহাৰত আহিব লাগে তেখেতক মই কিছু বুজিব পাৰিছো। তেতিয়া মই তেখেতৰ লগত প্ৰস্তুত সমস্যাৰ বিষয়ে কথা-বতৰা আৰম্ভ কৰিলো।

ব্যক্তিগতভাৱে মোৰ বিশ্বাস হ'ল যে তেখেতৰ বাবে আচল সমাধান ভাৰতক সংযুক্তভাৱে ৰখাটোৱেই, কিন্তু মিঃ জিন্নাই আৰম্ভণিৰ মুহূৰ্তৰ পৰাই এইটো স্পষ্ট কৰি দিছিল যে নিজে জীৱিত থকা অৱস্থাত সংযুক্ত ভাৰতক মানি নলয়। তেওঁ বিভাজন বিচাৰিলে, পাকিস্তানৰ কাৰণে অনুচিত জিদ কৰিলে। আনহাতেদি কংগ্ৰেছ অ-বিভাজিত ভাৰতৰ পক্ষত আছিল; কিন্তু কংগ্ৰেছ নেতাসকলে গৃহযুদ্ধৰ পৰা নিস্তাৰ পাবলৈ বিভাজনক মানি লবৰ বাবে ৰাজী হ'ল। মোৰ বিশ্বাস হৈছিল যে মুছলিম লীগে যুঁজ কৰিলেহেঁতেন।

"যেতিয়া মই জিন্নাক ক'লো যে বিভাজনৰ বাবে কংগ্ৰেছ নেতাসকলৰ অস্থায়ী স্বীকৃতি পত্ৰ মোৰ ওচৰত আছে, তেতিয়া তেওঁ আনন্দতে জপিয়াই উঠে। যেতিয়া মই ক'লো যে ইয়াৰ তৰ্ক সংগত পৰিণামত পঞ্জাব আৰু বেংগলৰ বিভাজন হ'ব তেতিয়া তেওঁ চক্ খাই উঠিল। তেওঁ শক্তিশালী যুক্তি দিলে যে এইকেইখন ৰাজ্যৰ বিভাজন কিয় হ'ব নেলাগে। তেওঁ ক'লে যে এইকেইখন ৰাজ্যৰ ৰাষ্ট্ৰীয় বিশিষ্টতা আছে আৰু বিভাজন বিনাশকাৰী হৈ পৰিব। মই মানি ল'লো, আৰু লগতে এইটোও ক'লো যে এতিয়া মই কিমান বেছিকৈ অনুভৱ কৰিছো যে সমস্ত ভাৰতৰ বিভাজনতো এনে যুক্তি খাটিব পাৰে। এই কথাটো তেওঁ ভাল নেপালে আৰু তেওঁ বুজাবলৈ ধৰিলে যে ভাৰতৰ বিভাজন কিয় হ'ব লাগে। এনেকৈয়ে আমি খুটাটোৰ চাৰিওফালে ঘূৰি আছিলো আৰু শেষত তেওঁ বেংগলৰ লগত সংযুক্ত ভাৰত ল'ব লাগিব নহয় বিভাজিত বেংগল আৰু পঞ্জাবৰ লগত সংযুক্ত ভাৰত ল'ব লাগিব। শেষত তেওঁ দ্বিতীয়তো সমাধান মানি ল'লে।"

১৯৪৭ চনৰ এপ্ৰিলত গান্ধীজীয়ে কোনো প্ৰকাৰৰ বিভাজনকে অনুমোদন নকৰিলে আৰু নিজৰ মৃত্যুৰ সময়লৈকে এইটোক অনুমোদন কৰিবলৈ মান্তি নহ'ল।

১৫ এপ্ৰিলত মাউণ্টবেটেনৰ প্ৰাৰ্থনাত গান্ধীজী আৰু জিন্নাই এটা সংযুক্ত বক্তব্য প্ৰকাশিত কৰে। যিটোত ভাৰতৰ নামত লাঞ্ছন লগোৱা অৱস্থাৰ উপদ্ৰৱ আৰু মাৰ-কাটৰ নিন্দা কৰা হ'ল আৰু ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ বাবে বল প্ৰয়োগক বেয়া বুলি ক'লে। এই বক্তব্যক সেই পষেকৰ অন্তত উলিওৱা হ'ল জিন্নাই মাউণ্টবেটেনক নিশ্চিতভাৱে ক'লে যে যদি তেওঁৰ ৰাজনৈতিক উদ্দেশ্য সিদ্ধি নহয় তেন্তে ভাৰতত গৃহযুদ্ধ বিস্ফোৰিত হ'ব।

এই পষেকত গান্ধীজীয়ে দিল্লীৰ হৰিজন বস্তিত থাকিবলৈ লৈছিল আৰু তাত প্ৰতিদিনে সন্ধিয়া প্ৰাৰ্থনা সভা চলিছিল। প্ৰথমদিনা সন্ধিয়া তেখেতে উপস্থিত থকালোকসকলক সুধিলে যে তেওঁলোকে কোৰাণৰ কেইটামান আয়ত পঢ়াত আপত্তিতো নকৰে। কোনোবা বিৰোধীয়ে হাত দাঙিলে। সেইটোতে গান্ধীজীয়ে সভা ভঙ্গ কৰি দিলে। দ্বিতীয়দিনা সন্ধিয়াও তেখেতে সেই প্ৰশ্ন কৰিলে। সেইদিনাও কিছুলোকে আপত্তি কৰিলে আৰু সেইদিনাও তেখেতে সভাত প্ৰাৰ্থনা নকৰিলে। তৃতীয়দিনা সন্ধিয়াও তেনে কথাই হ'ল।

চতুৰ্থদিনা সন্ধিয়া কোনেও আপত্তি নকৰিলে। গান্ধীজীয়ে ক'লে যে যদি যোৱা তিনিটা দিনতসকলো উপস্থিত থকা লোকে আপত্তি কৰিলেহেঁতেন তেন্তে তেখেতে কোৰাণৰ আয়ত নিশ্চয় পঢ়িলেহেঁতেন আৰু সাজু থাকিলেহেঁতেন। যদি তেওঁলোকে তেখেতক মাৰিব খোজে তেন্তে তেখেতে ঈশ্বৰৰ নাম লৈ লৈয়েই তেওঁলোকৰ হাতত মৰি যাবঁ। কিন্তু প্ৰাৰ্থনাৰ ঠাইত তেখেতে প্ৰাৰ্থনাৰ বাবে আগ্ৰহ থকা আৰু আপত্তি কৰাসকলৰ মাজত কাজিয়া লাগিবলৈ দিবলৈ বিচৰা নাছিল। শেষত অহিংসাৰে বিজয় হ'ল।

গান্ধীজীৰ যুক্তি আছিল "আৰবী ভাষাৰে ঈশ্বৰৰ নাম লোৱাটো পাপ কেনেকৈ হ'ব পাৰে?" হিন্দু মুছলমানৰ একতা তেখেতৰ জীৱনৰ লক্ষ্য আছিল। যদি হিন্দুস্থানৰ অৰ্থ আছিল কেৱল হিন্দুসকলৰহে ঠাই আৰু পাকিস্তানৰ অৰ্থ কেৱল মুছলমানৰহে ঠাই, তেন্তে পাকিস্তান আৰু হিন্দুস্তান দুয়োখনেই বৰবিহেৰে ভৰা ঠাই হ'বলগা আছিল।

১৩ এপ্ৰিলত গান্ধীজী বিহাৰলৈ উভতি যায়।

এতিয়া অহিংসাৰ বাবে তথা ঘৃণাৰ বিৰুদ্ধে কাম কৰাই ৰাজনৈতিক কাম আছিল, যিটোৰ কিছু অৰ্থ আছিল। যদি গান্ধীজীয়ে প্ৰমাণ কৰিব নোৱাৰে যে হিন্দু আৰু মুছলমান মিলিজুলি বাস কৰিব পাৰে তেন্তে জিন্নাৰ কথাই সঁচা আৰু পাকিস্তান অনিবাৰ্য্য আছিল।

প্ৰশ্ন এইটো আছিল; ভাৰত এখন ৰাষ্ট্ৰ হয় অথবা দেশ হয়, য'ত এজনে আনজনৰে সৈতে সদায় কাজিয়া পেচাল কৰি থকা ধাৰ্মিক লোকসকলে বাস কৰে?

সংসাৰৰ এটাসকলোতকৈ বেয়া অভিশাপ আছে। পাৰ হৈ যোৱা শতাব্দীবোৰৰ প্ৰভাৱ। ভাৰতত সোতৰশ শতাব্দীত ওঠৰশ শতাব্দী, উনৈছশ শতাব্দীবোৰ বিংশতি শতাব্দীক কষ্ট দিবৰ বাবেই ৰৈ থাকিল। ধৰ্মীয় আবেগৰ, ৰাজ্যিক ভাৱনাৰ আৰু দেশীয় ৰাজ্যবোৰৰ ভাৰতত এনেকুৱা ক্ষয়কাৰী, বিভাজক প্ৰভাৱ আছে যেনেকৈ উদ্যোগবাদ তথা ৰাষ্ট্ৰবাদৰ আধুনিক যুগৰ আগতে ইউৰোপত আছিল। চল্লিশ কোটি জনসংখ্যাৰ ভাৰতত কেৱল ত্ৰিশ লাখ কাৰখানাৰ মজদুৰ আছে। দেশত পৰস্পৰে লগ লাগি থকা গুণৰ অভাৱ কিয়নো এই পিছপৰা দেশৰ সিঁচৰিত হৈ থাকিব খোজা প্ৰবৃত্তিবোৰক হেঁচা দি ৰাখিবৰ বাবে কাৰো ওচৰত একীকৰণৰ পৰ্যাপ্ত সামৰ্থ্য আৰু নাই একীকৰণৰ আকৰ্ষণীয় বুজাবুজি।

ৰাষ্ট্ৰবাদৰ একত্ৰীকৰণৰ উচ্চ প্ৰতীক গান্ধীজী নিজেই মৰহি যোৱা অতীত, সংঘৰ্ষশীল বৰ্তমান তথা নিজৰ উচ্চ আদৰ্শৰ ভৱিষ্যত সংসাৰৰ মিশ্ৰণ আছিল।

গৃহযুদ্ধৰ ধমকী জিন্নাৰ বল আছিল কাজিয়া তেওঁৰ আগৰ ৰূপ আছিল। ভাৰতৰ একতাক প্ৰতিষ্ঠিত কৰি ৰখাৰ একমাত্ৰ আশা এইটোৱেই আছিল যে জনতাক শান্ত কৰিব লাগে আৰু এনেদৰে জিন্নাৰ ধমকীক শগুণৰ ভাবুকি বুলি প্ৰমাণ কৰি দিব লাগে।

গান্ধীজীয়ে বিচলিত নোহোৱাকৈ অকলেই এই কামত নামি পৰিল।

ইতিহাসে সুধিছিল যে ভাৰত এখন ৰাষ্ট্ৰ হয়নে নহয়?❑❑

দুখান্ত বিজয়

এপ্ৰিল মাহত বিহাৰত অতিপাত গৰম পৰিছিল আৰু গান্ধীজীয়ে গাঁৱৰ দীঘলীয়া যাত্ৰাবোৰৰ পৰিশ্ৰম সহ্য কৰিব পৰা নাছিল। কিন্তু যদি হিন্দুসকলে অনুতাপ নকৰে আৰু ভয়তে পলাই যোৱা মুছলমানসকলক ঘূৰাই অনা নহয় তেন্তে গান্ধীজী তালৈ যোৱাটো আৱশ্যক আছিল। তেখেতে এখন চিঠি পালে। যিখনত লিখা আছিল তেখেত কৃষ্ণৰ নিচিনাকৈ বনলৈ গুচি যাব লাগে, অহিংসাৰ প্ৰতি দেশৰ বিশ্বাস নোহোৱা হ'বলৈ ধৰিছে তাৰ উপৰিও গীতাই অহিংসাৰ উপদেশ দিয়া নাই।

তেখেতে খবৰ পালে যে নোৱাখালিত পুনৰ কাজিয়া-পেচাল আৰম্ভ হৈছে।

কিন্তু কিছুমান ঘটনাই গান্ধীজীক উৎসাহিত কৰিলে। গান্ধীজীয়ে কোৱামতেই আজাদ হিন্দু ফৌজৰ জেনেৰেল চাহনৱাজ বিহাৰতে থাকি গৈছিল। তেখেতে কৈছিল যে মুছলমানসকল নিজৰ নিজৰ গাঁৱলৈ ঘূৰি আহিছে আৰু হিন্দু তথা শিখসকলে তেওঁলোকক সহায় কৰিছে। এজন শিখলোকক মছজিদলৈও মাতিছিল।

এই খবৰৰ পৰা গান্ধীজীয়ে ভাবিলে যে যদি হিন্দুসকল আচল হিন্দু হৈয়ে আৰু মুছলমানসকলক ডিঙিত সাবটি লয়। তেন্তেসকলোৱে নিজৰ গাত নিজে মেৰিয়াই লোৱা জুইকুৰা নিজেই নুমাই যাব। বিহাৰ ডাঙৰ ৰাজ্য আছিল। ইয়াৰ উদাহৰণৰ পৰা আনেও প্ৰেৰণা পাব। বিহাৰৰ শান্তিয়ে কলিকতা তথা বেলেগ ঠাইবিলাকৰো অশান্তিবোৰ নোহোৱা কৰিব। তেখেতে ক'লে যে তেখেতৰ অশিক্ষিতা গাঁৱলীয়া মাকে তেখেতক শিকাইছিল যে অণুতেই ব্ৰহ্মাণ্ড আছে। যদি তেওঁ ওচৰে-পাঁজৰে থকা বস্তুবোৰ চম্ভালি লয় তেন্তেসকলোৱে নিজৰ চিন্তা নিজেই কৰি ল'ব।

নেহৰুৱে টেলিগ্ৰাম কৰি গান্ধীজীক দিল্লীলৈ মাতিলে। এটা মহান ঐতিহাসিক নিৰ্ণয়ৰ বাবে কংগ্ৰেছ মহাসমিতিৰ বৈঠক ১ মে'ত হ'ব লগা আছিল। গান্ধীজী গৰমতে পাঁচশ মাইলৰ যাত্ৰা কৰি দিল্লী পালেগৈ।

মাউণ্টবেটেনে পৰিস্থিতিৰ অধ্যয়ন কৰি বুজিব পাৰিছিল যে পাকিস্তানৰ বাদে আন একো উপায় নাই। সেইবাবে তেখেতে কংগ্ৰেছৰ সমুখত প্ৰশ্ন তুলিলে; কি তেওঁলোকে

ভাৰতৰ বিভাজন মানি ল'ব? ২৫ এপ্রিলত সংযুক্ত ৰাজ্যিক ৰাজনৈতিক সম্মিলনত নেহেৰুৱে কৈছিল— "যদি মুছলিম লীগে পাকিস্তান বিচাৰে তেন্তে পাই যাব, কিন্তু এইটো চৰ্তত যে তেওঁলোকে ভাৰতৰ সেই ভাগবোৰ নিবিচাৰিব, যিবোৰে পাকিস্তানৰ লগত লগ হ'বলৈ নিবিচাৰে"।

কি কাৰ্যকৰী সমিতিয়েও এইটোক সিদ্ধান্ত কৰিব খুজিছিল?

গান্ধীজী এইটোৰ বিৰুদ্ধে আছিল। পেটেল অস্থিৰ হৈ আছিল। তেওঁ জিন্নাৰ ধমকীবিলাকৰ বল পৰীক্ষা কৰিবলৈ বিচাৰিছিল। তেওঁ মুছলমানসকলৰ হিংসাক দমন কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰক কামত লগোৱাৰ চেষ্টা কৰিছিল, কিন্তু শেষত তেৱোঁ মান্তি হৈ পৰিল। গৃহযুদ্ধৰ বিপদ মাতি অনাতকৈ কংগ্ৰেছে পাকিস্তানক মানি লোৱাটোকে ভাল বুলি ভাবিলে।

স্বাধীনতাৰ বাবে কংগ্ৰেছে পাকিস্তানৰ ৰূপত অধিক মূল্য আদায় কৰিলে।

গান্ধীজীয়ে নিজৰ খংটো লুকুৱাই নথলে। ৭ মে'ৰ প্ৰাৰ্থনা সভাত তেখেতে ক'লে, "কংগ্ৰেছে পাকিস্তান মানি ল'লে আৰু পঞ্জাব তথা বেংগলৰ বিভাজন বিচাৰিছে। ভাৰতৰ বিভাজনত মই আজিও ইমানেই বিৰোধী যিমান মই সদায় কৰি আছো। কিন্তু মই কি কৰিব পাৰো? মইতো কেৱল এইটোকে কৰিব পাৰো যে এনে আঁচনিৰ পৰা নিজেই নিজক বেলেগে আঁতৰাই নিওঁ। ঈশ্বৰৰ বাহিৰে আৰু কোনেও মোক কোনেও এইটো মানি লোৱাৰ বাবে বাধ্য কৰিব নোৱাৰে।"

গান্ধীজীয়ে মাউণ্টবেটেনক লগ কৰিবলৈ গ'ল। ইংৰাজসকলক তেখেতে পৰামৰ্শ দিলে যে নিজৰ সৈনিকসকলেৰে সৈতে ভাৰত এৰি গুচি যোৱা আৰু "ভাৰতক উপদ্ৰৱ তথা অৰাজকতাৰ ভৰসাত এৰি দিয়াৰ বিপদক মূৰ পাতি লোৱা"। ইংৰাজসকল গুচি গ'লে কিছু দিনলৈ উপদ্ৰৱ হ'ব "আৰু আমি নিঃসন্দেহে জুইৰ মাজেদি যাব লগাত পৰিব, কিন্তু এই জুইয়ে আমাক শুদ্ধ কৰি পেলাব।"

গান্ধীজীৰ পৰামৰ্শ এইটো কেৱল বিচাৰাত্মক কামহে আছিল। দৃঢ়ভাৱে এইটোৰ চতুৰালি এইটোৰ সৰলতাতে লুকাই আছিল। ইংৰাজসকলে ভাৰতক এখন চৰকাৰ নোহোৱাকৈ এৰি যাব পৰা নাছিল। উপদ্ৰৱৰ ভৰসাত ভাৰত এৰি যাবলৈ পৰামৰ্শৰ অৰ্থ আছিল ভাৰতক কংগ্ৰেছৰ হাতত সমৰ্পণ কৰা। যদি ইংলণ্ডই মানি নলয় তেন্তে গান্ধীজীয়ে বিচাৰিছিল যে কংগ্ৰেছেও চৰকাৰক এৰি দিয়ক। সেইটো অৱস্থাত দেশত শান্তি বৰ্তাই ৰখাৰ দায়িত্ব পূৰাকৈ ইংৰাজৰ ওপৰত থাকিলহেঁতেন, আৰু ইংৰাজে এই দায়িত্ব ল'বলৈ নিবিচাৰিছিল।

সেইবাবে গান্ধীজীয়ে ইংৰাজসকলৰ আগত যি বিকল্প ৰাখিছিল সেইটো এনে আছিল হয় যদি ভাৰতত কংগ্ৰেছক শাসন কৰিবলৈ দিয়া, নহ'লে এই কটা-মৰাৰ সময়ত নিজে শাসন কৰা।

গান্ধীজীয়ে জানিছিল যে পাকিস্তানত 'হোৱাটো তেতিয়ালৈকে সম্ভৱ নহ'ব যেতিয়ালৈকে যে ব্ৰিটিছ চৰকাৰে সেইটো নকৰে, আৰু ইংৰাজসকলে পাকিস্তান তেতিয়ালৈকে তৈয়াৰ নকৰিব যেতিয়ালৈকে কংগ্ৰেছে সেইটোক মানি নল'ব। জিন্না তথা সংখ্যালঘুসকলক সন্তুষ্ট কৰিবলৈ ব্ৰিটিছ চৰকাৰে ভাৰতক দুটুকুৰা কৰিব নোৱাৰিছিল আৰু সংখ্যাগুৰুক অসন্তুষ্ট কৰিব নোৱাৰিছিল। সেইবাবে কংগ্ৰেছে পাকিস্তানক মানি ল'ব নেলাগে।

কিন্তু গান্ধীজীৰ কথা কোনে শুনিছিল। গান্ধীজীৰ এজন সহযোগীয়ে লিখে—"আমাৰ নেতাসকল ভাগৰি পৰিছিল আৰু দূৰদৃষ্টি হেৰুৱাই পেলালে। কংগ্ৰেছৰ নেতাসকলে স্বাধীনতাক দূৰলৈ ঠেলিবলৈ ভয় কৰিছিল। গান্ধীজীয়ে এইটো আশাৰে পলম কৰিবলৈ বিচাৰিছিল যে শেষত সংযুক্ত দেশক স্বাধীনতাপ্ৰাপ্ত হওক। দুখন পৰস্পৰ বিৰোধী ভাৰতক প্ৰাপ্ত হ'ব নেলাগে।

১৯৪৮ চনৰ গৰমৰ দিনতে মই নেহেৰু, পেটেল আদিক সুধিলো যে গান্ধীজীয়ে কংগ্ৰেছক পাকিস্তান হোৱাটোক মানি লোৱাত বাধা দিবলৈ কিয় যত্ন নকৰিলে, যদি কিবা সহজ উপায়েৰে কৰিব নোৱাৰে তেন্তে তেখেতে উপবাস কৰিয়ে সেইটোক বাধা দিব পাৰিলেহেঁতেন।

সকলোৰে এটাই উত্তৰ আছিল যে গান্ধীজীৰ এইটো কাম কৰাৰ নিয়ম নহয় যে শেষ পৰ্যায়তো মান্তি হ'বলৈ কাৰোবাক বাধ্য কৰাব। এইটো সঁচা কিন্তু সম্পূৰ্ণ উত্তৰটো ইয়াতকৈও গভীৰ। কংগ্ৰেছে পাকিস্তানক মানি ল'লে আৰু শাসনৰ জৰীডাল চম্ভালি ল'লে। এইটোৰ বিকল্প কেৱল এইটোৱে আছিল যে পাকিস্তানক লঠিয়াই দিয়া, শাসনৰ জৰীডাল এৰি দিয়া হ'লহেঁতেন আৰু জনতাৰ পুনৰ সু-বুদ্ধি তথা শান্তিপ্ৰিয়তা স্থাপিত কৰিবলৈ সমস্ত বাজী লগাই দিব লাগিলহেঁতেন। কিন্তু গান্ধীজীয়ে দেখিলে যে তেখেতৰ বিকল্পত নেতাসকলৰ শ্ৰদ্ধা নাই। কমিটীতো তেওঁলোকে তেখেতক নিজৰ মতৰ সমৰ্থন কৰিবলৈ হেঁচা দিব পাৰিলেহেঁতেন, কিন্তু তেখেতৰ ওপৰত শ্ৰদ্ধা নোহোৱাকৈ নেথাকিব। সেইটোৰ বাবে প্ৰথমতে তেখেতে এইটো প্ৰমাণ কৰিব লগাত পৰিলেহেঁতেন যে হিন্দু আৰু মুছলমানে মিলা-প্ৰীতিৰে সৈতে থাকিব পাৰে। এই প্ৰমাণ কৰাৰ ভাৰ গান্ধীজীৰ ওপৰত আছিল আৰু দিনবোৰ বৰ খৰতকীয়াভাৱে পাৰ হৈ গৈ আছিল।

গান্ধীজী কলিকতালৈ দৌৰি গ'ল। পাকিস্তান পাবলৈ হ'লে বেংগলৰ পাকিস্তান তথা হিন্দুস্তানৰ মাজত ভাগ হ'ব লাগিব। যদি তেখেতে বেংগলৰ মুছলমানসকলক এই নিজৰ অংগৰ টুকুৰা টুকুৰ হোৱাৰ দুখলগা পৰিণামৰ বিষয়ে বুজাব পাৰে, যদি তেখেতে বেংগলৰ বিভাজনৰ বাবে হিন্দুসকলৰ ওফন্দি পৰা মনোভাবক বাধা দিব পাৰে, তেন্তে সম্ভৱ পাকিস্তানৰ কথাটো আঁতৰ হ'ব পাৰিব।

কলিকতাত গান্ধীজীয়ে সুধিলে, "যেতিয়া ওপৰৰ ফালেসকলো কথাই বেয়া হৈ পৰে তেতিয়া কি তলৰ শ্ৰেণীৰ জনতাৰ সদ্‌বুদ্ধি এই অশিষ্টতাভৰা অৱস্থাৰ বিৰুদ্ধে সাহসেৰে ঠিয় হ'ব নোৱাৰিবনে?" এইটোৱেই তেখেতৰ আশা আছিল।

গান্ধীজীয়ে যুক্তি দিলে যে বেংগলৰ এটা সংস্কৃতি আছে, এটা ভাষা আছে। সেইবোৰক লগ লাগি থাকিবলৈ দিয়া। লৰ্ড কাৰ্জনৰ দ্বাৰা বংগভংগৰ পাচত তেখেতে বেংগলক পুনৰ একেলগ কৰাই দিছিল। কিয় তেওঁ বিভাজনৰ আগতেই জিন্নাক বাধা দিব নোৱাৰিলেহেঁতেননে?

ছদিন কলিকতাত থাকি গান্ধীজী বিহাৰলৈ গ'ল। অতিপাত গৰম হোৱা সত্বেও তেখেতে গাঁৱৰ যাত্ৰা কৰিবলৈ ধৰিলে। তেখেতৰ গীত এইটোৱেই আছিল, "যদি হিন্দুসকলে ভ্ৰাতৃত্বৰ ভাব দেখুৱাব পাৰে তেন্তে এইটোৰ পৰা বিহাৰৰ মংগল হ'ব আৰু সংসাৰেৰো ভাল হ'ব"।

নেহৰুৱে মাতি পঠোৱাত গান্ধীজীয়ে ২৫ মে'ত পুনৰ দিল্লীলৈ উভতি গ'ল। মাউণ্ট বেটেনে নিজৰ মনতে সিদ্ধান্ত কৰি আকাশীযানেৰে লণ্ডনলৈ গুচি গৈছিল। উৰাবাতৰিও পাইছিল যে ভাৰতৰ বিভাজন হ'ব আৰু ইয়াৰ আঁচনি অতি সোনকালেই ঘোষণা কৰা হ'ব। গান্ধীজী আচৰিত হৈছিল যে এনেকুৱা কিয় হ'বলৈ ধৰিছে। ১৯৪৬ চনৰ ১৬ মে'ত কেবিনেট মিছনে বিভাজন তথা পাকিস্তান অস্বীকাৰ কৰি দিছিল। তেতিয়াৰ পৰা কি কথা হৈ গ'ল যে যাৰ বাবে পৰিস্থিতি সলনি হ'ল? কি দিব? কি তেওঁলোকে কোৰ্হালৰ ওচৰত আঁঠু কাঢ়ি বৈছিল?

তেখেতে বিভাজনৰ ফালে আগবাঢ়ি যোৱা জোৱাৰক পিছলৈ ঠেলিবলৈ এতিয়াও যত্ন কৰি আছিল। এই যত্নই তেখেতৰ যদি প্ৰাণো লয় তেন্তেনো কি হ'ব? গান্ধীজীয়ে কৈছিল, "আজি ভাৰতৰ যেনে অৱস্থা তৈয়াৰ হৈ পৰিছে তাত মোৰ বাবে ঠাই নাই। মই ১২৫ বছৰ জীয়াই থাকিম বুলি কৰা আশা এৰি দিছো। সম্ভৱ মই আৰু এবছৰ বা দুবছৰহে জীয়াই থাকিম। সেইটো দ্বিতীয় কথা। কিন্তু যদি ভাৰতে কটা মৰাৰ সোঁতত বুৰ যায়, যেনেকুৱা বিপদ দেখিবলৈ পোৱা গৈছে, সেয়ে মই জীয়াই থাকিবলৈ বিচৰা নাই"।

তথাপি তেখেতে বহুত দিনলৈকে নিৰাশাবাদী হৈ থাকিব নোৱাৰিলে। নেহৰুৱে চীনদেশৰ ৰাজদূত ডাঃ লো চিয়া-ল্যুয়েনক গান্ধীজীৰ ওচৰলৈ আনে। "আপোনাৰ ধাৰণা মতে ঘটনাবোৰে কেনে ৰূপ ল'ব?" —ডাঃ লোৱে সুধিলে।

গান্ধীজীয়ে উত্তৰ দিলে— "মই অদম্য আশাবাদী। বেংগল, পঞ্জাব আৰু বিহাৰৰ সমস্ত বিবেকহীন ৰক্তপাত দেখি মোক যিদৰে তাৰ্কিক যেন লাগিছে, কি এনেকুৱা হ'বৰ বাবেই মই এতিয়ালৈকে জীয়াই আছো আৰু কঠোৰ পৰিশ্ৰম কৰি গৈছো? কিন্তু মোৰ এনে লাগিছে যে এইটো সংকেতহে যে যেতিয়া আমি বিদেশী জুৱে ক নমাই পেলাই দিওঁ

তেতিয়াসকলো লেতেৰা আৰু ফেনবোৰ ওপৰলৈ উঠি আহে। গংগাত যেতিয়া পানী বাঢ়ে তেতিয়া পানী ঘোলা হৈ পৰে। লেতেৰাবোৰ ওপৰলৈ উঠি আহে। যেতিয়া বাঢ়নী পানী শুদ্ধ নীলা পানী দেখিবলৈ পাওঁ, যি চকুলৈ ঠাণ্ডা আনে। মই সেই আশাতে জীয়াই আছো। মই ভাৰতৰ মানুহবোৰক তাৰ্কিকৰূপে দেখিবলৈ নিবিচাৰোঁ।"

এই অৱধিতে মাউণ্টবেটেনে লণ্ডনত ভাৰতৰ বিভাজনৰ আঁচনি তৈয়াৰ কৰিছিল।

এই আঁচনিত কেৱল ভাৰতৰ বিভাজনৰ কথাই নহয়, বৰং বেংগল, পঞ্জাব আৰু অসমৰ বিভাজনৰো বিধান আছিল, যদি সেই ঠাইৰ জনতাই বিচাৰে।

১৯৪৭ চনৰ ৩০ জুনত প্ৰধানমন্ত্ৰী এট্‌লীয়ে কমন্স সভাত, তথা মাউণ্টবেটেনে নতুন দিল্লীৰ আকাশবাণী কেন্দ্ৰৰ দ্বাৰা এই আঁচনিৰ ঘোষণা কৰিলে।

নেহৰু, পেটেল তথা কাৰ্যকৰী সমিতিয়ে আঁচনিখন মানি ল'লে। কংগ্ৰেছ মহাসমিতিয়ে ১৫ জুনত ১৫৩ টা ভোটৰ বিৰুদ্ধে ২৯ টা ভোটেৰে মান্যতা দি অধিকৃত ৰূপ দি দিলে।

প্ৰস্তাৱ পাছ হোৱাৰ পাছত কংগ্ৰেছৰ অধ্যক্ষ প্ৰফেছাৰ জে বি কৃপালনিয়ে এটা চমু ভাষণত ক'লে যে কংগ্ৰেছে গান্ধীজীৰ লগ কিয় এৰি দিলে। তেখেতে ক'লে— "হিন্দু আৰু মুছলমানৰ মাজত কটা মৰাৰ বেয়াতকৈও বেয়া কামবোৰ চলি আছে। ভয় এইটোৱেই যে যদি আমি এনেদৰে এজনে আনজনৰ প্ৰতিশোধ লৈ থাকো আৰু এজনে আনজনক তিৰস্কাৰ কৰিয়েই থাকো তেন্তে লাহে লাহে আমি ভক্ষক অথবা তাতোকৈ বেয়া অৱস্থাত গৈ পৰিম। প্ৰত্যেক নতুন কাজিয়াই পুৰণা কাজিয়াবোৰৰ অত্যন্ত পাশৱিক তথা হীন কৰ্মবোৰো সাধাৰণৰ দৰে হৈ পৰে। মই ত্ৰিছ বছৰৰ পৰা গান্ধীজীৰ লগত আছো। তেখেতৰ প্ৰতি মোৰ ভক্তি কেতিয়াও বিচলিত হোৱা নাই। এই ভক্তি ব্যক্তিগত নহয় ৰাজনৈতিক। যদি কেতিয়াবা মই তেখেতৰ সৈতে একমত নহওঁ তেতিয়াও মই তেখেতৰ ৰাজনৈতিক অন্তঃপ্ৰেৰণাক নিজৰ অতি তৰ্কযুক্ত বিচাৰেৰে বেছি সত্য বুলি মানো। আজিও মই মানো যে নিজৰ মহান নিৰ্ভয়তাকলৈয়ে তেখেতেই সত্য আৰু মোৰ যুক্তি ত্ৰুটিপূৰ্ণ।

"তেন্তে মই তেখেতৰ লগত কিয় থকা নাই। এই কাৰণেই নাই থকা যে মই অনুভৱ কৰিছো যে তেখেতে এতিয়ালৈকে এই সমস্যাক সমূহীয়া উপায়েৰে সমাধান কৰাৰ একো পথ উলিয়াব নাই পৰা"।

শান্তি আৰু ভাতৃত্বৰ বাবে গান্ধীজীৰ যুক্তি যে ৰাষ্ট্ৰৰ অনুকূল প্ৰতিক্ৰিয়া হোৱা নাছিল। গান্ধীজীয়ে এইটো জানিছিল। তেখেতে কৈছিল, "যদি কেৱল মুছলমান নথকা ভাৰত মোৰ লগত থাকিলহেঁতেন তেতিয়া মই প্ৰস্তাৱিত বিভাজনক নাকচ কৰাৰ পথ দেখুৱাব পাৰিলোহেঁতেন"।

গান্ধীলৈ অহা নব্বৈ শতাংশ ডাকে ই গালিৰে আৰু ঘৃণাৰে ভৰা আছিল। হিন্দুসকলৰ চিঠিবোৰত সুধিছিল যে তেখেতে মুছলমানসকলৰ পক্ষ কিয় লৈছে আৰু মুছলমানসকলৰ চিঠিবোৰত এইটো বিচাৰিছিল যাতে তেখেতে পাকিস্তান স্থাপনত বাধা দিয়াটো বন্ধ কৰি দিয়ে।

এটা মাৰাঠী দম্পতিয়ে দিল্লীলৈ আহি হৰিজন গাঁৱৰ ওচৰতে থাকিবলৈ ল'লে আৰু ঘোষণা কৰিলে যে তেওঁলোকে উপবাস আৰম্ভ কৰি দিছে, যিটো তেতিয়ালৈকে চলি থাকিব যেতিয়ালৈকে পাকিস্তানৰ আঁচনিক ত্যাগ কৰা নহয়। গান্ধীজীয়ে প্ৰাৰ্থনা সভাত প্ৰবচন দিওঁতে তেওঁলোকক সুধিলে, "কি তোমালোকে পাকিস্তানৰ বিৰুদ্ধে এই কাৰণেই উপবাস কৰিছা নেকি যে মুছলমানসকলক ঘৃণা কৰা, বা এইবাবে যে মুছলমানসকলক ভাল পোৱা? যদি তোমালোক মুছলমানসকলক ঘৃণা কৰা তেন্তে উপবাস কৰাৰ আৱশ্যক নাই। যদি তোমালোকে মুছলমানসকলক ভালপোৱা তেন্তে যোৱা আনসকল হিন্দুকো তেওঁলোকক ভাল পাবলৈ শিকোৱা। দুয়োজনে উপবাস কৰা এৰি দিলে।

গান্ধীজীয়ে বিভাজনক এটা 'আধ্যাত্মিক দুৰ্ঘটনা' বুলি কৈছিল। তেখেতে তেজ-বোৱাৰ তৈয়াৰী দেখিবলৈ পাইছিল। তেওঁ 'সৈন্যৰ অধিনায়কবাদ' আৰু পুনৰ 'স্বাধীনতাৰ পৰা বিদায়'ৰ "মোৰ অতি ওচৰ সম্পৰ্কীয় মিত্ৰসকলে যিবোৰ কৰিলে বা তেওঁলোকে যি কৰি আছে, সেইবোৰৰ লগত মই সহমত নহওঁ।"

গান্ধীজীয়ে ক'ব খুজিছিল যে বত্ৰিছ বছৰৰ কামৰ 'লজ্জাজনক পৰিসমাপ্তি' হ'বলৈ ধৰিছে। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হ'ব লগা আছিল, কিন্তু সেই বিজয় এটা শুকান ৰাজনৈতিক ব্যৱস্থা আছিল। এইটো স্বাধীনতাৰ ফোঁপোলা বাকলিহে আছিল। এইটো দুখলগা বিজয় আছিল। এইটো এনেকুৱা বিজয় আছিল য'ত সেনাই নিজেই নিজৰ সেনাপতিক হৰুৱাই পেলোৱা অৱস্থাত পোৱা হৈছে।

গান্ধীজীয়ে ঘোষণা কৰিলে, "মই পোন্ধৰ আগষ্টৰ সমাৰোহত ভাগ ল'ব নোৱাৰিম"।

১৯৪৮ চনৰ ৬ অক্টোবৰত মাউন্টবেটেনে ৰয়েল এম্পায়াৰ ছোচাইটিক ক'লে যে ভাৰতত গান্ধীজীৰ তুলনা ৰুজভেল্টে চাৰ্চিলৰ দৰে ৰাজনেতাৰ লগত নহয়। তাৰ লোকসকলে তেখেতক নিজৰ মনতে মহম্মদ আৰু যীশুৰ শ্ৰেণীৰ বুলি মানে।

কোটি কোটি মানুহে গান্ধীজীক পূজা কৰিছিল, বহুতো লোকে তেখেতৰ চৰণযুৰিক বা তেখেতৰ চৰণৰ ধূলি মূৰত লোৱাৰ যত্ন কৰিছিল। তেওঁলোকে তেখেতক শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছিল আৰু তেখেতৰ উপদেশবোৰক লাঠ মাৰি দিছিল। তেওঁলোকে তেখেতৰ শৰীৰটোক পৱিত্ৰ বুলি মানিছিল আৰু তেখেতৰ ব্যক্তিত্বক অপৱিত্ৰ। তেওঁলোকে তেখেতক বিশ্বাস কৰিছিল কিন্তু তেখেতৰ সিদ্ধান্তত বিশ্বাস নাছিল। তেওঁলোকে বাহিৰৰ খোলাটোক স্তুতি কৰিছিল আৰু ভিতৰৰ সাৰৱিনিক ভৰিৰে মোহাৰি পেলাইছিল।

১৫ আগষ্ট, স্বাধীনতা দিৱসে গান্ধীজীক কলিকতাত কাজিয়াবোৰক বাধা দিয়াৰ যত্ন কৰি থকা পালে। গোটেই দিনটো তেখেতে উপবাসে থাকিলে আৰু প্ৰাৰ্থনা কৰিলে। দেশৰ বাবে তেখেতে কোনো বাৰ্তা নপঠালে। ৰাষ্ট্ৰৰ জীৱনৰ ঔপচাৰিক উদ্‌ঘাটনত ভাগ ল'বলৈ ৰাজধানীলৈ পোৱাকৈ যাব লগা নিমন্ত্ৰণ তেখেতে অস্বীকাৰ কৰিলে। উৎসৱৰ দৌৰ ধুপৰ সময়ত তেখেত শোকাকুল আছিল। তেখেতে সুধিলে, "কিয় মোৰ গাত কিবা বেয়াৰ জন্ম হ'ল বা বাস্তৱতেই চাল-চলনেই বেয়াৰ ভালে গতি কৰিছে?"

ভাৰতে স্বাধীনতা পালে, কিন্তু গান্ধীজী উদ্বিগ্ন আৰু অস্থিৰ হৈ আছিল। তেখেতৰ অনাসক্তি দুৰ্বলতা আহিছিল। তেখেতে কৈছিল, "মই সমত্বৰ অৱস্থাৰ পৰা দূৰলৈ আঁতৰি গৈছো"।

কিন্তু বিশ্বাসে তেখেতেৰ লগ কেতিয়াও এৰা নাছিল। নে তেখেতে গুহালৈ বা বনলৈ গুচি যোৱাৰ কথা ভাবিলে। "যেই কোনো মূল উদ্দেশ্য যিটো ভিতৰৰ পৰাই ন্যায়সংগত নিৰাশ্ৰয় বুলি কেতিয়াও কোৱা নাযায়"—তেখেতে দৃঢ়তাৰে ক'লে।

২৯ আগষ্টত তেখেতে অমৃত কৌৰলৈ লিখিছিল, "মানৱতা এখন মহাসাগৰ। যদি মহাসাগৰৰ কেইটোপমান পানী লেতেৰা হয় তেন্তে গোটেই মহাসাগৰখনেই লেতেৰা হৈ নপৰে"।

মানুহৰ ওপৰত তেখেতে নিজৰ বিশ্বাস স্থিৰ কৰি ৰাখিছিল। ঈশ্বৰৰ ওপৰত তেখেতে নিজৰ বিশ্বাস স্থিৰভাৱে ৰাখিছিল। নিজৰ প্ৰাৰ্থনাৰ অন্তত দিয়া ভাষণত এদিন তেখেতে কৈছিল— "মই জন্মৰে পৰা সংঘৰ্ষ কৰোঁতা আৰু অসফলতাক নেজানো"।

বিভাজন তথ্য আছিল, কিন্তু তেখেতেৰ কোৱা এনে আছিল— "শুদ্ধ আচৰণেৰে কিবা বেয়া কাম কৰাতো সদায়েই সম্ভৱ, আৰু শেষত বেয়াৰ পৰা ভালটো বাছি উলিওৱাও সম্ভৱ হৈ পৰে"।

কোনোবা সৰু সুৰা মানুহে উদ্বিগ্ন হৈ পৰে, বা কটু হৈ পৰে বা নিজৰ পথত বাধা দিওঁতাজনক পৰাজিত কৰাৰ ষড়যন্ত্ৰ কৰে। গান্ধীজীয়ে নিজৰ ভিতৰতে পোহৰ পেলালে, সম্ভৱ তেখেতৰে দোষ হ'ব। 'হে ঈশ্বৰ তুমি মোক অন্ধকাৰৰ পৰা পোহৰলৈ লৈ যোৱা"।

গান্ধীজীয়ে নিজৰ বয়স আঠসত্তৰ বছৰ পূৰ কৰিবলৈ লৈছিল। যিখন সংসাৰক তেখেতে গঢ়িছিল সেইখন তেখেতৰ চাৰিওফালে ভগ্নাৱশেষ হৈ পৰি আছিল। তেখেতে নতুনকৈ নিৰ্মাণ কৰিব লগা হৈছিল। কংগ্ৰেছ বহুতখিনিলৈকে ৰাজনৈতিক দল হৈ পৰিছিল। সেইটোক জনতাৰ ৰচনাত্মক উত্থানৰ বাবে তৈয়াৰ কৰা আৱশ্যক আছিল। তেখেতে নতুন দিশৰ অনুসন্ধান কৰিছিল। তেখেতৰ শৰীৰটো বুঢ়া আছিল আৰু উৎসাহ ডেকাৰ দৰে। তেখেত অনুভৱত বৃদ্ধ আৰু বিশ্বাসত ডেকা।

কলিকতাত মানুহে তেখেতক এঘৰ মুছলমানৰ ঘৰলৈ লৈ গ'ল। সেই অঞ্চলৰ পথবোৰত জীয়া তেজেৰে ভৰি পিছল খাইছিল আৰু বতাহত জুই জ্বলা ঘৰবোৰৰ ধোঁৱাৰ দুৰ্গন্ধ আছিল।

বিয়োগ সন্তপ্ত মানুহে এই সৰু ঘৰটোত তেখেতৰ ওচৰলৈ আহে আৰু গান্ধীজীয়ে তেওঁলোকৰ চকুপানী মচি দিয়ে। বেলেগক শান্তিৰ মলম লগোৱাত তেখেতে সান্ত্বনা লাভ কৰিছিল। তেখেতে নিজৰ নতুন কৰ্তব্য বিচাৰি লৈছিল। এইবোৰ তেখেতৰ পুৰণি কাম আছিল। কষ্ট নিবাৰণ, প্ৰেমৰ প্ৰচাৰ তথাসকলো মানুহক ভাই-ককাই কৰি গঢ়ি তোলা।

অসীম সন্ত ফ্ৰান্সিছে যেতিয়া নিজৰ বাগিছাত কোৰ মাৰি আছিল। তেতিয়া কোনোবাই তেখেতক সুধিলে যে যদি তেখেতে অকস্মাতে গম পাই যায় যে সেইদিনাই সন্ধিয়ালৈ তেখেতৰ মৃত্যু হ'বলগীয়া আছে তেন্তে তেখেতে কি কৰিব?

তেখেতে উত্তৰ দিলে, "মই নিজৰ বাগিচাত কোৰ মৰাও সমাপ্ত কৰি দিম"।

গান্ধীজীয়েও সেইখন বাগিচাতে কোৰ মাৰি আছিলে য'ত তেখেতে জীৱনজুৰি কাম কৰিছিল। পাপীসকলে তেখেতৰ বাগিচাত শিল আৰু জাবৰ-জোঁথৰ পেলাই দিছিল, কিন্তু কোৰখন চলিয়েই আছিল।

সত্যাগ্ৰহ গান্ধীজীৰ বাবে নিৰাশা তথা দুখৰ ঔষধ আছিল। কৰ্মই তেখেতক আন্তৰিক শান্তি প্ৰদান কৰিছিল।❑❑

বেদনাৰ চৰম সীমা

ইংৰাজে ভাৰত এৰি থৈ গুচি গ'ল। তেওঁলোকৰ ৰাজনীতিৰ আখৰ জ্ঞান আছিল, ভাৰতৰ দেৱালত তেওঁলোকে এই হস্তলেখা পঢ়ি লৈছিল। "তোমালোকৰ দিন উকলিল"। এই হস্তলেখা গান্ধীজীৰ আছিল।

ভাৰতবাসীসকলৰ ইচ্ছাত লৈ অহা মাউণ্টবেটেন ভাৰতীয় সংঘৰ গভৰ্ণৰ জেনেৰেল হৈয়ে থাকিল। এইটো নিশ্চিত হৈছিল যে মাউণ্ট বেটেন পাকিস্তানৰো গভৰ্ণৰ জেনেৰেল হ'ব আৰু এনেদৰে একতাৰ প্ৰতীক হ'ব। কিন্তু জিন্নাই তেওঁৰ ঠাই লৈ ল'লে। পাকিস্তান হোৱাৰ বাবে ভাৰতৰ দুটা টুকুৰা হৈ পৰিল। নিজে পাকিস্তানেও দুটুকুৰা হৈ পৰিল। দুয়োটা টুকুৰাৰ মাজত ভাৰতীয় সংঘৰ প্ৰায় ৮০০ মাইল দীঘল ভাগ আছিল।

ভাৰতৰ বিভাজন কৰোঁতা সীমাৰেখাই ঘৰবোৰকো দুভাগ কৰি পেলালে। এইটোৱে কাৰখানাবোৰৰ কেঁচামাল আৰু খেতিত উৎপাদিত বস্তুৰ ব্যৱসায় কেন্দ্ৰবোৰকো পৃথক কৰি পেলালে। পাকিস্তানৰ তাকৰ ভাগ মানুহে নিজৰ ভৱিষ্যতৰ বিষয়ে চিন্তিত হৈ পৰিছিল। ভাৰতীয় সংঘত থকা মুছলমানসকল মানসিকভাৱে অস্থিৰ হৈ পৰিছিল। দুয়োখন উপনিৱেশতে শাসক বহুসংখ্যক তথা ভয়-ভীত অল্পসংখ্যৰ মাজত কটা মৰা আৰম্ভ হ'ল।

ভাৰতে শান্তিৰে সৈতে থাকিব পাৰিলেহেঁতেন। অংগচ্ছেদ হোৱাত হৃদয়স্পৰ্শী ধমনীবিলাক কাট খাই গ'ল। এইটোৰ পৰা মানব-ৰক্ত তথা ধাৰ্মিক বিদ্বেষৰ বিষ ব'বলৈ ধৰিলে। কলিকতা তথা বেংগলৰ পশ্চিম অঞ্চল ভাৰতীয় সংঘত থাকিল। পূব বেংগল পাকিস্তানলৈ গ'ল। কলিকতাৰ জনসংখ্যাৰ শতকৰা তেইশ ভাগ মুছলমান আছিল। হিন্দু আৰু মুছলমানে পৰস্পৰে কাজিয়া কৰিবলৈ ধৰিলে।

গান্ধীজীয়ে এই ভমককৈ জ্বলি উঠা জুইবোৰত শান্তিৰ শীতল জল ছটিওৱাৰ সংকল্প ল'লে।

গান্ধীজী ১৯৪৭ চনৰ ৯ আগষ্টত কলিকতা পায়গৈ। জিন্নাৰ পোনপটীয়া কাৰ্যতৎপৰতাৰ দিনাৰ পৰা এতিয়ালৈকে গোটেই বছৰটো কলিকতাত ৰক্তপাত হাই-কাজিয়া বাবে পেপুৱা হৈ আছিল। ধাৰ্মিক উন্মাদেৰে ভৰি থকা পথবোৰত গান্ধীজী আৰু হুছন

চুৰাবাদী হাতত ধৰাধৰিকৈ ফুৰে। কাজিয়াৰ ঠাইবোৰলৈ চুৰাবাদীয়ে গান্ধীজীক নিজৰ মটৰ গাড়ীত বহুৱাই লৈ গ'ল। য'লৈকে এই দুয়োজন যায় তাতে কটামৰাবোৰ কফুৰৰ দৰে উৰি যায়। মুছলমান আৰু হিন্দুৱে পৰস্পৰে হাত মিলায় আৰু তেওঁলোকে ধ্বনি দিয়ে 'মহাত্মা গান্ধী জিন্দাবাদ' হিন্দু-মুছলিম একতা জিন্দাবাদ'। গান্ধীজীৰ দৈনিক প্ৰাৰ্থনা সভাবোৰত বিশাল ভিৰবোৰত ভাতৃত্ব দেখুৱাবলৈ ধৰিলে। ১৪ আগষ্টৰ পাছৰ কলিকতাত একো কাজিয়া নহ'ল। গান্ধীজীয়ে ধুমুহাজাক শান্ত কৰি পেলালে। বাতৰি কাকতবিলাকে লেঙুটীধাৰী যাদুকৰলৈ প্ৰশংসাৰ উপহাৰ আগবঢ়ালে।

৩১ আগষ্টত গান্ধীজীয়ে এঘৰ মুছলমানৰ ঘৰত শুই আছিল। ৰাতি ১০টা মান বজাত তেখেতে খঙেৰে কথা কোৱা শুনিবলৈ পালে। তেখেতে মনে মনে বিছনাত পৰি থাকিল। চুৰাবাৰ্দী তথা মহাত্মাজীৰ কেইগৰাকীমান শিষ্যই আক্ৰমণকাৰীক শান্ত কৰাৰ যত্ন কৰি আছিল। তেতিয়াই চিচা ভাগিবলৈ ধৰে, খিড়িকীৰে চিচাবোৰ শিলগুটিৰে আৰু ঘোঁচাৰে ভাঙি পেলোৱা হৈছিল। কিছুমান ডেকা ল'ৰাই ভিতৰলৈ সোমাই আহে আৰু দুৱাৰত গুৰিয়াবলৈ ধৰে। গান্ধীজীয়ে বিছনাৰ পৰা উঠি নিজৰ কোঠাৰ দুৱাৰখন খুলি দিলে। তেখেতে খঙত থকা আক্ৰমণকাৰীৰ আগত থিয় হৈ আছিল। তেখেতে নিজৰ হাত যোৰ কৰিলে। তেখেতৰ ওপৰত ইটা দলিওৱা হ'ল। এই ইটা টুকুৰা তেখেতৰ ওচৰতে থিয় হৈ থকা এজন মুছলমান লোকৰ গাত পৰিল বাবে তেখেতৰ মূৰত নপৰি অলপতহে বাচিল। মহাত্মাজীয়ে দুখেৰে নিজৰ মূৰ লৰালে। পুলিচ আহিল। পুলিচৰ অফিচাৰে গান্ধীজীক নিজৰ কোঠালৈ গুচি যাবলৈ ক'লে। তেতিয়া পুলিচ অফিচাৰে আক্ৰমণকাৰীসকলক ঠেলা মাৰি বাহিৰলৈ উলিয়াই দিলে। বাহিৰত থকা বশ কৰিব নোৱাৰা ভিৰক ছেদেলি-ভেদেলি কৰিবলৈ কন্দুৱা গেছৰ প্ৰয়োগ কৰিলে। এই ভিৰটো এজন পটী বন্ধা মুছলমান মানুহক দেখি জ্বলি পৰি উঠিছিল আৰু তেওঁলোকে ক'ব খুজিছিল যে তেওঁক হিন্দুৱে ছুৰী মাৰিলে।

গান্ধীজীয়ে উপবাস লোৱাৰ সিদ্ধান্ত ল'লে। ১ ছেপ্টেম্বৰত বাতৰি কাকতলৈ দিয়া এটা বক্তব্যত তেখেতে ক'লে, "আৱেগেৰে চিএঁৰাসকলৰ ভিৰৰ সমুখলৈ গ'লে একো কামত নাহে। তাকৰতকৈ তাকৰভাৱেও কালি ৰাতি একো নহ'ল। যিটো কথা মোৰ শব্দৰে হ'ব নোৱাৰিলে সেইটো বোধকৰোঁ মোৰ উপবাসৰ পৰা হ'ব পাৰে। যদি কলিকতাত মই যুঁজিবলৈ ধৰা-ধৰ্মৰ নামত গণ্ডগোল কৰাসকলৰ অন্তৰত প্ৰভাৱ পেলাব পাৰো তেন্তে পঞ্জাবতো কৰিব পাৰিম। সেইবাবে মই আজি ৰাতি ৮-১৫ বজাৰ পৰা উপবাস আৰম্ভ কৰিবলৈ লৈছো আৰু এইটো সেই সময়তহে শেষ হ'ব যেতিয়া কলিকতাবাসীসকললৈ সদ্ বুদ্ধি ঘূৰি আহিব।

এয়া আমৰণ উপবাস আছিল, যদি সদ্‌বুদ্ধি ঘূৰি নাহে মহাত্মাজী মৰি থাকিব।

২ ডিচেম্বৰত সৰু সমিতিবিলাক তথা শিষ্ট মণ্ডলীৰ গান্ধীজীয়ে বাস কৰা ঠাইত

লানি লাগিবলৈ ধৰিলে। তেওঁলোকে ক'লে যে গান্ধীজীৰ প্ৰাণ ৰক্ষাৰ বাবে তেওঁলোক যিহকে লাগে তাকে কৰিবৰ বাবে সাজু। গান্ধীজীয়ে ক'লে যে সেইটো দৃষ্টিকোণেই ভুল। তেখেতৰ উপবাসৰ অভিপ্ৰায় আছিল অন্তৰাত্মাক জগোৱা আৰু মানসিক অৱসাদ দূৰ কৰা। হৃদয় পৰিৱৰ্তন মুখ্য কথা আছিল আৰু তেখেতৰ জীৱন ৰক্ষা গৌণ।

সকলোবোৰ সম্প্ৰদায় তথা অনেক অনুষ্ঠানৰ নেতাসকল মহাত্মাজীক লগ পাবলৈ আহিল। গান্ধীজীয়েসকলোৰে লগতে কথা-বতৰা পাতিলে। যেতিয়ালৈকে সাম্প্ৰদায়িক মিলা-প্ৰীতি পুনৰ স্থাপিত হৈ নেযাব, তেখেতে উপবাস ভংগ নকৰে। কিছুমান মুখ্য মুছলমান তথা পাকিস্তান চিমেন্স ইউনিয়নৰ এজন পদাধিকাৰীয়ে গান্ধীজীক লগ ধৰে আৰু তেওঁ আশ্বাসন দিলে যে শান্তি প্ৰতিষ্ঠা কৰিবলৈ তেওঁ যথাসাধ্য চেষ্টা কৰিব আৰু মুছলমানো আহে। উপবাসৰ তেওঁলোকৰ ওপৰতো প্ৰভাৱ পৰিছিল। এই উপবাস তেওঁলোকৰ সুৰক্ষাৰ বাবে তথা তেওঁলোকৰ নষ্ট হোৱা ঘৰবিলাকৰ পুনৰ ঘৰবোৰত বাস কৰোৱাৰ বাবে আছিল।

৪ ছেপ্টেম্বৰত মিউনিচিপেলিটীৰ অধিকাৰীয়ে জাননী দিলে যে যোৱা চৌব্বিছ ঘণ্টাত চহৰত পূৰা শান্তি আছিল। মানুহবোৰে গান্ধীজীক এইটোও ক'লে যে সাম্প্ৰদায়িক শান্তিৰ প্ৰতি নিজৰ ইচ্ছাৰ প্ৰমাণ দিবৰ বাবে উত্তৰ কলিকতাৰ ৫০০ পুলিচৰ চিপাহীয়ে য'ত ইংৰাজ পুলিচ অফিচাৰো আছিল, কৰ্তব্যত কাম কৰি থাকি সহানুভূতিৰে চৌব্বিছ ঘণ্টাৰ উপবাস আৰম্ভ কৰি দিলে। উপদ্ৰব কৰা দলবোৰৰ চৰ্দাৰ বদ্‌মাচ্‌বোৰে গান্ধীজীৰ বিছনাৰ ওচৰত বহি কান্দিবলৈ ধৰিলে আৰু তেওঁলোকে কথা দিলে যে নিজৰ স্বাভাৱিক লুটপাত এৰি দিব। হিন্দুসকলৰ, মুছলমানসকলৰ, তথা খ্ৰীষ্টানসকলৰ প্ৰতিনিধিয়ে, কাৰ্যকৰ্ত্তাসকল, দোকানীসকলে গান্ধীজীৰ আগত প্ৰতিজ্ঞা কৰিলে যে কলিকতাত আগলৈ কাজিয়া নহ'ব। গান্ধীজীয়ে ক'লে যে তেখেতে তেওঁলোকক বিশ্বাসতো কৰে; কিন্তু এইবাৰ লিখিত প্ৰতিজ্ঞা বিচাৰিছে। আৰু প্ৰতিজ্ঞাত চহী কৰা আগতে তেওঁলোকৰ এইটো জানি লোৱা দৰকাৰ যে যদি প্ৰতিজ্ঞা ভংগ কৰে তেন্তে তেখেতে অখণ্ড উপবাস আৰম্ভ কৰি দিব, যিটোক তেখেতৰ মৃত্যু পৰ্যন্ত পৃথিৱীৰ কোনো বস্তুৱেই বাধা দিব নোৱাৰিব।

চহৰৰ নেতাসকলে মন্ত্ৰণাৰ বাবে বেলেগে গুচি গ'ল। এইটো বৰ মহত্বপূৰ্ণ খেল আছিল আৰু তেওঁলোকে নিজৰ দায়িত্বক অনুভৱ কৰিছিল। তথাপি তেওঁলোকে প্ৰতিজ্ঞাৰ আঁচনি তৈয়াৰ কৰিলে আৰু তাত চহী কৰি দিলে। ৪ ছেপ্টেম্বৰৰ ৰাতি ৯-৪৫ বজাত গান্ধীজীয়ে চুৰাবৰ্দীৰ হাতেৰে এগিলাচ নেমুৰ চৰ্বত খালে। তেখেতে তেসত্তৰ ঘণ্টা উপবাস কৰিছিল।

সেইদিনাৰ পৰা কলিকতা তথা বেংগলৰ দুয়োটা ভাগ হাই-কাজিয়াৰ পৰা মুক্ত হয়, যদিও পাছতো কেইবামাহ পৰ্যন্ত পঞ্জাৱ তথা অন্য ৰাজ্যও সাম্প্ৰদায়িক হত্যাবোৰেৰে কঁপি উঠে। বেংগলে নিজে কথা দিয়া মতে দৃঢ় হৈ আছিল।

৭ ছেপ্টেম্বৰত গান্ধীজীয়ে দিল্লীহৈ পঞ্জাবলৈ যাবলৈ বুলি কলিকতাৰ পৰা ৰাওনা হ'ল। বাগিছাখনৰ দ্বিতীয় ভাগটো সাৰ-পানীৰ আৱশ্যক আছিল।

ষ্টেচনত গান্ধীজীয়ে চৰ্দাৰ পেটেল, ৰাজকুমাৰী অমৃতকৌৰ আদিক লগ পায়। তেওঁলোকৰ মুখৰ চেহেৰাত নিৰাশা বিদ্যমান আছিল। দিল্লীত হাই-কাজিয়াবোৰ জোৰেই চলি আছিল। পঞ্জাবৰ জুইৰ পৰা পলাই অহা শৰণাৰ্থী দিল্লীত ভৰি পৰিবলৈ ধৰিছিল। অস্পৃশ্যসকলৰ যিখন গাঁৱত মহাত্মাজী থাকিবলৈ লৈছিল সেইখন এইসকল লোকে ঘেৰি পেলাইছিল। সেইবাবে গান্ধীজীয়ে বিৰলা ভৱনত থাকিব লগাত পৰিছিল।

বিৰলা ভৱনত গান্ধীজীৰ কোঠাতো তলৰ মহলাত আছিল। যেতিয়া গান্ধীজী ইয়ালৈ আহি পালে তেতিয়া তেখেতেসকলো ফাৰ্ণিচাৰ আঁতৰাই পেলালে। আগন্তুকসকল মজিয়াতে বহিছিল আৰু গান্ধীজীয়ে কোঠাটোৰ বাহিৰৰ বাৰন্দাত শুইছিল।

বিৰলা ভৱনলৈ আহি পাই গান্ধীজীয়ে গম পালে যে দিল্লীত ফল আৰু শাক-পাচলি পোৱাটো অসম্ভৱ আছিল, কাজিয়াবোৰেসকলো বেপাৰ-বাণিজ্য বন্ধ কৰি দিছিল।

এতিয়া গান্ধীজীয়ে খণ্ডেৰে সৈতেই আৰু সম্পূৰ্ণ খোলাভাৱে দিল্লীৰ ঠিকনা গোটোৱাৰ কামত লাগি গ'ল দিল্লীৰো আৰু পঞ্জাবৰো। বেলেগে একো কথাতে মহত্ব দিয়া নাছিল। যোৱা বছৰটোত গান্ধীজীয়ে ডাক্তৰক নিজৰ ৰক্ত-চাপ জুখিবলৈ দিছিল। এতিয়া তেখেতে কৈ দিলে, "মোক আমনি নিদিবা, মইতো কাম কৰিবলৈ বিচাৰিছো আৰু নিজৰ ৰক্তচাপৰ বিষয়ে একো জানিবলৈ নিবিচাৰো"। ডাক্তৰসকলে কৈছিল যে যোৱা দহ বছৰে তেখেতৰ তেজ চলাচল কৰি থকা ব্যৱস্থাটোৰ একো বেয়াৰ ফালে যোৱা নাছিল। তেখেতৰ মুখ বা শৰীৰ বেছিকৈ শোতোৱা পৰিছে। ডাঙৰ শব্দ তেখেতে কাণেৰে সহ্য কৰিব নোৱাৰিছিল। তেখেতে ৰাতি পাঁচ-ছঘণ্টা আৰু দিনত আধা বা এঘণ্টা শুইছিল। তেখেতে অতি গভীৰভাৱে টোপনি গৈছিল। ৰাতিপুৱা তেখেতৰ অতি সতেজতা আৰু আনন্দ আছিল।

ৰাজনৈতিক স্থিতিত তীব্ৰ বিক্ষোভৰ সত্ত্বেও গান্ধীজীয়ে নিজৰ শৰীৰৰ প্ৰতি বহুত বেছি মনোযোগ দিছিল। খুব গৰম পানীত টবত ১০ ৰ পৰা ২০ মিনিট পৰ্যন্ত পৰি থাকিবলৈ তেখেতে বৰ ভাল পাইছিল। যদি গা ধোৱা ঘৰত ফুহাৰা থকা টেপ থাকে তেন্তে তেখেতে তাৰ পাছতে ঠাণ্ডা পানীৰে গা ধুইছিল।

কষ্টকৰ যাত্ৰা তথা অত্যধিক মানসিক অশান্তিত থাকিব লগা সেই মাহেকবোৰত তেখেতে তাকৰীয়া ভোজন কৰিছিল। তেখেতৰ উদ্দেশ্য আছিল; সহ্য কৰিব পৰাতকৈ অধিক কাম কৰিবলগীয়া হ'লে কমকৈ খাবা। তেখেতৰ বাবেতো এতিয়াও বহুত কাম কৰিবলৈ বাকী আছে।

বিৰলা ভৱন গৈ পোৱাৰ প্ৰথম দিনাই গান্ধীজীয়ে দিল্লীৰ পৰা চৈধ্য মাইল দূৰৰ ওখলাত ডাঃ জাকিৰ হুছেইনক লগ কৰিবলৈ যায়।

জাকিৰ হুছেইন ওখলাৰ জামিয়া মিলিয়া ইছলামিয়াৰ অধ্যক্ষ আছিল। এইজন বহুত উন্নত মনৰ আৰু চৰিত্ৰৰ ভব্য বিদ্বান। এইখন স্কুলৰ বাবে গান্ধীজীয়ে বৰগুণি সংগ্ৰহ কৰিছিল। তেখেতে ডাঃ জাকিৰ হুছেইনক 'তালীমী সংঘ'ৰ অধ্যক্ষও পাতিছিল।

১৯৪৭ চনৰ আগষ্টত জামিয়া মিলিয়াৰ ওপৰত ক্ৰোধিত হিন্দুসকল তথা শিখসকলৰ সমুদ্ৰ ঢৌ উঠিবলৈ ধৰে, কিয়নো তেওঁলোকৰ বাবেসকলো মুছলমান বস্তুবেই, লাগে মানুহেই হওক বা ঘৰেই হওক ঘৃণনীয় আছিল। ৰাতি জামিয়াৰ অধ্যাপক তথা বিদ্যাৰ্থীসকলে আক্ৰমণৰ ভয়তে পহৰা দিছিল। চাৰিওফালৰ গাঁওবোৰত মুছলমানৰ ঘৰবোৰ জ্বলি উঠিছিল। আক্ৰমণকাৰীৰ ঘেৰাও ওচৰ চাপি আহিছিল। এটা আন্ধাৰ ৰাতি এখন টেক্সি জামিয়াৰ ওচৰ আহি পালে। এইখনৰ পৰা জবাহৰলাল নেহেৰু নামিল। দিল্লীখনকে ঘেৰি ধৰিব খোৰা পাগলৰ দৰে লোকসকলৰ মাজেৰেই তেওঁ অকলেই আহিল। সেই ঠাই পাইছিলহি যাতে ডাঃ হুছেইন আৰু তেখেতৰ বিদ্যাৰ্থীসকলৰ ওচৰত থাকি তেওঁলোকক আক্ৰমণৰ পৰা ৰক্ষা কৰিব পাৰে।

যেতিয়াই গান্ধীজীয়ে জামিয়াৰ ওচৰত আহি পৰা বিপদৰ কথা শুনিলে, তেখেতে মটৰ গাড়ীৰে গৈ সেইখিনি পালে আৰু জাকিৰ হুছেইন তথা বিদ্যাৰ্থীসকলৰ লগত এঘণ্টা থাকে। গান্ধীজীৰ পদাৰ্পণত জামিয়া পৱিত্ৰ হৈ পৰিল। তাৰ পাছৰ পৰা সেই ঠাইত আক্ৰমণৰ আশংকা নোহোৱা হ'ল।

সেইদিনা গান্ধীজীয়ে কেইবাটাও শৰণাৰ্থী শিবিৰলৈ যায়। তেখেতক অনুৰোধ কৰা হৈছিল যে ৰক্ষা কৰিব পৰা হাথিয়াৰযুক্ত লোক যেন লগত লৈ যায়। সম্ভৱ আছিল হিন্দু তথা শিখে তেখেতক মুছলমানপ্ৰেমী বুলি ভাবি তেখেতৰ ওপৰত আক্ৰমণ কৰিব পাৰে।

সাৱধানতা আৰু স্বাস্থ্যক দেৱালত থকা খাপত ভৰাই থৈ গান্ধীজীয়ে এতিয়া অসাধাৰণ শক্তি দেখুৱালে। তেখেতে দিনটোত কিমানবাৰ যে চহৰখনত ইফালে-সিফালে দৌৰিছিল, কেতিয়াবা কাজিয়া লগা ঠাইবোৰলৈ গৈছিল, কেতিয়াবা চহৰত বা বাহিৰত শৰণাৰ্থীৰ শিবিৰলৈ গৈছিল আৰু কেইবাবাৰো মানৱতাৰ কটুতা ভৰা, শিপাৰে সৈতে উঘাল খাই পৰা আৰ্হিৰ হাজাৰ হাজাৰ লোকৰ ভিৰতো ভাষণ দিয়ে। ২০ ছেপ্টেম্বৰত প্ৰাৰ্থনা সভাত তেখেতে কৈছিল, "মই দিল্লী আৰু পূব পঞ্জাবৰ তথা পশ্চিম পঞ্জাবৰ দীন-হীন শৰণাৰ্থীসকলৰ কথা ভাবিছো। মই শুনিছো যে হিন্দুসকলৰ আৰু শিখসকলৰ সাতাৰন দীঘল দূৰত্ব পশ্চিম পঞ্জাবৰ পৰা ভাৰতত আহি সোমাইছে। এইটো কথা ভাবি মোৰ মূৰ ঘূৰাই গৈছে যে এইটো কেনেকৈ হ'ব পাৰিছে। এনে ধৰণৰ ঘটনা সংসাৰৰ ইতিহাসত দ্বিতীয় এটা পোৱা নেযাব। এইটোৰ বাবে মোৰ মূৰ লাজতে দোঁ খাইছে আৰু আপোনালোকৰো দোঁ খাব লাগে।"

মৃতক আৰু পাগলৰ এই চহৰত গান্ধীজীয়ে প্ৰেম আৰু শান্তিৰ উপদেশ দিয়াৰ বাবে যত্ন কৰি আছিল। তেখেতে ক'লে— "যিসকল হিন্দু আৰু শিখ লোকে মুছলমানসকলক বিৰক্ত কৰে সেইসকলে নিজৰ ধৰ্মৰ বদনাম কৰে আৰু ভাৰতৰ এনে ক্ষতি কৰিছে যিটো কেতিয়াও পূৰণ হোৱা সম্ভৱ নহ'ব"।

গান্ধীজীয়ে এনেদৰে ধুমুহাৰ গতিৰে বাঢ়ি অহা বানপানীৰ আগত অকলেই স্থিৰভাৱে থিয় হৈ আছিল।

তেখেতে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰায় পাঁচশ সদস্যৰ এখন সভালৈ গ'ল। তেখেতে ক'লে যে নিজৰ অসহিষ্ণুতাৰে সংঘই হিন্দু ধৰ্মক হত্যা কৰি পেলাব।

ভাষণৰ পাছত গান্ধীজীয়ে প্ৰশ্ন আমন্ত্ৰিত কৰে। এটা প্ৰশ্ন আৰু তাৰ উত্তৰ লিখি লোৱা হৈছিল।

"কি হিন্দু ধৰ্মই অত্যাচাৰীক মৰাৰ বাবে অনুমতি দিয়ে নেকি?"

"এজন অত্যাচাৰীয়ে বেলেগ এজন অত্যাচাৰীক শাস্তি দিব নোৱাৰে।" গান্ধীজীয়ে উত্তৰ দিলে— "শাস্তি দিয়াটো চৰকাৰৰ কাম, জনতাৰ নহয়।

১৯৪৭ চনৰ ২ অক্টোবৰত গান্ধীজীৰ আঠসত্তৰ বছৰীয়া জন্ম দিন আছিল। লেডী মাউণ্ট বেটেন তথা বিদেশী কূটনৈতিক প্ৰতিনিধিয়ে গান্ধীজীক শুভেচ্ছা জনাবলৈ আহে। বহুতবোৰ মুছলমানেও শুভকামনা পঠালে। ধনবানসকলে টকা পঠালে, শৰণাৰ্থীসকলে ফুল পঠালে। গান্ধীজীয়ে সুধিলে— "শুভেচ্ছা জনোৱাৰ অৱসৰ ক'ত?" কিয় সমবেদনা পঠোৱাহে অধিক উচিত নহ'ব জানো? মোৰ হৃদয়ত তীব্ৰ বেদনাৰ বাদে আন একো নাই। এটা সময় আছিল জনসমুদ্ৰই পুৰাপুৰিভাৱে মই কোৱা অনুসাৰে চলিছিল। আজি মোৰ শব্দ অৰণ্য ৰোদনৰ সমান হৈ পৰিছে। মই ১২৫ বছৰ কিয়, বেছিকৈ জীয়াই থকাৰো সমস্ত আশা এৰি দিছো। এতিয়া বিদ্বেষ তথা কটা-মৰাই বাতাবৰণ দূষিত কৰি আছে তেতিয়া মই থাকিব নোৱাৰিম। সেইবাবে আপোনাসকলৰ ওচৰত মোৰ প্ৰাৰ্থনা যে বৰ্তমান বলিয়ালি কৰা এৰি দিয়ক"।

গান্ধীজীয়ে নিজকে নিৰুৎসাহী অনুভৱ কৰা নাছিল, তেখেতে নিজকে নিৰুপায় বুলিহে অনুভৱ কৰিছিল। "সৰ্বসমাৱেশক শক্তিৰ পৰা মই সহায়তাৰ ভিক্ষা কৰিছো যে তেওঁ মোক এই চকুপানীৰ ঘাটিৰ পৰা দাঙি ধৰক তেতিয়াহে কল্যাণ হ'ব, এইটোৰ বাদে বাদ বিবাদতে লাগি তথা মানুহৰ নিৰ্দয়তাৰ মোক নিৰুপায় দৰ্শক কৰক"।

তেখেতে শৰণাৰ্থীসকলৰ সেইবোৰ শিবিৰলৈ যায় যিবোৰ লেতেৰা হৈ আছিল। উচ্চবৰ্ণৰ হিন্দুসকলে তেখেতে চাফা কৰা কথাটো মানি নল'লে। গান্ধীজীয়ে হিন্দুসকলৰ এনে দুৰ্বলতাক ভৎসৰ্না কৰিলে। জাৰৰ দিন আহিবলৈ ধৰিছিল। তেখেতে বেচেৰাসকলৰ বাবে কম্বল, লেপ আৰু চাদৰৰ বাবে আহ্বান জনালে।

প্ৰতিদিনে সন্ধিয়া তেখেতে কৈ দিছিল যে তেখেতে কিমানখন কম্বল পালে। এদিন গান্ধীজীয়ে দিল্লী কেন্দ্ৰীয় কাৰাগাৰলৈ গ'ল আৰু ৩,০০০ কয়দীৰ বাবে প্ৰাৰ্থনা কৰিলে। তেখেতে হাঁহি হাঁহি ক'লে— "ময়োতো এজন অভ্যস্ত পুৰণি কয়দী হওঁ"। তেওঁলোকে সুধিলে স্বাধীন ভাৰতৰ জেল কেনেকুৱা হ'ব।সকলো অপৰাধীৰ লগতে ৰোগীৰ দৰে ব্যৱহাৰ হ'ব আৰু জেল হস্পিতেল হ'ব য'ত চিকিৎসা আৰু স্বাস্থ্য শুধৰণিৰ বাবে ৰোগী ভৰ্তি কৰা হ'ব। শেষত তেখেতে ক'লে যে মোৰ ইচ্ছা যে হিন্দু, মুছলমান, শিখ কয়দীসকল মিলি ভাতৃত্ববোধেৰে থাকিব।

কলিকতাৰ পৰা ভাল ভাল খবৰ আহি আছিল। গান্ধীজীয়ে নিজৰ প্ৰাৰ্থনা সভাত সুধিলে যে দিল্লীয়েও কলিকতাৰ শান্তিপূৰ্ণ উদাহৰণৰ অনুকৰণ কিয় নকৰে?

প্ৰতিশোধৰ ভয়তে ভাৰতীয় সংঘৰ মুছলমানসকলে পাকিস্তানলৈ যোৱাৰ সিদ্ধান্ত কৰিলে। প্ৰতিশোধ লোৱাৰ ভয়তে পাকিস্তানৰ হিন্দু তথা শিখসকল ভাৰতীয় সংঘৰ ফালে গুচি আঁহিবলৈ ধৰিছিল। এটা বিশাল প্ৰদেশ বিদ্বেষ, হত্যা তথা লাখ লাখ নিৰ্বাসিত লোক উতলি পৰিছিল। এই উখল-পাখলৰ মাজতে লেঙুটী পিন্ধা সৰু যেন লগা মানুহজন ঠিয় হৈ আছিল। তেখেতে কৈছিল যে বদলিৰ সলনি বদলি, মৃত্যুৰ সলনি মৃত্যু, ভাৰতৰ বাবে মৃত্যুৰ সমান।

দিল্লীত কটা-মৰাৰ সৰু-সুৰা ঘটনাবোৰ হৈ আছিল। মছজিদ ভাঙি পেলোৱা তথা মন্দিৰবোৰ সজাটোক গান্ধীজীয়ে হিন্দুধৰ্ম তথা শিখধৰ্মৰ বাবে কলংক বুলিলে। তেখেতে শিখসকলৰ এখন সমাৰোহলৈ গ'ল। তাত শিখসকলৰ দ্বাৰা মুছলমানসকলক কটা-মৰাক নিন্দা কৰে।

গান্ধীজীয়ে ভাৰত চৰকাৰৰ বিষয়েও আলোচনা কৰিলে। সেনাৰ ওপৰত বাঢ়ি থকা খৰচৰ গধূৰ বোজাক তেখেতে পশ্চিমৰ মিছা আড়ম্বৰৰ ভ্ৰান্তিপূৰ্ণ নকল বুলি ক'লে কিন্তু লগতে আশা প্ৰকাশ কৰিলে যে ভাৰত মৃত্যুৰ এই তাণ্ডৱৰ পৰা ৰক্ষা পৰিব, আৰু সেই নৈতিক উচ্চতালৈ গুচি যাব, য'ত বত্ৰিছ বছৰৰ পৰা একেৰাহে পাই থকা অহিংসাৰ শিক্ষাৰ ফলস্বৰূপে তেওঁলোক গৈ পোৱা আৱশ্যক।

গান্ধীজীয়ে লিখিছিল— "যি সময় প্ৰাসংগিক হয়, সেই সময়ত সঁচা ক'ব লগাত পৰে, লাগিলে সেইটো যিমানেই অপ্ৰিয় হওক লাগে। যদি পাকিস্তানত মুছলমানসকলৰ কু-কৃত্য বাধা দিয়া বা বন্ধ কৰাই উদ্দেশ্য হয় তেন্তে ভাৰতীয় সংঘই হিন্দুসকলৰ কু-কৃত্যক ঘৰৰ চালৰ ওপৰত উঠি জনাই দিব লাগিব"। হিন্দু হোৱাৰ বাবে গান্ধীজী হিন্দুসকলৰ প্ৰতিসকলোতকৈ অধিক নিষ্ঠুৰ আছিল।❑❑

ভাৰতৰ ভৱিষ্যত

গান্ধীজীয়ে দৃঢ়ভাৱে সমাধান নিদিয়াকৈ কেতিয়া কোনো প্ৰতিকূল আলোচনা নকৰিছিল। তেখেতে কংগ্ৰেছ দলৰ তথা ভাৰতৰ নতুন চৰকাৰৰ আলোচনা কৰিছিল। তেখেতে কি পৰামৰ্শ দাঙি ধৰিছিল?

গান্ধীজীয়ে অতি সোনকালে দেখা পালে যে ভাৰতৰ স্বাধীনতাৰ লগত ভাৰতত স্বাধীনতাৰ প্ৰশ্ন উঠি পৰিছে। ভাৰতত লোকতন্ত্ৰ কেনেকৈ হৈ থাকিব পাৰিব?

গান্ধীজীৰ সন্মুখত বিচাৰণীয় প্ৰশ্ন আছিল ঃ কি কংগ্ৰেছ দলে চৰকাৰক পথ দেখুৱাব পাৰিবনে আৰু সেইটোৰ ওপৰত অংকুশ লগাব পাৰিবনে? তেখেতে ছোভিয়েট সংঘৰ বা ফেংকোৰ স্পেইনৰ বা আন অধিনায়কতাবাদী দেশবোৰৰ ৰাজনৈতিক অৱস্থাবোৰৰ অধ্যয়ন কৰা নাছিল। কিন্তু সহজ অন্তঃপ্ৰেৰণাৰে তেখেতে সেই পৰিণামবোৰ গৈ পাইছিল, য'লৈ বেলেগ মানুহে দীঘলীয়া অনুভৱবোৰ তথা বিশ্লেষণৰ পাছতহে গৈ পাব পাৰিছিল। তেখেতে জানি লৈছিল যে একদলীয়া প্ৰণালীক ব্যৱহাৰ কৰোঁতে দলহীন ন-প্ৰণালী হৈ পৰে। কিয়নো চৰকাৰ আৰু দল একেই যদি হয় দলটো কেৱল ৰবৰৰ মোহৰ হৈ পৰে আৰু তাৰ অস্তিত্ব কাল্পনিক হৈ পৰে।

যদি ভাৰতৰ একমাত্ৰ মহত্বপূৰ্ণ ৰাজনৈতিক দল কংগ্ৰেছ, চৰকাৰৰ প্ৰতি স্বতন্ত্ৰ আৰু আলোচনাত্মক দৃষ্টিকোণ নেৰাখে তেন্তে চৰকাৰত জন্ম হ'ব পৰা সম্ভাৱিত নিৰংকুশ প্ৰবৃত্তিবোৰক ৰোধ কৰাৰ কাম কোনে কৰিব?

কি গান্ধীজী তথা স্বতন্ত্ৰ বাতৰি কাকতবোৰৰ সহায়তাৰে কংগ্ৰেছ দলে ভাৰতত এনে সম্ভাৱনাক বাধা দিব পাৰিব?

১৯৪৭ চনৰ ১৫ নৱেম্বৰত গান্ধীজীৰ উপস্থিতিত, কংগ্ৰেছৰ অধ্যক্ষ আচাৰ্য কৃপালনিয়ে কংগ্ৰেছ মহাসমিতিক জনাই দিলে যে তেখেতে নিজৰ পদৰ পৰা ত্যাগপত্ৰ দিছে। চৰকাৰে তেখেতৰ লগত একো পৰামৰ্শও নকৰিলে আৰু পুৰাপুৰিকৈ কথাবোৰ পৰিষ্কাৰো কৰি নিদিলে। কৃপালনীয়ে ক'লে যে গান্ধীজীৰ বিচাৰমতে এনে পৰিস্থিতিত ত্যাগপত্ৰ উচিত আছিল।

কিন্তু পিছত ৰাজেন্দ্ৰ বাবুক বুজাই বঢ়াই তেখেতৰ বিচাৰ সলনি কৰাই দিয়া হ'ল। তেখেত কংগ্ৰেছৰ নতুন অধ্যক্ষ হ'ল।

কংগ্ৰেছ যন্ত্ৰই তথা চৰকাৰৰ মুখ্য ব্যক্তিসকলে গান্ধীজীক পৰাজিত কৰি পেলালে।

১৯৪৭ চনৰ ডিচেম্বৰ মাহৰ প্ৰথম চোৱাতে গান্ধীজীয়ে নিজৰসকলোতকৈ অধিক বিশ্বস্ত সহযোগীসকলৰ লগত কেইবাবাৰো সন্মিলিতভাৱে কথা-বতৰা হয়। এইসকল লোক চৰকাৰৰ বাহিৰত আছিল আৰু গঠনমূলক কামত লাগি আছিল। এওঁলোকে গান্ধীজীৰ দ্বাৰা স্থাপিত হোৱা গঠনমূলক অনুষ্ঠানবোৰ চলাই আছিল।

গান্ধীজীয়ে বিচাৰিছিল যে এইসকলোবোৰ অনুষ্ঠান মিলি এটা হৈ পৰক, কিন্তু তেখেতে এইটো বিচৰা নাছিল যে গঠনমূলক কৰ্মীয়ে অধিকাৰপ্ৰাপ্ত কৰিব লগা ৰাজনীতিত সোমাওক কিয়নো এইটোৰ পৰা সৰ্বনাশ হৈ পৰিব"। তেখেতে ক'লে— "যদি কথাটো এনেকুৱা নহ'লহেঁতেন তেতিয়া কিয় মই নিজেই ৰাজনীতিত সোমাই নগ'লোহেঁতেন যে আৰু নিজৰ ঠাঁচত চৰকাৰ চলাবলৈ চেষ্টা নকৰিলোহেঁতেননে? আজি যিবোৰৰ হাতত শাসনৰ বাঘজৰী আছে তেওঁলোকে সহজেই আঁতৰি দি মোৰ বাবে ঠাই দি দিলেহেঁতেন"।

"কিন্তু মই নিজৰ হাতত অধিকাৰ ল'বলৈ বিচৰা নাই" — গান্ধীজীয়ে নিজৰ মিত্ৰসকলক পতিয়ন নিয়ালে। "অধিকাৰ ত্যাগ কৰি আৰু শুদ্ধ নিস্বাৰ্থ সেৱাত লাগি থাকি আমি ভোটদাতাসকলক পথ দেখুৱাব পাৰো আৰু প্ৰভাৱিতো কৰিব পাৰো। এইবোৰৰ পৰা আমি যি অধিকাৰ প্ৰাপ্ত কৰিম সেইটো এনে অধিকাৰতকৈ বহুত অধিক বাস্তৱিক হ'ব, যিটো চৰকাৰলৈ গ'লে পোৱা যাব। এনেকুৱা অৱস্থাও আহিব পাৰে যেতিয়া মানুহে নিজে অনুভৱ কৰিব আৰু ক'ব যে তেওঁলোকে বিচাৰিছে যে অধিকাৰৰ ব্যৱহাৰ আমাৰ দ্বাৰাই হওক, আন কাৰো দ্বাৰা নহয়। তেতিয়ালৈকে সম্ভৱ মই জীয়াই যে নেথাকিম"।

যেতিয়া গান্ধীজীয়ে দেখিলে যে তেখেতে কংগ্ৰেছক পথ দেখুওৱাত অসমৰ্থ তেতিয়া তেখেতে আন নতুন বাহন সজাৰ আঁচনি তৈয়াৰ কৰিলে যি বাহনে চৰকাৰক গতা মাৰি আগবাঢ়িব আৰু সংকটৰ সময়ত চৰকাৰখনৰ ভাৰো তুলি লৈ যাব। এইটো ৰাজনীতিত থাকে, কিন্তু ৰাজনৈতিক অধিকাৰ গ্ৰহণ নকৰে, অতিৰিক্ত সেই অৱস্থাৰ যেতিয়া আন একো উপায় নেথাকে। ভোট পোৱাৰ বাবে চেষ্টাৰ বাদে গান্ধীজীৰ শব্দত এই জনতাক শিকাওক যে তেওঁলোকে "নিজৰ ভোটটোৰ ব্যৱহাৰ বুদ্ধিৰে সৈতে কৰক"।

এজন প্ৰতিনিধিয়ে প্ৰশ্ন কৰিলে যে কংগ্ৰেছে বা চৰকাৰে গঠনমূলক জনহিতকৰ কাম কিয় কৰিব নোৱাৰে?

গান্ধীজীয়ে সৰলভাৱে উত্তৰ দিলে— "কিয়নো গঠনমূলক কামত কংগ্ৰেছীসকলৰ বিশেষ আন্তৰিকতা নাই। আমি এই তথ্যটো বুজি ল'ব লাগে যে আমাৰ সপোনৰ সামাজিক ব্যৱস্থা আজিৰ কংগ্ৰেছৰ দ্বাৰা পাব পৰা নেযাব"।

গান্ধীজীয়ে দৃঢ়তাৰে ক'লে, "আজি ইমানেই ভ্ৰষ্টাচাৰ বিয়পি পৰিছে যে মোৰ ভয়েই লাগিছে মানুহে নিজৰ জেপতে ইমানবোৰ ভোট থ'বলৈ বিচাৰিছে, কিয়নো ভোটৰ দ্বাৰা অধিকাৰ পোৱা যায়। সেইবাবে অধিকাৰ হাতলৈ অনা এৰি দিয়ক, তেতিয়া আপুনি আচল পথেদি লৈ যাব পাৰিব। যি ভ্ৰষ্টাচাৰে আমাৰ স্বাধীনতাক জন্মতেই টেঁটু চেপিবলৈ সাজু হৈ আছে, সেইটো নোহোৱা কৰাৰ একো উপায় নাই"।

গান্ধীজীয়ে অনুভৱ কৰিছিল যে অধিকাৰত থকা ব্যক্তিসকলৰ শক্তিশালী বিৰোধ সেইজনেহে কৰিব পাৰিব যিজনে নিজে অধিকাৰৰ প্ৰলোভনৰ পৰা মুক্ত হ'ব পাৰে। চৰকাৰৰ বাহিৰত থকাসকলেহে চৰকাৰত থকাসকলক বাধা দিয়া আৰু ইচ্ছা কৰিব পাৰিব, এনেকুৱা গান্ধীজীৰ মত আছিল।

তথাপি গান্ধীজীৰ উচ্চ অধিকাৰপূৰ্ণ অৱস্থাই সেই চৰকাৰৰ অধিকাৰৰ প্ৰতিদ্বন্দ্বিতা কৰিব পৰা নাছিল, যিটো তেখেতৰ যত্নতে তৈয়াৰ হৈছিল আৰু যিটোৰ সদস্যই তেখেতৰ চৰণত মূৰ দোঁৱাইছিল।❑❑

অন্তিম উপবাস

ৰিচৰ্ড চিমগুচ নামৰ এজন ইংৰাজ মিত্ৰ, যিজনে বেংগলত গান্ধীজীক লগ পাইছিল, ১৯৪৭ চনৰ নৱেম্বৰত নতুন দিল্লীত বেমাৰত পৰিল। গান্ধীজীয়ে তেওঁক বিৰলা ভৱনলৈ মাতি নিলে।

ডাক্তৰে চিমগুচৰ কাৰণে ব্ৰাণ্ডিৰ ৰায় দিলে। গান্ধীজীক সোধা হ'লত তেখেতে ক'লে যে চিমগুচে ব্ৰাণ্ডি দিয়া গ'লে তেখেতৰ একো আপত্তি নাই।

চিমগুচ কাশ্মীৰলৈ গৈছিল আৰু তাৰ পৰিস্থিতিৰ বিষয়ে গান্ধীজীৰে সৈতে চৰ্চা কৰিব খুজিছিল, কিন্তু গান্ধীজীয়ে তেওঁক সুবিধাই নিদিলে।

১৯৪৭ চনৰ ডিচেম্বৰত পাকিস্তানে সীমাৰ উপযুক্তসকলক কাশ্মীৰত সোমাবৰ বাবে পৰোক্ষভাৱে সহায় কৰিছিল। পিছত পাকিস্তানৰ সেনাবাহিনীৰ সৈনিকসকলে কাশ্মীৰৰ ওপৰত আক্ৰমণ কৰি দিলে। কাশ্মীৰৰ মহাৰজাই ভয় খাই তথা বিৱশ হৈ প্ৰাৰ্থনা কৰিলে যে তেওঁলোকৰ ৰাজ্যক ভাৰতীয় সংঘত লগ লগাই দিব লাগে। ২৯ অক্টোবৰত কাশ্মীৰৰ বিলোপ চৰকাৰীভাৱে ঘোষণা কৰি দিয়া হ'ল আৰু মহাৰজাই শেখ আব্দুল্লাক নিজৰ প্ৰধানমন্ত্ৰী নিযুক্ত কৰিলে। লগতে নতুন দিল্লীৰ চৰকাৰে আকাশ আৰু স্থল পথেৰে কাশ্মীৰলৈ সেনা পঠালে। আকাশীযানেৰে সেনা পঠোৱা নগ'লহেঁতেন; তেতিয়া পাকিস্তানে কাশ্মীৰক জিকি নিজৰ ৰাজ্যত মিলাই ল'লেহেঁতেন। অতি সোনকালেই কাশ্মীৰ আৰু জম্মুৰ মাটিত ভাৰত আৰু পাকিস্তানৰ মাজত এখন সৰু যুদ্ধক্ষেত্ৰ হৈ পৰিল।

বৰ দিনত আকাশবাণীযোগে কৈ গান্ধীজীয়ে ভাৰতে কাশ্মীৰলৈ সেনা পঠোৱাৰ কামটোৰ সমৰ্থন কৰিলে। ভাৰত আৰু পাকিস্তানৰ মাজত ৰাজ্যক ভাগ কৰাতোক তেখেতে নিন্দা কৰে। তেখেতে এইটোৰ বাবে দুখ প্ৰকাশ কৰিলে যে নেহেৰুৱে এই কাজিয়াখন ৰাষ্ট্ৰসংঘক সপি দিলে। তেখেতে এইটোৰ বাবে দুখ শান্তিবাদী ইংৰাজ হোৰেচ আলেকজেণ্ডাৰক তেখেতে কৈছিল যে কাশ্মীৰৰ বাদ-বিবাদত দেশৰ গতি আন্তঃৰাষ্ট্ৰীয় 'সত্তাগত ৰাজনীতি'ৰ আধাৰত হ'ব, লায়ত নহয়। সেইবাবে গান্ধীজীয়ে ভাৰত তথা পাকিস্তানক অনুৰোধ কৰিলে যে নিৰপেক্ষ ভাৰতবাসীৰ সহায় তাতে দুয়ো পক্ষই পৰস্পৰে

মৈত্ৰীপূৰ্ণ বুজাবুজি কৰি লওক, যিটোৰ পৰা ভাৰতীয় সংঘই সংযুক্ত ৰাষ্ট্ৰসংঘৰ পৰা নিজৰ আবেদন পত্ৰ ঘূৰাই লৈ লওক।

গান্ধীজীয়ে সদায় উচ্চ স্তৰৰ ৰাজনীতিক নিম্ন স্তৰৰ ৰাজনীতিৰে সৈতে মিহলাই দিছিল। এদিন যদি নেহেৰুৰে সৈতে কাশ্মীৰৰ বিষয়ে কথা-বতৰা পাতে তেন্তে দ্বিতীয় দিনাই তেখেতে কোনোবা এখন গাঁৱলৈ গৈ খেতিয়কসকলক পাইখানাৰ পৰা সাৰ তৈয়াৰ কৰাৰ প্ৰণালীৰ কথা কয়গৈ।

গান্ধীজী ইমান মহান আছিল যে তেখেতৰ সফলতা সম্ভৱ নাছিল। ভাৰতত তেখেতৰ অসফলতাবোৰৰ পৰা সংসাৰৰ বাবে তেখেতৰ সংবাদ তথা তাৰ অৰ্থৰ মহত্ব কম নহয়। সম্ভৱ হ'লে তেখেত ভাৰতত একেবাৰে মৰি যাওক আৰু ভাৰতৰ বাহিৰত তীব্ৰ ৰূপে জীৱিত থাকক। শেষত গৈ সম্ভৱ তেখেতে তাতো জীয়াই থাকিব আৰু ইয়াতো।

গান্ধীজীৰ জীৱনৰ ধৰণেই এনে যে যিয়ে তেখেতৰ মহত্ব বুজি পায় এইটোও নহয় যে তেখেতৰ নিজেই ওচৰতে থকা চুবুৰীয়াসকলৰ ওপৰত অতি সোনকালে প্ৰভাৱ পৰে।

যীশুৱে হয়তো ভাবিছিল খোদাই তেখেতক এৰি দিলে আৰু গান্ধীজীয়ে হয়তো ভাবিলে যে তেখেতৰ লগৰসকলেই তেখেতক এৰি দিলে ইতিহাস ৰচোঁতাজনে ইতিহাসৰ নিৰ্ণয়ক আগৰে পৰা জানিব নোৱাৰে।

মানুহৰ মহানতা দেখোতাজনৰ দৃষ্টিৰেহে হয়। গান্ধীজী ইমানেই ব্যগ্ৰ হৈ, দুখীহৈ তথা নিজৰ ভক্তসকলৰ দ্বাৰা ইমানেই আবদ্ধ হৈ আছিল তেখেতে চাব নোৱাৰিছিল যে নিজৰ জীৱনৰ অন্তিম ক্ষণবোৰত তেখেত কিমান উচ্চ স্তৰলৈ উঠিলেগৈ। এই অলপ সময়তে তেখেতে সেইটো কৰিলে যিটো যেই কোনো সমাজৰ বাবে অপৰিমিত মূল্য হ'ব পাৰে। তেখেতে ভাৰতৰ আগত এটা নিৰৱ তথা শ্ৰেষ্ঠতৰ জীৱনৰ চানেকি থৈ যায়। তেখেতে প্ৰমাণ কৰি দেখুৱালে যে মানুহে ককাই-ভাইৰ দৰে থাকিব পাৰে, আৰু তেজেৰে বোলাই থকা হাতৰ পাশৱিক বিচাৰৰ মানুহেও আত্মাৰ স্পৰ্শ প্ৰভাৱিত হ'ব পাৰে, লাগিলে অলপ সময়ৰ কাৰণেই হওক। এনেকুৱা ক্ষণবিলাকৰ বাদে মানৱতাই নিজৰ ওপৰতে নিজেই বিশ্বাস হেৰুৱাই পেলাব। একোটা জাতিয়ে অনন্ত কাললৈকে পোহৰৰ এনে চিকমিকনিৰ তুলনা সাধাৰণ জীৱনৰ অন্ধকাৰ অৱস্থাৰ লগত কৰিব লাগে।

১৯৪৮ চনৰ ১৩ জানুৱাৰীত গান্ধীজীয়ে নিজৰ অন্তিম উপবাস আৰম্ভ কৰিলে। এইটোৰে ভাৰতৰ মগজুত সদ্‌ভাৱনাৰ মূৰ্তি স্থাপন কৰি দিলে।

দিল্লীৰ কটা-মৰাবোৰ বন্ধ হৈ পৰিলে। চহৰত গান্ধীজীৰ উপস্থিতিৰ প্ৰভাৱ পৰিল। কিন্তু তেখেতৰ এতিয়াও 'তীব্ৰ বেদনা' আছিল। তেখেতে কৈছিল, "এইটো অসহনীয় যে ডাক্তৰ জাকিৰ হুছেইনৰ দৰে লোক বা শ্বহীদ চুৱাবৰ্দীয়ে দিল্লীত মোৰ দৰে স্বাধীনভাৱে আৰু সুৰক্ষিতভাৱে ঘূৰা-ফুৰা কৰিব নোৱাৰে। ...মই নিজৰ জীৱনত কেতিয়াও এনেকুৱা নিৰাশা অনুভৱ কৰা নাছিলো।

সেইবাবেই তেখেতে অনশন কৰিলে। এইটো আমৰণ অনশন হোৱাৰ কথা আছিল। এইটোৰ বাবে তেখেতৰ অকস্মাতে প্ৰেৰণা আহিছিল। তেখেতে নেহেৰু বা পেটেল বা ডাক্তৰসকলৰ লগত একো পৰামৰ্শ কৰা নাছিল। এবছৰৰ পৰাই যেতিয়াৰ পৰা কাজিয়া পেচালবোৰ আৰম্ভ হৈছিল, তেখেতে ধৈৰ্য ধৰি বৈ আছিল, ধৰ্ম আৰু পন্থাবোৰৰ মাজত পৰস্পৰে কটা-মৰা কৰাৰ ভাবনা দেশত এতিয়াও বিয়পি আছে। "মানৱ প্ৰযত্নৰ ৰূপত উপায় শেষ হৈ গ'ল। ...তেতিয়া মই নিজৰ মূৰটো ঈশ্বৰৰ কোলাত থৈ দিলো। ঈশ্বৰে মোৰ বাবে উপবাস পঠাই দিলে।" উপবাসৰ সিদ্ধান্ত লোৱাৰ পাছত তেখেতে কেইমাহমানৰ পাছতে প্ৰথমবাৰ আনন্দ অনুভৱ কৰিলে।

তেখেতে জানিছিল যে তেখেতৰ মৃত্যু হ'ব পাৰে "কিন্তু মৃত্যু মোৰ বাবে যশস্যাজন উদ্ধাৰ হ'ব আৰু ইয়াতকৈও ভাল হ'ব যে মই ভাৰত, হিন্দু ধৰ্ম তথা ইছলাম ধৰ্মৰ বিনাশ নিৰুপায় হৈ চাই থাকো"।

উপবাসৰ আগদিনা তেখেতে প্ৰাৰ্থনাৰ ঠাইলৈ গ'ল আৰু সদায় কৰোৱাৰ দৰে প্ৰাৰ্থনা কৰালে। এখন কাগজত তেখেতৰ ওচৰলৈ লিখিত প্ৰশ্নত সোধা হ'ল যে উপবাসৰ বাবে দোষ কাৰ? তেখেতে উত্তৰ দিলে, "কাৰো ওপৰত নাই, কিন্তু যদি হিন্দু আৰু শিখসকলে মুছলমানসকলক দিল্লীৰ পৰা উলিয়াই দিবলৈ সাজু আছে তেন্তে তেওঁলোকে ভাৰত আৰু তেওঁলোকৰ নিজৰ নিজৰ ধৰ্মবোৰক বিশ্বাসঘাটক কৰিব আৰু সেইটোৱে মোক দুখ দিব। কিছুমান মানুহে ব্যংগ কৰিছে মই মুছলমানসকলৰ কাৰণেহে উপবাস কৰিছো। তেওঁলোকে সঁচাই কৈছে। নিজৰ গোটেই জীৱনটো মই সংখ্যালঘুসকল আৰু আৱশ্যকতা থকাসকলৰে সহায় কৰিছো।

তেখেতে ক'লে যে তেখেতে উপবাস তেতিয়াহে ভংগ কৰিব যেতিয়া দিল্লী বাস্তৱিক অৰ্থত শান্ত হৈ পৰিব।

উপবাস লোৱাৰ দ্বিতীয় দিনা ডাক্তৰসকলে গান্ধীজীক প্ৰাৰ্থনালৈ যাবলৈ মানা কৰিলে. সেইবাবে তেখেতে প্ৰাৰ্থনা সভাত পঢ়ি শুনাবৰ বাবে এটা সংবাদ লিখালে। কিন্তু পাছত তেখেতে যোৱাটোকে ঠিক কৰিলে। তেখেতে ক'লে যে তেখেতৰ ওচৰলৈ আহিব লগা সংবাদবোৰৰ লানি নিছিগা হৈছে।সকলোতকৈ আনন্দদায়ক সংবাদ লাহোৰৰ পৰা মৃদুলা চাৰাভাইৰটো আছিল। মৃদুলাই টেলিগ্ৰামযোগে জনাইছিল যে গান্ধীজীৰ মুছলমান মিত্ৰ, য'ত কিছু মুছলিম লীগৰ লোক তথা পাকিস্তানৰ মন্ত্ৰীও লগ লাগিছিল, তেখেতৰ জীৱনক লৈ চিন্তাত পৰিছিল আৰু সুধিছিল যে তেওঁলোকে কি কৰিব লাগে।

গান্ধীজীৰ উত্তৰ আছিল, "মোৰ উপবাস আত্মশুদ্ধিৰ প্ৰক্ৰিয়া আৰু ইয়াৰ অভিপ্ৰায় সেইসকলকো আত্মশুদ্ধিৰ এই প্ৰক্ৰিয়াত ভাগ ল'বৰ বাবে নিমন্ত্ৰণ জনাইছে, যাৰ এই উপবাসৰ উদ্দেশ্যলৈ সহানুভূতি আছে। কল্পনা কৰকচোন যে ভাৰতৰ দুয়োটা ভাগতে

আত্মশুদ্ধিৰ ঢৌ উঠে তেন্তে পাকিস্তান 'পাক' (পৱিত্র) হৈ পৰিব। আজি মই ইয়াক পাপ বুলিহে ধৰিছো।"

গান্ধীজীয়ে উপস্থিতসকলো ৰাইজক বিশ্বাস দিয়ালে "মোৰ অকণো ইচ্ছা নাই যে মোৰ উপবাস সোনকালেই সমাপ্ত হওক। যদি মোৰ দৰে মূৰ্খৰ উন্মাদ ভৰা ইচ্ছা কেতিয়াও পূৰা নহয় আৰু উপবাস কেতিয়াও ভংগ নহয় তেন্তে একো চিন্তাৰ কথা নাই। যেতিয়ালৈকে আৱশ্যক হয় তেতিয়ালৈকে প্ৰতীক্ষা কৰাত মোৰ সন্তোষ, কিন্তু এইটো ভাবি মই দুখ পাম যে মানুহবোৰে যদি কেৱল মোৰ প্ৰাণ ৰক্ষা কৰিবৰ বাবেই কামবোৰ কৰিছে।"

এই উপবাসত গান্ধীজীয়ে চিকিৎসকসকলৰ দ্বাৰা তেখেতৰ পৰীক্ষা কৰোৱা পচন্দ কৰা নাই। তেখেতে ক'লে— "মই নিজকে ভগৱানৰ আশ্ৰয়তে এৰি দিছো"। কিন্তু ডাঃ গিল্ডৰে ক'লে যে ডাক্তৰসকলে প্ৰতিদিনে স্বাস্থ্যৰ তালিকা উলিয়াব খুজিছিল আৰু তেখেতৰ পৰীক্ষা নকৰাকৈ আচল কথাবোৰ ক'ব নোৱাৰে এইটোৰ পৰা মহাত্মাজী ঢিলা হৈ পৰিল। শুশীলাই ক'লে যে তেখেতৰ পেচাবত অলপ এচিটোন আহিবলৈ ধৰিছে।

"এইটোৰ কাৰণ এয়ে যে মোৰ ওপৰত বেছিকৈ শ্ৰদ্ধা নাই" —গান্ধীজীয়ে উত্তৰ দিলে।

"কিন্তু এচিটোনতো এবিধ ৰাসায়নিক পদাৰ্থ" —ডাঃ শুশীলাই তেখেতৰ কথাত বাধা দি ক'লে।

গান্ধীজীয়ে ডাঃ শুশীলাৰ ফালে চালে, এনেকৈ যেন তেখেতে বহুত দূৰলৈহে চাইছে তেখেতে ক'লে, "বিজ্ঞানে কিমান কমকৈ জানে, বিজ্ঞানত যিবোৰ আছে তাতোকৈ অধিক জীৱনত আছে আৰু ৰসায়ন যিবোৰ আছে তাতকৈ অধিক ঈশ্বৰত আছে।

তেখেতে পানী খাব নোৱাৰিছিল, এইটোৰ পৰা বমি বমি ভাব হৈছিল। বমি ভাবক বাধা দিবলৈ তেখেতে পানীত নেমুৰ ৰস বা মৌ জোল মিলোৱাত মানা কৰি দিছিল। শৌচ কৰা প্ৰণালীয়ে ভালদৰে কাম কৰা নাছিল। তেখেত বহুত দুৰ্বল হৈ পৰিছিল। প্ৰতিদিনে তেখেতৰ ওজন এসেৰ মানকৈ কমি গৈছিল।

তৃতীয়দিনা তেখেতে এনিমা ল'বলৈ মান্তি হ'ল। যোৱা ৰাতি ২-৩০ বজাতে তেখেতৰ টোপনি ভাগিল আৰু তেখেতে গৰম পানীৰে গা ধুব খুজিলে। টবত বহি বহিয়েই তেখেতে প্যাৰে লালক এটা বক্তব্য লিখালে, যিটোত ভাৰত চৰকাৰৰ পৰা পাকিস্তানক ৫৫ কোটি টকা দিবলৈ কোৱা হৈছিল। লিখাই শেষ হোৱাৰ পাছতে তেখেতৰ মূৰ ঘূৰাবলৈ ধৰিলে আৰু প্যাৰে লালে তেখেতক টবৰ পৰা তুলি আনি চকীত বহুৱাই দিলে।

সেইদিনা গান্ধীজীয়ে বিৰলা ভৱনৰ এটা বন্ধ পানীকোঠত বিছনাত আঁঠু দুটাৰে পেটটো হেঁচা মাৰি ধৰি আৰামত পৰি থাকিল। তেখেতৰ চকু মুদা অৱস্থাত আছিল আৰু তেখেত শুই থকা বা অৰ্ধমূৰ্চ্ছিত হৈ থকা যেন লাগিছিল। প্ৰায় দহ ফুটমান দূৰতে

দৰ্শনাৰ্থীসকলৰ অন্তহীন লানি লাগি আছিল। গান্ধীজীক দেখি শাৰী পাতি থকা ভাৰতবাসীসকল তথা বিদেশীসকলৰো হৃদয় দয়াৰে ভৰি পৰিছিল, বহুতো লোকতো কান্দিয়েই পেলাইছিল আৰু হাতযোৰ কৰি মনতে প্ৰাৰ্থনা কৰিবলৈ ধৰিছিল। গান্ধীজীৰ মুখৰ চেহেৰাত তীব্ৰ যন্ত্ৰণা প্ৰকাশ পাইছিল। কিন্তু এনে অৱস্থাতো এই যাতনা অদ্ভুত যেন লাগিছিল। এই যাতনা শ্ৰদ্ধাৰ উল্লাসত প্ৰশমিত হৈ পৰিছিল, সেৱাৰ খবৰ পোৱাত কম হৈ পৰিছিল। তেখেতৰ অন্তৰাত্মাই জানিছিল যে তেখেতে শান্তিৰ কামত যোগদান কৰিছে সেইবাবে তেখেতৰ মনত শান্তি আছিল।

সন্ধিয়া ৫ বজাত প্ৰাৰ্থনাৰ আগে আগে তেখেতে ভালকৈ সাৰ পালে। কিন্তু প্ৰাৰ্থনাৰ ঠাইলৈ যাব পৰা নাছিল। সেইবাবে তেখেতৰ বিছনাৰ ওচৰতে মাইক লগাই দিলে, যিটোৰে লাউড্‌স্পীকাৰৰ দ্বাৰা তেখেতৰ প্ৰৱচন প্ৰাৰ্থনাৰ ঠাইলৈকে শুনিব পাৰে তথা আকাশবাণীৰ দ্বাৰা প্ৰচাৰিত কৰিব পাৰে।

ক্ষীণ স্বৰেৰে তেখেতে ক'লে, "বেলেগ মানুহে কি কৰি আছে, সেই লৈ বিকল হ'ব নেলাগে। ইয়াৰ পৰাসকলোৰে নিজৰ ভিতৰখনত পোহৰ পেলাব লাগে আৰু যিমান অধিক সম্ভৱ হ'ব পাৰে, নিজৰ হৃদয়ক শুদ্ধ কৰিব লাগে। মৃত্যুৰ হাতৰ পৰা কোনেও সাৰি যাব নোৱাৰে। আকৌ সেইটোলৈকে ভয় কিহৰ? বাস্তৱতে মৃত্যুতো এজন মিত্ৰ, যিজনে যাতনাৰ পৰা মুক্তি দিয়ে।"

চতুৰ্থ দিনা গান্ধীজীৰ নাড়ীৰ গতিত ইফাল-সিফাল হ'বলৈ ধৰিলে।

১৭ জানুৱাৰীৰ দিনা গান্ধীজীৰ ওজন ১০৭ পাউণ্ডত ৰ'লহি। তেখেতৰ বমি আহিবলৈ ধৰিছিল আৰু অস্থিৰ হৈ পৰিছিল। কিন্তু কেইবা ঘণ্টালৈকে তেখেতে মনে মনে পৰি আছিল বা শুই পৰিছিল। নেহেৰু আহিল আৰু কান্দিবলৈ ধৰিলে। গান্ধীজীয়ে প্যাৰে লালক এইটো চাবলৈকে চহৰলৈ পঠাই দিছিল যে মুছলমানসকল বিপদত নপৰাকৈ পুনৰ আহিব পাৰিবনে নোৱাৰে।

১৮ জানুৱাৰীত গান্ধীজীৰ স্বাস্থ্য আগতকৈ ভাল যেন অনুমান হ'ল। তেখেতে লাহে লাহে মালিচ কৰোৱালে। তেখেতৰ ওজন ১০৭ পাউণ্ডেই হৈ আছিল।

১৩ তাৰিখে ১১ বজাত গান্ধীজীয়ে যেতিয়া উপবাস আৰম্ভ কৰিছিল, বিভিন্ন জাতিবিলাকৰ, সংগঠনবিলাকৰ তথা শৰণাৰ্থীসমূহৰ প্ৰতিনিধিসকলৰ কমিটীৰ বৈঠক ডাঃ ৰাজেন্দ্ৰ প্ৰসাদৰ ঘৰত হৈছিল আৰু বিৰোধী তত্ত্ববোৰৰ মাজত বাস্তৱিক শান্তি স্থাপন কৰিবৰ বাবে যত্নশীল আছিল। এইবাৰ কিবা দলিলত চহী কৰোৱাৰ প্ৰশ্ন নাছিল। এইটোত গান্ধীজীয়ে সন্তোষিত হোৱা নাছিল। মানুহে দৃঢ়ভাৱে প্ৰতিজ্ঞা কৰিব লাগিছিল, যিবোৰ তেখেতৰ অনুগামীসকলে পালন কৰিব লাগে। এই দায়িত্ববোৰৰ কথা অনুভৱ কৰি কিছুমান প্ৰতিনিধিয়ে থেৰোগেৰো কৰিছিল আৰু নিজৰ বিবেক তথা নিজৰ অধীনস্থসকলৰ লগত পৰামৰ্শ কৰিবলৈ গুচি গৈছিল।

শেষত ১৮ তাৰিখে ৰাতিপুৱা প্ৰতিজ্ঞাপত্ৰৰ আঁচনি তৈয়াৰ হ'ল আৰু তাত হস্তাক্ষৰো হ'ল। এইখনকে লৈ প্ৰায় এশমান প্ৰতিনিধি ৰাজেন্দ্ৰ বাবুৰ ঘৰৰ পৰা বিৰলা ভৱন গৈ পালে। নেহেৰু আৰু আজাদ আগৰে পৰাই উপস্থিত আছিল। দিল্লী পুলিচৰ মুখ্য অধিকাৰী তথা তেওঁৰ সহযোগী সহায়কো উপস্থিত আছিল। হিন্দু মহাসভা তথা ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰতিনিধিও আছিল।

পাকিস্তানৰ উচ্চ আয়ুক্ত জোনাব জাহিদ হুছেইনো উপস্থিত আছিল।

ৰাজেন্দ্ৰ বাবুৱে মহাত্মাজীক ক'লে যে তেখেতৰ প্ৰতিজ্ঞা পত্ৰত কথা দিয়া হৈছে আৰু সেইবোৰ সম্পূৰ্ণ কৰিবলৈ কাৰ্যক্ৰম লোৱা হৈছে। প্ৰতিজ্ঞাবোৰ নিশ্চিত আছিল— "আমি বচনবদ্ধ হৈছো যে মুছলমানৰ জীৱন, সা-সম্পত্তি আৰু সন্মানৰ ৰক্ষা কৰিম আৰু দিল্লীত যিবোৰ ঘটনা হ'ল, সেইবোৰ পুনৰ নহ'ব";

গান্ধীজীয়ে শুনি গৈছিল আৰু সন্মতিসূচকভাৱে মূৰ দুপিয়াইছিল।

"মুছলমানে এৰি থৈ যোৱা মছজিদবিলাক যিবোৰক হিন্দু আৰু শিখে দখল কৰিছে, পুনৰ ঘূৰাই দিয়া হ'ব।

"পলাই যোৱা মুছলমান পুনৰ ঘূৰি আহিব পাৰে আৰু আগৰ দৰে কাম-কাজ চলাব পাৰিব।"

"এইসকলোবোৰ আমি ব্যক্তিগত যত্নেৰে কৰিম, পুলিচ বা সেনাৰ সহায়ত নহয়।"

শেষত ৰাজেন্দ্ৰ বাবুৱে গান্ধীজীক প্ৰাৰ্থনা জনালে যে তেখেতে নিজৰ উপবাস ভাঙিব লাগে।

ৰাজেন্দ্ৰ বাবুৰ ঘৰত হ'ব লগা চৰ্চাবোৰৰ কথা গান্ধীজীয়ে গম পাই আছিল। প্ৰতিনিধিসকলৰ দ্বাৰা মানি লোৱা কিছুমান কথাতো আৰম্ভণিতে তেখেতেই দৃষ্টিগোচৰ কৰাইছিল।

গান্ধীজীয়ে এতিয়া উপস্থিতসকলক সম্বোধন কৰি ক'লে, আপোনালোকৰ কথাই মোক প্ৰভাৱিত কৰিছে। কিন্তু যদি আপোনালোকে নিজকে কেৱল দিল্লীৰ সাম্প্ৰদায়িক শান্তি অনাৰহে দায়িত্ব লোৱা বুলি ভাবে তেন্তে আপোনালোকৰ আশ্বাসৰ একো মূল্য নাই, আৰু মই তথা আপোনালোকে এদিন অনুভৱ কৰিম যে উপবাস ভংগ কৰি মই মহা ভুল কৰিলো। হিন্দু মহাসভা তথা ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰতিনিধি এই কোঠাত উপস্থিত আছে। যদি এইসকলোকে নিজে বচন দিয়াৰ কথাটোৰ প্ৰতি সততা আছে তেন্তে দিল্লীৰ উপৰিও বেলেগবোৰ ঠাইত দেখা দিব লগা পাগলামিবোৰৰ বাবেও উদাসীন হৈ থাকিব নোৱাৰিব। দিল্লী ভাৰতৰ হৃদয় আৰু আপোনালোক সাৰতত্ত্ব। যদি আপোনালোকে সমস্ত ভাৰতকে এইটো অনুভৱ কৰাব নোৱাৰে যে হিন্দু, শিখ আৰু মুছলমানসকলো ভাই-ককাই তেন্তে ভাৰত তথা পাকিস্তান দুয়োৰে ভৱিষ্যতৰ অশুভ সময় আহিবলৈ ধৰিছে।

এনে অবস্থাত আবেগত অভিভূত হৈ গান্ধীজীয়ে কান্দি পেলায়। তেখেতৰ গালেদি চকুপানী বৰলৈ ধৰে। দৰ্শকেও উচুপিবলৈ ধৰে, বহুতে কান্দিয়েই পেলায়।

যেতিয়া গান্ধীজীয়ে দ্বিতীয়বাৰ ক'বলৈ লয় তেতিয়া তেখেতৰ মাতটো ইমান সৰু আছিল যে শুনিবলৈকে পোৱা নগৈছিল। ডাঃ শুশীলা নায়াৰে তেখেতৰ শব্দবোৰ দোহাৰি গৈছিল। গান্ধীজীয়ে সুধিলে, "আপোনালোকে মোক মিছা কথাতো কোৱা নাই? আপোনালোকে কেৱল মোৰ প্ৰাণ বচোৱাৰহে চেষ্টাতো কৰা নাই?"

মৌলানা আজাদ আৰু অন্যান্য মুছলিম বিদ্বানসকলে, হিন্দু মহাসভা তথা ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ ফালৰ পৰা গণেশ দত্ত গোস্বামীয়ে গান্ধীজীক আশ্বাস দিলে এইটো কথা নহয় আৰু তেখেতক উপবাস ভংগ কৰিবলৈ প্ৰাৰ্থনা জনালে।

গান্ধীজীয়ে বিছনাখনৰ ওপৰতে বহি লৈ গভীৰ চিন্তাত বুৰ গ'ল। উপস্থিত থকাসকলে প্ৰতীক্ষা কৰিবলৈ ধৰিলে। শেষত গান্ধীজীয়ে ঘোষণা কৰিলে যে নিজৰ উপবাস ভংগ কৰিব। পাৰসী, জাপানী তথা মুছলিম ধৰ্ম গ্ৰন্থ পাঠ হ'ল আৰু পুনৰ এই মন্ত্ৰটো কোৱা হ'ল—

অসতো মা সদ্গময়

তমসো মা জ্যোতিৰ্গময়

মৃত্যুৰ্মা অমৃতম গময়

ইয়াৰ পাছতে মৌলানা আজাদে এপোৱা সুমঠিৰা টেঙাৰ ৰসৰ গিলাচটো গান্ধীজীক দিলে আৰু গান্ধীজীয়ে লাহে লাহে ৰসখিনি খালে।

সেইদিনা ৰাতিপুৱা শুই উঠিয়েই নেহেৰুৱে গান্ধীজীৰ লগতে সন্ধিয়ালৈকে উপবাস কৰাৰ সিদ্ধান্ত লৈছিল। তেওঁক বিৰলা ভৱনলৈ মাতি পঠোৱা হ'ল, য'ত তেখেতে বচন দিয়া হোৱা তথা উপবাসৰ সমাপ্ত কৰা দেখা পালে। ধেমেলীয়াকৈ নেহেৰুৱে গান্ধীজীক ক'লে, "চাওক মই উপবাস কৰিবলৈ লৈছো, আৰু এতিয়া মই সময়তকৈ আগতেই উপবাস ভংগ কৰিব লাগিব"।

গান্ধীজী আনন্দিত হৈ পৰিল। আবেলি সময়ত তেখেতে নেহেৰুৰ ওচৰলৈ কিছু কাগজ-পত্ৰ এখন চিঠিৰে সৈতে পঠায় যিখনত লিখা আছিল, "মই আশা কৰিছো তুমি নিজৰ উপবাস সমাপ্ত কৰিলা হ'বলা। ঈশ্বৰে কৰক তুমি বহুত দিনলৈকে ভাৰতৰ জৱাহৰ (ৰত্ন) হৈ থাকা"।

পাকিস্তানৰ বৈদেশিক মন্ত্ৰী ছাৰ মহম্মদ অফৰুল্লাখাই সংযুক্ত ৰাষ্ট্ৰ সংঘৰ সুৰক্ষা পৰিষদক জনাই দিছিল "উপবাসৰ প্ৰতিক্ৰিয়াস্বৰূপে দুয়োখন উপনিবেশৰ মাজত মৈত্ৰীৰ ভাবনা তথা ইচ্ছাৰ এটা নতুন আৰু শক্তিশালী ঢৌৱে সম্পূৰ্ণ মহাদ্বীপকে ঢাকি পেলাইছে।"

পাকিস্তান আৰু ভাৰতৰ মাজৰ ৰাষ্ট্ৰীয় সীমাটোৱে ভাৰতৰ হৃদয়ত কাটি দিয়া ঘা, যিটোৰ জোৰা লগা নাই আৰু দুয়োখনেৰ মাজত মিত্ৰতা পৰ্বতত কাছ্ কণী বিচৰাৰ দৰেহে। তথাপি গান্ধীজীৰ উপবাসে এইটো চমৎকাৰ দেখুৱালে যে কেবল দিল্লীতেই শান্তি স্থাপিত হোৱা নাই বৰং দুয়োখন উপনিবেশতে ধৰ্মীয় হাই-কাজিয়া আৰু কটা-মৰাৰ অন্ত পৰিল।

বিশ্বত বিয়পি থকা সমস্যাৰ এইটো এটা আংশিক সমাধান সেইজন ব্যক্তিৰ নৈতিক বলৰ মনত ৰাখিবলগীয়া ৰূপত হৈছে। যিজনৰ সেৱা কৰাৰ ইচ্ছা প্ৰাণৰ মমতাতকৈও কিছু বেছিহে আছিল। গান্ধীজীয়ে জীৱনটোক ভাল পাইছিল আৰু জীয়াই থাকিবলৈও বিচাৰিছিল। কিন্তু মৰিবৰ বাবে উদ্যত হৈ থকাত তেখেতৰ সেৱা কৰাৰ শক্তি প্ৰাপ্ত হ'ল আৰু তেতিয়াৰে পৰা তেখেত আনন্দত আছিল। উপবাসৰ পাছৰ ১২ দিনত তেখেত প্ৰসন্ন আৰু ধেমেলীয়া হৈ আছিল। নিৰাশ কফুৰৰ দৰে উৰি গৈছিল আৰু ভৱিষ্যতৰ কামৰ বাবে তেখেতৰ মন অনেক আঁচনি আছিল। তেখেতে মৃত্যুক আহ্বান কৰিলে আৰু তেখেতে জীৱনৰ নতুন পীৰাত বহিবলৈ পালে। ❑❑

অন্তিম অধ্যায়

উপবাস সমাপ্ত হোৱাৰ পাছত প্ৰথমদিনা গান্ধীজীক চকীত বহুৱাই প্ৰাৰ্থনাৰ ঠাইলৈ লৈ যোৱা হ'ল। নিজৰ ভাষণত, যিটো কওঁতে তেখেতৰ মাতটো বৰ সৰুকৈহে ওলাইছিল, তেখেতে ক'লে যে হিন্দু মহাসভাৰ এজন পদাধিকাৰীয়ে দিল্লীৰ শান্তি-প্ৰতিজ্ঞাক মানি ল'বলৈ মান্তি নহ'ল। গান্ধীজীয়ে এইটোৰ বাবে দুখ প্ৰকাশ কৰিলে।

দ্বিতীয়দিনাও প্ৰাৰ্থনাৰ বাবে তেখেতক দাঙি নিয়া হ'ল। নিজৰ প্ৰাৰ্থনাত দিয়া ভাষণত তেখেতে সোনকালে স্বাস্থ্য লাভৰ তথা শান্তিৰ মিছনক আগবঢ়াই নিবৰ বাবে পাকিস্তানলৈ যোৱাৰ আশা ব্যক্ত কৰে।

প্ৰশ্নোত্তৰ সময়ত এজন মানুহে ক'লে যে তেখেতে নিজকে অৱতাৰী পুৰুষ বুলি ঘোষণা কৰিব লাগে। গান্ধীজীয়ে ভাগৰুৱা হাঁহি এটা মাৰি ক'লে, "মনে মনে বহি থাকা"।

গান্ধীজীয়ে যিসময়ত কথা কৈ আছিল তেতিয়াই ধুম কৰি উঠা এটা শব্দ শুনা গ'ল। "এইটো কি হ'ল" তেখেতে সুধিলে, আৰু পুনৰ ক'লে "গম নেপাও কি হ'ল" শ্ৰোতাসকলৰ মাজত উদ্বিগ্নতা বিয়পি পৰিল। "এইটোলৈ মন-কাণ নিদিবা"। — তেখেতে ক'লে— "মোৰ কথা শুনা।"

পাছদিনা গান্ধীজীয়ে যেতিয়া নিজেই খোজকাঢ়ি গৈ প্ৰাৰ্থনা সভা পায়গৈ তেতিয়া তেখেতে ক'লে যে কালিৰ ঘটনাৰ সময়তো বিচলিত নোহোৱাকৈ থকাৰ বাবে তেখেতলৈ বহুতো লোকে ধন্যবাদ পঠিয়াই আছে। তেখেতে ক'বলৈ ধৰিলে, "এইটোৰ বাবে মই প্ৰশংসাৰ পাত্ৰ নহওঁ। মই ভাবিছিলো যে সৈন্যই অভ্যাস কৰি আছে। প্ৰশংসাৰ পাত্ৰ তেতিয়াহে হ'ব পাৰিম যেতিয়া এনেকুৱা ধুম কৈ উঠা শব্দেৰে মই আহত হৈ পৰিম আৰু তথাপি মোৰ মুখত হাঁহি বিৰিঙি থাকিব আৰু মাৰোতাজনৰ প্ৰতি একো দ্বেষ ভাব নেথাকিব। যিজন পথভ্ৰষ্ট যুৱকে বোমাটো দলিয়াইছে তেওঁৰ ওপৰত কোনেও ঘৃণা কৰিব নোৱাৰে। তেওঁ বোধকৰোঁ মোক হিন্দু ধৰ্মৰ শত্ৰু বুলি ভাবিছে। কিন্তু ধৰ্মক জীয়াই ৰখাৰ উপায় এইটো নহয়। হিন্দু ধৰ্ম মই কৰি থকা কামবোৰৰ উপায়েৰেহে জীয়াই থাকিব পাৰিব।"

এগৰাকী লিখা-পঢ়া নজনা বুঢ়ী মানুহে বোমা দলিওৱাজনৰ লগত গৰৰা গৰবি লাগে আৰু পুলিচ অহালৈকে তেওঁক ধৰি ৰাখে। গান্ধীজীয়ে এই অশিক্ষিতা ভনী গৰাকীক সৰলতা আৰু সাহসিকতাৰ প্ৰশংসা কৰিলে। পুলিচৰ ইন্সপেক্টৰ জেনেৰেলক তেখেতে ক'লে যে সেই ডেকাজনক যাতে হাৰাশাস্তি কৰা নহয়।

এই ডেকাজনৰ নাম মদনলাল আছিল। তেওঁ পঞ্জাবৰ পৰা অহা শৰণাৰ্থী আছিল আৰু দিল্লীৰ এটা মছজিদত আশ্ৰয় লৈ আছিল। গান্ধীজীৰ ইচ্ছা অনুসৰি তেওঁক এই মছজিদৰ পৰা উলিয়াই দিয়া হৈছিল।

খণ্ডতে গৈ মদনলালে সেইসকলৰ দলত সোমালগৈ, যিসকলে গান্ধীজীক হত্যা কৰাৰ ষড়যন্ত্ৰ কৰি আছিল। যেতিয়া বোমাটোৱে নিজৰ কাম নকৰিলে আৰু মদনলালো গ্ৰেপ্তাৰ হ'ল তেতিয়া তেওঁৰ লগৰীয়া ষড়যন্ত্ৰকাৰ নাথুৰাম বিনায়ক গড়চে দিল্লীলৈ আহিল।

গড়চেই বিৰলা ভৱনৰ আশে-পাশে ঘূৰিবলৈ ধৰিলে। তেওঁ খাকী ৰঙৰ এটা জেকেট পিন্ধি আছিল। জেকেটটোৰ জেপতে এটা সৰু পিষ্টল ভৰাই থৈছিল।

১৯৪৮ চনৰ ২৫ জানুৱাৰী দেওবাৰৰ দিনা গান্ধীজীৰ প্ৰাৰ্থনা সভাত প্ৰতিদিনৰ তুলনাত অধিক ভিৰ হৈছিল। গান্ধীজীও আনন্দিত হৈ আছিল। তেখেতে মানুহবোৰক ক'লে যে তেওঁলোকে নিজৰ লগত বহিবৰ বাবে কিবা আসন বা ডাঠ কাপোৰ বহিবৰ বাবে লৈ আহিব লাগে, কিয়নো জাৰতে ঘাঁহবোৰ চেঁচা আৰু সেমেকা হৈ পৰিছে। তেখেতে ক'লে যে তেখেতে হিন্দু আৰু মুছলমানসকলৰ পৰা এইটো জানিব পাৰি অতি আনন্দিত হৈছে যে দিল্লীয়ে হৃদয়ৰ এনেকুৱা মিলন কেতিয়াও অনুভৱ কৰা নাছিল। এনে শুধৰণিৰ অৱস্থাত কিয় এইটো হ'ব নোৱাৰে যে প্ৰাৰ্থনালৈ যিজন হিন্দু বা শিখ লোক আহে তেওঁলোকে নিজৰ লগতে কমেও একোজনকৈ মুছলমান লোকক লৈ অহাটো? গান্ধীজীৰ বাবে এইটো ভাতৃত্বৰ মজবুত উদাহৰণ হ'ব।

কিন্তু মদনলাল, গড়চে তথা তেওঁলোকৰ সিদ্ধান্তবোৰৰ সংযোজকসকলে হিন্দু প্ৰাৰ্থনাত মুছলমানসকলক উপস্থিত থকা বা কোৰাণৰ আয়ত পাঠৰ কথাত ক্ৰোধিত হৈ পৰে। এইটোৰ উপৰিও তেওঁলোকে আৰু জানিছিল যে হিংসাত্মক উপায়েৰে ভাৰতক পুনৰ এক কৰাৰ দিশত গান্ধীজীৰ মৃত্যু প্ৰথম খোজ হ'ব। তেওঁলোকে বিচাৰিছিল যে গান্ধীজীক নিজৰ মাজৰ পৰা আঁতৰাই মুছলমানসকলক অৰক্ষিত কৰা হওক। তেওঁলোকে এইটো বুজি পোৱা নাছিল যে গান্ধীজীৰ হত্যাৰে দেশৰ আগত এইটো ওলাই পৰিব যে মুছলমানৰ ঘোৰ বিৰোধী কিমান বিপদযুক্ত আৰু অনুশাসনহীন আৰু এইদৰে হত্যা কৰাৰ বিপৰীত প্ৰভাৱহে পৰিব।

উপবাসৰ পাছত মানসিক অশান্তি কম হোৱাৰ বিপৰীতে গান্ধীজীয়ে সেই মহান অসাধ্যবোৰৰ কথা জানিছিল, যিবোৰ নতুন, অনুভৱহীন চৰকাৰৰ আগত আহি পৰিছিল।

কংগ্ৰেছৰ ক্ষমতাত তেখেতৰ বিশ্বাস আঁতৰিছিল। এতিয়াটো বহুতবোৰ আসনে দুজন নেতাৰ ওপৰতে নিৰ্ভৰ কৰিছিল। প্ৰধানমন্ত্ৰী নেহেৰু তথা উপ-প্ৰধানমন্ত্ৰী পেটেল এই দুজনে সদায় এজন আনজনৰ লগত একমত হ'ব নোৱাৰিছিল। দুয়োৰে স্বভাৱ পৰস্পৰ বিৰোধী আছিল। গান্দীজীয়ে এইটোক লৈ অশান্তিত ভুগিছিল। বাস্তৱত সমস্যা ইমান পৰ্যন্ত বাঢ়ি গ'ল যে গান্ধীজীৰ আশংকা হ'বলৈ ধৰিলে যে নেহেৰু আৰু পেটেলে লগ লাগি চৰকাৰখনত কাম কৰিব পাৰিব নে নোৱাৰিব। যদি দুয়োৰে ভিতৰত এজনক পচন্দ কৰাৰ অৱস্থা আহিলেহেঁতেন সম্ভৱ নেহেৰুকে পচন্দ কৰিলেহেঁতেন। পেটেলক তেখেতে এজন পুৰণি মিত্ৰ তথা কুশল শাসক হিচাবে ভাল বুলিয়েই ভাবিছিল, কিন্তু নেহেৰুক তেখেতে মৰম কৰিছিল আৰু তেখেতৰ বিশ্বাস আছিল যে হিন্দু আৰু মুছলমানসকলৰ প্ৰতি নেহেৰুৰ সমভাৱ আছে। পেটেলৰ ওপৰত ৰাজনৈতিক হিন্দু-পক্ষপাতিতাৰ সন্দেহ কৰা হৈছিল।

শেষত গান্ধীজীয়ে এইটো সিদ্ধান্তত উপনীত হ'ল যে নেহেৰু তথা পেটেল দুয়োজনেই সিজনে ইজনৰ বাবে অপৰিহাৰ্য। দুয়োৰে ভিতৰত এজন নেথাকিলেই চৰকাৰখন দুৰ্বল হৈ পৰিব। সেইবাবে নেহেৰুলৈ গান্ধীজীয়ে ইংৰাজীতে এখন চিঠি পঠালে, যিখনত লিখা আছিল যে তেওঁ তথা পেটেল দেশখনৰ ভালৰ বাবেই "লগ লাগি থাকিব লাগে"। ৩০ জানুৱাৰীত সন্ধিয়া ৪টা বজাত পেটেল বিৰ্লা ভৱনলৈ গান্ধীজীক লগ পাবলৈ আৰু সেই খবৰটোকে শুনিবলৈ আহিছিল।

৫ বাজি ৫ মিনিট পাৰ হোৱাত গান্ধীজীয়ে প্ৰাৰ্থনালৈ পলম হৈছে বুলি অস্থিৰ হৈ পৰিল আৰু তেখেতে পেটেলক বিদায় দিলে। আভা আৰু মনুৰ কান্ধত হাত থৈ তেখেতে খৰধৰকৈ প্ৰাৰ্থনাৰ ঠাইলৈ যাবলৈ ধৰিলে। যেতিয়াই তেখেতে প্ৰাৰ্থনাৰ ঠাই আহি পালে, নাথুৰাম গড়্‌চেই কিলাকুটিৰে ভিৰ আঁতৰাই আগলৈ আহিল আৰু এনে লাগিল যেন তেওঁ হাউলী গান্ধীজীক প্ৰণামহে কৰিব। তেওঁ হাতেৰে জেপত থকা পিস্তলটো ধৰি আছিল।

গড়্‌চেৰ নমস্কাৰক তথা উপস্থিত ব্যক্তিসকলৰ আদৰ সূচোৱা অভিবাদনক আদৰণি জনাই গান্ধীজীয়ে হাতযোৰ কৰিলে আৰু মিচিকিয়া হাঁহিৰে সকলোকে আশীৰ্বাদ দিলে। সেই মুহূৰ্ততে গড়্‌চেই পিষ্টলৰ ঘোৰা টিপিলে। গান্ধীজী পৰি গ'ল আৰু তেখেতৰ জীৱন লীলা সমাপ্ত হৈ পৰিল। তেখেতৰ মুখৰ পৰা অন্তিম শব্দ ওলালে "হে ৰাম"।□□